পূব কামৰূপ মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনী

# পূবেৰুণ

অষ্টচত্বাৰিংশত্তম সংখ্যা
শিক্ষাবৰ্ষঃ ২০২২-২০২৩

সম্পাদক
ইমৰাজ খান

# PUBERUN

Annual magazine of Pub Kamrup College

Editor : Imraj Khan

48th issue, Session: 2022-2023



# মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ কিছু আলোকচিত্ৰ





























# পূবেৰুণ

পূব কামৰূপ মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনী

# PUBERUN

ANNUAL MAGAZINE OF PUB KAMRUP COLLEGE

Session : 2022-23

## অষ্টচত্বাৰিংশত্তম সংখ্যা

শিক্ষাবৰ্ষ ঃ ২০২২-২৩

ড০ নয়নমণি বৰুৱা
*তত্ত্বাৱধায়ক*

ইমৰাজ খান
*সম্পাদক*

ডাকঘৰ ঃ বাইহাটা চাৰিআলি, ডাক সূচাংক- ৭৮১৩৮১
দূৰভাষ ঃ (০৩৬২১) ২৮৬৩০০
ৱেবচাইট ঃ www.pubkamrupcollege.co.in
ই-মেইল ঃ principal@pubkamrupcollege.co.in, principal@pubkamrupcollege.org

**PUBERUN,** Annual magazine of Pub Kamrup College, 2022-'23 is the annual mouthpiece of Pub Kamrup College, P.O. : Baihata Chariali, District : Kamrup, Assam; edited by Imraj Khan and published by Principal, Pub Kamrup College on behalf of Pub Kamrup College Students' Union.

## ২০২২-২০২৩ বৰ্ষৰ আলোচনী সম্পাদনা সমিতি



ড° ভূপেন কুমাৰ শৰ্মা
মুখ্য উপদেষ্টা



নাৰায়ণ গোস্বামী
উপদেষ্টা



ড° নয়নমণি বৰুৱা
তত্ত্বাৱধায়ক



মণ্টু শইকীয়া
শিক্ষক সদস্য



কল্পনা ভাগৱতী
শিক্ষক সদস্য



ড° বৰ্ণালী ডেকা
শিক্ষক সদস্য



ড° দীপক কোঁৱৰ
শিক্ষক সদস্য



ড° ধীৰেণ বড়ো
শিক্ষক সদস্য



ড° বিপুল ডেকা
শিক্ষক সদস্য



ইমৰাজ খান
সম্পাদক



আছিক আলী
সম্পাদনা সহযোগী



কিশোৰ কুমাৰ শৰ্মা
ছাত্ৰ সদস্য



আমিনুল হক
ছাত্ৰ সদস্য

বেটুপাত অংকন ঃ নব প্ৰতিম দাস

ৰেখাচিত্ৰ অংকন ঃ ৰুণিমা ডেকা, ভাস্বতী নাথ, ভাষ্যতি শৰ্মা, গৰিমা কলিতা

প্ৰকাশক ঃ অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

স্বত্ব (ক'পিৰাইট) ঃ পূব কামৰূপ মহাবিদ্যালয়

মুদ্ৰণ ঃ পূব কামৰূপ মহাবিদ্যালয় ছপাশাল




### বেটুপাতৰ তাৎপৰ্য

তথ্য-প্ৰযুক্তি সাম্প্ৰতিক কালৰ বোধিদ্ৰুম, সময়ৰ অৱশ্যম্ভাৱী কক্ষপথ। পৰম্পৰা আৰু পৰিৱৰ্তনৰ সন্তুলিত সমাহাৰেহে আদৰিব পাৰে জীৱনৰ মহত্ত্ব- মানুহ হোৱাৰ গৌৰৱ। মন আৰু আত্মাৰ দিগন্ত প্ৰসাৰি জ্ঞানৰ আলোকময় যাত্ৰাত মগন হওক পৃথিৱী। পৃথিৱী সেউজীয়া হ'ব, পৃথিৱী সুখী হ'ব, পৃথিৱীৰ কুশল হ'ব।

## কৃতজ্ঞতাৰ শৰাই

এই সংখ্যাৰ আলোচনীৰ সমূহ লেখক, মহাবিদ্যালয় ছাত্ৰ সন্থা, মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু আলোচনীখনি প্ৰকাশৰ পথলৈ অহাত অৰিহণা যোগোৱা সকলো সুধীজনৰ ওচৰত সম্পাদনা সমিতি কৃতজ্ঞ।

এই সংখ্যাৰ আলোচনীত প্ৰকাশিত মতামত, তথ্য আদি সংশ্লিষ্ট লেখকসকলৰ সম্পূৰ্ণ ব্যক্তিগত। সম্পাদনা সমিতি ইয়াৰ বাবে দায়ী নহয়।


# উৎসৰ্গা

জন্মলগ্নৰে পৰা অদ্যাপি পূব কামৰূপ মহাবিদ্যালয়ৰ লগত
ভিন ভিন দিশত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত
প্ৰতিগৰাকী সহৃদয় ব্যক্তি তথা অনুষ্ঠানৰ হাতত
'পূবেৰুণ'
অৰ্পণ কৰা হ'ল।

# শ্ৰদ্ধাঞ্জলি



জয়ন্ত মহাপাত্ৰ



উমাকান্ত বৈৰাগী



ইন্দিবৰ দেউৰী



পেলে



এম.এছ. স্বামীনাথন



প্ৰদীপ সৰকাৰ



গোফি পেইন্টাল



জাৰাফাৰিয়াব জিলানী



সতীশ কৌশিক



পামেলা চোপ্ৰা




চলোঞ্চা লটকৰ



কিশোৰ দাস

লগতে আমি শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ--

আমাৰ অজ্ঞাতে বৈ যোৱা অনেকজনলৈ...

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ. ৭/২০২৩/২৫৮৮
২৮ ফাগুন, ১৪৩১ ভাস্কৰাব্দ
১৩ মাৰ্চ, ২০২৫ ইং

# শুভেচ্ছাবাণী

পূব কামৰূপ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক আলোচনী 'পূবেৰুণ' প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ। এই আলোচনীখনে বিদ্যাৰ্থী সমাজক জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে আগুৱাই যোৱাৰ দিশত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি মই নিশ্চিত।

শিক্ষা হৈছে ব্যক্তি বিশেষৰ আত্মসংস্কাৰ বা পৰিমাৰ্জিত ৰুচি। তেনে আত্মসংস্কাৰ বা ৰুচি গঢ় দিব লাগিলে বিদ্যাৰ্থীৰ মানসিক পৰিমণ্ডলত মুক্ত প্ৰজ্ঞা আৰু মুক্ত চিন্তাৰ প্ৰসাৰ সাধন কৰিব লাগিব। বিশিষ্ট দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলে কৈছিল— 'কোনজন মানুহ প্ৰকৃততে মুক্ত-প্ৰজ্ঞা সেই কথা তেওঁৰ বিশ্বাসৰ ওপৰত নিৰ্ভৰ নকৰে, সি বেছিকৈ নিৰ্ভৰ কৰে সেই বিশ্বাসবোৰত তেওঁ কেনেকৈ উপনীত হ'ল তাৰ ওপৰতহে। প্ৰকৃততে মুক্তভাৱে চিন্তা কৰা মানুহে কেতিয়াও কাৰো কৰ্তৃত্বৰ ওচৰত সেও নামানে বা নিজৰ অভিৰুচিৰ ওচৰতো মূৰ নোদোৱায়।' ঐতিহ্যৰ প্ৰতি গভীৰ আস্থা আৰু আধুনিকতাৰ সংবেদনশীল চেতনাৰে বিদ্যাৰ্থীৰ চেতনাত তেনে মুক্ত চিন্তা আৰু প্ৰজ্ঞাৰ বীজ অংকুৰিত কৰাই হৈছে শিক্ষাৰ উদ্দেশ্য। প্ৰকৃত শিক্ষাই বুদ্ধিমত্তা আৰু প্ৰাণ শক্তিৰ পৰিচয় দিব পৰা আত্মনিৰ্দেশিত, আত্মনিয়ন্ত্ৰিত একোগৰাকী আজীৱন শিক্ষাৰ্থী গঢ়ি তুলিব পাৰে।

অনুসন্ধান, সৃষ্টিশীলতা, প্ৰযুক্তি, উদ্যমিতা তথা নৈতিক নেতৃত্ব দিব পৰা বিদ্যাৰ্থীৰ সৃষ্টি কৰিব পাৰিলেহে আধুনিক বিশ্বত স্ব-প্ৰতিভাৰে সমুজ্জ্বল মানৱ সম্পদ গঢ় দিয়াটো সম্ভৱ হৈ উঠিব। শিক্ষাই এনে আলোক প্ৰজ্বলিত কৰিব লাগে যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ চিন্তাক দেশ নিৰ্মাণৰ ৰূপৰেখালৈ পৰিৱৰ্তন সাধন কৰিব পাৰে। আমাৰ দেশৰ বিকাশ আৰু মানৱ জাতিৰ সমৃদ্ধিৰ বাবে প্ৰত্যাহ্বান নেওচি আগুৱাই যাব পৰা শিক্ষাৰ্থী গঢ় দিয়া উচিত যাতে এখন সমাজ বা আমাৰ সভ্যতাই উদ্ভাৱনীমূলক চিন্তাৰে দ্ৰুত ৰূপান্তৰ সম্ভৱ কৰি তুলিব পাৰে। এনে চিন্তাৰ বীজ ছাত্ৰ-ছাত্ৰীৰ মাজত কোনে অংকুৰিত কৰিব? নিশ্চিতভাৱে শিক্ষাগুৰুসকলে। পূব কামৰূপ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিমণ্ডলত সেই মহৎ উৎসৱৰ আয়োজন হওক তাকেই কামনা কৰিলোঁ।

মই আলোচনীখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

# অধ্যক্ষৰ মেজৰ পৰা



ঐতিহ্যমণ্ডিত এই পূব কামৰূপ মহাবিদ্যালয়খনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ, উপযুক্ত শৈক্ষিক পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত অৰদান আগবঢ়াই আহিছে। আনহাতে পুথিগত শিক্ষাক বাদ দিও ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য-সংস্কৃতি নাইবা কলাৰ দিশত নিজক কিদৰে আগবঢ়াই নিব পাৰিছে, 'পূবেৰুণ'ৰ জৰিয়তে আমি তাৰ উমান পাবলৈ সক্ষম হওঁ। এই আলোচনী মহাবিদ্যালয় পৰিয়ালৰ সেউজ অনুভৱৰ স্বাক্ষৰ।

আকৌ, শিক্ষানুষ্ঠানৰ বাৰ্ষিক আলোচনীয়ে শিক্ষাৰ্থীক গ্ৰন্থপ্ৰেমী হ'বলৈ শিকায়। আলোচনীখনৰ লগত জড়িত ব্যক্তি, লেখক-লেখিকা আদিৰ সহযোগত আলোচনীখন প্ৰকাশ হৈ উঠালৈকে মহাবিদ্যালয়ত এক সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ় লৈ উঠে। প্ৰতিবছৰে এয়া এক ভাল লগা কথা।

আলোচনীয়ে মহাবিদ্যালয়ৰ সকলো দিশ সামৰি এক প্ৰতিচ্ছবি প্ৰতিফলিত কৰা উচিত। আশা কৰিছোঁ 'পূবেৰুণে' সকলো শিক্ষাৰ্থীৰ জ্ঞানান্বেষণৰ হাবিয়াহ বঢ়াই তোলক ...

ইয়াতেই ন ন সৃষ্টিৰ গজালি মেলক।

আমাৰ পূবেৰুণ বৰ্ণিল ৰূপত জিলিকি থাকক সদায়।

আলোচনীখনৰ লগত জড়িত সকলোকে জনাইছোঁ মোৰ আন্তৰিক শুভেচ্ছা।

(ড° ভূপেন কুমাৰ শৰ্মা)
অধ্যক্ষ
পূব কামৰূপ মহাবিদ্যালয়
বাইহাটা চাৰিআলি

# ২০২২-২০২৩ বৰ্ষৰ 'পূবেৰুণ' সম্পাদনা সমিতি

| নাম | বিষয়বাব | মেইল আই.ডি. | ডাক ঠিকনা |
|---|---|---|---|
| ড° ভূপেন কুমাৰ শৰ্মা, অধ্যক্ষ | মুখ্য উপদেষ্টা | principal@pubkamrupcollege.co.in | |
| নাৰায়ণ গোস্বামী, উপাধ্যক্ষ | উপদেষ্টা | narayan@pubkamrupcollege.co.in | |
| ড° নয়নমণি বৰুৱা | তত্ত্বাৱধায়ক | nayanmoni@pubkamrupcollege.co.in | |
| মণ্টু শইকীয়া | শিক্ষক সদস্য | montu@pubkamrupcollege.co.in | |
| কল্পনা ভাগৱতী | শিক্ষক সদস্য | kalpana@pubkamrupcollege.co.in | |
| ড° বৰ্ণালী ডেকা | শিক্ষক সদস্য | barnali@pubkamrupcollege.co.in | পূব কামৰূপ মহাবিদ্যালয়<br>বাইহাটা চাৰিআলি<br>কামৰূপ, অসম<br>পিন- ৭৮১৩৮১ |
| ড° দীপক কোঁৱৰ | শিক্ষক সদস্য | dipak@pubkamrupcollege.co.in | |
| ড° ধীৰেণ বড়ো | শিক্ষক সদস্য | dhiren@pubkamrupcollege.co.in | |
| ড° বিপুল ডেকা | শিক্ষক সদস্য | bipul@pubkamrupcollege.co.in | |
| ইমৰাজ খান | সম্পাদক | imraj066@gmail.com | |
| আছিক আলী | ছাত্ৰ সদস্য | aasik2027@gmail.com | |
| কিশোৰ কুমাৰ দাস | ছাত্ৰ সদস্য | kishorsarma708@gmail.com | |
| আমিনুল হক | ছাত্ৰ সদস্য | aminhoque71@gmail.com | |

OFFICE OF THE PRINCIPAL

# PUB KAMRUP COLLEGE

P.O. BAIHATA CHARIALI, DIST. KAMRUP
ASSAM, PIN-781381

From
Dr. B. K. Sarma, M.Sc.,LLB, Ph.D
Principal

Website: www.pubkamrupcollege.in
Email: principal@pubkamrupcollege.org
principalpkc22@gmail.com
Ph: . 03621-286300, 8638375658 (M)

Date: 14.11.2022

## Office Order

The following Associate Prof./ Asstt. Prof. of the College entrusted the responsibility of in-charge of the different port folios of the Pub Kamrup College Students' Union for the session 2022-2023.

| Sl No. | Name of In-charge | Designation | Portfolio |
|---|---|---|---|
| 01 | Dr. Bhupen kr. Sarma | Principal | President |
| 02 | Narayan Goswami | Vice-Principal | Vice-President |
| 03 | Dr. Khagen Das | Asstt. Prof. | Gen. Secretary |
| 04 | Dr. Barnali Deka | Asstt. Prof. | Asstt. General Secretary |
| 05 | Nayan Moni Baruah | Asstt. Prof. | Magazine Secretary |
| 06 | Dr. Harekrishna Haloi | Asso. Prof. | Cultural Secretary |
| 07 | Abinash Neog | Asstt. Prof. | Music Secretary |
| 08 | Pratul Kalita | Asstt. Prof. | Major Games Secretary |
| 09 | Khanindra Das | Asstt. Prof. | Minor Games |
| 10 | Vipasha Bhardwaj | Asstt. Prof. | Debate & Symposium |
| 11 | Nripendra Deka | Asstt. Prof. | Gymnasium |
| 12 | Imdad Ali Ahmed | Asstt. Prof. | Boys' Common Room |
| 13 | Kalpana Bhagabati | Asstt. Prof. | Girls Common Room |
| 14 | Dr. Dipak Konwar | Asstt. Prof. | Social Service |

All the faculty members are requested to accept the assignment and do needful in this regard.


Thanking You,

Advisors: 1. Rina Deka
2. Dr. Paresh kalita
3. Dadul Dewri

14.11.22
(Dr B. K. Sarma)
Principal
Pub Kamrup College

Principal
Pub Kamrup College
Baihata Chariali

# সূচীপত্ৰ





২০২২-২০২৩ বৰ্ষৰ 'পূবেৰুণ' সম্পাদনা সমিতি ।। i ।।

২০২২-২০২৩ বৰ্ষৰ পূঃ কাঃ মঃ ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু তত্ত্বাৱধায়কসকল ।। ii ।।

সম্পাদকীয় ।। ক—খ ।।


## প্ৰবন্ধ


ইতিহাস চৰ্চাত পুৰাতত্ত্ব অধ্যয়নৰ গুৰুত্ব এক চমু ৰূপৰেখা

*লক্ষ্মীনাথ তামুলী ।। ১ ।।*

পূব কামৰূপ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ঃ প্ৰস্তুতি পৰ্বৰ পৰা শুভাৰম্ভণী অনুষ্ঠানলৈ

*ড° দীপক কোঁৱৰ ।।৭।।*

মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জানিবলগীয়া

*ড° হেমশ্ৰী দেৱী ।।১০।।*

কৃত্ৰিম বননি

*ড° পৰেশ কলিতা ।।১২।।*

অসমৰ চাহ শিল্পৰ দুশবছৰীয়া অনিৰুদ্ধ যাত্ৰা

*ড° নিৰ্মল ৰঞ্জন মজুমদাৰ ।। ১৪ ।।*

'অজান দেশত এলিচ' ঃ এটি আলোচনা

*জেনী ডেকা ।। ১৬ ।।*

ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ আৰু ঐতিহ্য চেতনা

*দীক্ষিতা গোস্বামী ।। ১৮ ।।*

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত প্ৰকৃতি চিত্ৰণ

*মনিষা বেগম ।। ২৩ ।।*

'অৰুণোদয়' যুগ আৰু অ-খ্ৰীষ্টীয়ান অসমীয়া লেখক

*ফাৰুকুদ্দিন আহমেদ ।। ২৬ ।।*

কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্ব আৰু চিলাৰায়ৰ ভূমিকা

*কপিল দেৱ গোস্বামী ।। ৩০ ।।*

বামাস্থিত শ্ৰীশ্ৰীবুঢ়াগোঁসাই থানৰ উৎপত্তিৰ দু-আষাৰ

*ভায়োলিনা বৰুৱা ।। ৩২ ।।*

যাত্ৰাপাৰ্টিঃ এটি আলোচনা

*পৰাগ জ্যোতি ডেকা ।। ৩৪ ।।*

মানসিক চাপৰ পৰা মুক্তিৰ মন্ত্ৰ

*তৃষ্ণাৰাণী নাথ ।। ৩৫ ।।*

সামাজিক উত্তৰণত যুৱ প্ৰজন্মৰ ভূমিকা

*কিশোৰ কুমাৰ শৰ্মা ।। ৩৭ ।।*

নাছাৰ বিষয়ে কিছু কথা

*জ্যোতিষ্মা ডেকা ।। ৩৮ ।।*

জীয়াই থকাৰ আলাপ

*অনিমা বেগম ।। ৩৯ ।।*

**Ego-Involvement in Learning: Understanding its Impact on Motivation, Engagement, and Achievement**

*Dr Babita Das ।। 40 ।।*

**Mathematics in Day to Day Life: A Glimpse**

*Dr Kalpana Misra ।। 43 ।।*

**MUSIC: A source of peace and happiness**
*Abinash Neog।।44।।*
**Features of Artificial Intelligence and its Impact on Society**
*Mr. Kangkan Medhi।।45।।*
**Glimpse of Space Exploration with our Recently Launched Mission**
*Akangksha Kalita।।48।।*
**Thriving at Different Stages of an ACADEMIC CAREER**
*Theophil Inbuon।।49।।*
**Exploring Careers in Short Films and Animation: A Synoptic View**
*Dr Nilmi Konwar।।51।।*
***CHOMANGKAN*: The ceremony for dead**
*Hemphi Terangpi।।53।।*
**Games and Sports : An Overview**
*Dikshya Kakati।।54।।*
**India's G20 Persidency 2023।।**
*Puja Deka।।56।।*
**The Purpose : Our Life and Gita**
*Aungana Choudhury।।57।।*

## শিল্পকলা

দাই ঃ এক চমু পৰ্যালোচনা
*ভাষ্যতি শৰ্মা।।৫৯।।*
কথানদী
*পাৰ্থপ্ৰতীম শৰ্মা।।৬১।।*

## কথোপকথন

পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীদেৱৰ
সৈতে আলাপ।। ৬৩।।
আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষক তথা লেখক
ড° ৰুবুল মাউতৰ
সৈতে কথোপকথন।। ৭১।।

## কবিতা

প্ৰিয়
নিদুস্মিতা ডেকা।। ৭৩।।
খেলি-মেলি সময়
কিব্ৰিয়া আহমেদ।। ৭৩।।
মোৰ প্ৰেম তোমালৈ
নিখিল বৈশ্য।। ৭৪।।
অন্তহীন যাত্ৰা
মনালিচা ৰাজবংশী ।। ৭৪।।
পথৰ দাঁতিত কিৰিলি...
কমল লোচন শৰ্মা।। ৭৫।।
অনুভৱৰ শেতেলীত
নম্ৰতা প্ৰীতম গোস্বামী।। ৭৬।।
**BUT AN SCARED**
Zabeen Akhtar।।৭৬।।
নিজান প্ৰেমিক
অংকিত প্ৰতীম কাশ্যপ।। ৭৬।।
প্ৰকৃতিৰ পুৰা
অনিমা বেগম।।৭৭।।
হৃদয়ৰ দাপোন
নাগমা জান্নাত।। ৭৭।।
বিজ্ঞানৰ চমৎকাৰ
দীপজ্যোতি পৰাশৰ।। ৭৮।।
তুলনা
নীহা বেগম।। ৭৮।।
প্ৰশ্নবোধক
জোনমণি ডেকা।। ৭৯।।
ঠিকনা
নেহা কাশ্যপ।।৭৯।।
অভিনন্দন

অলকেশ কুমাৰ।। ৮০।।
জয়তুপূব কামৰূপ মহাবিদ্যালয়
আব্দুল মজিদ আলী।। ৮০।।
জীৱন
ভাগ্যশ্ৰী পাটোৱাৰী।। ৮১।।
নীলাঞ্জনালৈ একলম
হীৰকজ্যোতি নাথ।। ৮২।।
স্মৃতি
পাৰবিন চুলতানা।। ৮২।।

## গল্প

সমুদ্ৰ
মূল ঃ কৈলাশ পাট্টনায়ক
ভাষান্তৰ
*ড° বৰ্ণালী ডেকা।। ৮৩।।*
ৰাধাৰ কথাৰে
*কল্পনা ভাগৱতী।। ৮৫।।*
পূৰ্ণিমা
*ৰক্তিমা দত্ত।। ৮৭।।*
নতুন ঠিকনা
*আছিক আলী।। ৯০।।*
স্কুলৰ চোতালৰ আঁহতজোপা
*চিমাশ্ৰী বেজবৰুৱা ।। ৯২।।*
অনুৰাগৰ অনুৰাধা
*ৰিছা দাস।। ৯৩।।*
দায়িত্ব
*পলাশ ডেকা।। ৯৪।।*

## উপন্যাসিকা

সেউজ সপোন
ভাষ্যতি শৰ্মা।। ৯৫।।
নিসংগ চৰাই
ৰক্তিমা দত্ত।। ৯৮।।

## নাটক

অগ্ৰগামী
দিশান্ত নাথ।। ১০৩।।
আমাৰ স্বাধীনতা
জোনাক প্ৰিয়ম কাশ্যপ।। ১০৯।।
অধিকাৰ
নিদুস্মিতা ডেকা।। ১১৩।।

## ভ্ৰমণ

মোৰ দিল্লী ভ্ৰমণ
ইছাহক আলী।। ১১৫।।
নগাঁও ভ্ৰমণৰ কিছু স্মৃতি
পূজা ডেকা।। ১১৭।।
স্মৃতিৰ বোকোচাত– বৰাপানী, মেঘালয়
নিদুস্মিতা ডেকা।। ১১৮।।

## লাচিত বৰফুকনৰ ৮০০ সংখ্যক জন্মজয়ন্তী উপলক্ষে আয়োজিত কৰা ৰচনা প্ৰতিযোগিতা

জগদীশ দাস।। ১১৯।।
চুমিতা ডেকা।। ১২০।। নিশিতা শৰ্মা।। ১২০।।

## যুৱ মহোৎসৱৰ এৰা-বুটলা

পূব কামৰূপ মহাবিদ্যালয়ৰ সোণালী যাত্ৰা
আছিক আলী।। ১২১।।
মৰুৱা ফুল-অসমীয়া শিশু-সাহিত্যৰ এখন উল্লেখনীয় সংকলন
আছিক আলী।। ১২৫।।
যিগৰাকী ছোৱালীয়ে পাৰে
ভাষ্যতি শৰ্মা।। ১২৮।।
দেৱী
নিদুস্মিতা ডেকা।। ১৩১।।
ফাগুনৰ দিন
আছিক আলী।। ১৩২।।
ফাগুন
অনিমা ডেকা।। ১৩২।।

ফাগুন
কৌশিক ডেকা।। ১৩৩।।
কুঁৱলীৰ ধূসৰতাত সময়ৰ ঠিকনা
ভাষ্যতি শৰ্মা।। ১৩৪।।
ডাঙৰ মাছৰ হেপাঁহ
নিদুস্মিতা ডেকা।। ১৩৬।।
যন্ত্ৰণা
নিহাৰিকা কাশ্যপ।। ১৩৬।।
গল্পৰ প্ল'ট বিচাৰি
আকাংক্ষা কলিতা।। ১৩৭।।

থিতাতে লিখা অণুগল্পৰ বিষয় ঃ হঠাৎ মই উচপ খাই উঠিলোঁ
আছিক আলী, তৃষ্ণামণি দাস, ভাষ্যতি শৰ্মা, অনন্যা বৰদলৈ, কৌশিক ডেকা।। ১৩৮।।

**অণুগল্প**

নিদুস্মিতা ডেকা, ৰক্তিমা দত্ত, আব্দুল মজিদ আলী।। ১৩৯।।
আছিক আলী, কৌশিক ডেকা।। ১৪০।।
তৃষ্ণামণি দাস।। ১৪১।।

পত্ৰ লিখা প্ৰতিযোগিতাৰ নিৰ্বাচিত পত্ৰ
ভাগ্যশ্ৰী দেৱী, আছিক আলী।। ১৪২।।

বাতৰি লিখা প্ৰতিযোগিতাৰ নিৰ্বাচিত বাতৰি
মৌচুমী কলিতা, তৃষ্ণামণি দাস, পূজা ডেকা।। ১৪৩।।

সম্পাদকলৈ চিঠি লিখা প্ৰতিযোগিতাৰ নিৰ্বাচিত চিঠি
ৰক্তিমা দত্ত, পূজা ডেকা।। ১৪৪।।

থিতাতে লিখা ৰস-ৰচনা প্ৰতিযোগিতাৰ নিৰ্বাচিত ৰচনা
কৌশিক ডেকা, অনন্যা বৰদলৈ,আছিক আলী।। ১৪৫।।

নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ নিৰ্বাচিত চিঠি
দীক্ষিতা গোস্বামী, ভাষ্যতি শৰ্মা।। ১৪৬।।
আকাংক্ষা কলিতা, তৃষ্ণামণি দাস।। ১৪৭।।
বিদিশা দেৱী, ৰক্তিমা দত্ত।। ১৪৮।।

**প্ৰাচীৰ পত্ৰিকা** ।। ১৪৯—১৫৬।।

**প্ৰতিবেদন**।। ১৫৭—১৭৭।।
সভাপতিৰ প্ৰতিবেদন ।।১৫৭।।
উপ-সভাপতিৰ প্ৰতিবেদন ।।১৫৮।।
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ।।১৫৯।।
সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ।।১৬৩।।
আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৬৪।।
সাংস্কৃতিক সম্পাদিকা সম্পাদকৰ প্ৰতিবেদন ।।১৬৮।।
সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৭০।।
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৭১।।
গুৰুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৭৪।।
ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৭৫।।
ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৭৬।।
সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।।১৭৭।।

নেপথ্যৰ কথা ।।১৭৮।।

**Editors and Professors-in-Charge of**
**Pub Kamrup College Magazine**
**From 1975-1976 to 2022-2023** ।। ১৭৯—১৮০।।

OFFICE OF THE PRINCIPAL

# PUB-KAMRUP COLLEGE

**P.O.- BAIHATA CHARIALI**
DIST.- KAMRUP (ASSAM), PIN- 781381
E-mail : principal@pubkamrupcollege.org
Phone : 03621-286300

*Ref.* Date: 17-10-2023

**From**
Dr. Bhupen Kr Sarma
Principal
Pub Kamrup College

**To**

Dr. Nayanmnoi Baruah
Teacher-in-Charge
Pub Kamrup College Magazine, 2022-23

**Sub**: Information regarding the sanctioning of title of the College magazine

**Dear Madam**

With reference to your application to the undersigned requesting to change the title of the College Magazine for the purpose of the RNI/ISSN registration procedures, the following Governing Body Meeting's Resolution held on 11th August, 2023 has been forwarded for your information and necessary action.

**Resolution No. 14: The meeting has unanimously resolved to sanction the title of the Pub Kamrup College Magazine as "PUBERUN" (...পূবেৰুণ.............) with effect from 2022-23 issue.**

Therefore, you are requested to take necessary arrangements in this regard.

With Regards

17/10/2023

(Dr. Bhupen Kumar Sarma)
Principal
Pub Kamrup College

Principal
Pub Kamrup College
P.O.- Baihata Chariali

Copy to

1. Governing Body
2. IQAC
3. Person concerned
4. Guard file

● **সম্পাদনা সমিতি :—**

**অধ্যক্ষ** চৈয়দ মজহৰুল ইচলাম এম, এ, এল, এল, বি ( সভাপতি ), **অধ্যাপিকা** শ্ৰীবেজিনা খাতুন এম, এ, বি-টি ( তত্বাৱধায়িকা ), অধ্যাপক শ্ৰীকৃষ্ণকান্ত পাটোৱাৰী এম, এ, বি টি ( উপদেষ্টা, অসমীয়া বিভাগ ), অধ্যাপক শ্ৰীমোহনচন্দ্ৰ ডেকা এম, এ ( উপদেষ্টা, দৰ্শন বিভাগ ), শ্ৰীহেমন্ত কুমাৰ কলিতা ( সম্পাদক ), শ্ৰীমুকুল তালুকদাৰ ( সভ্য ), শ্ৰীহৰেন্দ্ৰনাথ ডেকা ( সভ্য ), কুমাৰী ৰোহিণী ডেকা ( সভ্য ), কুমাৰী গিৰিজা দাস ( সভ্য ), মঃ ৰফিকুদ্দিন আহমেদ ( সভ্য ) আৰু কুমাৰী বীণা ডেকা ( সভ্য )।

● আলোচনী উন্মোচনী সভা :—

আমাৰ মহাবিদ্যালয়ৰ বয়স তুবছৰ পূৰ হোৱাৰ লগে লগে "পূব-কামৰূপ মহাবিদ্যালয় আলোচনী"খনে জন্ম লাভ কৰে। তৃথীয়া কলেজৰ টনকিয়াল অৰ্থপুঁজি নথকা স্বত্বেও যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰপৰা আলোচনী এখন প্ৰকাশ পালে—সেইটো মহাবিদ্যালয়ৰ কাৰণে গৌৰৱৰ কথা। প্ৰাক্তন সম্পাদক শ্ৰীগজেন্দ্ৰনাথ কলিতাৰ সম্পাদনা আৰু অধ্যাপিকা ৰেজিনা খাতুনৰ তত্বাৱধানত প্ৰকাশ পোৱা আমাৰ মহা-বিদ্যালয়ৰ প্ৰথম আলোচনীখন উন্মোচন কৰে কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ হেমন্ত কুমাৰ শৰ্ম্মাদেৱে। সেইদিনাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আলোচনী সাহিত্যৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে অধ্যক্ষ চৈয়দ মজহৰুল ইচলামদেৱ আৰু পূব-কামৰূপ মহা-বিদ্যালয়ৰে কাৰ্য্য নিৰ্বাহক সমিতিৰ প্ৰাক্তন সভাপতি মাননীয় শ্ৰীভুবন চন্দ্ৰ ডেকা, বি, এ দেৱে বহলাই ব্যাখ্যা কৰে। উক্ত উন্মোচনী সভা-খন চিতানাথ থিং হাইস্কুল প্ৰাঙ্গণত ১৬।১০।৭৪ তাৰিখ বুধবাৰে আবেলি ১ বজাত অনুষ্ঠিত হয়।

● মোৰ তুসাৰ :—

আলোচনীৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰকাশৰ



পূব কামৰূপ মহাবিদ্যালয় আলোচনীৰ এই দ্বিতীয় সংখ্যা (১৯৭৪-৭৫ চন) - টি গোৰেশ্বৰস্থিত 'শিৱ প্ৰেছ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত প্ৰসন্ন ভট্টাচাৰ্যৰ সংগ্ৰহত আছিল। গোৰেশ্বৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দীপকজ্যোতি মহন্তই শ্ৰীযুত ভট্টাচাৰ্যৰ পৰা সংখ্যাটি সংগ্ৰহ কৰি পূব কামৰূপ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰক অৰ্পণ কৰে।

# সম্পাদকীয়



কলেজ চৌহদৰ ব্যস্ত পৰিৱেশত কলেজৰ আলোচনীবোৰে সৃষ্টিশীলতা আৰু বিকাশৰ সহায়ক হিচাপে থিয় দিছে। ডিজিটেল যুগে অতি সুলভ ভাবে তথ্য সংগ্ৰহ প্ৰক্ৰিয়াৰ ৰূপান্তৰ ঘটাইছে যদিও কলেজৰ আলোচনীৰ তাৎপৰ্য্য হ্ৰাস পোৱা নাই। এখন আলোচনীয়ে শিক্ষাজীৱনৰ মহত্ত্ব প্ৰতিফলিত কৰাৰ লগতে জ্ঞানৰ ন ন উৎস হিচাপে বিভিন্ন বিষয়ক দক্ষতা সৃষ্টি কৰাৰ মঞ্চস্বৰূপে কাম কৰে।

কলেজৰ আলোচনীবোৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা তথা বৌদ্ধিক প্ৰতিভা বিকাশৰ মঞ্চস্বৰূপ। কলেজ চৌহদৰ ব্যস্ত শৈক্ষিক পৰিৱেশত পুথিগত শিক্ষাৰ লগতে অন্যান্য ভিন ভিন দিশৰ সৃষ্টিশীল প্ৰতিভা বিকশিত কৰে। বৈদ্যুতিন মাধ্যমে অতি সহজে বিভিন্ন দিশত অতি সুলভভাৱে তথ্য সংগ্ৰহ প্ৰক্ৰিয়াৰ ৰূপান্তৰ ঘটাইছে তথা ইয়াৰ যোগেদি শিক্ষাৰ্থী উপকৃত হৈছে। তথাপি কলেজ আলোচনীৰ দৰে সৃষ্টিশীল মাধ্যমৰ গুৰুত্ব হ্ৰাস পোৱা নাই। কলেজ চৌহদৰ ব্যস্ত পৰিৱেশত লাভ কৰা বিভিন্ন অভিজ্ঞতা তথা শিক্ষা জীৱনৰ প্ৰতিভা প্ৰতিফলিত কৰা লগতে ভিন ভিন দিশৰ দক্ষতা সৃষ্টিৰ বাবে কাম কৰে।

**সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এক কণ্ঠ**

কলেজৰ আলোচনীৰ এটা প্ৰধান কাম হ'ল সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ নিজস্ব কণ্ঠ সৃষ্টি কৰা। আনুষ্ঠানিক শৈক্ষিক পৰিৱেশত ব্যক্তিগত কাহিনীৰ কলাত্মক প্ৰকাশ আৰু বৈচিত্ৰ্যপূৰ্ণ দৃষ্টিভংগী প্ৰকাশৰ বাবে বিভিন্ন দিশত কলেজৰ আলোচনীসমূহে ছাত্ৰৰ অভিজ্ঞতাৰ সাৰমৰ্মক প্ৰতিনিধিত্ব কৰে।

এই প্ৰতিনিধিত্বই বৈচিত্ৰময় সংস্কৃতিক একত্ৰিত ৰূপত গঢ়ি তোলাত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইয়াৰ উপৰিও তুলনামূলকভাৱে পিছপৰা শিক্ষাৰ্থী আৰু বিষয়সমূহক উজ্জ্বল কৰি কলেজৰ আলোচনীসমূহে কেৱল তেওঁলোককো এখন মঞ্চ প্ৰদান কৰে। লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত সহানুভূতি আৰু বুজাবুজিৰ ভাৱক উৎসাহিত কৰে।

**ভৱিষ্যতৰ নেতা বিকাশ কৰা**

সাহিত্য প্ৰকাশ বা দক্ষতা বিকাশৰ মঞ্চ হিচাপে কাম কৰাৰ উপৰিও কলেজৰ আলোচনীয়ে পৰৱৰ্তী প্ৰজন্মৰ নেতা আৰু পেছাদাৰীসকলৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বহু ছাত্ৰ-ছাত্ৰীৰ বাবে কলেজৰ আলোচনী এখনৰ সৈতে জড়িত হোৱাটোৱেই তেওঁলোকৰ সাংবাদিকতা, লেখা বা সংবাদ মাধ্যম সম্পৰ্কীয় প্ৰথম অভিজ্ঞতা। সম্পাদনা প্ৰক্ৰিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে গৱেষণা, সম্পাদনা, আৰু দলীয় কামৰ দৰে মূল্যৱান দক্ষতা শিকে- যিবোৰ দক্ষতা আজিৰ পৃথিৱীত অতি গুৰুত্বপূৰ্ণ।

আলোচনী এখন প্ৰস্তুত কৰাৰ প্ৰত্যাহ্বানসমূহ, যেনে- নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰা, বিষয়বস্তু নিৰ্বাচন কৰা আৰু সমনীয়াৰ সৈতে সহযোগিতাৰে কাম কৰি লাভ কৰা বাস্তৱ অভিজ্ঞতাসমূহে অন্যান্য পৰিস্থিতিৰ

লগতো সফলভাৱে মোকাবিলা কৰিবলৈ শিকায়। ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰে যিয়ে তেওঁলোকৰ শৈক্ষিক দক্ষতা বৃদ্ধি কৰে আৰু ভৱিষ্যতৰ কেৰিয়াৰৰ বাবে তেওঁলোকক প্ৰস্তুত কৰে। তেওঁলোকৰ ৰচনা প্ৰকাশ হোৱাৰ ফলত লাভ কৰা আত্মবিশ্বাসে তেওঁলোকৰ নিজৰ আৱেগক প্ৰতিপালন কৰিবলৈ উদ্বুদ্ধ কৰি তোলে।

**কেম্পাছৰ সংযোগক্ষেত্ৰ**

আজিৰ যুগত ডিজিটেল যোগাযোগে প্ৰায়ে মুখামুখি যোগাযোগৰ ঠাই লৈছে। তথাপি কলেজৰ আলোচনীসমূহে ভিন্ন পৰম্পৰাৰ লগত অভ্যস্ত ভিন ভিন ব্যক্তিৰ মাজত সংযোগকাৰী মাধ্যম হিচাপে গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াইছে। কেম্পাছৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক আৰু প্ৰশাসনৰ মাজত এক স্পষ্ট সংযোগ ৰক্ষা কৰি আছে। তদুপৰি ছপা আলোচনীৰ ভৌতিকতাই এক অনন্য অভিজ্ঞতা প্ৰদান কৰে যিটো ডিজিটেল মাধ্যমৰ দ্বাৰা সম্ভৱ নহয়। পৃষ্ঠাবোৰ লুটিয়ালে বিষয়বস্তুৰ সৈতে গভীৰভাৱে প্ৰভাৱিত হোৱাৰ লগতে পাঠকসকলক নতুন বিষয়ৰ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলে তথা পাঠকৰ চিন্তা-চেতনা জাগ্ৰত কৰে। এই অভিজ্ঞতাই বন্ধু-বান্ধৱী আৰু সহপাঠীৰ মাজত আলোচনাৰ সূচনা কৰিব পাৰে, যাৰ ফলত বন্ধন আৰু অধিক শক্তিশালী হোৱাৰ লগতে বিভিন্ন বিষয়ৰ নতুন নতুন তথ্য উন্মোচিত হ'ব পাৰে।


**ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যম**

কলেজীয়া আলোচনীসমূহ পৰম্পৰাগতভাৱে ছপা ভিত্তিক হৈ আহিছে যদিও বৈদ্যুতিন মাধ্যমৰ উত্থানে প্ৰত্যাহ্বান আৰু সুযোগ দুয়োটাই সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে বাতৰি আৰু মনোৰঞ্জনৰ বাবে বৈদ্যুতিন মাধ্যমৰ ফালে ক্ৰমান্বয়ে ধাৱমান হৈছে যাৰ ফলত ছপা মাধ্যমৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপিত হৈছে। কিন্তু এই পৰিৱৰ্তনক বিপৰ্যয়ৰ পৰিৱৰ্তে বিকাশৰ সুযোগ হিচাপেহে চাব পাৰি।

বৈদ্যুতিন মাধ্যমক আঁকোৱালি লৈ কলেজৰ আলোচনীসমূহে নিজৰ পৰিসীমা বৃদ্ধি কৰিব পাৰে আৰু বহল পৰিসৰৰ দৰ্শকৰ সৈতে জড়িত হ'ব পাৰে। বৈদ্যুতিন মাধ্যমে মাল্টিমিডিয়া উপাদানসমূহ, যেনে ভিডিঅ', পডকাষ্ট, আৰু ইন্টাৰেক্টিভ বিষয়বস্তু সম্পৰ্কীয় সমল সৃষ্টিৰ প্ৰৱণতা বৃদ্ধি কৰিব পাৰে আৰু পাঠকসকলক আকৰ্ষণ কৰিব পাৰে। বৈদ্যুতিন মাধ্যমৰ মঞ্চসমূহক বিষয়বস্তুৰ প্ৰচাৰ আৰু ছাত্ৰ সমাজৰ সৈতে বাস্তৱসন্মত সংযোগ গঢ়ি তোলাৰ বাবেও ব্যৱহাৰ কৰিব পাৰি।

সামৰণিত ক'ব পাৰি, শৈক্ষিক জীৱনত কলেজৰ আলোচনীসমূহ অতি গুৰুত্বপূৰ্ণ। এনে আলোচনীয়ে শিক্ষাৰ্থীৰ বৌদ্ধিক আৰু নৈতিক বিকাশৰ যাত্ৰা অব্যাহত ৰাখে। শিক্ষাৰ্থীৰ চিন্তা-চেতনা প্ৰকাশৰ বাবে এখন মঞ্চ প্ৰদান কৰি, ভৱিষ্যতৰ পেছাদাৰীসকলৰ বাবে প্ৰশিক্ষণৰ স্থান প্ৰদান কৰাৰ লগতে আৰু ভিন ভিন শিক্ষাৰ্থীৰ চিন্তাৰ সংযোগৰ দ্বাৰা মহাবিদ্যালয়ৰ আলোচনীয়ে বৌদ্ধিক ক্ষেত্ৰৰ অনুঘটক হিচাপে কাম কৰে।

ইমৰাজ খান



# ইতিহাস চৰ্চাত পুৰাতত্ত্ব অধ্যয়নৰ গুৰুত্ব
## এক চমু ৰূপৰেখা

*ইতিহাস মানে অতীত যদিও অতীত মানেই ইতিহাস নহয়। আনকি অতীতৰ সকলো ঘটনাই ইতিহাস নহয়, সকলোবোৰ ঘটনাকে নিৰ্বিচাৰে ইতিহাস বুলি গণ্য কৰা নহয়। এতিয়াৰ দৰেই অতীততো প্ৰতিদিনেই লক্ষ লক্ষ ঘটনা ঘটি আছিল। সেইবোৰ ঘটনাৰ এশ শতাংশই অতীত হৈ গ'ল। কিন্তু, সেই এশ শতাংশ ঘটনাই ইতিহাস নহ'ল। নহয়ো। সেই লক্ষ লক্ষ ঘটনাৰেই তেনেই কম সংখ্যক তাৎপৰ্যপূৰ্ণ ঘটনাহে ইতিহাসৰ বিষয়বস্তু হ'ল।*

**লক্ষ্মীনাথ তামুলী**
**বিশিষ্ট লেখক তথা অৱসৰী প্ৰশাসনিক বিষয়া**

ইংৰাজী ভাষাৰ Archeology আৰু Artiquity শব্দ দুটাই সামৰা সময় আৰু সমলসমূহৰ তালিকা প্ৰায় সমাৰ্থক আৰু সমগোত্ৰীয়। তদ্ৰুপভাৱে অসমীয়া প্ৰতিশব্দ যথাক্ৰমে প্ৰত্নতত্ত্ব আৰু পুৰাতত্ত্বয়ো একেই সময়, সমল, সঁজুলি আদিক বুজায়। অৱশ্যে দুয়োটাকে পৃথকে পৃথকে উল্লেখ কৰাৰ উদ্দেশ্যে প্ৰত্নতত্ত্বক The scientific study of material remains, such as tools pottery, jewelry, stone walls and monuments বুলি উল্লেখ কৰা হয় আৰু সেই প্ৰাগঐতিহাসিক কালৰ মানুহৰ সংস্কৃতিক, জীৱনৰ সমল-সঁজুলিবোৰৰ অধ্যয়নক পুৰাতত্ত্ব বুলি উনুকিওৱা হয়। অসমত দুয়োটাকে সামৰি সাধাৰণতে কেতিয়াবা প্ৰত্নতত্ত্ব আকৌ কেতিয়াবা পুৰাতত্ত্ব অভিধা প্ৰয়োগ কৰা দেখা যায়। বিশেষকৈ ইতিহাস সম্বন্ধীয় অধ্যয়নত প্ৰত্নতত্ত্ব আৰু সাংস্কৃতিক অধ্যয়নত পুৰাতত্ত্ব ব্যৱহাৰৰ দুৰ্বলতা লক্ষ্য কৰা যায়। অৱশ্যে তেনে সমিলমিলৰ অধ্যয়নে প্ৰত্নতত্ত্ব বা পুৰাতত্ত্ব অধ্যয়ন, অনুমান আৰু অনুধাৱনত কোনো বেমেজালি বা ক্ষতি হানি সৃষ্টি নকৰে। হেমকোষ অভিধানেও পুৰাতত্ত্বৰ সদৃশ সংজ্ঞা দি লিখিছিল যে বিলুপ্ত প্ৰাচীন সংস্কৃতিৰ পুনৰ নিৰ্মাণ কৰিবলৈ প্ৰচেষ্টা চলোৱা ইতিহাসৰ এটা শাখা, প্ৰাচীন ইতিহাসৰ বিজ্ঞানসন্মত অধ্যয়ন আৰু প্ৰত্নতত্ত্ব হ'ল প্ৰাচীন যুগৰ লিপি, মুদ্ৰা, ভগ্নাৱশেষ আদিৰ পৰা আহৰণ কৰা ঐতিহাসিক তথ্য।

ভৱিষ্যতৰ দৰে অতীত অনন্ত নহয়। অতীতৰ সীমা আছে। আৰম্ভণিৰ সীমা। ভৱিষ্যতৰ দৰে অতীত অজ্ঞাত আৰু অজেয়ও নহয়। সমগ্ৰ অতীতক নহ'লেও অতীতক বহুদূৰলৈকে জানিব পাৰি। জানিব পাৰিলেও আমি কিন্তু অতীতৰ ঘটনাৱলীৰ প্ৰত্যক্ষ সাক্ষী নহয়। নিজে বান্ধ খাই থকা শিপাৰ উঁহ বিচাৰিয়েই হওঁক বা ন-কৈ অথবা দকৈ শিপা প্ৰসাৰিত কৰাৰ তাগিদাৰ প্ৰেৰণা আৰু ন্যয্যতা বিচাৰিয়েই হওঁক, আমি অতীত জানিবলৈ ইতিহাসৰ কাষ চাপো। ভৱিষ্যতমুখী গতিপথৰ সঠিক লক্ষ্যৰ

সন্ধান নিশ্চিত কৰি লোৱাৰ বাবেও আমি ইতিহাসলৈ চাওঁ। ক্ৰচেই ঘোষণা কৰিছিল যে 'ইতিহাস মূলতঃ বৰ্তমানৰ দৃষ্টিৰে আৰু বৰ্তমানৰ সমস্যাৰ আলোকত অতীতলৈ ঘূৰি চোৱা।' হেৰিছনে লিখিছিল যে 'ভৱিষ্যত সম্পৰ্কে আমাৰ সকলো প্ৰত্যাশা নিৰ্ভৰ কৰিছে অতীত সম্পৰ্কে নিৰ্ভুল জ্ঞানৰ (Sound Understanding) -ৰ ওপৰত।' ই. এইচ. কাৰেও সেয়ে মন্তব্য দিছিল যে 'মহান ইতিহাস তেতিয়াই লেখা হয়, যেতিয়াই ঐতিহাসিকৰ অতীত সম্পৰ্কে দৃষ্টি বৰ্তমানৰ সমস্যাৰ অন্তৰ্দৃষ্টিৰে আলোকিত হৈ উঠে।' অৱশ্যে কাৰে এইটো সতৰ্কবাণী শুনাইছিল যে 'অতীতক ভাল পোৱা অথবা অতীতৰ পৰা মুক্ত কৰি লোৱা কোনোটোৱেই ঐতিহাসিকৰ কৰ্তব্য নহয়, বৰং বৰ্তমানক জনাৰ চাবি-কাঠি হিচাপে অতীতক বুজা আৰু আয়ত্ত কৰাহে তেওঁৰ কৰ্তব্য।'

এইটো কথাও সত্য যে ইতিহাস মানে অতীত যদিও অতীত মানেই ইতিহাস নহয়। আনকি অতীতৰ সকলো ঘটনাই ইতিহাস নহয়, সকলোবোৰ ঘটনাকে নিৰ্বিচাৰে ইতিহাস বুলি গণ্য কৰা নহয়। এতিয়াৰ দৰেই অতীততো প্ৰতিদিনেই লক্ষ লক্ষ ঘটনা ঘটি আছিল। সেইবোৰ ঘটনাৰ এশ শতাংশই অতীত হৈ গ'ল। কিন্তু, সেই এশ শতাংশ ঘটনাই ইতিহাস নহ'ল। নহয়ো। সেই লক্ষ লক্ষ ঘটনাৰেই তেনেই কম সংখ্যক তাৎপৰ্যপূৰ্ণ ঘটনাহে ইতিহাসৰ বিষয়বস্তু হ'ল। ইতিহাস অতীতৰ সমস্ত ঘটনাৰ নিৰ্বিচাৰ তথ্য সংগ্ৰহ বা ৰচনা সংকলন নহয়। যিবোৰ ঘটনাই সমাজক পৰিবৰ্তন কৰে, গতি দিয়ে আৰু কেতিয়াবা গতিত যতিৰ সৃষ্টি কৰে তেনেবোৰ ঘটনাহে ইতিহাসৰ বিবেচ্য আৰু বিচাৰ্য। তেনেদৰেই যিবোৰ ব্যক্তি সেই তাৎপৰ্যপূৰ্ণ ঘটনাসমূহৰ জাতক বা জনক, নায়ক কিম্বা খলনায়ক, তেওঁলোককহে ইতিহাসে স্থানৰ যোগান ধৰে। মন কৰিবলগীয়া প্ৰধান বিষয় এইটোহে যে ইতিহাসৰ চালিকা শক্তি বৃহৎ জনসাধাৰণ; কিন্তু তেওঁলোক ইতিহাসৰ পাতত নামহীন হৈয়ে ৰৈ গৈছে। তেওঁলোক ব্যক্তিৰ সমষ্টি কাৰণে সমষ্টিত সত্তা বা শক্তি হিচাপেহে ইতিহাসত স্বীকৃত, গুটীয়া বা সুকীয়া একক সত্তা হিচাপে নহয়। ই যেন ইতিহাসৰে এক ঐতিহাসিক ট্ৰেজেডি।

অতীতক লৈয়ে ইতিহাসৰ কাৰবাৰ। আমি কিন্তু ইতিহাসৰ সেইবোৰ ঘটনাৰ প্ৰত্যক্ষ সাক্ষী নহয়। হ'বই নোৱাৰি। সেয়ে আমি সাক্ষ্য অনুসন্ধান কৰো, প্ৰত্যেয়যোগ্য প্ৰমাণ বিচাৰোঁ। সেইবোৰ প্ৰাপ্ত সাক্ষ্য-প্ৰমাণক আমি তথ্য আৰু নিৰ্ভৰ কৰিব পৰা সমল হিচাপে গণ্য কৰোঁ আৰু বিশ্বাসো কৰোঁ। তেনেবোৰ প্ৰাপ্ত তথ্য বা সমলৰ উপৰিও আৰু অধিক বিশ্বাসযোগ্য তথ্য-সমল পোৱাৰ খোলা মন এটা লৈ আমি জানিবলৈ বিচৰা ইতিহাস অনুসন্ধান কৰোঁ। নতুন তথ্যই পূৰ্বে প্ৰাপ্ত তথ্যৰ বিৰোধিতা কৰিলে অথবা অতিৰিক্ত ঘটনাৰ সন্ধান বা ইংগিত দিলে আমি সেই আটাইবোৰ তথ্যৰ তুলনামূলক অধ্যয়ন বা মূল্যায়ন কৰি সঠিক বুলি উপনীত হোৱা পথেৰে লক্ষ্য অভিমুখে আগবাঢ়োঁ। আমি বিচাৰি পোৱা তথ্য সমল ভিত্তিক সাক্ষ্যৰ মাজত নিজৰ আৰু সমাজৰ শিপা বা ঐতিহাসিক আধাৰ বিচাৰি উলিওৱাত ব্ৰতী হওঁ। কিন্তু লিখিত ইতিহাস বা লিখিত ঐতিহাসিক নথি পূৰ্বৰ কালৰ ইতিহাস জনা আমাৰ বাবে সহজসাধ্য নহয়। মন কৰিবলগীয়া কথা এইটোও যে ভাৰতবৰ্ষত দ্বাদশ শতিকাৰ আগৰ কালৰ লিখিত ইতিহাস নাছিলেই। ১১৪৮-৪৯ চনত কাশ্মীৰৰ কবি কলহনে কাব্য ৰূপত সংস্কৃতত লিখা 'ৰাজতৰঙ্গিনী' খনেই প্ৰথম ভাৰতীয় ইতিহাস গ্ৰন্থ। অষ্টম শতিকাৰ পৰা দশম শতিকাৰ অন্তৰ্গত কাশ্মীৰৰ মুছলমান চুলতালসকলৰ ইতিহাস ৰাজতৰঙ্গিনীত লিখা হৈছিল। লেখোৱা শাসকজনো মুছলমান চুলতানেই আছিল। কলহনৰ পৰৱৰ্তী সময়ত আন তিনিজন লেখকে সুকীয়া সুকীয়া তিনিখন ৰাজতৰঙ্গিনী লিখিছিল। মুঠ চাৰিখন ৰাজতৰঙ্গিনী পণ্ডিতসকলে আৱিষ্কাৰ কৰিছে।

ড° জগদীশ নাৰায়ণ চৰকাৰে তেওঁৰ 'History of History writing in Medieval India' গ্ৰন্থত লিখিছিল যে 'The advent of the Muslims and the establishment of the Turks in India consituted a seminal age in Indian historiography. It added a new element to India's culture, viz. historical literature. Muslim historiography was, indeed, a novel gift of the Persianised Turks to contemporary Indian culture. It will be quite true to say that the Turks introduced historiography as a form of culture into India. হেনৰী হাৰ্বাট ডডৱেলৰ (H.H. Dodwell) অভিমত এটাও ড° চৰকাৰে উদ্ধৃত কৰি দিছিল ঃ The advent of Islam begins a great series of Indian chronicles. Whereas Hindu history is a matter of archaeology, scrappy and almost incoherent. Muslim history possesses a wealth of documents which render it, if not complete, at least intelligible. But the chronicles are for superior to our own (English) medieval chronicles. They are written for the most part not by monks but by mean of affairs, often by contempories who had been and taken part in the events they recount. The muslim

period is one of shadows.' (P. 10). ড° চৰকাৰৰ উল্লেখিত গ্ৰন্থখনৰ সম্পৰ্কত নিজা অভিমত দি ড° ৰমেশ চন্দ্ৰ মজুমদাৰে লিখিছিল যে 'But though kalhan's Rajatarangini is a fair specimen of history from this standpoint, the Hindu or Muslim historians did not keep up to this ideal and modern ideas of writing history did not take deep root in the soil of India before she take into contact with Europe in the Ninteenth Century.' (ভাবাৰ্থ ঃ মুছলমানৰ আগমন আৰু ভাৰতবৰ্ষত তুৰ্কীসকলৰ প্ৰতিষ্ঠাই ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাৰ এক মৌলিক যুগ সৃষ্টি কৰিছিল। ই ভাৰতৰ সংস্কৃতিত এক নতুন উপাদান অৰ্থাৎ ঐতিহাসিক সাহিত্যৰ সংযোজন কৰিছিল। বাস্তৱিকতে মুছলমান ইতিহাস ৰচনা পদ্ধতি পাৰ্চীকৃত তুৰ্কীসকলৰ সমসাময়িক ভাৰতীয় সংস্কৃতিলৈ এক নতুন উপহাৰ আছিল। সত্যৰ খাতিৰত এইটো ক'বই লাগিব যে তুৰ্কীসকলে ইতিহাস ৰচনাৰ ক্ষেত্ৰত ভাৰতত এক সংস্কৃতিৰ ৰূপ হিচাপে প্ৰবৰ্তন কৰিছিল। মধ্যযুগীয়া ভাৰতত পূৰ্বৰ যুগত ইয়াৰ অভাৱৰ বিপৰীতে ঐতিহাসিক পৰিঘটনাৰ প্ৰচুৰতা আছিল। ডডৱেলে লিখিছে যে 'ইছলামৰ আগমনৰ লগে লগে ভাৰতীয় ইতিহাসৰ এক বৃহৎ শৃংখলা আৰম্ভ হৈছিল। হিন্দু ইতিহাস যিক্ষেত্ৰত পুৰাতত্ত্ব, ভগা-চিগা ৰূপৰ আৰু প্ৰায় অসংলগ্ন আছিল, মুছলমানৰ ইতিহাসত প্ৰচুৰ নথি-পত্ৰ আছিল যিবোৰে ইয়াক সম্পূৰ্ণ কৰি নুতুলিলেও অন্ততঃ বুজিব পৰা কৰি তুলিছিল। কিন্তু মুছলমানৰ ইতিহাস আমাৰ নিজৰ (ইংৰাজী) মধ্যযুগীয়া ইতিহাসতকৈ বহু বহু উচ্চস্তৰীয়। সেইবোৰ বেছিভাগেই সন্নাসীয়ে লিখা নহয়, বিষয়বস্তুৰ বা ঘটনাৱলীৰ লগত জড়িত ব্যক্তি বা সমসাময়িক লোকেহে লিখিছিল। মুছলমান যুগ জীৱিত মানুহৰ যুগ হোৱাৰ বিপৰীতে হিন্দু যুগটো যেন এক ছাঁহে.... কিন্তু যদিও কলহনৰ ৰাজতৰঙ্গিনীখন তেওঁ (ড° চৰকাৰে) দাঙি ধৰা দৃষ্টিকোণৰ পৰা এক যথাৰ্থ নমুনা, হিন্দু বা মুছলমান ঐতিহাসিকসকলে সেই আদৰ্শক বৰ্তাই ৰাখিব নোৱাৰিলে আৰু ঊনৈছ শতিকাত ইউৰোপৰ সংস্পৰ্শলৈ অহাৰ পূৰ্বৰ কালবোৰত আধুনিক ভাৱাদৰ্শৰ আধাৰত ইতিহাস ৰচনা কৰা কাম ভাৰতভূমিত দকৈ শিপোৱা নাছিল।)

সেয়ে ডডৱেলে কোৱা মুছলমান ঐতিহাসিকৰ ইতিহাস আৰু তাৰ বিপৰীতে ড° ৰমেশ চন্দ্ৰ মজুমদাৰে কোৱা হিন্দু মুচলমান দুয়োবিধ ঐতিহাসিকৰ লিখিত ইতিহাসেও ঢুকি নোপোৱাকৈ ৰৈ যোৱা প্ৰাগঐতিহাসিক সময়ৰ ৰজা আৰু ৰাজ্যৰ, সম্ৰাট আৰু সাম্ৰাজ্য ইতিহাস অনুসন্ধান কৰিবলৈ পুৰাতত্ত্বলৈ মন-কাণ দিয়াৰ বাহিৰে আন কোনো গ্ৰহণযোগ্য বিকল্পই আমাৰ বাবে উপলব্ধ নহ'ল। ভাৰতৰ ইতিহাসৰ সোণালী যুগ বুলি গোৱা সোণালী যুগ বুলি গোৱা গৌৰৱৰ জয়গান শুনাই থকা আৰু শুনি শুনি নিশ্চুপ হৈ থকা নিৰক্ষৰ আৰু কেৱল সাক্ষৰ সকলক লেখত নধৰি সমাজৰ অতি শিক্ষিতসকলৰ দৃষ্টিয়েই নহয়, মন-মগজুকো আমাৰ তলি উদং ঐতিহাসিক বাস্তৱ এটালৈ মনোযোগ দিয়াৰ বাবে আহ্বান জনালোঁ।

খৃষ্টপূৰ্ব ৩২১ পৰা শাসন কৰা মৌৰ্যবংশৰ পৰা ১১৯২ খৃষ্টাব্দত পৃথ্বিৰাজ চৌহানৰ মৃত্যুৰে সমাপ্ত হোৱা পোন্ধৰশ তেৰ বছৰীয়া হিন্দু ৰজা সম্ৰাট সকলৰ ৰাজ্য আৰু ৰাজত্ব সম্পৰ্কে ইতিহাস নিমাত। সেই ডেৰ হাজাৰ বছৰৰ কোনো লিখিত ইতিহাস ভাৰতক সামৰি ৰচিত হোৱা নাছিল। আহোম ৰাজ্যকে ধৰি পশ্চিমৰ ৰাজপুত আৰু মাৰাঠা সকলে একপ্ৰকাৰৰ আঞ্চলিক ইতিহাস উত্তৰ পুৰুষৰ বাবে এৰি থৈ গৈছে। কিন্তু সেইবোৰ ৰচনাক প্ৰকৃতাৰ্থত ইতিহাস বুলি কোৱাতকৈ ৰাজন্যবৰ্গৰ শাসনকালৰ কালপঞ্জি (Chronicles) বুলিহে ক'ব পাৰি। ১২৫৯-৬০ চনত মীনহাজ উদ্দিন চিৰাজে লিখা 'তবকাৎ-ই-নাছিৰি' খনকেই আঞ্চলিকতাৰ পৰিধি পাৰ হৈ লিখা প্ৰথমখন ইতিহাস বুলি গণ্য কৰা হয়। সেইখনৰ প্ৰায় এক শতিকাৰ পাছত ১৩৫৩ চনত জিয়াউদ্দিন বৰনিয়ে লিখা 'তাৰিখ-ই ফিৰোজ শ্বাহী' খন দ্বিতীয়খন মুছলমান লেখকে লিখা ভাৰতৰ ইতিহাস গ্ৰন্থ বুলি কোৱা হয়।

সেয়ে লিখিত ইতিহাস অথবা ঐতিহাসিক গুণসম্পন্ন লিখিত নথিৰ অনুপস্থিতিৰ কাৰণে প্ৰাপ্ত লিখিত ইতিহাসৰ পূৰ্বৰ সময়ছোৱাৰ ইতিহাস অনুসন্ধান কৰিবলৈ হ'লে ইতিহাসৰ সহকাৰী বা সহায়কাৰী বিজ্ঞান (Auxiliary Science) হিচাপে এডোৱাৰ্ড হেল্লেট কাৰে অভিহিত কৰা প্ৰত্নতত্ত্ব, পুৰাতত্ত্ব, মুদ্ৰা, শিলালিপি, তাম্ৰলিপি, ধ্বংসাৱশেষ, স্থাপত্য-ভাস্কৰ্য, অনান্য সাহিত্যকৰ্ম, লোকগাঁথা, কিংবদন্তি, জনশ্ৰুতি, লোকগীত আদি বিভিন্ন সাংস্কৃতিক সমলৰ পৰা তথ্য থপিয়াই আনি নথি প্ৰমাণৰ ওপৰত নিৰ্ভৰশীল বিশ্বাসযোগ্য প্ৰকৃত ইতিহাসে সামৰিব নোৱাৰা প্ৰাগৈতিহাসিক সময়ৰ ইতিহাস ৰচনাৰ বাবে আমাৰ ইতিহাসকাৰ সকলে প্ৰত্নতত্ত্ব বা পুৰাতত্ত্বৰ ফালে দৃষ্টি আৰু মনোযোগ ঘূৰাবলগীয়া হ'ল। লিখিত নথি-প্ৰমাণ নিৰ্ভৰ ঐতিহাসিক কালৰ ইতিহাসৰ পূৰ্বৱৰ্তী বা পূৰ্বকালৰ ইতিহাসৰ বিষয়ে জানিবলগীয়া হ'লে পুৰাতত্ত্বৰ সহায়তহে কিছু ইতিহাস অনুমান কৰি ল'ব পাৰি। কিন্তু প্ৰাক আহোম যুগৰ ইতিহাস অধ্যয়ন কৰিবলৈ পুৰাতাত্ত্বিক সমল বিচাৰি পাবলৈ নোহোৱাৰ দৰে। The Comprehensive History of Assam শীৰ্ষক গ্ৰন্থলানিৰ প্ৰথমটো খণ্ডতে বানাৰাছ হিন্দু বিশ্ববিদ্যালয়ৰ সুকুমাৰ কলা বিভাগৰ ভূতপূৰ্ব মুৰব্বী অধ্যাপক এছ. কে. সৰস্বতীয়ে লিখিছিল যে Since no such temple of the pre Ahom period has survived in a complete

shape, such temple structures have get dispersed and have mostly disapprared (P. 347). মূৰ্ত্তি (Iconography), স্থাপত্য (architecture) আৰু ভাস্কৰ্যৰ তেখেতে লিখিছিল যে অতিপাত বৃষ্টি, সঘন বন্যা আৰু ভয়ংকৰ ভূমিকম্পৰ কাৰণে প্ৰাচীন অসমৰ স্থাপত্য কলাৰ অৱশেষ পৰ্যন্ত মচ খাই গ'ল— The result is that today we have not a single extent monument of the ancient, i.e. pre Ahom Assamese architecture.

পুৰাতত্ত্বৰ সহায়ত প্ৰাক আহোম যুগৰ ইতিহাস অধ্যয়ন কৰি প্ৰাচীন কালৰ পৰা কুৰি শতিকাৰ শেষৰটো বছৰলৈকে অসমৰ ধাৰাবাহিক বুৰঞ্জী অধ্যয়নৰ হেঁপাহ পূৰাবলৈ প্ৰাক্ আহোম যুগৰ পুৰাতাত্ত্বিক সমল বাছিয়েই নাথাকিল। বহু বছৰৰ আগতেই লিখিছিলো যে 'বৰ্তমান অসমৰ চাৰিসীমাত যিবোৰ প্ৰত্নতাত্ত্বিক আৰু পুৰাতাত্ত্বিক ভগ্নাৱশেষ আছে, বিজ্ঞানসন্মতভাৱে তাৰ কাল নিৰ্ধাৰণ কৰি প্ৰত্নতত্ত্ব, নৃতত্ত্ব আৰু সমাজতত্ত্বৰ আধাৰত ঐতিহাসিক ব্যাখ্যা দিয়াৰ পৰিৱৰ্তে আমি কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰৰ কাল্পনিক উপকথাকে ঐতিহাসিক সত্য বুলি ধৰি লৈ গেইট, কনকলাল বৰুৱা, ৰাজমোহন নাথ আৰু প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ জোৰা-টাপলি দিয়া কাহিনীকে ইতিহাস বুলি চলাই আছোঁ।

ব্যক্তি হিচাপে ঐতিহাসিকজনো ইতিহাস আৰু সমাজৰে সৃষ্টি, তেখেতৰ ধ্যন-ধাৰণা আৰু চিন্তা-ভাৱনাক তেখেতে বাস কৰা সময়ৰ সামাজিক পৰিৱেশেহে গঢ় দিয়ে। সমসাময়িক সময়ৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সমস্যাৰ আঁত বিচাৰি, কেতিয়াবা জৰ্জৰিত কিম্বাৰ পৰিমিত অথবা বিবুধিত পৰি ঐতিহাসিকজনৰ দৃষ্টি অতীতমুখী হয় প্ৰেৰণা অথবা সান্ত্বনা বিছাৰি। এনে ক্ষেত্ৰত ঐতিহাসিক বিষয়বস্তু অতীত হ'লেও বক্তব্য আৰু সিদ্ধান্তৰ ক্ষেত্ৰত তেওঁৰ বৰ্তমানটোৰ প্ৰাসংগিকতাই প্ৰাধন্য লাভ কৰে। কিন্তু তেনে কৰোতে সকলো অন্ধ সংস্কাৰ পৰিত্যাগ কৰি ঐতিহাসিকে বস্তুনিষ্ঠভাৱে তেওঁৰ দৰ্শন গভীৰ আৰু দীৰ্ঘস্থায়ী অন্তৰ্দৃষ্টিৰে গঠনমুখী ভৱিষ্যত ৰচনাত নিয়োগ কৰা বাঞ্চনীয়। সেয়ে, ছাৰ লিউইছ, নেমিয়েৰে (Sir Lewis Namier) কোৱাৰ দৰে ঐতিহাসিকে অতীত কল্পনা কৰে অথচ ভৱিষ্যত সোঁৱৰে (imagine the past and remember the future), অৰ্থাৎ কেৱল সম্ভৱনাময় প্ৰগতিশীল ভৱিষ্যতৰ চিন্তাইহে অতীত ব্যাখ্যাৰ প্ৰেৰণা যোগাব পাৰে।

উল্লেখিত ইতিহাস দৰ্শনৰ আধাৰতেই প্ৰত্নতত্ত্ব বা পুৰাতত্ত্বৰ অনুসন্ধান আৰু অধ্যয়নক আধুনিক প্ৰত্নতাত্ত্বিক সকলে Archaeological Imagination- 'প্ৰত্নতাত্ত্বিক কল্পনা' বুলি অভিহিত কৰিছে। Archacology- The Basics শীৰ্ষক গ্ৰন্থত প্ৰত্নতাত্ত্বিক ক্লাইভ গেম্বলে (Clive Gamble) অভিমত দিছে যে— Archacology is what we make it, not what was made for us. The past needs our concepts. Without them it has no significance. With them it takes on many different meanings and so contributes to modern life. Surely you might say, The past is about finiding and describing objects– আমাৰ বাবে কোনোবাই সৃষ্টি কৰি দিয়া খিনি নহয়, আমি যি সৃষ্টি কৰো বা ৰূপ দিওঁ সেয়েইহে প্ৰত্নতত্ত্ব। অতীতক আমাৰ ধাৰণা বা সংকল্পবোৰৰ প্ৰয়োজন। সেইবোৰৰ অবিহনে তাৰ কোনো তাৎপৰ্যই নাই। সেইবোৰৰ লগ লৈহে সি বিভিন্ন অৰ্থৰে আত্মপ্ৰকাশ কৰে আৰু আধুনিক জীৱনলৈ বৰঙণি যোগায়। তুমি নিশ্চিতভাৱে ক'ব পাৰা যে সমল বা বস্তু বিচাৰি উলিওৱা আৰু সেইবোৰ নিজৰ মতে বৰ্ণনা কৰাই হ'ল আমাৰ অতীত।

প্ৰত্নতত্ত্বক মাদকতাৰে পৰিপূৰ্ণ বিষয় বুলি কোৱা হয়। ই এক বৌদ্ধিক কৌতূহল আৰু সেই কৌতূহলক মানুহৰ অতীত সম্পৰ্কীয় জ্ঞানলৈ পৰিবৰ্তন কৰাৰ পথানুসন্ধান। প্ৰত্নতাত্ত্বিক সাক্ষ্য-প্ৰমাণ সমূহ যেনে— শিল বা মাটিৰ পাত্ৰ, প্ৰস্তৰ , কাঁহ, প্ৰাণী-প্ৰজাতিৰ হাড়, সা-সঁজুলি, ছুৰি-কটাৰী, বিছনা, গৃহ, প্ৰস্তৰ বা ইটাৰ দেৱাল, স্থাপত্য, ভাস্কৰ্য, সেতু বা দলং, অংকিত চিত্ৰ আৰু প্ৰাকৃতিক দৃশ্য, সমাধিস্থল, মৈদাম আৰু সেইবোৰৰ ভিতৰত পোৱা অস্থি, হাড়, অলংকাৰ, সাজ-পাৰ, অস্ত্ৰ-শস্ত্ৰ, প্ৰস্তৰ আৰু ধাতুৰ পাত্ৰ আদিবোৰেই প্ৰত্নতাত্ত্বিক অধ্যয়ন আৰু অনুসন্ধানৰ সমল। সাধাৰণভাৱে ক'বলৈ গ'লে ভূ-পৃষ্ঠত অক্ষত ৰূপত থকা গৃহ, উপসনাগৃহ, অট্টালিকাৰ লগতে ভূ-গৰ্ভত উদ্ধাৰ হোৱা উল্লেখিত সামগ্ৰীসমূহেই প্ৰত্নতত্ত্ব অধ্যয়নৰ সমল বা তথ্য (Date)। প্ৰত্নতাত্ত্বিক সকলে স্বীকাৰ কৰে যে 'প্ৰত্নতাত্ত্বিক সমল বা প্ৰমাণ (Evidence) সমূহতকৈ অধিক নিৰ্বাক বা নীৰৱ বস্তু আন একোৱে নাই। তেওঁলোকে নিজে একো ব্যক্তব্যকে প্ৰকাশ নকৰে। কোনোবাই সেইবোৰক ব্যাখ্যা কৰিলেহে সেইবোৰ অৱশেষে নিজৰ ইংগিতময়তা বা ভাবাৰ্থ আয়ত্ত কৰে। প্ৰক্ৰিয়াটো নথিগত প্ৰমাণসমূহক (facts) ব্যাখ্যা কৰিহে ঐতিহাসিকে ইতিহাস নিৰ্মাণ কৰাৰ দৰে প্ৰায় একে ধৰণৰ। নথিগত তথ্যক ভিন্ন ভিন্ন দৃষ্টিকোণ বা দৃষ্টিভংগীৰে ব্যাখ্যা-বিশ্লেষণ কৰি আমি যিদৰে ঐতিহাসিক তথ্য বাছি-বিছাৰি বুটলি লৈ ইতিহাস ৰচনা কৰোঁ, তেনেদৰেই ভূ-পৃষ্ঠ আৰু ভূ-গৰ্ভৰ পৰা আহৰিত সামগ্ৰী সমল সমূহত আমাৰ নিজা নিজা ব্যাখ্যা বিশ্লেষণেৰে সেইবোৰত অৰ্থ কিম্বা ইংগিত আৰোপ কৰি (attribute) প্ৰাগ্-ঐতিহাসিক কালৰ ইতিহাস অনুসন্ধান কৰো। ঐতিহাসিক যুগৰ পূৰ্বৰ সময়ৰ ইতিহাস অনুসন্ধান

কৰিবলৈ হ'লে প্ৰত্নতত্ত্ব বা পুৰাতত্ত্বৰ বাহিৰে অন্য কোনো বিকল্পই এতিয়ালৈকে উদ্ধাৰ, উদ্ভাৱন বা আৱিষ্কাৰ হোৱাৰ খবৰ পোৱা নাই। ৰেডিঅ'কাৰ্বন-১৪ ফৰ্মূলাক প্ৰত্নতাত্ত্বিক চৰ্চাত সবিস্তাৰে প্ৰয়োগ কৰাৰ পাছৰে পৰা প্ৰত্নতাত্ত্বিক সমলসমূহৰ কাল বা সময় নিৰ্ণয় কৰিব পৰাতো সুবিধাজনক আৰু বহু ক্ষেত্ৰত প্ৰত্যয়জনক হৈ পৰিছে। অৱশ্যে তৎসত্ত্বেও প্ৰত্নতত্ত্বভিত্তিক ইতিহাস পৰাম্পৰাগত ইতিহাসৰ পৰিপূৰক (Complementary) বা বিকল্প নহয়, ইতিহাসৰ সহায়কাৰী (Auxiliary) বিষয়ে হৈয়ে থাকি যাব।

এইটোও উল্লেখ্য যে প্ৰত্নতত্ত্বৰ অধ্যয়নে মানুহৰ সংস্কৃতিৰ ইতিহাস অনুসন্ধান কৰিছিল। জীৱিকা আৰ্জনেৰে মানুহ নামৰ প্ৰাণীটোৰ নিজ প্ৰজাতিৰ বিশ্বাস আৰু বিকাশৰ পথত কিদৰে সঁজুলিৰ ব্যৱহাৰে সভ্যতাৰ দিশত আগবাঢ়িছিল সেই সম্পৰ্কে প্ৰত্নতত্ত্বৰ সমল ৰাজিয়ে অনুসন্ধিৎসু প্ৰত্নতাত্ত্বিক মানুহৰ সমান্তৰালকৈ সমাজৰো সংস্কৃতিৰ ইতিহাসৰ প্ৰগতিমুখী যাত্ৰাৰ অধ্যয়ন কৰাৰ প্ৰেৰণা যোগাইছিল। সেইদৰেই প্ৰত্নতাত্ত্বিক অনুসন্ধান আৰু অধ্যয়নে সংস্কৃতিৰ ইতিহাসলৈ দৃষ্টি আকৰ্ষণ কৰিছিল। ৰাজনৈতিক ইতিহাসৰ প্ৰাগৈতিহাসিক যুগৰ ৰূপৰেখাডাল বিচাৰি উলিওৱাত প্ৰত্নতত্ত্ব নিঃসহায় হৈ ৰ'ল যদিও সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ইতিহাসৰ ক্ৰমবিৱৰ্তন আৰু ক্ৰমবিকাশিত স্তৰবোৰ চিনাক্ত কৰাত প্ৰত্নতত্ত্বই অতীত অনুসন্ধানৰ ক্ষেত্ৰত বহুদূৰলৈকে বাট দেখুৱাই দিব পাৰিলে।

বিভিন্ন প্ৰাকৃতিক প্ৰতিকূলতাৰ ভয়াবহতাৰ সন্মুখীন হৈয়ো আদিম মানুহে কেৱল সঁজুলি ব্যৱহাৰ কৰিবলৈ শিকিয়ে নিজতকৈ শক্তি আৰু শৰীৰ দুয়োটাতে বহুগুণে অক্ষম হৈয়ো সেই সকলোবোৰতে হয় বশ কৰি, নহয় নিঃশেষ কৰি মানুহ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছিল। মানুহকে কেৱল সঁজুলি গঢ়া প্ৰাণী বুলি কোৱা হয়। মানুহে আদিমতম্ কাল আৰু আদিমতম্ অৱস্থাৰ পৰাই সঁজুলি ব্যৱহাৰ কৰি আহিছে। ব্যৱহৃত সঁজুলিক উন্নতৰ কৰি গঢ়িবলৈ নিৰন্তৰ চিন্তা আৰু চেষ্টা কৰি আহিছে আৰু সেইটোৰ চেষ্টাত অভাৱনীয় সফলতা লাভ কৰি আহিছে। মানুহৰ সমাজ আৰু সভ্যতাৰ জন্ম আৰু বিকাশৰ গুৰিতেই মানুহৰ সেই জীৱিকা প্ৰয়াস আৰু নিৰাপত্তা নিশ্চিতিৰ সাৰ্থকতাই জড়িত হৈ আছিল। জীৱিকা উপাৰ্জনৰ সেইবোৰ সা-সঁজুলিৰ হয় পূৰ্ণাৱয়ৱ, নহয় খণ্ডিত অংশ অথবা ভগ্নাৱশেষ অধ্যয়ন কৰি প্ৰত্নতত্ত্বই নৃতত্ত্ব, সমাজতত্ত্ব, প্ৰাণীতত্ত্ব আৰু উদ্ভিদতত্ত্ব আদি আধুনিক বিজ্ঞানৰ সহায়-সহযোগত প্ৰাগৈতিহাসিক মানুহৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ইতিহাসৰ বোধগম্য ৰূপৰেখা এডাল চিনাক্ত কৰিব পৰা হ'ল। সেয়াই প্ৰত্নতাত্ত্বিক অধ্যয়ন আৰু অনুসন্ধান, যিয়ে আধুনিক ইতিহাস চৰ্চাৰ ক্ষেত্ৰত অন্ধকাৰ হৈ থকা জ্ঞান ভাণ্ডাৰৰ সন্ধানো দিলে আৰু কাংক্ষিত সমল বোটলাৰ বাবে সন্ধানী দিশো প্ৰদান কৰিলে।

প্ৰত্নতত্ত্বই প্ৰশস্ত কৰি দিয়া প্ৰাগৈতিহাসিক ইতিহাস অনুসন্ধানৰ পথেদি খোজ দি কুৰি শতিকাৰ মাজভাগ মানৰ পৰা প্ৰত্নতত্ত্বৰ নব্য-আহৰিত জ্ঞানে মানুহক যেন ব্যক্তিকেন্দ্ৰিকতাৰে আৰৱা জনগোষ্ঠীবাদ, সম্প্ৰদায়বাদ, বংশবাদ আদিৰ চিন্তা-চৰ্চাত পৰ্যবসিত কৰিলেগৈ। সম্প্ৰদায়, বংশ, গোষ্ঠীৰ বিকাশ বা উদ্ভৱৰ কোনো ঐতিহাসিক প্ৰমাণ (আনকি অনুমানৰ আধাৰো) নোহোৱা সত্বেও তেওঁলোকে একপ্ৰকাৰৰ অৱতাৰবাদৰ আধাৰত Anthropomophism, অৰ্থাৎ কোনো এজন ব্যক্তিত দেৱত্ব বা ঈশ্বৰত্ব আৰোপ কৰি, তেওঁলোকৰ গোষ্ঠী, সম্প্ৰদায়, বংশ আদিৰ আদি-পুৰুষ উদ্ভাৱন কৰি সামাজিক পৰিচয় প্ৰতিষ্ঠা কৰি পৰৱৰ্তী সময়ত জাতীয়তাবাদ, সাম্প্ৰদায়িকতাবাদ, গোষ্ঠীবাদ আদি প্ৰচাৰ কৰি ৰাজনৈতিক সত্তাত পৰিণত কৰা দেখা যায়।

গমি চাবলগীয়া বাস্তৱতা ইয়ো যে পুৰাতত্ত্ব আৰু প্ৰত্নতত্ত্বই অনুপ্ৰাণিত কৰা সংস্কৃতিৰ ইতিহাস (Culture History) চৰ্চাই নৃতাত্বিক পুৰাতত্ত্ব চৰ্চাৰ প্ৰতি (Anthropological Archacology) মানুহক আকৰ্ষণ কৰিছিল। ইতিহাসৰ অনুসন্ধান, অধ্যয়ন আৰু চৰ্চাই তৰ্কাতীতভাৱে মানুহক বুজাই দিছিল যে আদিমতম্ যুগৰ পৰাই পৃথিৱীত বিভিন্ন প্ৰান্তত তদানীন্তন পৰিৱেশ-পৰিস্থিতিৰ আৰ্থ-সামাজিক-অৰ্থনৈতিক মাৰ্ক্সীয় ৰসায়নত সৃষ্টি হোৱা মানৱ সভ্যতাসমূহ (Human Civilizations) বহু সংখ্যক দাঢ়ি, কমা বা যতি চিহ্নৰে ভৰা হ'লেও সাংস্কৃতিক স্ৰোতৰ আধাৰতে আমি ৰমনীয়, বৰনীয় পালনীয় আৰু স্মৰণীয় বহুবোৰ সাংস্কৃতিক সম্পদক আমাৰ ঐতিহ্য আৰু পৰম্পৰা হিচাপে স্বীকৃতি দিলোঁ। সেইবোৰৰে কিছুমানক গোষ্ঠী সম্প্ৰদায়গত ভাবেই হওক বা জাতিগত ভাবেই হওক, অথবা ৰাষ্ট্ৰীয় স্তৰতেই হওঁক, সমূহীয়াকৈ উদ্‌যাপন কৰি আছোঁ। জাতিভেদ প্ৰথাৰ কটকটীয়া বাধা-নিষেধৰ বহুবোৰ অমানবীয়, অসামাজিক, অদমনীয় প্ৰাচীৰৰ বাবে সমাজ ব্যৱস্থাত অৱনত, অনুন্নত, অৱহেলিত, উপেক্ষিত আৰু আনকি বহুক্ষেত্ৰত নিৰ্যাতিত, নিষ্পেষিত জাতি জনগোষ্ঠীসমূহে ঐতিহ্য আৰু পৰম্পৰা মাজত নিজৰ স্বাভিমান আৰু স্বতন্ত্ৰ স্থিতিৰ সন্ধান কৰাৰ তাগিদা অনুভৱ কৰিলে। তেওঁলোকে লালন-পালন কৰা ধৰ্ম-বিশ্বাস, আচাৰ-অনুষ্ঠান, জনশ্ৰুতি-লোকগাঁথাসমূহত নিজৰ নিজৰ হয় শিপাৰ সন্ধান, নহয় নতুনকৈ নিৰ্মাণ কৰাৰ আধাৰ আৰু সা-সঁজুলি বিচাৰিবলৈ বাধ্য হ'ল।

সংস্কৃতি ভাষাত 'ইতিহাস'ৰ অৰ্থ History নহয়, কিংবদন্তিহে। 'ইতি-হ-আস' অৰ্থাৎ এনেকুৱা আছিল, এনেকুৱা হৈছিল বুলি শুনা যায়।' ৰামায়ণ-মহাভাৰত মূলতঃ সূত-বৰ্ণিত যুদ্ধৰ কাহিনী আছিল। সূতৰ অৰ্থ ৰথৰ সাৰথিও। ৰথ চালক, গাৰোৱাল, নাৱৰীয়া আদিয়ে যাত্ৰীক দীঘলীয়া বিপদসংকুল

যাত্ৰাপথৰ একঘেয়েমীয়া পৰিবেশবোৰ ৰসাল কৰি তুলিবলৈ যাত্ৰীক কাহিনী কৈ যোৱা দস্তুৰ এটা আছিল। মহাভাৰতো শুনা কথা বৰ্ণনা কৰাৰ শৈলীত ৰচিত। শ্ৰুতিৰ পৰম্পৰাও সেইকাৰণে মহাভাৰত 'পঞ্চমবেদ' আখ্যা দিয়া হয়। শুনা কথাৰ মৌখিক বৰ্ণনাই কিংবদন্তি, জনশ্ৰুতি, লোকগাঁথা, প্ৰবাদ, লোককথা আদি। অৰ্থাৎ মহাভাৰত, ৰামায়ণ, পুৰাণ সমূহত বৰ্ণিত কাহিনীবোৰো বৰ্ণনাকাৰীয়ে আনৰা পৰা শুনিহে শ্ৰোতাসকলক বৰ্ণাইছিল। নিজে সেইবোৰ ঘটনা, সেইবোৰ চৰিত্ৰ দেখা নাছিল। ঘটনা, ব্যক্তি আৰু কাহিনীটোৰ তেওঁ প্ৰত্যক্ষ সাক্ষী নাছিল।

শুনা কথাকে কাহিনীৰ ৰূপত বৰ্ণনা কৰাৰ সেই মহাভাৰতীয় পৰম্পৰাৰ পৰা আমাৰ অসমৰ ঐতিহাসিক সকলো এই উত্তৰ-আধুনিক কালতো মুক্ত হ'ব পৰা নাই। কিংবদন্তি সমূহকে বহুতেই সন্দেহাতীত ভাবে ইতিহাস আজিও চৰ্চা কৰি থকা দেখা যায়। পৰিতাপৰ কথা ইয়ো যে সংকীৰ্ণ সাম্প্ৰদায়িক আৰু গোষ্ঠীগত উদ্দেশ্যেৰে অসমৰ ইতিহাস চৰ্চাত এতিয়াও মীথ্ (Myth) সৃষ্টি কৰি থকা হৈছে। ৰাজনৈতিক ক্ষমতা ভোগৰ লালসাই বহুবোৰ জনগোষ্ঠীয় উঠন আৰু প্ৰতিষ্ঠিত মধ্যবিত্ত শ্ৰেণীটোক জোৰা-তাপলি দিয়া অনৈতিহাসিক কাহিনী সৃষ্টি কৰি নিজৰ নিজৰ প্ৰাচীনতা আৰু ঐতিহাসিকতা প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰলোভিত হৈছে।

ইংৰাজী Myth আৰু Legend শব্দ দুটাৰ অসমীয়া প্ৰতিশব্দ ৰূপে কিংবদন্তি, জনশ্ৰুতি, আদি শব্দ ব্যৱহাৰ কৰা হয়। শব্দ দুটাৰ ব্যুৎপত্তিৰ প্ৰতি আমি বিশেষ মনোযোগ নিদিও। যদিও মীথত লিজেণ্ডৰ বা লিজেণ্ডত মীথৰ উপাদান মিহলি হৈ থাকে, দুয়োটা সংজ্ঞাই কিন্তু কিছু সুকীয়া অৰ্থ আৰু তাৎপৰ্য্য বহন কৰে। ইংৰাজীৰ Myth শব্দটো লেটিন ভাষাৰ Mythus বা Mythos, গ্ৰীক ভাষাৰ Muthos বা Mythos শব্দৰ পৰা সৃষ্টি হৈছে। ইয়াৰ অৰ্থ হৈছে যিকোনো প্ৰাকৃতিক বা সামাজিক ঘটনা অথবা কোনো ধৰ্মীয় বিশ্বাস বা আচাৰ, ৰীতিৰ একোটা জনপ্ৰিয় ধাৰণা বা ব্যাখ্যাৰ সম্পূৰ্ণৰূপে অথবা আংশিকভাৱে কাল্পনিক পৰম্পৰাগত কাহিনী। তেনেকৈয়ে Legend শব্দটো লেটিন ভাষাৰ Legendus অৰ্থাৎ 'to be read' বা পঢ়াৰ যোগ্য, আৰু গ্ৰীকভাষাৰ Legin অৰ্থাৎ সমবেত হোৱা বা কোৱা বুজোৱা মূলৰ পৰা আহিছে। এটা সময়ত Legend শব্দই আলৌকিক কাহিনীক বুজাইছিল। পিছৰ যুগত শব্দটোৱে সাধাৰণতে ইতিহাস নিৰ্ভৰ পৰম্পৰাগত সাধুক বুজাইছিল। বেগনোৰ মতে Myth আৰু Legend লোকগাঁথাৰ (Fdk-lore) অন্তৰ্গত। দুয়োটা সংজ্ঞাই সূচোৱা পাৰ্থক্য এয়ে যে ভগৱান বা দেৱতাই Myth ৰ মুখ্য চৰিত্ৰ, আৰু স্বৰ্গীয় বিশ্বাস আৰু আলৌকিকতা ব্যাখ্যা কৰাই হ'ল ইয়াৰ ঘাই কাম। আনহাতে মানুহ, মানুহৰ বংশলতা আৰু বংশৰ ইতিহাসৰ গুণানুকীৰ্ত্তন কৰাই Legend ৰ প্ৰধান উদ্দেশ্য। ঐতিহাসিক ব্যক্তি আৰু ঘটনাই Legend ৰ প্ৰধান উপজীব্য যদিও সেইবোৰক বিশুদ্ধ উপজীব্য যদিও সেইবোৰক বিশুদ্ধ ঐতিহাসিক তথ্য হিচাপে গ্ৰহণ কৰিব নোৱাৰি। Myth এ ভগৱান, দেৱ-দেৱীৰ লগতে পৃথিৱীৰ সৃষ্টি ৰহস্যৰ কাহিনী কয়। Legend ৰ বিষয়বস্তু মানুহ যদিও সেইবোৰ অতিকথা আৰু আলৌকিকতাৰ বৰ্ণনাৰে ঢাক খোৱা। পণ্ডিতসকলে Myth ক ধৰ্মীয় সত্য (Sacred truth), Legend ক সালংকৃত ইতিহাস (adorned history) আৰু Fairy Jales ক বিশুদ্ধ কল্পগাথা (Plain fiction) হিচাপে গণ্য কৰে। ভূমিকা (functions) আৰু উদ্দেশ্যৰ দৃষ্টিকোণৰ পৰা Myth এটা সামাজিক বান্ধোনৰ ধৰ্মীয় আধাৰ। আলৌকিক হলেও লেংডনৰ ইচ্ছা অনুসৰি খুন্‌লুং আৰু খুন্‌লায়ে পৃথিৱীলৈ নামি অসমত আহোম সকলৰ সৃষ্টিৰ পাতনি মেলা আৰু দেশ শাসন কৰিবলৈ লোৱা মীথটোৱে এখিনি মানুহৰ উমৈহতীয়া উৎপত্তিৰ তত্ত্ব প্ৰচাৰ কৰি তেওঁলোকৰ মাজত আত্মীয়তাবোধৰ জন্ম দিছিল। আজিও সেই Myth টোৰ বান্ধোন অটুট আছে। বোধকৰো চিৰদিন থাকিব। Legend ক নিজৰ নিজৰ সতি-সন্ততিক নিজৰ বংশলতাৰ আৰু প্ৰব্ৰজনৰ গৌৰৱময় ইতিহাস হিচাপে শিক্ষা দিয়াৰ প্ৰয়াস হিচাপে গণ্য কৰা হয়। গৃহযুদ্ধৰ বিভিষিকাৰ পৰা ৰক্ষা পোৱাৰ লক্ষ্যৰে জন্মভূমিৰ পৰা এমুঠিমান অনুগত-অনুগামীক লগত লৈ পলাই আহি পাটকাই পাৰ হৈ উজনি অসমৰ চৰাইদেউত বসতি স্থাপন কৰি থলুৱা বাসিন্দা সকলৰ লগত মিলাপ্ৰীতিৰে থাকি আহোম ৰাজবংশ আৰু আহোমৰ ৰাজ্য প্ৰতিষ্ঠা কৰা চুকাফা স্বৰ্গদেৱক বিজেতা আক্ৰমণকাৰীৰ গৌৰৱেৰে গৌৰৱান্বিত কৰি যিবোৰ কল্প কাহিনী নিৰ্মাণ কৰা হ'ল সেয়াই Legend -ৰ উৎকৃষ্ট উদাহৰণ। স্বদেশৰ গৃহযুদ্ধ এৰাই চলি স্বদেশ ত্যাগ কৰি পশ্চিমমুখী প্ৰব্ৰজনেৰে অসম সোমোৱা চ্যুকাফাক দ্বিগ্বীজয়ী বীৰ আক্ৰমণকাৰী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ উত্তৰকালৰ উত্তৰ পুৰুষ সকলে আক্ৰমণকাৰী চ্যুকাফাৰ লিজেণ্ডটো নিৰ্মাণ কৰিছিল। তেনে ঐতিহাসিক নিৰ্মাণত স্বয়ং গেইট চাহাবে (E.A. Gait) বিভ্ৰান্ত হৈ চুকাফাক আক্ৰমণকাৰী কলংকৰে কলংকিত কৰি থৈ গ'ল। ইতিহাস চৰ্চাত পুৰাতত্ত্বৰ ভূমিকা তেতিয়ালৈকে থাকিব যেতিয়ালৈকে বস্তুনিষ্ঠতাৰে ইতিহাস চৰ্চাৰ বাহিৰে গোষ্ঠীগত বা সাম্প্ৰদায়িক ইতিহাস চৰ্চাৰ পৰা আধুনিক শিক্ষিত সমাজ সযত্নে, সজ্ঞানে আৰু সচেতনতাৰে সজাগ হৈ নাথাকিব। প্ৰত্নতত্ত্ব বা পুৰাতত্ত্বৰ চৰ্চা নিঃসন্দেহে এক আমোদজনক ফলপ্ৰসূ বৌদ্ধিক অনুশীলন আৰু অধ্যয়ন, কিন্তু পুৰাতত্ত্ব তথাপি স্বতন্ত্ৰ ইতিহাস নহয়, কিম্বা ইতিহাসৰ পাতনি বা আগকথাও নহয়। অৱশ্যে সহায়কাৰী বিজ্ঞান নিশ্চয় হয়।

# পূব কামৰূপ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ঃ

## *প্ৰস্তুতি পৰ্বৰ পৰা শুভাৰম্ভণী অনুষ্ঠানলৈ*

**ড° দীপক কোঁৱৰ**
**সহকাৰী অধ্যাপক**
**উদ্ভিদ বিজ্ঞান বিভাগ**

বৃহত্তৰ পূব কামৰূপ অঞ্চলৰ ৰাইজে উচ্চ শিক্ষাৰ অনুষ্ঠান এখনি বাইহাটা চাৰিআলিত প্ৰতিষ্ঠা কৰাৰ বাবে দেখা সপোনক বাস্তৱায়িত কৰি ১৯৭২ চনত জন্মলাভ কৰা 'পূব কামৰূপ মহাবিদ্যালয়ে' কালক্ৰমে পঞ্চাশ বছৰীয়া হ'বৰ হ'লহি। এখন মহাবিদ্যালয়ে সুখ্যাতিৰে পঞ্চাশটি বছৰ জিলিকি থাকিব পৰাটো নিশ্চয়কৈ সুখ আৰু আনন্দৰ কথা। মহাবিদ্যালয়খনৰ শুভাকাংক্ষী ৰাইজ; প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোৰে মনত স্বাভাৱিকভাৱেই হেঁপাহ জাগিল— সোণালী জয়ন্তী উদ্‌যাপন কৰাৰ। ২০২২-২৩ বৰ্ষটি যিহেতু মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী বৰ্ষ, গতিকে সেই বৰ্ষটি 'সোণালী জয়ন্তী বৰ্ষ' হিচাপে বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি আৰম্ভ কৰে ২০২১ চনৰ ১ এপ্ৰিল তাৰিখে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা শ্ৰীযুত নাৰায়ণ গোস্বামীদেৱে। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বিষয়ে আলোচনা কৰিবলৈ তেখেতে ২০২১ চনৰ ১৯ নৱেম্বৰ তাৰিখে প্ৰথমখন ৰাজহুৱা সভা আহ্বান কৰে। এই সভাত কমলপুৰ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীদিগন্ত কলিতাদেৱ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অধ্যাপক মোহন চন্দ্ৰ কলিতাদেৱ, মহাবিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষ (ভাৰপ্ৰাপ্ত) শ্ৰীফুলেশ্বৰ ধিংদেৱকে প্ৰমুখ্য কৰি বৃহত্তৰ বাইহাটা চাৰিআলি অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল, শুভাকাংক্ষী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰী তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। প্ৰথমখন প্ৰস্তুতি সভাতেই বৃহৎসংখ্যক লোকৰ অংশগ্ৰহণে 'সোণালী জয়ন্তী বৰ্ষ' যে অতি সফলভাৱে উদ্‌যাপন কৰিব পৰা যাব, সেই আশা জীপাল কৰি তোলে।

প্ৰথমখন ৰাজহুৱা সভাত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বিষয়ে যথেষ্ট আলোচনা-বিলোচনা হয় যদিও এই সভাত কিছু অসুবিধাবশতঃ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে পূৰ্ণাংগ ৰূপত 'উদ্‌যাপন সমিতি' গঠন কৰিব পৰা নগ'ল। সেয়েহে, ২০২১ চনৰে ৮ ডিচেম্বৰ তাৰিখে দ্বিতীয় এখন ৰাজহুৱা সভা আহ্বান কৰা হয়। এই সভাত ৭১ জনীয়া এখনি উদ্‌যাপন সমিতি গঠন কৰা হয়। ইয়াৰ লগতে চৈধ্যখন উপসমিতি গঠন কৰা হয়। উদ্‌যাপন সমিতিত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱক মুখ্য পৃষ্ঠপোষক আৰু সাংসদ শ্ৰীযুত ভুৱনেশ্বৰ কলিতা, সাংসদ শ্ৰীযুত দিলীপ শইকীয়া, সাংসদ শ্ৰীযুতা কুইন ওজা, বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি শ্ৰীযুত ভৱেশ কলিতা, প্ৰাক্তন বিধায়ক শ্ৰীযুত যাদৱ চন্দ্ৰ ডেকা, প্ৰাক্তন বিধায়ক শ্ৰীযুত সত্যব্ৰত কলিতা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰীযুত হেমন্ত চৌধুৰীদেৱক পৃষ্ঠপোষকৰ আসন প্ৰদান কৰা হয়। মুখ্য উপদেষ্টাৰ আসন দিয়া হয়— ড° হিতেশ ডেকা, ড° প্ৰফুল্ল কুমাৰ ডেকা, শ্ৰীযুত পবিন কলিতা, ড° ৰুণু ভট্টাচাৰ্য আৰু ড° বলেন্দ্ৰ কুমাৰ দেৱ চৌধুৰীক। মহাবিদ্যালয়ৰ সৈতে জড়িত ১৬ গৰাকী বিশিষ্ট ব্যক্তিক উপদেষ্টা হিচাপে ৰখা হয়। ৰাজহুৱা সভাই সৰ্বসন্মতিক্ৰমে মুখ্য সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰে কমলপুৰ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীযুত দিগন্ত কলিতাদেৱক। সেইদৰে সভাপতি হিচাপে প্ৰাক্তন অধ্যক্ষ

শ্ৰীযুত ফুলেশ্বৰ ধিংদেৱক আৰু কাৰ্যকৰী সভাপতি হিচাপে পৰিচালনা সমিতিৰ সভাপতি অধ্যাপক মোহন চন্দ্ৰ কলিতাদেৱক দায়িত্ব অৰ্পণ কৰে। উপসভাপতি হিচাপে শ্ৰীযুত মদন চন্দ্ৰ ডেকা (অধিবক্তা), শ্ৰীযুত কিৰণ চন্দ্ৰ কাকতি (প্ৰাক্তন ছাত্ৰ তথা শিক্ষাবিদ) আৰু শ্ৰীযুত ভৰেশ চন্দ্ৰ ডেকাক (প্ৰাক্তন ছাত্ৰ তথা সাহিত্যিক) দায়িত্ব অৰ্পণ কৰে। সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নাৰায়ণ গোস্বামীদেৱক। পৰৱৰ্তী সময়ত স্থায়ী অধ্যক্ষ হিচাপে ড° ভূপেন কুমাৰ শৰ্মাদেৱে যোগদান কৰাত তেখেতক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। সাধাৰণ সভাই শ্ৰীযুত গগন চন্দ্ৰ ডেকা, শ্ৰীযুত মৃণাল শৰ্মা, শ্ৰীযুত জয়ন্ত ডেকা আৰু শ্ৰীযুত নৰজ্যোতি ডেকাক যুটীয়া সম্পাদকৰ দায়িত্ব প্ৰদান কৰে। সহকাৰী সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে— শ্ৰীযুত নলিনী বড়া, শ্ৰীযুত তনুৰাম ডেকা, শ্ৰীযুত উপেন্দ্ৰ নাথ ডেকা, শ্ৰীযুত হেমন্ত কুমাৰ শৰ্মা আৰু মহঃ জিয়াউল হকক। কোষাধ্যক্ষৰ গুৰুদায়িত্ব অৰ্পণ কৰে শ্ৰীযুত অংকুৰ দাসদেৱক।

ৰাজহুৱা সভাই এক নীতি নিৰ্দ্ধাৰণ কৰে যে উপসমিতিসমূহৰ সভাপতি, উপসভাপতি আৰু সদস্যসকলক ৰাজহুৱা সভাতে নিৰ্বাচন কৰা হ'ব আৰু সম্পাদকসকলক বৰ্তমান কৰ্মৰত শিক্ষকসকলৰ মাজৰ পৰা নিৰ্বাচন কৰা হ'ব। সেই অনুসৰি বিভিন্ন উপসমিতিসমূহ গঠন কৰা হয়।

'সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি' গঠন কৰাৰ পূৰ্বৰে পৰা সোণালী জয়ন্তী বৰ্ষটি কিদৰে, কি কি কাৰ্যসূচীৰে আয়োজন কৰা হ'ব, সেই বিষয়ে ছেগা-চোৰোকাকৈ বিভিন্ন আনুষ্ঠানিক-অনানুষ্ঠানিক পৰ্যায়ত আলোচনা-বিলোচনা হৈ আছিল। উদ্‌যাপন সমিতি গঠন কৰাৰ পাছৰে পৰা সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰচেষ্টাই এক গতি লাভ কৰে। বিশেষকৈ ৰাজহুৱা সভাই গঠন কৰি দিয়া 'কৰ্ণধাৰ সমিতি'ৰ সভাবোৰত এই বিষয়ৰ বিতং আলোচনা হ'বলৈ ধৰে। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশ হিচাপে এটি শুভাৰম্ভণি অনুষ্ঠান, সোণালী জয়ন্তী বক্তৃতামালা, ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, সদৌ অসম ভিত্তিত সংগীত প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ বাবে বিভিন্নজনে মত-পোষণ কৰে। সোণালী জয়ন্তী বৰ্ষটিৰ সামৰণি অনুষ্ঠান এটি তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰাৰ বাবেও পৰামৰ্শ আহে।

কমলপুৰ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীযুত দিগন্ত কলিতা, প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ফুলেশ্বৰ ধিং, মহাবিদ্যালয়ৰ বিশিষ্ট প্ৰাক্তন ছাত্ৰ স্বনামধন্য ড° হিতেশ আদি বিশিষ্ট ব্যক্তিসকলে গুৰি ধৰা 'কৰ্ণধাৰ সমিতি'য়ে ১৫ অক্টোবৰ, ২০২২ তাৰিখ শনিবাৰটোত 'সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন'ৰ 'শুভাৰম্ভণি অনুষ্ঠান' আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে, প্ৰথমে 'শুভাৰম্ভণি অনুষ্ঠান' মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনাই অৰ্থাৎ ২১ আগষ্ট তাৰিখে আয়োজন কৰিবৰ বাবে গুণা-গঁঠা কৰা হৈছিল। কিন্তু সেইদিনা মহাবিদ্যালয়ত অসম চৰকাৰৰ বিশেষ এটি নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিবলগীয়া হোৱাত 'শুভাৰম্ভণি অনুষ্ঠান' পিছুৱাই দিবলগীয়া হয়।

শুভাৰম্ভণী অনুষ্ঠানৰ দিন থিৰাং হোৱাৰ পৰাই ইয়াৰ বাবে পূৰ্ণোদ্যমে প্ৰস্তুতিপৰ্ব আৰম্ভ হয়। এইটো কথা সৰ্বজন জ্ঞাত যে, যিকোনো এটা অনুষ্ঠান সুকলমে আয়োজন কৰিবলৈ হ'লে অতিকৈ আৱশ্যক হৈ পৰে অৰ্থৰ। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে আৰ্থিক বৰঙণি দিবৰ বাবে আগবাঢ়ি আহে বৃহত্তৰ বাইহাটা চাৰিআলিবাসী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে তেওঁলোকৰ মূল দৰমহাৰ বিশ শতাংশ ধন বৰঙণি হিচাপে আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

অৱশেষত সেই হেঁপাহৰ দিনটো আহি পৰে— পূব কামৰূপ মহাবিদ্যালয়ৰ 'সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন'ৰ 'শুভাৰম্ভণী অনুষ্ঠান'; ১৫ অক্টোবৰ ২০২২ তাৰিখ শনিবাৰ। পুৱা ৯.০০ বজাত পতাকা উত্তোলন কাৰ্যসূচীৰে দিনজোৰা অনুষ্ঠানৰ আৰম্ভ হয়। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন উপলক্ষে প্ৰস্তুত কৰা বিশেষ প্ৰতীক চিহ্ন সম্বলিত এই পতাকা উত্তোলন কৰে কমলপুৰ সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ মুখ্য সভাপতি শ্ৰীযুত দিগন্ত কলিতাদেৱে। পতাকা উত্তোলন কৰি দিয়া ভাষণত শ্ৰীযুত কলিতাই পূব কামৰূপ মহাবিদ্যালয়ে বৃহত্তৰ বাইহাটা চাৰিআলি অঞ্চলৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত লোৱা অগ্ৰণী ভূমিকাৰ প্ৰশংসা কৰে আৰু আশা ব্যক্ত কৰে যে মহাবিদ্যালয়খন এদিন বিশ্ববিদ্যালয়লৈ উন্নীত হ'ব। মহাবিদ্যালয়খনৰ আৰু উন্নতিৰ বাবে প্ৰয়োজন হোৱা বিষয়বোৰৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও তেখেতে প্ৰতিশ্ৰুতি প্ৰদান কৰে, বিশেষকৈ মহাবিদ্যালয়খনৰ বাবে অতিকৈ আৱশ্যকীয় হৈ থকা এটি উন্নত মানদণ্ডৰ প্ৰেক্ষাগৃহৰ ব্যৱস্থা কৰাৰ বাবে পদক্ষেপ লোৱাৰ আশ্বাস প্ৰদান কৰে।

পতাকা উত্তোলনৰ সময়ত মহাবিদ্যালয়ৰ ৫০ গৰাকী ছাত্ৰীয়ে এটি সমবেত সংগীত পৰিৱেশন কৰে। "উজ্জ্বল সুজ্জ্বল জ্যোতিৰূপা তুমি অপৰূপ" শীৰ্ষক এই সমবেত সংগীতৰ ৰচক উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক শ্ৰীপুষ্পেন্দ্ৰ কুমাৰ শৰ্মা আৰু সুৰাকাৰ বিশিষ্ট সংগীত শিল্পী শ্ৰীপ্ৰাঞ্জল শৰ্মা।

পতাকা উত্তোলক শ্ৰীযুত দিগন্ত কলিতাৰ ভাষণৰ পাছত আৰম্ভ হয় স্মৃতি তৰ্পণ অনুষ্ঠান। স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত ফুলেশ্বৰ ধিংদেৱে। স্মৃতি তৰ্পণ কৰি দিয়া ভাষণত শ্ৰীযুত ধিংদেৱে মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত সহায়-সহযোগিতা কৰা প্ৰায় প্ৰতিজন ব্যক্তিৰে নাম উল্লেখ কৰি তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা প্ৰদান কৰে আৰু সেইসকলৰ ভিতৰৰ প্ৰয়াতসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

স্মৃতি তৰ্পণ অনুষ্ঠানৰ পাছত 'শ্বহীদ তৰ্পণ' অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ সন্মুখৰ ফালে থকা স্থায়ী শ্বহীদ বেদীত শ্বহীদ তৰ্পণ কৰে বাইহাটা চাৰিআলি অঞ্চলৰ এজন বিশিষ্ট অধিবক্তা, সমাজকৰ্মী তথা উদ্‌যাপন সমিতিৰ অন্যতম উপসভাপতি শ্ৰীযুত মদন চন্দ্ৰ ডেকাদেৱে। শ্ৰীযুত ডেকাদেৱে স্বাধীনতা সংগ্ৰামৰ সময়ৰ পৰা বিভিন্ন সময়ত দেশ আৰু জাতিৰ হকে প্ৰাণ আহুতি দিয়া শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে।

পুৱাৰ ভাগত অনুষ্ঠিত পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু শ্বহীদ তৰ্পণ অনুষ্ঠানকেইটি ভূগোল বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক মহঃ আয়েজ আলীৰ সহযোগত আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° নয়নমণি বৰুৱাই। এইখিনিতে উল্লেখযোগ্য যে সোণালী জয়ন্তীৰ পতাকাখনিত অংকিত কৰা হৈছিল 'সোণালী জয়ন্তী প্ৰতীকটি। এই সোণালী জয়ন্তী প্ৰতীকটি প্ৰস্তুত কৰাৰ প্ৰাৰম্ভিক কামখিনিৰ আৰম্ভণি কৰিছিল ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নাৰায়ণ গোস্বামীদেৱে। পাছলৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° দীপক কোঁৱৰ, গ্ৰন্থাগাৰিক ড° নিৰ্মলৰঞ্জন মজুমদাৰ, অধ্যাপক শ্ৰীযুত মণ্টু শইকীয়া আৰু অধ্যাপক শ্ৰীযুত পুষ্পেন্দ্ৰ কুমাৰ শইকীয়াৰ সামূহিক পৰিকল্পনাৰে প্ৰতীকটি অংকন কৰে মহাবিদ্যালয় প্ৰেছৰ কৰ্মচাৰী শ্ৰীনীপজ্যোতি ডেকাই।

দিনৰ ১১ বজাৰ পৰা মহাবিদ্যালয়ৰ খেলপথাৰত সুশোভিতভাৱে সাজি লোৱা সভাঘৰত শুভাৰম্ভণী অনুষ্ঠানৰ মূল কাৰ্যসূচী আৰম্ভ হয়। সংগীত উপসমিতিৰ সভাপতি শ্ৰীযুত পুষ্পেন্দ্ৰ শৰ্মা আৰু সম্পাদক ড° ববিতা দাসৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতিৰে আৰম্ভ হোৱা এই মূল সভাখনত সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জীৱপ্ৰযুক্তি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মোহন চন্দ্ৰ কলিতাই। সভাপতিয়ে আসন গ্ৰহণ কৰাৰ পাছতে মঞ্চত উপৱিষ্ট বিশিষ্ট ব্যক্তিসকলক সম্বৰ্দ্ধনা জনোৱা হয়। ইয়াৰ পাছত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক ড° ভূপেন কুমাৰ শৰ্মাই। ভাষণত ড° শৰ্মাই মহাবিদ্যালয়খনে লাভ কৰা সফলতাসমূহৰ এক খতিয়ান দাঙি ধৰাৰ লগতে ভৱিষ্যৎ পৰিকল্পনাসমূহৰো এক আভাস দাঙি ধৰে। তেওঁ আশা প্ৰকাশ কৰে যে স্থানীয় ৰাইজৰ সপোন পূৰণ কৰি মহাবিদ্যালয়খনি এদিন বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত হ'ব। অধ্যক্ষ ড° শৰ্মাই সোণালী জয়ন্তী বৰ্ষটিত হাতত লোৱা কাৰ্যসূচীসমূহৰো এটি আভাস দাঙি ধৰে আৰু এই কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণৰ বাবে সকলো ৰাইজৰ সক্ৰিয় সহায়-সহযোগিতা কামনা কৰে।

এই সভাতেই 'সোণালী জয়ন্তী বক্তৃতামালা'ৰ প্ৰথমটি বক্তৃতাৰ পাতনি মেলা হয়। বক্তৃতাৰ বিষয় আছিল— "নতুন শিক্ষানীতিৰ আধাৰত মোৰ সপোনৰ পূব কামৰূপ মহাবিদ্যালয়"। এই অতি গুৰুত্বপূৰ্ণ তথা সময়োপযোগী বক্তৃতাটি প্ৰদান কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰী উপাচাৰ্য, কে চি দাস কমাৰ্চ কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ড° হিতেশ ডেকাই। সুচিন্তিত আৰু যুক্তিপূৰ্ণ বক্তৃতাটিত ড° ডেকাই আন বিষয়ৰ লগতে পূব কামৰূপ মহাবিদ্যালয়ে বৰ্তমান আৰু ভৱিষ্যতে গ্ৰহণ কৰিব পৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে পৰামৰ্শ দাঙি ধৰে। মহাবিদ্যালয়খনিক দিগ্‌দৰ্শন দি যোৱা এই বক্তৃতাটি পৰৱৰ্তী সময়ত পুস্তিকাৰূপে প্ৰকাশ কৰা হয়।

সভাৰ শেষত 'শলাগৰ শৰাই' আগবঢ়ায় উপাধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সম্পাদক শ্ৰীযুত নাৰায়ণ গোস্বামীদেৱে। আৰম্ভণীৰ পৰা গোটেই অনুষ্ঠানটিৰ আঁত ধৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° খগেন দাসে।

দিনৰ ২ বজাৰ পৰা খেলপথাৰৰ অস্থায়ী সভাগৃহতে 'মন্থন ঃ ১৯৭২-২০২২' শীৰ্ষক এটি অতি আকৰ্ষণীয় অনুষ্ঠান আৰম্ভ কৰা হয়। প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, বৰ্তমানৰ শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে মুকলিমূৰীয়াভাৱে অংশগ্ৰহণ কৰি জীপাল কৰি তোলা এই 'মন্থন' অনুষ্ঠান হৈ পৰে অন্তৰংগ আলাপ, গীত-মাত, হাঁহি-ধেমালিৰ এক আকৰ্ষণীয় অনুষ্ঠান। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক ক্ৰমে শ্ৰীযুত খগেন্দ্ৰ নাথ তালুকদাৰ আৰু ড° খগেশ সেন ডেকাই এই অনুষ্ঠান সঞ্চালনা কৰে। অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীযুত মণ্টু শইকীয়া আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° নিৰ্মলৰঞ্জন মজুমদাৰে।

সন্ধিয়ালৈ আয়োজন কৰা হয় বন্তি প্ৰজ্বলন অনুষ্ঠান। ডবা-কাঁহ-শংখ ধ্বনিৰ আবেগ মধুৰ পৰিৱেশত মূল পঞ্চাশগছি বন্তি প্ৰজ্বলন কৰে— প্ৰাক্তন অধ্যক্ষ-উপাধ্যক্ষসকল, অৱসৰী শিক্ষক-কৰ্মচাৰীসকল আৰু আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলে। উপস্থিতি ৰাইজ, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলেও একোগছিকৈ বন্তি প্ৰজ্বলন কৰি সোণালী জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানৰ আনন্দ উপভোগ কৰে। বন্তি প্ৰজ্বলন অনুষ্ঠানটি পৰিচালনা কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দাদুল দেউৰীয়ে।

বন্তি প্ৰজ্বলন কাৰ্যসূচীৰেই বহু প্ৰত্যাক্ষিত 'সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন'ৰ 'শুভাৰম্ভণি অনুষ্ঠান'ৰ সফল সামৰণি পৰে।

*[ লেখাটি প্ৰস্তুত কৰোঁতে অজানিতে ৰৈ যাব পৰা ভুল-ভ্ৰান্তিৰ বাবে লেখক ক্ষমাপ্ৰাৰ্থী।]*

# মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ

## আৰু

## *ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জানিবলগীয়া*

**ড° হেমশ্ৰী দেৱী**
**সহকাৰী অধ্যাপিকা**
**ৰাজনীতি বিজ্ঞান বিভাগ**

এখন মহাবিদ্যালয়ত NAAC ৰ মূল্যায়নৰ লগত সংগতি ৰাখি শিক্ষাৰ মান উন্নতকৰণৰ ক্ষেত্ৰত আভ্যন্তৰীণ মান নিৰূপণ কোষৰ (IQAC) গুৰুত্ব অনস্বীকাৰ্য। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰাও NAAC ৰ মূল্যায়ন আৰু IQAC ৰ কাম-কাজত সহযোগৰ বিষয়ত যথেষ্ট কৰণীয় থাকে। অৱশ্যে কৰণীয়সমূহ জনাৰ পূৰ্বে IQAC বিষয়ক এক সম্যক জ্ঞান ছাত্ৰ-ছাত্ৰীক দিয়াটো প্ৰয়োজনীয়। শিক্ষণৰ লক্ষ্য তথা উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্ৰত আৰু কাৰ্য-পদ্ধতিৰ উন্নয়নৰ ক্ষেত্ৰত IQAC হৈছে এটা অংশগ্ৰহণমূলক আৰু সুবিধা প্ৰদানকাৰী গোট। শৈক্ষিক অনুষ্ঠানখনৰ দৃঢ় পৰিকল্পনাৰ যোগেদি প্ৰগতিৰ দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত IQAC এ সকলো সম্ভৱপৰ পদক্ষেপ হাতত লয়। সেয়েহে IQAC ৰ গাঁথনিৰ ভিতৰত মহাবিদ্যালয়ৰ অধ্যক্ষকে সৰ্বোচ্চ কৰি, শিক্ষকৰ প্ৰতিনিধি, কাৰ্যালয়ৰ প্ৰশাসনিক বিষয়া, পৰিচালনা সমিতিৰ সদস্য, ছাত্ৰ-স্থানীয় ৰাইজ আৰু প্ৰাক্তন ছাত্ৰৰ প্ৰতিনিধি, উদ্যোগপতি, শুভাকাংক্ষী আৰু নিয়োগকৰ্তাৰ ফালৰ পৰা মনোনীত সদস্য আৰু অভিজ্ঞ শিক্ষক এজনক ইয়াৰ সমন্বয়ক হিচাপে লৈ গঠন কৰা হয়।



এই কোষটোৱে মহাবিদ্যালয়ত গুণগত মানদণ্ড উন্নতকৰণৰ ক্ষেত্ৰত এক অবিৰত পদক্ষেপ হাতত লৈ এক সদাজাগ্ৰত, সক্ৰিয়, সহযোগিতামূলক সংস্থা হিচাপে উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰি গৱেষণাৰ পৰিৱেশ, প্ৰকল্পভিত্তিক অধ্যয়ন, বৃত্তিগত শিক্ষা ইত্যাদি সমসাময়িক সময়ৰ লগত খাপ খুৱাই মহাবিদ্যালয়ৰ শিক্ষক তথা শিক্ষাৰ্থীৰ লগতে ওচৰ-চুবুৰীয়া অঞ্চলৰ ৰাইজৰ মাজত বৈজ্ঞানিক চিন্তা-চৰ্চাৰ কৰ্ষণৰ বাতাবৰণ সৃষ্টিৰ উদ্যোগ গ্ৰহণ কৰে। মুঠতে, সংস্থাগত ক্ষেত্ৰত গুণগত সংস্কৃতিৰ সংৰচনা তথা প্ৰতিপালন কৰাৰ উদ্দেশ্যে IQAC এ কাম কৰে। যিহেতু ছাত্ৰসমাজৰ গুণগত উত্তৰণেই হৈছে মহাবিদ্যালয়ৰ প্ৰধান লক্ষ্য। সেয়েহে ছাত্ৰসমাজেও এই বিষয়ে (যথেষ্ট/কিছু পৰিমাণে) সম্যক জ্ঞান লাভ কৰাটো বাঞ্ছনীয়। তলত উল্লিখিত বিষয়সমূহ ছাত্ৰসমাজৰ লগত প্ৰধানতঃ জড়িত।

★ বৰ্তমানৰ বিশ্বায়ন তথা তথ্য-প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ প্ৰেক্ষাপটত শিক্ষাৰ ক্ষেত্ৰখনতো স্বচ্ছতাই এক মাত্ৰা হিচাপে স্থান পাইছে। বৰ্তমানে শিক্ষানুষ্ঠানত নামভৰ্তি, বিভিন্ন স্কলাৰশ্বিপ বা অন্যান্য সা-সুবিধা তথা ব্যৱস্থাসমূহৰ ক্ষেত্ৰত যোগাযোগৰ প্ৰধান মাধ্যম হিচাপে স্থান পাইছে ই-মেইল ব্যৱস্থাই। সেয়েহে, প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে নিজৰ এটা ই-মেইল একাউণ্ট থকাটো বাধ্যতামূলক আৰু তাক সঘনাই ব্যৱহাৰ কৰি চলিত ৰূপত তাৰ গতি-বিধি তথা নতুন তথ্যসমূহত সদায় চকু দিয়াটো অতি প্ৰয়োজনীয়।

★ মহাবিদ্যালয়ৰ NAAC মূল্যায়নৰ সময়ছোৱাৰ এটা প্ৰধান দিশ হৈছে— "Students Satisfaction Survery"। এই বিষয়ত NAAC এ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ e-mail ত মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক, পৰিৱেশিক ইত্যাদি বিভিন্ন দিশত প্ৰশ্নসূচী প্ৰেৰণ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে তাৰ উত্তৰ পূৰণ কৰিব লাগে আৰু অন্ততঃ 10% ন্যূনতম 100 গৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা সদুত্তৰ নাপালে তেনে শিক্ষানুষ্ঠানত NAAC ৰ শাৰীৰিক মূল্যায়ন সম্ভৱ নহয়।

★ বৰ্তমানৰ সময়ত চৰকাৰী বিভিন্ন স্কলাৰশ্বিপৰ বাবে বা আঁচনিৰ সুবিধা লাভৰ বাবেও একমাত্ৰ যোগাযোগৰ মাধ্যম হ'ল e-mail— এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়েও Internet ৰ সুবিধাৰ জৰিয়তে তেওঁলোকৰ বাবে চৰকাৰী বা বেচৰকাৰী সংস্থাসমূহে প্ৰদান কৰা বিভিন্ন কৰ্মশালা, কাৰ্যসূচী তথা কৌশল বিকাশ অনুষ্ঠানৰ লগত যোগদান কৰি নিজৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিকভাৱে আৰু প্ৰশাসনিকভাৱেও উপকৃত হ'ব পাৰে আৰু তাৰ জৰিয়তে মহাবিদ্যালয়খনেও NAAC ৰ মূল্যায়নৰ ক্ষেত্ৰত ভাল ফলাফল দেখুৱাব পাৰিব।

★ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় সপ্তাহ, আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱ তথা বিভিন্ন স্থানীয়, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত শৈক্ষিখ, সহ-পাঠ্যক্ৰমিক, ক্ৰীড়া-সংস্কৃতি ইত্যাদি ক্ষেত্ৰত যোগদান কৰা বা পুৰস্কৃত হোৱাৰ তথ্যসমূহ বিভাগীয় প্ৰধানসকলক জমা দিয়াটো প্ৰয়োজনীয়... এইধৰণৰ তথ্যসমূহেও মহাবিদ্যালয়ৰ NAAC ৰ মূল্যায়নৰ বাবে যথেষ্ট সহায়ক হয়।

★ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন Online মাধ্যমৰ জৰিয়তে লাভ কৰা Diploma, Certificate পাঠ্যক্ৰম ইত্যাদিৰ বিশদ বিৱৰণ তথা যাৱতীয় নথি-পত্ৰসমূহো সংশ্লিষ্ট বিভাগৰ মুৰব্বী বা অন্যান্য শিক্ষকৰ হাতত জমা কৰাটো বাঞ্ছনীয় যাতে বিভাগসমূহে নিজৰ ছাত্ৰ-ছাত্ৰীৰ সফলতা বা কৃতকাৰ্যৰ উপযুক্ত তথ্য মজুত ৰাখিব পাৰে।

★ মুঠতে এখন মহাবিদ্যালয়ে NAAC ৰ পৰীক্ষণত ভাল ফলাফল লাভ কৰাত অন্যতম এক দিশ হ'ল কিদৰে মহাবিদ্যালয়খনে কেৱল ছাত্ৰ-ছাত্ৰীৰে নহয়, তাৰ পৌষ্য গাঁওসমূহ, ফিডাৰ স্কুলসমূহৰো শৈক্ষিক, পৰিৱেশিক উন্নয়নত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে।

★ আকৌ, মহাবিদ্যালয়ৰ পৰা স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি পৰৱৰ্তী পৰ্যায়ত শিক্ষাৰ্থীসকলে বা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়খনক NAAC ৰ মূল্যায়নৰ দিশত আগবঢ়াই নিয়াত সহযোগ কৰাৰ যথেষ্ট দিশ থাকে। মহাবিদ্যালয়খনৰ পৰা শিক্ষা সাং কৰি তেওঁলোকে অন্য কিধৰণৰ পাঠ্যক্ৰমত যোগদান কৰিলে বা কি সংস্থাপনৰ অংশীদাৰ হ'ল সেই বিষয়েও IQAC বা তেওঁ এৰি অহা বিভাগটোক তথ্যসহকাৰে অৱগত কৰাটো বাঞ্ছনীয়। তেওঁ পৰৱৰ্তী পৰ্যায়ত লাভ কৰা বিভিন্ন ডিগ্ৰী, পুৰস্কাৰ, প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল আদিয়ে মহাবিদ্যালয়খনৰ শৈক্ষিক মূল্যায়নৰ ক্ষেত্ৰত অৱদান যোগায়। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ (Alumni) সকলৰ মহাবিদ্যালয়লৈ বিভিন্ন অৱদান যেনে টকা, বা সা-সম্পদ বা আচবাব বা অন্যান্য অৱদানেও মহাবিদ্যালয়খনৰ NAAC ৰ মূল্যায়নৰ ক্ষেত্ৰত বিচাৰ্য বিষয় হিচাপে গণ্য হয়। এনেধৰণৰ সকলো অৱদানৰ বিষয়েও তথ্যগতভাৱে IQAC ক জনোৱাটো প্ৰয়োজনীয়। প্ৰাক্তন ছাত্ৰ সংস্থাৰ (Alumni Association) কাম-কাজো এইক্ষেত্ৰত লক্ষ্যণীয়ভাৱে গুৰুত্বপূৰ্ণ হয়।

মুঠতে, মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী বৰ্তমানৰ আৰু প্ৰাক্তন আটাইৰে শৈক্ষিক বা সামগ্ৰিক অগ্ৰগতিৰ খতিয়ান ৰাখি তথ্যগতভাৱে IQAC এ মহাবিদ্যালয়খনৰ NAAC ৰ মূল্যায়নৰ বাবে প্ৰস্তুত কৰে।

*প্ৰাকৃতিকভাৱে জীৱৰ বাসস্থান অৱনমিত হোৱা কোনো অঞ্চলৰ জৈৱ বৈচিত্ৰ্য অধিক বিপদৰ সন্মুখীন হোৱা অঞ্চলৰ প্ৰধান কাৰণ হিচাপে আমি সহজে ধাৰণা কৰিব পাৰোঁ— অবনানীকৰণ, মাটিৰ সংৰক্ষণ আৰু ধ্বংসমুখী অৱস্থাৰ দাবীদাৰ— প্ৰধানকৈ কৃষিকাৰ্য, নগৰীকৰণ আৰু উদ্যোগীকৰণ।*

# কৃত্ৰিম বননি

**ড° পৰেশ কলিতা**
**মুৰব্বী আৰু সহযোগী অধ্যাপক**
**উদ্ভিদ বিজ্ঞান বিভাগ**

কোনো এটা অঞ্চলত মানুহৰ দ্বাৰা প্ৰস্তুত কৰা বনানি বা বৃক্ষ ৰোপণক সেই বিশেষ অঞ্চলটোৰ বনানিক মানৱসৃষ্ট বনানি বা কৃত্ৰিম বনানি বুলি কোৱা হয়। সাধাৰণভাৱে হোৱা বনানিত প্ৰাকৃতিক পৰিস্থিতিতন্ত্ৰ অটুট থাকে, য'ত উদ্ভিদ আৰু বনানিসমূহত মানুহৰ কোনোধৰণৰ হস্তক্ষেপৰ প্ৰয়োজন নহয়।

প্ৰাকৃতিকভাৱে জীৱৰ বাসস্থান অৱনমিত হোৱা কোনো অঞ্চলৰ জৈৱ বৈচিত্ৰ্য অধিক বিপদৰ সন্মুখীন হোৱা অঞ্চলৰ প্ৰধান কাৰণ হিচাপে আমি সহজে ধাৰণা কৰিব পাৰোঁ— অবনানিকৰণ, মাটিৰ সংৰক্ষণ আৰু ধ্বংসমুখী অৱস্থাৰ দাবীদাৰ— প্ৰধানকৈ কৃষিকাৰ্য, নগৰীকৰণ আৰু উদ্যোগীকৰণ।

বৃক্ষ ৰোপণ বনানিত বহুমুখী উদ্দেশ্য আৰু লক্ষ্য থাকে। যেনে— বন সংৰক্ষণ, উৎপাদন, জৈৱ বৈচিত্ৰ্যৰ সমতা স্থাপন আদি। মানৱসৃষ্ট বনানিয়ে প্ৰাকৃতিক বনানিৰ ঠাই পূৰণ কৰিব পাৰে বা প্ৰাকৃতিক সদৃশ বনানিৰ নিচিনাকৈ অভিযোজিত হোৱা দেখা যায়। মানুহৰ দ্বাৰা সৃষ্ট বনানি, যেনে— কাঠ বা গা-গছ বা কুণ্ডই যথেষ্ট পৰিমাণে অৰ্থনৈতিক সকাহ দিব পাৰে। ইয়াৰ উপৰি স্থানীয়ভাৱে জীৱ বৈচিত্ৰ্যৰ পৰিচালনা কৰিব পাৰে। ইয়াৰ দ্বাৰা স্থানীয় অৰ্থনীতি আৰু জীৱ বৈচিত্ৰ্যৰ অধিক উন্নতি সাধন কৰিব পাৰি। ইয়ে বনজ সম্পদক সংৰক্ষণ, পৰিৱেশ নিয়ন্ত্ৰণ আৰু বন্য প্ৰাণীৰ বাসস্থানৰ বহনক্ষম ধাৰা অব্যাহত ৰাখিব পাৰে। ইয়াৰ দ্বাৰা স্থানীয় আৰু অস্থানীয় উদ্ভিদ প্ৰজাতিৰ সংগঠন বৃদ্ধি হয়। এই প্ৰচেষ্টাই ধ্বংসৰ গৰাহত পৰা অঞ্চলবোৰক বিশেষকৈ জীৱ বৈচিত্ৰ্যৰ পুনৰ প্ৰতিষ্ঠা আৰু প্ৰকৃতাৰ্থত সংৰক্ষণৰ পথ মুকলি কৰে। উদাহৰণস্বৰূপে—

অৰণ্য মানৱ যাদৱ পায়েঙে ১৯৮০ চনতে আৰম্ভ কৰা মোলাই বনানি (Molai forest), মাজুলী, অসমৰ এক উল্লেখযোগ্য মানৱসৃষ্ট বনানি। ৰাষ্ট্ৰীয় পৰ্যায়ত ছট্টিশগড়ত অৱস্থিত নন্দিনী বনানি (Nandini Forest) ভাৰতৰ ভিতৰতে এখন সৰ্ববৃহৎ মানৱসৃষ্ট বনানি হিচাপে চিহ্নিত হৈছে।

চাইনাত অৱস্থিত চাইহানবা ৰাষ্ট্ৰীয় বনানিখন (Saihanba National Forest Park) পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ মানৱসৃষ্ট বনানি।

এনেদৰে মানৱসৃষ্ট বনানিয়ে বৈজ্ঞানিক সম্প্ৰদায়, পৰিৱেশ বাহক আৰু ব্যক্তিগত উদ্যোগ বা নেতৃত্বৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হৈ উঠিব পাৰে।

মানৱসৃষ্ট বনানি বিভিন্ন আঁচনি ৰূপায়ণ কৰাৰ এক সুন্দৰ নিদৰ্শন হ'ব পাৰে—

(১) নিৰ্বনানীকৰণৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা পৰিৱেশ, অৰ্থনীতি বা সামাজিক বিকাশ পৰিপূৰণ কৰাত ই সহায়ক হ'ব পাৰে।

(২) উদ্যোগৰ বাবে কেঁচা সামগ্ৰী, যেনে— পাল্প (Pulp), কাগজ, উচ্চ মানদণ্ডৰ উৎপাদক, ঘৰচীয়া আৰু ৰপ্তানিকৃত উভয় ক্ষেত্ৰতে ব্যৱহাৰৰ উপযোগী হৈ উঠিব পাৰে।

(৩) মানৱসৃষ্ট বনানিৰ দ্বাৰা ক্ষতিগ্ৰস্ত অঞ্চলত জীৱ বৈচিত্ৰ্যৰ বৃদ্ধি আৰু জিনীয় বৈচিত্ৰ্যৰ সংযোজন, উদ্ধাৰকাৰ্য, পুনৰ সংস্থাপন আদি কৰিব পাৰি।

(৪) তুলনামূলকভাৱে মানৱসৃষ্ট বনানিত উৎপাদন হোৱা কাঠ বা অন্য উদ্ভিদ প্ৰাকৃতিক বনানিত হোৱা উদ্ভিদতকৈ সুবিধাজনক আৰু উন্নত মানৰ।

(৫) অন্যান্য দিশত, যেনে— গ্ৰাম্য বিকাশ, নিয়োগ,

জলসিঞ্চন নিয়ন্ত্ৰণৰ দ্বাৰা পানীৰ উৎস সংৰক্ষণ, মৌল পদাৰ্থৰ ব্যৱহাৰ আৰু সঞ্চয় আদিৰ ক্ষেত্ৰত এক সুন্দৰ পদক্ষেপ হ'ব পাৰে।

মানৱসৃষ্ট বনানি বিশ্ব বনানিৰ উৎস আৰু গোলকীয় বনানিৰ ক্ষেত্ৰত বিভিন্নধৰণে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে—

(১) বিশ্বত প্ৰায় ৭ শতাংশতকৈ অধিক অঞ্চলত মানৱসৃষ্ট বনানিয়ে এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

(২) উদ্ভিদ ৰোপক বনানি ক্ৰমাগতভাৱে বৃদ্ধি হৈ আছে আৰু ইয়ে ভৱিষ্যতে প্ৰদূষণমুক্ত পৰিৱেশ গঢ়ি তুলিব পাৰিব।

(৩) উদ্ভিদ ৰোপক বনানি বৰ্তমান অৰ্দ্ধ প্ৰাকৃতিক বনানিৰ শাৰীত থিয় দিবলৈ সক্ষম হৈছে আৰু এই প্ৰভাৱ বা বিকাশ বনানি সৃষ্টি (Silviculture) আৰু বনানি পৰিচালনা কৰাৰ ক্ষেত্ৰত সহায়ক হৈছে আৰু বিশ্ব বনানিক এক বাস্তৱ ৰূপ দিবলৈ সক্ষম হৈছে।

(৪) মানৱসৃষ্ট বনানি বীমা প্ৰস্তুত আৰু আঁচনিৰ ক্ষেত্ৰত ধনৰ আবণ্টন দি সংৰক্ষণ, গৱেষণা আৰু পৰিচালনাৰ দ্বাৰা বনানিৰ বৃদ্ধি কৰাত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

(৫) তথ্য আৰু ইয়াৰ বৃদ্ধিৰ হাৰৰ গতি আৰু তাৰ ব্যৱহাৰৰ ফলস্বৰূপে উদ্যোগত যোগান ধৰা কাঠ, আঁহ আদিত মানৱসৃষ্ট বনানিৰ যথেষ্ট প্ৰভাৱ দেখা যায়।

(৬) মানৱসৃষ্ট বনানি উৎপাদন আৰ সংৰক্ষণৰ দ্বাৰা ভৱিষ্যতৰ বাবে পৰিৱেশ সঞ্চয় আৰু সুদৃঢ় কৰি মাটি, বন্যপ্ৰাণী, এঢলীয়া অঞ্চল, ছাঁ আৰু মানুহক মুক্ত আনন্দ দিবলৈ সক্ষম হ'ব।

(৭) মানৱ সৃষ্টি বনানিৰ উৎপাদনৰ প্ৰভাৱ বিস্তাৰে গ্ৰাম্য অৰ্থনীতি আৰু সামাজিক স্বাস্থ্যৰ উন্নতি সাধনৰ দ্বাৰা সামাজিক, অৰ্থনৈতিক আদি দিশত চহকী কৰি তুলিছে।

(৮) মানৱসৃষ্ট বনানি সৰ্বতোপ্ৰকাৰে বিকাশ কৰিবলৈ সক্ষম হৈছে; যাৰ ফলত বিভিন্ন আঁচনি আৰু কাৰিকৰীবিদসকল উপকৃত হৈছে।

(৯) কাঠৰ যোগান আৰু পৰিৱেশ সচেতনতাৰ ক্ষেত্ৰত বৃক্ষ ৰোপক বনানি এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

(১০) বৰ্তমান কৃত্ৰিম বনানিৰ ওপৰত গৱেষকসকলে গৱেষণা কৰিবৰ বাবে আগ্ৰহী হৈ উঠিছে আৰু যাৰ ফলস্বৰূপে ভৱিষ্যতে বিশ্ববাসীয়ে এখন সুন্দৰ পৃথিৱীত বসবাস কৰিব পাৰিব।

বৃক্ষ ৰোপক বা উদ্ভিদ ৰোপক বনানি বিভিন্নধৰণৰ কাৰ্য আৰু ভূমিকা পালন কৰিব পাৰে। এইধৰণৰ বনানিয়ে সামাজিক, সাংস্কৃতিক পৰিৱেশ আৰু অৰ্থনৈতিক দিশটো টনকিয়াল কৰাৰ লগতে বনানি সৃষ্টি (Silviculture)ৰ দ্বাৰা প্ৰাকৃতিক ভাৰসাম্য স্থাপন কৰে। কাঠ, আঁহ আৰু অকাঠী উদ্ভিদৰ বিভিন্ন উৎপাদনে সমাজত প্ৰভাৱ বিস্তাৰ কৰি পৰিস্থিতিতন্ত্ৰৰ দ্বাৰা সুন্দৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হয়।

(১) ভৱিষ্যতৰ বাবে আঁহৰ ভঁৰাল হিচাপে উদ্ভিদ ৰোপক বনানিৰ তথ্যই বনজ সম্পদ উৎপাদনত এক সুন্দৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। মানৱসৃষ্ট বনানিয়ে আঁহ, কাঠ আদিয়ে গোলকীয় নাটনিৰ অভাৱ পূৰ কৰিব পাৰে। মানৱসৃষ্ট বনানিয়ে খেতিয়কৰ শস্যৰ ভঁৰালত উন্নত মানৰ জনন দ্ৰব্য (Germplasm) সংযুক্ত কৰিব পাৰে।

(২) শক্তিৰ ইন্ধন বা জৈৱশক্তিৰ ভঁৰাল হিচাপে মানৱসৃষ্ট বনানিয়ে গেছ, জলীয় ইন্ধন, কাঠ, মিঠাইল আৰু ইঠাইল পনীয় দ্ৰব্যৰ বহনক্ষম উৎপাদনে শক্তিৰ বিকল্প দিশ উন্মোচন কৰিব পাৰে।

(৩) কাৰ্বনৰ ভঁৰাল হিচাপে উদ্ভিদে কাৰ্বন সংগ্ৰহ কৰি মাটিৰ গুণাগুণ বৃদ্ধিৰ দ্বাৰা যৌগ পদাৰ্থৰ পুনৰ ব্যৱহাৰ কৰাত সহায় কৰে। এনেদৰে উপযুক্ত বনানিকৰণে গোলকীয় উষ্ণতাৰ প্ৰভাৱ দূৰ কৰিব পাৰে।

(৪) মানৱসৃষ্ট বনানিৰ সামাজিক ভূমিকা— মানৱসৃষ্ট বনানিয়ে বহনক্ষম জীৱন ধাৰণ আৰু দৰিদ্ৰতা হ্ৰাস কৰিব পাৰে।

(৫) পৰিৱেশৰ সেৱা— মানৱসৃষ্ট বনানিয়ে জলবায়ুৰ পৰিৱৰ্তন নিয়ন্ত্ৰণত সহায়ক হ'ব পাৰে। ইয়াৰ দ্বাৰা প্ৰকৃতি সংৰক্ষণৰ লগতে জলবিদ্যাৰ ওপৰত প্ৰভাৱ পেলাব পাৰে।

(৬) পৰিস্থিতিক (Ecological) ভূমিকা— মানৱসৃষ্ট বনানি প্ৰাকৃতিক পৰিস্থিতিতন্ত্ৰৰ সংকট নিয়ন্ত্ৰণ কৰিব পাৰে। পৰিস্থিতিতন্ত্ৰৰ পুনৰ সংস্থাপন আৰু সঞ্চয়ত সহায়ক কৰি তোলে। ইয়াৰ উপৰি বিশেষধৰণৰ উদ্ধাৰ কাৰ্যৰ দিশ নিৰ্ণয় কৰিব পাৰে। মানৱসৃষ্ট বনানিয়ে জিনৰ ভঁৰাল সংৰক্ষণ কৰিব পাৰে।

(৭) বীমা, অনুষ্ঠান আৰু নিজা ব্যৱসায় সৃষ্টি কৰিব পাৰে।

(৮) মানৱসৃষ্ট বনানিয়ে বহনক্ষম উন্নতিক পৰিচালনা আৰু বনজ সম্পদ বৃদ্ধি কৰে।

(৯) মানৱসৃষ্ট বনানিয়ে পৰিস্থিতিক সুদৃঢ় কৰাত সম্ভাৱনাৰ প্ৰশ্ন জড়িত হৈ আছে।

(১০) মানৱসৃষ্ট বনানি কাঠ উৎপাদনৰ প্ৰভাৱী উৎস হিচাপে পৰিৱেশ আৰু সামাজিক উন্নতিৰ অনুকূল ভূমিকা লৈ আহিছে।

মানৱসৃষ্ট বনানিৰ কিছুমান ঋণাত্মক দিশো নথকা নহয়। কিন্তু ইয়াৰ প্ৰভাৱ নিচেই নগণ্য। যেনে— বনানিকৰণ অঞ্চলত কেতিয়াবা নিম্নমানৰ পৰিচালনাৰ বাবে সেই অঞ্চলত জীৱ বৈচিত্ৰ্যৰ কিছু অৱনতি ঘটা দেখা যায়। কৃত্ৰিম বনানি অঞ্চলত ঘাঁহৰ প্ৰজাতিৰ বাসস্থানৰ অৱনতি ঘটিব পাৰে যাৰফলত এই অঞ্চলত ঘাঁহ প্ৰজাতিৰ বৃদ্ধি আৰু জীয়াই থকাত বাধা জন্মে। ইয়াৰ দ্বাৰা বনানি অঞ্চলত থকা নলা, নিজৰাৰ গতি আৰু পৰিৱেশত স্থানীয় প্ৰজাতিৰ হ্ৰাস হ'ব পাৰে।

# অসমৰ চাহ শিল্পৰ দুশবছৰীয়া অনিৰুদ্ধ যাত্ৰা

**ড° নিৰ্মল ৰঞ্জন মজুমদাৰ**
গ্ৰন্থাগাৰিক

চাহ শিল্পৰ বাবেই বিশ্বৰ মানচিত্ৰত অসমৰ এক সুকীয়া পৰিচয় আছে। চাহ যদিও এক খেতি, কিন্তু ইয়াৰ কলাসুলভ উৎপাদন পদ্ধতিৰ বাবেই চাহ খেতিক 'চাহ শিল্প' বুলিও কোৱা হয় কিজানি। অসমৰ চাহ জগত বিখ্যাত। বিশ্বৰ ভিন্ন প্ৰান্তৰ অজস্ৰ লোকে এপিয়লা 'অসম চাহ'ত চুমুক দি গৌৰৱবোধ কৰে। সেয়েহে বিশ্বৰ বজাৰত অসমৰ চাহৰ কদৰ বহুত বেছি। এক কথাত ক'বলৈ হ'লে সমগ্ৰ বিশ্বতেই ভাৰতৰ নাম উজ্জ্বল কৰা সম্পদবিধেই হৈছে অসমৰ চাহপাত। 'Assam Tea' নামেৰেই এটি পৰিচয়, এটি 'ব্ৰেণ্ড' হৈ পৰা অসমৰ চাহশিল্প দুশবছৰীয়া হ'ল। অৰ্থাৎ অসমৰ মাটিত চাহখেতিৰ প্ৰচলনৰ সৰ্বজনীন স্বীকৃতিয়ে দুশ বছৰ অতিক্ৰম কৰিলে। বিগত এই দুশ বছৰে অসমৰ মান জিলিকোৱা এই চাহ খেতিয়েই আমাক দিলে এটা নতুন সংস্থাপনৰ বাট, এটা নতুন ব্যৱসায়ৰ দিশ। কিন্তু এই দিশটোৰ বাদেও অসমৰ চাহ উদ্যোগ কালক্ৰমত হৈ পৰিল অসমৰ সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ।

অসমৰ চাহ বাগিচাত শ্ৰমিক হিচাপে নিয়োজিত কৰাৰ উদ্দেশ্যে তাহানিতে ইংৰাজ চাহাবে বহিঃৰাজ্যৰ পৰা মাতি অনা বিশেষ জনগোষ্ঠীৰ লোকসকলো কালক্ৰমত অসমৰ মাটিত 'চাহ জনগোষ্ঠী' নামেৰে পৰিচয় লৈ এটি নতুন জনগোষ্ঠী হিচাপে অসমভূমিকে আপোন আই বুলি সাবটি ল'লে। সেই জনগোষ্ঠীৰ নিজস্ব গীত-মাত - নৃত্য আজি অসমৰ লোক সংস্কৃতিৰ অংশস্বৰূপ। এবিধ বিশেষ খেতি অথবা গছৰ নামেৰে এনেদৰে এটা জনগোষ্ঠীৰ নামকৰণ হোৱাটো গোটেই বিশ্বতেই বিৰল চাগৈ। অসমৰ চাহপাত বহুগুণবিশিষ্ট



হোৱাৰ বাবে ইয়াক 'কেঁচা সোণ' বুলিও কোৱা হয়। উল্লেখ্য যে 'কেঁচা সোণ' নামেৰে এখন অসমীয়া চলচ্চিত্ৰও ১৯৫৯ চনতেই মুক্তি পাইছিল। ফণী শৰ্মাই পৰিচালনা কৰা এই ছবিখনৰ চিত্ৰনাট্যত কাহিনীৰ খাতিৰত বহু পৰিমাণে ব্যৱহাৰ কৰা হৈছিল চাহ জনগোষ্ঠীয় লোকৰ উপভাষা। আনকি চাহ জনগোষ্ঠীৰ মাজত প্ৰচলিত গীতও সন্নিবিষ্ট কৰা হৈছিল এই বোলছবিখনত। অসম চৰকাৰৰ পৰা আমোদ কৰ ৰেহাই পোৱা প্ৰথমখন অসমীয়া কথাছবি হিচাপে ই অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত লিপিবদ্ধ। চাহ বাগিচাত পটভূমিত এখন উল্লেখযোগ্য অসমীয়া উপন্যাস হিচাপে ৰাস্না বৰুৱা ( ড° বিৰিঞ্চি কুমাৰ বৰুৱা) ৰচিত 'সেউজী পাতৰ কাহিনী' (১৯৫৮ চন) - ৰ নাম ল'ব লাগিব। তাৰো আগৰ যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' (১৯৫৫ চন)ৰ কাহিনীতো চাহ বাগিচাৰ কথাই স্থান পাইছে। ভাল লগা কথা যে আমাৰ চহালোকৰ মুখৰ বিহুগীততো সোমাই পৰিল চাহৰ প্ৰসংগ।

*অসমৰ চাহ জগত বিখ্যাত। বিশ্বৰ ভিন্ন প্ৰান্তৰ অজস্ৰ লোকে এপিয়লা 'অসম চাহ'ত চুমুক দি গৌৰৱবোধ কৰে। সেয়েহে বিশ্বৰ বজাৰত অসমৰ চাহৰ কদৰ বহুত বেছি। এক কথাত ক'বলৈ হ'লে সমগ্ৰ বিশ্বতেই ভাৰতৰ নাম উজ্জ্বল কৰা সম্পদবিধেই হৈছে অসমৰ চাহপাত।*

আৰ্থিক দিশৰ পৰাও চাবলৈ গ'লে অসমৰ চাহশিল্প আজি এটা বৃহৎ উদ্যোগৰ ৰূপ লৈছে - ই কেৱল চাহপাত উৎপাদনৰ উদ্যোগেই নহয়; আনকি অসমৰ পৰ্যটন উদ্যোগৰ ক্ষেত্ৰখনতো অসমৰ চাহ বাগিচাৰ আছে উল্লেখযোগ্য অৱদান। চৰকাৰী তথ্য অনুসৰি ২০২২ চনত অসমত চাহৰ উৎপাদন ৭০ কোটি কিলোগ্ৰামলৈ বৃদ্ধি পাই ই ভাৰতৰ সামগ্ৰিক চাহ উৎপাদনৰ ৫২ শতাংশ বৰঙনি আগবঢ়াবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰসংঘৰ Food and Agriculture Organization (FAO) ৰ পৰা প্ৰকাশিত তথ্যমতে পানীৰ পিছতেই বিশ্বৰ আটাইতকৈ প্ৰচীন আৰু বেছিকৈ ব্যৱহৃত পানীয়বিধেই হৈছে চাহ।

অসমৰ বাবে আৰু এটা গৌৰৱ কৰিবলগীয়া কথা যে আমাৰ অসমৰ বাকৰিতেই আছে ভাৰতৰ প্ৰথমটো চাহ গৱেষণা কেন্দ্ৰ। যোৰহাট জিলাৰ টোকলাইস্থিত Tea Research Association হৈছে বিশ্বৰ চাহ বিজ্ঞানৰ আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠান। ১৯১১ চনত টোকলাইত আৰম্ভ কৰা পৰীক্ষামূলক কেন্দ্ৰৰ লগতে ১৯৬৪ চনত চাহ গৱেষণা সংস্থা স্থাপন কৰা হয়। উল্লেখ্য যে এই গৱেষণা প্ৰতিষ্ঠানখনতেই আছে চাহ বিষয়ক এটি মানবিশিষ্ট পুথিভঁৰাল। এই গ্ৰন্থাগাৰটোত মূলতঃ চাহ শিল্পৰ লগত জড়িত বিভিন্ন বিষয়ৰ কিতাপ পত্ৰ আদি ৰখা হয়। বিশেষ পুথিভঁৰাল (Special Library) হিচাপে স্বীকৃত এইগ্ৰন্থাগাৰটো ১৯৬২ চনৰ পৰা Indian Association of Special Libraries and Information Centers ( IASLIC) - নামৰ সৰ্বভাৰতীয় সংস্থাৰো 'আনুষ্ঠানিক সদস্য' হৈ আছে। চাহ বিষয়ক বহু নতুন কিতাপ পত্ৰৰ উপৰিও আপুৰুগীয়া আৰু দুৰ্লভ কিতাপ পত্ৰ সংৰক্ষিত হৈ থকাৰ সুবাদতে এই গ্ৰন্থাগাৰটো হৈ পৰিছে চাহ বিজ্ঞানী আৰু গৱেষকসকলৰ বাবে আকৰ্ষণৰ স্থলী। চাহ বিষয়ক ৭০০০ মান কিতাপ আৰু বহু গৱেষণা পত্ৰিকাৰ উপৰিও ১৫০০০ মান বাউণ্ড ভলিউম ( Bound Volumes)ৰে ভৰি থকা এই গ্ৰন্থাগাৰটো কেৱল দেশৰেইনহয়, বিদেশী চাহ বিজ্ঞানী- গৱেষকসকলৰো এক নিৰ্ভৰযোগ্য তথ্যকেন্দ্ৰ। একেদৰে আছে বিশ্বৰ বৃহৎ চাহ নিলাম কেন্দ্ৰও আছে অসমত। অসমৰ চাহ ব্যৱসায়ৰ ক্ষেত্ৰখনত আন্তৰ্জাতিক পৰ্যায়ত এক চিনাকি নাম হৈছে গুৱাহাটী চাহ নিলাম কেন্দ্ৰ। ১৯৭০ চনত স্থাপিত বিশ্বৰ অন্যতম ব্যস্ত চাহ নিলাম কেন্দ্ৰটোত প্ৰতিবছৰে সৰ্বাধিক পৰিমাণৰ চাহপাত নিলাম হয়। একেদৰে ২০০৮ চনত অসমৰ স্থানীয় চাহপাতে লাভ কৰে GI (Geographical Indication) ৰ স্বীকৃতি।

১৮২৩ চনত ইংৰাজ চাহাব ৰবাৰ্ট ব্ৰুচে অসম ভূমিত এগৰাকী চিংফৌ জনজাতীয় মুখিয়ালৰ সহায়ত আজিৰ শিৱসাগৰ জিলাৰ তথা তাহানিৰ ৰংপুৰৰ দাঁতি-কাষৰীয়া পাহাৰীয়া অঞ্চলত আৱিষ্কাৰ কৰা চিংফৌসকলৰ 'ফালাপ' নামৰ এই বিশেষ গছক কেন্দ্ৰ কৰিয়েই দোপত-দোপে আগবাঢ়ি যোৱা উদ্যোগটোৰ দুশবছৰ সম্পূৰ্ণ হোৱাটো সমগ্ৰ দেশৰ বাবেই এক গৌৰৱময় ক্ষণ। এই কৃতিস্তম্ভক বিশ্ববাসীৰ আগত দাঙি ধৰাৰ বাবেই ২০২৪ চনৰ ভাৰতৰ গণৰাজ্য দিৱসত দিল্লীৰ ৰাজপথত হ'বলগীয়া মূল কাৰ্যসূচীৰ শোভাযাত্ৰাত প্ৰদৰ্শন হ'বলগীয়া বিভিন্ন ৰাজ্যৰ প্ৰতীকপট( Tableau) -ৰ ভিতৰত অসমৰ বাবে বিষয় বাছনি কৰা হৈছে অসমৰ চাহৰ দুশবছৰীয়া গৌৰৱোজ্জল ইতিহাস।

অসমৰ চাহ শিল্পৰ দুশবছৰীয়া যাত্ৰা অনিৰুদ্ধ হওক। চিৰদিন- চিৰকাললৈ অসমী আইৰ নাম ধৰাৰ বুকুত উজলাই ৰাখক অসমৰ চাহে।

# ‘অজান দেশত এলিচ’ ঃ এটি আলোচনা

**জেনী ডেকা**
স্নাতক চতুৰ্থ যান্মাসিক
অসমীয়া বিভাগ

সাধাৰণতে শিশুক কেন্দ্ৰ কৰি লিখা সাহিত্যসমূহকে শিশু সাহিত্য বোলা হয়। শিশুক কেন্দ্ৰ কৰি কোনো গল্প বা উপন্যাস লিখিলেই যে সেইখন শিশু সাহিত্য হ'ব, তেনে নহয়। প্ৰকৃততে সেই সাহিত্য পঢ়ি শিশুৱে ভাল পালেহে বা তাৰ পৰা শিক্ষা লাভ কৰিব পাৰিলেহে সেই সাহিত্যক শিশু সাহিত্য বুলি ক'ব পৰা যাব। শিশুৰ বাবে লিখা সাহিত্যও কেতিয়াবা শিশু সাহিত্য নহ'ব পাৰে, যদিহে সেই সাহিত্য পঢ়ি শিশুৱে আমোদ নাপায়, অথচ কেতিয়াবা বয়স্কসকলৰ বাবে লিখা সাহিত্যয়ো শিশুক আমোদ দিব পাৰে বা মনোৰঞ্জন দিব পাৰে। আৰু সেই সাহিত্যও তেতিয়া শিশু সাহিত্য হৈ পৰে।

ইংৰাজী ভাষাত লিখা "Alice's Adventure in Wonderland" পুথিখন ১৮৬৫ চনত প্ৰকাশিত হৈছিল। পুথিখনৰ লেখক আছিল লুইচ কেৰল। ইয়াৰ পিছত বিভিন্ন ভাষালৈ এই উপন্যাসখন অনুবাদ কৰা হয়। উপন্যাসখন ইমান বেছি জনপ্ৰিয় হৈ পৰিছিল যে একেটা ভাষাতে একাধিক অনুবাদ হোৱা দেখা যায়।

লুইছ কেৰলৰ মূল উপন্যাসখন অসমীয়া ভাষালৈ অনুবাদ কৰিছে প্ৰবীণা শইকীয়াই। তেওঁ উপন্যাসখনৰ নাম দিছিল ‘অজান দেশত এলিচ’। ১৯৬৩ চনত এই উপন্যাসখন অসমীয়া ভাষাত প্ৰকাশ পায়। "Alice's Adventure in Wonderland" নামৰ পুথিখন এখন জনপ্ৰিয় শিশু উপযোগী উপন্যাস। পুথিখনৰ লেখক লুইছ কেৰলৰ প্ৰকৃত নাম চাৰ্লছ লাটৱিজ ডড্ছন। তেওঁৰ জন্ম হৈছিল ১৮৩২ চনত ইংলেণ্ডৰ ডাৰ্ছবাৰী নামৰ ঠাইত। তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ অধ্যাপক আছিল। তেওঁৰ প্ৰিয় বন্ধু ডীন এইচ জি লিডেলৰ তিনিজনী কন্যাক এদিন লগত লৈ অক্সফোৰ্ডৰ কাষৰ নদী এখনত নাৱেৰে গৈ থাকোঁতে নিজৰ কল্পনাৰে ছোৱালী তিনিজনীৰ আগত এটি কাহিনী কৈছিল। পিছত এই কাহিনীটোৱেই তেওঁ ভালকৈ লিখি বৰদিনৰ উপহাৰ হিচাপে বন্ধুৰ কন্যা এলিচলৈ পঠিয়াইছিল। নিজৰ পৰিচয় লুকাই ৰাখিবৰ বাবে তেওঁ লেখকৰ নামৰ ঠাইত লুইছ কেৰলৰ নাম দিছিল আৰু কিতাপখনৰ নাম দিছিল "Alice's Adventures Under Ground"। পিছলৈ এই কিতাপখন "Alice's Adventures in Wonderland" নামেৰে নামকৰণ কৰা হয় আৰু কিতাপখন পৃথিৱী বিখ্যাত হৈ পৰে।

শিশু সাহিত্যৰ বাবে উপযোগী প্ৰায়ভাগ বৈশিষ্ট্যই এই কিতাপখনত দেখিবলৈ পোৱা যায়। কিতাপখনে যে কেৱল শিশুকে আমোদ দিব পাৰিছে এনে নহয়; বয়োজ্যেষ্ঠসকলেও সমানে এই কিতাপখন পঢ়ি আমোদ লাভ কৰে। কিতাপখনত বিভিন্ন ঘটনাই কৌতুকৰ মাধ্যমেৰে শিশুক মনোৰঞ্জন দিবলৈ সক্ষম হৈছে। তদুপৰি বিভিন্ন ছবিৰ ব্যৱহাৰেৰে কিতাপখন শিশুৰ বাবে আকৰ্ষণীয় কৰি তোলা হৈছে। লুইছ কেৰলৰ উপন্যাসখনৰ কাহিনীটো চমুকৈ এনেধৰণৰ— গ্ৰীষ্মকালৰ এটি দুপৰীয়া এলিচে বাইদেৱেকৰ সৈতে ঘাঁহনি এখনত বহি আছিল। বাইদেৱেকে কিতাপ এখন আছিল; কিন্তু কৰিবলৈ একো কাম নাছিল। তেনেকৈ থাকি তাইৰ আমনি লাগিল। এনেকৈ থাকোঁতে তাইৰ টোপনি আহিছিল আৰু সপোনত কিছুমান অদ্ভুত ঘটনা দেখিছিল। সপোনত লগ পোৱা প্ৰাণীবোৰৰ ব্যৱহাৰ, কথা-বতৰা আদি সকলোবোৰ অদ্ভুত আছিল।

কাহিনীটোত লুইছ কেৰলে লোপ পাবলৈ ধৰা বহুতো পশু-পক্ষীৰ নাম উল্লেখ কৰিছে। উপন্যাসখনৰ চৰিত্ৰসমূহ হৈছে— এলিচ, বগা শহা, ডোডো, বিল, সেউজীয়া পহু, জমিদাৰণী, জমিদাৰণীৰ ৰান্ধনি, দাঁত নিকটোৱা মেকুৰী, টুপীৱালা, বলিয়া শহা, হৰতনৰ ৰাণী, হৰতনৰ ৰজা, গ্ৰাইফন, নকল কাছ আদি।

উপন্যাসখনৰ দুটা কাল্পনিক চৰিত্ৰও আছে— গ্ৰাইফন আৰু নকল কাছ। গ্ৰাইফনৰ গাটো সিংহৰ নিচিনা, ভৰি দুখন

ঈগলৰ নিচিনা। নকল কাছৰ মূৰটো গৰুৰ পোৱালিৰ নিচিনা আৰু ঠেং নেজ কাছৰ নিচিনা। মূল উপন্যাসখনত এই চৰিত্ৰবোৰৰ চিত্ৰ অংকন কৰিছিল চিত্ৰকৰ জন টেনিয়েলে।

ইংৰাজী উপন্যাসখন প্ৰবীণা শইকীয়াই অতি শুৱলা আৰু স্পষ্টকৈ অসমীয়ালৈ অনুবাদ কৰি শিশুসকললৈ আগবঢ়াই দিছে। অনুবাদ কৰোঁতে মূল উপন্যাসখনৰ সৌন্দৰ্য যাতে বিকৃত নহয় তাৰ ওপৰত অনুবাদকগৰাকীয়ে যথেষ্ট গুৰুত্ব দিছে। তদুপৰি উপন্যাসখনৰ কাহিনীটো যাতে খেলি-মেলি নহয় তাৰ বাবে প্ৰবীণা শইকীয়াই হুবহু মূল কিতাপখনৰ দৰেই কিতাপখন অনুবাদ কৰিবলৈ চেষ্টা কৰিছে। চৰিত্ৰ, ঠাই, জীৱ-জন্তুসমূহৰো কোনোধৰণৰ সাল-সলনি নকৰি মূল পুথিখনৰ দৰেই ৰাখিছে।

মূল পুথিখন অসমীয়ালৈ অনুবাদ কৰোঁতে অনুবাদক গৰাকীয়ে বিভিন্ন দিশত দক্ষতাৰ পৰিচয় দিছে। এই অনুবাদৰ মন কৰিবলগীয়া দিশবোৰ হৈছে—

১। মূলানুগ।

২। ভাষা সহজ-সৰল।

৩। গীত আৰু কবিতাবিলাক অত্যন্ত দক্ষতাৰে অনুবাদ কৰিছে।

৪। পৰিস্থিতিবোৰ যথাসম্ভৱ সহজ-সৰলকৈ অনুবাদ কৰিছে।

উপন্যাসখনত বৰ্ণিত পৰিৱেশ-পৰিস্থিতিবোৰৰ ফটোগ্ৰাফিক বৰ্ণনা কৰা হৈছে।

৫। ভাব, ঘটনা, চৰিত্ৰ যিকোনো ধৰণৰ বৰ্ণনাতে অনুবাদকে উপযুক্ত শব্দৰ ব্যৱহাৰেৰে দক্ষতাৰ পৰিচয় দিছে।

আচহুৱা শব্দ, বিশেষকৈ একে উচ্চাৰণৰ বেলেগ অৰ্থৰ শব্দৰ অনুবাদ কৰোঁতে কিছু জটিলতাৰ সন্মুখীন হৈছিল যদিও অতি নিখুঁতভাৱে তাক অনুবাদ কৰিবলৈ সক্ষম হৈছে।

কাহিনী অনুবাদ কৰাটো ইমান কঠিন নহয়, কিন্তু কবিতা আৰু গীতৰ অনুবাদ কৰাটো যথেষ্ট কষ্টসাধ্য। প্ৰবীণা শইকীয়াই মূল উপন্যাসখনৰ কবিতা আৰু গীতবোৰ অতি সহজ-সৰল ভাষাত নিখুঁতভাৱে অনুবাদ কৰিছে তাৰে এটি উদাহৰণ তলত দাঙি ধৰা হ'ল—

"How doth the little crocodile
Improve his shining tail
And pour the waters of the Nile
On every golden scale !
How cheerfully he seems to grin
How neatly spreads his claws,
And welcomes little fishes in
With gently smiling jaws !"

প্ৰবীণা শইকীয়াই অনুবাদ কৰিছে এইদৰে—

"কেনেকৈ অকণমান ঘঁৰিয়ালটোৱে
জিক্‌মিক্ নেগুৰ বঢ়ালে,
নীল নৈৰ পানী আনি সোণালী বাকলি
কেনেদৰে ধুনীয়া কৰিলে!
কিমান ৰঙেৰে দেহি দাঁত নিকটাই
ধুনীয়াকৈ হাতোৰা মেলিলে,
হাঁহিভৰা কোৱাৰিৰে সৰু মাছবোৰ
কেনেকৈনো আদৰি আনিলে!"

কবিতাবোৰৰ কোনোধৰণৰ অৰ্থ নাই যদিও শিশুৱে এইবোৰ পঢ়ি ভাল পায়।

এই উপন্যাসখন এখন Nonsense Literature বা বাংকৰা ধাৰাৰ উপন্যাস। Nonsense Literatureৰ কোনো নিৰ্দিষ্ট সংজ্ঞা পোৱা নাযায়। ইয়াৰ কোনো নিৰ্দিষ্ট অৰ্থ নাথাকে। ঘটনাবোৰ বেলেগ বেলেগ দিশত বেলেগ বেলেগ অৰ্থ ওলাব পাৰে। Nonsense Literatureত একেটা ঘটনাৰে পুনৰাবৃত্তি ঘটিব পাৰে। আৰু ৰাজনৈতিক ব্যংগ Nonsense Literatureত লুকাই থাকিব পাৰে।

ওপৰত উল্লিখিত আটাইবোৰ বৈশিষ্ট্য 'অজান দেশত এলিচ' নামৰ উপন্যাসখনত দেখা পোৱা যায়। Nonsense Literatureৰ যেনেদৰে নিৰ্দিষ্ট অৰ্থ নাথাকে তেনেদৰে এলিচৰ কাহিনীটোতো ঘটনাবোৰৰ একো নিৰ্দিষ্ট অৰ্থ পোৱা নাযায়। ঘটনাবোৰ ক'ৰবাত আৰম্ভ হৈ ক'ৰবাত শেষ হয়গৈ। Nonsense Literatureৰ আন এটা বৈশিষ্ট্য যে কাহিনীবোৰত ৰাজনৈতিক ব্যংগ লুকাই থাকিব পাৰে। 'অজান দেশত এলিচ' উপন্যাসখনত ইংলেণ্ডৰ ৰাজনীতিৰ বিষয়ে উল্লেখ থকাৰ অনুমান কৰা হয়। উপন্যাসখনৰ এটি জনপ্ৰিয় চৰিত্ৰ হৰতনৰ ৰাণীক ইংলেণ্ডৰ তদানীন্তন ৰাণীৰ লগত আলোচকসকলে তুলনা কৰিব খোজে।

শেষত ক'ব পাৰি, "অজান দেশত এলিচ" অসমীয়া শিশু সাহিত্যৰ উল্লেখযোগ্য সম্পদ।

**সহায়ক গ্ৰন্থ ঃ**

বৰুৱা, নয়নমণি ঃ অসমীয়া শিশু সাহিত্য, পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, ২০২১

শইকীয়া, প্ৰবীণা ঃ অজান দেশত এলিচ, অসম প্ৰকাশন পৰিষদ, ২০১৯ (১৯৬৩)



# ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ আৰু ঐতিহ্য চেতনা

**দীক্ষিতা গোস্বামী**
স্নাতক ষষ্ঠ ষাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

"মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে,
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা?
সমনীয়া!"

আজীৱন মানৱতাবাদী কণ্ঠেৰে নৱ প্ৰভাতৰ সূচনা কৰা, দেশে-বিদেশে সুৰৰ ঝংকাৰ তুলি ভাতৃত্ববোধৰ অনিৰ্বাণ জ্যোতি বিয়পোৱা জ্যোতিষ্মান নক্ষত্ৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱ কেৱল অসমী আইৰেই নহয়, বিশ্বৰ দৰবাৰত সুপ্ৰতিষ্ঠিত হোৱা অপৰূপা ভাৰতমাতৃৰ বাবে এক গৌৰৱোজ্জ্বল সত্তা, যাৰ উত্তাপ-জ্যোতিয়ে অন্তৰীণ মানৱ-মগজুক উদ্ভাসিত কৰি প্ৰদান কৰে অন্তহীন প্ৰেৰণাৰ উৎস।

একাধাৰে সংগীতজ্ঞ, সুৰকাৰ, গীতিকাৰ, কবি, সংগীত পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা; বহুমুখী প্ৰতিভাৰ আকৰ ড° ভূপেন হাজৰিকাদেৱে পিতৃ-মাতৃৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ স্ব-প্ৰতিভাৰে জীৱনৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল। সৰুৰে পৰাই সংগীতৰ প্ৰতি থকা অপৰিসীম অনুৰাগ নীলকান্ত হাজৰিকা আৰু শান্তিপ্ৰিয়া হাজৰিকাৰ ছত্ৰছায়াত একলা-দুকলাকৈ বাঢ়ি আহি অসমীয়া ভাষা

আৰু সংগীত সাহিত্যক এক বিশাল পৰিসৰত চহকী কৰি থৈ গৈছে। কৈশোৰ অৱস্থাতেই মননকুঞ্জত প্ৰস্ফুটিত হোৱা মানৱ চেতনা আৰু ঐতিহ্য চেতনাৰ বহিঃপ্ৰকাশৰূপে তেওঁৰ কাপেৰে নিগৰিত হৈছিল—

"কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান,
নামৰে সুৰতে আনন্দত নাচিছিল পৱিত্ৰ বৰদোৱা থান,
মোৰ গুৰু ঐ,
পৱিত্ৰ বৰদোৱা থান।"

ধৰ্মৰ নামত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আৰু নৰকসদৃশ যাতনাকো আওকাণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভক্তিৰসৰ সোঁতেৰে টৌৱাই সমগ্ৰ অসমীয়া জাতিক একতাৰ আসনত প্ৰতিষ্ঠিত কৰিছিল। ভাওনা, বৰগীত, সত্ৰ, নামঘৰৰ যোগেদি অমৃতসম দেৱবাণী প্ৰচাৰ কৰি গুৰুজনাই সমাজ সংস্কাৰৰ বীজ বৈণতভাৱে ৰোপণ কৰিছিল। এই কথা সুধাকণ্ঠদেৱে গীতটিৰ জৰিয়তে অতি সৰল আৰু ভক্তিপূৰ্ণভাৱে মন্থন কৰি গৈছে। সৌ তাহানিতেই মহাপুৰুষজনাই গঢ়ি যোৱা সংস্কাৰশীল আৰু সাংস্কৃতিক মূল্যবোধেৰে পৰিপূৰ্ণ সমাজখনত স্বকীয় সৃষ্টি আৰু সংগীত প্ৰতিভাৰে হাজৰিকাদেৱে এটা জনদৰদী চিন্তাধাৰা দাঙি ধৰিব পাৰিছিল। সেয়েহে তেওঁ হৈ পৰিছিল "জনতাৰ শিল্পী", সকলোৰে প্ৰিয়, হিয়াৰ আমঠু— 'ভূপেনদা'।

মাত্ৰ পাঁচ বছৰ বয়সতে গীত পৰিৱেশন কৰি অসমীয়া সাহিত্যৰ কাণ্ডাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ পৰা লাভ কৰা তামোলৰ পিক সনা চুমাৰ পৰশ আছিল তেখেতৰ স্বৰ্ণিল সংগীতযাত্ৰাৰ বাবে আশীৰ্বাদস্বৰূপ। অসমৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ তেজপুৰত থকা কালছোৱাত তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ দৰে বিশাল ব্যক্তিত্বৰ সান্নিধ্যলৈ আহিছিল। তেওঁলোকৰ জাতীয়তাবাদী ভাৱনা, ঐতিহ্য চেতনা, মানৱতাবোধ, কলানুৰাগ তথা সমাজ-সচেতনতাই ড° ভূপেন হাজৰিকাদেৱক বাৰুকৈয়ে উদ্বুদ্ধ কৰিছিল। পৰৱৰ্তী সময়ত সেই আদৰ্শই তেওঁৰ মননপটত সৌন্দৰ্যবোধ দৰ্শন আৰু কাব্য ৰচনাৰ বীজৰূপে অংকুৰিত হৈছিল।

য'ত মানুহক প্ৰথম স্থান প্ৰদান কৰি শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰা হয়, তাতেই মানৱতাবোধৰ প্ৰতিফলন ঘটে। সেয়েহে বন্দুকৰ গুলীৰ পৰিৱৰ্তে সুৰৰ পাপৰিৰে মানৱতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি তেওঁ গাইছে—

"মানুহ যদিহে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ,
যদি দানৱ কাহানিবা হয়েই মানুহ
লাজ পাব কোনেনো কোৱা?
সমনীয়া!"

এই গীতটিত তেওঁ সুস্পষ্ট ৰূপত একতা, ভাতৃত্ববোধ আৰু মানৱতাবোধৰ প্ৰয়োজনীয়তা অংকন কৰিছে। পৰমেশ্বৰে সৃষ্টিৰাজিৰ ভিতৰত জ্ঞান-বুদ্ধি আৰু বিবেকেৰে সমৃদ্ধ কৰি মানুহকেই জীৱশ্ৰেষ্ঠৰূপে সৃষ্টি কৰিছে। আন কোনো জীৱই মানুহৰ সমকক্ষ নহয়। কিন্তু দুৰ্বলতা আৰু হেমাহিৰ বাবে মানৱতচাৰ স্খলন ঘটি সময়ৰ কুটিল পৰিহাসত দানৱবোৰ যদি মানুহৰ শাৰীলৈ ৰূপান্তৰ হয়, তেন্তে সভ্য মানৱ সমাজ লজ্জানত হোৱাটো যে ধ্ৰুপ, সেয়া তেওঁ গীতটিৰ জৰিয়তে সকীয়াই গৈছে।

বিশ্ববিখ্যাত প'ল ৰবচনৰ অমৰ সৃষ্টি 'OL' Man River' গীতটিৰ গুঞ্জৰিত প্ৰতিধ্বনিক প্ৰত্যক্ষবাদী মানৱীয় দৃষ্টিভংগীৰে বিশ্লেষণ কৰি সুধাকণ্ঠই গাইছিল—

"বিস্তীৰ্ণ পাৰৰে অসংখ্যজনৰে
হাহাকাৰ শুনিও নিঃশব্দে নীৰৱে
বুঢ়ালুইত তুমি
বুঢ়ালুইত বোৱা কিয়?"

সামাজিক বৈষম্য, অন্যায়-অবিচাৰৰ লেলিহান শিখাত দগ্ধ হোৱা নৈতিকতাবিহীন স্খলিত মানৱতাৰ পতনমুখী যাত্ৰাৰ নিৰ্লিপ্ততাত তেওঁ শংকিত হৈ পৰিছিল। সেয়েহে কুৰুক্ষেত্ৰৰ যুদ্ধত শৰশয্যাত মহাবীৰ ভীষ্ম পিতামহৰ উত্তৰসূৰীক অন্যায়, অধৰ্মৰ কালগ্ৰাসিকাৰ পৰা মুক্ত কৰি তেওঁলোকৰ মাজত বীৰত্ব জগাই তুলিবলৈ তেওঁ উদাত্ত কণ্ঠে বুঢ়ালুইতক আহ্বায়িত কৰিছিল, যাৰ তেজস্বিতাই সমাজক পুনৰ উন্নতিৰ দিশত ধাৱমান কৰাবলৈ সক্ষম হয়। নিশ্চিতভাৱে এই গীতটিৰ যোগেদি তেখেতৰ মানৱতাবাদী আৰু সমাজ সচেতক অন্তৰখনিৰ পূৰ্ণ প্ৰতিফলন ঘটিছে।

ড° ভূপেন হাজৰিকাৰ গীতসমূহত স্বদেশপ্ৰেম, বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি, মানুহৰ জীৱন সংগ্ৰাম, জনগোষ্ঠীয় একতা, প্ৰকৃতিপ্ৰেম, ইতিহাস, ৰাজনীতি, বিজ্ঞান সমন্বিতে সামাজিক দায়বদ্ধতা, নৈতিকতা আৰু মূল্যবোধো অনুপলে অনুৰণিত হৈ আছে। চহা অসমীয়া সমাজখনৰ পৰা আৰম্ভ কৰি জাতি, ভাষা, ধৰ্ম, বৰ্ণ, পুৰুষ, নাৰী নিৰ্বিশেষে আবাল বৃদ্ধ বণিতালৈকে আধ্যাত্মিক ৰুচিবোধতকৈ স্বজাতিৰ প্ৰতি, স্ব-অধিকাৰৰ প্ৰতি অথবা মানৱতাৰ মুক্তিৰ প্ৰতি নিজৰ দৃষ্টিভংগী পৰিৱৰ্তন কৰিবলৈ আৰম্ভ কৰিছিল। কলা সাধনাক কেৱল মাথোঁ মনোৰঞ্জনৰ আহিলা বা পেছাদাৰী বৃত্তিৰ পৰিৱৰ্তে সমাজ গঢ়াৰ সঞ্জীৱনীৰূপে গ্ৰহণ কৰি গীতৰ মাজেদিয়েই তেওঁ কৈ গৈছিল—

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।
সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম।
নৰকঙ্কালৰ অস্ত্ৰ সাজি
শোষণকাৰীক বধিম।

সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম।"

তথাকথিত সমাজখনক শুদ্ধ পথত আনি ন-ৰূপত সজাই তুলিবলৈ ড° ভূপেন হাজৰিকাদেৱে হত্যা বা হিংসাৰ মাজতো অতি সাহসী আৰু সাৱলীল ৰূপত মানৱতাক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। শোষিত, নিষ্পেষিত, নিৰ্যাতিত লোকসকলৰ প্ৰাপ্য আৰু ন্যায়ৰ হকে অপ্ৰতিৰোধ্য কণ্ঠেৰে আগবাঢ়ি অহা হাজৰিকাদেৱ আছিল এক কথাত "The Voice of the Voiceless"। তেখেতৰ গীতে জাতি, ধৰ্ম, বয়স, সময়, স্থান-কালৰ প্ৰাচীৰ নেওচি এক সাৰ্বজনীন জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থ হৈছিল। সেয়েহে তেওঁক 'গণশিল্পী' বুলিও কোৱা হয়। আভিজাত্যৰ মায়াত বন্দী হৈ দিনান্ধৰ নিচিনাকৈ স্বাচ্ছন্দ্যৰ মৰীচিকা খেদি ফুৰা লোকসকলৰ প্ৰাসাদোপম অট্টালিকাৰ ছাঁত বৈ জিৰোৱা দৰিদ্ৰ লোকসকলৰ জীৱনৰ জীয়া দুৰ্দশা আৰু সংগ্ৰামক জীৱন্ত কৰি তেওঁ গাইছিল—

"মই দেখিছোঁ অনেক গগনচুম্বী অট্টালিকাৰ শাৰী
তাৰ ছাঁতেই দেখিছোঁ কতনা গৃহহীন নৰ-নাৰী।"

এই একেটা গানতেই সাৰ্বজনীনতাৰ মতবাদৰ যোগেদি তেওঁ সমন্বয়ৰো অপূৰ্ব নিদৰ্শন সুৰেৰে ব্যক্ত কৰি গাইছে—

"মই লুইতৰ পৰা মিছিছিপি হৈ ভল্গাৰ ৰূপ চালোঁ,
অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ পেৰিছ সাৱটি ল'লোঁ,
মই ইলোৰাৰ পৰা পুৰণি ৰহণ চিকাগোলে কঢ়িয়ালোঁ,
মাৰ্ক টোৱেইনৰ সমাধিত বহি গৰ্কীৰ কথা ক'লোঁ
বাৰে বাৰে দেখোঁ বাটৰ মানুহো আপোন হৈছে বৰ।
সেয়ে মই যাযাবৰ
মই এটি যাযাবৰ।
ধৰাৰ দিহিঙে-দিপাঙে লৱৰোঁ,
নিবিচাৰি নিজা ঘৰ।"

যিসময়ত অসমীয়া গীতি-সাহিত্যৰ জগতলৈ আধুনিকতাৰ বতাহজাক বলিবলৈ আৰম্ভ কৰিছিল, ঠিক সেই সময়তে অসমৰ লোকগীত, ভাৰতীয় শাস্ত্ৰীয় সংগীত আদিৰ সৈতে কিছু পৰিমাণে পশ্চিমীয়া সুৰৰ সমন্বয় ঘটাই ড° ভূপেন হাজৰিকাদেৱে মানৱতাৰ জয়গান গোৱাৰ অমোঘ ধাৰা এটি সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। লুইতপৰীয়া সভ্যতাৰ পৰা আদি কৰি ভল্গা, মিছিছিপিৰ পাৰলৈ সভ্য মানৱতাৰ অন্বেষণ কৰি পাশ্চাত্য সংস্কৃতিৰ দৰবাৰত সগৌৰৱেৰে প্ৰতিষ্ঠা কৰিছিল তেওঁ গৰিমাময়ী ভাৰতভূমিৰ সুউজ্জ্বল ঐতিহাসিক স্বাক্ষৰ; অজন্তা, ইলোৰাৰ নান্দনিক তথা অদ্বিতীয় দৃশ্যপট। সমগ্ৰ মানৱ সন্তাক একতাৰ এনাজৰীৰে বান্ধি সভ্যতাৰ উচ্চ শিখৰলৈ আৰোহণ কৰাৰ উদ্দেশ্যে তেওঁ দেশে-বিদেশে যাযাবৰ হৈ ঘূৰি ফুৰিছিল, সাৰথি আছিল মাথোঁ মানৱতাবাদী কণ্ঠ। গোটেই পৃথিৱীখনকেই তেওঁৰ ঘৰ আৰু পৰিয়াল হিচাপে আলিংগন কৰি তেওঁ গাইছিল—

"আমি একেখন নাৱৰে যাত্ৰী
সহযাত্ৰী
একেখন নাৱৰে যাত্ৰী।"

অফুৰন্ত সাহসী আৰু কৰ্মোদ্যমী যুৱপ্ৰজন্মৰ মাজত গানৰ সুৰেৰেই ড° ভূপেন হাজৰিকাদেৱে মহাবীৰ লাচিতৰ তেজ জাগ্ৰত কৰি তুলিছিল। উঠি অহা যুৱচামক অসমী আইৰ সুৰক্ষাৰ অতন্ত্ৰ প্ৰহৰীৰূপে গঢ়ি তুলিবলৈ তেওঁ গাইছিল—

"আহ আহ ওলাই আহ সজাগ জনতা,
আহ আহ ওলাই আহ পোহৰ আনো আহ,
ৰামৰে দেশতে থকা ৰাৱণ বধোতে
যায় যদি যায় জীৱনটো যাওক।"

একেদৰে যুৱপ্ৰজন্মৰ বৈজ্ঞানিক মানসিকতাসমৃদ্ধ দৃষ্টিভংগী আৰু অভ্ৰভেদী বাঞ্ছাবোৰক অনুপ্ৰাণিত কৰিবলৈ তেওঁ আকৌ গাই গৈছে—

"জিলিকাব লুইতৰে পাৰ
এন্ধাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ,
শত শত বন্তিৰে জ্ঞানৰ দিপালীয়ে
জিলিকাব লুইতৰে পাৰ।"

শিক্ষাই হৈছে সুশৃংখলিত আৰু সংগঠিত সমাজ জীৱনৰ মূল ভেটি। মহা-মহা মনীষীসকলৰ দীপ্তকণ্ঠ নিঃসৃত মধুময় সোণৰ সঁফুৰাৰ পৰা অমৃত সুধা পান কৰি যিসকলে প্ৰজ্ঞাৰ শলিতাৰে সমাজক অগ্ৰগতিৰ দিক্‌দৰ্শন কৰি নৱ-ভৱিষ্যতৰ সন্ধান দিবলৈ সক্ষম হৈছে, তেওঁলোকক সুৰৰ অঞ্জলিৰেই কৃতজ্ঞতা জ্ঞাপন কৰি সুধাকণ্ঠই পুনৰ মানৱতাৰ জয়ধ্বনি কৰিছে। শিক্ষাৰ প্ৰতি থকা গভীৰ আস্থা প্ৰকাশ কৰি শাব্দিক নৈপুণ্যতাৰে শৈক্ষিক যাত্ৰাৰ সোণসেৰীয়া আভা বিয়পোৱা তেখেতৰ এই গীতটিক উত্তৰ-পূব ভাৰতৰ প্ৰাচীনতম বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়ে 'বিশ্ববিদ্যালয় সংগীত' হিচাপে গ্ৰহণ কৰিছে।

অসমৰ চহকী লোক-ঐতিহ্যৰ প্ৰতি থকা তেখেতৰ কলাত্মক মনোনিৱেশৰ ফলস্বৰূপে সংগীতৰ জগতত অসাধাৰণ অৱদানৰ সৃষ্টি হৈছে। গ্ৰাম্যাঞ্চলৰ চহা জীৱন ধাৰণৰ নিভাঁজ দৃশ্যপটেই হৈছে অসমীয়া সমাজৰ মেৰুদণ্ড। তেজক পানী কৰি কপালৰ ঘাম মাটিত পেলাই খেতিয়কসকলে বছৰজুৰি পথাৰত লখিমী আদৰাৰ প্ৰস্তুতি কৰে। তেওঁলোকৰ এই হাড়ভগা পৰিশ্ৰমৰ অন্ততো আৰ্থিক দৈনতাৰ কৰালগ্ৰাসত জৰ্জৰিত হৈ জীয়াতু ভুগি থাকিবলগীয়া হোৱা ছবিখনক বাস্তৱায়িত কৰি সংগীতসূৰ্যই গাইছে—

"শীতৰে সেমেকা ৰাতি
সেমেকা শীতৰেই ৰাতি

বস্ত্ৰবিহীন কোনো খেতিয়কৰ
ভাগি পৰা পঁজাটিৰ তুঁহ জুই একুৰাত
উমি উমি জ্বলি থকা
ৰক্তিম যেন এটি উত্তাপ হওঁ।"

আজীৱন অসমী আইৰ শ্ৰীচৰণত নিজকে সমৰ্পিত কৰি আই অসমীৰ গুণানুকীৰ্তন কৰা পূজাৰীজনাই সুৰেৰেই আইমাতৃৰ থাপনা থাপি গাইছিল—

"অসম আমাৰ ৰূপহী গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।"

ঊষাৰ প্ৰথম কিৰণৰ সুকোমল পৰশত প্ৰাণ পাই উঠা অসমমাতৃ বাৰেৰহণীয়া কৃষ্টিৰ সমন্বয় ক্ষেত্ৰ। পাহাৰ-ভৈয়ামৰ নানা জাতি-জনগোষ্ঠী আৰু তেওঁলোকৰ পৰম্পৰাসমূহে অসমভূমিত সৃষ্টি কৰিছে অনৈক্যৰ মাজত ঐক্যৰ শ্ৰেষ্ঠ নিদৰ্শন। এই সমন্বয়কে হাজৰিকাদেৱে সুৰৰ ঝংকাৰত ধ্বনিত কৰি বিশ্ববাসীৰ সন্মুখত অসমীয়া জাতিৰ গৌৰৱোজ্জ্বল পৰিচয় দাঙি ধৰিছে। নৱ-নৱ ঋতুৰ আগমনত ন-ন ৰূপ-লাৱণ্যৰে বিভূষিতা প্ৰকৃতিৰ বৰ জীয়ৰী অসমী আইৰ ৰূপৰ অনিন্দ্য জেউতিত মন্ত্ৰমুগ্ধ হৈ একেটি গীততে তেওঁ আকৌ গাইছে—

"ব'হাগতে আমাৰে আই মহুৰা হৈ ঘূৰে
মাঘত সোণৰ হাতেৰে লখিমী আদৰে
শৰৎ নিশাই তৰাৰে সজাই আইৰে কেশ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।"

শিশুৰ পৰা আবাল বৃদ্ধ বনিতালৈ প্ৰতিজন অসমীয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱাহিত হৈ থকা বাপতিসাহোন বিহু আৰু ব'হাগ মাহৰ আৱেগ তথা মননশীলতাক তেওঁ গীতেৰে প্ৰকাশ কৰি গাইছিল—

"ব'হাগ মাথোঁ এটি ঋতু নহয়
নহ ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুসৰেখা
গণ জীৱনৰ ই সাহ।"

প্ৰাচ্যৰ পৰা পাশ্চাত্যলৈ, এছিয়া মহাদেশৰ সীমনা অতিক্ৰমি স্বদম্ভে একনায়কত্বভাৱে অসমৰ পৰিচয় দাঙি ধৰা চাহখেতি অসমীয়া কৃষ্টিৰ অন্য এক অবিচ্ছেদ্য আৰু অপৰিহাৰ্য অংগ। চাহ জনগোষ্ঠীৰ লোকসকলৰ উৎসৱ-পাৰ্বণ, দৈনন্দিন জীৱনধাৰা গীতৰ কলিৰ যোগেদি অতি নিভাঁজ ৰূপত তেওঁ এনেদৰে গাইছে—

"অসম দেশৰ বাগিচাৰে ছোৱালী
ঝুমুৰ-টুমুৰ নাচি কৰোঁ ধেমালি
হে চম্পা নহয় মোৰে নাম চামেলি।"

ঐতিহ্যমণ্ডিত গোৱালপৰীয়া সমাজ জীৱনৰ পটভূমি আৰু চঞ্চলমনা ডেকা তেজৰ সংমিশ্ৰণত সপ্তসুৰৰ বুলনিৰে হাজৰিকাদেৱে সৃষ্টি কৰিছে—

"গৌৰীপুৰীয়া গাভৰু দেখিলোঁ
হাতী ধৰিবলৈ গৈ,
হাতীও ধৰিলোঁ তাইকো মুহিলোঁ
সাঁতুৰি গদাধৰ নৈ হে।"

অসমমাতৃৰ বুকুত জন্মলভা বীৰ পুৰুষসকলৰ কৰ্ম আৰু আদৰ্শৰাজি অনাগত প্ৰজন্মসমূহক পৰিচয় কৰাই দিবৰ বাবে গানৰ মাজেৰেই তেওঁ গভীৰভাৱে প্ৰকাশ কৰি গৈছিল। মহান লোকসকলৰ অৱৰ্তমানত নৱপ্ৰজন্মই বিবেকহীনভাৱে যাতে অন্ধকাৰ পথলৈ গতি নকৰে, তাৰ বাবে সকীয়াই দি সুধাকণ্ঠই গাইছিল—

"প্ৰতি অসমীয়াই কি কৰা উচিত
উপদেশ দিবলৈ নাই লাচিত
'ডাঙৰ নহয় দেশতকৈও মোৰ
দুৰ্বলচেতীয়া মোমাইবোৰ'
বোলা হেংদানধাৰী লাচিত নাথাকিলেও
আগুৱাই যাবই লাগিব
অ' নহ'লে অসমীয়াই অসমৰ মাটিতে
নিজেই ভগনীয়া হ'ব।"

অসমী আই বুলি ক'লেই দুচকুত ভাহি উঠে বিশাল বৰলুইতৰ চিৰপ্ৰৱাহিত নীলাভ জলৰাশি আৰু দুয়োপাৰে আবৃত হৈ থকা ৰূপোৱালী বালিচন্দাৰ কিংকিনী পৰিহিত পাহাৰ-ভৈয়ামৰ শ্যামলীমা আভৰণৰ কপাহী আঁচল। সমগ্ৰ অসমবাসীৰ সুখ-দুখ, হাঁহি-কান্দোনৰ প্ৰতিটো ক্ষণৰ আজন্ম সাক্ষী মহাবাহু ব্ৰহ্মপুত্ৰ— যাৰ অবিহনে অসম আৰু অসমীয়াৰ অস্তিত্ব অমূলক। সেয়েহে ড° ভূপেন হাজৰিকাদেৱৰ প্ৰায়বোৰ গীততেই ব্ৰহ্মপুত্ৰৰ উল্লেখ আছে। মহামিলনৰ তীৰ্থ এই বুঢ়ালুইতৰ দুয়োপাৰে গঢ়ি উঠা সভ্যতাৰ ঐতিহ্য আৰু সমন্বয়ৰ শ্ৰেষ্ঠ নিদৰ্শন তেখেতে গীতৰ কলিয়েদি অতি সাৱলীলভাৱে প্ৰকাশ কৰি গাইছে—

"সুদূৰ কান্যকুব্জৰে পৰা বাৰভূঞা আহিছিলে
সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে।
মৰুৰ দেশৰে আজান ফকীৰে
মধুৰ জিকিৰ ৰচিলে
দিল্লীৰ দিলোৱাৰে আহি হস্তী-পুথি আঁকিলে
পঞ্চনদীৰ টেগ বাহাদুৰে ধৰমৰ সেঁতু গঢ়িলে
সমন্বয়ৰ দেখুৱালে কত প্ৰকাশ স্বতঃস্ফূৰ্ত্ত।
মহাবাহু ব্ৰহ্মপুত্ৰ।"

তদ্ৰুপভাৱে, ড° হাজৰিকাদেৱৰ অন্যান্য গীতসমূহো পুংখানুপুংখভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে তেখেতৰ প্ৰায়বোৰ গীতৰেই মুখ্য বিষয়বস্তু হৈছে মানৱতাবাদী কণ্ঠ আৰু ঐতিহ্যৰ ৰোমন্থন। তেওঁৰ আৱেগমিশ্ৰিত সুৰীয়া কণ্ঠ, ত্ৰুটিহীন কাব্যিক

ৰচনা আৰু সাৱলীল প্ৰকাশভংগীয়ে প্ৰতিটো চিন্তা আৰু দৃশ্যপট অতি বাঙ্ময়তাৰে প্ৰকাশিত কৰি তোলে। তেখেতে প্ৰতিটো গীতৰ যোগেদিয়েই মানুহৰ ভাতৃত্ববোধৰ কথা কৈ গৈছে, ইয়েই সংস্কৃতিৰ সীমাৰেখা অতিক্ৰমি পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ অহৰহ কঢ়িয়াই ফুৰে এক মানৱতাবাদী বাৰ্তা। হাজৰিকাদেৱৰ প্ৰায়সংখ্যক গীতে সৰ্বসাধাৰণৰ হৃদয়ৰ কাননত সহযোগিতাপূৰ্ণ মনোভাৱ জাগ্ৰত কৰি বিদ্বেষমুক্ত সমাজ এখনৰ পথ প্ৰশস্ত কৰি তোলে। এই কালজয়ী গীতসমূহে মানৱ হৃদয়ৰ নিভৃত কোণত হেন্দোলনি তুলি সমাজক লৈ যায় এক আশাপূৰ্ণ, সুসংহত ভৱিষ্যতৰ নৱতম দিশলৈ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আদিৰ নিচিনা মহান কাণ্ডাৰীসকলৰ পাছত ড° ভূপেন হাজৰিকাই আছিল এনে এজন ব্যক্তি, যাৰ সুৰৰ মূৰ্চ্ছনাই কাল অমানিশাক নস্যাৎ কৰি স্নিগ্ধ, কোমল পৰশেৰে নৱ প্ৰভাতৰ সূচনা কৰিবলৈ সমৰ্থ হৈছিল। সাম্প্ৰতিক সময়ৰ এই অসূয়া-অপ্ৰীতিৰ পৃথিৱীখনত তেওঁৰ গীতসমূহ অতি প্ৰাসংগিক হৈ পৰিছে। এই কালজয়ী গীতসমূহৰ যোগেদি তেওঁ অসমীয়া জাতিক যি অমৃততুল্য উপদেশ, আদৰ্শ, কৃষ্টি আৰু সংস্কাৰ প্ৰদান কৰি গৈছে, তাৰ বাবে প্ৰতিজন অসমীয়াই তেওঁৰ চৰণত আজীৱন ঋণী হৈ থাকিব। তেওঁৰ আদৰ্শ আৰু জ্যোতিৰে উদ্ভাসিত হৈ অসমীয়া জাতি আগবাঢ়ি যাব এক নতুন ভৱিষ্যতৰ দিশে। অকুণ্ঠ দেশপ্ৰেমত সৰ্বস্ব উজাৰি দিও সুধাকণ্ঠই তেওঁৰ কৰ্তব্যত কিবা ত্ৰুটি ৰৈ যোৱা বুলি ভাবি গধুৰ অন্তৰেৰে সকাতৰে গাইছিল—

"বুকু হম্ হম্ কৰে— মোৰ আই
কোনে নিদ্ৰা হৰে— মোৰ আই
পুত্ৰ হৈ মই কিমতে তৰোঁ?
আই তোৰে হৈ মই মৰোঁ।"

জীৱনযাত্ৰাৰ অন্তিম ক্ষণলৈ প্ৰিয়জনৰ প্ৰয়োজনীয়তা সুঁৱৰি তেওঁ গাইছিল—

"মই যেতিয়া এই জীৱনৰ
মায়া এৰি গুচি যাম
আশাকৰোঁ মোৰ চিতাৰ কাষত
তোমাৰ সঁহাৰি পাম।
নেলাগে মোক সোঁৱৰণী সভা
নেলাগে মিছা নাম,
তোমাৰ এটুপি চকুলো পালেই
মই পাম মোৰ দাম।"

নিঃসন্দেহে প্ৰতিটো গানৰ মাজেৰে মানৱতাবাদী দৃষ্টিভংগী প্ৰতিফলিত কৰি সুৰৰ পূজাৰী ড° ভূপেন হাজৰিকাদেৱে জীৱনৰ অন্তিম মুহূৰ্তলৈ মানুহৰ বাবেই গান গায় এই জীৱনৰ মায়া এৰি গ'ল, গোটেই সমাজখনৰ বাবে গান গায় গ'ল, গোটেই অসমীয়া জাতিটোৰ বাবে গান গায় অসমী আইৰ বুকু শুদা কৰি কাহানিও উভতিব নোৱাৰা বাটেৰে অচিন দেশলৈ নাও মেলি গ'ল। বৰলুইতৰ পাৰত সংস্কৃতিৰ কাৰেংঘৰ সাজি অসমমাতৃ আৰু অসমীয়া জাতিক মেটমৰাকৈ চহকী কৰি তোলা এইজনা মহামানৱৰ মহাপ্ৰস্থানত অসমীয়া সমাজ জীৱনত সৃষ্টি হোৱা অপূৰণীয় শূন্যতা প্ৰতিজন অসমীয়াই হাড়ে-হিমজুৰে অনুভৱ কৰিছে আৰু চিৰদিন কৰিব।

*আজীৱন মানৱতাবাদী কণ্ঠেৰে নৱ প্ৰভাতৰ সূচনা কৰা, দেশে-বিদেশে সুৰৰ ঝংকাৰ তুলি ভাতৃত্ববোধৰ অনিৰ্বাণ জ্যোতি বিয়পোৱা জ্যোতিষ্মান নক্ষত্ৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱ কেৱল অসমী আইৰেই নহয়, বিশ্বৰ দৰবাৰত সুপ্ৰতিষ্ঠিত হোৱা অপৰূপা ভাৰতমাতৃৰ বাবে এক গৌৰৱোজ্জ্বল সত্তা, যাৰ উত্তাপ-জ্যোতিয়ে অন্তৰীণ মানৱ-মগজুক উদ্ভাসিত কৰি প্ৰদান কৰে অন্তহীন প্ৰেৰণাৰ উৎস।*

# নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত প্ৰকৃতি চিত্ৰণ



মনিষা বেগম
প্ৰাক্তন ছাত্ৰী

অসমীয়া কাব্য সাহিত্যত এক সুকীয়া ধাৰাৰে কবিতা লিখি আত্মপ্ৰতিষ্ঠা লাভ কৰাসকলৰ ভিতৰত নিৰ্মলপ্ৰভা বৰদলৈ অন্যতম। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত ৰূঢ় বাস্তৱৰ সুগভীৰ প্ৰতিচ্ছবি আছে যদিও এইগৰাকী কবিৰ কবিতাত প্ৰকৃতি প্ৰেমৰ সুকোমল গভীৰ আৱেশ আৰু নষ্টালজিক মনোভাব বিশেষভাৱে অনুভূত। বাস্তৱৰ দ্বন্দ্ব-পীড়া অনুভূত হোৱা বৰদলৈয়ে সমান্তৰালভাৱে অনুভৱ কৰিছে প্ৰকৃতিৰ মৃদু মধুৰ স্পৰ্শ। তেওঁ স্বকীয় আদৰ্শ আৰু দৃষ্টিভংগীৰে সমাজ জীৱন আৰু ব্যক্তি জীৱনৰ ৰূপবোৰৰ বৰ্ণনা তেওঁৰ কবিতাবোৰত প্ৰকৃতিৰ নিবিড়তাৰে সম্পৃক্ত কৰি তুলিছে। প্ৰাকৃতিক দৃশ্য, ঋতুৰ বিচিত্ৰ বৰ্ণনা তেওঁৰ কবিতাবোৰত ফুটি উঠিছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰকৃতি বিষয়ক কবিতাবোৰৰ অধিকাংশই হৈছে চিত্ৰৰ মালা। সেই চিত্ৰবোৰ মিলি সামগ্ৰিকভাৱে এক আবেদনৰ সৃষ্টি কৰিছে। কবি যে বিশ্ব প্ৰকৃতিৰ সৌন্দৰ্যৰ প্ৰতি আকৃষ্ট তাৰেই উজ্জ্বল নিদৰ্শন— 'মৰ্মান্তিক', 'বৰ্ষা শেষৰ গান', 'হৰিণাটো', 'কৰুণতম', 'বিহু', 'মাঘ' ইত্যাদি কবিতাবোৰ। কবিৰ প্ৰকৃতি বিষয়ক কবিতাবোৰৰ মাজেৰেই প্ৰকৃতি দেৱীয়ে সাৰ্থকতা লাভ কৰিছে বহিঃপ্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰাতে কবি সীমাৱদ্ধ থকা নাই, বৰং তেওঁ অন্তৰ্দৃষ্টিৰে সন্ধান কৰিছে সৰ্বৰূপত অমৃতময় সৌন্দৰ্য।

কবি নিৰ্মলপ্ৰভা বৰদলৈৰ 'মৰ্মান্তিক' কবিতাটি এটি চেতনালব্ধ অনুভূতিশীল কবিতা। প্ৰকৃতিৰ দৃশ্যশোভাত সত্য বস্তুকেই দেখা পোৱা যায়। কবিয়ে কবিতাটিৰ দ্বাৰা মনৰ দুখ-বেদনা আৰু হতাশাৰ ছবি অংকন কৰিছে। কবিয়ে প্ৰথম স্তৱকত লিখিছে—

"তেওঁক মই যোৱাগৈ দেখিছিলোঁ
বেলি লহিওৱাৰ পৰত
পথাৰ বকিয়াইদি।"

গাঁৱলীয়া জীৱনৰ পটভূমিত আৰু কৃষি জীৱনক আধাৰ কৰি ৰচনা কৰা এই কবিতাটিত বিদায় বেদনাবোধৰ এখন হৃদয়

বিদাৰক ছবি অংকিত হৈছে। আঘোণৰ সোণালী পথাৰ, ধান কটা কৃষকজন, মেটমৰা ডাঙৰি হৈছে কৃষকসমাজৰ এক উজ্জ্বল চিত্ৰ। কবিতাটিত লিখিছে—

"তেওঁৰ পিছে পিছে গ'লগৈ
আঘোণৰ সোণবৰণীয়া ৰ'দ।
খেৰৰ চুবুৰীটো বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক"

কবিয়ে আঘোণৰ পথাৰখনৰ লগত জড়িত গাঁৱলীয়া খেতিয়কসকলৰ আৱেগৰ কথা বৰ্ণিত কৰিছে। সময়ৰ সোঁতত, আধুনিকতাৰ গ্ৰাসত বাস্তৱ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনেৰে ভৰা দিনবোৰ সলনি হ'ল। সেয়ে আমাৰ কবিয়ে কৈছে— 'গৈ আছিল আৰু গ'লগৈ'। কবি সন্দিহান হৈ পৰিছে, সেই দিনবোৰ আকৌ ঘূৰি আহিবনে নাহে।

'বৰ্ষা শেষৰ গান' কবি নিৰ্মলপ্ৰভা বৰদলৈৰ এটি মননশীল কবিতা। কবিতাটিত প্ৰকৃতি আৰু মানুহৰ ওতঃপ্ৰোত সম্বন্ধৰ কথা কৈছে। মানৱ জীৱনত প্ৰকৃতিৰ প্ৰভাৱ আৰু গতিশীলতাৰ চক্ৰ ইয়াত আৱৰ্তিত হৈছে। বৰ্ষা ঋতু বীজ অংকুৰণৰ ঋতু, গতিশীলতাৰ ঋতু। বৰ্ষা বৰষুণে ধৰণী জীপাল কৰে আৰু তাত ছটিওৱা বীজে পোখা মেলে। কবিতাটিত প্ৰকৃতিৰ বৰ্ণনাৰ লগতে গৰ্ভৱতী পৃথিৱীৰ ভৰুণ দেহৰ সাৱলীল বৰ্ণনা কৰিছে। কবিৰ মনত অনুভূত হোৱা সৌন্দৰ্য নিৰ্যাস প্ৰকাশ কৰি কৈছে—

"নাঙলত ধৰি ধৰি খেতি কৰি কৰি
ৰাজহাড় বেঁকা হোৱা খেতিয়কজন যেন
কুঁজা আৰু শেঁতামুখী ক্ষীণ জোনটোৱে
নীলা দূৰ পথাৰৰ পৰা
ভাগৰুৱা চকুহাল মেলি
সমুখত দেখিলে এজনী
নতুন বোৱাৰী ঃ ধুনীয়া ভৰুণ ঃ"

বৰ্ষাৰ পিছত সেউজীয়া হৈ পৰা পথাৰখন দেখাৰ পিছত কবিৰ মনত অনুভূত হৈছে সৌন্দৰ্যৰ নিৰ্যাস। কবিয়ে কুঁজা জোনটোক হাল বাই পৰিশ্ৰম কৰা কুঁজা খেতিয়কজনৰ সৈতে তুলনা কৰিছে। বোৱাৰীজনীক প্ৰতীক হিচাপে লৈ কবিয়ে সেউজীয়া পথাৰখনৰ কথাকে ব্যক্ত কৰিছে। সেউজীয়া পথাৰ, স্নিগ্ধ জোনাক, কাঁচিজোনৰ সৌন্দৰ্য আৰু প্ৰশান্তিৰ আধাৰ। যোৰ লোৱা শস্যৰ বৰ্ণনা কবিয়ে এইদৰে দাঙি ধৰিছে—

"দুচকুত মাতৃত্বৰ লাজ লাজ
অদূৰ সপোন।"

কৃষকৰ মনত ন-সোপানে পোখা মেলিছে। শস্যবোৰত গুটি ধৰা দেখি কৃষকে বাৰিষাৰ অমৰ ভাগৰ পাহৰিছে। নিৰাশা আৰু হতাশাৰ আঁৰে আঁৰে আশাৰ ৰেঙণি দেখিছে। আহিন মাহটোৱে দুখৰ দিনবোৰ আঁতৰাই প্ৰাপ্তিৰ আনন্দ দিছে আৰু মনাকাশ পোহৰাবৃত কৰি তুলিছে। প্ৰকৃতিৰ সজীৱ চিত্ৰ এখন দাঙি ধৰিবলৈ গৈ কবিয়ে পথাৰ, জোন, কুঁৱলী, আকাশ, কঁহুৱা আদিক ৰমণীয় কৰি তুলিছে। পোনপটীয়াকৈ নকৈ কবিয়ে কবিতাটি প্ৰতীকৰ ব্যৱহাৰ কৰিছে। কবিতাটিত কবিৰ সৌন্দৰ্য চেতনা প্ৰকাশ পাইছে। মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্বন্ধৰ এক সুন্দৰ বৰ্ণনা 'বৰ্ষা শেষৰ গান' কবিতাটিত প্ৰকাশ পাইছে।

প্ৰাণৰ বিষণ্ণতা, অন্তঃসাৰশূন্যতা, আধুনিক জীৱনৰ প্ৰতি অৱহেলা, বিষাদ, দেশৰ মাটিৰ প্ৰতি মমতা আদি বিবিধ বিষয়ক গীত প্ৰকৃতিৰ মনোৰম সৌন্দৰ্যৰ পৰাই কবিয়ে আহৰণ কৰিছে। প্ৰতিটো ঋতুৰ প্ৰতিও তেখেতৰ মিতিৰালিৰ দৃষ্টিভংগী সুকীয়া। হেমন্তৰ জুৰিত নিজকে একান্তমনে জুমি চোৱা 'হৰিণটো'ৰ দৃষ্টিভংগীৰ পৰাই এই কথাৰ অনুমান কৰিব পাৰি। বাৰিষাৰ স্ৰোতস্বিনী নদীৰ প্ৰতিচ্ছবি তুলিবলৈ কবিয়ে লিখিছে—

"বাৰিষাৰ তলমল পানীত
মুখখন দেখোতে নেদেখাতেই
পানীবোৰ নাচি নাচি যায়গৈ।"

কবিতাটিত 'হৰিণ' কেতিয়াবা আশাৰ প্ৰতীক, সৌন্দৰ্যৰ প্ৰতীক কেতিয়াবা আত্মপ্ৰেমৰ প্ৰতীক। বাৰিষাৰ চিৰপ্ৰবাহিত নৈখননেহে পানীত মুখ চাব বিচৰা হৰিণাটোতকৈ প্ৰাধান্য লাভ কৰিছে। এই বিশাল পৃথিৱীখনত হৰিণটোৱে যেন নিজৰ অস্তিত্ব বিচাৰি নাপায় এক সংকীৰ্ণ পৰিৱেশলৈ যাত্ৰা কৰিছে।

এই বিশাল বিশ্বৰ মাজত নিজক বিচাৰি চাবৰ বাবে কোনডোখৰ ঠাই উপযুক্ত হ'ব অথবা কিদৰে নিজৰ সত্তা উপলব্ধি কৰিব পাৰিব, সেই কথা বিচাৰ-বিবেচনা কৰিব পৰা শক্তি যে আমাৰ থাকিব লাগিব সেই কথা কবিয়ে যেন আওপকীয়াকৈ ক'ব বিচাৰিছে—

"শুকাই অহা জুৰিটোৰ পানীত
নিজৰ মুখখন হৰিণাটোৱে এইবাৰ
ফটফটীয়াকৈ দেখিলে।"

হেমন্ত ঋতুৰ নিঃস্ব, ৰিক্ত চিত্ৰখন দেখি অভিব্যঞ্জনাৰে কবিতাটিত কৈছে—

"হৰিণাটোৱে একান্তভাৱে
হেমন্তৰ জুৰিত
নিজকে চালে।"

কবিতাটিত হৰিণাটো আমাৰ মনৰ মাজত কঢ়িয়াই লৈ ফুৰা অনন্ত তৃষ্ণাৰ প্ৰতীকহে। সেই তৃষ্ণা হ'ব পাৰে যৌৱন, প্ৰেম অথবা জীৱনৰ। কবিতাটিৰ মহত্ত্ব এইখিনিতে যে, ইয়াত নৈ কেৱল নৈ হৈ থকা নাই, জুৰি কেৱল জুৰি হৈ থকা নাই আৰু হৰিণ কেৱল হৰিণ হৈও থকা নাই। প্ৰত্যেকেই স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ পৰিছে। প্ৰকৃতিৰ পৰিৱৰ্তনশীলতা কবিৰ বাবে

**বৰ্ষাৰ পিছত সেউজীয়া হৈ পৰা পথাৰখন দেখাৰ পিছত কবিৰ মনত অনুভূত হৈছে সৌন্দৰ্যৰ নিৰ্যাস। কবিয়ে কুঁজা জোনটোক হাল বাই পৰিশ্ৰম কৰা কুঁজা খেতিয়কজনৰ সৈতে তুলনা কৰিছে। বোৱাৰীজনীক প্ৰতীক হিচাপে লৈ কবিয়ে সেউজীয়া পথাৰখনৰ কথাকে ব্যক্ত কৰিছে। সেউজীয়া পথাৰ, স্নিগ্ধ জোনাক, কাঁচিজোনৰ সৌন্দৰ্য আৰু প্ৰশান্তিৰ আধাৰ।**

কাব্য সৃষ্টিৰ একো একোটা উপকৰণহে, তাৰেই প্ৰতিচ্ছবি 'হৰিণাটো'ত দেখিবলৈ পোৱা যায়।

এফালে প্ৰকৃতিৰ সৌন্দৰ্যৰ ব্যাখ্যাহীনতা আৰু আনফালে স্পৰ্শাতীত ৰূপৰ উপলব্ধিৰ প্ৰকাশ 'কৰুণতম' নামৰ কবিতাটিত দেখিবলৈ পোৱা যায়। প্ৰকৃতি বিষয়ক কবিতাবোৰ কেৱল মাত্ৰ সৌন্দৰ্য বিষয়কেই নহয়, ই প্ৰকৃতিৰ এক বিনন্দীয়া ৰূপ। এনে কবিতাবোৰে চিন্তন আৰু মনন প্ৰকাশ ঘটায়। তাৰেই এক সুন্দৰ নিদৰ্শন 'কৰুণতম' কবিতাটো। কবিতাটিত লিখিছে—

"আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।"

ঐতিহ্য সচেতন কবিয়ে আহিনৰ পথাৰৰ পৰা অহা সেউজীয়া গোন্ধটোৱে পিতৃৰ স্মৃতি অনুভূত হোৱাৰ কথাকে কৈছে। বাৰিষা বান মাটি গচকি ন-সপোন সঞ্চাৰ কৰা কৃষকে আহিনৰ সঁজাল ধৰা দেখি কষ্ট পাহৰে। নদন-বদন সেউজীয়া ধাননিয়ে প্ৰকৃতিপ্ৰেমী কবিক পিতৃৰ পৰিশ্ৰমেৰে দিনবোৰৰ কথা মনত পেলাই দিছে। তেওঁ লিখিছে—

"দোকানৰ জাপ ভঙা
গামোচাৰ সুবাসত
মই হেৰা পাওঁ মোৰ আইক।"

প্ৰকৃতিৰ সৈতে মানুহৰ যি সুকুমাৰ সম্পৰ্ক তাৰেই এক প্ৰতিফলন ঘটিছে। এয়া প্ৰকৃতিৰ সুকুমাৰতাত ছন্দময় জীৱনৰ বিস্ময়ানুভৱ। গামোচাত ৰং-বিৰঙি সপোনৰ ফুল বাছি মাতৃয়ে শিল্প নিপুণতাৰ পৰিচয় দিছিল। কবিৰ পিতৃ-মাতৃয়ে এনেদৰে কৰ্ম-সাধনাৰে সময়ৰ বুকুত নিজৰ স্বাক্ষৰ খোদিত কৰিবলৈ সক্ষম হৈছিল। প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্কৰ নিবিড়তা, বাস্তৱবোধ কবিতাটিৰ ঘাই উপজীব্য।

কবিৰ দাৰ্শনিক প্ৰত্যয়েৰে প্ৰকৃতিৰ সত্যক নিখুঁতভাৱে উপস্থাপন কৰা 'বিহু' কবিতাটোৰ মাজেৰে প্ৰকৃতিৰ ৰং-ৰূপ, বৰ্ণ-বাক উপলব্ধি কৰিব পাৰি। কবিতাটিত কাব্যিক ভাৱনাক সজীৱ ৰূপত উপযুক্তভাৱে উপস্থাপন কৰিছে। তেওঁ লিখিছে—

"গাঁৱৰ গাভৰুবোৰে
কালিলৈকে বৈ আছিল
পেঁপাৰ মাতটো তাঁতত যি।"

এয়া লোকজীৱনৰ লগত প্ৰকৃতিৰ নিবিড়তাৰ সুন্দৰ প্ৰকাশ। বিহুৰ লগত নাচনীৰ যি সম্পৰ্ক সেয়া ঢোলৰ মাতে পেঁপাৰ মাতে তাঁতশালত শিপিনীৰ সপোন জিলিকে। কবিতাটো প্ৰিয় ঋতু ব'হাগৰ কথাকে মুখ্য কৰি লোৱা হৈছে। ঋতুকালীন সৌন্দৰ্যৰ নৈসৰ্গিক আৱহৰ স্পন্দন তেওঁৰ স্বকীয় ৰীতিৰে ফুটাই তুলিছে। তেওঁ লিখিছে—

"আজি সিহঁতৰ ভৰিত
নাচনী পথাৰবোৰে
ধূলিৰ জুনুকা আঁৰিছে।"

নাচনীৰ ভৰিৰ পাকত ব'হাগীৰ উচটনিত ধূলিও জুনুকা হৈ নাচনীক আঁৰিছে। ইয়াত কবিৰ আনন্দ বিলাসৰ সৈতে প্ৰকৃতিৰ নান্দনিকতা প্ৰকাশ পাইছে। এয়া ৰূপকলা নহয়, প্ৰাকৃতিক সৌন্দৰ্যৰ উপাচাৰহে।

কবি নিৰ্মলপ্ৰভা বৰদলৈয়ে মাঘৰ বতৰত মানুহৰ মনত অনুভূত হোৱা ৰূপকৃতি তুলি ধৰিছে 'মাঘ' নামৰ কবিতাটোৰ মাজেৰে। কবিতাটোত কবিয়ে নিজস্ব সৌন্দৰ্যৰ বৰ্ণনা দি কৈছে—

"নৰাৰ বুকুৰে বৈ গ'ল ৰি-ৰিয়নি
তেল ধৰা ম'হৰ দপ্‌দপনিত
শুন-নুশুন ৰংঘৰ।"

কবিয়ে মাঘৰ বিহুৰ বতৰত আনন্দতে উদ্বেলিত হৈ থকা মানুহৰ মনৰ অৱস্থিতি ব্যাখ্যা কৰিছে। মানুহৰ মনত ইন্দ্ৰিয়ানুভূতিৰ সানমিহলি হৈ একধৰণৰ শাৰীৰিক আৰু মনস্তাত্ত্বিক চিত্ৰকল্প মূৰ্ত আৰু সজীৱ ৰূপত প্ৰকাশ পাইছে।

সনাতন সভ্যতামুখী বৌদ্ধিক চিন্তাৰ দ্বাৰা অনুপ্ৰাণিত কবি বৰদলৈৰ কাব্যিক সংবেদনশীলতা অনন্য, অতুলনীয় য'ত প্ৰাকৃতিক পৰিৱেশৰ বাস্তৱ প্ৰতিচ্ছবি আছে, আছে প্ৰাকৃতিক সৌন্দৰ্যৰ উচ্ছাসৰ গোন্ধত। তেওঁৰ প্ৰায়বোৰ কবিতাত প্ৰকৃতিপ্ৰেম পৰিস্ফুট। পাৰ্থিৱ জগতৰ সৈতে মানুহৰ যি সম্পৰ্ক সেই সম্পৰ্ক কবিতাৰ ছন্দৰে অতি সুন্দৰ আৰু সাৱলীলভাৱে প্ৰকাশ কৰিছে। কবিৰ প্ৰায়বোৰ প্ৰাকৃতিক কবিতাৰ কাব্যিক সৌন্দৰ্য প্ৰতিজন মানুহৰ হৃদয়ে হৃদয়ে বিয়পি আছে, বিয়পি আছে প্ৰাণময় সুবাসৰ ৰং আৰু আনন্দৰ আৱেশ।

# ‘অৰুণোদয়’ যুগ আৰু অ-খ্ৰীষ্টীয়ান অসমীয়া লেখক

**ফাৰুকুদ্দিন আহমেদ**
স্নাতক ষষ্ঠ যাণ্মাসিক
অসমীয়া বিভাগ

অৰুণোদয় যুগটো অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে এটা উল্লেখনীয় সময়। সূৰ্যোদয়ৰ লেখিয়াকৈ ‘অৰুণোদয়’ কাকতখনে অসমীয়া সাহিত্য ক্ষেত্ৰখনত এক নতুন প্ৰভাতৰ সূচনা কৰিলে। পৃথিৱীৰ বৃহত্তৰ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয়ৰ অন্তৰ্গত উল্লেখযোগ্য শাখা ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত নব্যভাৰতীয় আৰ্যভাষাৰূপে অসমীয়া ভাষাটো সাম্প্ৰতিক সৰ্বভাৰতীয় প্ৰেক্ষাপটত স্বীকৃতিপ্ৰাপ্ত। চতুৰ্দশ শতিকাত হেম সৰস্বতীয়ে ৰচনা কৰা ‘প্ৰহ্লাদ চৰিত’কৈ অসমীয়া সাহিত্যৰ লিখিত নিদৰ্শন হিচাপে ধৰি অসমীয়া ভাষা-সাহিত্যই আজিৰ অৱস্থাত উপনীত হৈছেহি। ভাষা-সাহিত্যৰ বিৱৰ্তনৰ ওপৰত ভিত্তি কৰি ভাষাতাত্ত্বিকসকলে অসমীয়া ভাষাটোক কিছুমান যুগত ভাগ কৰিছে। ১৮২৬ চনত বৃটিছৰ শাসনাধীন হোৱাৰ পিছৰ পৰা অসমীয়া ভাষা-সাহিত্যৰ আধুনিক যুগ আৰম্ভ হোৱা বুলি কোৱা হয়। কিন্তু ১৮১৩ চনত আত্মাৰাম শৰ্মাৰ দ্বাৰা ৰচিত প্ৰথম অসমীয়া ছপাপুথি ‘ধৰ্মপুস্তক’(বাইবেলৰ অসমীয়া অনুবাদ) প্ৰকাশৰ পিছৰে পৰা আধুনিক অসমীয়া ভাষা-সাহিত্যৰ যুগৰ আৰম্ভ হৈছিল। ইয়াৰ পিছতে অসমীয়া সাহিত্যলৈ ভুমুকি মাৰিলে অৰুণোদয় কাকতে।

অৰুণোদই কাকতৰ জন্মলগ্নৰ দৃষ্টান্তলৈ চালে আমি দেখিম যে শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰাই ইং ১৮৪৬ চনত ‘অৰুণোদই’(অৰুণোদয়) মাহেকীয়া আলোচনীখনৰ শুভাৰম্ভ হয়। এইখনেই প্ৰথম অসমীয়া আলোচনী। ইয়াৰ সুবাদতে ১৮৪৬ চনৰ পৰা ১৮৮৮ চনলৈকে এই সময়চোৱাক অসমীয়া সাহিত্যত অৰুণোদয় যুগ হিচাপে অভিহিত কৰা হৈছে। ড° নাথান ব্ৰাউন আছিল অৰুণোদইৰ প্ৰথমজন সম্পাদক। ব্ৰাউনৰ উপৰিও এ. এইচ. ডেনফোৰ্থ(A.H. Denforth), এচ. এম্ হুইটিং(S.M Whitting), মাইলচ ব্ৰন্সন(Miles Bronson), ডব্লিউ ৱাৰ্ড(W. Ward), ৰেঃ ক্লাৰ্ক(Rey Klerk), গাৰ্নি(Gurney) আদিৰেও কাকতখনৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি ১৮৮০ খ্ৰীষ্টাব্দলৈকে ইয়াৰ প্ৰকাশৰ দিশত আগভাগ লয়। উল্লেখ্য যে, ১৮৪৬ চনৰ পৰা ১৮৬৭ চনলৈকে কাকতখন নিয়মিয়াকৈ প্ৰকাশ হোৱা নাছিল, এৰাধৰাকৈহে প্ৰকাশ হৈছিল। শেষৰ কেইবছৰ এ.কে. গাৰ্নিৰ সম্পাদনাত কাকতখন প্ৰকাশ হৈছিল। ১৮৫৬ চন পৰ্যন্ত অৰুণোদইত আলোচনী আৰু সংবাদপত্ৰ দুটা খণ্ডত প্ৰকাশ হৈছিল, কিন্তু ১৮৫৬ চনৰ পৰা সংবাদপত্ৰৰ অংশ উঠাই দিয়া হয়। দৰাচলতে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ দিশত হ’ব পৰা সুবিধাৰ ওপৰত লক্ষ্য ৰাখি বেপ্টিষ্ট মিছনেৰীসকলে এই কাকতখনৰ জৰিয়তে অসমত সাহিত্যচৰ্চাৰ পথ মুকলি কৰিছিল যদিও ‘অনেক দেশৰ সংবাদ’ প্ৰদান, বিভিন্ন দেশৰ ঐতিহাসিক ঘটনাৰ পৰিচয়, বাইবেলৰ কাহিনীৰ অনুবাদ, ধৰমৰ কথা, প্ৰকৃত অধ্যয়ন, নৈতিক শিক্ষা, হিন্দুস্থানৰ বিৱৰণ, পুৰণি অসম বুৰঞ্জী, অসমত সেই সময়ত ঘটা কিছুমান ঘটনা আৰু সামাজিক কথা, চুটি সাধু, জীৱনী, সাময়িক সংবাদ, ভূগোল বিষয়ক ৰচনা, বৈজ্ঞানিক

আৱিস্কাৰ, স্তুতিগীত, জনজাতি কিছুমানৰ বিৱৰণ, বৰ্ণনাত্মক কবিতা (বিশেষকৈ নিধিৰামৰ) আদি বিবিধ বিষয়ে ইয়াত ঠাই পাইছিল। এই কাকততে ছোৱা-ছোৱাকৈ 'দেওধাই অসম বুৰঞ্জী', 'পুৰণি অসম বুৰঞ্জী', আৰু 'কামৰূপৰ বুৰঞ্জী' প্ৰকাশ হয়। এই অৰুণোদয়কাকতখনে অসমীয়া আলোচনীৰ ইতিহাসত আলোচনী আৰু বাতৰি কাকত দুয়োটাৰ কাম কৰিছিল। দেশ-বিদেশৰ তথ্যপূৰ্ণ ভাঙনিৰ উপৰিও পুৰণি অসম বুৰঞ্জী আৰু জ্ঞানৰ পুথি ছোৱা ছোৱাকৈ ইয়াত প্ৰকাশ কৰিছিল। আলোচনীখনত ঠাই বিশেষে চিত্ৰ সংযোগৰ জৰিয়তে আকৰ্ষণীয় কৰি তোলা হৈছিল। ইয়াৰ উপৰি 'ৰাম নৱমী' নাট, 'Pilgrim's Progress' -ৰ অনুবাদ আদিয়ে আলোচনীখন আকৰ্ষণীয় কৰি তুলিছিল।

অৰুণোদয়কাকতে অসমীয়া ভাষা আৰু সাহিত্যক এক নতুন ৰূপত প্ৰতিষ্ঠা কৰিলে। আদালতত অসমীয়া ভাষাৰ হেৰুৱা মৰ্যাদা পুনৰুদ্ধাৰৰ যুঁজত শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লোকক নৱৰূপৰ অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত কলম ধৰিবলৈ প্ৰেৰণা যোগাই, অসমীয়া শব্দাৱলীত ইংৰাজী শব্দ সম্ভাৰ আৰু অসমীয়া বাক্যৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষা-সাহিত্যক অৰুণোদয়কাকতৰ মাজেৰে মিছনেৰীসকলে মৃতপ্ৰায় অৱস্থাৰ পৰা নৱজীৱন দিছিল।

অৰুণোদইৰ অৱদান সন্দৰ্ভত ড° সত্যেন্দ্ৰনাথ শৰ্মাই তেখেতৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত উল্লেখ কৰা মতে অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী বাতৰি-কাকতৰূপে সাহিত্যৰ ইতিহাসত বিশেষ স্থান আছে। সেয়া ক্ৰমেঃ-

(ক) এই কাকতে অসমীয়া সমাজক দেশ-বিদেশৰ জ্ঞানৰ ভাণ্ডাৰৰ সম্ভেদ দি বহল জগতৰ লগত পৰিচয় কৰি দিয়ে।

(খ) পাশ্চাত্য ভাৱধাৰাৰ বীজ সিঁচি আধুনিকতা প্ৰতিষ্ঠা কৰাত সহায় কৰে।

(গ) বঙলা ভাষাৰ প্ৰচলনৰ বিৰোধীতা কৰি ভাষাক ন্যায্য স্থান পোৱাত সহায় কৰে।

(ঘ) এই কাকতেই আনন্দৰাম ঢেকিয়াল ফুকন, নিধিৰাম ফাৰৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিক অসমীয়া সাহিত্যত দীক্ষিত কৰি উৎসাহ-উদ্দীপনা যোগায়।

(ঙ) অসমীয়া আলোচনী আৰু বাতৰি কাকত প্ৰৱৰ্তনৰ আদৰ্শ দাঙি বাতৰি কাকত ব্যৱসায় তথা সাংবাদিকতাৰ সূচনা কৰে। -'অৰুণোদই'ক অনুসৰণ কৰি 'আসাম বিলাসিনী'(১৮৭১-৮৩), 'আসাম মিহিৰ'(১৮৭২-৭৩), 'আসাম দৰ্পণ' (১৮৭৪-৭৫) আদি কাকত ওলাই অসমীয়া সাহিত্যৰ উন্নতি আৰু বিস্তাৰত ইন্ধন যোগায়। 'অৰুণোদই'য়ে বাট দেখুৱাই নিদিয়াহেঁতেন এই কাকতসমূহৰ সৃষ্টি ইমান সোনকালে নহ'লহেঁতেন।

অৰুণোদয় আলোচনীকেন্দ্ৰিক আধুনিক অসমীয়া ভাষাৰ প্ৰথম স্তৰৰ লেখক শ্ৰেণীক ধৰ্ম আৰু ভাষাৰ ভিত্তিত তিনি শ্ৰেণীত ভাগ কৰিব পৰা যায়। যেনে- (ক) অনা-অসমীয়া খ্ৰীষ্টীয়ান লেখক, (খ) অসমীয়া খ্ৰীষ্টীয়ান লেখক আৰু (গ) অসমীয়া অ-খ্ৰীষ্টীয়ান লেখক। অৰুণোদয় সময়ছোৱাৰ খ্ৰীষ্টীয়ান লেখকৰ ভিতৰত ড° নাথান ব্ৰাউন, ড° মাইলছ ব্ৰন্সন আৰু এ.কে. গাৰ্নি প্ৰধান। এই যুগৰ অসমীয়া খ্ৰীষ্টীয়ান লেখকজন হ'ল- নিধিৰাম ফাৰৱেল। অৰুণোদয়কাকতত ব্ৰাউন, ব্ৰন্সন, গাৰ্নি আৰু ফাৰৱেলৰ উপৰি আন কেইবাগৰাকীও খ্ৰীষ্টীয়ান লেখকৰ অৱদান লেখত ল'বলগীয়া; তেওঁলোক- শ্ৰীমতী এচ্. আৰ. ৱাৰ্ড, শ্ৰীমতী কাট্টাৰ, শ্ৰীমতী গাৰ্নি আদি।

আনহাতে, অৰুণোদইৰ অসমীয়া অ-খ্ৰীষ্টীয়ান লেখকসকল হ'ল- আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি। এওঁলোকৰ সাহিত্যৰাজিৰ চমু পৰিচয় তলত দাঙি ধৰা হ'ল।

**আনন্দৰাম ঢেকিয়াল ফুকন**(১৮২৯-৫৯ খ্ৰী.) ঃ মিছনেৰীসকলৰ সাহিত্যিক প্ৰচেষ্টাত যিসকল অসমীয়া লোকে আন্তৰিকতাৰে যোগ দিছিল সেই সকলৰ ভিতৰতে আনন্দৰাম ঢেকিয়াল ফুকন অগ্ৰগণ্য। ১৭৫৭ শক (ইং ১৮২৯) আহিনত গুৱাহাটীত প্ৰসিদ্ধ ঢেকিয়াল ফুকনৰ ঘৰত এখেতৰ জন্ম; পিতৃ হলিৰাম ঢেকিয়াল ফুকনে বঙলা ভাষাত 'অসম বুৰঞ্জী' আৰু 'কামাখ্যা যাত্ৰাপদ্ধতি' নামে দুখন পুথি ৰচনা কৰি ছপাই বিনামূল্যে বিলাই দিছিল। ফুকনে সেই সময়ত বঙলা আলোচনী 'সমাচাৰ -চন্দ্ৰিকা' আদিত দুই-এটা আলোচনাও দাঙি ধৰিছিল। ১৮৪১ চনত কমিছনাৰ জেনকিন্স আৰু মেথি চাহাবৰ অনুপ্ৰেৰণাত গুৱাহাটীৰ ইংৰাজী স্কুলৰ পৰা গৈ আনন্দৰামে কলিকতাৰ হিন্দু কলেজত পঢ়িবলৈ লয়। কলিকতাত তিনি বছৰ অধ্যয়ন কৰি উভতি আহি গুৱাহাটীত ব্ৰেণ্ডচাহাবৰ ওচৰতে আকৌ ইংৰাজী পঢ়ে। তেওঁ কিছু সংস্কৃত আৰু ফাৰ্চী ভাষাও আয়ত্ব কৰিছিল। ১৮৪৬ চনত বিৱাহ কৰি পিছৰ বছৰত চৰকাৰী চাকৰিত প্ৰৱেশ কৰে। বিজনিজাৰ দেৱান, মুন্সিফ আৰু জুনিয়াৰ এছিষ্টেন্ট্ কমিছনাৰ আদি পদত সুখ্যাতিৰে কাম কৰি ১৮৫৯ খ্ৰীষ্টাব্দৰ জুন মাহত ত্ৰিছ বছৰ পূৰ নৌহওঁতেই তেওঁৰ অকাল মৃত্যু ঘটে। জীৱনৰ লেখ কামতহে, বছৰত নহয়। আনন্দৰামে ঊনত্ৰিছ বছৰীয়া জীৱনত যিখিনি কৰি গ'ল বহুতে দীৰ্ঘ জীৱন লাভ কৰিও সেইখিনি কৰিব পৰা নাই।

১৮৪৭ চনৰ অৰুনোদইত প্ৰকাশ হয় 'ইংলেণ্ডৰ বিৱৰণ', আৰু প্ৰায় চাব্বিশ পিঠিয়া 'অসমীয়া ল'ৰাৰ মিত্ৰ' দুটা খণ্ডত ১৮৪৯ চনত প্ৰকাশ হয়। ১৮৫৩ চনত অসমৰ অৱস্থা সম্পৰ্কে অনুসন্ধান কৰিবলৈ অহা মোফাত মিল্চ্ (Moffat Mills) চাহাবৰ আগত ফুকনে অসমৰ অৰ্থনৈতিক অৱস্থা সম্পৰ্কে সুন্দৰ বিবৃতি দিয়ে। এই স্মাৰকপত্ৰ বা এত্লাখন এজন চৌবিছ বছৰীয়া ডেকা ল'ৰাৰ

দ্বাৰা প্ৰস্তুত হ'লেও অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনিক অৱস্থা আৰু সমস্যাৰ গভীৰ উপলব্ধি আৰু সমালোচনা, অসমৰ ভাষা আৰু শিক্ষা সমস্যাৰ বিশ্লেষণ, অসমীয়া মানুহৰ অৰ্থনৈতিক দুৰাৱস্থাৰ কাৰণ নিৰ্ণয় আৰু তাৰ প্ৰতিকাৰৰ উপায়, অসমৰ ৰাজত্ব, উৎপন্ন বস্তু আৰু তাৰ উন্নতিৰ উপায় বিশ্লেষণ-এই সকলোবোৰ নিখুঁত ইংৰাজীত প্ৰকাশ হোৱা আৰু সাহসিকতাৰে উপস্থাপন কৰা দেখিলে আচৰিত নহৈ নোৱাৰি। অসমৰ ৰাজহ, উৎপন্ন বস্তু আৰু মানুহৰ অৱস্থা-সম্পৰ্কে দিয়া এই বিবৃতিয়ে ফুকনৰ বিচক্ষণ বুদ্ধি আৰু জ্ঞানৰ পৰিচয় দিয়ে। ১৮৫৫ চনত তেখেতৰ ইংৰজীতে লিখা 'A few Remarks on Assamese Language' নামৰ পুস্তিকা প্ৰকাশ হয়। এই পুস্তিকাত অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, বঙলা জাপি দিয়াৰ বিষময় ফল আদি আলোচনা কৰে। এই পুস্তিকাত ফুকনে ৬২ খন পদপুথি আৰু ৪০ খন নাটৰ কথা উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও ফুকনে ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইৰাজী দুখন অভিধান প্ৰণয়ন কৰিবলৈ আৰু তাৰ অংশবিশেষ অৰুনোদইলৈ নিদৰ্শনৰূপে পঠাইছিল, কিন্তু সেই কাৰ্য সম্পূৰ্ণ হ'ল নে নাই জনা নাযায়। এ. এইচ. ডেনফৰ্থে ১৮৫২ চনত 'অৰুনোদই'ত (দ্বাদশ শংখ্যা) এইদৰে লিখিছেঃ

"কিন্তু এই দুয়ো লোকৰ উপকাৰ হ'বৰ নিমিত্তে শ্ৰীযুত আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী এইৰূপে দুই খণ্ড অভিধান লিখিছে। এই অভিধানৰ আখৰ জোঁতোৰা আমাতকৈ কিছু বেলেগ হৈছে হয়।" - ইয়াৰপৰা অনুমান কৰিব পাৰি যে ফুকনে পাদুৰীচাহাবৰ বানান পদ্ধতি যথাযথভাৱে মানি চলা নাছিল।

ওঠৰ বছৰ বয়সৰপৰাই ফুকনে সাহিত্যসেৱা কৰিবলৈ লয় আৰু তেতিয়াৰপৰা মৃত্যু পৰ্যন্ত সাহিত্যসেৱা আৰু দেশহিতৈষণাই তেখেতৰ জীৱনৰ ব্ৰত স্বৰূপ হৈ পৰে। ফুকনৰ যুক্তিসংগত বিচাৰ, তীক্ষ্ণ বুদ্ধি আৰু দেশহিতৈষিতাৰ ফালে দৃষ্টি ৰাখিয়েই কৰ্ণেল হপ্‌কিন্‌চন্ চাহাবে ফুকনৰ বিষয়ে কৈ গৈছে যে বঙ্গ দেশৰ ৰামমোহন ৰায় যেনে অসমত আনন্দৰাম ঢেকিয়াল ফুকনো তেনে আছিল; কিন্তু অল্পায়ু ফুকনৰ কাৰ্যকলাপলৈ চাই ৰামমোহন ৰায়তকৈ তেওঁক উচ্চস্থান দিব পাৰি। ফুকনৰ অগাধ স্বদেশ প্ৰীতিৰ সম্যক নিৰ্দশন বুলিব পাৰি 'ইংলেণ্ডৰ বিৱৰণ'ৰ তলত উদ্ধৃতাংশ। এই উদ্ধৃতাংশই ফুকনৰ ভাষাৰ শক্তিমত্তা আৰু স্বদেশ প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিব—

> অৰুণোদই কাকতে অসমীয়া ভাষা আৰু সাহিত্যক এক নতুন ৰূপত প্ৰতিষ্ঠা কৰিলে। আদালতত অসমীয়া ভাষাৰ হেৰুৱা ঠাইত পুনৰোদ্ধাৰৰ যুঁজত অসম আৰু শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লোকক নৱৰূপৰ অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত কলম ধুৰিবলৈ প্ৰেৰণা যোগাই, অসমীয়া শব্দাৱলীত ইংৰাজী সম্ভাৰ আৰু অসমীয়া বাক্যৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষা-সাহিত্যক অৰুণোদই কাকতৰ মাজেৰে মিছনেৰীসকলে মৃতপ্ৰায় অৱস্থাৰ পৰা নৱজীৱন দিছিল।

"হে কৃপাময় জগদিস্বৰ; এই অসম দেশৰ লোকসকলক সভ্য, গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাৱ আৰু দুৰৱস্থা জানিবলৈ সিবিলাকক গিয়ান দিয়া, আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আগ্যা পালিবৰ জোগ্য কৰা। জি সময়ত অসমত হাবি গুচি ফুলবাৰী হব, নৈত ডোঙা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পৰ্হাসালি হব, গিয়ানৰ সভা, চিকিৎসালয়, দুখীয়া-দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব, আৰু জি কালত লোকসকলে পৰস্পৰে হিংসা-হিংসি নকৰি আটায়ে আটাইক ভাত্ৰিৰত চেনেহ কৰি........সেই সময়, হে পৰমপিতা জগদিস্বৰ শীঘ্ৰে ঘটোৱা।"

এওঁৰ বাহিৰেও বলৰাম ফুকন, যজ্ঞৰাম দেওধাই বৰুৱা, পূৰ্ণানন্দ ডেকা বৰুৱা, কিনাৰাম সত্ৰিয়া আদি কেইবাজনো লেখকে অৰুণোদইত প্ৰবন্ধ লিখাৰ উল্লেখ পোৱা যায়। (পৃষ্ঠাঃ ২৫৮-২৬০)

**হেমচন্দ্ৰ বৰুৱা**(১৮৩৫-৯৬ খ্ৰী.)ঃ শিৱসাগৰ ৰজাবাহৰ গাঁৱত হেমচন্দ্ৰ বৰুৱাৰ ১৮৫৭ শকত (১৮৩৫ খ্ৰী.) জন্ম হয়; পিতৃৰ নাম মুক্তাৰাম বৰুৱা। বাৰ বছৰ বয়সত পিতৃ-বিয়োগ হোৱাত খুৰাক লক্ষ্মীৰাম বৰুৱাৰ লগত থাকি সংস্কৃত পঢ়ে আৰু কেইবছৰমানৰ পিছতে মাহে ৪ টকা বেতনত নকল-নবীচৰ কামত সোমায়। সেই সময়ৰ শিৱসাগৰ জিলাৰ অধিপতি কেপ্তেইন ব্ৰোডী (অসমীয়া বৰতি) চাহাবৰ অনুপ্ৰেৰণা আৰু সহায়ত দদায়েকে নজনাকৈ ইংৰাজী পঢ়িবলৈ লয়। ৰক্ষণশীল খুৰাকৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈও ইংৰাজী শিক্ষাৰ চেষ্টা পৰিহাৰ নকৰি অৱশেষত উক্ত ভাষাত বুৎপত্তি লাভ কৰিবলৈ সমৰ্থ হয়। ইংৰাজী ভাষাত বুৎপত্তি থকাৰ কাৰণেই চৰকাৰী কামত দোপতদোপে উন্নতি লাভ কৰি টেনশ্লেটৰ বা ভাষাভঙা কাকতী হৈ শেষত অসমৰ জুডিচিয়াল কমিছনাৰৰ অফিচত চু পাৰিণ্টেণ্ডেণ্টৰ পদ পায়। একষ্ট্ৰা-এছিষ্টেণ্ট কমিছনাৰৰ পদো অস্থায়ীভাৱে তেওঁক দিয়া হৈছিল, কিন্তু তেওঁ গ্ৰহণ নকৰিলে। ১৮৮১ চনত কামৰপৰা অৱসৰ হৈ তেওঁ গুৱাহাটীত নিগাজিকৈ থাকিবলৈ লয় আৰু আশাশুধীয়াভাবে ভাষা আৰু সাহিত্যৰ চৰ্চাত আত্মনিয়োগ কৰে। ১৮৯৬ চনত গুৱাহাটীত তেখেতৰ মৃত্যু হয়।

ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালত জন্মলাভ কৰাৰ কাৰণে

ইংৰাজী শিক্ষা লাভত বাধা পাইছিল যদিও, সেই বাধাই তেওঁৰ জ্ঞানস্পৃহা নিবৃত্ত কৰিব নোৱাৰিলে। ইংৰাজী শিক্ষা লাভ নকৰাহেঁতেন হেমচন্দ্ৰই অসমীয়া ভাষা সাহিত্যৰ ওজাৰূপে চিনাকি দিব পাৰিলেহেঁতেন নে নাই সিয়ো সন্দেহৰ বিষয়। ব্ৰোডী চাহাব আৰু মিছনেৰীৰ সংস্পৰ্শই তেওঁৰ যে দৃষ্টিভংগীৰ প্ৰসাৰতা আনিছে সেই বিষয়ে কোনো সন্দেহ নাই। হেমচন্দ্ৰই সাহিত্যিক জীৱন আৰম্ভ কৰে 'অৰুনোদই'ত। ১৮৫৬ চনত অৰুণোদইত 'সোণাৰচাঁদ' নামৰ ছদ্মৰূপত তেওঁ প্ৰবন্ধ লেখাৰ প্ৰমাণ পোৱা যায়। তাৰ বাহিৰেও মিছনেৰীসকলে প্ৰবৰ্তন কৰা বৰ্ণবিন্যাস সংশোধন কৰি সংস্কৃতমূলক কৰিবলৈ 'অৰুনোদই'ত প্ৰবন্ধ লিখিছিল, কাৰণ তেনে কৰিলে অসমীয়া শব্দৰ বানান-পদ্ধতি বৈজ্ঞানিক আৰু মূলানুগ হ'ব বুলি তেওঁ ভাবিছিল। ১৮৫৭ খ্ৰীষ্টাব্দত তেওঁৰ 'অসমীয়া ব্যাকৰণ', ১৮৭৩ চনত 'আদিপাঠ', ১৮৮৬ চনত 'অসমীয়া ল'ৰাৰ ব্যাকৰণ', আৰু ১৮৯২ চনত 'পঢ়াশালীয় অভিধান' আৰু তাৰ দুবছৰৰ পিছত 'সংক্ষিপ্ত হেমকোষ' প্ৰকাশ পায়। তেওঁৰ জীৱদ্দশাত 'হেমকোষ' প্ৰকাশ হৈ ওলোৱা দেখা নাপালে। ১৯০০ চনত হেমচন্দ্ৰ গোস্বামী আৰু গৰ্ডন চাহাবৰ চেষ্টাত তেওঁৰ কীৰ্তিস্তম্ভ 'হেমকোষ' ছপা হৈ ওলায়। ১৮৭৩ চনত যেতিয়া অসমৰ পঢ়াশালিত অসমীয়া ভাষা আকৌ প্ৰৱৰ্তন কৰা হয় তেতিয়া পাঠ্যপুথিৰ অভাৱ পূৰণ কৰাত হেমচন্দ্ৰ বৰুৱাই আগভাগ লৈছিল। সেই সময়ত ইও এক মহৎ কামেই আছিল।(পৃষ্ঠাঃ ২৬৫-২৬৬)

হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ভাষা-সাহিত্যলৈ লেখত ল'বলগীয়া অৱদান আছে। ওপৰত উল্লেখ কৰাখিনিৰ উপৰিও তেওঁৰ দ্বাৰা ৰচিত/অনুবাদিত ভাষা-সাহিত্যবিষয়ক গ্ৰন্থসমূহৰ ভিতৰত- 'আদিপাঠ', 'পাঠমালা', 'স্বাস্থ্যৰক্ষাৰ নিয়ম'(Way to health) (ছাত্ৰোপযোগী ইংৰাজী পুথিৰ ভাঙনি), 'কানীয়া-কীৰ্তন'(১৮৬১), 'বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী' (ব্যঙ্গ সামাজিক নাট), 'Assamese Marriage System' (অসমীয়া বিৱাহ পদ্ধতি) আদিও উল্লেখযোগ্য। তেওঁ এসময়ত 'আসাম নিউচ' কাকততো সম্পাদকৰূপে কাম কৰিছিল।

**গুণাভিৰাম বৰুৱা** (১৮৩৭-৯৪ খ্ৰী.) ঃ ১৭৫৯ শকত (১৮৩৭ খ্ৰী.) গুৱাহাটীৰ ৰণৰাম বৰুৱাৰ দ্বিতীয়া ভাৰ্যাৰ গৰ্ভত যোৰহাটত গুণাভিৰাম বৰুৱাৰ জন্ম হয়; সৰুতে পিতৃ বিয়োগ হোৱাত আনন্দৰাম ঢেকিয়াল ফুকনৰ তত্বাৱধানত কলিকতাৰ প্ৰেচিডেন্সি কলেজত দ্বিতীয় বাৰ্ষিক শ্ৰেণীলৈ শিক্ষালাভ কৰি আইন পঢ়ে। ঢেকিয়াল ফুকনেই গুণাভিৰামৰ বিয়া-বাৰু পাতি দিয়ে। গুণভিৰাম বৰুৱা, কালিৰাম বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকন দৰাচলতে মূলতঃ একেটা পৰিয়ালৰ মানুহ। ১৮৫৯ চনত তেওঁ চৰকাৰী চাকৰিত সোমাই এবছৰ পিছত একষ্ট্ৰা-এছিষ্টেণ্ট কমিছনাৰ পদলৈ উন্নীত হয়। তেওঁৰ প্ৰথমা পত্নী ব্ৰজসুন্দৰীৰ মৃত্যুৰ পিছত ১৮৭০ চনত বিষ্ণুপ্ৰিয়া নামে বিধৱা ব্ৰাহ্মণ কন্যাক বিয়া কৰায়। ইয়াৰ এবছৰ পাছত হিন্দুধৰ্মৰ গোড়ামি দেখি উদাৰ ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰিছিল। বিষ্ণুপ্ৰিয়াৰ গৰ্ভত কেইবাটিও সন্তান জন্ম হয়। তেওঁলোকৰ ভিতৰত কৰুণাভিৰাম বৰুৱা (ল'ৰা বন্ধুৰ সম্পাদক, কম বয়সতে মৃত্যু হয়) আৰু জ্ঞানদাভিৰাম বৰুৱা (জে. বৰুৱা) উল্লেখযোগ্য। বিষ্ণুপ্ৰিয়া, কৰুণাভিৰাম আৰু জ্ঞানদাভিৰামে অসমীয়া সাহিত্যলৈ বৰঙনি দি গৈছে। গুণাভিৰাম নগাঁৱত একষ্ট্ৰা-এছিষ্টেণ্ট কমিছনাৰ হৈ থাকোঁতে নগাঁও সাহিত্য চৰ্চাৰ কেন্দ্ৰ হৈ পৰিছিল। হেমচন্দ্ৰ গোস্বামী, ৰত্নেশ্বৰ মহন্ত, পদ্মহাস গোস্বামী, গুণভিৰামৰ পৰাই নগাঁৱতে সাহিত্য অনুশীলনৰ অনুপ্ৰেৰণা লাভ কৰে। ১৮৯০ চনত গভৰ্ণমেণ্ট চাকৰিৰপৰা অৱসৰ লৈ কলিকতাতে স্থায়ীভাৱে বসতি কৰিবলৈ লয়। ১৮৯৪ চনত তেওঁৰ কলিকতাতে মৃত্যু হয়।

হেমচন্দ্ৰৰ দৰে গুণাভিৰামেও 'অৰুনোদই' কাকতৰ জৰিয়তে সাহিত্য জগতত প্ৰৱেশ কৰে। তেওঁৰ প্ৰথম সাহিত্যিক প্ৰচেষ্টা 'ৰাম-নৱমী' নাটক। এই নাটক ৰচা হৈছিল ১৮৫৭ চনত। তেওঁৰ সাহিত্য আৰু বুৰঞ্জী বিষয়ক পুথিসমূহ হ'ল- 'ৰাম-নৱমী', 'বিধৱা-ৰহস্য' (নাট), 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' (জীৱন-চৰিত), 'কঠিন শব্দৰ ৰহস্য' (নিভাঁজ হাস্যৰস আৰু কৌতুকপূৰ্ণ পুথি), 'অসম বুৰঞ্জী'(১৮৮৪) আদি। ১৮৮৫ চনত তেখেতে 'আসাম-বন্ধু' নামৰ মাহেকীয়া কাকত সম্পাদনা কৰি প্ৰকাশ কৰিবলৈ লয়। তেওঁ 'সৌমাৰ ভ্ৰমণ বৃত্তান্ত' আৰু কেইবাটাও বুৰঞ্জীমূলক প্ৰবন্ধ সেই সময়তে প্ৰকাশ কৰি থৈ গৈছে। তেওঁ 'গুৰুদত্ত' ছদ্মনামেৰে বিজুলী কাকতত সৰল কবিতা প্ৰকাশ কৰিছিল।

ঊনবিংশ শতিকাৰ শেষৰ কালছোৱা অসমীয়া ভাষা-সাহিত্যৰ নাওখনৰ গুৰি বঠা যি দুজন পুৰুষে ধৰি চলাই নিছিল তেওঁলোক হ'ল, হেমচন্দ্ৰ আৰু গুণাভিৰাম। ঐতিহাসিক গৱেষণা, জীৱন-চৰিত, ভ্ৰমণ বৃত্তান্ত, নাটক ৰচনা আৰু কাকত সম্পাদনা কৰা এই সকলোবিষয়তে গুণাভিৰাম বৰুৱা পথপ্ৰদৰ্শক আছিল। গুণাভিৰামৰ অমায়িক ব্যক্তিত্বই নগাঁৱত আৰু শেষত কলিকতাত ডেকাচামক সাহিত্যৰ ক্ষেত্ৰত আগবাঢ়িবলৈ উদগনি যাঁচিছিল।

**প্ৰসংগ পুথি/লিংক ঃ**

শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ। দশম সংস্কৰণ। ২০১৮। পুনৰ মুদ্ৰিত।

https://www.sarothiasom.in/2021/07/19/arunodoi-jugor-asomiya-bhasha/ (26 December, 2023)

# কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্ব আৰু চিলাৰায়ৰ ভূমিকা

**কপিল দেৱ গোস্বামী**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
(কলা শাখা)

এসময়ৰ বিখ্যাত কমতা ৰাজ্যৰ বুকুতেই ১৪৯৮ চনত খেন ৰাজবংশৰ পতনৰ পিছত প্ৰায় একেটা অঞ্চলজুৰি পশ্চিমে কৰতোয়া নদীৰ পৰা পূবে বৰনদীলৈ এই অঞ্চলত কোচ ৰাজ্য গঠিত হৈছিল। তাৰোপৰি অবিভক্ত গোৱালপাৰা জিলা আৰু কোচবিহাৰৰ কিছু অংশকো এই ৰাজত্বই সামৰি লৈ ১৫১৫ চনত কোচ ৰাজবংশই শক্তিশালী ৰূপে আত্মপ্ৰকাশ কৰে। কোচ ৰাজবংশৰ প্ৰথম শাসক আছিল কোচ জনগোষ্ঠীৰ নেতা হাড়িয়া মণ্ডল আৰু তেওঁৰ কোচ পত্নী হীৰাৰ পুত্ৰ বিশু। দৰং ৰাজবংশাৱলীত উল্লেখ থকা অনুসৰি বিশুৱে পিছলৈ ভিন ভিন জনগোষ্ঠীবোৰক একত্ৰিত কৰি কমতাৰ বৰভূএগ্ৰাসকলক পৰাস্ত কৰি সেই ঠাইবোৰ অধিকাৰ কৰি ১৫১৫ চনত কমতা ৰাজ্যৰ ৰাজপাটত উঠি বিশ্বসিংহ নাম লৈ সমগ্ৰ কমতা অঞ্চলৰ শাসনভাৰৰ দায়িত্ব লয়। ৰাজপাটত আৰোহণ কৰিয়েই তেওঁ ৰাজধানী চিকনাৰ পৰা এতিয়াৰ কোচবিহাৰ নগৰৰ কেইমাইলমান নিলগৰ দক্ষিণ পূৱে থকা কমতাপুৰ (তেতিয়াৰ কান্তাপুৰ) লৈ তুলি নিয়ে। বিশ্বসিংহই হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ ১৯ জন পুত্ৰ আছিল। ১৫৩৩ চনত বিশ্বসিংহৰ মৃত্যুৰ সময়ত বৰপুত্ৰ মল্লদেৱ আৰু শুক্লধ্বজে কাশীৰ ব্ৰহ্মানন্দ বিশাৰদ নামৰ এজন সন্নাসীৰ ওচৰত হিন্দুধৰ্মৰ ধৰ্মগ্ৰন্থ আৰু যুদ্ধ বিদ্যা গ্ৰহণ কৰি আছিল। ইয়াৰে সুযোগ গ্ৰহণ কৰি বিশ্বসিংহৰ নৰসিংহ নামৰ আন এজন পুত্ৰই ৰাজপাটত আৰোহণ কৰি নিজকে ৰজা বুলি ঘোষণা কৰে। এই খবৰ পাই কাশীৰ পৰা মল্লদেৱ আৰু শুক্লধ্বজ আহি নৰসিংহৰ বিৰুদ্ধে যুদ্ধ কৰি হৰুৱাই ১৫৩৪ চনত মল্লদেৱে নৰনাৰায়ণ নাম লৈ সিংহাসনত অধিষ্ঠিত হয় আৰু ভাতৃ শুক্লধ্বজক সংগ্ৰাম সিংহ নামেৰে নামাংকিত কৰি যুৱৰাজ হিচাপে নিযুক্তি দিয়ে।

ৰাজপাটত আৰোহণ কৰিয়ে নৰনাৰায়ণে পিতৃ ৰাজ্যৰ সীমা বঢ়াবলৈ মন মেলে আৰু শুক্লধ্বজ অৰ্থাৎ সংগ্ৰাম সিংহৰ সহায়ত কোচ ৰাজ্য বিস্তাৰ কৰা আৰম্ভ কৰে। সেই নিমিত্তে ১৫৬২-৬৩ চনৰ জুন মাহত শুক্লধ্বজৰ নেতৃত্বত কোচ সৈন্যই আহোম ৰাজধানী গড়গাঁও নিজৰ দখললৈ নিয়ে। শুক্লধ্বজে চিলাৰ দৰে চোঁ মাৰি অতৰ্কিতে আক্ৰমণ কৰিছিল বাবে বুৰঞ্জীত তেওঁ চিলাৰায় নামে খ্যাত। নৰনাৰায়ণৰ ৰাজত্ব কালত চিলাৰায় কেৱল যুৱৰাজেই নাছিল, এজন সুদক্ষ সেনা নায়কৰ উপৰিও দেৱান বা মন্ত্ৰীৰ কাম কাজো কৰিছিল। সেইবাবে তেওঁক চিলাৰায় দেৱান বোলা হৈছিল। গড়গাঁও দখল কৰাৰ পিছত নৰনাৰায়ণৰ আদেশ মৰ্মে চিলাৰায়ে কাছাৰ আক্ৰমণ কৰি ৰাজধানী মাইবং নিজৰ দখললৈ নিয়ে। পিছত কছাৰী ৰজাই চিলাৰায়ৰ ওচৰত বশ্যতা স্বীকাৰ কৰে। পৰৱৰ্তী সময়ত চিলাৰায়ে ক্ৰমাৎ মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, খৈৰাম, ডিমৰুৱা, শ্ৰীহট্ট, খাইৰাম, চট্টগ্ৰাম আদি ৰাজ্য জয় কৰি নিজৰ অধীনস্থ কৰে। তদুপৰি শক্তিশালী জয়ন্তীয়া, ত্ৰিপুৰা আৰু ছিলেটৰ ৰজাও চিলাৰায়ৰ সৈন্যৰ হাতত মৃত্যু বৰণ কৰে। নৰনাৰায়ণৰ ৰাজত্ব কালত চিলাৰায়ে গৌড় ৰাজ্য আক্ৰমণ কৰা-নকৰাক লৈ বহু বুৰঞ্জীত বিভিন্ন ধৰণে উল্লেখ থকা দেখা যায়।

মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ে যে কেৱল ৰাজ্য জয় কৰাতে ব্যস্ত আছিল এনে নহয়। সামাজিক কামৰ লগতে প্ৰজাৰ হিত সাধনৰ ক্ষেত্ৰতো তেওঁলোক আছিল যথেষ্ট আগৰণুৱা। দেশৰ শাসন কাৰ্যত চোকা দৃষ্টি ৰাখি ৰাজ্যৰ শাসন বান্ধ সুদৃঢ় কৰিবলৈ আলি, পুখুৰী, দেৱালয় আদি স্থাপন কৰাইছিল। আজিও বিদ্যমান বিখ্যাত গোঁহাইকমল আলিও মহাৰাজ নৰনাৰায়ণে ভায়েক গোঁহাইকমলৰ হতুৱাই আহোম ৰাজ্য আক্ৰমণৰ সময়ত বন্ধাইছিল। ইয়াৰোপৰি নৰনাৰায়ণৰ আদেশ মতেই চিলাৰায়ে নীলাচলৰ কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্ৰীৱ মন্দিৰৰ যথেষ্ট সংস্কাৰ কৰিছিল।


বীৰ চিলাৰায় আৰু মহাৰাজ নৰনাৰায়ণ দুয়ো বিদ্যানুৰাগী আছিল। দূৰ বিদেশৰ পৰা কোনো পণ্ডিত আহিলে, চিলাৰায়ৰ সহায়তে ৰজাৰ পৰা বৃত্তি বিধান লাভ কৰি জ্ঞান চৰ্চা কৰিছিল। ইয়াৰোপৰি চিলাৰায় হিন্দু কবি জয়দেৱৰ দ্বাৰা ৰচিত 'গীত গোবিন্দ' গ্ৰন্থৰ আধাৰত 'সাৰৰতী' নামৰ এখন গ্ৰন্থও ৰচনা কৰিছিল।

নৰনাৰায়ণ আৰু চিলাৰায় দুয়ো শিৱ ভক্ত আছিল আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসংখ্য দেৱ-দেৱালয় পাতি শিৱ-দুৰ্গাৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছিল। কিন্তু চিলাৰায়ে শংকৰদেৱৰ সাক্ষাৎ গ্ৰহণ কৰাৰ পিছত তেওঁৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হ'ল আৰু শংকৰদেৱক একান্তভাৱে প্ৰাণৰ দেৱতা কৰিবলৈ মনস্থ কৰে। মহাপুৰুষজনাও চিলাৰায়ৰ সহায়তে কামৰূপৰ পশ্চিম খণ্ডত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিবলৈ ধৰিছিল। অন্যহাতে নৰনাৰায়ণে শংকৰদেৱৰ কৰ্মত অতিষ্ঠ হৈ শাস্তি বিহিবলৈ যত্ন কৰে। কিন্তু চিলাৰায়ে বিভিন্ন কৌশলেৰে শংকৰদেৱক নৰনাৰায়ণৰ শাস্তিৰ পৰা উদ্ধাৰ কৰে। নৰনাৰায়ণে যদিও পোনতে শংকৰদেৱক বিশ্বাস কৰা নাছিল কিন্তু পিছত চিলাৰায়ে শংকগেৰক তেওঁৰ সন্মুখত এইদৰে উপস্থাপন কৰালে যে নৰনাৰায়ণেও শংকৰদেৱক আদৰ কৰিবলৈ বাধ্য হয়। শংকৰদেৱৰ গুণ-গৰিমাত মোহিত হৈ চিলাৰায়কে আদি কৰি সপৰিবাৰে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে। তদুপৰি চিলাৰায়ে শংকৰদেৱৰ ভাতৃ ৰামাৰায়ৰ কন্যা ভুৱনেশ্বৰীক বিবাহ কৰাইছিল। শংকৰদেৱৰ পাণ্ডিত্যত সন্তোষ পাই মহাৰাজ নৰনাৰায়ণেও তেওঁক ৰাজসভাত ৰাখে। ইয়াৰোপৰি ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলী, বকুল কায়স্থ, অনন্ত কন্দলী আদি বহু বিদ্বান পণ্ডিত সকলেও কোচ ৰজা নৰনাৰায়ণৰ ৰাজসভা শুৱনি কৰি ৰাখিছিল। এই ক্ষেত্ৰত চিলাৰায়ৰ যথেষ্ট অৱদান আছিল।

অসমী আইৰ সুযোগ্য সন্তান, অসাধাৰণ সামৰিক ক্ষমতাৰ অধিকাৰী তথা ধৰ্মানুৰাগী মহাবীৰ চিলাৰায়ে ১৫৭১ চনত গংগাৰ তীৰত চ'ত মাহৰ দৌল পূৰ্ণিমাৰ দিনা বসন্ত ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে।

কোচ ৰাজবংশৰ বিদগ্ধ পণ্ডিত, বিশ্ববিখ্যাত যোদ্ধা, দক্ষ সেনানায়ক মহাবীৰ চিলাৰায় অসমৰ লগতে ভাৰতবৰ্ষ তথা বিশ্ববাসীৰ গৌৰৱ। বীৰ চিলাৰায়ৰ বীৰত্বৰ গাঁথা বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে জিলিকি আছে আৰু আগলৈও অক্ষুন্ন থাকিব। তেওঁৰ বীৰত্ব আৰু গুণ-গৰিমাৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৬ তাৰিখে গুৱাহাটীৰ আমিনগাঁৱত অসম চৰকাৰে এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তি স্থাপন কৰি তদানীন্তন মুখ্যমন্ত্ৰী কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াদেৱে উন্মোচন কৰে। ইয়াৰ উপৰিও অসম চৰকাৰে ২০05 চনৰ পৰা তেওঁৰ জন্মদিনটো 'বীৰ চিলাৰায় দিৱস' হিচাপে উদ্‌যাপন কৰি চৰকাৰী বন্ধ হিচাপে ঘোষণা কৰে। তদুপৰি এই মহান বীৰ পুৰুষজনৰ স্মৰণত চৰকাৰে সাহসিকতাৰ পৰিচয় দিয়া ব্যক্তিসকলক 'বীৰ চিলাৰায় বঁটা' প্ৰদান কৰি সন্মানিত কৰি আহিছে।

*বীৰ চিলাৰায় আৰু মহাৰাজ নৰনাৰায়ণ দুয়ো বিদ্যানুৰাগী আছিল। দূৰ বিদেশৰ পৰা কোনো পণ্ডিত আহিলে, চিলাৰায়ৰ সহায়তে ৰজাৰ পৰা বৃত্তি বিধান লাভ কৰি জ্ঞানচৰ্চা কৰিছিল। ইয়াৰোপৰি চিলাৰায় হিন্দু কবি জয়দেৱৰ দ্বাৰা ৰচিত 'গীত গোবিন্দ' গ্ৰন্থৰ আধাৰত 'সাৰৰতী' নামৰ এখন গ্ৰন্থও ৰচনা কৰিছিল।*



# বামাস্থিত শ্ৰীশ্ৰীবুঢ়াগোঁসাই থানৰ উৎপত্তিৰ দু-আষাৰ

**ভায়োলিনা বৰুৱা**
স্নাতক চতুৰ্থ ষন্মাষিক
অসমীয়া বিভাগ

ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা ভাৰতবৰ্ষত বিশেষকৈ গাঁৰসমূহত ধৰ্মীয় বিশ্বাসৰ এক পৰম্পৰা চলি আহিছে। পিছৰ কালত প্ৰকৃতিৰ শ্ৰেষ্ঠতম সত্তাসমূহৰ গুণৰ প্ৰতীকী ৰূপত ধৰ্মানুষ্ঠান হিচাপে গঢ় লৈ উঠে। তাত প্ৰকৃতিৰ প্ৰতিকী ৰূপসমূহ দেৱ-দেৱী ৰূপে বৰ্ণিত হয়। সেই বৰ্ণনাৰ আৰ্হিতে দেৱ-দেৱী মূৰ্তিৰ আকাৰ ধাৰণ কৰে। ভক্তসকলৰ পবিত্ৰ ভক্তি আৰু উপসনাৰ স্থান বিশেষে দেৱী জাগ্ৰত ৰূপত প্ৰতিষ্ঠা হৈ একো একোটা স্থানত মঠ-মন্দিৰ প্ৰতিস্থা হৈ গাঁৰৰ বিশেষ ৰাইজৰ মাজত ইমান গভীৰ বিশ্বাস, ভক্তিভাৱ আনে যে গাঁওবাসীয়ে সেই নিৰ্দিষ্ট অনুষ্ঠানটোক পৰিত্ৰাণকৰ্তাৰূপে স্বীকৃতি দিয়ে। এনে পৰ্যায়েৰে প্ৰতিষ্ঠা হোৱা এখন শক্তি উপসনাৰ থলী হ'ল কামৰূপ জিলাৰ অন্তৰ্ভূক্ত বামা গাঁৰৰ উত্তৰ সীমাত অৱস্থিত শ্ৰীশ্ৰীবুঢ়াগোঁসাই থান। প্ৰতিষ্ঠাৰ দিনৰে পৰা সগৌৰৱেৰে ধৰ্ম সংস্কৃতিৰ বিজয়ধ্বজ্জা উৰুৱাই অহা শ্ৰীশ্ৰীবুঢ়াগোঁসাই থান কামৰূপী ইতিহাসৰ এক চিৰবন্দিত অধ্যায়।

এই থানখনৰ উৎপত্তি সম্পৰ্কে জনশ্ৰুতি আছে যে, আজিৰ পৰা প্ৰায় কেইবাবছৰ আগতে ঠাই খণ্ড হাবি-জংঘলে উপচি আছিল। গাঁৰৰ পূৱ দিশত মৰানদীৰ পাৰত থকা শ্ৰণিকাবাৰীৰ পৰা বামা গাঁৱেৰে এটা মুছলমান পৰিয়ালৰ দুই ভাই-ককায়ে খৰি কাটিবলৈ যাওঁতে এটা শিল প্ৰত্যক্ষ কৰিছিল। শিলটো ভঁৰালৰ ঢোল কৰিবলৈ কামত আহিব বুলি দুয়োজনে সাঙি কৰি দাঙি আনিছিল। বৰ্তমান যি ঠাইত মন্দিৰ অৱস্থিত সেই ঠাইতে শিলটো বা বৰ্তমানৰ বিগ্ৰহটো সাঙিৰ পৰা পৰি গৈছিল। সেই ঠাইখিনি আছিল বিহদিয়া আৰু বামা গাঁৰৰ নিৰ্দিষ্ট সীমা। তেতিয়া ভাগৰুৱা হৈ পৰা দুয়ো ভাই-ককায়ে অকণমান জিৰণি লৈ পুনৰ শিলটো দাঙিবলৈ চেষ্টা কৰিছিল যদিও বিফল হৈছিল। বহু চেষ্টা কৰিও শিলটো ল'ৰ-চ'ৰ কৰিব নোৱাৰি তেওঁলোক নিজ ঘৰলৈ উভতি আহিল। প্ৰবাদমতে তেওঁলোকক

ৰাতি শুই থাকোতে সপোনত কোনোৱে আহি ক'লে যে সেইটো সাধাৰণ শিল নহয়। ই এক শিলসদৃশ শিৱলিংগহে। পিছদিনা ৰাতিপুৱা তেওঁলোকে গাঁওবাসীক কথাটো জনাইছিল যদিও ৰাইজে সহজতে বিশ্বাস কৰি লোৱা নাছিল। গাঁওখনৰে কেইজনমান বয়োজ্যেষ্ঠ লোকে শিলটোৰ ওচৰলৈ গৈ দাবী কৰি কৈছিল যে যদি এইটো সাধাৰণ শিল নহয় তেন্তে ৰাতিটোৰ ভিতৰতে শিলটোৰ তিনিও কোণৰ পৰা তিনিজোপা পূৰ্ণাংগ গছৰ জন্ম হ'ব।

ঠিক সেইমতে পিছদিনা সূৰ্যোদয়ৰ আগতে পূব কোণত অৰ্জুন, পশ্চিম কোণত কেন্দু আৰু উত্তৰ কোণত কুম্ভীৰ আৰু জৰী গছৰ সংমিশ্ৰণত উৎপত্তি হোৱা গছকেইজোপাই প্ৰকাণ্ড ৰূপ লৈছে। বহু বছৰৰ পিছত সেই ভূমিৰ গৰাকী স্বৰ্গীয় নৰেশ্বৰ ডেকাই তেওঁৰ ঘৰ নিৰ্মাণৰ কামৰ যা-যোগাৰ কৰি থাকোতে মনলৈ আহিল বিগ্ৰহটোৰ কথা। তেতিয়া তেখেতে বিগ্ৰহটোৰ ওপৰত এটি টিনপাতৰ ঘৰ নিৰ্মাণ কৰি দিয়ে। উন্নত মানৰ মন্দিৰ নিৰ্মাণ হোৱাৰ আগলৈকে উক্ত ঘৰটোৰ তলতে বিগ্ৰহটো থাকে। মন্দিৰৰ মণিকূট স্থাপন কৰা স্থানৰ গাতে লগাকৈ অৰ্থাৎ পূৱ কোণৰ অৰ্জুনডাল থকা বাবে মন্দিৰৰ মণিকূটটো ডাঙৰকৈ নিৰ্মাণ কৰিব বিচাৰিছিল যদিও গছডালে ঠাইখিনি আগুৰি থকাৰ বাবে অসুবিধা হৈছিল। ৰাইজে গছজোপা উঘালিবলৈও সংকোচ কৰিছিল। কিন্তু আচৰিত কথা যে থানখনত মিস্ত্ৰী, বনুৱা, গএগ্ৰ ৰাইজে মিলি থানখনৰ কাম কৰি থকাৰ সময়তে দিন-দুপৰতে অৰ্জুন গছজোপা দক্ষিণ দিশলৈ হালি গৈ এটা সময়ত নিজে নিজে উঘালি পৰে। পিছলৈ সেই ঠাইখিনিত মণিকূটৰ আধাৰশিলা স্থাপন কৰি ৰাইজৰ সুবিধাৰ্থে আটক ধুনীয়া মণিকূট নিৰ্মাণ কৰা হয়।

'শ্ৰীশ্ৰীবুঢ়াগোঁসাই থান' নামটোৰ উৎপত্তিৰ আঁৰত জনপ্ৰবাদ আছে যে পূৰ্ণিমাৰ ৰাতি কোনো শুভ্ৰ পোছাক পৰিহিত ব্যক্তি ঘোঁৰাত উঠি থানখনৰ দিশে গৈ থাকোতে ঘোঁৰাৰ ভৰিৰ খট্ খট্ শব্দ আৰু ঘুগুৰাৰ শব্দ মানুহৰ কাণত পৰিছিল। তেতিয়া কোনো কোনোৱে প্ৰত্যক্ষ কৰিছিল। তেনেকৈয়ে হয়তো বুঢ়াগোঁসাই নামটোৰ উৎপত্তি হৈছিল।

> ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা ভাৰতবৰ্ষত বিশেষকৈ গাঁও সমূহত ধৰ্মীয় বিশ্বাসৰ এক পৰম্পৰা চলি আহিছে। পিছৰ কালত প্ৰকৃতিৰ শ্ৰেষ্ঠতম সত্তাসমূহৰ গুণৰ প্ৰতীকী ৰূপত বৰ্ণনা আৰু বৰ্দ্ধনৰ অনুষ্ঠান ধৰ্মানুষ্ঠান হিচাপে গঢ় লৈ উঠে। তাত দেৱত্ব আৰোপ কৰি দেৱ-দেৱী ৰূপে বৰ্ণিত হয়।

থানখন বামা তথা কামৰূপ জিলাৰ উপৰিও অসমৰ বিভিন্ন ঠাইৰ লোকৰ বাবে উপাসনাৰ অন্যতম কেন্দ্ৰস্থল। গাঁওবাসী ৰাইজে মিলি থানখনত দুবছৰমান গৰখীয়া হোমৰ আয়োজন কৰিছিল। হঠাৎ এদিন গাঁৱৰে শৰৎ চন্দ্ৰ ডেকাক গোঁসাই লম্ভে অৰ্থাৎ জকী উঠে আৰু ব'হাগৰ ২০ তাৰিখৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে থানখনত মাৰৈ পূজা কৰিবলৈ উপদেশ দিয়ে। মা মনসাই নিৰ্ধাৰিত কৰি দিয়া এই কেইটি দিনত বৰ্তমানেও মাৰৈ পূজাৰ প্ৰথা প্ৰচলন আছে আৰু এতিয়াও মাৰৈ পূজাভাগত দুই-তিনিজন মান লোকক গোঁসাই লম্ভে অৰ্থাৎ তেওঁলোকৰ আচৰণবোৰ সেই তিনিদিন ঐশ্বৰিক শক্তিসম্পন্ন হৈ উঠে। তেওঁলোকৰ দেহত মা মনসা জাগ্ৰত হয় বুলি ভক্ত সমাজে বিশ্বাস কৰি আহিছে। পূজাত বলিৰ বাবে আগবঢ়োৱাঁ হাঁহ, পাৰ, পঠা ছাগলী আদিৰ কেঁচা তেজ তেওঁলোকে পান কৰে। পূজাৰ তৃতীয় দিনা ম'হ বলি হয়। পূজা চলি থকা সময়ত মানুহৰ বিভিন্ন সমস্যাসমূহ গোঁসাই লম্ভা মানুহৰ আগত ব্যক্ত কৰিলে সমস্যা সমাধানৰ উপায় দিয়ে আৰু বহু ভক্তই মনে বিচৰা ধৰণে ফলো লাভ কৰি আহিছে।

এনেকৈয়ে মানুহৰ মাজত ক্ৰমান্বয়ে বিশ্বাস বাঢ়ি যাবলৈ ধৰিলে। আলৌকিক ঘটনাৰে একপ্ৰকাৰ ইতিহাস ৰচিত আৰু বিশেষ শক্তিৰ অস্তিত্বৰ উমান পোৱা এই জাগ্ৰত পবিত্ৰ থানখনলৈ আহি ভক্তিভাৱে কিবা বিচাৰিলে মনোকামনা পূৰ্ণ হয় বুলি ইয়াৰ সুনাম সৰ্বজনবিদিত।

প্ৰধানতঃ নামনি অসমৰ বিভিন্ন উৎসৱ পাৰ্বণতে ৰাজহুৱা ঠাইবোৰত যাত্ৰাদলৰ নাট প্ৰদৰ্শন হৈছিল বিষ্ণুপূজা, বছৰেকীয়া সভা, গণেশ পূজা আদিত সমজুৱাৰ মনত আনন্দৰ খোৰাক যোগোৱাই এই যাত্ৰাদল সমূহৰ উদ্দেশ্য আছিল। জনামতে নাচ-গান, অভিনয় শিকোৱা ওস্তাদৰ বাহিৰে আন কলা-কুশলীয়ে প্ৰথমে যাত্ৰাত পাৰিশ্ৰমিক লোৱা নাছিল, অৱশ্যে পিছলৈ সেয়া সলনি হৈ অলপ-অচৰপ সকলো কলা-কুশলীলৈ পাৰিশ্ৰমিক দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

# যাত্ৰাপাৰ্টিঃ এটি আলোচনা

**পৰাগ জ্যোতি ডেকা**
**স্নাতক দ্বিতীয় ষাণ্মাসিক**
**অসমীয়া বিভাগ**

অসমৰ লোকনাট্যাভিনয়ৰ এটি বিশেষ ৰূপ হ'ল যাত্ৰাপাৰ্টি। শংকৰদেৱে অসমত সৃষ্টি কৰা অংকীয়া ভাওনাৰ ছাঁ লৈ অসমত প্ৰথম সৃষ্টি হয় খুলীয়া দল নামৰ এক সুকীয়া নাট্যপৰম্পৰা। সময়ৰ লগে লগে খুলীয়া দলবোৰ লুপ্ত হ'ল আৰু তাৰ ঠাইত কলিকতাৰ যাত্ৰাপাৰ্টিৰ আৰ্হিত অসমতো অসমীয়া নাটকেৰে যাত্ৰাপাৰ্টি গঠিত হ'ল। জনামতে ওঠৰশ যাঠিৰ পৰা ওঠৰশ পয়ষষ্ঠি চনৰ ভিতৰত তিথিৰাম বায়নৰ নেতৃত্বত কলিকতাৰ যাত্ৰাপাৰ্টিসমূহৰ আৰ্হিত অসমত প্ৰথম যাত্ৰাপাৰ্টি গঠন হৈছিল। এই দলৰ পৃষ্ঠপোষক আছিল বৰপেটাৰ গোবিন্দৰাম চৌধুৰী। এওঁক শেষলৈ ওস্তাদ গোবিন্দৰাম নামে জনাজাত হৈছিল। আন এক তথ্যমতে কামৰূপৰ মুগকুছি গাঁৱত জয়দেৱ শৰ্মাৰ পৃষ্ঠপোষকতাত গঠন হয় আন এটি যাত্ৰাপাৰ্টি। পৰৱৰ্তী সময়ত হাজো, মাজগাঁও, কামাখ্যা আদিতো যাত্ৰাপাৰ্টি গঠন হয়। এওঁলোকে কলিকতাৰ যাত্ৰাপাৰ্টিসমূহৰ বঙলা নাটকৰেই ছাঁ লৈ অসমৰ পৰিৱেশৰ ওপৰত মিলাই নাটকবোৰ ভাষান্তৰ কৰি মঞ্চস্থ কৰিছিল।

প্ৰধানতঃ নামনি অসমৰ বিভিন্ন উৎসৱ পাৰ্বণতে ৰাজহুৱা ঠাইবোৰত যাত্ৰাদলৰ নাট প্ৰদৰ্শন হৈছিল বিষ্ণুপূজা, বছৰেকীয়া সভা, গণেশ পূজা আদিত সমজুৱাৰ মনত আনন্দৰ খোৰাক যোগোৱাই এই যাত্ৰাদল সমূহৰ উদ্দেশ্য আছিল। জনামতে নাচ-গান, অভিনয় শিকোৱা ওস্তাদৰ বাহিৰে আন কলা-কুশলীয়ে প্ৰথমে যাত্ৰাত পাৰিশ্ৰমিক লোৱা নাছিল, অৱশ্যে পিছলৈ সেয়া সলনি হৈ অলপ-অচৰপ সকলো কলা-কুশলীলৈ পাৰিশ্ৰমিক দিয়াৰ ব্যৱস্থা কৰা হৈছিল। একোটা নাট্যদলত চকিদাৰ, ৰান্ধনীৰ পৰা আৰম্ভ কৰি স্কিন টনা মানুহজনলৈকে প্ৰায় চল্লিশজন মানুহ নিয়োজিত হৈ থাকে। এখন নাটকৰ এটা দৃশ্যৰ অন্ততঃ পিছৰ দৃশ্যসজ্জা থাকিলেশ্চপাহাৰ, হাবি, ৰাজ-দৰবাৰ, নদী-নিজৰা আদি দেখুৱাব লগা হ'লে অলপ সময় ৰৈ দৃশ্যসজ্জা কৰিহে পৰৱৰ্তী দৃশ্যসজ্জা মঞ্চস্থ কৰা হৈছিল। মঞ্চৰ কিছু কাষতে সাজঘৰ বা ছো ঘৰ থাকে, তাত অভিনেতা-অভিনেত্ৰী সকলে সাজোন-কাচোন হৈছিল। পূৰ্বতে পোহৰৰ বাবে মেণ্ঠল লাইট ব্যৱহাৰ কৰি নাট মঞ্চস্থ কৰিছিল যদিও পিছলৈ বিজুলী বাতিৰ পোহৰত নাটক মঞ্চায়ন হৈছে। মাইক্ৰফোন ব্যৱহাৰৰ আগতে অভিনেতা সকলে টান-টানকৈ চিঞৰি অভিনয় কৰিছিল, মাইক্ৰফোন ব্যৱহাৰৰ পিছত টান-টানকৈ চিঞৰিব লগা অসুবিধাটো আতৰিল। দীঘল নাটকৰ মাজত দৰ্শকক হাঁহিৰ খোৰাক যোগোৱলৈ দুই-এটা ধেমেলীয়া চৰিত্ৰৰ অৱতাৰণা কৰা হয়। মূল নাটক আৰম্ভ হোৱাৰ পূৰ্বে নৃত্য-নাটিকা মঞ্চস্থ কৰি লয়। যাত্ৰা পাৰ্টিৰ নাটক বোৰ প্ৰধানতঃ পৌৰাণিক, বুৰঞ্জীমূলক আৰু সামাজিক নাটক।

কামৰূপ জিলাৰ বাইহাটা চাৰিআলি সমীপৰৱৰ্তী তুলসী খৰিকটা গাঁৱত আজিৰ পৰা প্ৰায় ৭০ বছৰ পূৰ্বৰে পৰা ধাৰাবাহিক ভাৱে দেৱ-দামোদৰ দেৱৰ আৱিৰ্ভাৱ তিথিত এই যাত্ৰা পাৰ্টি আমন্ত্ৰণ জনাই আহিছে। খৰিকটা অঞ্চলৰ আবেগৰ আন এক নাম, এক চিনাকি হৈছে এই যাত্ৰা পাৰ্টি। অঞ্চলটোৰ প্ৰতি গৰাকী মানুহে হেপাহৰ অনুষ্ঠানটিলৈ অতি আগ্ৰহেৰে ৰৈ থাকে। দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা দামোদৰ দেৱৰ আৱিৰ্ভাৱ তিথিত দুয়োটা দিনতে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ জনাজাত নাট্যদল আমন্ত্ৰণ কৰা হয়। সৰু ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈ আটায়ে যাত্ৰা পাৰ্টি উপভোগ কৰিবলৈ আহে। আমিও শৈশৱৰ পৰা বৰ্তমানলৈ প্ৰতি বছৰে যাত্ৰা পাৰ্টি উপভোগ কৰি অনাবিল আনন্দ লাভ কৰোঁ। অৱশ্যে বৰ্তমান সময়ত বিভিন্ন ঠাইত যাত্ৰা পাৰ্টি আমন্ত্ৰণ জনোৱা পৰিৱৰ্তে থিয়েটাৰ আমন্ত্ৰণ জনোৱা দেখা যায় যদিও যাত্ৰা পাৰ্টিৰ গুৰুত্ব সদায়ে থাকি যাব।

# মানসিক চাপৰ পৰা মুক্তিৰ মন্ত্ৰ

তৃষ্ণাৰাণী নাথ
অতিথি অধ্যাপক
শিক্ষা বিভাগ

শৰীৰৰূপী বীণাৰ পৰা মধুৰ সংগীতৰ ঝংকাৰ সৃষ্টি কৰিবলৈ জীৱন কলা শিকাটো অনিবাৰ্য। মানসিক চাপৰ পৰা মুক্তিৰ মন্ত্ৰ এই কলাৰে অংগ। সৰু সৰু কৌশল জীৱনত প্ৰয়োগ কৰি আমি যি সুখ আৰু আনন্দ পাব পাৰো, তাৰ কল্পনা কৰাটো তেতিয়ালৈকে সম্ভৱ নহয়, যেতিয়ালৈকে সেইবোৰ অন্তৰেৰে অনুভৱ কৰিব পৰা নাযায়। টাইম মেনেজমেণ্ট, বায়'ফীডবেক, ৰিলেক্সেইছন এক্সাৰচাইজ, ট্ৰেন্সেডেণ্টেল মেডিটেশ্বন এইবোৰ হ'ব পাৰে একবিংশ শতিকাৰ অভিনৱ উদ্ভাৱন, কিন্তু এনে কিছুমান জীৱন পদ্ধতিৰ পয়োভৰ দেখা যায়, যি পদ্ধতিৰে জীৱন কটাই আমি আজিও মানসিক চাপক তেনেই সহজ পন্থাৰে নাইকিয়া কৰিব পাৰো। আজিৰ দিনত মানসিক চাপ ইমানেই সৰ্বগ্ৰাসী হৈ উঠিছে যে কেৱল মহানগৰ আৰু চহৰেই নহয় গাঁৱে-ভূঞে ইয়াৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। সকলো ঠাইতে মানসিক চাপজনিত ৰুগ্নতাৰ লক্ষণ দেখা পোৱাৰ মূলতে ৰুগ্ন ব্যক্তিত্ব আৰু ভুল জীৱন শৈলী। মানসিক চাপৰ স্থায়ী চিকিৎসা প্ৰশান্তিদায়ক ঔষধৰ দ্বাৰা নহয়, মানসিকতাৰ পৰিৱৰ্তনৰ দ্বাৰাহে সম্ভৱ হয়। কিছুমান ব্যৱহাৰিক আৰু সিদ্ধ উপায় অৱলম্বন কৰি আমি নিজেই এই পৰিৱৰ্তন আনিব পাৰো। আহকচোন এই উপায়বোৰ এবাৰ ফহিয়াই চাওঁ—



**১) কামকৰা ধৰণ সলনি কৰক ঃ-**

মানসিক চাপ জয় কৰিবলৈ নিজৰ চিন্তা আৰু ব্যৱহাৰ এই দুয়োটাতে সংশোধন অনাৰ প্ৰয়োজন। গঠনমূলক দৃষ্টিভংগীৰে জটিলৰ পৰা জটিলতৰ পৰিস্থিতিতো মানুহক লক্ষ্যত উপনীত কৰায়। সকলো সময়তে ভাল কথা ভবা, এইবুলি ভবা যে লক্ষ্যত উপনীত হোৱাৰ পথ সহজ, জটিল নহয়, জটিলতা আহিলেও হতাশ নোহোৱাকৈ থাকিব পাৰিলে নিজৰ লক্ষ্য অভিমুখে আগবাঢ়ি যাব পাৰিলে জীৱনৰ প্ৰতিটো মানসিক চাপৰ পৰা নিজকে মুক্ত কৰি ৰাখিব পাৰি।

**২) ক্ষমতাৰ অনুকুলে লক্ষ্য থিৰ কৰা ঃ-**

ঠিক সিমানখিনি কাম লওঁক, যিমানখিনি আপুনি কৰিব পাৰে। ক্ষমতাতকৈ অধিক কাম কৰিবলৈ ল'লে সি আপোনাৰ ওপৰত বোজা হৈ পৰিব। এনে পৰিস্থিতিত মানসিক একগ্ৰতা বজাই ৰখাটো জটিল হৈ পৰে আৰু কামো ঠিক মতে কৰিব পৰা নাযায়।

**৩) 'না' কৰাতো শালীনতা আছে ঃ-**

কোনো এটা কাম কৰিব নোৱাৰা অৱস্থাতো কামটো কৰিম বুলি কোৱাটো শালীনতাৰ লক্ষণ নহয়।

বৰং দুৰ্বলতাৰে পৰিচায়ক। কেতিয়াবা ব্যক্তিগত লাভৰ বাবে, কেতিয়াবা নিজৰ বন্ধু-বান্ধৰ আৰু পৰিচিতৰ মাজত লোকপ্ৰিয় হৈ থাকিবলৈ আমি বহুসময়ত এনে কাম কৰিম বুলি গাত লওঁ যাৰ বাবে না আমাৰ সময় আছে না ইচ্ছা আছে। এই পৰিস্থিতিয়ে অৰ্ন্তমনত অন্যৰশ্যকীয় মানসিক চাপ সৃষ্টি কৰে। এনে অৱস্থাত না হাতত লোৱা কাম ঠিকমতে পূৰা কৰিব পৰা যায় না নতুন কাম হাতত ল'ব পৰা যায়। ইয়াৰ পৰিণতিত আমি নিজে কাম কৰি পোৱা সন্তুষ্টিৰ পৰা বঞ্চিত হওঁ আৰু আনৰ কামত বাধা দিয়াৰ দোষত দোষী হওঁ। সেয়েহে কোনো কাম হাতত লোৱাৰ আগতে তাৰ ঔচিত্য আৰু সময়সীমা চালি-জাৰি চাইহে সিদ্ধান্ত লোৱা উচিত। কোনো কাম যদি পূৰাকৈ কৰিব নোৱাৰো বুলি ভাৱে তেন্তে শিষ্টতাৰে 'না' বুলি কোৱাটোৱেই ভাল।

**৪) কামৰ বাবে সদায়ে পৰিকল্পনা কৰি চলক ঃ-**

জীৱনত সদায়ে পৰিকল্পনামতে চলিব পাৰিলে ভাল। বহুতো লোকে পুৰুষত্বতকৈ ভাগ্যৰ ওপৰত বেছি বিশ্বাস কৰে। বহু সময়ত এনেকৈয়ে তেওঁলোকৰ কামো হৈ উঠে। কিন্তু যেনেকৈ কেঁচা মাটিৰ কলহ বাৰে বাৰে জুইৰ ওপৰত দিলে এটা সময়ত কলহটো ফাটি যায়, তেনেকৈ ভাবি-চিন্তি নকৰা কাম না প্ৰতিবাৰতে সম্পূৰ্ণ হয় না ই মনক শান্তি দিব পাৰে। ইয়াৰ লগতে সদায়ে মানসিক চাপ জড়িত হৈ আছে।

**৫) সময়ৰ সদ্-ব্যৱহাৰ কৰক ঃ-**

আধুনিক জীৱনত আঙুলিৰ মূৰত লিখিব পৰা এনে দুই এজন মানুহহে থাকিব পাৰে যি কেতিয়াও সময়ৰ হেঁচা ভোগা নাই। সফলতা তাতেই আছে যেতিয়া হাতত থকা সময়খিনিত ভাগৰ নলগাকৈ আৰু মানসিক চাপ নোহোৱাকৈ যিমান পাৰি সিমান কাম কৰিব পৰা যায়। গতিকে সময়ৰ সদ্-ব্যৱহাৰ কৰাটো সকলোৰে বাবে অতি প্ৰয়োজন।

**৬) নিজৰ মানসিক চাপৰ সীমা চিনি লওঁক ঃ-**

প্ৰতিজন মানুহৰে নিজৰ ক্ষমতা থাকে, আৰু থাকে তেওঁৰ মানসিক চাপৰ সীমা। এই সীমা পাৰ কৰা মানুহজনে কেৱল নিজেহে আটাইতকৈ ভালকৈ বুজি পাব পাৰে। এই সীমাৰ ভিতৰত থাকি কাম কৰিব পাৰিলে মানসিক চাপো নাবাঢ়ে আৰু কাম কৰাৰ সুখ উপভোগ কৰিব পাৰা যায়। কামটো কোনো বাধা নাহে।

**৭) ব্যক্তিত্বলৈ সংশোধন আনক ঃ-**

সকলো সময়তে ঘড়ীৰ কঁটাৰ লগত যুদ্ধ কৰা উচিত নহয়। খৰ-খেদা কৰি কৰা কামত হয় কামটো ভুল হৈ যায় নহয় কামটো মানুহজনৰ যোগ্যতা অনুৰূপে সিদ্ধ নহয়। বহু ক্ষেত্ৰত এনে কামত সময়ো বেছিকৈ লাগে। ইয়াৰ বিপৰীতে ভাবি-চিন্তি কৰা কাম সদায় ভাল হয়। সাফল্যৰ আন এটা মূলমন্ত্ৰ হ'ল কেতিয়াও কাৰো প্ৰতি বিদ্বেষ আৰু শত্ৰুতাৰে ভৰা প্ৰতিস্পাৰ্দ্ধৰ ভাৱ ৰখা অনুচিত। দৌৰি যদি জিকিবই লাগে তেন্তে সুস্থ মনেৰে দৌৰিবলৈ শিকক।

**৮) মনোৰঞ্জনেই হ'ল মনৰ টনিক ঃ-**

ভাল স্বাস্থ্যৰ বাবে জীৱনৰ ব্যস্ততাৰ মাজতো মনোৰঞ্জনৰ বাবে অলপ সময় উলিয়াই লোৱা উচিত। ইয়াৰ ফলত মনৰ বেটাৰী আকৌ এবাৰ চাৰ্জ হয় আৰু জীৱনত নতুন কিবা এটা কৰিবলৈ অনুপ্ৰেৰণা পোৱা যায়। ইয়াৰ বাবে কোনটো পথ বাচি ল'ব পাৰি সেইটো নিৰ্ভৰ কৰিব নিজৰ ব্যক্তিগত পচন্দ আৰু পৰিস্থিতিৰ ওপৰত।

**৯) ব্যায়মৰ বাবে সময় ঃ-**

মানসিক চাপৰ পৰা মুক্তি পোৱাৰ এটা সহজ উপায় হ'ল ব্যায়ম। এই ব্যায়ম যিকোনো ৰূপত সম্ভৱ হ'ব পাৰে। পুৱা-গধূলি খোজ কাঢ়া, জ'গিঙ, পাতলীয়া কচৰৎ, সাঁতোৰ, চাইকেল চলোৱ আৰু পাৰিলে খেলা-ধূলা কৰা।

**১০) টোপনি কম কৰাটো ভাল কথা নহয় ঃ-**

বয়স্ক জীৱনত দৈনিক ছয়ৰ পৰা আঠঘণ্টা নিয়ম মতে শুৱ পৰাটো মন-মস্তিষ্কক সতেজ কৰি ৰখা আৰু শাৰীৰিক ভাগৰ নোহোৱা কৰাৰ অব্যৰ্থ উপায়। শান্তিৰে এইখিনি সময় শুৱ পাৰিলে মনৰ সকলো চিন্তা, ব্যথা, আক্ৰোশ পলাই পত্ৰং দিয়ে আৰু ৰাতিপুৱা চকু মেলাৰ লগে লগে অনুভৱ হয় জীৱনটো যেন নতুন ৰঙেৰে ভৰপূৰ উঠিছে। কিন্তু কামৰ হেঁচাত আজি খুব কম মানুহৰে এইখিনি সৌভাগ্য হয়। ঘড়ীৰ কাঁটাক জয় কৰাৰ প্ৰচেষ্টাত টোপনিৰ সময় কেতিয়াবা কম কৰিবলগীয়া হোৱাটো গ্ৰহণযোগ্য হ'ব পাৰে কিন্তু দৈনিক এনেকুৱা হ'লে সিয়ে তন-মন দুয়োটাকে ভাগৰুৱা কৰি তোলে।

**১১) হাঁহক আৰু খুব হাঁহক ঃ-**

হাঁহিব পৰাটো স্বাস্থ্যকৰ, এই কথানো নাজানে কোনে? বৈদিক সংস্কৃত গ্ৰন্থসমূহত আমাৰ পূৰ্বপুৰুষসকলে হাঁহিক মন, মস্তিষ্ক আৰু হৃদয়ৰ বাবে উত্তম ব্যায়ম বুলি অভিহিত কৰিছে। যোগত ইয়াৰ বাখ্যা ব্যায়ামৰূপত কৰা হৈছে আৰু দৈনিক এবাৰ মনখুলি হাঁহিবলৈ পৰামৰ্শ দিয়া হৈছে।

হাঁহি মনৰ বাব সঁচাকৈয়ে ভাল টনিক। ই আমাক জীৱনৰ মানসিক চাপ, অৱসাদ, ভাগৰৰ পৰা মুক্তি দিয়ে। সম্বন্ধত থকা সৰু-সুৰা উত্তেজনাও হাঁহিয়ে নিমিষতে নোহোৱা কৰিব পাৰে। আৰু এতিয়াটো হাঁহিৰ 'হীলিঙ' ক্ষমতাৰ জৈৱ ৰাসায়নিক আধাৰো গম পোৱা গৈছে।

মানসিক চাপক বিদায় দিবলৈ হাঁহক, খুব হাঁহক। ইয়াতকৈ সৰল, কমখৰচী আৰু আনন্দদায়ক চিকিৎসা কি হ'ব পাৰে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ** *'মনৰ মায়াবী পৃথিৱী' — ডাঃ সতীশ আগৰৱাল।*

# সামাজিক উত্তৰণত যুৱ প্ৰজন্মৰ ভূমিকা

**কিশোৰ কুমাৰ শৰ্মা**
**স্নাতক তৃতীয় ষান্মাষিক**
**সাধাৰণ পাঠ্যক্ৰম**

মোৰ প্ৰতিটো কামে,
মোৰ প্ৰতিটো চিন্তাই,
এই দেশৰ বুকুত ৰচে,
শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন।।

মানুহ হৈছে সামাজিক প্ৰাণী। জন্মলগ্নৰ আদি যুগৰ পৰা মানুহে সমাজপাতি বাস কৰি আহিছে। সমাজ প্ৰতিষ্ঠা হোৱাৰ পিছৰ পৰা ইয়াৰ উত্তৰাধিকাৰী হৈছে ইটোৰ পিছত সিটো যুৱ প্ৰজন্ম। সমাজৰ শৈক্ষিক, সাংস্কৃতিক, বৌদ্ধিক, উত্তৰণৰ যোগেদি যুৱ প্ৰজন্ম আগবাঢ়ি আহিছে। যুৱ প্ৰজন্ম হৈছে সমাজৰ শিপা, নতুনত্বৰ আকাশ বন্তি। সামাজিক উত্তৰণৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ যি দায়িত্ব তথা কৰ্তব্যনিষ্ঠা সেয়া সুন্দৰকৈ পৰিলক্ষিত হোৱা দেখা গৈছে। যুৱ প্ৰজন্মৰ নৈতিক দায়িত্ব হৈছে সমাজখনক নেতৃত্ব দি এখন সুস্থ সমাজ গঢ়ি তোলাৰ চেষ্টা কৰা। যি সমাজে সঁচা অৰ্থত মানৱ সম্পদ গঢ়ি তুলিব পাৰে। সময় গতিশীল। গতিকে সময়ৰ লগত পৰিবৰ্তিত সমাজক এক যোগাত্মক তথা সৃষ্টিশীল লগতে বিৱৰ্তনকামী ন চিন্তাৰ প্ৰয়োজন আছে। এই চিন্তাক বাস্তবায়িত কৰিবলৈ যুৱ প্ৰজন্মই হৈছে মূল শিপা।

যুৱ প্ৰজন্মই সমাজ এখন সৃষ্টি কৰিব পাৰে অথবা ধ্বংস কৰিব পাৰে। সমাজ এখন কেৱল আৰ্থিক ভাৱে নহয় ভিন্ন ধৰণে আগবঢ়াই নিব পাৰি। সুস্থ পৰিৱেশৰ ৰচনাৰ যোগেদি আত্মপ্ৰকাশ কৰিব পাৰি। সামাজিক উত্তৰণত যুৱ প্ৰজন্মই শৈক্ষিক দিশটোত বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। শিক্ষাৰ জৰিয়তে আমি সুস্থ পৰিৱেশৰ লগতে এখন সুস্থ সমাজ গঢ়ি তুলিব পাৰো। হেম বৰুৱাদেৱে কৈছিল— 'আশা আছে বাবে পৃথিৱীখন ধুনীয়া।' ঠিক যুৱ প্ৰজন্মই নতুন প্ৰজন্মক উৎসাহ, প্ৰশংসা কৰাৰ সমান্তৰালকৈ আশা দি থকা পৰিলক্ষিত হৈছে। যি আশাই সমাজ এখনক নতুনত্বৰ গতিৰে আগ্ৰগামী কৰি তুলিব পাৰে। এইখন লাচিতৰ দেশ, শংকৰ-আজান, জয়মতী, মূলা গাভৰুৰ দেশ য'ত নেতৃত্ব দিব পৰাকৈ যুৱ সমাজৰ যুৱক-যুৱতী আছে। সমাজ এখনক দায়িত্বৰে আগুৱাই নিব পৰাকৈ দায়িত্ববোধ আছে। সমাজ এখনৰ সঁচা অৰ্থত উত্তৰণ তেতিয়াহে সম্ভৱ হ'ব যেতিয়া তাৰ বিকাশ, বুদ্ধি, বিবেচনা এশ শতাংশ থাকিব। বৰ্তমান যুৱ সমাজ শিক্ষিত সমাজ। শিক্ষাক মেৰুদণ্ড হিচাপে গ্ৰহণ কৰি নতুন প্ৰজন্মক বাট দেখুৱাই আহিছে। যি বাটেৰে নতুন প্ৰজন্মই সূৰ্যক পাব পাৰে, যি কাঁইটীয়া বাটেৰে যুৱ প্ৰজন্মই সংগ্ৰামেৰে আগবাঢ়ি হ'লেও নতুনৰ পথ প্ৰশস্ত কৰিব পাৰে। হেজাৰ বাধাক নেওচি সততা আৰু দৃঢ়তাৰে কৰা কৰ্ম উদ্যাম সঁচাকৈ লেখত ল'বলগীয়া। আধুনিকতাৰ গ্ৰাসত আগ্ৰাসী হৈ পৰা এই সমাজক নতুনৰ গতি খেদা ডেকা গাভৰুৱে সুস্থিৰ কৰি তুলিব পাৰিব। য'ত বিৰাজমান হ'ব সুস্থ পৰিৱেশ।

একতাই পৰম বল। সমাজ এখনত একতা নিতান্তই প্ৰয়োজন। একতাৰে আগবাঢ়ি গৈ কৰা কাৰ্যত সফলতা অতি সহজলভ্য। বৰ্তমান যুৱ প্ৰজন্ম দেশৰ সুৰুযমুখী ভৱিষ্যত তথা সম্ভাৱনাপূৰ্ণ নাগৰিক। গতিকে, বস্তুবাদী হোৱাতকৈ সমাজবাদী হৈ চিন্তা-চৰ্চাক প্ৰাধান্য দিয়াটো অতিকৈ প্ৰয়োজন। সমাজৰ হিতৰ বাবে কৰা মানে দহৰ বাবে কৰা কৰ্ম। গতিকে সমাজৰ ভালটোক ভাল বুলি প্ৰশংসা কৰিব পৰাটো আৰু বেয়াটোক শুদ্ধ পথলৈ অনাটো যুৱপ্ৰজন্মৰ গুৰুত্বপূৰ্ণ কৰ্ম। সামাজিক উত্তৰণত যুৱ প্ৰজন্মৰ এনেকুৱা ভূমিকা হোৱা উচিত যাৰ জৰিয়তে সমাজৰ লেহেমীয়া উত্তৰণে এক গতি লাভ কৰে। যি গতিত যুৱ প্ৰজন্মই নতুন প্ৰজন্মৰ ক্ষতি নোহোৱাকৈ আগবাঢ়ি যাব পাৰে লগতে সমাজখনক আগুৱাই নিব পাৰে। একবিংশ শতিকাৰ এই সময়ছোৱাত আমি সঠিক লক্ষ্য কৰিলে দেখা পাওঁ যে মানুহ আগতকৈ অধিক সামাজিক হৈ পৰিছে। যাৰ ফলশ্ৰুতিত সমাজৰ চিন্তা ধাৰাত বৈপ্লৱিক পৰিৱৰ্তন হৈছে। যি পৰিবৰ্তনৰ অধিকাংশ যুক্তিবাদী চিন্তা এই যুৱ প্ৰজন্মৰ। সামাজিক ক্ষেত্ৰখনৰ পৰা একো একোজন সমাজসেৱক আগবাঢ়ি আহিছে। যাৰ স্বপ্ন আৰু চিন্তা হৈছে সমাজ। যাৰ কলোৰিত হৃদয়ত বৈ আছে এখন সমাজৰ শুদ্ধ মানচিত্ৰ। যৌৱনৰ অফুৰন্ত শক্তিৰ জোৱাৰে যুৱ প্ৰজন্মৰ মনত সৃষ্টি কৰে এক মৌলিক সাৰ্বজনীন বিশ্ব ভাতৃত্ববোধৰ। সমাজ সচেতনতাৰ লগত গঢ়ি উঠে নিঃস্বাৰ্থ মনোভাৱ, যাৰ ফলত যুৱ প্ৰজন্মই এক অনুকল্প সমাজ গঢ়াৰ সপোনত নিমগ্ন হয়। অন্যায়ৰ হকে যুঁজিবলৈ লোৱা এই সমাজে বিশ্বৰ লগতে দেশৰ বহুবোৰ সামাজিক বিপ্লৱত অংশগ্ৰহণ কৰিছিল

য'ত অংশগ্ৰহণ কৰা লোকসকলৰ অধিকাংশ লোক আছিল যুৱ প্ৰজন্মৰ যুৱক-যুৱতী। বিমূৰ্ত চিন্তাৰ বিপৰীতে মূৰ্ত চিন্তনৰ ক্ষমতা যুৱ প্ৰজন্মৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। যি বৈশিষ্ট্যই স্বাধীন আৰু প্ৰাথমিক চিন্তাধাৰাৰ বিকাশত যথেষ্ট অৰিহণা যোগায়। এইখন সমাজতে দিনক দিনে সংঘটিত হৈ আছিল বৰ্বৰ নিৰ্যাতনৰ ঘটনা। সংঘটিত হৈ আছিল এইখন সমাজতে মানুহক নৰপিশাচলৈ পৰিবৰ্তন কৰাৰ ঘটনা। সংঘটিত হৈ আছিল এইখন সমাজতে শোষিত শ্ৰেণীৰ শোষণ কাৰ্য। ইয়ৰ সঁচা অৰ্থত সমাজত সজাগতা আৰু সচেতনতাৰ প্ৰয়োজন আছিল। প্ৰয়োজন আছিল সমাজৰ বৰ্বৰ লোকক দমন কৰাৰ। প্ৰয়োজন আছিল সমাজৰ নিৰ্যাতন কৰা লোকক উচিত বুজনি দিয়াৰ। প্ৰয়োজন আছিল সমাজৰ শোষকক শোষণ কৰাৰ পৰা দূৰত ৰখাৰ। প্ৰয়োজন আছিল এখন সমাজৰ মানুহৰ মৌলিক প্ৰয়োজন অন্ন, বস্ত্ৰ, বাসস্থানৰ অভাৱ পূৰণ কৰাৰ।

বৰ্তমানৰ যুৱ প্ৰজন্মই এনেবোৰ সমাজৰ আসোঁৱাহ দূৰ কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ সফলতা লাভৰ কাৰণ হৈছে যুৱ প্ৰজন্মৰ সমাজসেৱা, মানৱসেৱা আদিৰ প্ৰতি থকা শ্ৰদ্ধা। সমাজসেৱা এটা মহৎ কাম। 'জীৱৰ সেৱাই শিৱৰ সেৱা' বুলি আমাৰ শাস্ত্ৰত উল্লেখ আছে। গতিকে সংস্কাৰমুখী মনোভাৱেৰে যুৱ প্ৰজন্মই উঠি আহি নিজৰ কৰ্মখিনি নিষ্ঠাসহকাৰে, সততাৰে আৰু সৎ সাহসেৰে কৰি গ'লেই এক নতুন দিগন্তৰ সূচনা হ'ব। সমাজৰ সুস্থ-সৰল চিন্তাৰ যোগেদি, নেতৃত্ব আৰু কৰ্মৰ মাজেৰে দেশে উন্নতি তথা শান্তিৰ মুকুট পৰিধান কৰাৰ বাবে উজ্বলি উঠিব আৰু উন্নতিৰ জখলাত অগ্ৰগামী হ'ব। কৃষি প্ৰধান দেশখনত বৰ্তমানৰ সামাজিক ব্যৱস্থাই তুলি ধৰিছে এক ভৱিষ্যতৰ চিত্ৰ। এই ক্ষেত্ৰত যুৱ সমাজৰ কৰণীয় অপৰিসীম। যুগৰ লগত আগুৱাই যাবলৈ নতুনক আদৰাৰ মানসিকতা আমাৰ প্ৰত্যেকৰে থকা উচিত যদিও আমি নিজস্ব কলা-সংস্কৃতি পাহৰি যোৱাটো সমূলি অনুচিত। যুৱ প্ৰজন্মই এই ক্ষেত্ৰত পুজিবাদী অৰ্থনীতিত সম্পূৰ্ণৰূপে ডুব নাযায় সমাজৰ প্ৰত্যেক স্তৰৰ মানুহৰ উন্নতি কেনেকৈ সাধন কৰিব পাৰি সেই সম্পৰ্কে গঠনমূলক চিন্তা-চৰ্চা তথা কাৰ্যপন্থা গ্ৰহণ কৰাটো উচিত।

গতিকে যুৱ প্ৰজন্মই কাল্পনিক জগতৰ মায়া মোহৰ পৰা আঁতৰি প্ৰকৃত সত্যক স্বীকাৰ কৰি প্ৰত্যেকৰে বাবে সদভাৱ, সন্মান, শ্ৰদ্ধা, সহায়ৰ মনোভাৱ ৰখাটো নিতান্ত প্ৰয়োজন। সামাজিক উত্তৰণত যুৱ প্ৰজন্মই যুগে যুগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাটো কাম্য।

# নাছাৰ বিষয়ে কিছু কথা

**জ্যোতিষ্মা ডেকা**

*স্নাতক তৃতীয় ষন্মাষিক, শিক্ষা বিভাগ*

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনত অৱস্থিত নাছা (NASA) হ'ল মহাকাশ গৱেষণাৰ লগত জড়িত এটি সংস্থা 'নাছা'ৰ সম্পূৰ্ণ নাম হ'ল— Natilnal Aeronautics and Space Administration. নাছাৰ জন্ম হয় হয় ১৯৫৮ চনৰ ২৯ জুলাই তাৰিখে। নাছাৰ মূলমন্ত্ৰ হ'ল— 'For the benefit of all'

১৯৫৭ চনৰ ৪ অক্টোবৰত বিশ্বৰ প্ৰথমটো মানৱ নিৰ্মিত উপগ্ৰহ ছোভিয়েট ৰুছিয়াই উৎক্ষেপনৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰই মহাকাশ গৱেষণাৰ যুঁজত অগ্ৰসৰ হোৱাৰ নিমিত্তে 'নাছা' গঠনৰ প্ৰস্তাৱ কৰে। ১৯৫৮ চনত আমেৰিকাই প্ৰথমটো Earth artificial Satelite প্ৰক্ষেপ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি Swight D. Eisenhoeere য়ে ১৯৫৮ চনৰ ২৯ জুলাইত National Aeronautics and space act. ত চহী কৰি 'নাছা'ক আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰে। ১ অক্টোবৰৰ পৰা 'নাছা'ত আনুষ্ঠানিকভাৱে মহাকাশ গৱেষণাৰ কাম আৰম্ভ কৰে। আৰম্ভণিতে 'নাছা'ই চাৰিটা গৱেষণাগাৰত কাম চলায়। জাৰ্মান ৰকেট কৰ্মসূচীৰ তত্বাৱধায়ক Wornher Von Braun ক আমেৰিকা মহাকাশ আঁচনিৰ পিতৃ বুলিব পৰি। ১৯৬১ চনৰ ৫ মে'ত আমেৰিকা মহাকাশচাৰী এলন ছিপাৰ্ডে Freedom-1 যানত পাইলট হিচাপে গৈ মহাকাশত যোৱা প্ৰথমজন আমেৰিকানৰ সৌভাগ্য লাভ কৰে। ১৯৬৫ চনৰ ২৩ মাৰ্চত আমেৰিকাৰ Gus Grisson আৰু John Young ৰ নেতৃত্বত Gemini-3 মহাকাশলৈ প্ৰেৰণ কৰা হয়। ১৯৬২ চনত নাছাই শুক্ৰগ্ৰহলৈ Mariner-2 পঠিয়াই। এইখনেই শুক্ৰলৈ যোৱা প্ৰথম মহাকাশ যান।

ইয়াৰ পিছত নাছাই চন্দ্ৰলৈ যোৱাৰ সপোন দেখে। প্ৰথমে Appllo-1 চন্দ্ৰলৈ পঠিয়াই যদিও যান্ত্ৰিক বিজুতিৰ বাবে আটাইকেইজন এষ্ট্ৰ'নাটৰ মৃত্যু হয়। Apollo-I জুই লাগি ভস্মীভূত হয়। ইয়াৰ পাছত কেইবাখনো মানৱবিহীন যান চন্দ্ৰলৈ পঠিয়াই। ১৯৬৯ চনৰ ২০ জুলাইত Apollo-II নামৰ যানত নীল আমষ্ট্ৰং আৰু এলড্ৰিন চন্দ্ৰলৈ যাত্ৰা কৰে আৰু চন্দ্ৰত পদাৰ্পন কৰে। ই আছিল নাছাৰ উল্লেখযোগ্য সাফল্য। ইয়াৰ পূৰ্বে মানুহে চন্দ্ৰত খোজ পেলাব পৰা নাছিল। আনহাতে স্কাইলেব হ'ল আমেৰিকাৰ প্ৰথমটো মহাকাশ আস্থান। ১৯৭৫ চনত নাছাই ছোভিয়েট মহাকাশ আঁচনিৰ সহযোগত Apollo Soy UZ test project ৰূপায়ণ। সত্তৰ দশকৰ শেষৰফালে নাছাই Space Shuttle নিৰ্মাণ কৰে। ১৯৮৫ চনলৈ মুঠতে চাৰিখন Space Shuttle নিৰ্মাণ কৰে। ১৯৮১ চনৰ ১২ এপ্ৰিলত কলম্বিয়া প্ৰক্ষেপ কৰে। শেহতীয়াভাৱে ৰাছিয়া, আমেৰিকাৰ মুখ্য সহযোগত মহাকাশত 'আন্তৰ্জাতি মহাকাশ আস্থান' (International Space Station) স্থাপন কৰা হয়। নাছাৰ শৈক্ষিক কাৰ্যালয়ৰ মন্ত্ৰ হ'ল— 'Shaping the future : Luanching New Encleavors to Inspire the next Generation of Explarers.'

# জীয়াই থকাৰ আলাপ

**অনিমা বেগম**
**স্নাতক দ্বিতীয় ষান্মাসিক**
**অৰ্থনীতি বিজ্ঞান বিভাগ**

সময় নিৰবধি আৰু মানুহৰ জীৱন তেনেই চুটি। বৰ্তমান সময়ত এই চুটি জীৱনটো মৰ্মান্তিক দুখ, বুকু ভঙা আৰ্তনাদৰ আধাৰ বুলি ভাবে, এয়া ভুল। সময়ৰ দৰে যদি জীৱনটোও অনন্ত হ'লে হয় তেতিয়া মানুহৰ বাবে সময়ৰ মূল্য নাথাকিলহেঁতেন। যদি জীৱন অন্তহীন হ'লে হয়, তেতিয়া আমাৰ কাৰণে এই চুটি জীৱনটো ইমান আদৰণীয় নহ'লে হয়। জীৱনত আজিৰ দিনটো কাইলৈ বিচাৰি নাপাম, সেইবাবে জীৱনত সময়ৰ মূল্য অসীম। জীৱন ক্ষণস্থায়ী যদিও এক বিশাল কৰ্মক্ষেত্ৰ। মানুহৰ জীৱনক সময়েৰে আৰু কামেৰেও জুখিব পাৰি। কৰ্মময় জীৱনে প্ৰকৃত আৰু কাম্য জীৱন। প্ৰত্যেক জীৱনৰে তাৎপৰ্য আছে। মহৎ সম্ভাৱনা নিহিত হৈ থাকে জীৱনৰ প্ৰতিটো স্তৰত। মানুহৰ বাবে জীৱন প্ৰিয়। জীয়াই থকা মানে জীৱন জানো? সুখ-দুখ, ঘৃণা-প্ৰশংসা, ঠগ-প্ৰৱঞ্চনাৰ অনুভূতিয়ে জীৱন নে? অৰ্থনীতিত পোৱাৰ দৰে মানুহৰ অভাৱ অসীম। যিমানে অভাৱ পূৰণ হ'ব সিমানে মানুহৰ অভাৱ বাঢ়ি যায়। পোৱা নোপোৱাৰ মাজতো মানুহে জীৱনক ভাল পায়। "We live in deeds and not in thoughts" হোমেন বৰগোহাঞি দেৱে কৈছিল— 'মই কিতাপ পঢ়ি যিমান ভাল পাওঁ, ঠিক সিমানেই ভাল পাওঁ কাম কৰি। অৱশ্যে, কাম কৰা মানে কেৱল শাৰীৰিক শ্ৰম কৰিবলগীয়া কামবোৰক বুজিব নালাগে। কিতাপ লিখা বা ছবি আঁকা বা শিক্ষকতা কৰাটোও একোটা কাম। চিন্তা কৰাটোও এটা কাম।'

'জীৱন জীয়াবলৈ মানুহক মানুহৰ প্ৰয়োজন।' এই যে হতাশগ্ৰস্ত হৈ ভাগি পৰা প্ৰতিজন মানুহকে মানুহৰ প্ৰয়োজন। কিন্তু থাকে জানো নিজৰ মানুহবোৰ? পৃথিৱীখন সজাই থাকোতে দেখোন মানুহবোৰ হেৰাই যায়। মনেৰে ঢুকি পাব পাৰিম জানো মানুহক? আমি মানুহবোৰেই দেখোন মানুহক বান্ধি ৰাখিব নোৱাৰো। আচলতে মানুহবোৰ একোটা প্ৰশ্নবোধক? মানুহৰ জন্ম হ'ল কিয়, মৃত্যুৰ বাবেই নে? ভাবিছেনে কেতিয়াবা এই গতানুগতিক ব্যস্ততাৰে ভৰপূৰ জীৱনত মৃত্যুৰ কথা? হোমেন বৰগোহাঞিয়ে কৈছে 'জীৱনৰ অনিবাৰ্য পৰিণতি হৈছে মৃত্যু। মৃত্যুক কোনেও জয় কৰিব নোৱাৰে। মৃত্যুক সুন্দৰভাৱে গ্ৰহণ কৰিব পৰাটোহে হ'ল জীৱনৰ অন্তিম বাৰৰ বাবে কৰিব পৰা এটি আটাইতকৈ উত্তম কাম।'

নিয়তিৰ খেলাত মৃত্যু আচৰিত। কাৰ কেতিয়া কি হয় কোনেও ক'ব নোৱাৰে। মৃত্যুৰ পিছত সপোনবোৰৰ কি হয়? জীয়াই থাকোতে পূৰণ নোহোৱা সপোনৰ মৃত্যুৰ পিছত জানো মূল্য থাকে? নিয়তিয়ে শুৱাই পেলাই, বুকু শুদা কৰি হেৰাই যায় আপোনজন। এৰি যোৱাৰ পিছত আপোনজন আকৌ উভতি আহেনে? কেতিয়াও উভতি নাহে। ককাই কৈছিল 'মই গুচি যোৱাৰ পিছত কিন্তু কেতিয়াও ঘূৰি নাহো।' হয় ককাই কোৱা কথাষাৰ সঁচা। গুচি যোৱাৰ পিছত মানুহ উভতি নাহে। জীয়াই থাকোতে যে মানুহজনৰ লগত সময় কটাব পাৰি মৃত্যুৰ পিছত সকলো আধৰুৱা। ককাই যেতিয়া মোক কৈছিল 'অনি, মোৰ নখ কেউটা কাটি দিচোন।' আজিও মোক সেই মাতষাৰে লৈ যাব খোজে। কিমান কান্দিম মই? আজিও দৃশ্যান্তৰ চকুৰ আগত থকা এচমকা আন্ধাৰ। পাৰিব কোনোবাই এই বিৰহ অনুভৱ কৰিব? আগতে প্ৰায়ে ভাবিছিলো, মানুহৰ মৃত্যু হ'লে তেওঁলোকৰ পৰিয়ালে বাৰু কেনেকৈ থাকে নীতি-নিয়মৰ মাজেৰে। আচলতে ঘটনাবোৰ যেতিয়া নিজৰ লগত হয় তেতিয়া অনুভৱ হয় ভগৱান, আল্লাইহে শক্তিকণ দিয়ে। সহজ কথা নহয় এয়া, সদায় দেখি থকা, কথা-বতৰা কৈ থকা, ভাল মানুহবোৰ হঠাৎ গুচি যোৱাৰ বিৰহত ওৰে ৰাতি কন্দা। যিমানেই হাঁহি-ধেমালিৰে পাৰ হ'ব ৰাতি, সিমানেই চকুলো টুকিব। ভাল আপোন মানুহবোৰ এৰি যায়, কিন্তু নৰ পিশাচবোৰে পৃথিৱীখন লেতেৰা কৰি থাকেচোন, কিয় তেওঁলোকৰ একো নহয়?

এয়াই নেকি সময় যাৰ সোঁতত সকলো সলনি হয়? তথাপি জীৱন থমকি নৰয়। গতি অবিহনে গতি নাই।


# Ego-Involvement in Learning:
## Understanding its Impact on Motivation, Engagement, and Achievement

**Dr Babita Das**
Associate Professor
Department of Education

***"From the first day of infancy we are continually learning new skill, acquiring fresh information and forming beliefs and attitudes. All these things are learned and learning goes on not only in school and at home but also in streets, cinemas and elsewhere."*** **- E.A.PEEL.**

Learning starts from the very beginning of our life. It goes on throughout our lives and it is a never ending process. This uninterrupted learning process is made up of the individual's desires, egos, motives and interest. In psychological literature the concept of Ego-Involvement has come in for considerable discussion in the last few years. Gordon Allport was one of the American psychologists to focus on the study of the personality. He rejected two of the dominant schools of thought in psychology namely, psychoanalysis and behaviourism in favour of his own approach that stressed the importance of individual differences and situational variable. He conducted numerous studies in this field and analyzed the relationship between the principles of learning and ego involvement.

Ego-involvement in learning refers to the extent to which an individual's self-esteem, identity, and sense of worth are intertwined with their academic performance and achievements. This phenomenon has garnered significant attention in educational psychology, as researchers seek to understand how students' ego-involvement influences their motivation, engagement, and ultimately, their academic success. At its core, ego-involvement reflects the degree to which students perceive their academic performance as a reflection of their competence, intelligence, and worth as individuals. Individuals who are highly ego-involved tend to view success as validation of their abilities and failures as threats to their self-esteem. Consequently, they may be more likely to engage in achievement-oriented behaviours, such as seeking out challenging tasks, setting ambitious goals, and investing considerable effort into their academic pursuits. However, the flip side of ego-involvement is the potential for negative consequences, particularly in the face of setbacks or failure. Students who are heavily invested in maintaining a positive self-image may be more susceptible to experiencing anxiety, fear of failure, and avoidance behaviours when confronted with academic challenges. Moreover, the pressure to maintain a favourable self-image may lead to maladaptive coping strategies, such as procrastination, perfectionism, or cheating, in an effort to protect their ego from perceived threats. Understanding the nuanced interplay between ego-involvement and academic




performance requires consideration of individual differences, contextual factors, and the dynamic nature of motivation and self-concept. For some students, ego-involvement may serve as a powerful motivator, driving them to excel academically and achieve their goals. For others, it may become a barrier to learning, hindering their ability to take risks, persevere through difficulties, and seek help when needed.

Here, in this topic, it will delve into the psychological mechanisms underlying ego-involvement in learning, explore its implications for student motivation, engagement, and achievement, and examine strategies for promoting adaptive forms of ego-involvement that support academic success and well-being. By gaining insight into the complex relationship between ego-involvement and learning outcomes, educators and researchers can develop targeted interventions to support students in navigating the challenges of academic life while fostering a healthy sense of self-esteem and motivation to learn.

In addition to understanding the psychological mechanisms underlying ego-involvement, it is essential to explore the practical implications for educational practice. Educators play a critical role in shaping students' perceptions of success and failure, and their approach to assessment and feedback can significantly impact students' ego-involvement in learning.

One key consideration is the importance of fostering a growth mindset—a belief that intelligence and abilities can be developed through effort and perseverance. By promoting a growth mindset culture in the classroom, educators can encourage students to view challenges as opportunities for growth rather than threats to their self-worth. Emphasizing the value of effort, resilience, and learning from mistakes can help mitigate the negative effects of ego-involvement and cultivate a more adaptive approach to learning.

Furthermore, educators can adopt assessment and feedback practices that promote mastery-oriented goals and intrinsic motivation. Providing constructive feedback that focuses on specific aspects of students' performance and offers guidance for improvement can help students develop a sense of competence and autonomy in their learning process. Additionally, incorporating formative assessment techniques, such as self-assessment, peer feedback, and goal-setting, can empower students to take ownership of their learning and reduce their reliance on external validation.

Creating a supportive learning environment where students feel safe to take risks, make mistakes,

and ask for help is also essential for addressing the negative consequences of ego-involvement. Encouraging collaboration, fostering a sense of belonging, and promoting a growth mindset can help mitigate the fear of failure and foster a culture of resilience and continuous improvement.

Additionally, it's crucial for educators to recognize and address individual differences in ego-involvement among students. While some students may exhibit high levels of ego-involvement and be motivated by external validation, others may have a more intrinsic motivation and less concern about their self-image in relation to academic performance. For students with high levels of ego-involvement, educators can implement strategies to help them manage the pressure and anxiety associated with academic success. This may include teaching stress management techniques, promoting self-compassion, and providing opportunities for students to reflect on their strengths and achievements beyond academic performance.

Understanding the impact of ego-involvement on student motivation, engagement, and well-being is essential for educators seeking to create supportive and effective learning environments. By adopting strategies to promote a growth mindset, mastery-oriented goals, and a sense of belonging, educators can empower students to develop a healthy relationship with academic achievement and thrive both academically and personally. It is important for educators to engage in ongoing professional development and self-reflection to enhance their understanding of ego-involvement and its implications for teaching and learning. By staying informed about current research on motivation, self-concept, and student well-being, educators can continually refine their instructional practices and support strategies to meet the diverse needs of their students. Incorporating social-emotional learning (SEL) practices into the curriculum can also help address ego-involvement issues by promoting self-awareness, social awareness, and responsible decision-making. By integrating SEL competencies such as self-regulation, empathy, and relationship skills into daily classroom routines, educators can create a supportive and nurturing environment where students feel valued, understood, and capable of navigating academic challenges.

On the other hand, promoting open communication and collaboration between educators, students, and families is essential for addressing ego-involvement issues effectively. By establishing clear expectations, providing regular feedback, and involving parents and caregivers in the educational process, educators can create a network of support that reinforces positive attitudes towards learning and achievement.

Incorporating experiential and inquiry-based learning approaches can provide students with opportunities to explore their interests, collaborate with peers, and engage in meaningful, self-directed learning experiences. By encouraging curiosity, creativity, and autonomy, educators can foster a sense of intrinsic motivation and fulfilment in students, diminishing the need for external validation.

It is very important for educational institutions to create a culture that values learning for its own sake rather than purely focusing on grades or external rewards. This shift in mindset can help alleviate the pressure associated with ego-involvement and promote a deeper appreciation for the intrinsic value of education

Ultimately, addressing ego-involvement in learning requires a holistic approach that considers the interplay of individual, interpersonal, and environmental factors. By promoting a growth mindset, fostering a sense of belonging, and providing opportunities for social-emotional learning, educators can empower students to develop a healthy sense of self-esteem and motivation that extends beyond academic performance. In conclusion, addressing ego-involvement in learning requires a multifaceted approach that involves promoting intrinsic motivation, fostering a growth mindset, and creating a supportive learning environment. By implementing these strategies, educators can empower students to develop a healthy relationship with learning, ultimately enhancing their academic success and well-being.

# Mathematics in Day to Day Life:
## A Glimpse




**Dr Kalpana Misra**
Assistant Professor
Department of Mathematics

According to Lancet Thomas Hogben, "Mathematics is the mirror of civilization". It is known to all that Mathematics has been playing a vital role since the early day of civilization in upgrading human culture and civilization. Mathematics helped man to overcome difficulties in the way of his progress. From human existence on the earth evolution of human civilization, mathematics has been an ardent companion of man. Devoid mathematics, our present civilization will come to a standstill.

Mathematics is the science of measurement, quantity and magnitude and deals with number and space. We cannot decide any issue without taking numerical and mathematical evidence in to account. When we learn mathematics as a subject in school or in college it is exceptionally a difficult subject. There are only some students those who are interested to learn mathematics. But in the morning when we wakeup up we start day to day life with mathematics. How we don't know, we don't feel. Nobody can live without mathematics for a single day in this world. A person may be housewife, farmer, labourer, shopkeeper, tailor, clerk, vendor, salesman, accountant, mason, driver, carpenter everybody used mathematics in their day to day life. Some knowledge of mathematics is absolutely necessary for them.

All the appliances in our home catering to our comfort and pleasure viz. TVs, computers washing machines, refrigerators, music players, heating and lighting devices find mathematics as the basis of their functioning. Billing energy consumptions of all the said appliances and modes of payment like case, credit cards etc. too exclusively use mathematics. We everyone has got to calculate our wages and buy things from the bazaar. In calculating our requirement and spending mathematics is required. Without mathematics it is impossible to pickup our groceries from a store. Decorating our home or laying new flooring or carpet also need mathematics to make precise measurements of surface area and required materials. Cooking also needs math in order to strike a balance in the amount of each particular ingredient, and also to calculate adequacy of requirement in terms of number of people we are feeding.

Mathematics finds overwhelming utility in many occupations that provide to the need of human life like accountancy, banking, shop-keeping, business, tailoring, carpentry, taxation, insurance, computer applications postal jobs etc. It is essential for smooth transactions, exchange trade, business, bargaining and in all forms of our monetary dealings.

Mathematics plays a key role in social organization and help maintaining our social structure. Short and long term policy making for social development is undertaken on the basis of statistical data and census which makes explicit use of mathematics. In essence, policy making and implementing agencies greatly depend on mathematics for their success in delivering to the need of the society.

Here we look over a small description of uses of mathematics in day to day life how mathematics provides a way of thinking that can apply to everyday situation. Mathematics is a mind booster, a source of happiness. It is well said by Alfred Renyi "If I feel unhappy, I do mathematics to become happy. If I am happy, I do mathematics to keep happy".

# MUSIC: A source of peace and happiness

**Abinash Neog**
Assistant Professor
Department of Education

*"Music gives a soul to the universe, wings to the mind, flight to the imagination, and life to everything."- Plato*


In the simplest term, music is a pattern of sounds, made by musical instruments or by voice or singing, which intends to give pleasure to the people, listening to it. It is a form of art, created by organizing pitch, rhythm and sounds, made by musical instruments and sometimes singing. There are different types of genres or kinds music like- Classical, Pop, Rock, Melodious etc. Music is not just a source of entertainment in our life, but it is something more than it. Music has great impact in every aspects of our life like education, games and sports etc. Even in the field of medical also music is as a sort of therapy. Hence music has great influence on physiological as well as psychological aspects of organisms.

Music is the source of happiness, source of relaxation, source of removal of stress. It is one of the best partners of human life. It gives peace to our mind and soul and livens up every moment of our life. It creates an exceptional emotion and feelings in every moment of our life. There is very few people who do not like music. Almost majority of the people of this world are influenced by music. Now a days, it is observed that youngsters in schools and colleges get hooked to their music players almost all the time, often listen to their favourite tunes while studying, reading a book or writing a paper. The tunes that are playing in their ears range from slow instrumental music to loud dance music or heavy metal. In our own life also we use to listen to music when we are engaging in different educational activities like reading, writing or doing mathematics and so on. This activity of listening to music influences or have an effect on various aspects related to the learning process like making our mind fresh before going for learning something and plays a great role as a stress free tool for the students. Music has significant impact on various aspects of learning process like attention, motivation, retention, concentration, stress-free mind etc. in order to bring effectiveness in the learning process. Numerous studies have been conducted to find out whether music has great impact in the learning process. According to Julia Atkin, music is known to have a powerful effect on our emotions - the limbic system - and selected music is thought to enhance the absorption and memory of information; and, the use of colour and images heightens the sensory information received by the brain and activates more modes of memory. Bishop and team (2007) studied on the Instructional software products which incorporate music in learning environments. Their investigation found that many instructional designers are using background music mainly because of the associative potential of music, sound effects, and narration which helps learners to process the material under study more deeply. This shows that music can help in enhancing the learning abilities.

Hence we may ensure from our own experience that listening to music is one of the best therapy to keep our mind as well body relax, sound and active. Most of the time we just listening to music without knowing its effect in our physiological as well as psychological areas. Numerous scientific and psychological studies have shown that music can lift our moods, combat depression, improve blood flow in ways similar to statins, and lower the levels of stress-related hormones. For the students also listening to music may have a great positive impact in their learning process or abilities. Music may bring effectiveness to the learning process in many ways. In the process of learning, when the students involve themselves in studying for a long period of time, they sometimes get bore. Likewise, before the examination when students are preparing for the exam they sometimes get stress. In such situation listening to one's favourite music can help in removing all these barriers of learning. Thus we may conclude here with the quote that "One good thing about music, when it hits you, you feel no pain."- Bob Marley.

# Features of Artificial Intelligence and its Impact on Society

**Mr. Kangkan Medhi**
Assistant professor
Department of Physics




**What is AI ?**

Artificial Intelligence (AI) refers to computer systems or machines that are designed to perform tasks that typically require human intelligence. These tasks include things like problem-solving, learning from experience, understanding natural language, and recognizing patterns. AI has ancient roots in stories of machines with human-like abilities. But it officially began as a scientific field in the mid-20th century. Pioneers like Alan Turing and John McCarthy imagined machines simulating human intelligence. Since then, AI has had ups and downs but is now experiencing a renewed interest and progress.

**Why AI ?**

We need AI because it makes things work better and helps us come up with new ideas. AI can analyze lots of information, do tasks automatically, make predictions, leading to increased productivity, making work easier and creating new solutions. It's especially useful in areas like healthcare, education, and technology, where it can solve tricky problems and give us valuable insights. Using AI can make our lives better, boost the economy, and help tackle important global issues.

**Types of AI**

Three types of AI on the basis of capabilities.

**1.Weak or Narrow AI:** Narrow AI is a type of AI that's really good at doing one specific thing smartly. It is the most common type of AI we have right now. But it can only do that one thing it is trained for and nothing else. That is why it is called "Weak AI." If we push it beyond its job, it could make mistakes in ways we don't know about. Things like playing chess, suggesting what to buy online, self-driving cars, understanding speech, and recognizing images are all examples of Narrow AI doing its thing.

**2.General AI:** General AI is like a super-smart robot that can do any smart task, just like a human. The goal is to make a system that thinks and figures things out on its own, just like we do. Right now, we don't have a system like that—it's still in the making. Scientists all over the world are working hard to create machines with General AI. But it is tough, and it will take a while before we have machines as smart as humans in every way. It's a big challenge, and researchers need time and lots of effort to make it happen.

**3.Super AI:** Super AI is like the champion among smart machines. It is when machines become even smarter than humans, doing every smart thing way better. It comes from the idea of general AI. Think of super AI as machines that can think, solve problems, make plans, learn, and talk all by themselves. Currently, it's just a concept, we don't have super AI in the real world yet. Making machines like super smart is a huge challenge but if we can do it, it might change the world.

**Some Features of AI**

**Smart learning:** "Smart Learning" refers to the ability of Artificial Intelligence (AI) systems to learn and improve from experiences and data in an intelligent manner. Unlike traditional computer programs that rely on explicit programming, smart learning involves the development of algorithms that enable machines to automatically adjust their behavior and improve their performance over time.

**Problem solving:** "Problem-solving" in AI refers to the ability of artificial intelligence to figure out and solve complex issues. It means that AI can tackle difficult problems and come up with solutions, making decisions to overcome challenges or find the best way to do a task.

**Natural Language Processing:** "Natural Language Processing (NLP)" is a way that computers understand and work with human language. It helps machines read, interpret, and respond to words in a way that's similar to how people communicate.

**Voice Recognition:** "Voice Recognition" is the ability of computers to understand and recognize human voice. It allows machines to listen to what people say and convert it into written text or commands.

**Automation:** AI Automation is when smart machines do tasks on their own, without people. These machines use Artificial Intelligence to make decisions, perform activities, and finish jobs automatically. This makes things work better and reduces the need for people to do tasks manually.

**Application of AI**

**AI in Automobiles**: Automobile companies companies are using smart computers(AI) to act like people. These computers help cars see and avoid things, like obstacles on the road. For example, self-driving cars or autonomous vehicles work on the same principle.

**AI in Smart Devices:** Artificial Intelligence is integrated into smart devices to enhance their performance. This includes devices like smart speakers, thermostats, and cameras, allowing them to learn and adapt to user preferences for a more personalized experience.

**AI in Facial Recognition:** Facial recognition is a common use of AI in different industries. Modern devices such as phones, laptops, and PCs utilize facial recognition technology to detect and identify users.

**AI in Navigation:**

· **Road Mapping**: AI in GPS helps users with accurate and timely information for safety. Companies like Uber use AI to operate efficiently and find the best routes. For example, Google Maps uses AI to evaluate traffic and construction, helping users find the fastest route to their destination.

**AI Healthcare:**

· **AI supports medical image analyses:** It helps clinics in examining body scans. This helps radiologists and cardiologists find details to treat critical patients. AI also prevents potential errors in reading electronic health records (EHRs), ensuring more accurate diagnoses.

· **AI in robotic surgery:** AI in robotic surgery means using smart technology in surgical robots. This helps them be more precise and make better decisions during surgeries. It involves using advanced computer programs and machine learning to improve how surgical robots work.

**Impact of AI on society**

AI has been getting better and better for about 6-7 years, but people really started paying attention when ChatGPT became available to everyone in November 2022. ChatGPT, made by a company called OpenAI in the U.S., is a special kind of AI software known as a Large Language Model (LLM). What sets it apart is its ability to talk like humans do, having learned from how people communicate on phones, the internet, and computers.

When we use ChatGPT, it can answer our questions just like a knowledgeable person, whether it is asked, a grammatical question, or a request to write a formal letter. It's pretty amazing. Big

companies like Google and Microsoft got excited about this new technology. In response to ChatGPT's popularity, they launched their own AI chatbots—Google Bard and Bing AI. Despite all the excitement about AI, some important people like Steve Wozniak, who co-founded Apple, are worried and say we should be careful about how fast we develop AI. Wozniak is concerned about AI-generated content and how it might affect online security. He thinks we need clear labels on AI-made stuff and rules for the industry. Wozniak says humans should take responsibility for what AI creates because AI doesn't have emotions and shouldn't replace humans.

One crucial impact of AI is that it may reduce the critical thinking skills of humans if people become heavily dependent on AI-generated content. The AI models are trained on a lot of internet text, so they could spread biases without knowing it. It's important to use AI carefully, considering its biases and risks, and making sure it helps human intelligence instead of replacing it.

Another big problem with AI is related to jobs, something we have seen happen throughout history with new technologies. For example, when smartphones came in, jobs for landline telephone operators disappeared. When cars arrived, people who drove horse carriages lost their jobs. Similarly, with the introduction of online websites, the jobs of booking clerks almost disappeared. But the issue with AI is seen as even bigger than before. One reason is that AI won't just affect one type of job, it is expected to have an impact on every kind of work.

However according to experts, AI and machine learning are expected to create more jobs than they replace. To take advantage of this trend and pursue a new career, it is essential to have the necessary skills. If we are interested in AI and want to shift into an AI-focused role, showcasing our knowledge and experience in AI development can give us a competitive advantage. To stand out and acquire the needed skills, we should enhance our technical abilities, complete online courses, understand the industry, gain practical experience, and develop soft skills. Since AI is still an emerging field, it requires extensive research and collaboration. Possessing soft skills will distinguish us from other developers who only focus on technical expertise.

**Ethical use of AI**

AI's influence is clear in things like deepfake videos, which use AI to create fake content that looks super real. There is even a deepfake video featuring Rashmika Mandana. Sometimes this technology may be dangerous because it can be misused to create misleading or harmful thing. The rise of deepfakes shows why we need to be careful and think about ethics as AI technology keeps growing.

Ethical use of AI involves employing artificial intelligence in a responsible and fair manner. Key principles include fairness, transparency, privacy protection, accountability, and ensuring that AI benefits society as a whole. Ethical considerations guide developers and users to make choices that align with moral values, avoid bias, and prioritize the well-being of individuals and communities. This approach ensures that AI technologies contribute positively to society while minimizing potential negative impacts. When we talk about AI being a problem for society, it is important to know that AI is only as good as the people using it. We need to be careful and make sure AI is created and used in a good and ethical way.This needs people from different fields, not just tech experts, but also ethicists, policymakers, and others. We have to create rules and guidelines for AI to make sure it helps everyone and doesn't hurt anyone. Also, we need to make sure AI is clear and can be checked. This means AI should be able to explain how it makes decisions and be checked by outside experts. This way, we can trust AI and make sure it helps society.

**References:**

https://medium.com/@mdi306681/the-truth-about-artificial-intelligence-and-chatgpt-dhruv-rathee-f63f26ce26cc

https://timesofindia.indiatimes.com/gadgets-news/what-apple-co-founder-steve-wozniak-has-to-say-about-ai/articleshow/100094715.cms

https://www.nexford.edu/ insights/how-will-ai-affect-jobs#:~:text=Artificial%20intelligence%20(AI)%20could%20replace,jobs% 20and%20a%20 productivity%20boom.

https://www.guru99.com/artificial-intelligence-applications-examples.html

# Glimpse of Space Exploration with our Recently Launched Mission

**Akangksha Kalita**
*Alumni, Department of Geography*

Space exploration, holds immense importance for a country on multiple fronts.

It serves as a catalyst for scientific discovery, advancing our understanding of the universe, celestial bodies, and fundamental physics. This knowledge not only contributes to human knowledge but can also lead to technological breakthrough that benefit various industries, thereby boosting a nation's economic growth.

Space exploration showcases a country's technological prowers and innovation capabilities, bolstering a nations ability to tackle complex challenges, fostering national pride and inspring younger generation to pursec careers in science and engineering.

Furthermore, space exploration fosters international collaboration, as countries often pool resources, expertise and data to achive common goals. This diplomscy encourages peacedul cooperation and can lead to improved international relations.

**India's race to space :-**

In only six decades, India has rapidly ascended as a global fortunner in space technology and exploration, with much credit attributed to the ISRO. The journey commenced in 1962 under the visionary guidance of Dr. Vikram Sarabhai.

ISRO's laurels extend to space exploration as well with beats like the chandrayaan mission for lunar exploration. The "Mars Orbiter Mission" (Mangalyaan) in 2013- and the initiation of "Astrosat" in 2015, marking the country's first dedicated astronomical pursuit.

**CHANDRAYAAN 3**

India's chandrayaan 3 lander achieved a historic soft landing on the moon south polar region, marking the country as the fourth to succeed in this beat. Building on lessons from the Chandrayaan 2 failure, ISRO modified 21 subsystens to enhance the Chandrayaan 3 lander's ecobustness. India's achievements extend beyond soft landing with familiarity in interplanetary spacecarft and a growing focus on scientific mission.

**Aditya L1 Mission :**

Roughly a week after the India Space Research Organisation (ISRO) soft-land a robotic lander and rover on the moon's south polar region, it lunched India's first space mission dedicated to studying the Sun, in the form of a spacecraft named "Aditya L1". Aditya L1 is equipped with seven instruments to observe the sun in multiple wavelengths, aiming to uncover its mysteries.

The landing of Chandrayaan 3 on moon is not the end but the beginning of the much more ambitions next chapter of the Indian space programme that is set to explore Lunar south pole, study the sun and put Indians in space on an Indian plateform under "Gangayaan" programme.

In conclussion, space exploration isn't just about venturing into the cosmos; it's a strategic investment that scientific progress, drives innovation, enhances national prestige and promotes global unity.

# Thriving at Different Stages of an ACADEMIC CAREER

**Theophil Inbuon**
Assistant Professor
Department of Chemistry

Every year, huge number of students passed out from school and colleges. There are many new career options and job opportunities. However, there is a wide skill gap among the youths. In a recent survey by Mindler, an online career-counselling platform, it is found that a staggering 93% of students who participated in the survey were aware of just seven career options—Law, Engineering, Medicine, Account and Finance, Design, Computer Applications and IT, and Management.

In India, there are thousands of career option but practically it comes down to the to a basic question - The career or job that you can get, considering your education, physical location, skills and more importantly the "vacancy available".

Though there are thousands of career options, it will be impossible to highlight all the options in one article. A few options will be highlighted here which a student can explore keeping in mind of their education and skills.

**Exam related to Higher Education after 12$^{th}$:**

| EXAMS | ELIGIBILITY |
|---|---|
| JEE | 12$^{th}$ Passed (PCM) |
| NEET | 12$^{th}$ Passed (PCB) |
| National Defence Academy and Naval Academy Examination | Class 12 & 12$^{th}$ Passed |
| Indian Maritime University Common Entrance Test | 12$^{th}$ Passed (PCM) |
| Indian Navy B.Tech Entry Scheme | 12$^{th}$ Passed (PCM) |
| Indian Army Technical Entry Scheme | 12$^{th}$ Passed (PCM) |
| National Institute of Fashion Technology (NIFT) Entrance Test | Class 12, 12$^{th}$ Passed & Graduate |
| National Institute of Design Admissions | Class 12, 12$^{th}$ Pass & Graduate |
| Indian Council of Agricultural Research ICAR AIEEA-UG-PG | 12$^{th}$, UG, PG |
| Integrated Program in Management Admission Test | Class 12 |
| All India Hotel management Entrance Exam NCHMCT JEE | Class 12 |
| Common Law Admission Test | Class 12 & 12$^{th}$ Pass |
| All India Law Entrance Test (AILET) | Class 12, 12+, LLB, LLM |
| Indian Institutes of Science Education and Research | Class 12 |
| CUET-UG | Class 12, 12$^{th}$ Passed |

**List of Exams related to Government Jobs after 12th:**

❖ Exams conducted by SSC

SSC CHSL, SSC MTS, SSC GD Constable, SSC Stenographer

❖ Exams conducted by Railway Recruitment Board

RRB ALP, RRB Group C

❖ Exams related to Security Forces

SSR, SSB, ITBP, CRPF, CISF


**Entrance Exams after Bachelor's Degree:**

| EXAMS | ELIGIBILITY |
|---|---|
| JEE | 12th Passed (PCM) |
| NEET | 12th Passed (PCB) |
| National Defence Academy and Naval Academy Examination | Class 12 & 12th Passed |
| Indian Maritime University Common Entrance Test | 12th Passed (PCM) |
| Indian Navy B.Tech Entry Scheme | 12th Passed (PCM) |
| Indian Army Technical Entry Scheme | 12th Passed (PCM) |
| National Institute of Fashion Technology (NIFT) Entrance Test | Class 12, 12th Passed & Graduate |
| National Institute of Design Admissions | Class 12, 12th Pass & Graduate |
| Indian Council of Agricultural Research ICAR AIEEA-UG-PG | 12th, UG, PG |
| Integrated Program in Management Admission Test | Class 12 |
| All India Hotel management Entrance Exam NCHMCT JEE | Class 12 |
| Common Law Admission Test | Class 12 & 12th Pass |
| All India Law Entrance Test (AILET) | Class 12, 12+, LLB, LLM |
| Indian Institutes of Science Education and Research | Class 12 |
| CUET-UG | Class 12, 12th Passed |

**List of Exams related to Government Jobs after Bachelor's Degree:**

- Indian Economic Service Exam (IESE) / Indian Statistical Service Exam (ISSE)
- Combined Defence Services Exam (CDS)
- UPSC Civil Services Examination (UPSC -CSE)
- RBI Grade B Examination
- SBI PO
- IBPS PO
- Staff Selection Commission Combined Graduate Level (SSC CGL)
- Teacher Exams (TET)
- Railway Entrance Exams
- LIC AAO
- ESE/IES ( Engineering Services Examination / Indian Engineering Services)
- ATC-AAI (Air Traffic Control -Airport Authority of India)
- Indian Army University Entry Scheme
- AFCAT

Apart from the above mentioned opportunities there are thousands of options which a student can explore but to thrive in whatever opportunities one has a desire to pursue, one must have an appetite for knowledge which is one of the major setback in one's career progression.



# Exploring Careers in Short Films and Animation: A Synoptic View

**Dr Nilmi Konwar**
Assistant Professor
Department of Political Science

Filmmaking is a broad and diverse field that includes animation, short films, documentaries, and traditional feature films. The emergence of digital platforms and changing narrative strategies have spurred interest in short films and animation as promising career paths in recent years. This article explores the advantages and disadvantages of pursuing a career in animation and short films.

While focusing on the positive side, animated short films and short films offer a platform for artistic expression. The freedom to experiment with original ideas, visual aesthetics, and narrative devices afforded to filmmakers and animators promotes creativity and artistic exploration. Short films and animation typically have smaller budget requirements than feature films, which makes them more affordable for aspiring animators and filmmakers. With the democratization of filmmaking tools and platforms, anyone with an ardor for storytelling can now realize their ideas without facing major financial obstacles.

Animated films and short films typically have shorter production schedules than feature films. Due to the short turnaround time, people can try out various roles, obtain invaluable practical experience, and quickly advance their skills. For aspiring animators and filmmakers, the iterative nature of short projects accelerates their learning curve. The exposure and acknowledgment at several film festivals which feature special sections for animated and short films give up-and-coming artists a stage

on which to present their work, get noticed, and be acknowledged by their peers. Attending a festival can lead to future partnerships and networking opportunities.

The impact of digital platforms and online distribution is huge. The emergence of digital platforms has changed how short films and animations are distributed. An international audience is available for creators through online streaming services, video-sharing websites, and niche blogs. Their work can reach a wider audience and gain more visibility thanks to this accessibility.

The opportunity to build a portfolio and launch a career is another positive aspect. Putting together a collection of short films or animations is a great way to demonstrate one's abilities and inventiveness. For those hoping to break into the more general categories of animation, filmmaking, or related industries, it can serve as a powerful calling card. A filmmaker's career may begin with a well-received short film. Filmmakers can delve into experimental storytelling and niche genres with short films and animation that might not be suitable for a big-screen release. The diversity of storytelling in the film industry can be enhanced by this niche focus, which can draw particular audiences and cultivate a devoted following.

It is often difficult to secure funding and maintain a career in short films and animation, even though these genres may have lower production costs than feature films. Financial constraints may limit creative aspirations by affecting the scope and quality of projects. Also, the limited revenue streams become a hurdle as monetizing animated films and short films can be difficult. It can be challenging for creators of short formats to maintain a steady income because, in contrast to feature films, which have a variety of revenue streams like box office receipts and distribution agreements, short formats frequently depend on grants, sponsorships, or freelance work. Because short films and animation projects are usually completed in a short amount of time, creators must work under intense time constraints. Tight deadlines can result in stressful working environments, which may have an impact on animators' and filmmakers' general health. Finding a balance between deadlines and quality becomes a never-ending task. As a result of short films and animations becoming more widely available on the internet, there is now more competition in the market. To stand out in a crowded field, one must possess not only extraordinary inventiveness but also successful marketing and promotional techniques to guarantee exposure and audience involvement. Traditional channels for the release of short films and animations are more scarce, despite the accessibility provided by internet platforms. It is difficult to secure theatre or television releases, which limits the opportunities for increased visibility and possible financial rewards. Highly specialized skill sets are especially necessary for animation as well as dedicated training is necessary to learn and master animation techniques, software, and technology. Comparing this specialization to more adaptable skill sets that can be applied to a variety of roles within the larger film industry may limit career options.

Short films and animations frequently have unpredictable success. Certain projects may go unnoticed while others receive widespread praise and recognition. It can be discouraging for creators to put time and effort into their projects when audience reception and industry response are erratic. When considering the advantages and disadvantages of a career in short films and animation, it is clear that these industries present special chances as well as difficulties. It's appealing to be able to express creativity, pick things up fast, and get visibility through festivals and online platforms. But the demanding nature of these professions is further highlighted by the need for specialized skills, heavy workloads, and uncertain financial futures.

Success in short films and animation ultimately frequently depends on a trifecta of skill, tenacity, and calculated judgment. Making a career out of filmmaking as a job option is not easy but to carve out a meaningful and sustainable career path in these dynamic and expressive realms of visual storytelling, aspiring filmmakers and animators must carefully navigate the changing landscape, utilizing the positive aspects while addressing the challenges.

**(Endnotes)**

# *CHOMANGKAN*: The ceremony for dead

**Hemphi Terangpi**
Assistant Professor
Department of Economics

Karbi is one of the significant indigenous tribes of Assam. They have five major clans (*Kur*): Terang, Teron, Enghee, Ingti and Timumg. The Karbis predominantly inhabit in the districts of East and West Karbi Anglong , Nagaon, Sonitpur, Tezpur, Sonapur of Assam. Just like the other tribes of the state Karbis also have their their own language and rich cultural heritage of their own. They celebrate festivals like *Rongker, Cho-jun, Chomangkan* . Among these rituals and festivals, *Chomangkan* holds its significant place owing to its reason of celebration. It is basically a ceremony dedicated to the dead people.

Karbis believe in immortality of the soul and believes that the departed soul reincarnates in their clan. So when a new baby is born in the family there is a name giving ceremony where the priest tries to determine which ancestor have reincarnated and name the baby accordingly. It is believed that only the ancestors in the name of whom the *Chomangkan* ceremony is already being performed will be able to re-incarnate. As it is believed that after the death of person the soul stays at a temporary abode and it is only through the rituals performed in *Chomangkan* ceremony that the soul will be able to reach "*Chom-Arong*" ( Land of the dead ancestors). Therefore *Chomangkan* ceremony is basically performed to guide the soul to reach *Chom-Arong* and is an integral and important part of Karbi people's way of living.

*Chomangkan* ceremony is of 3 types : 1.Harne' 2. Langtuk Chomangkan 3. Kan-Phla-Phla. The first one i.e; Harne' is performed generally by the Kings and royal families . Langtuk Chomangkan is performed by the rich and affluent families whereas Kan-Phla-Phla is performed generally by the common folks as it requires less expense than the other two.

There is an interesting story behind the *Chomangkan* ceremony. Before this the Karbi people used to carry out the ritual called "*Arpum Karhi*"for the dead. There was a person named *Thireng- Wangreng* ( the one who entered and returned from the land of death alive). One day his wife went seriously ill and inorder to save her they needed to perform a ritual with one-legged hen which was nowhere to be found. He decided that he is going to save her by any means thus travelling from place to place. It was during this travel that he happens to cross the mortal world and enters the land of death and found the necessary ingredients required for the ritual that will save his wife. During his return he happens to meet his wife. He surprisingly asked why she is here as she is ill, to which she replied that she has already left the land of mortal as she has died and that her " Arpum Karhi" ceremony has already been carried out and she is travelling to the land of dead ancestors to join them . Thireng Wangreng refused to let go of his wife and followed her to *Chom – Arong* where he learned about the rituals and its importance for the soul of the dead to travel to their land of dead ancestors. But since he has not died yet, he was told that he has to return back to the mortal world. After his return from *Chom – Arong* he framed the rules and rituals of "*Chomangkan* " that are performed today by the Karbis.



# Games and Sports : An Overview

**Dikshya Kakati**
B.A. 6th semester
Economics department

Games and Sports are essential parts of our lives. Games and Sports keep us in shape and ready for work. They keep us healthy, active, young and social. They impart to us a lesson on national harmony and solidarity. Games and Sports are crucial in helping the physique develop, which is just as important as the mind. A healthy body supports a healthy mind. Sports keep the body active and fit. Games and Sports are significant recreational activities. This activities allow us to relax and refuel. Games and Sports are frequently used interchangeable. However, they are both unique. A game is a multi-player activity with predetermined rules and an objective that the players attempt to accomplish. A player is a person who takes part in a game. Games are typically played by the masses for fun or amusement. Together with the idea of individual or team competence, the distinction between games

and the sports come from the difference in aim. A physical activity that is done in accordance with a set of rules, whether for self-indulgence, competition or a combination of both, is referred to as a sport. Sports are the kind of activities where a specific body movement is repeatedly used over an extended period of time. As examples we can take swimming and running. The sport involves an activity or activities in which a competitor's mental powers is assessed. The sportsperson or the individual controls the result in a game of any kind. Athletes or sports person are individuals who take part in sports.

Generally, there are two types of games. They are Indoor games and Outdoor games. Indoor games are those played in rooms and hallways; the most popular ones include chess, cards, carrom and ludo. This game brings positivity and peace in between families. Any indoor game encourages the development of critical cognative abilities and strengthens the brain regions involved in sophisticated reasoning and memory storage. Ingenious indoor activities improve the brain's ability to remember information and form strong associations even as we age. The another type Outdoor sports are those played on fields and in open spaces, such as hocky, cricket, tennis, football, basketball etc. These are the great approches to maintaining mentel fitness in addition to maintaining our physical health. This games also improve physical stamina. Since all of these games involve a lot of running, a person's stamina instantly increases significantly. Outdoor reaction strengthens our bones. Playing helps us strengthen our immunity. Playing these games actually hepls to solve problems with general health. The revitalise our bodies and minds. Sports get a lot of media coverage and public interest, particularly when it comes to the Olympics, Commonwealth Games, and Asian Games. The Olympic Games or the World Championships are among the many events that people have as their favourites. Many people spend a lot of time researching their favourite sports and activities. They go to sporting events to cheer on their favourite players and groups. Few kids actually have the chance to play against or with the players they grew up idolising, despite the fact that many kids want to be like their favourite athletes. Actually games and sports improves the individual's immunity because it improves blood flow throughout the body and prepares it for physical effort. Consequently, this aids in maintaining the best possible heart health. Additionally, it aids in lowering body fat perchantage. This improves the body's appearence and enhances one's beauty. This improves a person's IQ and Mental clarity. It energises and makes our mind happy.

Games have a huge impact on our lives. Sports are important for us to live a happy and peaceful lifestyle. Games and sports are benificial for exercising the body. Exercise gives the benefits in digestion and health. Many essential life skills are taught through sports. Sports can help us to build our character. Doing sports can teach us to be more disciplined, more responsible and more dedicated. Sports also develops personalities, social skills as a [redacted]nteract with their opponents as well as the teammates. It improves one's ability to work in a team giving the person's an exposure to the team culture, which is beneficial in professional life as well. Even the mere spectators of a sport interact with each other and support their respective teams by shouting; and resulting in overall happiness and a good social behaviour. Sports have nice scope for the sportsperson nationally as well as internationally. Games and sports teach us to go ahead in life by removing all the weaknesses. It makes us patient, punctual and courteous in life. It makes us bold and gives the feeling of happiness by reducing the occurance of anxiety and angry. It makes us physically fit and mentally comfort in our life.

# India's G20 Persidency 2023

**Puja Deka**
6th Semester
Department of Geography

"India's G20 Presidency will work to promote this iniversal sense of one-ness." Hence our theme– "One Earth, one family, one future."

–Narendra Modi, PM of India.

December 1st 2022 is a momentous day as India assumed the Presidency of the G20 forum, taking over from Indonesia. As the largest democracy in the world, and the fastest growing economy.

**Origin of G20 :**

The group of G20 compriser, (Argentina, Australia, Brazil, Italy, Japan, Republic of Korea, Mexico, Russia, Saudi Arabia, South Africa, Tiirkiye, United Kingdom and United states) and the European Union. The G20 was founded in 1999 after the Asian financial crisis as a forum for the Finace Ministers and Central Bank governors to discuss global economic and financial issues. The G20 was later upgraded to the level of heads of state government and was designated the "Premier Forum for International Economic Cooperation". Since 2011, the G20 summit is held annually, under the leadership of a roating presidency. The G20 inilially focused largely on broad macro economic policy, but it was since expanded its ambit to include trade, climate change, sustainable development, energy, environment, chimate change, anti-corruption etc.

**The G20 Summit in India :**

India hosted more than 200 meetings in more than 50 cities across 32 different working groups during its G20 presidency in 2023. These are meetings brought together leaders from governments, business, education and civil society to discuss and address global challenges such as climate chenge, digital change etc. The final summit of G20, 2023 was held in New Delhi, India on sep-95 to. India was the first country from Southe-Asia to hold the presidency of the G20. The venue for the summit war the "Bharat Mandapan International Exhibition Convention Centre" (IECC) at Pragati Maidan in New Delhi. The IECC is a State of the art convention centre with a capacity of over 7,000 people, which war inagurated by PM Modi. In addition to the member countries the G20 also invites a number of guest countries to participate in the summit. The guest countries for the event are Bangladesh, Comoros, Egypt, Mauritiur, Netherlands, Nigeria, Oman, Rwanda, Singapore, Spain, United Arab Emirates.

**Outcome of G20 Summit 2023 :**

Firstly, African Union, which represent 55 countries, war admitted a new member, and G20 becomes G21.

Secondly, New Delhi leaders Declaration has been signed by the country heads or per which inclusive grouth will be emphasised.

Thirdly, India Middle-East-Europe-USA corridor has been proposed and passed by the leaders of these countries.

Fourthly, Global Biofuel Alliance has been created by the member countries which will emphasise on the maximum use of Biofuel.

At, last India successfully concluded its presidency of the G20 on September 10, 2023. The two day of final summit in New Delhi was attended by the leaders from the world's 20 largest economics and focused on a number of key issues, including the Russia-Ukraine war, climate change and global health. The summit war widely seen as a success with many leaders praising India's leadership and its ability to bring together countries with different perspective. The inited states, for example called the summit an "Absolute Success", while the European union said that India had "played a constructive role" in addressing the challenges facing the world.

Overall, India's G20 Presidency was a accomplishment. The summit helped to strengthen India's Global leadership and its commitment to multilateralism. It also faciliated to promote co-operation between countries to addess the challenges facing the world.

***Source–*** *Wikipedia.*



# The Purpose : Our Life and Gita

**Aungana Choudhury**
H.S. 2nd Year (Science)

Gita is not a Religion nor does it Profees to be a Religion It Explains how we make the best of life with a Purpose and drow fulfilment byy living with God's total creation. In this world if you ask someone what they want in life, they may say success. They want success because they beliene that it makes them happy. They are searching their happiness in this materialistices world. The belief that happiness to be aquired from Outside world whether its from achievement or from people ar from what we are.

According to Gita, the ultimate purpose of life is only attaen peace, lone, realize God and our turn nature. First Question is Why to Realize God ar devotee to Krishna. It is beacouse Krishna is our supreme fathey and we all are his children. It is explained in vedic-seriptures. So, holy, seriptures says that purpose of our life is to rise above material conseiouseness and become Krishna conseious and Return back to Krishna. If we are not doing so and are cought up in only material activities that we are wasting our human life.

The Gita encourages us to live with Purity, strength discipline, honesty, kindness and integrity. In this way we can find our purpose and live it. What is material nature. When we are materially contaminated we are conditioned. False consciousness is exhibited under the impression that I am a product of material nature. This is called false ego. One who absorbed in the though of bodily conception cannot under stand his situation. Bhagvad Gita was spoken to liberate one from the bodily conception of life and Arjuna, put himself in this position in order to receive this information from the Lord one must become free from the bodily conceptions of life; that is the Preliminary activity for the

transcen dentalists. One who wants to become free, who wants to be come liberated must first of all learn that he is not this Material body. All the in structions of Bhagavad Gita are intended to awaken this pure consciousness.

In this world mens were quaralleling like cats and dogs. Men must be Intelligent to realize the importance of human life and refuse to act like ordinary animals. Animals can hill at her living animals, and there is no questions on their part but if a men kills at her living animals for the statisfication of his controlled taste, he must be responsible for breaking the laws of nature. In the Bhagavad Gita it is clearly explained that there are three kinds of activities according to modes of nature. The activities of goodness, of passion of ignorance. Similarly there are three kinds of eat ables also; eatables in goodness; passion and ignorance. All of this is clerly dercribed and if we properly utilize the instewetions of Bhagavad Gita then our whole life will become purified and ultimately we will be able to reach the destinations which isbeyond this material sky.

Those whose intelligence has been stolen by material desires surrender into demigods and follows the particular rules and regulations of worships according to their own nature. In Gita it is planty said that those who are dirty lust worship the demigod and not the supreme lord Krishna. When we mentioned the Krishna we do not refer to any suretion name Krishna means the highest pleasure and it is confirmed that the supreme lord is the resucvair or storihouse of all consciousness and they are after happiness. The lord is pernentually happy and if the living entities associate with the lord, co-operate with him and takes part in his associations, then they also become happy.

In present day Anger is a turbulence that take place in side. We Justify it and we blame the whole world for what we are feeling. The anger could be because of one person and it might show upon another we vent owe Anger in varius ways and towords verious people Krinshna says to control our emotions one has to realize that you are not your emotions but emotions are a product of your mind thus you have control our how you act on hour emotion, practising continous monitoring of what goes in our mind. And our emotion need to be monitored with time and practise this become second nature.

There are many examples given of how we are to utilize those things which are set a side for us by the lord. In begining Arjuna decided that he should not fight in the Battle of Kurushetra. This was his own decision Arjuna told Krishna that it was not possible for him to enjoy the kingdom after killing his own kinessmon. This decision was based on the body because he was thinking that the body was himself. And that his bodily relations or expansions were his brothers, nephews, brother-in-law grandfather and some therefore he wanted to statisfy his bodily demands.

Krishna also tell us that if you want to achieve something in life. But instead of taking our actions towards it. If you put that responsibility in God or on your luck. You think that God should me in every situations and help me to acheive my goals without any efforts them with this type of thoughts process you will always get he worst results and failure. So to conurt all the bad situations of life good situation you must have to take actions. So start taking your actions towards your goal now. Most people decide wht they want to acheive in life. But still, they are never able to cross the obstactcs or distractions that come in their ways of reaching the God. So, Krishna says that keeps your focus on your duty, not on the final results.

The Bhagvad Gita also focuses on two enemies of success i.e cowardice and fear. Because fear is one of our oldest feeling that make us doubt our ability and this feeling comes out when we donot fully under stands the situations either because of lack of knowledge or due to the inability to manage our emotions. This fears make us cow wide and deviate us from our goals. So, we should pursue our knowledge and wishdom as these are the two things that will teach you how to handle unknown and unexpected situation in life.

And finally, a massive thanks to all the readers of this Arlid. My humble wishes and prayers are that the principale shared here may help to find purpose and to energize your mind and transform the way you live.




# দাই ঃ এক চমু পৰ্যালোচনা

**ভাষ্যতি শৰ্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
ইংৰাজী বিভাগ

মনোজ বৰকটকী পৰিচালিত 'দাই' উজনি অসমৰ গাঁৱলীয়া সমাজখনৰ পটভূমিত ৰচিত ভাওনা সংস্কৃতি তথা ভাওনা শিল্পী এগৰাকীৰ জীৱনৰ কাহিনী। এগৰাকী শিল্পীৰ শিল্পবোধ, মানৱতাবোধ, কৰ্মৰ প্ৰতি থকা দায়বদ্ধতা তথা সহজ সৰল গাঁৱলীয়া জীৱন এটিৰ প্ৰতিফলন ঘটিছে চুটিছবিখনৰ বিভিন্ন শ্বট, ম'ভমেণ্ট, অভিনয়, সংলাপ, শব্দ ইত্যাদি ভাষাৰ জৰিয়তে। চলচ্চিত্ৰখনত মূল চৰিত্ৰ দাইৰ অভিনয়ত দেৱী বৰকটকী, বৌৱেক পদুমীৰ চৰিত্ৰত বীণা পটঙ্গীয়া আৰু পখীৰ চৰিত্ৰত ৰঞ্জিতা বৰুৱাক দেখা যায়।

কাহিনীৰ আৰম্ভণি ঘটে মূল চৰিত্ৰ দাই গাঁৱৰ ৰাস্তা এটাৰে খোজকাঢ়ি আহি থকা মিড শ্বট এটাৰ জৰিয়তে। ৰাস্তা আৰু পদূলিৰ জৰিয়তে আৰম্ভণিৰ শ্বটকেইটাতে গাঁৱৰ প্ৰেক্ষাপট এটি দৰ্শকৰ বোধগম্য হয়। পোন্ধৰ দিনৰ মুৰত ডিব্ৰুগড়ৰ হাস্পাতালৰ পৰা ৰাতিপুৱাই ঘৰলৈ উভতে দাইয়ে। এটা মিড শ্বটত মুভমণ্টৰ জৰিয়তে বৌৱেকে চোতাল সাৰি থকা সময়ত নঙলামুখৰ পৰা দাই খোজকাঢ়ি অহা দেখুৱাই দুয়োটা চৰিত্ৰক সংলাপৰ জৰিয়তে দাঙি ধৰা হয়। দাইৰ চৰিত্ৰত মানৱতাবোধৰ প্ৰতিফলন মন কৰিবলগীয়া। আৰম্ভণিৰ চিকুৱেন্সটোত বৌৱেকৰ লগত হোৱা কথোকথনৰ জৰিয়তে দৰ্শকৰ দৃষ্টিগোচৰ হয় যে দায়ে গাঁৱৰ হৰেণৰ দেউতাৰ বেমাৰৰ বাবে দুদিনৰ কাৰণে হাস্পাতাললৈ যায় আৰু হাস্পাতালত অকলশৰীয়া বুঢ়া মানুহ এজনক লগ পায়। তেওঁক চোৱা-চিতা কৰিবলৈ কেও কিছু নাছিল বাবে দাইয়ে তেওঁক চোৱা-চিতা কৰিবলৈ কেইদিনমানলৈ থাকে।

চলচ্চিত্ৰখনৰ মুখ্য বিষয়বস্তু হৈছে উজনি অসমৰ ভাওনা সংস্কৃতি। এই মুখ্য বিষয়বস্তুটিৰ প্ৰভাৱ পৰিচালকে চলচ্চিত্ৰখনৰ প্ৰতিটো কোণতে দেখুওৱাৰ প্ৰয়াস কৰা দেখা যায়। দাই দেৱী নকৰি ৰাতিৰ গাড়ীতে ডিব্ৰুগড়ৰ পৰা খৰধৰকৈ ঘৰলৈ ঘূৰি আহে। তাৰ কাৰণ হ'ল তেওঁৰ পথাৰৰ কাম আৰু ভাওনাৰ আখৰা। বৌৱেকৰ লগত ঘটা প্ৰথম কথোপকথনৰ সংলাপ কেইটাতে প্ৰকাশ পাই যে দাই এগৰাকী দায়িত্বশীল ব্যক্তি। ভাওনাৰ লগতে তেওঁৰ কৰ্মৰ প্ৰতিও আছে দায়বদ্ধতা। তাৰ পিছৰ চিকুৱেন্সটি আৰম্ভ হয় পথাৰৰ প্ৰেক্ষাপটত এটা লং শ্বটৰ জৰিয়তে। দায়ে কাম কৰি থাকোতে ভতিজাক পখীয়ে ভাত লৈ আহে আৰু লগে লগে ভাত খাবলৈ তেওঁ পথাৰৰ পৰা উঠি আহে। তাৰ পিছৰ এই দুটা চৰিত্ৰৰ মাজৰ কথোপকথনখিনিত থাকে ভাওনা সম্পৰ্কীয় আলোচনা। পখীয়ে কয় যে গাঁৱৰ নামঘৰৰ ভাওনাত ছোৱালীয়ে ভাও লোৱা কথাটোত কিছুমানে আপত্তি কৰিছে। চলচ্চিত্ৰখনত ভাওনা পৰম্পৰা সম্পৰ্কীয় এক নতুন চিন্তা দেখা গৈছে। এয়া হৈছে পৰম্পৰাগত চিন্তা কিছুমানৰ

পৰা মুক্ত হৈ ইতিবাচকভাবে ভাবে এটি সংস্কৃতিক ধৰি ৰখাৰ প্ৰয়াস। এজন সহজ-সৰল মানুহ হৈয়ো দাই হৈছে এগৰাকী যুক্তিবাদী পুৰুষ। তেওঁ ৰাইজৰ মাজত ছোৱালীয়ে ভাও লোৱা কথাটো উত্থাপন কৰে আৰু যুক্তি দৰ্শাই যে যিবোৰ পৰম্পৰাই ছোৱালীবোৰক নিজকে প্ৰকাশ কৰাৰ ইচ্ছাক বাধা দিয়ে তেনেবোৰ পৰম্পৰা ধৰি ৰখাত যুক্তি নাই।

চলচ্চিত্ৰখনত বিভিন্ন শ্বট আৰু মুভমেণ্টৰ সুন্দৰ সমন্বয়ৰ জৰিয়তে কাহিনীটি প্ৰকাশ পাইছে। দাইৰ শোৱনি কোঠাত কেমেৰা মুভমেণ্ট ব্যৱহাৰ কৰি লোৱা শ্বটটিয়ে দাইৰ চৰিত্ৰটোৰ লগতে ভাওনাশিল্পী এগৰাকীৰ প্ৰেক্ষাপটটি প্ৰকাশ কৰিছে। কোঠাটোত থকা ভাওনাৰ সামগ্ৰীবোৰ ক্লʼজ আপ শ্বট এটাৰে দেখুৱাই মুভমেণ্টৰ জৰিয়তে শুই শুই কবিতা আওৰাই থকা দাইৰ চৰিত্ৰটো দেখুৱাই পুনৰ খিৰিকীখনৰ কাষত ওলোমাই থোৱা ভাওনা সামগ্ৰীত শ্বটটি ফেড আউটৰ জৰিয়তে শেষ কৰিছে। বহুকেইটা চিকুৱেন্সত ক্লʼজ আপ শ্বটৰ উপযুক্ত প্ৰয়োগৰ জৰিয়তে চৰিত্ৰবোৰৰ বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে, দাইয়ে ভটিজাক পখীক ছোৱালী চাবলৈ যোৱাৰ কথাখিনি প্ৰকাশ কৰোঁতে ব্যৱহাৰ কৰা ক্লʼজ আপ শ্বটকেইটাই খুড়াক-ভতিজাকৰ মাজৰ অন্তৰংগতাখিনি ফুটাই তোলাত বিশেষভাৱে সহায় কৰিছে।

চলচ্চিত্ৰ এখন নিৰ্মাণৰ ক্ষেত্ৰত শব্দৰ ব্যৱহাৰ এক বিশেষ ভাষা। বিভিন্ন সময়ত পটভূমিৰ সৈতে সুন্দৰভাৱে সামঞ্জস্য ৰক্ষা কৰি প্ৰয়োগ কৰা পৰম্পৰাগত লোকবাদ্যৰ শব্দৰ প্ৰয়োগে চলচ্চিত্ৰখনক অধিক অৰ্থবহ কৰি তুলিছে। পথাৰত পখী আৰু দাইৰ মাজত হোৱা ভাওনাৰ আখৰা সম্পৰ্কীয় কথোকথনখিনিৰ পিছতে দাইয়ে ভাওনাৰ বচন আওৰাই পথাৰৰ কামত লাগে আৰু ঠিক সেইখিনি সময়তে দোতোঁৰা আৰু দগৰৰ শব্দ প্ৰয়োগ কৰা দেখা গৈছে। দাইয়ে পখীক ছোৱালী চাব যোৱাৰ কথা কোৱা সময়খিনিত ৰাতিৰ শব্দৰ লগতে সেই একেধৰণৰ দোতোৰাৰ শব্দ প্ৰয়োগ কৰা হৈছে। শেষৰ চিকুৱেন্সটিৰ একেবাৰে শেষৰ শ্বটটোত বাঁহী আৰু তবলাৰ শব্দৰে চলচ্চিত্ৰখন সমাপ্তি হয়। ইয়াৰ লগতে দাইয়ে শোৱনি কোঠাত কবিতা আওৰাই থাকোতে বাঁহীৰ শব্দ প্ৰয়োগ কৰা হৈছে। একেবাৰে আৰম্ভণিৰ চিকুৱেন্সটিত দাইৰ ভৰিৰ খোজৰ শব্দৰ লগতে চৰাইৰ মাতৰ সুন্দৰ সমন্বয়ৰ ঘটিছে যাৰ বাবে ৰাতিপুৱা পৰিৱেশ এটি সংলাপ আৰম্ভ হোৱাৰ পূৰ্বেই দৰ্শকে অনুমান কৰিব পাৰিছে। শেষৰ চিকুৱেন্সটিত দাইয়ে যেতিয়া জেওৰা দি থাকে আৰু পখী কলেজৰ পৰা দাইৰ ওচৰলৈ আহে কিনকিনিয়া বৰষুণ দি থাকে। বৰষুণজাকৰ শব্দ খুব সুন্দৰৰূপে প্ৰয়োগ কৰা দেখা গৈছে। নামঘৰত গধুলি পৰত ভাওনা সম্পৰ্কীয় আলোচনা চলি থাকোতে সংলাপৰ সমান্তৰালভাৱে জিলিৰ মাত আৰু দূৰৈৰ পৰা অহা শিয়ালৰ মাত পৰিৱেশটোৰ লগত খাপ খাই পৰিছে।

ছোৱালী চাবলৈ যোৱাৰ দিনা ৰাতিপুৱা পথাৰত ঘাঁহ কটাৰ সময়ত দাইৰ মুখত এটা ৰোমাণ্টিক সংগীত উচ্চাৰিত হোৱা দেখা যায়। ছোৱালী চাব যোৱাৰ আগমুহূৰ্তৰ তেওঁৰ মনৰ প্ৰতিক্ৰিয়াখিনি ক্লʼজ আপ শ্বট আৰু লংশ্বটত তেওঁ ঘাঁহ কাটি গাই থাকোতে আওৰাই থকা গানটিয়ে ইংগিত বহন কৰিছে। উল্লেখযোগ্য যে গীতটিৰ সমান্তৰালভাৱে স্পষ্টভাৱে ঘাঁহ কটাৰ শব্দকো পৰিচালকে আওকাণ কৰা নাই। বহুকেইটা চিকুৱেন্সত দাইয়ে কাম কৰি থকাৰ লগে লগে ভাওনাৰ বচন আওৰাই থকা দেখা যায় আৰু এই ভাওনাৰ বচনবোৰৰ লগতে দেখা-নেদেখা বিভিন্ন শব্দৰ প্ৰয়োগৰ মাজত এক ভাৰসাম্য ৰক্ষা কৰিছে।

অভিনয়ৰ ক্ষেত্ৰত দাইৰ চৰিত্ৰত দেৱী বৰকটকীৰ অভিনয় শলাগীবলগীয়া। এজন সহজ সৰল হোজা গাঁৱলীয়া মানুহৰ লগতে বাস্তৱ সমাজত শিল্পীমনৰ অৱস্থা এটা সুন্দৰকৈ ফুটাই তুলিছে দেৱী বৰকটকীয়ে। পদুমীৰ চৰিত্ৰত বীণা বৰকটকীয়েও বাস্তৱসন্মত অভিনয় কৰিছে। দাইৰ জীৱনটি সম্পৰ্কে এক নেতিবাচক মানসিকতা প্ৰকাশৰ ক্ষেত্ৰত পদুমীৰ ক্লʼছ আপ শ্বটত দেখুওৱা প্ৰতিক্ৰিয়াবোৰে তাৰেই প্ৰমাণ বহন কৰে। দাইৰ শিল্পবোধখিনি দৰ্শকক অৱগত কৰোৱাৰ ক্ষেত্ৰত পখীৰ চৰিত্ৰটিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ পখীৰ চৰিত্ৰটিত ৰঞ্জিতা বৰুৱাৰ অভিনয় সাৱলীল যদিও দুই এটা চিকুৱেন্সত ঘৰুৱা পৰিৱেশত পখীৰ মুখখনত প্ৰসাধনে কিছু পৰিমাণে কৃত্ৰিমতাৰ সৃষ্টি কৰা বুলি অনুমান কৰিব পাৰি।

উপযুক্ত পোহৰৰ প্ৰয়োগে চলচ্চিত্ৰখনক এক বিশেষ মাত্ৰা দিছে। সময় আৰু পৰিৱেশ অনুযায়ী চলচ্চিত্ৰখনত পোহৰৰ বাস্তৱসন্মত প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে শুই থকা অৱস্থাত দাইয়ে কবিতা আওৰাই থকা শ্বটটিত শোৱনি কোঠাত ব্যৱহাৰ কৰা পোহৰে আন্ধাৰ পৰিৱেশ এটাতো কোঠাটি দৃশ্যমান কৰিছে।

শেষৰ চিকুৱেন্সটোত দাইৰ গোমা হৈ থকা মনটো দেখুৱাবলৈ প্ৰতীকী ৰূপত ডাৱৰীয়া বতৰটো আৰু কিনকিনিয়া বৰষুণজাকৰ ব্যৱহাৰ মনকৰিবলগীয়া। পখীয়ে দাইৰ মনটোৰ কথা বুজি তেওঁৰ ভিতৰত থকা শিল্পীজনৰ কথা সোঁৱৰাই দিয়ে । কথাখিনি কওতে তাই আকাশৰ ফালে চাই আৰু বৰষুণজাক শেষ হোৱাৰ উমান পাই ছাটিটো কাষত থৈ দিয়ে। লাহে লাহে দাইৰ মনটো ফৰকাল হৈ আহে আৰু ভূপেন হাজৰিকাদেৱৰ “মদাৰৰে ফুল হেনো পূজাটো নেলাগে... লাগে পিছে সমাজতে ৰং সানিবলে” গীতটি আওৰাই। পখীয়ে কোৱা কথাখিনিৰ ইংগিত বহন কৰা লক্ষ্য কৰিব পাৰি। এটা লংশ্বটৰ জৰিয়তে তেওঁৰ ফৰকাল হৈ অহা মনটি বেলি ডুবাৰ পিছৰ শেষত, কʼব পাৰি যে দাইৰ চৰিত্ৰটি প্ৰতিজন শিল্পীৰেই এক প্ৰতিলিপিস্বৰূপ। চুটিছবিখনে এগৰাকী শিল্পীৰ শিল্পৰ প্ৰতি থকা দায়বদ্ধতা আৰু মনোজগতত প্ৰভাৱ পেলোৱা তথা জীৱনত সন্মুখীন হৈ অহা সৰু বৰ কিছুমান ঘটনাৰে কেইবাটাও গুৰুত্বপূৰ্ণ বাৰ্তা বহন কৰি এটি সৰু কাহিনীৰ সফল চিত্ৰায়ণ কৰিবলৈ সক্ষম হৈছে।




# কথানদী

**পৰিচালনা ঃ** ভাস্কৰ হাজৰিকা
**ৰচনা ঃ** ভাস্কৰ হাজৰিকা
ড° অৰূপা পাটগিৰি কলিতা

**পাৰ্থপ্ৰতীম শৰ্মা**
স্নাতকোত্তৰ শাখা
চতুৰ্থ যান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

'কথানদী'— বিশিষ্ট অসমীয়া চলচিত্ৰ পৰিচালক ভাস্কৰ হাজৰিকাৰ নিৰ্মিত, ২০১৫ চনত মুক্তি লাভ কৰা এই চলচিত্ৰখন অসমীয়া চিনেমাৰ ইতিহাসৰ এখন অন্যতম উৎকৃষ্ট চলচিত্ৰ বুলি ক'লেও বঢ়াই কোৱা নহ'ব। কেৱল অনুৰাগীৰ দৃষ্টিৰেই নহয়, তথ্যৰ আধাৰত জুখিবলৈ গ'লেও ছবিখনে নিজকে সফল বুলি প্ৰতিপন্ন কৰিছে। উদাহৰণস্বৰূপে '৬৩ সংখ্যক ৰাষ্ট্ৰীয় চলচিত্ৰ বঁটা', 'Asian Cinema Fund's Post Production Fund Award' ৰ লগতে অন্যান্য চলচিত্ৰ সম্বন্ধীয় বঁটাৰ উপৰি একাধিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল, য'ত ২০১৫ চনত অনুষ্ঠিত 'বুছান আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ' (দক্ষিণ কোৰিয়া) উল্লেখযোগ্য।

*এহাল দম্পতী যিয়ে প্ৰতিবাৰে নিজৰ নৱজাত শিশুক জীয়াতে মাটিত পুতি থয়। এজনী ছোৱালী যাক মাহীমাকে ঢেঁকীৰে খুন্দিয়াই খুন্দিয়াই মাৰি পেলায়। এজনী মাক যিয়ে ধন-সোণৰ লোভত নিজৰ একমাত্ৰ জীয়েকক এটি অজগৰ সাপলৈ বিয়া দিয়ে। এজনী তিৰোতা যিয়ে মানুহৰ সন্তানৰ সলনি এটি ঔ-টেঙা জন্ম দিয়ে।* হয় ঠিকেই ভাবিছে, এনেবোৰ কাহিনী আমি সৌ তাহানিতেই ককা-আইতাৰ মুখত শুনি আহিছোঁ। সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত এই কাহিনীবোৰক আমি তাৱৈৰ সাধু, তেজীমলাৰ সাধু, চম্পাৱতীৰ সাধু আৰু ঔকুঁৱৰীৰ সাধু নামেৰে জানো। এনেবোৰ লোককথা বা মুখে মুখে চলি অহা সাধুকেই পৰিচালক ভাস্কৰ হাজৰিকাই জীৱন্ত ৰূপত 'কথানদী' ছবিখনৰ জৰিয়তে ৰূপালী পৰ্দাত দাঙি ধৰিছে।

'কথানদী'ৰ আধাৰ হৈছে সাহিত্যৰথীৰ কালজয়ী সংগ্ৰহ, তাত কোনো সন্দেহ নাই যে চলচিত্ৰখনিৰ আটাইতকৈ বিশেষ আৰু উৎকৃষ্ট দিশটোৱেই হৈছে ইয়াৰ কাহিনী ভাগ। কিন্তু কেৱল এয়াই জানো পৰ্যাপ্ত হয়, এখন চিনেমা 'ভাল' বুলি ক'বলৈ? যিহেতু উক্ত কাহিনীবোৰ আমি পূৰ্বতেই কিতাপত পঢ়ি অথবা আনৰ মুখেৰে শুনি উপভোগ কৰি আহিছোঁ, তেনেক্ষেত্ৰত 'কথানদী'য়ে কোনবোৰ দিশত আৰু কেনেদৰে নিজৰ ঐকিক পৰিচয় ৰক্ষা কৰিবলৈ সক্ষম হয়!

**অভিনয় আৰু সংলাপ ঃ**

এটা কাহিনীৰ চৰিত্ৰবোৰ চিনেমাৰ যোগেদি জীৱন্ত কৰি তোলে তাত অভিনয় কৰা শিল্পীসকলে; তেনেক্ষেত্ৰত শিল্পীৰ শাৰীত যদি সীমা বিশ্বাস, কপিল বৰা, জেৰিফা ৱাহিদ, জয়ন্ত দাস, উৰ্মিলা মহন্ত, আশা বৰদলৈৰ লগতে 'লাইফ্ অব্ পাই'ৰ দৰে প্ৰখ্যাত ছবিত অভিনয় কৰা আদিল হুছেইনৰ নাম সন্নিৱিষ্ট হ'লে ছবিখনৰ অভিনয় ক্ষেত্ৰত প্ৰশ্ন কৰাটোও সময়ৰ অপচয় হ'ব। তথাপি ইয়াত 'ধনেশ্বৰী'ৰ চৰিত্ৰত অভিনয় কৰা সীমা বিশ্বাস আৰু 'চেনেহী'ৰ চৰিত্ৰত অভিনয় কৰা জেৰিফা ৱাহিদৰ অভিনয় বিশেষভাৱে প্ৰশংসনীয়। অভিনয়ৰ সমান্তৰালভাৱে ছবিখনত ব্যৱহাৰ হোৱা সংলাপ আৰু অভিনেতাসকলৰ সংলাপ কথনৰ বিষয়েও উল্লেখ কৰাটো কথন পদ্ধতিত অতি সৰল আৰু গাঁওসুলভ আচৰণৰ প্ৰভাৱ দেখা যায়, যিয়ে ছবিখনত দেখিবলৈ পোৱা অসমৰ পুৰণি সময়ৰ গাঁৱলীয়া পৰিৱেশ এটি খুব সহজভাৱে সমৰ্থন কৰে। এইক্ষেত্ৰত ছবিখনৰ লেখকদ্বয়ৰ লেখা শলাগ ল'বলগীয়া। তদুপৰি সংলাপ কথনৰ ফালৰ পৰা তেজীমলাৰ চৰিত্ৰত অভিনয় কৰা কাশ্মী শৰ্মাই মোৰ দৃষ্টিত এক বিশেষ স্থান অধিকাৰ কৰে।

**চিত্ৰনাট্য আৰু পৰিচালনা ঃ**

কিতাপৰ পৃষ্ঠাৰ পৰা কোনো এটা কাহিনী ৰূপালী পৰ্দাত পেলোৱাটোও নিজেই এটা কলা। শুনিবলৈ উজু হ'লেও এটা কাহিনী চিত্ৰনাট্য অথবা 'স্ক্ৰীণ প্লে' (Screen Play)ত পৰিণত কৰিবলৈ গৈ বহুবাৰ নিৰ্মাতাসকলক বিফল হোৱা দেখা যায়। জটিলতা আৰু বাঢ়ি যায় যদিহে এটা কাহিনীৰ সলনি একেখন চিনেমাত একাধিক পৃথক কাহিনী দেখুৱাবলগীয়া হয়। তেনেক্ষেত্ৰত থিতাতে মোৰ মনলৈ অহা এটি উদাহৰণ হৈছে হলিউডৰ 'Ballad of Buster Scruggs' নামৰ এখন 'এন্থ'লজি' ফিল্ম, য'ত চাৰিটা পৃথক গল্পক একেখন চিনেমাতেই সন্নিৱিষ্ট কৰি দেখুওৱা হৈছে। কিন্তু এইক্ষেত্ৰত 'কথানদী'য়ে আৰু এখোজ আগুৱাই গৈ আগতে উল্লেখ কৰা চাৰিওটা সাধুক পৰস্পৰে সংযোগ কৰে। আৰু আচৰিতধৰণে এই সংযোগে কাহিনীকেইটাৰ নিজস্বতাৰ ওপৰত কোনো প্ৰভাৱ নেপেলায় আৰু কাহিনীৰ প্ৰৱাহতো কোনো ব্যঘাত জন্মোৱা দেখা নাযায়।

চিনেমাখনৰ প্ৰায়ভাগ দৃশ্যাংশৰ আৰম্ভণি এখন বিশাল নদীৰ নান্দনিক দৃশ্যৰে কৰা হয়; নিশ্চয়কৈ ই চিনেমাখনৰ শিৰোনামকেই সমৰ্থন কৰে। অৱশ্যে নদীখনৰ গুৰুত্ব ইমানতেই শেষ নহয়, নদীখনক আমি চলচিত্ৰখনিৰ এক কাব্যিক অভিব্যক্তি অথবা এক মেটাফ'ৰ অৰ্থাৎ ৰূপক বুলিও ধৰিব পাৰোঁ। অনুভৱ হয় যেন নৈখনে প্ৰতিটো কাহিনীকেই এটি মাত্ৰ অখণ্ডমণ্ডলৰ অংশ হিচাপে সংযোগ কৰি ৰাখে। উদাহৰণস্বৰূপে, তেজীমলাৰ দেউতাক দেৱীদাস (আদিল হুছেইন) সেই নৈখনেৰে প্ৰায়ে ব্যৱসায়সূত্ৰে বিভিন্ন ঠাই ভ্ৰমণ কৰে। তেনেকুৱা এটি যাত্ৰাতেই তেওঁ ঔটেঙা জন্ম দিয়া কেতেকী (উৰ্মিলা মহন্ত)ক লগ পায়। আকৌ 'তাৱৈৰ সাধু'ৰ মুখ্য চৰিত্ৰ পোনাই (কপিল বৰা)য়ে সেইখন নদীৰ পৰা মাৰি অনা মাছ তেজীমলাৰ বান্ধৱীৰ বিয়াৰ বাবে বিক্ৰী কৰে, য'ত তেজীমলাৰ বান্ধৱী আন কোনো নহয়, বৰঞ্চ যাক মাক-বাপেকে অজগৰ সাপলৈ বিয়া দিয়ে। এনেকুৱা আৰু বহুতো সৰু সৰু খুটি-নাটি তথা সংযোগে চিনেমাখনৰ 'স্ক্ৰীণ প্লে' আৰু 'ষ্ট'ৰী টেলিং' আৰু অধিক ৰোমাঞ্চকৰ কৰি তোলে। ইয়াৰ উপৰি অনুভৱ হয় যেন পৰিচালকে আটাইকেইটা কাহিনীকেই এটা উমৈহতীয়া কাৰকৰ দ্বাৰা সংযোগ কৰিবলৈ চেষ্টা কৰিছে— তেনেক্ষেত্ৰত প্ৰতিটো কাহিনীতেই এগৰাকী মাতৃ আৰু কন্যাৰ মাজৰ এক অদ্ভুত সম্পৰ্কৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছে; য'ত এনে এটি ঐশ্বৰিক সম্পৰ্কক পাশৱিক ৰূপ দিয়াত প্ৰায়ে ইন্ধন যোগায় লোভৰ দৰে সাধাৰণ মানৱীয় চৰিত্ৰই। এনেকুৱা বহুতো মেটাফ'ৰে চলচিত্ৰখনৰ চিত্ৰনাট্যক বিশেষ কৰি তোলে।

**ছায়াংকন আৰু আৱহ সংগীত ঃ**

চিত্ৰনাট্যক সুন্দৰভাৱে কেমেৰাত আৱদ্ধ কৰিবলৈ আটাইতকৈ প্ৰয়োজনীয় হৈছে এক উৎকৃষ্ট ছায়াংকন কৌশল অথবা 'চিনেমেট'গ্ৰাফি' (Cinematography)। অৱশ্যে উক্ত কথাছবিখনত প্ৰায়ে পাৰম্পৰিক ছায়াংকন কৌশল অৰ্থাৎ কোনোধৰণৰ নতুন পদ্ধতি ব্যৱহাৰ কৰা দেখা নাযায়। তথাপিও কোনো কোনো দৃশ্যাংশত চিনেমেট'গ্ৰাফিৰ সুব্যৱহাৰে এক শিহৰণকাৰী পৰিৱেশ প্ৰস্তুত কৰি তোলাত বিশেষভাৱে সহায় কৰে। আৰু নিশ্চয়কৈ ছবিখনৰ বিষয়বস্তুৰ ফালৰ পৰা এয়া শলাগৰ যোগ্য। উদাহৰণস্বৰূপে ইয়াত তেজীমলাৰ মাহীমাক আৰু এটি চয়তানস্বৰূপ ৰহস্যময় সত্তাৰ অন্তৰংগ মুহূৰ্তৰ দৃশ্যাংশৰ কথাকে ক'ব পাৰি।

'ছায়াংকন'ৰ সমান্তৰালভাৱেই আলোচনা কৰিবলগীয়া বিষয়টি হৈছে নেপথ্য সংগীত অথবা আৱহ সংগীত (background Music) আৰু ছায়াংকনৰ সৈতে ইয়াৰ ব্যৱহাৰ। কথানদীৰ সংগীত পৰিচালনা অমৰ নাথ হাজৰিকাৰ। ইয়াত ব্যৱহাৰ হোৱা আৱহ সংগীত প্ৰায়ে সচৰাচৰ চিনেমাত ব্যৱহাৰ কৰা আৱহ সংগীততকৈ পৃথক। ইয়াৰ প্ৰায়বোৰ দৃশ্যতেই শুনিবলৈ পোৱা আৱহ সংগীতত অসমৰ লোকসংগীত যেনে 'নাগাৰা নাম', 'মাছমৰীয়া গীত' অথবা 'বনগীত' আদিৰ সৈতে প্ৰকৃতিত শুনিবলৈ পোৱা কিছুমান শব্দৰ অদ্ভুত সংমিশ্ৰণে ছবিখনত এক ৰহস্যময়, শংকাবহুল তথা ভয়াল পৰিৱেশ নিৰ্মাণ কৰি দৰ্শকৰ মনত পৰিস্থিতিৰ গাম্ভীৰ্যতা আৰু তাত নিহিত ভাৱাৰ্থৰ সৈতে সংযোগ স্থাপন কৰোৱাত অতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। তাৰ উপৰি ইয়াৰ জৰিয়তে অসমীয়া থলুৱা গীত-মাত, বাদ্য-যন্ত্ৰ ইত্যাদি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰদৰ্শন কৰাবলৈ সক্ষম হোৱাটোও ইয়াৰ অন্যতম ধনাত্মক দিশ হিচাপে ল'ব পাৰি। উদাহৰণস্বৰূপে 'তাৱৈৰ সাধু'ৰ কিছু দৃশ্যাংশত ব্যৱহাৰ কৰা 'অৰণ্যৰ গান' নামৰ আৱহ সংগীতটিৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। য'ত মাজৰাতিৰ অৰণ্যৰ দৃশ্যৰ সৈতে নাগাৰা নাম আৰু উঁইচিৰিঙাৰ শব্দৰ সংমিশ্ৰণত এক শিহৰণকাৰী দৃশ্যৰ সৃষ্টি কৰা হৈছে।

সামগ্ৰিকভাৱে চাবলৈ গ'লে ভাস্কৰ হাজৰিকাৰ প্ৰথমখন চলচিত্ৰ 'কথানদী'য়ে প্ৰায় সকলো দিশতেই নিজৰ শ্ৰেষ্ঠতা প্ৰমাণ কৰিবলৈ সক্ষম হৈছে। তথাপিও বিশ্লেষণ কৰিবলৈ গ'লে, বিশেষকৈ 'ঔকুঁৱৰী' আৰু 'তাৱৈৰ সাধু' এই দুয়োটা কাহিনীৰ সমাপ্তি বাকী দুটা কাহিনীৰ তুলনাত খুব এটা প্ৰভাৱশালী হৈ উঠা প্ৰত্যক্ষ নহয়। ইয়াৰ কাৰণ বিচাৰিব গ'লে কাহিনীৰ ৰূপায়ণত তুলনামূলকভাৱে আৱেগিক সংযোগৰ অভাৱকেই দোষাৰোপ কৰিব পাৰি।

অৱশেষত এজন চলচিত্ৰ অনুৰাগী আৰু অসমীয়া হিচাপে মোৰ দৃষ্টিভংগীত উক্ত চলচিত্ৰখন অসমীয়া চিনেমাজগতৰ বাবে এখন অতি প্ৰয়োজনীয় তথা যুগান্তকাৰী চিনেমা। এনেবোৰ চিনেমাই অসমৰ চলচিত্ৰ প্ৰতিভা; সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন দিশবোৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানুহৰ মাজলৈ লৈ যোৱাত এক বিশেষ ভূমিকা পালন কৰে।

# পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীদেৱৰ সৈতে আলাপ

হেমচন্দ্ৰ গোস্বামী সম্প্ৰতি ভাৰতবৰ্ষৰ সুকুমাৰ কলা জগতৰ অন্যতম সুবিদিত নাম। অবিভক্ত যোৰহাট জিলাৰ মাজুলীৰ চামগুৰি সত্ৰত জন্মলাভ কৰা গোস্বামীয়ে সত্ৰীয়া পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হৈ সাংস্কৃতিক জগতত নিজৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। মুখা শিল্পৰ লগত ওতঃপ্ৰোতভাৱে জড়িত গোস্বামীৰ কাৰু-কাৰ্য দেশ-বিদেশৰ বিভিন্ন ঠাইত প্ৰদৰ্শিত হোৱাৰ উপৰিও সাংস্কৃতিক জগতলৈ আগবঢ়োৱা বৰঙণিৰ বাবে ভাৰত চৰকাৰে তেখেতলৈ **পদ্মশ্ৰী** সন্মান আগবঢ়াইছে। বিদ্যায়তনিক আৰু বাণিজ্যিকভাৱে মুখা শিল্পক আগবঢ়াই লৈ যাবলৈ অহৰহ ব্ৰতী হৈ থকা হেমচন্দ্ৰ গোস্বামীৰ সৈতে পূব কামৰূপ মহাবিদ্যালয়ৰ অষ্টচত্বাৰিংশত্তম সংখ্যক বাৰ্ষিক আলোচনী 'পূবেৰুণ'ৰ বাবে আলোচনীখনৰ তত্বাৱধায়ক ড° নয়নমণি বৰুৱাই গ্ৰহণ কৰা সাক্ষাৎকাৰটোৰ লিখিত ৰূপটো আগবঢ়োৱা হ'ল।

**প্ৰশ্নঃ** নমস্কাৰ গোস্বামীদেৱ। আমি আজি আপোনাৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিব বিছাৰিছোঁ পূব কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ কাৰণে। প্ৰথমে মই আপোনাৰ জীৱন যাত্ৰা সম্পৰ্কে জানিব বিচাৰিছোঁ। আপোনাৰ শৈশৱ-কৈশোৰৰ বিষয়ে কওঁকচোন।

**উত্তৰঃ** হয়, প্ৰথম মোৰ নামটোৰেই কৈছোঁ। মোৰ নাম হেমচন্দ্ৰ গোস্বামী। মাজুলীৰ শ্ৰীশ্ৰী চামগুৰি সত্ৰত মোৰ জন্ম। মোৰ পিতৃ ৰুদ্ৰকান্তদেৱ গোস্বামী, প্ৰয়াত সত্ৰাধিকাৰ এই সত্ৰৰ। পিতৃৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত আমি সন্তুষ্ট। পিতৃজনা আছিল এগৰাকী মহান শিল্পী, নীৰৱ সাধক, মুখা শিল্পী, সত্ৰীয়া নৃত্য, গীত, নাট্য আদি সকলোতে দক্ষ আছিল। সেই পৰিৱেশৰ মাজত দহ বছৰ বয়সৰ পৰাই মই সোমাই পৰিছিলোঁ। সোমাই পৰি মই আকৃষ্ট হৈছিলোঁ। নৃত্য, গীত, বাদ্য আৰু মুখাৰ ভিতৰত মই এটা বস্তুক অতি গুৰুত্ব দিছোঁ, সেইটো হ'ল মুখা শিল্প। মুখা শিল্পক গুৰুত্ব দিয়াৰ কাৰণে মোৰ পিতৃয়ে অতিশয় আনন্দিত হ'ল। মই লুকাই লুকাই কাম কৰিছিলোঁ। কাকো দেখুওৱা নাছিলোঁ। তাৰ পিছত দেখিলে যেতিয়া কামখিনিত মোৰ শ্ৰদ্ধা আৰু মনোযোগ এই কথাৰ পিতৃয়ে উমান পাইছিল। তাৰ পিছৰ পৰা আমাক অকণমান মুখা শিকাবলৈ চিন্তা কৰিলে। মুখা পিতৃৰ ওচৰত আমি শিকিলোঁ। শিকি দহ বছৰ বয়সত সেই মুখা পৰিৱেশনৰ সুবিধাও পালো। সত্ৰত যিহেতু ভাওনা-সবাহ হয় আৰু সেই ভাওনাতে আমি প্ৰদৰ্শন কৰিবলৈ সুবিধা পালোঁ। সেয়ে মোৰ শৈশৱ জীৱনটো শিল্পকৰ্মৰ লগত



বিশেষভাৱে জড়িত। তাৰ পিছত পঢ়া-শুনাত মন দিলোঁ। তেনেকৈ যদিও পঢ়া-শুনাত মন দিলোঁ, মই শিল্প কৰ্মতকৈ পঢ়া-শুনাক গৌণ কৰিছিলোঁ। কাৰণ মোৰ অতি শ্ৰদ্ধা আছিল শিল্প কৰ্মৰ ওপৰত। তেনেদৰে আহি আহি আমি এখন হাইস্কুলত শিক্ষকতা কৰিলোঁ। আৰু ২০১৮ চনত অৱসৰ গ্ৰহণ কৰিলোঁ। তাৰ মাজৰ সময়কণ আমি এই কৰ্মৰ লগত জড়িত। মই পেইণ্টিং ভাল পাওঁ, মুখা ভাল পাওঁ, ভাস্কৰ্যশিল্প ভাল পাওঁ। এই গোটেইখিনি মই ভাল পাওঁ। যিহেতু মোৰ ঘৰখনত চৰ্চা আছিল, সেইটোৰ প্ৰতি মই বেছি আকৃষ্ট হৈ মই ভাবিবলৈ ল'লোঁ, শিল্পকৰ্মক কেনেকৈ আগবঢ়াই নিব পাৰি এইটোৱে মোৰ মনৰ আচল কথা। শৈশৱটো মোৰ এই শিল্পকৰ্মৰ লগতে জড়িত।

**প্ৰশ্নঃ** আপুনি মাজুলীতে জন্মলাভ কৰিছে। মাজুলীয়েই আপোনাৰ কৰ্মক্ষেত্ৰ। আপোনাৰ শৈশৱৰ মাজুলী আৰু এতিয়াৰ মাজুলীৰ মাজত কিবা পাৰ্থক্য দেখে নেকি?

**উঃ** পৰিবৰ্তনটো হয়। কাৰণ আমাৰ সমাজখনেই গতিশীল। গতিশীল সমাজখনত পৰিবৰ্তন নিশ্চয় হয়। সেই পৰিবৰ্তনবিলাক এনেকুৱা— মাজুলীলৈ এসময়ত মানুহ আহিবলৈ ভয় কৰিছিল। যেন নদী চাপৰিৰ মাজত ঘৰ-দুৱাৰ। কিন্তু আচলতে সেইটো নহয়। সেইটো হয়তো এসময়ত আছিল। কিন্তু আমি গম পোৱাৰ পৰা মাজুলীখনৰ লাহে লাহে উন্নয়ন হ'ল। ৰাস্তা-ঘাট হ'ল। তাৰ মাজেদি নদীৰ বৃহত্তম দ্বীপ হিচাপে ইয়াতে মানুহে বসবাস কৰি আছে। সকলোৱে থাকিবলৈ পাইছে, আমিও থাকিবলৈ ভাল পাইছোঁ। সময়ৰ লগে লগে মাজুলী আগবাঢ়ি গৈছে। আগৰ সেই মাজুলী হৈ থকা নাই। এতিয়া সকলো সুবিধাৰে মাজুলী আগবাঢ়ি গৈছে।

**প্ৰশ্নঃ** আপোনাৰ আনুষ্ঠানিক শিক্ষা সম্পৰ্কে জানিব বিচাৰোঁ।

**উঃ** মোৰ শিক্ষা হ'ল যে মই মেট্ৰিক পাছ কৰিলোঁ আৰু তাৰ পিছত মই কলেজীয়া শিক্ষা লৈছিলোঁ শিৱসাগৰত। শিৱসাগৰত লৈছিলোঁ যদিও কথাটো হ'ল এনেকুৱা যে মোৰ শিল্পকৰ্ম বজাই ৰাখিছিলোঁ। তেতিয়াৰ পৰা মই খুব কামেই কৰি থাকো। তেনেকুৱাত আকৃষ্ট হৈ শিৱসাগৰৰ এজন স্বনামধন্য পৰাগধৰ চলিহাদেৱে মোৰ কৰ্মৰাজি দেখি মোক ক'লে তুমি আহা ইয়াতে Night Section -ত নাম ভৰ্ত্তি কৰা, মই ল'লোঁ যদিও আধৰুৱা হ'ল। আগৰ দিনৰ শিক্ষা বহুতৰে আধৰুৱা। মই আধৰুৱা হিচাপেই পাৰ কৰিলোঁ। তাৰ পিছত ঘৰুৱা কিছু কথা, অৰ্থনৈতিক দিশটো বজাই ৰখাৰ আমাৰ কিছু দায়িত্ব পৰিল। তাৰ পিছত মই গুৱাহাটীলৈ গৈ ফাইন আৰ্টছৰ ল'লোঁ। আৰ্টৰ শিক্ষা Academic শিক্ষা তাত গ্ৰহণ কৰাৰ পাছত হায়াৰ চেকেণ্ডাৰী এখনত ভোকেচনেল বিষয়ত বৃত্তিমুখী শিক্ষাৰ শিক্ষক হৈ ২০১৮ চনত অৱসৰ গ্ৰহণ কৰিলোঁ।

**প্ৰশ্নঃ** আপুনি মেট্ৰিক কেতিয়া পাছ কৰে?

**উঃ** ১৯৮৯। যিখন স্কুলত মই পঢ়িছিলোঁ সেইখন হৈছে চামগুৰি সত্ৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়।

**প্ৰশ্নঃ** আপুনি ইতিমধ্যে পদ্মশ্ৰী, সংগীত নাটক অকাডেমী আদি সন্মান লাভ কৰিছে। ই আমাৰ বাবে অত্যন্ত গৌৰৱৰ খবৰ। সাধনাৰ ক্ষেত্ৰখনত আগবাঢ়ি যোৱাত বঁটা-বাহনৰ গুৰুত্ব কেনেকুৱা বুলি ভাৱে?

**উঃ** বঁটা-বাহনৰ গুৰুত্ব এটাই। বঁটা গ্ৰহণকাৰী হিচাপে মোৰ ক'বলগীয়া এইখিনিয়েই যে মানুহক আগবঢ়াই নিবলৈ এয়া হৈছে প্ৰেৰণাৰ উৎস। কাৰণ সেইটো কেৱল মোৰেই নহয়, এই বঁটাৰ যোগেদি আৰু বহু লোকে ইয়াক অনুসৰণ কৰি কৰ্ম সংস্কৃতিত মন দিব। গতিকে মোৰ মনৰ অভিপ্ৰায়টো সেইটো। আমি যে কামত লাগি আছিলো সেইটো মই স্বীকৃতি বুলি ভাবোঁ।

**প্ৰশ্নঃ** মুখা শিল্প সম্পৰ্কীয় কৰ্মশলাৰ বাবে আপুনি দেশ-বিদেশৰ বিভিন্ন প্ৰান্তলৈ গৈছে। আমাৰ দেশত, ৰাজ্যত তথা বিদেশত এই শিল্পটোৰ প্ৰতি আগ্ৰহ আপোনাৰ দৃষ্টিত কেনেকুৱা?

**উঃ** খুব ভাল কথা। যিহেতু শিল্পকৰ্ম বোলা এই বিদ্যা মানুহক সদায় আমি লাগে বুলি ভাবোঁ। বিশেষকৈ এটা সময় আছিল, মই সৰু অৱস্থাত তেতিয়া এই মুখা শিল্পৰ প্ৰতি মানুহৰ আদৰ নাছিল। এনেকুৱা আছিল যে চামগুৰি সত্ৰই মুখা বনাই আৰু আমাৰ কথা কৈছিল— তেখেতসকলে বনাই আছে, আমি নবনালেও হ'ব। কিন্তু এতিয়া সেইটো হৈ থকা নাই, কাৰণ এতিয়া মুখা জনপ্ৰিয় হৈছে। মুখাৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িছে। লগতে মুখাৰ যোগেদি মানুহৰ কৰ্মসংস্থাপনৰ বাট মুকলি হৈছে। গতিকে যেতিয়া সংস্থাপনৰ বাটটো আহিল তেতিয়া মুখাশিল্পৰ প্ৰতি আগ্ৰহ উঠি অহা প্ৰজন্মৰ যুৱক-যুৱতী বা তেওঁলোকৰ উপৰিও আজি বোৱাৰীয়েও মুখা শিকিছে। গতিকে অতি আগ্ৰহ দেখিলোঁ আৰু সেই আগ্ৰহৰ বেলিকা আমি নিজকে ভাল পাইছোঁ। কাৰণ আমি এইটো ধৰি ৰাখিছিলোঁ আৰু এতিয়া উঠি অহা প্ৰজন্মই ইয়াক গ্ৰহণ কৰিবলৈ ইচ্ছা কৰিছে।

**প্ৰশ্নঃ** বিশ্বৰ বেলেগ ঠাইতো লোক মুখা শিল্পৰ প্ৰতি আগ্ৰহী নে?

উঃ হয়, আজি মাজুলীখন এখন পৰ্যটন ক্ষেত্ৰ। তাৰেই ভিতৰত এই চামগুৰি সত্ৰখন পৰ্যটনৰ বাবে কেন্দ্ৰবিন্দু। কাৰণ এটা পৰম্পৰাগতভাৱে অব্যাহত ৰখা মুখাশিল্পক তেওঁলোকে ইয়াত দেখিবলৈ পাইছে। দেখিবলৈ পোৱাৰ লগে লগে তেওঁলোকৰ মনলৈ আহে যে আমিও শিকি লওঁ। তেনেস্থলত ফ্ৰান্স, জাৰ্মানী, ইংলেণ্ডৰ বহু যুৱক-যুৱতীয়ে ফুৰিবলৈ আহি দহটা দিন আন কাৰ্যসূচী বাদ দি সত্ৰখনলৈ আহি আমাৰ ওচৰত মুখা শিকে। সেইটো বহিঃ দেশৰ কথা। হয়তো তেওঁলোকৰ ৰাজ্যত মুখা আৰু অসমৰ এই লোককলাৰ ওপৰত গুৰুত্ব আমি দেখা পালোঁ। অসমৰ লোককলা মুখাসমূহ সম্পূৰ্ণ প্ৰাকৃতিক সম্পদেৰে গঢ় লৈছে। ইয়াত কোনো ৰাসায়নিক বস্তু নাই। সম্পূৰ্ণ থলুৱা উপাদানেৰে শিল্পটো আগবাঢ়ি গৈছে। গতিকে সেইটো তেওঁলোকে শিকিব বিচাৰে, জানিব বিচাৰে আৰু সেইকাৰণে বিদেশী পৰ্যটকৰ আগ্ৰহ আগতকৈ দুগুণে বাঢ়িছে।

প্ৰশ্নঃ আপোনাৰ দ্বাৰা নিৰ্মিত মুখা অসম তথা দেশৰ উপৰি বিশ্বৰ বিভিন্ন প্ৰান্তত সংৰক্ষিত হৈ আছে। বিস্তৃতভাৱে এই বিষয়ে জনাব নেকি?

উঃ প্ৰথম কথা হ'ল যে অসমৰ মুখা শিল্পৰ ঐতিহ্যক ৰক্ষা কৰাৰ মানসেৰে সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এনেকুৱা সংগ্ৰহালয়সমূহৰ নাম কৈছোঁ ভাৰতবৰ্ষত Indira Gandhi National Centre for the Arts, New Delhi, তাত সেই মুখা সজাই থোৱা আছে আৰু আমাৰ যোগেদি মুখা বনাই তাৰ সংগ্ৰহালয়ত ৰাখিছে। Assam Association বুলি দিল্লীত আছে, তাতো ৰাখিছে। এয়া ভাৰতবৰ্ষৰ কথা কৈছোঁ। এইবাৰ অসমৰ কথা কৈছোঁ— শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ বুলি যিটো অনুষ্ঠান আছে, সেই অনুষ্ঠানতো আমাৰ হাতৰ মুখা আছে। আমি তেজপুৰ বিশ্ববিদ্যালয়তো মুখাৰ কৰ্মশালা আয়োজন কৰিছোঁ আৰু তেওঁলোকৰ সংস্কৃতি অধ্যয়ন বিভাগৰ সংগ্ৰহালয়ত সেই মুখাবোৰ সুন্দৰকৈ সংগ্ৰহ কৰিবলৈ ইচ্ছা কৰি ডাঙৰ ডাঙৰ মুখা ৰাখিছে। আমাৰ মুখাৰ তিনিটা ভাগ— এটা হ'ল মুখত পিন্ধা মুখা, আৰু এটা হ'ল সম্পূৰ্ণ গালৈকে বনোৱা তথা ভিতৰত সোমাই গৈয়ো অভিনয় কৰা মুখা যেনে— ৰাৱণ, নৰকাসুৰৰ ডাঙৰ ডাঙৰ মুখাবিলাক যিবোৰ মুখা দৰাচলতে অন্য ৰাজ্যত পোৱা নাযায় সেই মুখাবিলাক এতিয়া সংৰক্ষণৰ মানসেৰে সংগ্ৰহালয়ত ৰাখিছে কিজানি কেতিয়াবা হেৰাই যায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ সংগ্ৰহালয়তো মুখা আছে। এনেকৈ অসমৰ বিভিন্ন ঠাইত মানুহৰ ঘৰত, ব্যক্তিগত সংগ্ৰহালয়ত থকাৰ উপৰিও এটা ভাল লগা কথা যে ২০১৬ চনত য'ত আমাৰ বৃন্দাবনী বস্ত্ৰ ভাগি আছে, সেয়া হ'ল, লণ্ডনৰ ব্ৰিটিছ মিউজিয়াম আৰু সেই লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামৰ কিউৰেটৰ ৰিছাৰ্ড ব্ৰাউন; তেওঁ তিনিবাৰকৈ আমাৰ ওচৰলৈ আহিছিল। তেওঁৰ অভিপ্ৰায় এটাই বৃন্দাবনী বস্ত্ৰৰ লগত থকা সেই ছবিৰ লগত মুখাৰে এটা সুন্দৰ পৰিৱেশন কৰিবলৈ আমাক এখন প্ৰদৰ্শনীৰ আয়োজন কৰিবলৈ ইয়াৰ জৰিয়তে কৈছিল। তাত আমাক সকলো সুবিধা দিলে, তাত প্ৰদৰ্শনী হৈ গ'ল। সেইবোৰ মুখা এতিয়া লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত সজাই ৰাখিছে। আমাৰ বিদেশৰ লগত আমাৰ কলাৰ সংযোগ ঘটিল। যাৰ বাবে আজি বিশ্ববাসীয়ে গম পাইছে মুখাৰ কথা আৰু সেইবিলাক দেখি বিদেশী পৰ্যটকসকল এই ঠাইত আজি উপস্থিত হৈছেহি আৰু মুখা চাই আনন্দ পাইছে।

প্ৰশ্নঃ মুখা ভাওনা সম্পৰ্কীয় আপোনাৰ ধাৰণা তথা অভিজ্ঞতাৰ বিষয়ে জনাব নেকি?

উঃ মুখা পৰিৱেশন কৰাৰ আমি এটা সুবিধা ল'লোঁ। প্ৰথম সুবিধা ল'লো এইটোৱেই যে আমি চালো ভাওনাত নিৰ্দিষ্ট দুটামান মুখা ব্যৱহাৰৰ কাহিনীৰ লগত যিকেইটা মানুহৰ আপোন মুখখনে প্ৰকাশ কৰিব নোৱাৰে জীৱ, জন্তু, ৰাক্ষস আদি। সেইটোত দেখিলোঁ যে পৰিসৰটো কমি আছে। পৰিসৰ বঢ়াবলৈ অৰ্থাৎ মুখা অধিক প্ৰয়োগ কৰিবলৈ আমি ২০০০ চনৰ পৰা মুখাৰে সৈতে এখন ভাওনা কৰিবলৈ ল'লোঁ। সেই মুখাৰে ভাওনা কৰিবৰ বাবে মুখত কাৰো ৰং নসনাকৈ প্ৰতিটো চৰিত্ৰতেই সেই চৰিত্ৰৰ মুখা পিন্ধি ভাওনাখন কৰিলোঁ। সেইকাৰণে ভাওনাখনৰ নাম দিয়া হ'ল— মুখা ভাওনা। মুখা ভাওনাৰ যোগেদি আমি ২০১৮ চনত দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসত এটি প্ৰতীক পট নিৰ্মাণৰ সুবিধা পালোঁ। এই প্ৰতীক পটটো মুখাৰে সম্পূৰ্ণকৈ সজাই তোলা হৈছিল। তাৰ ওপৰত আমি সেই মুখা ভাওনা পৰিৱেশন কৰি ২৭ টা প্ৰতীক পটৰ মাজৰ পৰা আমি দ্বিতীয় স্থান ল'বলৈ সক্ষম হৈছিলোঁ। এনেদৰে সামগ্ৰিকভাৱে মুখাৰ বিকাশ ঘটিল আৰু পৰ্যটকে এই মুখা ভাওনা চাবলৈ চিন্তা কৰে আৰু আমালৈ ফোন কৰে যে আমি এটা গ্ৰুপ গৈছো আৰু এই গ্ৰুপটোক সত্ৰত মুখা ভাওনা দেখুৱাব লাগে। তেনেকুৱা খণ্ড খণ্ড মুখা পিন্ধি ৰামায়ণ, মহাভাৰতৰ আধাৰত সেই মুখাৰে আমি ভাওনা দেখুৱাওঁ। ইয়াৰোপৰি



অসমৰ লগতে ভাৰতৰ বিভিন্ন প্ৰান্তত হোৱা North East Festival -টো মুখা ভাওনা কৰি মুখাক আগবঢ়াই নিবলৈ সক্ষম হৈছোঁ।

**প্ৰশ্নঃ** চামগুৰি সত্ৰৰ ঐতিহ্য সম্পৰ্কে কিছু কথা জানিব বিচাৰিছোঁ?

**উঃ** চামগুৰি সত্ৰখন এখন পুৰুষ সংহতিৰ সত্ৰ। এই সংহতিবোৰ গুৰুজনাৰ পিছত হোৱা। আমাৰ সত্ৰখন ১৬৬৩ চনত প্ৰতিষ্ঠা হৈছিল। আহোম ৰজা চক্ৰধ্বজ সিংহই এজোপা চাম গছৰ তলত আমাৰ প্ৰতিষ্ঠাপক আতা চক্ৰপাণি, তেখেতক ভূমি দান দি সত্ৰখন পাতি দিছিল বাবে সেই গছজোপাৰ নামেৰে চামগুৰি সত্ৰ নামকৰণ কৰা হ'ল। এই সত্ৰৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰাই আমাৰ এই বিদ্যা আৰম্ভ হ'ল। আমাৰ চামগুৰি সত্ৰৰ প্ৰতিষ্ঠাপক আছিল চক্ৰপাণি আতা। যিহেতু আমাৰ সংসাৰী সত্ৰ, তেখেতৰ নিজৰ ল'ৰাই গ্ৰহণ কৰিলে। এইটোত তেজৰ সম্পৰ্ক জড়িত। গতিকে নিজৰ ল'ৰাই ল'লে। আকৌ নিজৰ ল'ৰাক দিলে। তেনেকৈ কৰোঁতে কৰোঁতে এইকণ সময় পাইছে। আমিও আমাৰ পিতৃ সত্ৰাধিকাৰ ৰুদ্ৰকান্ত দেৱ গোস্বামীৰ পৰা মুখা শিল্প গ্ৰহণ কৰিলোঁ।

**প্ৰশ্নঃ** সমাজ সচেতনতা সমৃদ্ধ কৰাত সত্ৰৰ ঐতিহাসিক ভূমিকাৰ কথা জনাব নেকি?

**উঃ** সমাজ-সচেতনাতো আমাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই প্ৰথম এই মাজুলীতে বন্তিগছি জ্বলাই কৃষ্ণকথাৰে বৈষ্ণৱ সমাজখন গঢ় দিব বিচাৰিছিল। শংকৰদেৱ-মাধৱদেৱৰ মিলন হৈছিল। গতিকে সেয়ে সত্ৰ। যিটো সত্ৰ সৎসঙ্গৰ দ্বাৰা আধ্যাত্মিক আৰু সাংস্কৃতিক এই গোটেই দিশখিনি আমি আগুৱাই নিব পাৰোঁ। তেনেস্থলত সত্ৰসমূহক সমাজখনে যথেষ্ট গুৰুত্ব দিয়ে আৰু সত্ৰই হ'ল আধ্যাত্মিক চিন্তাৰ লগতে কলা-সংস্কৃতিৰ বাহক। সেই আস্থা এতিয়ালৈকে আমি পাই আহিছোঁ আৰু সত্ৰ বোলা শব্দটোক যথেষ্ট সন্মান কৰোঁ। আমি ভাবো যে সত্ৰৰ দায়িত্ব হ'ল গুৰুজনাই দি থৈ যোৱা সংস্কৃতি আগবঢ়াই নিব লাগে আৰু বিশ্বত ইয়াক পৰিচয় কৰাই দিবলৈ যত্নপৰ হ'ব লাগে।

**প্ৰশ্নঃ** ভাওনাৰ আহাৰ্য হিচাপে আত্মপ্ৰকাশ কৰা মুখাশিল্পৰ বৰ্তমান স্থিতিৰ বিষয়ে আপুনি কিদৰে আলোচনা কৰিব?

**উঃ** আহাৰ্য হিচাপে আমি মুখা ব্যৱহাৰ কৰোঁ। মুখা এটা পোছাক। মুখা যিহেতু দৃষ্টিগত কলা তাক সজাই থ'ব পাৰি আৰু ইয়াক পিন্ধি অভিনয় কৰিব পাৰি। গতিকে অভিনয় কৰাৰ বেলিকা মুখাৰ প্ৰয়োজনীয়তা কোনো গুণে নুই কৰিব নোৱাৰি। গতিকে যিবিলাক চৰিত্ৰ আমাৰ আপোন মুখে নোৱাৰে সেইবিলাক মুখা হয়। সেইবিলাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমাৰ ওচৰতে যিহেতু বহুজন ছাত্ৰই শিকি ভাওনাত মুখা পৰিৱেশনৰ সুন্দৰ ব্যৱস্থা কৰিছে। মাজুলী আৰু শিৱসাগৰ জিলাখন এই ক্ষেত্ৰত অতি আগবঢ়া। শিৱসাগৰ জিলাখনত মুখাৰ এটা ঐতিহ্য আছে। মাজুলীৰ এই সত্ৰৰো আছে। গতিকে এতিয়া আমি যি দেখিছো তেওঁলোকে মুখাৰ দ্বাৰা বা মুখা নিৰ্মাণ কৰি ভাওনা কৰিছে তাত কিবা এটা অৰ্থ পাইছে যিয়ে তেওঁলোকক আৰু উৎসাহ দিছে আৰু জনসমাজে এটা হিচাপে ইয়াক গ্ৰহণ কৰিবলৈ অতি আগ্ৰহী হোৱাত আমি আৰু নতুনত্বৰ ছাপ দিছোঁ। কি দিছোঁ? মুখা আছিল এটা সময়ত আবক আৰু মুখা এতিয়া সবাক কৰি দিয়া হৈছে। মুখাই সংলাপ দিব পাৰে, মুখ লৰাব পাৰে, চকু লৰাব পাৰে। এই ব্যৱস্থাক নতুন মাত্ৰাত মুখাত দিয়াত মুখাৰ প্ৰতি নতুন মুখা শিকাৰুসকলৰ আগ্ৰহ বাঢ়িছে। গতিকে এই ক্ষেত্ৰত মই কৈছোঁ আমাৰ সমাজখনৰ লগত, উঠি অহা প্ৰজন্মৰ মাজত মুখা শিল্পই মুখ্য ভূমিকা গ্ৰহন

কৰিছে।

**প্ৰশ্নঃ** আজিৰ তাৰিখত মুখা শিল্পই বিদ্যায়তনিকভাৱেও প্ৰতিষ্ঠা লাভ কৰিছে। স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীয়ে জানিব পৰাকৈ মুখাৰ প্ৰকৃতি, নিৰ্মাণ পদ্ধতি সম্পৰ্কে জনাবচোন?

**উঃ** কথাটো এনেকুৱা যে মাজুলীত এখন Cultural University হ'ল আৰু তাত Performing Art ত নাটক বিভাগটো আছে। নাটকত মুখা থাকে। গতিকে বিদ্যায়তনিৰ দিশত আমিয়েই চুক্তিবদ্ধ হ'লোঁ যে তাত আমি শিকাম। গতিকে বিদ্যায়তনিক দিশত Course হিচাপে এই সত্ৰতে দুই এখন কলেজে শিকাবলৈ মনস্থ কৰিছে। ইতিমধ্যে আমি দুটা বৰ্ষ মাজুলী মহাবিদ্যালয়ত চলাই দিছোঁ। গতিকে ই Academic দিশলৈ গতি কৰিছে। নিৰ্মাণ পদ্ধতি হ'ল আমাৰ থলুৱা ঘাঁহ, বাঁহ, বেত, কুহিলা, কাগজ, মৰাপাট আদি ব্যৱহাৰ কৰা হয়। কোনো ৰাসায়নিক সামগ্ৰী ব্যৱহাৰ নকৰাকৈ মুখা নিৰ্মাণ কৰাটো আমাৰ মুখ্য বৈশিষ্ট্য। বাৰীত থকা বাঁহ, গোহালিৰ গোবৰ, নদী কাষৰ কুমাৰ মাটি আৰু মৰাপাট ইত্যাদি আমাৰ থলুৱা সামগ্ৰীখিনিৰেই আমাৰ মুখা শিল্প গঢ় লৈ উঠিছে। পাঁচটা পৰ্যায়ত এখন মুখাৰ কাম শেষ কৰা হয়। বাঁহৰ সজা, তাৰ ওপৰত কাপোৰৰ লগত কুমাৰ মাটিৰে বাঁহৰ সজা ঢাকি দিয়া হ'ল, ৰ'দত শুকাল, শুকান সজাটোৰ ওপৰত গৰুৰ গোবৰৰ লগত কুমাৰ মাটি মিহলাই লৈ ভাওনাখনে যিটো চৰিত্ৰ বিচাৰিছে সেই চৰিত্ৰৰ ৰূপ দিয়া হয়। গোবৰৰ কাম যেতিয়া শেষ হৈ গ'ল তাৰ ওপৰত আকৌ গোবৰক ঢাকি আগৰধৰণে কুমাৰ মাটি, পাতল কাপোৰেৰে ঢাকি মিহি কৰি যিহেতু ৰং কৰিব লাগিব আৰু তাৰ ওপৰত ৰঙৰ কাম আছে। অতীজৰ পৰাই অসমৰ তিনিটা পৰম্পৰা ৰং— হেঙুল, হাইতাল, নীল, খনিজ পদাৰ্থ হেঙুল ৰঙা, হাইতাল হালধীয়া আৰু নীল গছৰ পৰা ওলায়। এয়াও প্ৰাকৃতিক। গতিকে অতি কষ্ট কৰি আমি মুখাত ৰং ব্যৱহাৰ কৰি আছিলোঁ কিন্তু সময়ৰ গতিত অতিমাত্ৰা খৰচ (যেনে- এক কেজি হেঙুলৰ দাম এতিয়া বাইশ হাজাৰ) হোৱাত তাৰ ব্যৱহাৰ কিছু কমিছে। কিন্তু য'ত প্ৰদৰ্শনী কৰোঁ আৰু কাৰোবাক যদি প্ৰয়োজন হয় সেই ৰঙ আমি ঘঁহি দিওঁ। গতিকে আমাৰ থলুৱা উপাদানৰ সৈতে মুখাশিল্প গঢ় লৈছে।

**প্ৰশ্নঃ** আপোনাকে এতিয়াও হেঙুল, হাইতাল বিছাৰিলে পায় নে? ক'ত বিচাৰি পোৱা যায়?

**উঃ** আচলতে ইয়াৰ খনি অসমত নাই। আহে ই বাহিৰৰ পৰা। উত্তম ঠাইকণ হ'ল ৰাজস্থান। তাতে ৰঙীন কিছু পাথৰ জাতীয় বস্তু পোৱা যায়। আৰু সেইখিনি মাটিৰ তলৰ। গতিকে সেইটো তাৰ পৰা আহে আৰু মাৰোৱাৰী যিসকল দোকানী ইয়াত আছে তেখেতসকলে এইটো সংগ্ৰহ কৰি ইয়ালৈ আনে আৰু তাৰ পৰা আমি কিনি লওঁ। যিহেতু অসমত প্ৰাক্ শংকৰী যুগৰ আগত অহা আৰু শংকৰোত্তৰ কালত তাৰ নামকৰণ হৈছে হেঙুল ৰং আৰু হাইতাল হালধীয়া কিন্তু অন্যান্য ৰাজ্যত ইয়াৰ নাম বেলেগ। আমাৰ পাণ্ডুলিপিত, গুৰুআসনত, খোলত, শৰাইত মুখাত আৰু শেহতীয়াকৈ আউনিআটি সত্ৰৰ বিচনীৰ নালটোত হেঙুল হাইতালৰ ৰঙৰ প্ৰকাশ ঘটি আছে। গতিকে এয়া হ'ল হেঙুল-হাইতালৰ অতি অপৰিহাৰ্য ব্যৱহাৰ।

**প্ৰশ্নঃ** আপুনি মুখাৰ প্ৰকাৰৰ কথা অলপমান আগতে উল্লেখ কৰিছিল কিন্তু কথাটো আধৰুৱা হৈ থাকিল। মুখা কেইপ্ৰকাৰৰ আৰু কি কি প্ৰকাৰৰ জনাবচোন।

**উঃ** মুখা স্বাভাৱিকতে তিনি প্ৰকাৰৰ আমি পৰম্পৰাগতভাৱে পাইছোঁ। সেইকেইটা হ'ল— মুখত পিন্ধা মুখ মুখা। যিবিলাক ডাঙৰ ডাঙৰ চৰিত্ৰ বা অতি চৰিত্ৰ, যিবিলাক স্বাভাৱিকতকৈ অলপ ব্যতিক্ৰমী যেনে— নৰসিংহৰ এছোৱা সিংহ, এছোৱা মানুহ, চাৰিখন হাত, এইবিলাক মানুহ সোমাব পৰা সম্পূৰ্ণ গালৈকে কৰা হয়। সেইবাবে এই মুখাক নাম দিয়া হৈছে বৰমুখা বা ছোঁ মুখা। ঠিক ৰাৱণ একে পৰ্যায়ৰ বৰমুখা বা ছোঁ মুখা। এবিধ আৰু আছে তাতকৈ চাপৰ আৰু গাৰ আধালৈকে কৰা হয়, মূৰতে মুখা পিন্ধে আৰু হাত লৰাই অভিনয় কৰিব পাৰে। সেয়ে নাম দিয়া হৈছে লোটকৰী মুখা আৰু এবিধ শেহতীয়াকৈ মোৰ গৱেষণাৰ মাজেদি মই বিচাৰ কৰি চালোঁ যে মুখা নাম দিব পাৰি সেইটোৱে হ'ল যে আমাৰ এইসময়ত অসমত ভাওনা চলি আছে। হঠাতে এজন মানুহক আঁকি লৈ এটা মুখাৰ দৰে ভাৱ দিব বিছৰা হয়, তেনেকুৱা চৰিত্ৰবিলাক থিতাতে সজাইছে, ৰঙেৰে তাক মুখা কৰিব বিচাৰিছে বা আমি ভাৰতবৰ্ষৰ অন্য ঠাইত দেখিলোঁ যে কথাকলি নৃত্যত মুখা মুখা যেন লাগে দেখিলে। গতিকে, এই যে ৰঙেৰে কৰিলে মই এই মুখাখনৰ শেহতীয়া নাম দিছোঁ অংকিত মুখা আৰু আমাৰ গৱেষণাৰ মাজেদি এইখন আগবাঢ়িছে।

**প্ৰশ্নঃ** চলনশীল মুখাৰ পৰম্পৰাটো বোধহয় আপুনিয়েই আৰম্ভ কৰিছে?

**উঃ** যিটো সঞ্চালনশীল, চকু-মুখৰ সঞ্চালন। সেইটো মই ২০০০ চনৰ পৰা কৰিছোঁ। মোৰ উদ্দেশ্য এটাই যে অকণমান বিজ্ঞানসন্মত নহ'লে আজিকালি মুখা পিন্ধিবলৈ

অকণমান টান পাব। যিহেতু আপোন এখন মুখৰ নাক, চকুত কোনো আঘাত নোহোৱাকৈ সুন্দৰকৈ অভিনয় কৰিব পাৰি, কথা ক'ব পাৰে। বাহিৰলৈ ওলাই যাব, বাহিৰৰ বতাহকণো মুখখনে সংগ্ৰহ কৰিব পাৰিব। দেখা-শুনাতো কথা ক'লে মুখখনে লৰচৰ কৰিব। চকুৰেতো দেখাকৈ লোৱাই হয়। এইখিনি কৰাৰ কাৰণে মুখাটো আৰু বাস্তৱসন্মত ৰূপত মঞ্চত বা নামঘৰৰ ভিতৰত দেখা পাইছে। এই অনুভৱবোৰ আমি মানুহৰ পৰা গম পাইছোঁ। সেইটো আমি ২০০০ চনৰ পৰা কৰিছোঁ আৰু এতিয়া জনপ্ৰিয় হৈছে।

**প্ৰশ্নঃ** আপোনাৰ ধাৰণাটো তেনেকৈয়ে আহিল?

**উঃ** হয়, তেনেকুৱাকেই আহিছিল।

**প্ৰশ্নঃ** গুৰুজনাই শিল্পসৃষ্টিৰ সময়ত জনজাতীয় সমাজৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল নেকি?

**উঃ** নিশ্চয় হৈছে। মোৰ বহুত মিচিং ছাত্ৰ আছে। মাজুলীত মিচিং যথেষ্ট। বহুত মিচিঙৰ ল'ৰাই এতিয়া মুখা বনাই ভাওনাত পিন্ধাইছে। ইয়াতে শিকিছে আৰু তেওঁলোক বহুত আগ্ৰহী হৈছে। মিচিং সকল আৰু দেউৰী, কছাৰী সকল এনেকুৱা সকলোৱে মুখা শিকিছে। গুৰুজনায়ো কোনো জাতি-বৰ্ণ-ভাষাৰ কথা ভবা নাছিল। সকলোকে আদৰি লৈছিল আৰু আমাৰ সত্ৰসমূহৰো এইটো ভূমিকা আছে। সকলোকে আদৰি এই বিদ্যা-শিক্ষা দি ইয়াক আগবঢ়াই নিব লাগে।

**প্ৰশ্নঃ** মুখা পৰম্পৰাত প্ৰয়োজন সাপেক্ষে কেতিয়াবা জনজাতীয় সমাজৰ পৰা মুখাৰ উপাদান সংগ্ৰহিত হৈছে নিশ্চয়?

**উঃ** নিশ্চয়, তেওঁলোকৰ লগত আমি মিলিছোঁ আৰু এই মিলি লৈয়ে আমাৰ মুখাশিল্পভাগক আগবঢ়াব লাগিব। আমি অকল নিজৰতো বুলিয়েই নহয়, আমি মিলিব লাগিব।

**প্ৰশ্নঃ** অসমত এতিয়া ক'ত কেনেধৰণৰ শৈলীৰ মুখাৰ চৰ্চা হৈ আছে?

**উঃ** অসমত চামগুৰি সত্ৰত সত্ৰীয়া মুখাশিল্প বুলি এইকাৰণেই কোৱা হয় যে সততেই এই সৃষ্টি লাভ কৰিছে। আমাৰ গুৰুজনাৰ আগততো অসমত মুখাৰ প্ৰচলন আছেই, আজি আমাৰ নামনি অসমত যিটো ভাৰীগান। অসমত ৰাভাসকলৰ মাজত কাঠৰ খুলি খুলি মুখা পিন্ধি তেওঁলোকে আনন্দ উৎসৱ কৰেই, আজি আমাৰ উত্তৰ পূৰ্বাঞ্চলত মুখা আছে। অৰুণাচলৰ বৌদ্ধ সমাজৰ মাজত মুখা আছে, চিকিমৰ মুখা আছে। আমাৰ অসমত থকা সত্ৰীয়া শিল্প মুখা আৰু ৰাজসকলৰ মাজত থকা ভাৰীগান যিটো তেওঁলোকে নাটক কৰে, সেই নাটকত কাঠৰ মুখা পিন্ধি তেওঁলোকে গীত পৰিৱেশন কৰে।

**প্ৰশ্নঃ** সঞ্চালনশীল মুখাৰ বিষয়ে আমি অকণমান কথা পাতি লওঁ। এই উদ্ভাৱনশীল কলা আয়ত্ত কৰাত আপোনাক কোনবোৰ দিশে সহায় কৰিছিল?

**উঃ** কথাটো এনেকুৱা। এই ধাৰণাটোৰ বেলিকা কিছুমান তাত্ত্বিক দিশ আছে যিটো আমাৰ ৰামায়ণ, মহাভাৰত আদিত উল্লেখ আছে। সেই তত্ত্ববিলাক আমি অনুধাৱন কৰিব লাগিব। তাৰ পিছত আহিব চৰিত্ৰকেন্দ্ৰিক, প্ৰতি মুখ একে চেহেৰাৰ নহ'বও পাৰে আৰু তেনেকুৱা তাত্ত্বিক দিশো আছে। তেনেকুৱা তাত্ত্বিক দিশৰ কথা কৈছোঁ— আমি নৰসিংহৰ মুখা বনাইছোঁ। এচোৱা মানুহ, এচোৱা সিংহ। এই বৰ্ণনাবিলাক গুৰুজনাই কীৰ্ত্তনত লিখিছে—

*তপ্ত সুৱৰ্ণৰ সম জ্বলে চক্ষু দুই।*

*পৰ্বত সমান কায় আছে স্বৰ্গ ছুই।।*

*শৰীৰৰ লোম চন্দ্ৰ সম শুক্ল-বৰ্ণ।*

*তুলি আছে উৰ্দ্ধক তবধ দুই কৰ্ণ।।*

.........

*লহ লহ কৰে জিহ্বা যেন ক্ষুৰ ধাৰ।*

*জ্বলে বাহু শত তীক্ষ্ম নৰে চমৎকাৰ।।*

*বহল হৃদয় দীৰ্ঘ গ্ৰীৱা কৃশ কটি।*

*জিহ্বা মেলি আছা দুই দশন প্ৰকটি।।*

ইয়াৰ দ্বাৰা এখন ছবি সুন্দৰকৈ দাঙি ধৰিলে। সেই ছবিখনক আমি আশ্ৰয় কৰিলোঁ আৰু আমাৰ পৰম্পৰাতো তাক অনুসৰণ কৰা দেখা পাইছোঁ। গতিকে পৰম্পৰা আৰু তাত্ত্বিক দুয়োখিনি মিলাই লৈছোঁ। যেনেকৈ ৰামায়ণৰ তাৰকা ৰাক্ষসীৰ ৰামবিজয় নাটকত মুখ্য ভূমিকা আছে, গতিকে ৰামায়ণত তাৰকাৰ বৰ্ণনাও আছে—

*আউল-বাউল কেশ তাৰ বিকট দশন।*

*নৰ পশু পালে তাই কৰহ ভক্ষণ।।*

গতিকে নৰ পশু খাব পৰা ৰূপটো কি হ'ব পাৰে? সেইবিলাক আমাৰ পৰম্পৰাতো আছে আৰু আমিও পৰম্পৰাক আধাৰ হিচাপে লৈছোঁ। লগতে আমাৰ সৃষ্টিশীল মনটো তাত সুমুৱাই দিছোঁ যাতে নান্দনিকতা প্ৰকাশ পায়। নান্দনিক নহ'লে কেতিয়াও সুন্দৰ নহয়।

**প্ৰশ্নঃ** আপুনি কম বয়সৰ পৰা মুখা শিল্পত জড়িত হৈ আছে। এই শিল্পৰূপটোৰ প্ৰতি আপোনাৰ অন্তৰংগতা সৃষ্টি

হোৱাত ঘৰুৱা পৰিৱেশ ভিন্ন আন কাৰক আছে নেকি?

উঃ প্ৰথম কথা ঘৰুৱা পৰিৱেশ। আমাৰ অসমীয়াত কথা এষাৰ আছে নহয়— 'গায়নৰ ঘৰত বোন্দায়ো ৰাগ টানে।' গতিকে ইমান এটা সৃষ্টিশীল পৰিৱেশ হৈ আছিল সেইটোৰ প্ৰতি পাছত শ্ৰদ্ধা উপজিল। শ্ৰদ্ধা ওপজাৰ প্ৰতি আগ্ৰহ জনাই মুখা শিল্পত অধিক মনোনিৱেশ কৰিছিলোঁ। তাৰ পিছত মনৰ আগ্ৰহ সৃষ্টি হ'ল। সৃষ্টি নহ'লে শিল্পকলা জীয়াই নাথাকে, গতিকে এখন মুখাক কেনেদৰে সৃষ্টি কৰিলে সমাজখনত স্থান লাভ কৰিব পাৰি বা প্ৰতিষ্ঠা লাভ কৰিব সেই চিন্তাখিনিও আমাৰ মনত সোমাই থাকে আৰু বৰ্তমানৰ সমাজখনৰ লগত মিলিব পৰাকৈ সেই সৃষ্টিটোক আমি সন্নিবিষ্ট কৰিলোঁ। পৰম্পৰাক আমি আদৰেৰে ল'লোঁ আৰু সত্ৰখনে যে এটা সাংঘাটিত পৰিৱেশ প্ৰদান কৰিছিল সেয়া মুখা সজা ঠাই। গতিকে সিয়ো আমাক গভীৰভাৱে মনোনিৱেশ কৰালে।

**প্ৰশ্নঃ** মুখা শিল্পই শৈক্ষিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত যোগাব পৰা বৰঙণি সম্পৰ্কে আপুনি কি ভাৱে?

উঃ আমি এটা কথা ভাবিলোঁ যে, মুখা ভাওনাত ব্যৱহাৰ হয় আধ্যাত্মিক দিশত আৰু সেয়া হ'ল হৰি কথা। তাৰ পিছত আহিল আমাৰ এটা কথা আছে চাউল কঠা। গতিকে হৰি কথা আৰু চাউল কঠা দুয়োটা লাগিব। যিহেতু আমি চলিহে হৰি কথা ৰাখিব পাৰিম। তেনেকুৱা মনলৈ বেছিকৈ সোমাই গ'ল। যোৱাৰ পিছত আমি চিন্তা কৰিলোঁ যে ইয়াক বাণিজ্যীকৰণ কৰাৰ সুবিধা আছে নেকি? আৰু এইটো কৰিলে এটাই লাভ হ'ব ল'ৰা-ছোৱালীবোৰ শিকিবলৈ আগ্ৰহী হ'ব। যিটো বিদ্যাত অৰ্থ নাথাকে, সেই বিদ্যা নাইকীয়া হৈ যায়। গতিকে সেইটো মনত পুহি ৰাখি ভাওনাত পিন্ধা মুখা আৰু মানুহে ঘৰত সজাব পৰা সৰু সৰু মুখা আৰু পৰ্যটকসকলৰ বাবে এখন বিশেষ জেগা যিসকল পৰ্যটকে মুখা নিব বিচাৰিব অসমৰ পৰা। তেওঁলোকৰ বাবে সুন্দৰকৈ পেকিং কৰি সেই ব্যৱস্থা কৰা হৈছে। অসমত ডাঙৰ ডাঙৰ উৎসৱবিলাক হৈ থাকে, তালৈ বিশিষ্ট ব্যক্তিসকলক নিমন্ত্ৰণ কৰে, গতিকে তেওঁলোকক আমাৰ গামোছাখন, চেলেংখন দিয়াৰ উপৰিও মুখা এখনো দিব পাৰো। এই ব্যৱস্থাটো যেতিয়া কৰি দিয়া হ'ল, পৰ্যটকসকলৰ গুৰুত্ব যেতিয়া বাঢ়িল আৰু মুখা নিবলৈ আগ্ৰহী হ'ল তেতিয়া ছাত্ৰসকলক বাণিজ্যিক লাইনৰ মুখা বনাবলৈ শিকাই দিছিলো যাতে অৰ্থৰ যোগেদি তেওঁলোকে নিজৰ ঘৰখন চলাব পাৰে। এই চিন্তাটো মনলৈ ২০০০ চনৰ পৰা আহিল। আজি তেওঁলোকক দিয়া কাৰণে ওচৰৰ ২০-২৫ টা পৰিয়ালে সুন্দৰকৈ ঘৰ-দুৱাৰ চলাই আছে। পৰ্যটকবিলাক আহে, তেওঁলোকৰ বিলাসী মন থাকে। বিশেষকৈ মহিলাবিলাকৰ। সৰু মুখা এখন যদি সুন্দৰকৈ দিব পাৰো, তেনেকুৱা কৰি চালো। তাত মূল্য লিখা থাকে। লগে লগে তেওঁলোকে পিন্ধে আৰু মূল্য দি লৈ যায়। গতিকে তেনেকুৱা। আগতে গাড়ী এখনৰ আগত প্লাষ্টিকৰ পুতলা ওলমি থাকে, গতিকে প্লাষ্টিক নিদি সৰু মুখা ওলোমাই ৰাখিব পাৰো। তেনেকৈয়ে এখন বজাৰ পাব পাৰে। গতিকে বজাৰ সৃষ্টি কৰিব লাগিব, গ্ৰাহক সৃষ্টি কৰিব লাগিব আৰু তেতিয়া আমি ইয়াক বাণিজ্যিক দিশেৰে গতি কৰাম তেতিয়া নতুন প্ৰজন্ময়ো আগ্ৰহী হৈ শিকিবলৈ মন কৰিব আৰু শিকিলেই বস্তুটো স্থায়ী হ'ব।

**প্ৰশ্নঃ** আপোনালোকে অনলাইন মাৰ্কেটতো উপলব্ধ কৰিছে নে?

উঃ অনলাইন মাৰ্কেট এতিয়ালৈকে হোৱা নাই কিন্তু কুৰিয়াৰ চাৰ্ভিছত দিছোঁ। অনলাইনটো এই কাৰণেই হোৱা নাই যে ইয়াৰ উৎপাদন বাঢ়িব লাগিব। উৎপাদন যেতিয়া বাঢ়িব তেতিয়া হয়তো অনলাইন হ'ব। উৎপাদন বাঢ়িবলৈ শিক্ষা গ্ৰহণ কৰিব লাগিব। সকলোৱে যিহেতু মুখা বনাব নাজানে। গতিকে যিসকলে জানে তেওঁলোকেই আজি যোগান ধৰিব পৰা নাই। কাৰণ এতিয়া বিভিন্ন ঠাইৰ পৰা মুখাৰ অৰ্ডাৰ হয়। গতিকে হয়তো এটা সুবিধা আহিব যিটো সুবিধাৰ দ্বাৰা অনলাইন কৰিব পৰা হ'ব।

**প্ৰশ্নঃ** ভৱিষ্যতে কেনেকুৱা সম্ভাৱনা আছে?

উঃ হয়, সম্ভাৱনা আছে।

**প্ৰশ্নঃ** মোৰ পিছৰ প্ৰশ্নটো এই দিশটোৰ লগত জড়িত? মুখা শিল্পৰ ভৱিষ্যত সম্পৰ্কে আপুনি কি ভাৱে?

উঃ মই ভৱিষ্যত সম্পৰ্কত এনেকুৱাকৈ ভাৱিছোঁ যে, প্ৰথম কথা হ'ল ইয়াক সমাজখনে আদৰি ল'ব লাগিব। আমি প্ৰশিক্ষণ দিছোঁ আৰু তেওঁলোকে ইয়াত মনোনিবেশ কৰিব লাগিব। যদি তেওঁলোক শিকাত আগ্ৰহী হয়, কলাসুলভ মনটো যদি তেওঁলোকৰ সঞ্চাৰ হয়। গতিকে মই ভাবো আৰু আগবাঢ়ি যাব আৰু আমাৰ কৰিব লগা কাম বহুত আছে। সেই কামখিনিৰ বাবে উঠি অহা প্ৰজন্ম সচেতন হ'ব লাগিব। যিহেতু আজি অৰ্থৰ যুগ, কৰ্ম-সংস্কৃতিৰ যুগ আৰু কৰ্ম-সংস্কৃতি হ'ল আমাৰ মূল বিষয়। কৰ্ম-সংস্কৃতিক মানুহে ভাল পাওক। মুখা বনাই, তাৰ যোগেদি সংস্থাপন লাভ কৰিব, এনেকুৱা যদি মন



তেওঁলোকে পুহি ৰাখিব পাৰে আৰু তাতকৈ ডাঙৰ কথা কলাক ভাল পাবলৈ শিকিব লাগিব। একাগ্ৰতা যদি তেওঁলোকে দিয়ে মই ভাবো মুখা কোনোদিনে হেৰাই নাযায়। অসমত এই মুখাৰ চৰ্চা দুগুণে বৃদ্ধি পাব।

**প্ৰশ্নঃ** মুখা সাজিবলৈ প্ৰয়োজন হোৱা গোবৰ, বাঁহ আদি এতিয়াও পৰ্যাপ্ত পৰিমাণৰ পায়নে?

**উঃ** এইখিনি আমাৰ স্থানীয়। পোৱা যায়েই খৰচো বেছি নাহে। খৰচ আছে, খৰচ হৈছে মনটো। মনটোৱে তাক ধুনীয়া কৰিব লাগিব।

**প্ৰশ্নঃ** মুখা ভাওনা সম্পৰ্কীয় এটা প্ৰশ্ন আছিল। আপুনি ২০০৬ চনৰ পৰা এইটো আৰম্ভ কৰা বুলি ইতিমধ্যে জানিবলৈ পালোঁ। ইয়াৰ পিছৰ কথাটো হ'ল এজন শিল্পীৰ বাবে সৌন্দৰ্যৰ সাধনাৰ দিশটো আপুনি কেনেদৰে বিশ্লেষণ কৰিব?

**উঃ** শিল্পসাধনা আৰু সুন্দৰ। সুন্দৰ সকলোতকৈ ভাল লাগে। গতিকে সুন্দৰক ভাল পাওঁ। সুন্দৰক ভাল পাই মুখা শিল্পক সুন্দৰতাৰে সমৃদ্ধ কৰি যদি সমাজখনলৈ সুন্দৰক আগবঢ়াওঁ তেতিয়া এখন সংস্কৃতিবান সমাজ গঢ় লৈ উঠিব।

**প্ৰশ্নঃ** আমাৰ শেষৰটো প্ৰশ্ন। মাজুলীত দলং ইত্যাদি এতিয়া হৈছে। গতিকে ইয়ে মাজুলীৰ ঐতিহ্যত কেনে প্ৰভাৱ পেলাব বুলি ভাবে?

**উঃ** মই এটা কথাই কওঁ। সমাজখন গতিশীল। গতিশীল সমাজখনৰ লগত সদায় পৰিৱৰ্তন আহে। মানুহে বহুদিন দলং বিচৰা নাছিল, এতিয়া বিচাৰিছে। ইয়াৰ কাৰণ হ'ল শিক্ষা আৰু স্বাস্থ্য। এই দুয়ো ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নদীখনৰ বুকুত থাকি যথেষ্ট অসুবিধা ভোগ কৰি আছে। গতিকে দলং বিচৰাটো প্ৰথম প্ৰয়োজনীয় কথা। দ্বিতীয়টো কথা দলংখন হোৱাৰ পাছত হয়তো ইয়াৰ পৰিৱেশ সলনি হ'ব, নোহোৱাকৈ নাথাকে। যিহেতু পৰিবহন ব্যৱস্থাটো মানুহৰ উন্নয়নৰ জখলা। পৰিবহন ব্যৱস্থাৰ মাজেৰে বাণিজ্যিক দিশ আৰু ওপৰলৈ উঠিব। তেতিয়া মাজুলী ভৌগোলিকভাৱে একে হৈ থাকিলেও মানুহবোৰৰ ভাৱৰ পৰিবৰ্তন হ'ব। কিন্তু আমাৰ সুবিধা হ'ব লাগে।

**প্ৰশ্নঃ** আমিও আশা কৰিছোঁ, মুখাশিল্পৰ জয়যাত্ৰা অব্যাহত থাকক। আমিও গৌৰৱ কৰোঁ। গতিকে আমাৰ সাক্ষাৎকাৰটো ইমানতে সামৰিলো। ধন্যবাদ।

**উঃ** এইবিলাক প্ৰচাৰ হ'ব লাগে আৰু সকলোৱে জানিব লাগে। ধন্যবাদ।

২০২২-২৩ বৰ্ষৰ সম্পাদনা সমিতিৰ হৈ প্ৰশ্নসমূহ যুগুতাইছে ছাত্ৰ সদস্য আছিক আলীয়ে।

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষক তথা লেখক ড° ৰুবুল মাউতৰ সৈতে

# কথোপকথন

অসমৰ সাহিত্য জগতৰ লেখকসকলৰ এজন জীৱ বিজ্ঞানী ড° ৰুবুল মাউত। দৰিদ্ৰতাৰ সৈতে সংগ্ৰাম তথা প্ৰতিবন্ধকতা নেওচি মাচাছুচেটচ বিশ্ববিদ্যালয়ৰ পৰা জিন-সম্পাদনা বিষয়ত তেখেতে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে।

অসম-অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰৰ ওচৰৰ কৈলাশপুৰত এটি কৃষকৰ পৰিয়ালত জন্মগ্ৰহণ কৰা ড° ৰুবুল মাউত বৰ্তমান হাভাৰ্ড বিশ্ববিদ্যালয়ৰ হাভাৰ্ড মেডিকেল স্কুল আৰু বষ্টন চিলড্ৰেনছ হাস্পাতালৰ (বিচি.এইচ) ষ্টেম চেল প্ৰগ্ৰেমৰ গৱেষণা-সভ্য। তেখেতে 'ধূসৰতাত সংহতশ্ৰৱণ' শীৰ্ষক গল্প সংকলন আৰু 'মোৰো এটা সপোন আছে' শীৰ্ষক আত্মজীৱনী লিখি উলিয়াইছে। নিজৰ জীৱন সংগ্ৰামৰ প্ৰতিচ্ছবি খোদিত 'মোৰো এটা সপোন আছে' গ্ৰন্থখন সপোন খেদি ফুৰা প্ৰতিগৰাকী কিশোৰ-কিশোৰী তথা যুৱক-যুৱতীৰ বাবে অনুপ্ৰেৰণাৰ উৎস। আত্মজীৱনীখন সম্পৰ্কত জীৱন নৰহে মন্তব্য কৰিছে এইদৰে— "লক্ষ্য আৰু একাগ্ৰতাই মানুহক কেনেকৈ প্ৰতিষ্ঠা কৰিব পাৰে তাৰ জীয়া কাহিনী এই গ্ৰন্থখনত আছে। কেৱল এয়াই নহয়, বিজ্ঞানী হোৱাৰ পাছতো নিজৰ পৰিয়াল, গাঁৱক পাহৰি নগৈ তেওঁৰ দায়িত্ববোধ সঠিকভাৱে ৰাখিছে। তদুপৰি অতীতত তেওঁ কষ্ট স্বীকাৰ কৰা সকলৰ প্ৰতি এতিয়াও শ্ৰদ্ধানত। এয়া নতুন পুৰুষৰ বাবে আদৰ্শস্বৰূপ।" পূব কামৰূপৰ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক আলোচনী 'পূবেৰুণ'ৰ বাবে ড° ৰুবুল মাউতৰ সৈতে 'পূবেৰুণ', ২০২২-২৩ -ৰ সম্পাদনা সমিতিৰ শিক্ষক সদস্য ড° বিপুল ডেকাই গ্ৰহণ কৰা কথোপকথনটি লিখিতৰূপে আগবঢ়োৱা হ'ল।



**প্ৰশ্নঃ** আপুনি কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল তিনিচুকীয়া মহাবিদ্যালয়ত। 'মোৰো এটি সপোন আছে' পঢ়িলে জানিব পাৰি তাতেই ৰসায়ন বিজ্ঞানৰ সৈতে প্ৰেমত পৰিছিল। কোনো নামজ্বলা সকলো সা-সুবিধা থকা প্ৰতিষ্ঠানৰ বিপৰীতে গাঁৱৰ কলেজসমূহত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলক আপুনি আজি কেনেকুৱা সপোন দেখিবলৈ অনুপ্ৰেৰণা যোগাব? (যিহেতু আমাৰ মহাবিদ্যালয়খন গ্ৰাম্য অঞ্চলত অৱস্থিত)

**উঃ** সৰু সৰু ঠাইৰ সৰু সৰু শিক্ষা প্ৰতিষ্ঠানৰ পৰা ওলাই গৈ বিশ্বৰ শ্ৰেষ্ঠ প্ৰতিষ্ঠানলৈ যোৱাতো খুব কষ্টসাধ্যকৰ। কাৰণ সৰু ঠাইবোৰত ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ বাবে তেনেকৈ সুবিধা নাথাকে। তাৰ মাজতে সঠিক বাটেৰে গৈ থাকিলে আজীৱন উৎকৰ্ষ সাধনৰ ব্ৰতত ব্ৰতী হ'লে পৃথিৱীৰ যিকোনো ঠাইত যিকোনো ক্ষেত্ৰত কাম কৰাৰ সুবিধা উপলব্ধ হ'ব পাৰে। ইয়াৰ মূল মন্ত্ৰই হৈছে Persistence।

**প্ৰশ্নঃ** আজিকালি interdisciplinary programs -ৰ ধাৰণা খুবেই জনপ্ৰিয়। জীৱবিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, পদাৰ্থ বিজ্ঞান সকলো ক'ৰবাত একাকাৰ হৈ পৰে। Computational Biology, Data Science ইত্যাদি তাৰ উদাহৰণ। আপোনাৰ গৱেষণাৰ বিষয়টোৰ সৈতে বিজ্ঞানৰ অন্যান্য শাখা আৰু কলা অথবা আন আন বিভাগৰ শিক্ষাৰ্থী এগৰাকীয়ে কেনেদৰে জড়িত হ'ব পাৰিব?

**উঃ** হয় আজিকালি বিষয়বোৰ Interdisciplinary হৈ

পৰিছে। মই নিজৰ জীৱনতে বহুত Interdiscipinary গৱেষণা কৰিছোঁ। ৰসায়ন বিজ্ঞানৰ পৰা আহি নেন'টেকনলজি, জিন এডিটিং, প্ৰ'টিন ডিজাইন, ষ্টেম চেল আদিৰ গৱেষণাৰে বহুতো ক্ষেত্ৰৰ সমন্বয়ৰে মোৰ গৱেষণা চলি থাকে। মই ভাবো যে ছাত্ৰ-ছাত্ৰীসকলে প্ৰাৰম্ভিক অৱস্থাত বিজ্ঞানৰ সকলো বিষয় খৰচি মাৰি পঢ়িবলৈ যত্ন কৰিব লাগে। ই পিছৰ সময়খিনিত যথেষ্ট সহায় কৰে?

**প্ৰশ্নঃ** ভাৰতত এটা বৃত্তি হিচাপে গৱেষণাৰ স্থানক আপুনি কি ধৰণে চায়? এই দিশটোত কি কি কৰণীয় আছে?

**উঃ** ভাৰতত বিজ্ঞান গৱেষণাৰ বহুতো আসোৱাহ আছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক বহু কাৰকে বিজ্ঞান প্ৰসাৰত যথেষ্ট বাধাৰ সৃষ্টি কৰিছে। এই আটাইবোৰ কথা ইয়াত খৰচি মাৰি ব্যাখ্যা কৰাটো সম্ভৱপৰ নহয়।




**প্ৰশ্নঃ** অধ্যয়ন আৰু গৱেষণাৰ কালছোৱাত আপুনি কেতিয়াবা হতাশাৰ সন্মুখীন হৈছিল নেকি? হতাশাৰ সৈতে আপুনি কি ধৰণে মোকাবিলা কৰিছিল?

**উঃ** অধ্যয়নৰ সময়তেই নহয়, হতাশ এতিয়াও হওঁ। কিন্তু জীৱনত ইমান কৰিবলগীয়া আছে যে সেই হতাশা ক্ষন্তেকীয়া। ভৱিষ্যতৰ ফালে চাই সেই হতাশাৰ পৰা আঁতৰি যাওঁ।

**প্ৰশ্নঃ** TIFR-ত কৰ্মৰত থকা সময়ত ইংৰাজীত কথা কোৱাত আপোনাৰ সমস্যাৰ বিষয়ে আপুনি লিখিছে। আপুনি ভাবেনে শিক্ষা আহৰণত মাধ্যম হেঙাৰ হৈ থিয় দিব পাৰে?

**উঃ** এই প্ৰশ্নটোৰ উত্তৰ বহু সময় Subjective। পৃথিৱীত এনে বহুত মানুহ আছে যি ভাষাৰ অন্তৰায় থকাৰ সত্বেও পৃথিৱী প্ৰভাৱী কাম কৰিবলৈ সক্ষম হৈছে। একে সময়তে ভাষাৰ প্ৰতিকূলতাৰ বাবেই বহুতে জীৱনত থমকি ৰ'বলগীয়া হয়।

মোৰ ক্ষেত্ৰত মই বহু অতিৰিক্ত সময় দিবলগীয়া হৈছে ভাষাটো ভালকৈ আয়ত্ব কৰিবলৈ। কিন্তু সকলোৰে সেই অতিৰিক্ত শক্তি-ইচ্ছা নাথাকিবও পাৰে।

**প্ৰশ্নঃ** অসমৰ শিক্ষাৰ্থীসকলক গৱেষণাৰ প্ৰতি কেনেকৈ অধিক আগ্ৰহী কৰিব পাৰি?

**উঃ** মই ভাবো সৰুৰে পৰা বিজ্ঞানৰ এটা পৰিৱেশ ঘৰতেই হওঁক বা শিক্ষানুষ্ঠানতেই হওঁক— গঢ়ি তোলাটো খুউব প্ৰয়োজনীয়। জীৱনৰ প্ৰথম ১৫ বছৰ গুৰুত্বপূৰ্ণ। এই সময়তেই যদি ল'ৰা-ছোৱালীয়ে উপযুক্ত পৰিৱেশ নাপায়, তেন্তে ভৱিষ্যতে জীৱনত উৎকৰ্ষ সাধন কৰাটো দূৰূহ হৈ পৰে। বিজ্ঞানৰ পৰ্যাপ্ত নেৰেটিভ, সা-সুবিধা সৃষ্টিৰ অবিহনে এখন সমাজ বিজ্ঞানমুখী হৈ উঠিব নোৱাৰে।

**প্ৰশ্নঃ** জিন সম্পাদনা আৰু নেন'প্ৰযুক্তিয়ে বহুতো অসম্ভৱ সম্ভৱ কৰি তুলিছে। অনাগত দিনত আমি এই ক্ষেত্ৰখনত আৰু কি কি সম্ভৱ সাধন হোৱা দেখিবলৈ পাম?

**উঃ** জিন সম্পাদনাই মানুহৰ জেনেটিক ৰোগবোৰৰ প্ৰায়ভাগ নিৰ্মূল কৰিব বুলি আশা কৰিব পৰা যায়। অন্যহাতে নেন' প্ৰযুক্তিৰ প্ৰয়োগ বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত দেখা যায়।

**প্ৰশ্নঃ** বিজ্ঞানী হিচাপে আপোনাৰ উচ্চাকাংক্ষা কি? (বহল দৃষ্টিভংগীৰে)

**উঃ** বিজ্ঞানী বুলিয়েই নহয়— এখন সাধাৰণ পৃথিৱীৰ নাগৰিক হিচাপে সভ্যতাৰ উত্তৰণ হোৱাটো বিচাৰোঁ। মোৰ জ্ঞান কৌশল যিহেতু চিকিৎসাবিজ্ঞানৰ গতিকে মোৰ কাৰণে পৃথিৱীৰ পৰা ৰোগ নিৰ্মূল হোৱাত অকণমান অৱদানো যদি আগবঢ়ায় পাৰো তেন্তে মই সুখী হ'ম।

**প্ৰশ্নঃ** আমাক বিজ্ঞান কিয় লাগে? আপুনি কি ভাবে?

**উঃ** মানুহক মানুহ হিচাপে জীয়াই থাকিবলৈ জীৱনৰ প্ৰত্যেক স্তৰতে মানুহক বিজ্ঞান লাগে। বিজ্ঞান অবিহনে মানৱ অস্তিত্বৰ সকলো দিশেই সম্ভৱ নহয়।

**প্ৰশ্নঃ** "অসমৰ দৰে ঠাইত থাকি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাটো সহজ নহয়", আপোনাৰ মতামত কি?

**উঃ** একেবাৰে সঁচা কথা। পৰ্যাপ্ত Resource ৰ অবিহনে মানদণ্ডৰ বিজ্ঞান কৰাটো সম্ভৱ নহয়। অৱশ্যে বিজ্ঞানৰ প্ৰায়োগিক দিশবোৰ বিজ্ঞানৰ ফলবোৰ মানুহৰ মাজলৈ লৈ যাব পাৰি। সেইবোৰ কাম কৰাৰ যথেষ্ট থল আছে।

# অগ্ৰগামী

**দিশান্ত নাথ**
স্নাতক দ্বিতীয় ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ



**চৰিত্ৰসমূহ ঃ**

১। **সৰলা - ৪৫ বছৰ - ৰীতাৰ মাক; ডাক্তৰৰ পত্নী।**
২। **মিনতী - ৪৮ বছৰ - প্ৰাঞ্জলৰ মাক; পুলিচৰ পত্নী।**
৩। **ৰীতা - ১৮ বছৰ - সৰলাৰ জীয়েক; ডাক্তৰৰ ছোৱালী।**
৪। **ৰেখা - ১৮ বছৰ - ৰীতাৰ বান্ধৱী; ইঞ্জিনীয়াৰৰ ছোৱালী।**
৫। **স্বপ্না - ১৮ বছৰ - ৰীতাৰ বান্ধৱী; প্ৰিন্সিপালৰ ছোৱালী।**
৬। **অপৰাজিতা - ১৮ বছৰ - ৰীতাৰ বান্ধৱী; গাঁৱৰ ছোৱালী।**

(ৰীতাৰ জন্মদিন। ৰীতা, ৰেখা আৰু অপৰাজিতা সকলো বান্ধৱী। সৰলা ৰীতাৰ মাক। মিনতী ওচৰৰ বোৱাৰী। মঞ্চত সৰলাই টেবুল চকীকেইখন ঠিক কৰি থাকে।)

ৰীতা ঃ (নেপথ্যত) মা। গৈছোঁ (মঞ্চত)। কিয় মাতিছিল মা?

সৰলা ঃ কেক আৰু মমবোৰ তুমি ক'ত থলানো?

ৰীতা ঃ বেডৰুমত আছে। মই সজাই থৈছোঁ। পিছত আনিলে নহ'বনে? সিহঁতো আহি পাওঁক।

সৰলা ঃ সেইবোৰ তাতে সজাবলৈ নহয় নহয়। লৈ আনাগৈ।

(ৰীতা ভিতৰলৈ যায় ম'মবোৰ লৈ আনে।)

ৰীতা ঃ এয়া মা।

সৰলা ঃ টেবুলত সজাই থোৱা। (মমবোৰ সজাই থয়)

ৰীতা ঃ ওম! থলোঁ।

সৰলা ঃ এতিয়া তুমি চোৱা, তোমাৰ বান্ধৱীবোৰ আহিব। সিহঁত আহিয়েই যদি সকলো সাজু হৈ থকা দেখা পাই তোমাৰ ভাল নালাগিবনে?

ৰীতা ঃ সঁচা মা, তুমি ভাল কথাকে কৈছা। তোমাৰ আদৰ্শৰে চলিব পৰা হ'লেময়ো সঁচাকে ধন্য হ'ব পাৰিলোঁ হয় মা।

সৰলা ঃ যোৱা যোৱা ভালকৈ ফণীয়াই আঁহা।

ৰীতা ঃ হ'ব (ৰীতা গুচি যায়। সৰলাই বস্তুবোৰ ভালকৈ সজায় থয়। প্ৰাঞ্জলৰ মাক মিনতী সোমাই আহে।)

মিনতী ঃ আছে ঘৰত?

সৰলা ঃ হয় আহক। ইয়াতে বহক। (ছোফাত আঙুলিয়াই) মই কিন্তু আপোনাক চিনিব পৰা নাই?

মিনতী ঃ হেঃ হেঃ হেঃ মোকো চিনি নোপোৱা হ'ল। কেলেই সিদিনা বজাৰত আপোনাক লগ কৰি চিনাকী হোৱা নাছিলো জানো?

সৰলা ঃ অ' অ' মনত পৰিছে।

মিনতী ঃ আপুনি মোক কোনোবা এদিন মতা নাছিল জানো?

সৰলা ঃ হয়, হয়। বেয়া নাপাব দেই। আপোনাক এদিনহে লগ পাইছিলো। কথাবোৰ মই পাহৰিয়েই যাওঁ।

মিনতী ঃ হ'ব হ'ব এইটো এটা সৰু কথা। মই ইমান দ কৈ ভবা নাই নহয়। হেৰি নহয়, আজি কিবা পৰ্ব আছে নেকি? টেবুলৰ আগত কেক আৰু মম?

সৰলা ঃ আমাৰ ছোৱালীজনীৰ আজি জন্মদিন। সৰুকৈ পাতিছোঁ, দুই এজনী বান্ধৱী আহিব। দেউতাকৰতো আজৰিয়েই নাই, কিবাকৈ চলাই দিম আৰু।

মিনতী ঃ হয় নেকি? ভালেই হৈছে দিয়ক। সকামতে আহি পালোহি।

সৰলা ঃ আপুনি অহা কাৰণে আমাৰ ভালেই লাগিছে।

মিনতী ঃ বুজিছে, আমাৰ তেখেতৰ নহয় আজৰিয়েই নাই। উগ্ৰপন্থীবোৰ ওলাল। কিহেবা পাইছে সিহঁতক? তেখেতৰ পুলিচৰ চাকৰি। অচি চাহাব ডিউটি বঢ়াই দিয়া বুলি আকৌ মাতি লৈ যায়। অমুকৰ দলংখন বোমাৰে উৰুৱাই দিলে, অমুকক হত্যা কৰিলে, তামুকক অপহৰণ কৰিলে কিবাবোৰ ঘটনা হৈ থাকে। কেতিয়াবা ভয়েই লাগে।

সৰলা ঃ হয়। আমাৰ তেখেতৰ চাকৰি আৰু পুলিচৰ চাকৰিৰ কোনো পাৰ্থক্যই নাই। কেতিয়াবা নিশা বাৰটা-এটা মানত আহি ক'ব ছাৰ ডেলিভাৰী কেচ, কেতিয়াবা ভীষণ জ্বৰ (অলপমান হাঁহি) বেমাৰৰ কোনো হিচাপেই নাই।

মিনতী ঃ মই কেতিয়াবা যাবলৈ নিদিওঁ। ডিউটি কৰিছেই, অভাৰ ডিউটি কৰিবলৈ কিডালনো গৰজ পৰিছে?

সৰলা ঃ হ'লেও আপুনি বেছিকৈ বাধা নিদিব। যাৰ যিটো কাম ভগৱানে কৰিবলৈ দিছে সেই কামটোকে আশীৰ্বাদ বুলি কৰিব লাগে। যদি আপুনি অৱহেলা কৰে, কষ্ট হৈছে বুলি যদি আৰামত থাকিবলৈ দিয়ে, তেনেহ'লে সেই আৰামেই হয়তো ধ্বংসৰ কাৰণ হ'ব পাৰে। যিমান নিশাই নহওঁক কিয়, মই তেখেতক আনক সেৱা কৰিবলৈ কেতিয়াও বাধা নিদিওঁ।

মিনতী ঃ নাই নাই। মই সদায়ে তেনেকৈ বাধা নিদিওঁ। কেতিয়াবা তেখেতৰ গাটো বেয়া লাগে নহয়। মই বেজাৰতে কওঁ গাটো যদি বহুত বেয়া তেনেহ'লে নগ'লে নহয় নে? (হুমুনিয়াহ) অ' চাৰে কৈছে যদিও আপুনি এবাৰ ভাবি-চিন্তি চাই লওকচোন। পুলিচৰ চাকৰি যেতিয়া যাবতো লাগিবই। গাটো বেছি জ্বৰ জ্বৰ লাগিলে তেতিয়া হয়তো নাযায়। এনেই তেখেতে ডিউটিত অৱহেলা নকৰে। যায়েই।

সৰলা ঃ অ' হয় নেকি? আপুনি অলপমান বহকচোন মই ভিতৰৰ পৰা আহোঁ।

মিনতী ঃ যাওক। হেৰি মাজনীক এগিলাচ পানী লৈ আনিবলৈ দিবচোন।

সৰলা ঃ পানী খাব? হ'ব মই পানী গিলাচ দি পঠিয়াই দিম। (ভিতৰলৈ যায়)

মিনতী ঃ (গৈছে নে নাই মূৰটো ঘূৰাই চাই) সতী সাবিত্ৰী ওলাইছে; আদৰ্শ পত্নী হ'ব বিছাৰিছে। সো-হ

(ৰীতা পানীগিলাচ লৈ ভিতৰলৈ আহে)

ৰীতা ঃ পানী খাওক খুড়ীদেউ।

মিনতী ঃ তুমি মোক খুড়ীদেউ বুলিলা। অ' কেনে শান্তি। তোমাৰ মুখখনত যেন সুন্দৰতাই বাস কৰিছে। তোমাৰ দেহৰ প্ৰতিটো ভাগতেই কিবা এটা সৌন্দৰ্যই যেন আৱৰি আছে।

ৰীতা ঃ বেছিকৈ নক'ব। নহ'লে মই ইয়াতে বাগৰি পৰিম। (হাঁহি) অকণমান ৰ'ব মই গিলাচটো থৈ আহোঁ।

মিনতী ঃ যোৱা (ৰীতা গুচি যায়) (পাৰিলে তলৰ সংলাপখিনি নেপথ্যত কৰিব)

মই যদি ডাঙৰ বাবু অনন্তলৈ বোৱাৰী কৰি নিব পাৰোঁ তেনেহ'লে মোৰ সকলো ইচ্ছা পূৰণ হ'ব। মোৰ সন্মান আৰু বাঢ়িব। পুলিচৰ পত্নী বুলি হঁহা মানুহবোৰক মই দেখুৱাই দিম ডাক্তৰৰ ছোৱালী বোৱাৰী কৰি আনিছো। তহঁতে পাৰিছনে? যদি বিয়া নিদিয়ে? তেনেহ'লে, তেনেহ'লে মই কি কৰিম। নাই নাই মই মোহ কৰি হ'লেও তাইক কোনোবা মন্দিৰত বিয়া পাতি দিবই লাগিব। আহকচোন কোন আহে মোৰ ওচৰত। (ৰীতা

সোমাই আহে)

ৰীতা ঃ মায়ে আপোনাক ভিতৰলৈ মাতিছে। যাওঁক খুড়ী।

মিনতী ঃ হয় নেকি? ৰ'বা গৈছোঁ। (বেগটো এৰি থৈ যায়)

ৰীতা ঃ বেগটো আপোনাৰ নহয়নে?

মিনতী ঃ বেগটো? অ' এইটো। মই আকৌ থওঁ বুলিয়েই ভাবিছিলোঁ। তুমি কৈছা যেতিয়া লৈয়ে যাওঁ দিয়া, হেৰি নহয় মা, আমাৰ ঘৰলৈ মানে এই ধৰা অহা-যোৱা নকৰা কিয়? আমাৰো মনবিলাকো ভালে ভালে থাকিব। হেঃ হেঃ হেঃ (চুমা খায়) তুমি দীৰ্ঘায়ু হোৱা। (ভিতৰলৈ যায়)

(ৰীতাই ব্যঙ্গ হাঁহি মাৰে। ঘড়ী চায়। বাটলৈ চায়। কোনো নহা দেখি আলোচনী এখনৰ পাতবোৰ ইফাল-সিফাল কৰে। শেষত উঠি যাব খোজে। হঠাতে ৰেখা আৰু স্বপ্নাক দেখি ৰৈ যায়)

ৰেকা ঃ হেপ্পী বাৰ্থডে টু ইউ।

ৰীতা ঃ থেংকইউ ৰেখা।

স্বপ্না ঃ হেপ্পী বাৰ্থডে টু ইউ ৰীতা।

ৰীতা ঃ থেংকইউ স্বপ্না। ইমান দেৰি কিয় কৰিলা? তোমালোকৰ কাৰণে কিমান সময় ৰ'লো।

ৰেখা ঃ সেয়াই। হেৰি, তোমাৰ বান্ধৱী অপৰাজিতাক মতা নাছিলা?

ৰীতা ঃ ৰেখা, তুমি তোমাৰ বান্ধৱী বুলি কিয় কৈছা? আমাৰ বান্ধৱী বুলি ক'লে কিবা অসুবিধা হয় নেকি?

ৰেখা ঃ চোৱা ৰীতা, মই হ'লো ইঞ্জিনিয়াৰৰ ছোৱালী। স্বপ্না প্ৰিন্সিপালৰ ছোৱালী আৰু তুমি ডাক্তৰৰ। আমাৰ কেইটাৰ মাজত গাঁৱৰ হালুৱৈৰ ছোৱালীজনীৰ জানো কিবা ষ্টেটাছ মিলিব?

স্বপ্না ঃ সেইটো কথা চিন্তা কৰিয়েই হয়তো আমাৰ লগত নাহিল।

ৰেখা ঃ এৰা সেইটোৱে কাৰণ হ'ব লাগিব। সেই কাৰণে মায়ে মোক আগতেই এটা ইঙ্গিত দিছিল। খাব নোপোৱা ভিকহু কেইটাৰ লগত মিলি দেউতাৰেৰ ষ্টেটাছ ল' নকৰিবি।

ৰীতা ঃ ভুল ৰেখা ভুল। তুমিতো ইঞ্জিনিয়াৰৰ ছোৱালীহে, তুমিটো ইঞ্জিনিয়াৰ নোহোৱা। স্বপ্না প্ৰিন্সিপাল নহয় আৰু ময়ো ডাক্তৰ নহও বা হ'বলৈ যোৱা নাই। তেনেহ'লে আমাৰ মাজত ধনী-দুখীয়াৰ পাৰ্থক্যবোৰ আহিল ক'ৰপৰা? কোনো দিনে আমাক... (মিনতীৰ প্ৰৱেশ)

মিনতী ঃ পৰিৱেশে দিছে, পৰিৱেশৰ লগত আমি হাত মিলাই চলিবই লাগিব। (সৰলাৰ প্ৰৱেশ)

সৰলা ঃ কিন্তু পৰিৱেশ আহিল ক'ৰপৰা?

মিনতী ঃ সময়ে কৰিছে।

সৰলা ঃ সময়? নহয়, সময়তো ঠিকেই আছে। ঘড়ীৰ কাঁটাতো ওলোটাই ঘূৰা নাই। আপুনি যিটো পৰিৱেশৰ কথা কৈছে সেই পৰিৱেশটো আমিয়েই সৃষ্টি কৰিছো। আমি সকলো এদিন গাঁৱৰে মানুহ আছিলো। চাকৰিৰ তাগিদাত, নহ'লে টকা-পইচাৰ চিন্তাত আমি ডাঙৰ ডাঙৰ অফিচবোৰৰ কাষলৈ আহি বেপাৰ কৰিবলৈ আৰম্ভ কৰোঁ। সেই বেপাৰৰ কাৰণে ঘৰ বনাও আৰু লাহে লাহে সেইখন চহৰত পৰিণত হয়। আৰু আমাৰ ষ্টেটাছবোৰ বাঢ়ি যায়। ষ্টেটাছবোৰৰ লগত থকা অহংকাৰবোৰ ক্ৰমে ক্ৰমে বহুত দূৰলৈ গুচি যায়। টকা যিমানেই হ'ব মানুহৰ অহংকাৰবোৰ সিমানেই বাঢ়ি যাব।

মিনতী ঃ আপুনি যিমানেই নকওঁক কিয় সেই হেঙাৰখন কেতিয়াও ভাঙিব নোৱাৰে। আগতে হেঙাৰবোৰ আছিল বাঁহৰ। এতিয়াৰ পকাৰ দেৱালবোৰে বাকী মানুহৰ লগত কোনো সম্বন্ধ নোহোৱা কৰিছে। দেৱালখন ভাঙি কোনো ভিতৰলৈ সোমাই আহিব নোৱাৰে। কেৱল গেটখনেৰে অনুমতি লৈ কিবা কথা ক'ব লগা থাকিলে ক'ব পাৰিব। আজিৰ সংসাৰৰ নিয়মবোৰ বেলেগ ধৰণে গতি কৰিছে। গতিকে সেই নিয়মৰ মাজেৰে আমি চলি যাবই লাগিব।

ৰীতা ঃ মা, এতিয়া সেইবোৰ এৰকচোন।

সৰলা ঃ অ' মই পাহৰিছিলোৱেই।

ৰীতা ঃ মা, এওঁলোকক ভিতৰলৈ লৈ যাওঁ নেকি? অপৰাজিতা হয়তো আহিব পাৰে।

সৰলা ঃ অ' অকণমান ৰৈ চাওঁ দিয়া। তোমালোক ভিতৰলৈ যোৱা।

ৰেখা ঃ ময়ো তাকেই ভাবিছিলোঁ। ব'লা স্বপ্না।

স্বপ্না ঃ ব'লা। আপোনালোক বহক। (তিনিও ভিতৰলৈ যায়)

সৰলা ঃ অপৰাজিতা নথকা বাবে ৰীতাই কিবা উগুল-থুগুল কৰি আছে। তাই বা আহে নে নাহে?

মিনতী ঃ হ'লেও ইমান দৰকাৰ বুলি ভাবিব নালাগে। মতাতো হৈছেই।

সৰলা ঃ তাইয়ো আহিম বুলি কৈছিল। কি বা কৰিলে?

মিনতী ঃ তাইৰ কথা এতিয়া এৰক। ৰীতাক মাতি আনি মম কেইডাল জ্বলাই পৰ্বটো কৰি থওক। ৰীতাৰ বান্ধৱীবোৰো খাবলৈ গৈছেই। এতিয়া ৰীতা আহি লেই আমাৰ কাম শেষ হয়।



সৰলা ঃ এৰা, তাকেই কৰিব লাগিব। মাজনী ওলাই আহক ৰ'ব।

মিনতী ঃ হেৰি নহয়; বেয়া নাপালে কথা এটা সোধো?

সৰলা ঃ সোধক। মই বেয়া আকৌ কিয় পাম?

মিনতী ঃ কথাটো আকৌ আমাৰ ঘৰুৱা কথাহে দেই।

সৰলা ঃ ঘৰুৱা? আমি দেখোন ঘৰুৱা কথাৰেই আলোচনা কৰি আছোঁ।

মিনতী ঃ কথাটো মানে আপোনাৰ আৰু মোৰ মাজৰহে।

সৰলা ঃ কওকচোন।

মিনতী ঃ আমাৰ ঘৰৰ ডাঙৰ ল'ৰা যে, আজিকালি এক নম্বৰ ঠিকাদাৰ হৈছে। এসপ্তাহ আগতে এখন ৰঙা মাৰুতিও কিনিছে। বুজিছে, আজৰি সময়ত মোক কেতিয়াবা এনেয়ে ফুৰাবলৈ যায়। মই কৈছোঁ তাক- ঈশ্বৰে তোক চকু মেলি চাইহে টকা দিছে, গাড়ী দিছে, ঘৰখনো সুন্দৰকৈ বনাইছে। আমি সেইখিনিলৈয়েই সন্তুষ্ট হৈ আছোঁ। মিছামিছি গাড়ীখন ঘূৰাই তেল খৰচ কৰিব নালাগে। সি কি কয় জানে?

সৰলা ঃ কি কয়নো?

মিনতী ঃ আপোনাৰ ছোৱালী ৰীতাৰ কথা।

সৰলা ঃ ৰীতাৰ কথা? কি কৰিলে তাই?

মিনতি ঃ নাই, নাই তেনে অপৰাধ একো কৰা নাই।

সৰলা ঃ মই আকৌ তাই কিবা কৰিলেই নেকি? ৰীতাৰ লগত আপোনাৰ ল'ৰাৰ চিনাকী কেনেকৈ হ'ল?

মিনতী ঃ স্কুললৈ অহা-যোৱা কৰে নহয়। তাতেই সি সেইদিনা চিনি ল'লে। বুজিছে ৰীতাক চাবলৈ মন গ'লে ন মান বজাতে মাৰুতিখন লৈ ৰৈ থাকে চ'কত। (হাঁহে) দেখিছেনে সি কিমান ভাল পাই ৰীতাক?

সৰলা ঃ অ' বুজিলোঁ, এদিন ৰীতাক মাৰুতিখনত তুলি ঘৰত থ'ব বিছাৰিছিল। কিন্তু ৰীতাই তাৰ গাড়ীত নুঠিলে।

মিনতী ঃ লাজকুৰীয়া ছোৱালী, সেইবাবেই বোধহয় নুঠিলে। মই তাক কৈছোঁ-সৰু এটা কথাৰ বাবে ইমান চিৰিয়াচকৈ কথাটো ক'ব লাগেনে? তই যেতিয়া ডাক্তৰৰ ছোৱালীয়েই পচন্দ কৰিলি, হ'ব দে। তোৰ মনত অশান্তিবোৰ আমি কিয় চলাই দিম? মই গৈ তাৰিখটো লৈ তোক একেবাৰে জনাই দিম। (হাঁহে)

সৰলা ঃ আপোনাৰ আৰু কিবা ক'বলগীয়া আছেনে?

মিনতী ঃ মই জানোৱেই আপুনি যে মোক সন্মতি দিব। বুজিছে তাৰ টকাৰ কোনো হিচাপ নাই, কোটিপতি হৈছে সি। ইচ্ছা কৰিলে মিনিষ্টাৰৰ ছোৱালীও পাব পাৰে কিন্তু আপোনালোকৰেই ছোৱালী পচন্দ কৰিলে যেতিয়া তাৰিখটো লৈ গ'লে আপোনালোকৰে সুবিধা হ'ব। নহয়নে?

সৰলা ঃ আপোনাৰ হ'ল নহয়? এতিয়া যিটো ৰাস্তাৰে আহিছে সেই ৰাস্তাৰে আপুনি গৈ থাকক।

মিনতী ঃ কি ক'লে?

সৰলা ঃ অ' আপুনি উঠিলেই ভাল হয়। দ্বিতীয়দিনা এনে প্ৰস্তাৱ লৈ এইখন ঘৰলৈ নাহিব। (সকলোবোৰ ভিতৰৰ পৰা ওলাই আহে)

মিনতী ঃ কাৰণ?

সৰলা ঃ আপোনাৰ ল'ৰাৰ সকলো গুণ মই জানো। ৰীতাক যিধৰণে গাড়ীত বহুৱাব খুজিছিল, মই হ'লে তাক দুই চৰ লগাই দিলোঁহেতেন। মুখৰ ওচৰলৈ যাব নোৱাৰি, মদৰ গোন্ধ। পুলিচৰ চাকৰি কৰি কোনোবা বাপেকে লাখপতি হ'বলৈ দিয়া সেই পুতেক মানুহ নহয়, মানুহৰূপী এটা পশু।

মিনতী ঃ মোৰ ল'ৰাটোৰ কথা বেয়াকৈ নক'ব। জুই জ্বলি যাব। ৰীতাক মোৰ ঘৰৰ বোৱাৰী কৰি এদিন লৈ যাম। কি কৰে কৰিব। (যাবলৈ উঠে। আপৰাজিতা দৌৰি দৌৰি সোমাই আহে) মই যাওঁ।

সৰলা ঃ ৰ'ব আপুনিও অলপ সময় থাককচোন।

অপৰাজিতাঃ (কান্দে। ফোপাই ফোপাই) মোক বচাই দিয়ক খুড়ীদেউ। সি মোক খেদি আহিছে। আপোনালোকৰ ঘৰলৈ আহিম বুলি সি হয়তো নাজানে।

ৰীতা ঃ কোন সি অপৰাজিতা?

অপৰাজিতাঃ নাই নাই মই নকওঁ। আমি দুখীয়া মানুহ যে, সিহঁতে আমাক মানুহ বুলিয়েই গণ্য নকৰে। আমি সিহঁতৰ উপভোগৰ কাৰণেহে যেন এই পৃথিৱীত জন্ম লৈছোঁ। আমি.. আমি পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাটো সিহঁতে নিবিচাৰে।

সৰলা ঃ তুমি ইমান কিয় নাৰ্ভাচ হৈছা? কোৱাচোন সেই ল'ৰাজন কোন?

অপৰাজিতাঃ মই কেনেকৈ কম? ভয় লাগে মোৰ।

সৰলা ঃ কাক ভয় কৰিছা? অধঃপতনে যোৱা সেই দুঠেঙীয়া জন্তুবোৰক? কিহৰ ভয় সিহঁতলৈ। সিহঁতক জংগললৈ পঠিয়াবলৈ বেছি সময় নালাগে।

অপৰাজিতাঃ (মিনতীলৈ চাই) মই ক'ব পাৰিমনে খুড়ীদেউ?

সৰলা ঃ তুমি যদি নামটোকে ক'বলৈ সংকোচ কৰিছা; তেনেহলে সিহঁতৰ বিৰুদ্ধে কেনেকৈ যুঁজ দিবা? শুনা, ব্যক্তিৰ চৰিত্ৰৰ ওপৰতে সমাজ এখনৰ ভৱিষ্যত নিৰ্ভৰ কৰে। তুমি শিক্ষিতা, তোমাৰ জ্ঞান আছে, সেই জ্ঞানৰ তুমি আজি চিনাকী দিয়া। চিন্তা নকৰিবা আমি সদায় তোমাৰ লগত আছো। নামটো কৈ দিয়া।

অপৰাজিতাঃ তেনেহলে শুনক, মোক অপদস্থ কৰা সেই ল'ৰাজন আপোনাৰেই ল'ৰা প্ৰাঞ্জল। (মিনতীলৈ চায়)

মিনতী ঃ প্ৰাঞ্জল? নাই ই হ'বই নোৱাৰে। সি কেতিয়াও এনে কাম কৰিব নোৱাৰে। তই খাব নোপোৱা ভিকহুৰ ছোৱালীয়ে— মই ক'বই পৰা নাছিলোঁ। তই সেইকাৰণে তোৰ সকলোবোৰ দোষ মোৰ ল'ৰাটোৰ ওপৰত জাপি দি কাৰ পৰা কিমান টকা খালি? মই তোৰ চৰিত্ৰৰ কথা সকলোবোৰ জানো। এইৰ পঢ়িব অহাটো এটা চখ। আচল কামটো বেলেগ হে কৰে।

অপৰাজিতাঃ মোৰ চৰিত্ৰৰ ওপৰত আপুনি কটু মাত নামাতিব। কাপোৰ মই আপোনালোকৰ দৰে পিন্ধিব পৰা নাই। কিন্তু মোৰ চৰিত্ৰ আপোনালোকতকৈ বহু ওপৰত।

সৰলা ঃ সুন্দৰ সুন্দৰ। ইয়াতকৈ ভাল উত্তৰ আৰু তেওঁক দিব নালাগে। শুনক মিনতী আইদেউ— আনৰ বেয়া বিছৰাটো দানবীয়, ভাল কাম কৰাটো মানৱীয় আৰু ভাল হোৱাটো স্বৰ্গীয়। পৃথিৱীৰ আটাইতকৈ বেয়া কাম আনৰ সুনাম নষ্ট কৰা। মোৰ কথাখিনি আপুনি শুনিলে। এতিয়া আপুনি যাব পাৰে।

মিনতী ঃ চাই ল'ম সকলোকে। সো—হ (যাবলৈ ওলায়)

সৰলা ঃ ৰ'ব, আপুনি আপোনাৰ ল'ৰাটোৰ হাতখন ইয়াৰ পৰা গৈ চাব, যদি হাতখনত কামোৰাৰ চিন আছে টি টি ইনজেকচন এটা লগাই দিব। আৰাম পাব সি। এতিয়া যাওঁক। (সকলোৰে হাঁহে মিনতী ওলায় যায়)

সৰলা ঃ অপৰাজিতা, আগতে তুমি এজনী আছিলা, এতিয়া চাৰিজনী হ'লা, কাইলৈ আঠজনী হ'বা, তাৰ পাছত সকলোবোৰ ছোৱালীৰ বাবে এটা সংগ্ৰাম কৰিব লাগিব।

ৰীতা ঃ ৰ'বাচোন মা, এওঁলোকক সোধাই নাই নহয়।

ৰেখা ঃ মোৰ ভুল হৈছিল মাহীদেউ। মই এতিয়া সেই কথা অনুভৱ কৰিছোঁ। ছোৱালীৰ সংগঠন এটাৰ অতি আৱশ্যক হৈছে।

সৰলা ঃ স্বপ্না তুমি?

স্বপ্না ঃ মই কিয় নাথাকিম। কালিৰ পৰা মই সকলো ছোৱালীৰ আগত মই আমাৰ স্বাধীনতাৰ কথা বুজাই দিম।

সৰলা ঃ ভাল কথা, তুমি অপৰাজিতা?

অপৰাজিতাঃ মই মোৰ প্ৰথম কাম আৰম্ভ কৰিছো। যদি তোমালোকে মোক সহায় নকৰা, তেনেহলে আজি মই কোৱা কথাৰ ওপৰত শাস্তি অৱশ্যেই পাব লাগিব।

সৰলা ঃ আমি সকলোৱে মিলি এক হ'লো। আমাৰ লক্ষ্যস্থান বহু দূৰত। আমাক বহু সময় লাগিব। সাহস লাগিব, আমাৰ মনৰ পৰা যাতে সাহস হেৰাই নাযায় তাৰবাবে চকু দিব লাগিব। অকণমান সাহসৰ অভাৱতেই পৃথিৱীৰ বহু প্ৰতিভাৰ অপচয় হ'ব পাৰে।

ৰেখা ঃ চাওঁ তোমাৰ হাতত সেইখন কি? (অপৰাজিতালৈ চায়)

স্বপ্না ঃ এখন ছবি।

অপৰাজিতাঃ অ' সম্পূৰ্ণ ছবিখন মই কৰি আনিছিলোঁ। সোণৰ অলংকাৰটো দিব নোৱাৰো, ভবিছিলো ছবিখনকে দি মই শান্তি লভিম। সম্পূৰ্ণ ছবিখন মই তোমাক দিব নোৱাৰিলো ৰীতা। এই আধৰুৱা ছবিখনেই তোমাক দি থৈ যাম। ল'বানে তুমি?

ৰীতা ঃ চোৱা মা। অপৰাজিতাই কি সুন্দৰ ছবি আঁকিছে। শুনা অপৰাজিতা, তোমাৰ আধৰুৱা ছবিখন আমিয়েই সম্পূৰ্ণ কৰিম।

সৰলা ঃ তোমাৰ যিখিনি আধৰুৱা অংশ, যিয়ে তোমাৰ পৰা কাঢ়ি লৈ গ'ল, মই সিহঁতক প্ৰত্যাহ্বান জনাইছোঁ, অকলশৰীয়া অপৰাজিতাক অকলে পাই যেনেকৈ ছবিখন আধৰুৱা কৰি চিঙি লৈ গ'ল এইবাৰ নতুনকৈ আঁকা নতুন ছবিখনত সিহঁতে হাত দিয়ক, এইবাৰ আমি তাৰ শাস্তি দিব পাৰিমনে নাই...?

স্বপ্না ঃ অৰ্থ, কাম, ক্ৰোধে ধুনীয়া প্ৰতিমাখনিৰ আধা এৰুৱাই নি সিহঁতে বুজাইছে— আমাৰ দৰে দুঠেঙীয়া পশুবোৰৰ বাবে পৃথিৱীখন জীয়াই আছে।

ৰেখা ঃ ভয় নকৰিবা অপৰাজিতা, আজিৰ পৰা সদায় আমি তোমাৰ লগত থাকিম। কিমানদিন জীয়াই থাকিব সিহঁত এনেদৰে? এদিন নহয় এদিনটো মাটিত মিলিবই। সিহঁতৰ দেহ খাবলৈ মাটিয়েও সংকোচ কৰিব।

সৰলা ঃ যত ধৰ্ম নাই, যত ঈশ্বৰ ভগৱানক বিশ্বাস নকৰে, ভাই-ভনীক কিদৰে ব্যৱহাৰ কৰিব লাগে সেই কথা যদি নামানে, তেনেহলে সিহঁতৰ অধঃপতন অতি সোনকালে আহিব। ঈশ্বৰৰ ঘৰত সকলোৰে বিচাৰ আছে অপৰাজিতা।


ৰীতা ঃ সকলোৰে আহা। মমৰ চাকিৰে সকলোৰে মিলি ৰাইজক বুজাই দিও (মম জ্বলাই জ্বলাই)

সকলো ঃ আমিও মানুহ। আমিও জীয়াই থাকিম। হে স্বাধীনতা অগ্ৰগামী হোৱা। পশ্চাৎগামী নীতি পৰিহাৰ কৰা। আমাক জীয়াই থাকিবলৈ দিয়া। (লাইটচ অ'ফ)

(মঞ্চ অন্ধকাৰ)

# আমাৰ স্বাধীনতা

জোনাক প্ৰিয়ম কাশ্যপ
প্ৰাক্তন ছাত্ৰ



**চৰিত্ৰসমূহ ঃ**
জ্যোতি ঃ অন্ধ স্কুলীয়া ছাত্ৰী
নুৰ ঃ অন্ধ স্কুলীয়া ছাত্ৰ
কাঞ্চন ঃ স্কুলীয়া ছাত্ৰী
স্বাতী ঃ স্কুলীয়া ছাত্ৰী
অনু ঃ স্কুলীয়া ছাত্ৰী
অৰূপ ঃ স্কুলীয়া ছাত্ৰ
বিমান ঃ স্কুলীয়া ছাত্ৰ

(এখন বিদ্যালয়ৰ শ্ৰেণীকোঠা হিচাপে মঞ্চ। তিনিখন বেঞ্চ)

অনু-স্বাতী ঃ (খেলি থাকিব)

কাঞ্চন ঃ (নাচি থাকিব)

জ্যোতি ঃ বাঃ বাঃ বঢ়িয়া হৈছে।

অৰূপ ঃ আৰে ভাই পত্নী কাৰ?

কাঞ্চন ঃ যাহ এইটো, খবি এচাট এতিয়।

অনু-স্বাতী ঃ নামঘৰত নাম নই, কাঞ্চনৰ নাচৰ কাম নই (অৰূপেও সহযোগ কৰিব)

জ্যোতি ঃ সিহঁতে এনেয়ে কৈছে। তুমি সঁচাকৈয়ে বহুত ধুনীয়া নাচিচা।

অনু-স্বাতী ঃ তুমি সঁচাকৈ বহুত বেয়া নাচিচা।

কাঞ্চন ঃ তহঁতে মাৰ খাবি এতিয়া মোৰ পৰা।

জ্যোতি ঃ ৰ'বাচোন। তোমালোকে তাইক কিয় জোকাই আছা? আমাৰ ক্লাছৰ তাইয়ে একমাত্ৰ ছোৱালী যিয়ে ডান্স কমপিটিচনত পাৰ্টিচিপেট কৰে আৰু পুৰস্কাৰ পায় প্ৰতিবাৰে। ভাল হোৱা নাই বুলি ক'লে তাইৰ বেয়া লাগে নহয়।

অৰূপ ঃ তাই পুৰস্কাৰ পাবই। এয়া আমাৰ বিশ্বাস। সেইবাবেই জোকাই থাকো।

অনু-স্বাতী ঃ অৰূপ, নাম ঘৰত নাম, আমাৰ কাঞ্চনৰ কাম নাই (হাঁহে)।য

অৰূপ ঃ ঐ ঐ (আটাইকে বাহিৰলৈ দেখুৱাই ফুচফুচাই কিবা ক'ব)

অনু ঃ জ্যোতি, আমি অলপ বাহিৰৰ পৰা আহো হা, তুমি বহা। আমি পাঁচ মিনিটত আহিম।

জ্যোতি ঃ গোটেইবোৰ যাবা নে?

স্বাতী ঃ অ, এটা ইমপৰটেণ্ট কাম আছে। আহি আছো দেই। বাই বাই জ্যোতি। (নিতাল মাৰিব)

জ্যোতি ঃ জানো পাই, গোটেইমখাৰে কি কাম একেলগে। এহ কাৰো মনবোৰ ধৰিবই নোৱাৰি। (নুৰৰ প্ৰৱেশ)

নুৰ ঃ (বাহিৰলৈ চায়) থেংক ইউ চুমি, থেংক ইু চ' মাচ। হেভ এ গ্ৰেট দে। বাই বাই (খেপিয়াই মঞ্চৰ মাজলৈ আহি) হেল্ল' কোনোবা আছানে?

জ্যোতি ঃ আহা নুৰ, মই আছো (খেপিয়াই চায়) ইহঁত গোটেই মখা বাহিৰলৈ গৈছে। ভালে আছা নুৰ?

নুৰ ঃ আছো, তোমাৰ কোৱা।

জ্যোতি ঃ ময়ো আছো, ভালেই আছো। পঢ়া-পাতি কেনেকুৱা চলিছে।

নুৰ ঃ ভালেই আৰু। অনুৰ পৰা নোটছখিনি নিছিলো। ফাতেমাই এইকেইদিন সহায় কৰি দিছে, লিখি লৈছো। সঁচাকৈ আমি ইহঁতক বহুত ভাগ্য কৰি পাইছো। ইমান ভাল আটাইকেইজন। প্ৰতি মূহুৰ্ততে আমাক সহায় কৰে। ইহঁতৰ দৰে মানুহবোৰ আছে বাবেই চাগে আমিবোৰ জীয়াই থাকিব পাৰিছো। নহয়নে?

জ্যোতি ঃ অ'

নুৰ ঃ তোমাক লাগিলে ক'ব, মোৰখিনি দিম।

জ্যোতি ঃ হ'ব বাৰু।

নুৰ ঃ আৰু...

জ্যোতি ঃ আৰু মানে...?

নুৰ ঃ ক'ত আছা তুমি?

জ্যোতি ঃ ইয়াতে, তোমাৰ কাষত কিয়?

নুৰ ঃ এনেয়ে তোমাক এবাৰ চাবলৈ মন গৈছে, মানে চুই চাবলৈ।

জ্যোতি ঃ যাহ। ইহঁতবোৰ আহি পালে কি ভাবিব (লাজ কৰে)

নুৰ ঃ মই পৃথিৱীখনলৈ ভয় নকৰো।

জ্যোতি ঃ ইচ বৰ প্ৰেমিকটো।

নুৰ ঃ হু এয়া লোৱা।

জ্যোতি ঃ কি

নুৰ ঃ চুই চোৱা

জ্যোতি ঃ ফুল (চুই চাই) এয়া চোন গোলাপ। যা নিলাজটো ইহঁতে আহি দেখিলে লাজ দিব। ক'ত বা ইহঁত...

আটায়ে ঃ আমি ইয়াতে আছো (হাঁহে)

জ্যোতি ঃ (ভয় আৰু লাজত উচপ খায়) ভয় খুৱাই মাৰিবা তোমালোকে।

নুৰ ঃ (প্ৰসংগ সলনি কৰিব খুজি) কোন কোন আছা তোমালোক?

অৰূপ ঃ মই আছো, কাঞ্চন আছে, অনু আছে, স্বাতী আছে আৰু....

অনু-স্বাতী-কাঞ্চন ঃ আৰু তোমাৰ জ্যোতি আছে।

নুৰ ঃ জ্যোতি থকাটো গম পাওঁ।

কাঞ্চন ঃ বাঃ বাঃ নুৰ, জ্যোতিহে জ্যোতি। আমাক পাত্তাই নিদিয়া।

নুৰ ঃ কিয় তেনেকৈ কোৱা। তোমালোকচোন নাচিলাই। কোৱা তোমাৰ ডান্সৰ প্ৰিপাৰেচন কেনেকুৱা চলিছে।

কাঞ্চন ঃ পুৰা টিপ টিপ, চাবা নেকি এবাৰ।

আটায়ে ঃ (হাতযোৰ কৰি) নাই নাই গোঁসানী, তোৰ ডান্স চায় চকু বিষাই গৈছে। আৰু নেদেখুৱাবি।

নুৰ ঃ মোৰ ডান্স কৰিবলৈ বৰ মন যায়।

আটায়ে ঃ অ'

অনু ঃ আৰু কি কি কৰিবলৈ মন যায়।

জ্যোতি ঃ তোমালোকৰ যি কৰিব মন যায় আমাৰো যায়।

অনু-স্বাতী ঃ পখিলা খেদিবৰ মন যায়নে?

জ্যোতি ঃ কিয় নাযাব। খুব মন যায়। মই যেন দৌৰি ফুৰিম পখিলাৰ পাছে পাছে। পখিলাটো ধৰিম আৰু এৰি দিম (গান)

অৰূপ-স্বাতী ঃ আৰু কি মন যায়?

নুৰ ঃ এই ধুনীয়া ধৰণীখন চাবলৈ মন যায়। গছ আৰু পাহাৰৰ সেউজীয়াবোৰ প্ৰাণ ভৰি উপভোগ কৰিব মন যায় (গান)

কাঞ্চন ঃ তোমালোকৰ বাৰু আমাক চাবলৈ মন নেযায় নে?

জ্যোতি-নুৰ ঃ বহুত মন যায়।

নুৰ ঃ তোমালোকৰ মনবোৰ ইমান ধুনীয়া, সকলো সময়তে জ্যোতি আৰু মোক ইমান সহায় কৰা। দেখিবলৈ চাগে বহুত ধুনীয়া হ'ব ন?

অৰূপ ঃ অ' নুৰ স্বাতীজনী মস্ত শকত, পেটটো

ওলোৱা। অনুৰ পিঠিত এটা মস্ত কুঁজ, কাঞ্চনৰ নাকটো চেপেটা, দাঁতকেইটা ওলোৱা। বান্দৰী যেন দেখি (ভাও দিব)

কাঞ্চন ঃ আৰু নিজে (মাৰে) নিজৰ যে চকু দুটা নাই, অন্ধ কৰবাৰ।

জ্যোতি ঃ কি হ'ল তোমালোক মৌন হৈ গ'লা যে?

কাঞ্চন ঃ ছৰি জ্যোতি এণ্ড নুৰ... মই আচলতে...

নুৰ ঃ আমি অকণো বেয়া পোৱা নাই কাঞ্চন। আমি যে অন্ধ সেয়া সত্য, তাত বেয়া পাব লগা কি আছে। তোমালোকেটো আমাক বহুত সহায় কৰা, আমাৰ লগত সময় কটোৱা। আমি যেতিয়া ব্লাইণ্ড স্কুলত আছিলো, আমৰ স্কুলৰ ওচৰত এখন প্ৰাইভেট স্কুল আছিল। তাৰ ল'ৰা ছোৱালীবোৰে আমাক প্ৰায়ে জোকাইছিল। প্ৰথমে বহুত বেয়া লাগিছিল, খং উঠিছিল, কান্দিছিলো। কিন্তু এতিয়া সকলো হজম কৰিব পৰা হৈছো। বেয়া তেতিয়াহে লাগে যেতিয়া আমাক কোনোবাই পুতৌৰ দৃষ্টিৰে চায়। আমি অন্ধ হ'লেও কেতিয়াও কাৰো বেচেৰা হ'ব নোখোজো।

অনু ঃ আমি তোমালোকক পুতৌ নকৰো নুৰ। তোমালোকক আমি আপোন বন্ধু বুলি ভাবো। তোমালোকক বন্ধু হিচাপে পাই আমি বহুত সুখী। আন বহুততকৈ তোমালোক পৃথক, তোমালোকৰ ব্যক্তিত্ব পৃথক। প্লিজ, কাঞ্চনক মাফ কৰি দিবা প্লিজ।

জ্যোতি ঃ উফ, বাদ দিয়া এইবোৰ কথা। বিমান ক'ত। দুদিন ধৰি সি নাই যে?

অৰূপ ঃ সি হেনো স্বাধীনতা বিচাৰি ফুৰিছে।

সকলোৱে ঃ স্বাধীনতা, ক'ত আছে বাৰু স্বাধীনতা।

অনু ঃ সঁচাকৈ, আমি বাৰু কেতিয়া স্বাধীন হম।

জ্যোতি ঃ এতিয়া আমি ক'তনো পৰাধীন।

স্বাতী ঃ এতিয়া যে আমাৰ কিতাপতে বন্দী জীৱন।

অৰূপ ঃ নিজৰ ইচ্ছামতে আমি একোৱে কৰিব নোৱাৰো।

সকলোৱে ঃ আমি বাৰু কেতিয়া স্বাধীন হম। আমাক স্বাধীনতা দিয়া, আমাক আমাৰ পৃথিৱী ঘূৰাই দিয়া (গান- দিয়া ঘূৰাই দিয়া)

(বিমানৰ প্ৰৱেশ, হাতত এখন কিতাপ)

বিমান ঃ (বেঞ্চৰ ওপৰত উঠি) পাই গ'লো, পাই গ'লো, আমাৰ স্বাধীনতা। এতিয়াৰ পৰা আমি আৰু পৰাধীন হৈ থাকিব নালাগে।

সকলোৱে (আচৰিত হৈ) ঃ ক'ত পালা স্বাধীনতা?

বিমান ঃ ইয়াতে (কিতাপ দেখুৱাই)

সকলোৱে ঃ ছাংলাট ফেনলা।

বিমান ঃ অ' ছাংলাট ফেনলা। মানে আমাৰ স্বাধীনতা। আমি সকলো জংঘললৈ যাম।

অনু-স্বাতী ঃ জংঘললৈ, কিন্তু কিয়?

বিমান ঃ কাৰণ জংঘলতে আছে আমাৰ স্বাধীনতা। সশস্ত্ৰ সংগ্ৰাম নকৰিলে তোমালোকে কেতিয়াও স্বাধীনতা নোপোৱা।

স্বাতী ঃ চাওঁ কিতাপখন মোক দিয়া, মই পঢ়িম।

অৰূপ ঃ নাই নাই, মোক লাগিব মোক দিয়া।

অনু ঃ না, মই আগতে সুধিছো, মোক দিয়া।

জ্যোতি ঃ অহ অ, চুপ। মনে মনে থাকা। কিয় ইমান চিঞৰ-বাসৰ। জংঘললৈ গৈ একো স্বাধীনতা বিচাৰি নোপোৱা।

অনু ঃ তেন্তে ক'ত পাম স্বাধীনতা?

জ্যোতি ঃ নাজানো। কিন্তু জংঘলে কেতিয়াও স্বাধীনতা আনি দিব নোৱাৰে। পৰা হ'লে এই সংগ্ৰামখন ইমান দীঘলীয়া নহলহেতেন। হেজাৰ মা-ভনীয়ে আজিও নিজৰ আপোন জনৰ বাবে কান্দে। জংঘলৰ পৰা উভতি আহিব বুলি, অথচ কোনেও নাজানে তেওঁ জীৱিত নে মৃত।

নুৰ ঃ এই সংগ্ৰামখন আছিল এজাক ৰাষ্ট্ৰৰ দ্বাৰা প্ৰতাৰিত মানুহৰ ক্ষোভ আৰু হতাশাৰ পৰিণতি। অসমীয়া মানুহৰ পৰা কঢ়ি লোৱা জাতীয় সম্পদ, নিজস্ব অৰ্থনীতিৰ বিৰুদ্ধে কৰা সংগ্ৰামখন এটা সময়ত বহু অসমীয়াই আকোঁৱালি লৈছিল। ভাৰত আমাৰ জন্মভূমি। ভাৰতীয় হিচাপে ভাৰতীয় সত্বাটোক লৈ আমি গৌৰৱ কৰো। কিন্তু ভাৰত ৰাষ্ট্ৰই অসমক সদায় মাহী আইৰ দৃষ্টিৰে চাই আহিছে। আৰু তাৰ প্ৰতিবাদ কৰা বাবেই জংঘললৈ যোৱা কেইজন হৈ পৰিছে ৰাষ্ট্ৰদ্ৰোহী। যাৰ ফলত আমি হেৰুৱাইছো হীৰকজ্যোতি মহন্ত, পৰাগ কুমাৰ দাসৰ দৰে অসংখ্য প্ৰকৃত অসমীয়া।

অনু ঃ কিতাপখনৰ লিখকজনো চোন পৰাগ কুমাৰ

দাস। তেওঁ অস্ত্ৰ লৈ জংঘললৈ গৈছিল?

নুৰ ঃ নহয়। আমাৰ প্ৰজন্মৰ বহুতেই পৰাগ কুমাৰ দাসক নাজানে। আমাক জনোৱাও হোৱা নাই। কাৰণ ৰাষ্ট্ৰৰ বাবে তেওঁ আছিল জাতিৰ বাবে মাত মতা এজন ৰাষ্ট্ৰদ্ৰোহী। আৰু সাধাৰণ মানুহৰ বাবে 'নতুন অসমৰ তেওঁ চিন্তক'। বৈজ্ঞানিক চিন্তাধাৰাৰে স্পষ্ট যুক্তিৰে অসমৰ সমস্যা ইয়াৰ সমাধান আৰু ৰাষ্ট্ৰৰ শোষণৰ স্বৰূপ উদঙাবৰ বাবে আপোচ নকৰা মানুহ আছিল পৰাগ কুমাৰ দাস। কেতিয়াবা যদি সময় পোৱা 'ৰাষ্ট্ৰদ্ৰোহৰ দিনলিপি' 'নিষিদ্ধ কলম আৰু অন্যান্য', 'স্বাধীন অসমৰ অৰ্থনীতি' আদি কিতাপ পঢ়িবা। তেতিয়া তোমালোকে বুজিবা যে স্বাধীনতাৰ দাবী বন্দুকেৰে নহয়, মানুহৰ মাজত থাকি কলমেৰেও কৰিব পাৰি।

অৰূপ ঃ কিন্তু স্বাধীনতাৰ কথাটো কিমান প্ৰাসংগিক?

নুৰ ঃ আমি স্বাধীন দেশ নিবিচাৰো। কিন্তু আমাৰ সম্পত্তিৰ ওপৰত আমাৰ অধিকাৰ হওঁক। আমাৰ যেনে চাহপাত, আমৰ মাটি, আমাৰ খেতিত আমাৰ অধিকাৰ থাকক। সেয়াই স্বাধীনতাৰ অৰ্থ। নহ'লে আমি স্বাধীন হৈয়ো পৰাধীন।

স্বাতী ঃ তুমি কিতাপবোৰ পঢ়িছা?

নুৰ ঃ পঢ়িছো। ককাই কিনা কিতাপ। আগতে হেনো এইবোৰ কিতাপ ৰাষ্ট্ৰই নিষিদ্ধ কৰিছিল। মানুহে কিতাপবোৰ মাটিত পুতি থৈছিল। তাৰ পাছত হঠাৎ এদিন পৰাগ কুমাৰ দাসক কোনোবাই হত্যা কৰিলে। আচলতে সিদিনা এটা স্বাধীন সত্বাক হত্যা কৰা হৈছিল। যি হত্যাৰ ন্যায় আজিও নহ'ল।

জ্যোতি ঃ ময়ো দেউতাৰ মুখত শুনিছিলো তেওঁৰ কথা।

অৰূপ ঃ আমিও পঢ়িব লাগিব।

বিমান ঃ ঐ ঐ মেম আহিছে। (সকলোৰে দৌৰা দৌৰি কৰি বহিব)

অনু ঃ ঐ স্বাতী গ'ল নে চা চোন।

স্বাতী ঃ যা, মই নাযাও ভয় লাগে। তই যা।

কাঞ্চন ঃ গৈছে গৈছে। ইচ ৰাম তহঁতক কথা এটা ক'বলৈ পাহৰিছিলো।

সকলোৰে ঃ কি কথা?

কাঞ্চন ঃ জেচমিন মেমে কৈছে, এইবাৰ হেনো আমাক এচকাৰচনত নিব। তাত হেনো জীপলাইন, ব'ট ৰাষ্টিং এইবোৰ কৰিবলৈ দিব। এয়াৰ বেলুনো থাকিব।

অনু-অৰূপ-বিমান ঃ ইয়ে, মাজা লাগিব।

জ্যোতি ঃ মই জীপলাইন বৰ ভাল পাওঁ, ময়ো যাম।

স্বাতী ঃ মই এয়াৰ বেলুনত উঠিম আৰু চিঞৰী চিঞৰী গাম।

(গান) ৰঙা বেলুনত উঠি জোনলৈ ওলোৱা (আটায়ে হাঁহে)

বিমান ঃ আৰু মই নাওঁ চলাই চিঞৰী চিঞৰী গাম। বৈঠা মাৰো বৈঠা মাৰো ৰে (হাঁহে)

জ্যোতি ঃ কি যে মজা লাগিব গৈ।

কাঞ্চন ঃ কিন্তু মেমে কৈছে তুমি আৰু নুৰে হেনো এইবোৰ কৰিব নোৱাৰা। গতিকে নিনিয়ে বোলে।

নুৰ-জ্যোতি ঃ কিয় নোৱাৰিম?

নুৰ ঃ আমি শাৰীৰিকভাৱে অক্ষম হ'ব পাৰো, কিন্তু মানসিকভাৱে নহয়। অৰুনিমা সিনহাৰ কথা জানানে? ভৰি নোহোৱাকৈ পাহাৰ বগাই বিশ্ব জয় কৰি আহিছে। আৰু আমি চকু নোহোৱাকৈ জীপলাইন কৰিব নোৱাৰিম নে?

জ্যোতি ঃ মনত বিশ্বাস আৰু একগ্ৰতা থাকিলে কৰিব নোৱাৰা কাম নাই। তোমালোকে সদায় আমাক সহায় কৰা, সেইদিন কেইটাতো নকৰিবা জানো সহায়?

বিমান ঃ কিয় নকৰিম। মেমে তোমালোকক নিব লাগিব। লাগিলে তোমালোকক সহায় কৰাৰ দায়িত্ব আমাৰ।

অনু ঃ অ' আমি সহায় কৰিম। ব'লা আমি মেমক গৈ কওঁ, যদি জ্যোতি আৰু নুৰক নিনিয়ে আমিও নাযাও।

সকলোৰে ঃ অ অ আমিও নাজাও।

অৰূপ ঃ আমাৰ ভাল লগা কাম কৰিবলৈ পোৱাটোৱে আমাৰ স্বাধীনতা। নহয়নে নুৰ।

নুৰ ঃ আমাৰ মনে বিচৰা প্ৰাপ্তিয়ে আমাৰ স্বাধীনতা।

সকলোৰে ঃ আমি পাহাৰ শিখৰলৈ যাম। য'ত আমাৰ স্বাধীনতাই আমাক হাত বাউল দি মাতিব।

# অধিকাৰ

নিদুস্মিতা ডেকা
স্নাতক ষষ্ঠ ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

**চৰিত্ৰ ঃ**
**ৰামকৃষ্ণ চৌধুৰী ঃ ৬৫-৭০ বছৰীয়া এজন পুৰুষ।**
**পূৰ্ণিমা চৌধুৰী ঃ ৬০-৬২ বছৰীয়া এগৰাকী মহিলা।**
**মনজিৎ ভৰালী ঃ ৫০-৫৫ বছৰীয়া এজন পুৰুষ পেচাত উকীল।**
**অনিতা ঃ ২২-২৫ বছৰীয়া এজনী ছোৱালী।**
**বনশ্ৰী ঃ ২৮-৩০ বছৰীয়া এগৰাকী মহিলা।**
**মনিষা ঃ ২৮-৩০ বছৰীয়া এগৰাকী মহিলা।**
**অৰ্ণৱ ঃ ৩০-৩৫ বছৰীয়া এজন পুৰুষ।**

**মঞ্চ নিৰ্দেশনা ঃ**

(মঞ্চ ঃ এখন সম্ভ্ৰান্ত ঘৰৰ ড্ৰয়িং ৰুম। ৰামকৃষ্ণ চৌধুৰী আৰু উকীল মনজিৎ ভৰালী চোফাত বহি কথা পাতি থাকিব। কাষতে পূৰ্ণিমা চৌধুৰী আৰু অনিতা বহি থাকিব। সময়- ৰাতিপুৱা ১০ বজা মান।)

ৰামকৃষ্ণ চৌধুৰী ঃ তেন্তে ভৰালী, আপুনি সম্পূৰ্ণ সাজুনে?

মনজিৎ ভৰালী ঃ Yes মিঃ চৌধুৰী, কাগজ-পত্ৰ সম্পূৰ্ণ সাজু। এই অফিচিয়েল কামবোৰ বৰ জটিল। বুজিছেনে?

ৰামকৃষ্ণ চৌধুৰী ঃ নক'বহে ভৰালী, এই Technology ৰ যুগত এতিয়া Technical Problem এ মানুহক বেছি জুৰুলা কৰিছে। মোৰ দৰে অকলশৰীয়া মানুহৰ অৱস্থাটো চাবলৈ ভালেই।

মনজিৎ ভৰালী ঃ ঠিকেই কৈছে আপুনি।

ৰামকৃষ্ণ চৌধুৰী ঃ (অনিতালৈ চাই) মোৰ অনিজনীক (অনিতা) সকলো গতাই দিব পাৰিলে মই আৰু আজৰি। সুখত মৰিব পাৰিম মই।

পূৰ্ণিমা চৌধুৰী ঃ কিনো কয় হে আপুনি? ছোৱালীজনীৰ বিয়াৰ কথা নভবাকৈয়ে তেওঁ আকৌ বিদায় মাগিব আহিল...

মনজিৎ ভৰালী ঃ (সৰুকৈ হাঁহিব)।

ৰামকৃষ্ণ ভৰালী ঃ (তলমূৰ কৰি) তাইৰ বিয়াৰ কথা ভাবিবলৈ তুমিচোন আছাই পূৰ্ণিমা। মোৰ এতিয়া বয়স হৈ আহিছে।

অনিতা ঃ তুমি এইবোৰ কি কৈ আছা দেউতা? মই ক'লৈকো নাযাও তোমালোকক এৰি থৈ আৰু তোমালোকে মোক এৰি ক'লৈকো যাব নোৱাৰা।

পূৰ্ণিমা ঃ (হাঁহি হাঁহি ক'ব) এয়াহে মোৰ Best daughter.

অনিতা ঃ মই সদায় তোমাৰ Best daughter হৈয়ে থাকিম মা (মাকক সাৱটি ধৰিব)।

ৰামকৃষ্ণ চৌধুৰী ঃ আৰু মোৰ...?

অনিতা ঃ তোমাৰো দেউতা, তুমি মোৰ Prince দেউতা (দেউতাকক সাৱটি)।

মনজিৎ ভৰালী ঃ মিঃ চৌধুৰী, আপুনি মোক কোৱা মতে আপোনালোকৰ কোনো সন্তান নাই। Am I right?

ৰামকৃষ্ণ চৌধুৰী ঃ Yes ভৰালী। অনিয়ে আমাৰ ছোৱালী। মাথোঁ আপুনি কাগজ-পত্ৰৰে কথাবোৰ Clear কৰি দিয়ক।

মনজিৎ ভৰালী ঃ Sure, কিন্তু আপোনালোকে অনিতাক Adopt কৰা নাছিল আৰু তাইক আপোনালোকে ডাঙৰ-দীঘলো কৰা নাই তেন্তে তাইৰ লগত আপোনালোকৰ সম্পৰ্ক কি?

ৰামকৃষ্ণ চৌধুৰী ঃ এয়া সঁচা যে আমি অনিক Adopt ও কৰা নাই আৰু তাইক ডাঙৰ-দীঘলো কৰা নাই। এতিয়ালৈকে আমি তাইৰ জীৱনৰ কোনো সিদ্ধান্তও গ্ৰহণ কৰা নাই।
(থিয় হৈ ৰুমটোৰ ভিতৰতে খোজ কাঢ়ি কাঢ়ি) আজিৰ পৰা দুবছৰ আগত এদিন পূৰ্ণিমা আৰু মই গাড়ী লৈ বজাৰ কৰিবলৈ গৈছিলোঁ। বজাৰ শেষ কৰি ৰাস্তা পাৰ হ'ব লওঁতেই Speed ত অহা বাইক এখনে মোক খুন্দিয়ালে। মই পৰি গ'লো আৰু মুৰ ফাটি তেজ ওলাল। পূৰ্ণিমাই মাথো

চিএঞৰিলে। মানুহবোৰে মোক বিভিন্ন ফটো আৰু ভিডিঅ'ত হে আৱদ্ধ কৰিলে। সহায় কৰিলে মাথো এজনী অচিনাকী ছোৱালীয়েহে, যি অনাথ আশ্ৰমৰ এগৰাকী বাসিন্দা আৰু সেয়াই হ'ল আমাৰ অনি।

মনজিৎ ভৰালী : মই এতিয়াহে বুজিলোঁ। (মুৰ দুপিয়াব)

ৰামকৃষ্ণ চৌধুৰী : মাথোঁ ইমানেই নহয়, অনিয়ে আমাৰ কাৰণে কি কৰা নাই? আঠদিন ধৰি নাৰ্চিং হোমত মোৰ আৰু পূৰ্ণিমাৰ লগত দিন-ৰাতি থকা। আশ্ৰমৰ পৰা মোৰ কাৰণে খাদ্য বনাই অনা, মোৰ ঘৰলৈ অনাৰ পিছত পূৰ্ণিমাৰ এখন হাতস্বৰূপ হৈ মোক আলপৈচান ধৰা আৰু বিগত দুটি বছৰে আমাক সন্তানৰ অভাৱবোধ হ'বলৈ নিদিয়া...

মনজিৎ ভৰালী : Wow, মানিছোঁ! এয়া ভগৱানৰে দান।

ৰামকৃষ্ণ চৌধুৰী : (পুনৰ বহিব) ইমানৰ পিছত আৰু কি লাগেহে ভৰালী? তাই জানো আমাৰ ছোৱালী নহ'ল?

মনজিৎ ভৰালী : Why not? Obviously.

ৰামকৃষ্ণ চৌধুৰী : তেন্তে Sign কৰিব পাৰোঁ?

মনজিৎ ভৰালী : (ৰামকৃষ্ণ ভৰালীলৈ চাই ফাইলটো আগবঢ়ায় দিব) Sure.

(হঠাৎ দুগৰাকী তিৰোতা আৰু এজন পুৰুষৰ প্ৰৱেশ ঘটে)

বনশ্ৰী : (চিএঞৰি) ৰ'ব।

(সকলোৱে আচৰিত হৈ তেওঁলোকলৈ চাব)

অৰ্ণৱ : কাৰ Property ৰ অধিকাৰ কাঢ়ি লৈ ইয়াত কাক দিয়াৰ ষড়যন্ত্ৰ চলি আছে?

মনজিৎ চৌধুৰী : কোন এওঁলোক মিঃ চৌধুৰী?

বনশ্ৰী : আমি ৰামকৃষ্ণ চৌধুৰী আৰু পূৰ্ণিমা চৌধুৰীৰ পুত্ৰ আৰু জীয়ৰী।

মনিষা : আৰু মই বোৱাৰী।

পূৰ্ণিমা : কোন বোৱাৰীহে তুমি? আৰু তহঁত কাৰ সন্তান? আমাৰ সন্তান মাত্ৰ অনিতা (তলমূৰ কৰি ক'ব)।

বনশ্ৰী : মা, এইবোৰ নাটক বন্ধ কৰা। আমি আমাৰ পৈত্ৰিক সম্পত্তিৰ অধিকাৰ বিচাৰি ইয়ালৈ আহিছোঁ।

অৰ্ণৱ : (মনজিৎ ভৰালীলৈ অঙুলিয়াই) You get out idiot and you also. (অনিতালৈ আঙুলিয়াই)

বনশ্ৰী : (বহি লৈ) Yes get out.

ৰামকৃষ্ণ চৌধুৰী : Sorry ভৰালী; Don't mind.

মনিষা : (হাতৰ ফাইলটো দেখুৱাই) আপোনালোকে আমাৰ ফাইলত Sign কৰক।

অৰ্ণৱ : তোমালোকৰ সন্তান হিচাপে পৈত্ৰিক সম্পত্তিৰ অধিকাৰ কেৱল আমাৰহে। তোমালোকে থাকিবা কিমানদিন? এই সকলোতো এতিয়া আমাৰেই (ডাঙৰকৈ হাঁহিব)।

মনজিৎ ভৰালী : ওহোঁ! ইমান তললৈ বাৰু মানুহ কেনেকৈ নামিব পাৰে?

বনশ্ৰী : Shut up you idiot.

ৰামকৃষ্ণ চৌধুৰী : ভৰালী, কোনখন আইনমতে মাক-দেউতাকক Force কৰি, ধমকি দি পৈত্ৰিক সম্পত্তিৰ অধিকাৰ লাভ কৰে?

মনজিৎ ভৰালী : এওঁলোক আইনমতে দণ্ডনীয় মিঃ চৌধুৰী।

মনিষা : আপুনি আমাক আইন শিকাব নালাগে।

মনজিৎ ভৰালী : তেন্তে কোনে শিকাব?

ৰামকৃষ্ণ চৌধুৰী : আৰু যদি মই তহঁতক মোৰ সম্পত্তিৰ ফুটা কড়ি এটাও নিদিও বুলি কওঁ, কি কৰিব পাৰিবি তহঁতে? ক' কি কৰিবি? কোৱা বোৱাৰী?

অৰ্ণৱ : কিন্তু দেউতা....

ৰামকৃষ্ণ চৌধুৰী : কোনো কিন্তু নাই।

(পুত্ৰ-বোৱাৰী, জীয়ৰী লৈ আঙুলিয়াই) Get out you all. তিনিও তলমূৰ কৰি এজন এজনকৈ প্ৰস্থান কৰিব)

ৰামকৃষ্ণ চৌধুৰী : বুজিলে নহয় ভৰালী? এনেদৰেই আমি নিঃসন্তান। আজি তিনিবছৰে আমি ইহঁতৰ ছাঁটোকে দেখা নাছিলো। ছোৱালীৰ বিয়াৰ পাঁচবছৰেই হ'ল। ল'ৰাই বোৱাৰী ঘৰ সুমোওৱাৰ দুমাহ পিছতেই আমাৰ পৰা বিদায় ল'লে। ইহঁতৰ পৰা মাত্ৰ ফোনহে আহে, সম্পত্তি বিচাৰি, অধিকাৰ বিচাৰি।

পূৰ্ণিমা : (উচুপি কান্দিব) এয়া হয়তো আমাৰেই সংস্কাৰ। (অনিতাই সাৱটি ধৰিব)

অনিতা : নহয় মা, এয়া কেতিয়াও হ'ব নোৱাৰে। তোমালোকৰ সংস্কাৰ এনেকুৱা হ'বই নোৱাৰে।

মনজিৎ ভৰালী : Sign কৰক মিঃ চৌধুৰী (ফাইলটো আগবঢ়াই দিয়ে)

(ৰামকৃষ্ণ চৌধুৰী, পূৰ্ণিমা চৌধুৰী, অনিতা সকলোৱে Sign কৰিব)

(আঁৰ কাপোৰ পৰে)

বিঃ দ্ৰঃ - এই একাংকিকা নাটখনি মোৰ নিজা সৃষ্টি। ইয়াত কোনো দ্বিতীয় পক্ষৰ হাত নাই)

# প্ৰিয়

**নিদুস্মিতা ডেকা**
স্নাতক ষষ্ঠ ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

আপুনি যে সুধিছিল,
ৰঙা ৰং মোৰ কিয় প্ৰিয়?
সৌ শিমলুজোপালে চাওকচোন
তেজৰঙা সেই পুষ্পমঞ্জৰি,
বুকু ফাটি ওলাই অহা বিৰহ-বেদনাৰ দৰে
সেই শুকুলা তুলাৰ পাহি,
সেইখন এখন সুকীয়া সংসাৰ জানে?
মইয়ো তাৰেই বাসিন্দা।
প্ৰবুদ্ধ নহয় মই, মই কবিও নহয়,
নাইবা কোনো গীতিকাৰ, সুৰকাৰ
কিন্তু সেয়াই মোৰ প্ৰিয় কবিৰ প্ৰসিদ্ধ কবিতা
মোৰ প্ৰিয় গানৰ প্ৰিয় সুৰ।
ক্লেদাক্ত পৰিৱেশ মোৰ প্ৰিয় নহয়
মোৰ প্ৰিয়বোৰ মোৰ শান্তিৰ থল,
আঘাত লাগিলে ক্ষণিকতে বোৱাই অশ্ৰুজল।
অশ্ৰুজলৰ নিৰ্দিষ্ট ঠিকনা নাই জানেনে?
এই যে মাঘ মহীয়া নেৰা-নেপেৰা বৰষুণজাক
মেঘস্নিগ্ধ অভ্ৰত বিজুলীৰ গৰ্জন
আৰু এটি নিষ্প্ৰভ ৰাতিপুৱা,
আপোনাৰ প্ৰিয় নে বাৰু?
এই সমস্ত অক্ষয় পুৰুষৰে সৃষ্টি।
এটি ভাল লগা ৰাতিয়ে
পুৱা হ'বলৈ পাহৰি থাকিলে,
মেঘাস্পদৰ পৰা আবেগবিহীন মেঘ
আঁতৰিবলৈ পাহৰি থাকিলে,
প্ৰিয়বোৰৰ মাজতেই
অশিষ্ট প্ৰকৃতিৰ ধুমুহাই হ'ল জীৱন।

# খেলি-মেলি সময়

**কিব্ৰিয়া আহমেদ**
স্নাতক তৃতীয় ষান্মাসিক
জীৱবিদ্যা বিভাগ

লিখিবলৈ লৈ আকৌ ৰৈ গৈছো
অভাৱ,
শব্দৰ...
বাক্যৰ...
সময়ে নতুন সোঁত ল'লে
জীৱনে নতুন দিশ ল'লে
মাথোঁ দি থাকিল পোহৰ সূৰ্যই
তিৰবিৰাই থাকিল আকাশত তৰাই
ঘাটে ঘাটে বুজিলোঁ গভীৰতা
ক'ব খুজিও নীৰৱ আজি ভাষা
নিঠৰ আজি আশা
ৰংবোৰ কেতিয়াবা ক'লা
কেতিয়াবা শুকুলা
পৰিস্থিতিৰ সৈতে আলাপ কৰিছোঁ অল্প
কিজানিবা লিখিব পাৰোঁ প্ৰেৰণাৰ গল্প।।

# মোৰ প্ৰেম তোমালৈ

**নিখিল বৈশ্য**
উঃ মাঃ দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

মানুহে কয় মৃত্যুৰ পিছত
মানুহ প্ৰকৃতিৰ লগত মিলি যায়।
তুমি যদি ঘাঁহনি হোৱা
জোনাকী পৰুৱা হৈ মই বিচাৰি থাকিম।
তুমি যদি আকাশৰ তৰা হোৱা
মেঘ হৈ মই বিছাৰি ফুৰিম।
তুমি যদি সাগৰ হোৱা
বৰষুণৰ পানী হৈ মই বিচাৰি থাকিম।
তুমি য'তেই যিভাৱে থাকা
মই তোমাৰ লগত থাকিম।
ধৰাৰ এই নিৰৱচ্ছিন্ন ক্ৰিয়াত
তোমাৰ লগতে থাকিম মই
চিৰদিন, চিৰকাল।



# অন্তহীন যাত্ৰা

**মনালিচা ৰাজবংশী**
স্নাতক তৃতীয় যান্মাসিক
শিক্ষা বিভাগ

জীৱন মানেই হ'ল
এক অন্তহীন যাত্ৰা
এই যাত্ৰাত যে
কিমান সহিব লাগে।
দুখ-কষ্ট, ঘাত-প্ৰতিঘাত
আৰু কত কি
জীৱন হ'ল এক সংগ্ৰাম
ঘাত-প্ৰতিঘাতৰ মাজতো
সহস্ৰজনৰ আছে
সপোন, আশা
হয়তো আহিব
আশাৰ ৰেঙনি
হয়তো সদায় বৰ্তি থাকিব
জীৱনত অন্তহীন যাত্ৰা

# পথৰ দাঁতিত কিৰিলি...

**কমল লোচন শৰ্মা**
সহকাৰী অধ্যাপক (অতিথি অধ্যাপক)
প্ৰাণী বিজ্ঞান বিভাগ

পথৰ দাঁতিত নানান আত্মাৰ
আধৰুৱা কাহিনী...
ঢপলিয়াই ফুৰে অচিনাকি চিঞৰ মাৰি
আঘাতৰ ছট্‌ফটনি ব্যক্ত কৰে
মানৱ সমাজৰ ক'লা ছবি
পথৰ দাঁতিত কিৰিলি...

কিয় এন্ধাৰে গ্ৰাস কৰে সভ্য সমাজ?
বেলিয়ে বিদায় লয়,
ৰঙা আভাই ছানি ধৰে আকাশ
আৰু সেই ৰঙা আভাই,
আৰু সেই ৰঙা আভাই...
উলিয়াই আনে মুখাৰ আঁৰৰ মানৱতা
লাহে লাহে লাহে লাহে
আকৌ একেই কাণতাল মৰা
পথৰ দাঁতিত কিৰিলি...

কেঁচা তেজৰ গোন্ধই আমোদ দিয়ে পিশাচবোৰক
কুমলীয়া ফুলৰ কলিবোৰ মোহাৰি পেলায়;
নগ্ন অসহায় শৰীৰৰ বেহা পাতে,
ভ্ৰষ্ট কৰে নানান সপোনক;
সপোনৰ কম্পিত মাতত শুনিব পাওঁ
পথৰ দাঁতিত কিৰিলি...

দুঠেঙীয়া পশুবোৰৰ বুকু নকঁপে
সিহঁতৰ হৃদয়খন বিক্ৰী কৰে
কেঁচা শৰীৰ আৰু সুৰাৰ বজাৰত।
সুৰাৰ সৈতে সোৱাদ লয় কুমলীয়া সপোনৰ
আধৰুৱা সপোনবোৰে চিঞৰে,
কঁপি উঠে প্ৰকৃতি;
তথাপিও সিহঁতে নিৰ্বিঘ্নে চলায়,
বাৰে বাৰে বাৰে বাৰে...
নৰমঙহৰ নিৰ্লজ্জ বেহাখনি।

কোমল কলিজাৰ তেজৰ চাপে কান্দে
আধৰুৱা সপোনৰ আত্মাই উচুপে,
পাপী মানৱতাই নিবিচাৰে জিৰণি
বাৰে বাৰে শুনিব পাওঁ
পথৰ দাঁতিত কিৰিলি...

# অনুভৱৰ শেতেলীত

**নম্ৰতা প্ৰীতম গোস্বামী**
স্নাতক ষষ্ঠ ষাম্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

মোৰ হৃদয়ৰ আবেলিত
তুমিয়েই ৰঙচুৰা বেলি।
নাজানো,
মোৰ হৃদয়খন সেউজীয়া হ'লে
ডুবাই থব পাৰিম তোমাক
ভালপোৱাৰ অৰণ্যত...?
যি হৃদয়ৰ তেজত প্লাজমাৰ দৰে
ওপঙাই ৰাখিব বিচাৰোঁ তোমাৰ নাম
তুমি বাৰু বুজিবানে মোৰ হৃদয়ৰ ভাষা,
প্ৰেমৰ শব্দ আৰু মৰমৰ জোনাকী মায়া...।

# BUT AN SCARED

**Zabeen Akhtar**
*Bsc. 3rd Sem*

I want to cry my heart out...
But am Scared, everyone will doubt'

I want to go out of my home and
went to scream out loud...
But am scared, someone will shout;

I want to explore things and give my
life a shape...
But am Scared, somewhere I might get rape;

I want to travel and make my life happy...
But am Scared, my parents will treat
me like am still in nappy;

I want my problems to be settle...
But am Scared, I will loose my own battle.

# নিজান প্ৰেমিক

**অংকিত প্ৰতীম কাশ্যপ**
স্নাতক তৃতীয় ষাম্মাসিক
ৰাসায়ন বিজ্ঞান বিভাগ

পূব কামৰূপ মহাবিদ্যালয়ৰ তুমি
মৰমলগা ছোৱালীজনী।
এবাৰ ঘূৰি চাবা নেকি?
আমিয়ো একো একোজন
প্ৰেমৰ ৰাগীত মাতাল
প্ৰেমিকৰ দৰে।
সেইদিনা প্ৰথমবাৰৰ বাবে
তোমাক দেখিছিলোঁ।
তোমাৰ ওঁঠৰ সেই কলা তিলটিয়ে
মোক বাৰে বাৰে
লাজুকীয়া কৰি পেলাইছিল
আৰু গাবলৈ মন গৈছিল
সেই গীতটি...
'তোমাক দেখা পালে
সপোন জাগি উঠে
বুকুখনি হয় তাজমহল।'
পাৰ্কিঙত লগৰবোৰৰ সৈতে আড্ডাত
বাৰে বাৰে মনত পৰিছিল
তোমাৰ হাঁহিটি।
আৰু.....
চিঞৰি চিঞৰি গাবলৈ মন গৈছিল
জুবিনদাৰ সেই বিখ্যাত গীতটি...
'তুমি চোৱা যেতিয়া দুচকু তুলি
মোৰ আকাশ ভাঙি নামে বিজুলী
ৰ'দে...।'

# প্ৰকৃতিৰ পুৱা

**অনিমা বেগম**
স্নাতক তৃতীয় ষাণ্মাসিক
অৰ্থনীতি বিভাগ

লাহে লাহে শৰতৰ নিয়ৰৰ
টোপালে তিয়াই যাব দুবৰিৰ পাত,
শৰতৰ পুৱাই বুটলি ল'ম
তলসৰা শেৱালি ফুল।

শৰৎ মানেই যেন
শেৱালিৰ আমোল মোল গন্ধ।

কোনেনো সজালে প্ৰকৃতিক
এই বিনন্দীয়া পৃথিৱীত?

হেৰাই পেলাম কষ্টবোৰ
প্ৰকৃতিৰ মাজত।

হাতত জেতুকাৰ সুবাস
প্ৰেম, প্ৰেমৰ আভাস এয়া।

বৰষুণ, এটি বৰষুণৰ টোপালে
দি যাব এমুঠি বীজ।

বাৰে বাৰে স্বস্তি
মন আত্মা হৃদয়।



# হৃদয়ৰ দাপোন

**নাগমা জান্নাত**
স্নাতক তৃতীয় ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

হৃদয়ৰ নিজান কোণত
আমি সকলোবোৰ অকলশৰীয়া
অকলে নিজে নিজকে জুমি চাওঁ হৃদয়ৰ দাপোনখনত
নিজৰ লগত চিনাকী কৰি ৰখা দাপোনখনত জুমি চাওঁ
প্ৰাপ্তিৰ আশাৰে ক্লান্ত হৈ পৰা উশাহ-নিশাহবোৰক
বিষাদৰ টোপোলা কঢ়িয়াই ফুৰোৱা হাঁহিবোৰক
ভালে আছো বুলি কৈ লুকুৱাই থোৱা অযুত-নিযুত দুখবোৰক,
জীয়াই থকাৰ হেঁপাহ লৈ মৃত্যুলৈ আগবাঢ়ি থকা খোজবোৰক।

# বিজ্ঞানৰ চমৎকাৰ

**দীপজ্যোতি পৰাশৰ**
স্নাতক তৃতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

তোমাৰ বাবেই মানৱ সভ্যতাৰ অগ্ৰগতি
তোমাৰ বাবেই অত্যাধুনিকতা,
তুমিয়েই আনিলা নতুনত্ব,
তোমাৰ বাবেই পালোঁ বিশ্বজগতৰ আভাস।

নতুন সৃষ্টিৰ দিগন্ত তুমি,
নতুন আশাৰ সঞ্চাৰ তুমি,
আজি জুইৰ আৱিৰ্ভাৱ কাৰ বাবে হ'ল?
মাথো তোমাৰ বাবে।
তোমাৰ যে কিমান চমৎকাৰ।
তোমাৰ যে কিমান অৱদান।
তুমিয়েই হ'লা বিজ্ঞান।



# তুলনা

**নীহা বেগম**
স্নাতক তৃতীয় ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

কোনে কয় সাহিত্যিকেহে
কবিতা লিখে, গল্প লিখে?
প্ৰকাশ নোহোৱাকৈ ক'ত সাহিত্যিক
ক'ত কবিতা ৰৈ যায়
তাৰ কোনে হিচাপ ৰাখে?
সকলোৰে এটি সৃষ্টিশীল মন থাকে
তাৰে কিছু সৃষ্টি উৎকৃষ্ট
আৰু কিছু নিকৃষ্ট
বুলি কোৱাৰ অধিকাৰ
আমাৰ জানো আছে?
'সৃষ্টি' সৃষ্টি হয়
উৎকৃষ্ট বা নিকৃষ্ট নহয়।
কাৰোবাৰ বাবে ভাল লগা বস্তুটো
সকলোৰে যে ভাল লাগিব
তেনেকুৱাটো নহয়।
তেন্তে, উৎকৃষ্ট বা নিকৃষ্ট কোৱাৰ অৰ্থ কি?
কি অৰ্থ, সৃষ্টিক লৈ যুক্তি কৰাৰ
সৃষ্টিক লৈ তুলনা কৰাৰ।
এই তুলনাৰ বাবে হেজাৰজন সাহিত্যিকৰ
জন্ম নৌপাওতেই মৃত্যু হয়।
ৰৈ যাই বহুতো সৃষ্টি
প্ৰকাশ নোহোৱাকৈ...।



# প্ৰশ্নবোধক

**জোনমণি ডেকা**
স্নাতক তৃতীয় ষন্মাসিক
ইতিহাস বিভাগ

আজি মই উত্তৰহীন, ক'বলৈ কোনো ভাষা নাই
দিবলৈও কোনো উত্তৰ নাই
ৰৈ গ'ল কিছু মিছা আশা আৰু প্ৰতিশ্ৰুতি...
নাজানো
নৈৰ সিটো পাৰৰ পৰা কোনে মোক হাতবাউল দি মাতিছিল...।
সেয়া কাৰ সুৰীয়া কণ্ঠ আছিল
যি শুৱলা কণ্ঠ এতিয়াও মোৰ
শ্ৰৱণত প্ৰতিধ্বনিত হয়
মোক উজাগৰি নিশা কটাবলৈ বাধ্য কৰায়...।
সেই প্ৰতিধ্বনিয়ে এতিয়া
মোৰ বুকুত এক বুজাব নোৱাৰা স্পন্দনৰ শিহৰণ জগায়...।
কেতিয়া কাৰোবাক লৈ সপোনে যেন মোক
বাৰে বাৰে আমনি কৰিছিল।
একো নুবুজিলোঁ মই
অভিনয়ৰ ৰঙ্গমঞ্চত
আছিলো নে বাস্তৱ জীৱনত
কেতিয়াবা মাতাল হৈ পৰিছিলোঁ
আৰু কেতিয়াবা নষ্টালজিক।
সময়ে বুজালেচোন
মই আচলতে অভিনয়ৰ মুখাখন হে দেখিছোঁ
সেই অভিনয়ে মোক বিষাক্ত কৰি তুলিলে
অভিনয়ৰো চাগে এটা চৰম সীমা থাকে
মই সহ্য কৰি যাব পাৰিম কিন্তু
কিমান কৰিবা অভিনয়...।
প্ৰেমৰ বিৰুদ্ধে বাজি উঠিল যেন হৰতাল...।

# ঠিকনা

**নেহা কাশ্যপ**
স্নাতক প্ৰথম ষাণ্মাসিক
দৰ্শন বিভাগ

এই যান্ত্ৰিকতাৰ যুগত
লগ পাইছিলোঁ তোমাক
ভাবিছিলোঁ
কিছু কথা পাতি
মনটো ফৰকাল
আকাশখনৰ দৰে
শীতল কৰিম।
কিন্তু কেনেকৈ ক'ত !
নাই যে ঠিকনা !
তথাপিও হাৰি যাব,
খোজা নাই মই।
হঠাৎ এটুকুৰা
সৰু কাগজৰ টুকুৰা
বিচাৰি পালোঁ,
হয়!
এয়াই দেখোন মই
বিচাৰি থকা তোমাৰ
যোগাযোগৰ
"ঠিকনা"

# অভিনন্দন

**অলকেশ কুমাৰ**
স্নাতক প্ৰথম ষান্মাসিক
শিক্ষা বিভাগ

হে মহান
পোন প্ৰথমে তোমাক
জনালোঁ প্ৰণাম।
পূব কামৰূপ মহাবিদ্যালয় নামেৰে
জন্ম লভিলা,
বহু ছাত্ৰ-ছাত্ৰীক তুমি
মানুহ কৰিলা।
আজি চাৰিওফালে কেৱল
তোমাৰে নাম
নামে যাৰ পৰিচয়
মোৰ বাবে তুমিয়ে
বৈকুণ্ঠ ধাম
আজি মই গৌৰৱ কৰোঁ
তোমাৰ এজন ছাত্ৰ হৈ
বহু আশাৰে বৈ আছোঁ
সোণালী জয়ন্তীৰ দিনটোলৈ
সদায় জিলিকি থাকক
তোমাৰ নাম
সোণালী জয়ন্তীলৈ
তোমাক স্বাগতম।।

# জয়তু পূব কামৰূপ মহাবিদ্যালয়

**আব্দুল মজিদ আলী**
স্নাতক তৃতীয় ষান্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

স্ৰজিলা তুমি কত জ্ঞানী তোমাৰ জ্ঞানৰ জ্যোতিৰে, তোমাৰ বুকুতে
পাতনি মেলিছিল
কত জ্ঞানীৰ সপোনে।

নিস্বাৰ্থ হৃদয়ৰে দিলা
কত সপোনৰ লক্ষ্যস্থান।
অশেষ কষ্ট আৰু ধৈৰ্য্যৰ লগতে
নেওচি সকলো প্ৰত্যাহ্বান।
প্ৰকাশ কৰিব নোৱাৰা
তোমাৰ বিজয় অভিযান।
গৌৰবেৰে আজি গাব পাৰোঁ মই
তোমাৰ সফলতাৰ জয় গান।

শিক্ষানুষ্ঠান বুলি ক'লে
মনলৈ আহে প্ৰথমে তোমাৰেই নাম।
তুমি দিয়া জ্ঞানৰ বাবে
তোমালৈ যাচিলোঁ শতটি প্ৰণাম।
ভবিষ্যতেও তুমি উজলাই তোলা
আৰু ক'ত আলোকহীন প্ৰাণ।
জয় জয় পূব কামৰূপ মহাবিদ্যালয়
আমাৰ হৃদয়ৰ, আমাৰ প্ৰাণ।

# জীৱন

**ভাগ্যশ্ৰী পাটোৱাৰী**
স্নাতক পঞ্চম ষন্মাসিক
দৰ্শন বিভাগ

সকলো যে ভবা মতেই
হ'ব লাগিব প্ৰয়োজনীয় নহয়।
ভবা ধৰণে যে চাকৰিটো পাব লাগিব
প্ৰয়োজনীয় নহয়।
ভবা ধৰণে যে পৰীক্ষাত নম্বৰ পাব লাগিব
প্ৰয়োজনীয় নহয়।
ভবা ধৰণে যে সপোনৰ ৰাজকুমাৰ অথবা
ৰাজকুমাৰী গৰাকীক পাব লাগিব
প্ৰয়োজনীয় নহয়।
কেতিয়াবা নভৱাকৈ
আশা নকৰাকৈ
কল্পনা নকৰাকৈও
জীৱন বহুত বেছি ধুনীয়া হ'ব পাৰে।
বহুত বেছি ভাললগা হ'ব পাৰে।



সেয়ে জানো কোৱা নহয়
God's plan is always more beautiful than our desires.
কোনোবাই ঠিকেই কৈছিল আমি যি ভাবো
যি বিচাৰোঁ সেয়া জীৱন নহয়।
আমাৰ লগত যি হৈছে যি হ'ব
সেয়াই আচলতে জীৱন।
বৰ্তমান অন্ধকাৰ মানেই যে
ভৱিষ্যতেও অন্ধকাৰ হ'ব
তেনেকুৱা নহয়।
বৰ্তমান অমানিশা হ'বই লাগিব
তেনেকুৱা নহয়।
বৰ্তমান জী থাকিব পৰাটোৱে
আচলতে জীৱন।
বৰ্তমান সুখী থাকিব পাৰিলে
নিজক ভালে ৰাখিব জানিলে
ভৱিষ্যতৰ চিন্তাই বৰ্তমান নষ্ট কৰিব নোৱাৰে।
জীৱন না অতীতত না ভৱিষ্যত
জীৱন কেৱল বৰ্তমানত।

# নীলাঞ্জনালৈ একলম

**হীৰকজ্যোতি নাথ**
স্নাতক তৃতীয় যান্মাসিক
বি.চি.এ.

তুমি যদি যান্ত্ৰিকতাই স্পৰ্শ কৰা নিশাৰ চহৰ,
তেন্তে মই কোনোবা কৃষকৰ
হিয়াভঙা বাঁহীৰ সুৰত বাজি থকা নিশাৰ গাঁও।
কিদৰে এক হ'ম কোৱা ?
তুমি নাই,
ক্ষমা কৰিবা বৰ মিছা কথা ক'লোঁ তোমাক,
তুমি আছা নীলাঞ্জনা,
মোৰ মাজৰাতিৰ কবিতাৰ লগৰী হৈ।
তুমি আছা মোৰ ফুলনিত,
খৰিকাজাই হৈ মাজৰাতি দুখৰ গোন্ধ বিয়পাই।
নিলিখো বুলিলেওচোন,
তোমাৰ কথা দোলা দি থাকেহি মনৰ আকাশত।
তোমাৰ কথা ভাবি ভাবিয়েইটো এৰি দিছোঁ,
জোনাকৰ বুকুত কুণ্ডলী পকাই পকাই যোৱা,
ছিগাৰেটৰ ধোৱাৰ স'তে বুকুৰ বিষাদ।



# স্মৃতি

**পাৰবিন চুলতানা**
স্নাতক দ্বিতীয় যান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

স্মৃতি এই শব্দটোতে লুকাই থাকে
কিমান বিষাদ, ভাব-অনুভূতি,
লুপ্ত হৈ থাকে বুজাব নোৱাৰা
হৃদয়ৰ এক বিষাক্ত অশ্ৰু ভৰা কান্দোন।
স্মৃতি শব্দটোৰ যেনেকৈ
আনন্দৰ চকুলো কঢ়িয়াই আনে,
ঠিক তেনেকৈ দুখৰো চকুলো বোৱাই আনে।।
হৃদয়ৰ এচুকত লুকাই থাকিব সদায়
আনন্দৰ লগতে দুখৰো স্মৃতিবোৰ,
তোমালৈ মনত পৰিলে বাৰুকৈয়ে সোঁৰৰাম
হৃদয়ৰ এচুকত সাঁচি ৰখা
স্মৃতিবোৰ...

# সমুদ্ৰ

মূল ঃ কৈলাশ পাট্টনায়ক
ভাষান্তৰ ঃ ড° বৰ্ণালী ডেকা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

তাই গাভৰু কালত কিমান যে চঞ্চল আছিল। মাকৰ আদৰ, দেউতাকৰ যত্নৰ মাজত ডাঙৰ-দীঘল হৈছিল। তাইঅকল, ভাই-ভনী কোনো নাই। মুখৰ পৰা কথা ওলালে সেয়া পূৰ্ণ হৈ গৈছিল। তাইৰ বস্তুত ধূলি পৰিলে লগুৱাবোৰৰ ভাগ্যৰ ওপৰত শগুণ উৰিছিল। খোৱা ইফাল-সিফাল হ'লেই পূজাৰীৰ চৈধ্য পুৰুষৰ শ্ৰাদ্ধ হৈছিল। যিবোৰ ভাল, সকলোবোৰ তাইৰ।— এই ধাৰণাৰ মাজত তাই ডাঙৰ হৈছিল।

বিয়াৰ পাছতেই আশুতোষ কেৱল তাইৰ, একান্তমনে তাইৰ হৈ নাথাকিল, যেনেদৰে ভাবিছিল জয়াই। তাইৰ ধাৰণা আছিল বিয়াৰ পাচত তাই আৰু আশুতোষে ঘৰ কৰিব। তেওঁলোকৰ ঘৰ, নিজৰ, এখন সৰু আৰু সুন্দৰ সংসাৰ।

ৰাতিপুৱা হ'লে চাহ বনাব। পতি দেৱতা আৰু তাই বহি চাহ খাব। পতিদেৱতাই তাৰ পাচত ব্ৰেকফাষ্ট কৰি বেংকলৈ যাব। টকা-পইচাৰে খেলি খেলি দুপৰীয়া ভাত খাবলৈ আহিব। তাই নখন ব্যঞ্জন নিজৰ হাতেৰে তৈয়াৰ কৰি তাক খাবলৈ দিব। মাহৰ শেষত দৰমহা এগণ্ডা দেখোন আশুতোষৰ একাউন্টত জমা হৈ যাব। আশুতোষে তাৰ নিজৰ চেক বহীখন জয়াৰ হাতত দি ক'ব, "প্ৰিয়তমা, এই অহা মাহৰ সংসাৰ তোমাৰ হাতত থাকিল। যেনেকৈ চলোৱা চলাবা।" জয়াই গদ্‌গদ্ হৈ পৰিছিল সেই সপোনত।

বিয়াৰ পাচত ৰাতিপুৱা তাই চাহ কৰি আনে। শাহু, ননদ দুজনী, এলেহুৱা দেওৰক দি পতিদেৱতাৰ বাবে চাহ আনে। এসোহা মাৰে কি নামাৰে ননদে ক'ব, শাহুমা আহি পালে। সাগুমাই বাচন ধুৱে, বাহী কাপোৰ ধুৱে। তাইক বস্ত্ৰ-বাহানি দিয়াৰ দায়িত্ব জয়া অহাৰ দিন ধৰি শাহুৱেকে জয়াক সমৰ্পন কৰিছে। চাহ খোৱা তাতেই থাকি যায়। পতিদেৱতা অফিচৰ পৰা আহি খাবলৈ বহিব তেতিয়া ক'ৰ পৰা কোন আহি, হেৰা, আশুক অলপ এইটো দে, সেইটো দে...। আশুৱে কি খাব কি নাখাব সেইয়া মোক বুজিবলৈ দিয়া...' ক'বলৈ বুলি গৈ জয়া ৰৈ যায়। প্ৰলয়ক তাই ৰোধ কৰে। নহ'লে শাহুৱেক যিহে..., ঘৰ উজাৰি দিবলৈ তেওঁক বেছি সময় নালাগিব। মুৰশিতানত এইবোৰ তাইক কোনে ক'ব? মাহৰ শেষত জয়াৰ হাতত চেকবুক ৰাখি আশুতোষে এই সংসাৰখন তাইক সমৰ্পণ কৰাৰ কল্পনা মিছা হ'লগৈ।

সংসাৰৰ ধামধুমীয়াত কেতিয়াবা কেতিয়াবা আশুতোষ ভাগৰুৱা হৈ পৰে। তাৰ হাত পৰে জয়াৰ দেহত। ডাঙৰ ননদৰ ফৰ্ম ফিলাপ, দেওৰৰ সৰস্বতী পূজাত একচন শ্বুৰ অভাৱ, মায়ে বিচাৰে কল্যাণক বিয়াৰ টকা দহ হাজাৰৰ ভাৰ খাটাং কৰি দিব বিচাৰে, কল্যাণ আশুতোষৰ সৰু মামা। মালতীৰ পুত্ৰৰ বাবে বহু খেতিৰ ঋণ। হেম

এতিয়া কিবা এটা খাই লোৱাগৈ যোৱা। আমাৰ পাল পৰিবলৈ নিশ্চয় এঘণ্টা সময় লাগিব। জয়াই আশুতোষক ক'লে। আশুতোষে কিজানি শুনা নাই, তাৰ কান্ধখন হেঁচুকি দি জয়াই ক'লে— খাই আঁহাগৈ। ওঁহো। আশুতোষে মানা কৰিলে— তোমাক ভিৰৰ মাজত অকলে এৰি...

-- আ হা, মোক আন কোনোবাই লৈ পলাব...। ক'লে জয়াই।

আশুতোষৰ জয়াৰ কথা ভাল নালাগিল। ক'লে, কিমান বা সময় লাগিব, এঘণ্টা বা দুঘণ্টা পলম হৈ গ'লে কিবা হৈ যাব-

ওঁহো, একো নহয়, কেৱল তোমাৰ সেই পুৰণা এচিডিটিৰ বেমাৰে উক দিলে মই আকৌ ডাক্তৰ বিচাৰিব লাগিব। আৰু ইয়াৰ পৰা উভতি গৈ তুমি যেতিয়া মাৰ মৰমৰ সুপুত্ৰ হৈ বৰ্ণনা দিবলৈ বহিবা। মায়ে সকলো কথা, তোমাক খুলি ক'বনে, যি ক'ব সকলোবোৰ মোকেই ... সময় জানিও ওচৰত বহাই লৈ ... হেৰা বোৱাৰী...। আহা, ই দেখোন এবছৰীয়া কেঁচুৱা, নিদিলে হয়তো খাবই নোৱাৰিব...।

... জয়া, কিবোৰ কৈ আছা? আশুতোষৰ মাতে জয়াক কেইমুহূৰ্তমানলৈকে বান্ধি ৰাখিলে। মনে মনে থকা জয়াৰ অভ্যাসৰ বিৰুদ্ধে কথা। মূল প্ৰসঙ্গলৈ পুনৰ ঘূৰি আহিল।

ব'লানা কিবা অলপ খাই আহিবাগৈ... ইয়াত ইমান দোকান আছে..

দীঘলীয়া শাৰীটো এখোজ এখোজকৈ আগলৈ গৈছে। সাতটা পঞ্চল্লিছতহে গেট খুলিব। এই চাৰে সাতটা বজাতেই আধা কিলোমিটাৰ দীঘল শাৰী। সাপৰ নিচিনা ভাঁজ খাই পৰিছে। ইজনৰ পাছত সিজন মানুহে মাজে মাজে আহি শাৰীত যোগ দিছে। বিবেকানন্দ স্মৃতি মন্দিৰলৈ যাবলৈ তামিলনাডু চৰকাৰে এই দুখন লাঞ্চৰ ব্যৱস্থা কৰিছে। তালৈ যাবৰ বাবেই এই শাৰী। জয়াই অৱশ্যে পাঁচ বজাৰ পৰাই সাজিকাচি ৰেডি হৈ বহি আছিল। পলম কৰিছিল মাত্ৰ আশুতোষে। উঠো নুঠোকৈ উঠি জয়াক অলপ আদৰ কৰোঁতে কৰোঁতে সাতটা- দাঁত ঘঁহি কোনোমতে ওলাই আহিছে দুয়ো। আৰু সময় নাছিল যে, খাই উঠি কোনো শাৰীত থিয় নহ'লে ৰ'দ টান হৈ আহিলে শিলৰ মূৰ্তিবোৰত জুই লাগি যায়- পুৱাই পুৱাই উঠি চাই লোৱাই ভাল।

হ'লেও ইমান কথা কোনে বুজিব? সেই ৰাহাবালিৰ শাহুৱেকটিয়ে...? জয়াই তাইৰ চিন্তাৰ মাজলৈ এই শব্দটি জোৰকৈ অনা নাছিল। বৰ স্বাভাৱিকভাৱে সেইবোৰ আহি গৈছিল। জয়াই নিজক সতৰ্ক কৰিলে। কিনো কৰিব, এই পাঁচ বছৰৰ ভিতৰত ইমান নাটক কৰিলে যে জয়াই নভবাকৈ এইবোৰ শব্দ নিজেই তাইৰ ওচৰলৈ আহি থাকে।

পেহাৰ ডেলীভাৰী, দেখা-শুনা আৰু আশুতোষৰ বাহিৰে কোনে কৰিব এই চহৰৰ বজাৰত। পেহাৰ ছোৱালীজনী ডেলীভাৰীৰ পাচত দুমাহ থাকি গ'ল, ডাক্তৰ-ঔষধ, তেল, চাবোন আশুতোষৰ বাহিৰে কোনে বা দিব? যিমানে হ'লেও তাৰ নিজৰ ঘৰত পৰ হৈ ৰ'বনে?

কাণৰ কাষত ভেঁএ ... কৰি যেতিয়া কোনোবাই পেঁপা বজালে। জয়াৰ অন্যমনস্কতাত বাধা পৰিল। মানুহজনে বজাই বজাই সৰু ল'ৰাবোৰক পেঁপা বিক্ৰী কৰি আছে। মানুহৰ ভিৰ বাঢ়ি গ'ল কোন কাহানিবাই। তেওঁলোকে বেছ আগলৈ গ'ল। এজনে বিকিছে কন্যাকুমাৰীৰ পোষ্টকাৰ্ড আৰু আন এজনে এশ টকা দামৰ কাজু পেকেট...। 'হেই, আছে যদি ইয়াৰ পৰা এমুঠি মুখত ভৰাই দিয়ক...।' এইদৰে জয়াই পুনৰ জেদ ধৰিলে।

কাজু পেকেট এটা ধৰি ধৰি আশুতোষৰ মন একেবাৰে ঘূৰণীয়া ঘণ্টা হৈ গ'ল। মা থাকিলে কিমান আনন্দ নহ'লহেঁতেন। কাজু তেওঁৰ বৰ প্ৰিয়। যোৱাবাৰ দেউতাই বিজয়নগৰত কাম কৰি থকা সময়ত কিমান যে কাজু নাখাইছিল সিহঁতে, আশুতোষৰ বৰ উদাস উদাস লাগিল। পঁচিশ টকাৰ এপেকেট কাজু তাৰ মাকৰ হাতত থাকিলে তেওঁৰ চকুত হাঁহি জিলিকি উঠিছিল।

দুটকা আছেনে? আশুতোষৰ এই প্ৰশ্ন শুনি জয়াৰ দেহত জুই জ্বলি উঠিল। খুচুৰা পইচা মই তৈয়াৰ কৰোঁ নেকি? যেতিয়াই দেখিবা মোকেই খুজি থাকা, মাদ্ৰাজৰ কুলীক পাঁচ টকা, কোল্ড ড্ৰিংকৰ বাবে মুদ্ৰা এটা, সিদ্ধ বাদামত দুটকা, এতিয়া পুনৰ কৈছা দুটকা- তুমি নিজেই ৰাখানা। ইমান কলোঁ আহিবৰ সময়ত মুদ্ৰা কেইটামান লোৱা- - নাই, আনিলে যে আনিলে ভায়েকে, ভনীয়ে ক'লে আমাৰ ফালৰ পৰা সৰাপাতক এইবোৰ দি দিবা, ডাঙৰ দাদায়ে দানবীৰ হৰিশ্চন্দ্ৰ— দি দিলে সকলোবোৰ, এতিয়া কি মই তৈয়াৰ কৰিম এটকা-দুটকাটো...।

আশুতোষ দুখন দহটকীয়া দি আগবাঢ়ি গ'লগৈ।

কাউন্টাৰৰ পৰা অৱশিষ্ট পাঁচটকা, দুটকা আৰু এটকীয়া মুদ্ৰাটি আনি পৰম যত্নৰে ৰাখি থ'লে। হায়! কি যুগ হ'ল, এশ টকীয়া এখন হাতত নাথাকিলে হতাশ হ'ল নালাগে, দুটকা এটা নহ'লেহে কেনেকুৱা লাগিব!!

জয়া সৰু পৰিয়ালত অভ্যস্ত। মাক-দেউতাক আৰু তাই। বন্ধু কুটুম্বৰ ভিৰ নাই। ভাই-ভনী নাই সৰুকালিতে ভাগ-বতৰা কৰি চলাত তাই অভ্যস্ত হ'ব। জয়াক ভাল পাই থকা দিনবোৰত ইমান কথা সি ভালকৈ জানিব পৰা নাছিল।

বিয়াৰ পাছত জয়াৰ এই দিশটি তাই বেছিকৈ দেখিবলৈ পালে। ডাঙৰ পৰিয়ালত অনভ্যস্ত জয়াৰ প্ৰথম প্ৰথম বৰ কষ্ট হৈছিল। আশুতোষে তাইক তাৰ পৰিয়ালৰ বিষয়ে বুজাই দিছিল। তেওঁ মাটিৰ মানুহ। বন্ধু-বান্ধৱ, জাতি-কুটুম্বেৰে চাৰিওফালে আগুৰি থকা ঘৰ তেওঁলোকৰ। তাত এজন মানুহৰ স্বাৰ্থকাতৰতা লজ্জাৰ কাৰণ হয়। জয়াই বুজে। কেতিয়াবা জয়াই নুবুজে। কেনেকৈ বুজিব তাই... বাইশ-তেইশ বছৰ ধৰি যিভাৱে তাই অভ্যস্ত হ'ল এতিয়া সহজতে সেয়া পাহৰি গৈ অন্য এটি নিয়মত সোমাই যোৱা সম্ভৱনে সেয়া? আশুতোষে বহুদিন ধৈৰ্য ধৰি থাকিল। সৰু সৰু কথা ননদ-বৌৱেক, দেৱৰ-বৌৱেক, শাহু-বোৱাৰীৰ টনা-আজোৰাত ডাঙৰ হৈ গ'ল। ভায়েকৰ অমুক মাহীৰ তমুক পেহী আহিলে ক্লান্তিত চকু মুদ খাই অহা জয়াই চাহ বনাই খুৱাব লাগে। আনকি তেওঁলোকে সেয়াও কৰিব নোৱাৰে। কালি তেওঁলোকেও দেখোন ঘৰ কৰিব।

জয়াক লগত লৈ আশুতোষ চিনেমা চাবলৈ বাহিৰ ওলাল। মাকে পিছতে মাত দিয়ে— সিহঁতেও যাব বুলি কৈছিল তোৰ লগত ... জয়াৰ শিৰা-উপশিৰা টান হৈ আহে। তাইৰ হঠাৎ মূৰ বিষায়। সিহঁতে নে মাকে? আশুক বা কি কয়?

বিবেকানন্দৰ শিলৰ ওপৰত সৰু এটি পদচিহ্ন। আয়নাৰে ঘেৰাও কৰি ওপৰত এটি মণ্ডপ তৈয়াৰ কৰা হৈছে। সেই আয়নাৰ পৰিসৰৰ চাৰিওফালে সিকি-আধলি আদি মুদ্ৰা সিঁচৰতি হৈ আছে, ... কিম্বদন্তী আছে যে, দেৱী কুমাৰীৰ পদচিহ্ন, শিলক পাবলৈ ইয়াত শিলত ঠিয় হৈ তেওঁ চাৰিওদিশে তপস্যা কৰিছিল।

জয়াই মূৰৰ ওৰণিখন টানি ল'লে। ইয়াত মূৰ দোৱাব...। বৰ যত্নেৰে সাঁচি ৰখা এটকীয়া মুদ্ৰাটি তাইৰ হাতলৈ আশুতোষে আগবঢ়াই দিলে। তাই ধন্য হৈ গ'ল। জয়াৰ চকুৰে পানী ওলাই আহিল। সেই মুদ্ৰাটিয়ে জয়াৰ চকুলৈ ইমান অদ্ভুত পৰিৱৰ্তন আনিব পাৰে? দিয়াৰ আনন্দই দুয়োকো পুলকিত কৰি ৰাখিছিল।

বিবেকানন্দ শিল দুইবাৰমান ঘূৰি চাবি ৰিং, ফটো, কিতাপৰ দোকান আদিত চকু ফুৰাই লৈ সিঁহত দুয়ো মণ্ডপৰ পাহাৰৰ ওপৰত বহি পৰিল। বহিল যি বহিলেই। জয়াৰ উঠিবলৈ হোৱাই নাই। চকুৰ আগত নীলা সাগৰ। আশুতোযো সাগৰৰ নীলাৰ মাজত ডুবি আছে।

আজি জয়াক বহু দিনৰ পাছত ইমান নিজৰ, ইমান একান্তমনে ওচৰা-ওচৰিকৈ পাইছে। জয়াৰ বিৰক্তি ভাৱ আঁতৰ কৰিবলৈকে নিজেই এল.এফ.চিত এইফালে বুলি আহিবলৈ প্ৰস্তাৱ দিছিল। হয়তো সামান্য পৰিৱৰ্তনে কিছু সুফল আনিব পাৰে। সেই একে ধৰণৰ জীৱনৰ যিকোনো লোকেই বিৰক্ত হ'ব। আজি দীঘলীয়া শাৰীত থিয় হৈ জয়াৰ কথাবোৰ শুনি শুনি আশুতোষে ভাবিছে—

... ঘৰৰ পৰা ওলাই এই তিনিদিন মাদ্ৰাজ মেইল আৰু কন্যাকুমাৰী এক্সপ্ৰেছৰ যাত্ৰাৰ শেষত সিঁহত দুই-আঢ়ৈ হাজাৰ কিলোমিটাৰ দূৰণিৰ এইখিনি ঠাই আহি পাইছেহি। জয়াই নিজৰ সংগীৰ সৈতে হাতত হাত ধৰি ধৰি বাট বুলিছে।

জানা জয়া, সেই ফালে বঙ্গোপসাগৰ আৰু এইফালে আৰৱসাগৰ-সমুখত সেইয়া ভাৰত মহাসাগৰ, ভাৰতৰ এই শেষ খণ্ডত তিনি সাগৰৰ মহাসঙ্গমত ঘটিছে। ক'তো আৰু কোনো বেলেগ নাম লৈ জীয়াই থকা নাই। অইন সঙ্গীৰ সৈতে লগ হৈ কিমান বিপুল কিমান শ্ৰীমন্ত হৈ গৈছে। চোৱা ... পানী কিমান সজীৱ... কিমান গাঢ় নীলা... কিমান ধূসৰ দেখাইছে। আজলি ভৰাই পানী আনা... কোনো ৰং তাত নাথাকে ... ৰঙৰ অহংকাৰ কেৱল চকুত থাকে, পানীত নাথাকে।

জয়াইও সমুদ্ৰৰ পানীতেই বিলীন হৈ আছিল। আশুতোষৰ কথা শুনিলে। আশুতোষৰ দুয়ো চকুলৈ গভীৰভাৱে চাই ক'লে, শুনা ইয়াৰ পৰা উভতি যোৱাৰ সময়ত এক কিলো কাজু লৈ যাম, মায়ে বৰ ভাল পায়...।

# ৰাধাৰ কথাৰে

**কল্পনা ভাগৰতী**
সহকাৰী অধ্যাপিকা
দৰ্শন বিভাগ



‘‘এই বাৰ মঞ্চলৈ আমন্ত্ৰণ জনাইছোঁ— আজিৰ এই বিশেষ সম্বৰ্দ্ধনা সভাৰ মধ্যমণি মাননীয়া শ্ৰীযুতা ৰাধাৰাণী চক্ৰৱৰ্তী বাইদেউক। বাইদেউক মঞ্চলৈ আগুৱাই আনিবলৈ আমাৰ সদস্যা মণিকংকনা পৰাশৰক অনুৰোধ জনালোঁ”— সম্বৰ্দ্ধনা সভাৰ আয়োজক সমিতিৰ সম্পাদকৰ আহ্বানক্ৰমে মণিকংকনা আগবাঢ়ি আহি শ্ৰীযুতা চক্ৰৱৰ্তীৰ ওচৰ পালে—

“আহক বাইদেউ, আপোনাক মঞ্চলৈ মাতিছে”— মণিকংকনাৰ মাতত ৰাধা বাইদেউ উচপ খাই উঠিল।

“ওঁ, ব’লা ব’লা”— মণিকংকনাই দেখুওৱাই দিয়ামতে মঞ্চলৈ আহি বাইদেউ নিজৰ আসনত উপৱিষ্ট হ’ল।

“এইবাৰ আপোনালোকৰ আগত শ্ৰীযুতা বাইদেউৰ এটি চমু পৰিচয় দাঙি ধৰিবলৈ আয়োজক সমিতিৰ সদস্যা দীপাৰাণীক অনুৰোধ জনালোঁ’’— সম্পাদকে ঘোষণা কৰিলে। লগে লগে দীপাৰাণী মঞ্চলৈ উঠি আহি ক’বলৈ ধৰিলে—

“আজিৰ এই বিশেষ সম্বৰ্দ্ধনা সভাত উপস্থিত থকা পূজনীয় ৰাইজ, আমাৰ সকলোৰে আদৰণীয় ৰাধা বাইদেউক পৰিচয় কৰাই দিবলৈ প্ৰয়োজন আছে জানো? কাৰণ, বৰ্তমান তেওঁৰ নামেই তেওঁৰ পৰিচয়— হয়নে ৰাইজ?”

সভাত উপস্থিত থকা সকলোৱে আনন্দেৰে ‘হয় হয়’ বুলি শলাগিলে।

তথাপি, যিহেতু মোক দায়িত্ব দিয়া হৈছে, মই ৰাধা বাইদেউৰ বিষয়ে অলপ ক’বলৈ লৈছোঁ। বাইদেউৰ ‘ৰাধা’ নামৰ কিতাপৰ জৰিয়তে আমি ইতিমধ্যে কিছু কথা গম পাইছোঁ। গম নোপোৱা কথাখিনি হ’ল— প্ৰায় ষাঠি (৬০)

বছৰ বয়সলৈ বাইদেৱে অতি ভয়ে ভয়ে জীৱন কটাইছিল। কিন্তু, সৰুৰে পৰাই কিতাপ-পত্ৰ অধ্যয়ন কৰি ডাঙৰ হোৱা ৰাধা বাইদেউৱে আজি ৫ বছৰৰ ভিতৰতে লিখি-মেলি কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিছে। সদ্য প্ৰকাশিত "সুখবোৰ হেৰাল ক'ত" নামৰ বাইদেৱে লিখা গল্প সংকলনখনে এইবাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। এই পুৰস্কাৰে আমাৰ অঞ্চললৈও সন্মান কঢ়িয়াই আনিছে। সেয়েহে আমি আজি সকলো গাঁওবাসী লগ হৈ বাইদেউক আমাৰ অন্তৰৰ পৰা সম্বৰ্দ্ধনা জনাবলৈ ওলাইছোঁ। তাৰ আগতেই আমি বাইদেউৰ মুখৰ কথাৰে পুৰস্কৃত গ্ৰন্থখনৰ বিষয়ে জানিব বিচাৰিছোঁ। এয়া মই মাইক্ৰ'ফোনটো বাইদেউলৈ আগুৱাই দিলো।"

দীপাৰাণীৰ হাতৰ পৰা মাইক্ৰ'ফোনটো লৈ ৰাধা বাইদেৱে ৰাইজক নমস্কাৰ জনালে। তাৰপিছত, অতি মৃদু স্বৰত ৰাইজক উদ্দেশ্য কৰি ক'বলৈ ধৰিলে—

"ৰাইজ, সেৱা ল'ব। আপোনালোকে সম্বৰ্দ্ধনা জনাবলগীয়াকৈ মই বিশেষ একো কৰা নাই। তথাপি, আপোনালোকে যে এনে এখন সভা পাতি মোক এইকণ কথা ক'বলৈ সুযোগ দিছে, তাৰ বাবে মই চিৰজীৱন কৃতজ্ঞ হৈ ৰ'ম।

'সুখবোৰ হেৰাল ক'ত'— সদ্য প্ৰকাশিত এই কিতাপখনত মই অলপ বেলেগ চিন্তাৰে চাৰিটা গল্প লিখিবলৈ চেষ্টা কৰিছোঁ। প্ৰথমতে "মাহীমাকৰ দুখ"— গল্পত তেজীমলাৰ দুখৰ বিপৰীতে, তেজীমলাৰ মাহীমাকৰ দুখৰ বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছিলোঁ। সকলোৱে তেজীমলাৰ মাহীমাকক বেয়া দৃষ্টিৰে চায়। কিন্তু, মাহীমাকৰ বুকুত কি জুই জ্বলি আছিল— তাৰ উমান কোনোবাই ৰাখিছিলনে?

দ্বিতীয় গল্পত মই "স্বামী নিৰ্যাতন"ৰ বিষয়ত আলোকপাত কৰিবলৈ চেষ্টা কৰিছিলোঁ। "নাৰী নিৰ্যাতন" সম্পৰ্কে আমাৰ সমাজত অলেখ আলোচনা হোৱা দেখা যায়। কিন্তু, ল'ৰা এজন যেতিয়া কাৰোবাৰ স্বামী হয়, তেওঁৰ দায়িত্ব, কৰ্তব্য বা মানসিক অৱস্থাৰ বিষয়ে ক'তো আলোচনা হোৱা দেখা নাযায়। এফালে নিজৰ মাক-দেউতাক; আনফালে পত্নী— দুয়োকুলক সন্তুষ্ট ৰাখিবলৈ গৈ ল'ৰাজন ভাৰাক্ৰান্ত হৈ পৰে। বহু সময়ত মানসিকভাৱে নিৰ্যাতিত এনে পুৰুষৰ কথা আলোচনা কৰিবলৈ গৈ "স্বামী নিৰ্যাতন" নামৰ গল্পটো লিখিবলৈ চেষ্টা কৰিছোঁ।

তৃতীয় গল্পটোত মই "বোৱাৰী নিৰ্যাতন"ৰ পৰিৱৰ্তে "শাহু নিৰ্যাতন"ৰ বিষয়ে আলোকপাত কৰিবলৈ চেষ্টা কৰিছোঁ। কিয়নো, বোৱাৰী নিৰ্যাতনৰ কথা, আমাৰ সমাজত সঘনে আলোচনা হয়। কিন্তু শাহুগৰাকীৰ মানসিক অৱস্থাৰ কথা কেতিয়াও আলোচনা হোৱা দেখা নাযায়। পুত্ৰক আনৰ হাতত তুলি দি মাকগৰাকী এনেই বিষাদগ্ৰস্থ হৈ থাকে। তাৰপিছতো যেতিয়া আজিৰ তথাকথিত 'আধুনিক বোৱাৰীজনীয়ে অসন্তুষ্ট হৈ বিভিন্নধৰণে শাহুৱেকক তিৰস্কৃত কৰে— সেয়া জানো 'শাহু নিৰ্যাতন' নহয়।

চতুৰ্থতে মই "সুখবোৰ হেৰাল ক'ত" নামৰ গল্পত শ্ৰীকৃষ্ণৰ দুখৰ কথা বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছিলোঁ। "ৰাধা"ৰ দুখত সকলো দুখী। কিন্তু, শ্ৰীকৃষ্ণই জীৱনকালত কি সুখ পালে। শ্ৰীকৃষ্ণই কি দুখত বাঁহী বজাইছিল আমি জানো তাৰ আলোচনা কৰিছোঁ? কৃষ্ণৰ দুখময় জীৱনৰ কথা প্ৰকাশ কৰিবলৈকে এই গল্পটো লিখিছিলোঁ।

শেষত এটি কবিতাৰে মোৰ কথাৰ সামৰণি মাৰিবলৈ ওলাইছোঁ—

**সুখবোৰ হেৰাল ক'ত**

গোকুলতে থৈ আহিলোঁ
মোৰ শৈশৱ কৈশোৰ
এৰি থৈ আহিলোঁ
যশোদা আই, নন্দ পিতাই।
যমুনাৰ পাৰতে থৈ আহিলোঁ
ৰাধাৰ সৈতে, আধা মোৰ।।
দ্বাৰকাত নাই মোৰ পৰাণৰ সুখ
দায়িত্বই, কৰ্তব্যই খেদি ফুৰে
কি দিন, কি ৰাতি!
নাই ৰাধা— নাই গোপী
নাই সুৰ— নাই বাঁহী।
জোনাকতো পোহৰ নাই!
বিযাক্ত দ্বাৰকা নগৰ
প্ৰদূষিত বাতাবৰণ!
বৃন্দাবনৰ কানাই— দ্বাৰকাত হেৰাই যায়।।"

একেলেঠাৰীয়ে বহুসময় কথা কৈ ৰাধা বাইদেউ ভাগৰি পৰিল। আনহাতে, বাইদেউৰ কথা শুনি সভাস্থলী নিজান পৰিল। সকলোৱে যেন ভাবৰ সাগৰত ডুব গ'ল। কথাবোৰে যেন ক'ৰবাত নহয় ক'ৰবাত নিজকেই চুই গ'ল।

কথাবোৰ বন্ধ হ'ল— চিন্তাবোৰ গধুৰ হ'ল।।

# পূৰ্ণিমা

**ৰক্তিমা দত্ত**
স্নাতক ষষ্ঠ ষান্মাসিক
ইংৰাজী বিভাগ



পুহ মাহৰ পূৰ্ণিমা। জোনাকে আৱৰি ৰখা কুঁৱলীবোৰক নিজৰ কৰি ল'বলৈকে চোতালত বুকু পাতি বৈ আছে সমৃদ্ধ। চেঁচা বতাহজাকে কামিহাড় কঁপাই যোৱাৰ পাছতো তাৰ ভ্ৰূক্ষেপ নাই। ঠিকেইটো! স্বাধীনতাৰ অধিকাৰ শীতৰো নাই জানো? শীতে অবাধে যাৰে-তাৰে শৰীৰত প্ৰৱেশ কৰিব পাৰে। শীতৰ বিৰুদ্ধে কিয় জানো সকলোৰে ইমান অভিযোগ সি ঠিক ধৰিব নোৱাৰে। মূৰৰ ওপৰত আকাশখন আৰু ভৰিৰ তলত মাটিখিনি তাৰ নিচেই আপোন। হাজাৰ ধুমুহাৰ পাছতো এই দুয়োটাই তাক সমৃদ্ধ কৰি ৰাখিছে। হঠাৎ মাকৰ মাতষাৰত তাৰ ভাৱনাত আউল লাগিল। মাকে পাকঘৰৰ পৰাই চিঞৰিছিল— "বাবা ভাত দিছো আহ।" মেলি লোৱা চিন্তাবোৰ সামৰি সি ভাত খাবলৈ গ'ল। শীতৰ প্ৰকোপ নেওচিবলৈ দেউতাকে পাকঘৰৰ চৌকাৰ কাষতে বহি লৈছে। যদিও তাৰ শীতৰ বিৰুদ্ধে কোনো অভিযোগ নাই তথাপিও সি পীৰাখনত বহি ল'লে। জ্বলো নজ্বলোকৈ জ্বলি থকা জুইকুৰা এটা অজুহাত পালেই যেন নুমাই যাব, তাৰ এনেকুৱা লাগিল। তেনেকুৱাতে মাকে ভাত বাঢ়ি দিলে। দুয়ো ভাত খোৱাত লাগিল। দেউতাকে মাজতে মাত লগালে—

ঃ বাবা, কথা এটা আছিল।

ঃ ক'চোন।

ঃ খেতিৰ সময়ত অনন্ত বৰদেউতাৰৰ পৰা টকাখিনি ধাৰলৈ লৈছিলো, তেওঁক হেনো সেইখিনি ঘূৰাই লাগে।

দেউতাকক কি উত্তৰ দিব সি ভাবি নাপালে।

গণিতৰ সূত্ৰ আয়ত্ব কৰিবলৈ সমৃদ্ধৰ বেছি পৰ নালাগে, জীৱনৰ সূত্ৰতহে প্ৰতিবাৰে খেলি-মেলি লাগে। ৰাতি প্ৰায় আঠৈমান বাজিছে। কিতাপকেইখন সামৰি সি আন্ধাৰে-মুন্ধাৰে চোতাললৈ ওলাই গ'ল। মৃদু বতাহজাকে খুব কৰুণ সুৰেৰে যেন গজল গাই আছে। মনটো অস্থিৰতাই ছানি পেলাইছে। মাকৰ অতিপাত বুকুৰ বিষ হৈ থকাত সি আজি দিনত মেডিকেললৈ লৈ গৈছিল। সেই জাপি থোৱা চিন্তাবোৰেই এতিয়া ওলাই আহিবলৈ হাহাকাৰ লগাই আছে। উপায়হীন হৈ সি খুলি দিলে বাট। গোটেইখন ভৰ বাৰিষাৰ বান অহাদি আহিল।

এইবাৰ বানপানীয়ে ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰিছিল। সকলো মানুহৰে খেতিৰ অৱস্থা শোচনীয়। পথাৰবোৰেই গাঁৱলীয়া মানুহৰ জীৱনৰ থল, য'ত হালি-জালি-উমলি থাকে চহা মানুহৰ সপোন। বানপানীৰ উৎপাততেই এইবাৰ সপোনবোৰে মূৰ ডাঙিবই নোৱাৰিলে। সমৃদ্ধহঁতৰো একেই। দুবিঘা মাটিৰ খেতি। তাৰে আধাখিনিয়েই পানীৰ তলতেই ককবকাই থাকিল। এতিয়া এইখিনি ধানেৰে বছৰটো জুৰিব নে নাই, দেউতাকৰ সেয়া চিন্তা। সমৃদ্ধৰো ভীষণ চিন্তা। ঘৰৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিছে। ঘৰৰ টিঙবোৰত ফুটা বাঢ়িছে। সময়মতে ঋণ পৰিশোধ কৰিব নোৱৰাৰ বাবে কথাও শুনিবলগীয়া হৈছে। ইমানলৈ বাৰু ঠিকে আছিল। আজি মাকৰ শৰীৰত দুৰাৰোগ্য বেমাৰটো ধৰা পৰাৰে পৰা তাৰ মূৰত যেন আকাশখন খহি পৰিছে। একেলগে ইমানবোৰ সমস্যা। লাহে লাহে সমৃদ্ধই ভগৱানৰ অস্তিত্ব অস্বীকাৰ কৰিবলৈ লৈছে। বাকী সকলো হেৰুৱালেও সি মাকক হেৰুৱাৰ কথা কল্পনা কৰিব নোৱাৰে। এসোপামান চিন্তাই হেঁচা মাৰি ধৰাৰ পাছত আৰু সি কোন সতে শুব পাৰে?

চোতালৰ পৰা আহি দুৱাৰখন বন্ধ কৰি সি আকৌ টেবুললৈ গ'ল। ডায়েৰীখন মেলি ল'লে। সদায় লিখা নহয়। যিদিনা তাৰ দুখ লাগে, অসহায় অনুভৱ হয়, সিদিনাহে সি ডায়েৰীখন হাতত তুলি লয়। আজিও তেনেকুৱাই। উকা পৃষ্ঠা এটা উলিয়াই সি লিখিবলৈ ধৰিলে—

'টুলুং-ভুটুংকৈ পাৰ হৈ গৈছে সময়বোৰ। অস্থিৰতাই গিলি পেলাইছে মন-মগজু। অথন্তৰে লগ নেৰা হৈছে। গোটেই দুনিয়াখনেই যেন আমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাত লাগিছে। নিজকে নিচুকাই ৰখাৰ কলা মই এতিয়ালৈকে আয়ত্ব কৰিব পৰা নাই। মই কোনটো সাহসেৰে এতিয়া মা-দেউতাক সান্ত্বনা দিম।'

পৃষ্ঠাটো লুটিয়াই কবিতা সদৃশ আৰু দুটামান শাৰী লিখিলে—

'চেঁচা বতাহ
কেঁচা চকুপানী
হেৰ' ৰাতি।
মোৰ বুকু শুদা কৰি
কাক পূৰ্ণতাৰ মালা পিন্ধালি...।'

নদীৰ বুকুত আবেলিটো শুই আছে। দেহত বহুদিনীয়া ভাগৰ। নদীখনে মোক মাতি আছিল। আমন্ত্ৰণ ৰক্ষা কৰিবলৈকে গৈ ওলালো। নদীখনৰ বুকুলৈ শিলগুটি দলিয়াই পাৰতে বহি আছে সমৃদ্ধ। ময়ে মাত লগালোঁ—

ঃ কি অ' সমৃদ্ধশালী ল'ৰা! কি ভাৱনাত বিভোৰ হৈ আছ?

ঃ তোক চব কথা কিয় লাগে?

ঃ পৰীক্ষাত আহিব। সেই কাৰণে লাগে। ক' এতিয়া।

একো উত্তৰ নিদিয়াকৈ সি বহাৰ পৰা উঠি গ'ল। সচৰাচৰ আমাৰ কথা-বতৰাবোৰ এনেকুৱাই হয়। কিন্তু আজিহে সমৃদ্ধক অন্য দিনতকৈ বেলেগ লাগিছে। মই তাৰ ওচৰলৈ যোৱাত মুখ খন ঘূৰাই সি চকুদুটা মোহাৰি ল'লে। আকৌ ময়ে আৰম্ভ কৰিলো—

ঃ মায়ে কৈছে কথাবোৰ। তই ইমান চিন্তা নকৰিবি। ভগৱানে যি কৰে ভালেই কৰিব।

ঃ কি ভাল কৰে ভগৱানে? এতিয়ালৈকে আমাৰ লগত কি ভাল কৰিলে ক'চোন?

ঃ ভালেই কৰে। আজি এই মুহূৰ্তত তই উপলব্ধি নকৰিলেও এবছৰ-পাঁচবছৰ-পঞ্চাশবছৰৰ পাছত হ'লেও বুজিবি।

এইবাৰ সি আৰু নিজকে ৰখাব নোৱাৰিলে। দুচকুৰে বৈ আহিল সোৱনশিৰি। এনেকুৱা অৱস্থাবোৰ চম্ভালি লোৱাৰ সামৰ্থ মোৰ হোৱা নাই। তাৰ হাত দুখন জোৰকৈ খামুচি ধৰিলোঁ। সি অলপ সুস্থিৰ হ'ল। নৈখনৰ সিটো পাৰেৰে সন্ধিয়া নামি আহি থকা দেখি দুয়ো ঘৰলৈ আহিলোঁ।

উপযুক্ত চিকিৎসাৰ অভাৱত সমৃদ্ধৰ মাক ঢুকাই থাকিল। তাৰ বাবে এই মুহূৰ্ত্তটো কেনেকুৱা হ'ব পাৰে আনে নুবুজিলেও মই ঠিকেই অনুমান কৰিব পাৰিছিলোঁ। জনা হোৱাৰে পৰা ভাল-বেয়া প্ৰতিটো সময় দুয়ো একেলগে পাৰ কৰি আহিছোঁ। তাক বুজিবলৈ মোৰ আৰু বাকী নাই। তাৰ

মুখখন চোৱাৰ সাহস নোহোৱা সত্ত্বেও এইবোৰ কথা চিন্তা কৰিয়েই সিহঁতৰ ঘৰলৈ গ'লোঁ। তাক বগা কাপোৰ যোৰত দেখি বুকুখন মোচৰ খাই গ'ল। এদিন ধেমালিতে তাক কৈছিলোঁ— 'বগা কাপোৰত তোক একদম বেয়া দেখি।' কথাষাৰ মনত পৰি গ'ল। মোৰ ওচৰ চাপি আহি সি ক'লে— 'তই কৈছিলি নহয়, বগা কাপোৰত মোক নুশুৱাই বুলি, চা চোন আজি এই বগা কাপোৰযোৰেই মোৰ সংগী।' তাক কি উত্তৰ দিম ভাবি নাপাই আঁতৰি আহিলোঁ। সিহঁতৰ ঘৰখন এইকেইদিন খবৰ ল'বলৈ অহা মানুহেৰে ভৰি আছে। হ'লেও জানো সমৃদ্ধৰ মাকৰ ঠাই কোনোবাই পূৰাব পাৰিব? নোৱাৰে... ভগৱানেও নোৱাৰে।

সকলো কথা পাহৰা সম্ভৱ জানো? অসম্ভৱ! আহাৰমহীয়া ৰ'দৰো ইমান সাহ নাই যে বুকুত নিগাজীকৈ ঘৰ সাজি লোৱা স্মৃতিৰ ডাৱৰ আঁতৰাই পেলাব। মাকৰ কথা ভাবিলেই সমৃদ্ধই বুকুত বিষ অনুভৱ কৰে। তাৰ বিষ উপশম কৰিব পৰা মলম আজিলৈকে উদ্ভাৱনেই হোৱা নাই চাগে। যাতনাবোৰ থুপ খাই খাই চকুৰ গুৰি ক'লা পৰিছে। টোপনিয়েও লগ নিদিয়া হৈছে। মাকৰ অবিহনে যোৱা ছমাহ সি কেনেদৰে পাৰ কৰিছে মই দেখি আছো। আজি পূৰ্ণিমা। যোৱা ছমাহ প্ৰতিটো পূৰ্ণিমাতে গোটেই ৰাতিটো চোতালতে পাৰ কৰি আহিছে। জোনটোৰ সতে কথা পাতি থাকে সি। হয়তো মাকক বিচাৰি পাই।

সমৃদ্ধই আজিকালি ওচৰৰে কাৰখানা এটাত কাম কৰে। প্ৰথম দিনা কামৰ পৰা আহি মোক কৈছিল— 'কেনেকুৱা বিভৎস পৰিৱেশ তাত জানানে, মোৰ উশাহ বন্ধ হৈ যাব খুজিছিল।' সেই উশাহ বন্ধ হৈ যাব খুজিছিল বুলি কোৱা ল'ৰাটোৱে দিন-ৰাতি একাকাৰ কৰি কষ্ট কৰিছে। দিনটো কাম কৰে। ৰাতি পঢ়ে। সি চিভিল চাৰ্ভিছৰ বাবে প্ৰস্তুতি চলাই আছে। দেউতাকে লাহে লাহে কাম কৰিব নোৱাৰা হৈ আহিছে। ঘৰতে ইটো-সিটো কৰি থাকে। সমৃদ্ধক আজিকালি আগৰ দৰে লগ নোপোৱা হ'লো। তথাপিও ভাল-বেয়া খবৰবোৰ আদান-প্ৰদান হৈ থাকে।

আজি এ পি এছ চি পৰীক্ষাৰ ৰিজাল্ট দিছে। সমৃদ্ধই ৰাতিপুৱাতেই ফোন কৰি জনালে— দ্বিতীয় স্থান পাইছে। তাৰ মাতত মই ধৰিব পাৰিছিলো মনৰ অৱস্থাটো। মই সকলো এৰি থৈ আহিলোঁ। সিহঁতৰ ঘৰত মানুহৰ ভিৰ। বাহিৰত তাক দেখা নাপাই ভিতৰলৈ সোমাই গ'লো। হয়, মই ঠিকেই অনুমান কৰিছিলোঁ। মাকৰ ফটোখন কোলাত লৈ সি কান্দি আছে। মই সোমাই যোৱা গমেই পোৱা নাই। তাৰ সন্মুখত থিয় হওঁতেহে গম পালে। ফটোখন থৈ খপজপকৈ ঠিয় হ'ল সি। চকু দুটা মোহাৰি মোৰ পিনে চাই ক'লে—

ঃ তই আহিলি যে? তোৰ প্ৰেজেনণ্টেশ্বন নাছিল জানো আজি।

ঃ এনেকৈ সুধিছ যে, আহিব নালাগিছিল নেকি মই?

ঃ আহিব নালাগিছিল নহয়। তোৰ প্ৰেজেণ্টেশ্বন কি হ'ল?

ঃ তোৰ ইমান ভাল দিন এটাত মই নহাকৈ থাকিব পাৰোনে? সেইবোৰ থ'। কান্দি আছিলি নহয় তই?

ঃ নাকান্দিম নে! আজিৰ দিনটোত মা মোৰ লগত থকা হ'লে...

ঃ তেওঁ এতিয়াও আছে তোৰ লগত।

ঃ তইটো সকলো জানই। তোক সকলো কওঁ। মোৰ আটাইতকৈ বেছি দুখ কেতিয়া লাগিছিল জান'। যিদিনা মায়ে নিজৰ বিয়াৰ জোৰণত দিয়া অলংকাৰ বিক্ৰী কৰি মোক কিতাপ কিনিবলৈ হাতত পইচা তুলি দিছিল, সিদিনা। মই দৰ্জাৰ ইপাৰৰ পৰা মায়ে কান্দি থকা শুনি আছিলোঁ। আৰু সেইগৰাকী মানুহকে মই বচাব নোৱাৰিলোঁ। চা চোন কিমান দুৰ্ভগীয়া মই।

ঃ কিছুমান বস্তু আমাৰ হাতত নাথাকে। অতীতৰ কথা ভাবি বৰ্তমানটো নষ্ট নকৰিবি। আহিবলগা দিনবোৰ ভাল হ'ব। ভগৱানে যি কৰে ভালেই কৰে।

ঃ হ'ব আই।

সি প্ৰণাম জনোৱাৰ ভংগীমাৰে হাঁহি হাঁহি ক'লে। তেনেকুৱাতে দেউতাকে নিউজ চেনেলৰ মানুহ আহিছে বুলি ক'লে। সি ওলাই গ'ল। মোৰ মনত তাৰ সেই হাঁহি থকা মুখখন ভাঁহি থাকিল।




# নতুন ঠিকনা


আছিক আলী
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ


ডাঃ অৰনী ডেকাই আজি গাঁও অভিমুখে বহুদিনৰ মূৰত যাত্ৰা কৰিছে। চাকৰি জীৱনৰ কৰ্ম ব্যস্ততাই তেওঁক নিজৰ জনমভুমিৰ পৰা বহুদিন আঁতৰত ৰাখিছিল যদিও ডেকাৰ এটা সহজাত টান গাঁওখনৰ প্ৰতি লগ-বন্ধু সকলোৱে প্ৰত্যক্ষ কৰিছে। তথাপিতো মধ্যবিত্তীয় জীৱনৰ সীমাবদ্ধতা, ব্যস্ততাক সুমৰি তেওঁ বিভিন্ন জঞ্জালৰ মাজত সুমুৰাৰ বাবে গাঁৱলৈ আহিব পৰা নাছিল। অৱশ্যে আজি অহাৰো এক উদ্দেশ্য আছে। কেৱল গাঁওখনৰ বুঢ়া ডাঙৰীয়াৰ থানত আশীষ ল'ম বুলিয়েই তেওঁ চহৰৰ পৰা আজি অহা নাই, অন্ততঃ এটা মহৎ উদ্দেশ্যই আজি তেওঁৰ সাৰথি। আজিৰ দিনটোতে উদ্বোধন হ'ব পূব কামৰূপ মহাবিদ্যালয়ৰ তৰুণ চন্দ্ৰ ডেকা সোঁৱৰণী তোৰণ। তৰুণ ডেকা নামটো উচ্চাৰণ কৰিলেই তেওঁৰ কায়িক অনুপস্থিতিৰ পিছতো ডাঃ ডেকাৰ মনলৈ এক আপোনা-আপুনি প্ৰশান্তিৰ ভাৱ আহে, কি এটা বিশ্বাস আৰু সততাৰ নাম, বৰধলা মহাজনৰ বিখ্যাত ঘৰখনৰ এক নতুন ঠিকনা। এই বৰধলা মহাজনৰ কথা ওলালেই আকৌ কোনেও নিলিখা কৰবাৰ সামজিক বুৰঞ্জীৰ কথা ডেকাৰ মনলৈ আহে। মনে মনে তেওঁ ভাৱে- কথাবোৰ কৈ যাব লাগিব, কথাবোৰ কৈ থাকিব লাগিব। বৰধলা মহাজন কোনো সুদখোৰ মহাজন নাছিল। তেওঁৰ চৰিত্ৰ আছিল উদাৰ। আটাইকেইজন ল'ৰাকে শিক্ষাৰ পথলৈ আগবঢ়াই দিছিল। বৰধলা নামটো সম্পৰ্কত ডাঃ ডেকাই সৰুতে মানুহে কোৱা শুনিছে— '১৮৯৭ চনত হোৱা বৰভূইকপৰ পাছত হোৱা বানপানীৰ ফলত কৰবা অঞ্চলটো বানৰ পানীত তল যোৱাত তেতিয়া ইয়াৰ মানুহে আৰিমত্ত ৰজাদিনীয়া অপতি পুখুৰীৰ পাৰত আশ্ৰয় লৈছিল। সেই পুখুৰীৰ পাৰতে এটা পেৰাৰ ওপৰতে এটি শিশু জন্ম হয়, 'বৰঢল' অহাৰ সময়ত শিশুটো জন্মলাভ কৰা বাবে নাম 'বৰধলা' ৰখা হ'ল।' পৰৱৰ্তী সময়ত এই অঞ্চলৰ ধনে-ধানে তেৰেই বৰধল আনিছিল। আৰু তেওঁৰ পুত্ৰ তৰুণ চন্দ্ৰ ডেকা, এই অঞ্চলৰ প্ৰথমজন বিজ্ঞানৰ স্নাতকোত্তৰ হোৱাৰ উপৰিও অঞ্চলটোৰ বাবে, শিক্ষাৰ বাবে কম কাম কৰিলে নে? তৰুণ ডেকাৰ ডাঙৰ ল'ৰাই এদিন এনেদৰে কোৱা ডাঃ ডেকাৰ মনত পৰে- দেউতাৰ পৰা পুত্ৰ হিচাপে যিমানখিনি সময় পাব লাগিছিল সেয়া নাপালোঁ, আক্ষেপ ৰৈ গ'ল।' কথাবোৰ লিখিত নহ'লেও মূল্য আছে। সেইবাৰ আহোঁতে মোমায়েকহঁতৰ ঘৰ মাজগাঁৱলৈ কৰবা হৈ যাওঁতে ডেকাই লক্ষ্য কৰিলে যিটো মূল পথেৰে কৰবাৰ পৰা মাজগাঁৱলৈ যায়, পথটো মথুৰা ডেকাৰ নামেৰে নামাকৰণ কৰিছে। ডেকাই মনৰ ভিতৰতে ভাবিলে- 'ভালেই হ'ল দিয়া, মথুৰা ডেকাৰ নেতৃত্বতে আমি ডেকা ল'ৰাবোৰে এই পথছোৱা পোনাবলৈ কেম্প কৰি থাকি হ'লেও কাম কৰিছিলোঁ। তৰুণ ডেকাৰ নামত সোঁৱৰণী তোৰণ উন্মোচন হ'ব, মহাবিদালয়ত উচাহ বেচ হ'ব যেন পাইছোঁ। কিন্তু

মহাবিদ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰাৰ পাছত ডাঃ ডেকাৰ বুজিবলৈ অকণো টান নহ'ল যে সেই উচাহ নাই, যি উচাহ তৰুণ ডেকাৰ নেতৃত্বত এখন কলেজ হ'ব বুলি এই অঞ্চলৰ ৰাইজৰ মাজত জাগ্ৰত হৈছিল। পূব কামৰূপ কলেজৰ নামত একো নাথাকিলেও গৰালৰ কণী কেইটাকে দি পঠাইছিল। ডেকা অডিটৰিয়ামটোৰ পৰা অলপ আগুৱাই গ'ল। মহাবিদ্যালয়ৰ এক নং কোঠা 'ললিত ডেকা হ'ল'। আজিলৈকে কোনেও কৌতূহলী দৃষ্টিৰে এই কথা জানিবলৈ বিচৰা নাই, আন কোঠাবোৰৰ নামাকৰণ নহ'ল কিন্তু এই কোঠাটোৰ নামাকৰণ এজন মানুহৰ নামেৰে কিয় হ'ল? ডেকাই মনতে উনুকিয়ালে এইবোৰ প্ৰশ্ন আজিৰ চামৰ বাবে নিতান্তই অবান্তৰ। নিজৰ গাড়ী বিক্ৰী কৰি এখন মহাবিদ্যালয়ৰ বাবে এনেদৰে উৎসৰ্গা কৰা আজিৰ দিনৰ স্মৰণাতীত কথাবোৰ মনত ৰখাতো জানো অবান্তৰ?

তৰুণ ডেকা তেওঁতো প্ৰথমে এই কলেজৰ গুৰি ধৰা নাছিল। মথুৰা ডেকা আৰু শৰৎ ডেকা, উকীল মহেন্দ্ৰ ডেকা আদিক মনত ৰখাৰ প্ৰয়োজনীয়তা নাইনে বাৰু? শৰৎ ডেকাতো নিজেই এখন উপন্যাসৰ দৰে। কলিকতাত এম এ পাছ কৰি অহাৰ পাছত তেওঁ যি স্বাৱলম্বীতাৰ নিদৰ্শন দেখুৱাইছিল তাক আওকান কৰি এই অঞ্চলৰ সামাজিক বুৰঞ্জী জানো আগবাঢ়িব। তৰুণ চন্দ্ৰ ডেকাক লৈ আজি কলেজখনক আপততঃভাৱে হ'লেও সজাগ দেখা গৈছে। তৰুণ ডেকাক লৈ অধ্যাপক এজনকৰ হতুৱাই অধ্যক্ষই এখন পুস্তিকাও লিখোৱাইছে। মূল ভাষণটো ছপা কৰি উলিওৱা হৈছে। আজিকালিৰ প্ৰচাৰৰ যুগত সকলো কথাই বেচ সহজ হৈ গৈছে। ১৯৬১ চন, ননৰা ছোৱালী হাইস্কুলত সভা বহিছে, বিষয়- এই অঞ্চলৰ মানুহক এখন কলেজ লাগে। ননৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়খন আকৌ এই অঞ্চলৰ মানুহে নাৰী শিক্ষাৰ প্ৰতি ১৯৫৩ চনতে সজাগ হোৱাৰ নিদৰ্শন বহন কৰে। এজাক ল'ৰা-ছোৱালীৰে পূব কামৰূপ মহাবিদ্যালয় আৰম্ভ হোৱাত তৰুণ ডেকা সম্পাদক হিচাপে ভৱিষ্যতৰ খোজবোৰ সাৱধানে দিবলৈ কেনেকৈ নিজকে সাজু কৰিছিল?

ডাঃ অৰনী ডেকা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আৰম্ভণি কালছোৱাত জড়িত আছিল। কিন্তু কৰ্মৰ তাগিদা মানি তেওঁ যাবলগা হ'ল আৰু মহাবিদ্যালয়ে আজিৰ ৰূপ পালে। তেওঁ সুদীৰ্ঘ চাৰিটা দশক পাছত মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়েই তেওঁৰ মনলৈ আহিছিল গাঁৱৰ ঘৰখনলৈ আহি তৰুণ ডেকাক কলেজখন সম্পৰ্কে সুধিলে উত্তৰত কোৱা কথাখিনি— 'তহঁত কলেজ পতা মানুহহে, কলেজ চলোৱাতো নহয়? আচলতে তৰুণ ডেকাৰ দৰে আনুগত্য থাকিলেহে নিজৰ দৰমহাৰ পইচাৰে কলেজৰ কৰ্মচাৰীৰ দৰমহা যোগাৰ কৰিব পাৰে বুলি অৰনী ডেকাই বিশ্বাস কৰে। এবাৰ আশীৰ দশকমানত ঘৰলৈ আহোতে অৰনী ডেকাক তৰুণ ডেকাই কৈছিল— 'অৰনী জানানে, মজহৰুল ইচলাম ছাৰে আমাক এটা গতি দি থৈ গ'ল?' আজি প্ৰেক্ষাগৃহটোত বহি অৰণী ডেকাই ভাবিছে, এজন অৱসৰী চৰকাৰী উচ্চপদস্থ বিষয়াৰ কথা। গুৱাহাটীৰ পৰা নিতৌ সময়মতে আহি ছটা বছৰ এইখন কলেজক সেৱা প্ৰদান কৰিছিল। এইবিলাক সেৱাক কিহেৰে আন্তঃসম্পৰ্কিত কৰা যায়? এখন ফটোৰ বাদে জানিব পৰাকৈ কলেজখনে দেখো একো নকৰিলেই তেওঁৰ বাবে। সময়ৰ গতিয়ে মানুহকো এইদৰে মোহাৰি পেলায় নেকি? অৰনী ডেকাই নিজকে নিজে প্ৰশ্ন কৰিলে।

সভা শেষ হ'ল। দায়িত্ব সামৰিলে এটা সফল দিনে। অৰনী ডেকাই ঘৰলৈ আহি ভাত কেইটামান খাই কৰৰা চ'কটোৰ পিনে আগবাঢ়ি গ'ল। পঞ্চায়ত চ'কটোত দোকান-পোহাৰ বহুত দেখা গ'ল অথচ সকলো মলিয়ন। চ'কটোত ৰৈ চাই থাকোতে এজন বুঢ়া মানুহ তেওঁৰ কাষলৈ আহি ক'লে— 'কি চাই আছ', সকলো বৰ্বাদ হৈ গৈছি, গধূলিবেলা ম'দ-জুৱাৰ আড্ডা।' মানুহজনক বহুসময় ধৰি চাই থাকি তেওঁ নিশ্চিত হ'ল পঢ়াশালীয়া বন্ধু নৰেন, অৰনীৰ ডেকাৰ বয়স হৈছে যদিও পৌঢ়ত্বৰ চাপ তেনেকৈ ফুটি উঠা নাই। নৰেনক দেখি মনত পৰিল যে সি সদায় শ্ৰেণীত প্ৰথম আছিল অথচ দৰিদ্ৰতাৰ বাবে আধাতে পঢ়াশালি এৰিব লগা হৈছিল। নৰেনেও ডেকাক সংগ দিলে। দুয়োৰে মাজত নানান কথা ওলাল। নবীন বৰদলৈ স্মৃতি ভঁৰাল দেখাৰ লগে লগে মনত পৰিল ইয়াৰ সভাপতি লোকবন্ধু ডাঃ ভূৱনেশ্বৰ বৰুৱা আছিল। সদস্যৰ ভিতৰত আছিল গোপীনাথ বৰদলৈ। ঘৰটোৱে এতিয়া পূৰ্বৰ স্মৃতি ধৰি ৰাখিবলৈ অপৰাগ। কৰৰা হাইস্কুলৰ খেল পথাৰখন দেখাৰ লগে লগে মনটো ল'ৰালিৰ দিনলৈ উভতি গ'ল। সৰস্বতী পূজাৰ মণ্ডপ বনোৱাৰ দিনবোৰলৈ মনত পৰিল। হাইস্কুললৈ শুধ বগা ধুতি পৰিহিত সেইজন তুলসীধৰ শৰ্মা ছাৰ আহি থকা যেন লাগিল। বলানত মাছ ধৰা চিএৱৰবোৰ ৰিণি ৰিণি মনলৈ ভাঁহি আহিবলৈ ধৰিলে। মূৰ তুলি ওপৰলৈ চোৱাত হঠাতে দেখা পোৱা যেন লাগিল চাপতি পাৰৰ পৰা উভতি অহা দেওঁহাঁহ জাক। লাহে লাহে বেলি লহিয়ালে। নিজৰ জন্মভূমিৰ আপোন সুবাস থকা এছাটি বতাহে দেহ-মন জোকাৰি গ'ল। ডেকাই ঠিকেই ধৰিছে এইজাক বতাহ গাঁৱৰ প্ৰতিজোপা গছ আৰু প্ৰতি চপৰা মাটিৰ সুবাস লাগি অহা আপোন সমীৰ। নৰেনৰ লগত একাপ চাহৰ আমেজ লৈ ঘৰমুৱা হ'ল।

গধূলি এতিয়া আৰু গৰু-ছাগলীৰ মাতৰ প্ৰাণচঞ্চলতা নাই। সন্মুখেৰে যোৱা ৰাষ্ট্ৰীয় ঘাই পথটোৰে গাড়ী-মটৰৰ অবিৰত গমন। বৰধলা মহাজনৰ ঘৰতো এতিয়া সেই ভিৰ নাই। তৰুণ ডেকাক বিচাৰি অহা মানুহো নাই। মাথোন এটা বস্তুৱে এতিয়ালৈকে অপৰিৱৰ্তিত হৈ আছে। বৰধলাৰ পিছত এই ঘৰখনৰ নতুন ঠিকনা- 'তৰুণ চন্দ্ৰ ডেকা'।

# স্কুলৰ চোতালৰ আঁহতজোপা

**চিমাশ্ৰী বেজবৰুৱা**
**স্নাতক চতুৰ্থ যাণ্মাসিক**
**প্ৰাণী বিজ্ঞান বিভাগ**

আঁহতজোপা বহু পুৰণি। প্ৰায় পঞ্চাশ-যাঠি বছৰীয়া। গাঁৱৰ সতত্তৰ বছৰীয়া বৃদ্ধ এজনক সুধিলে কয়, তেওঁলোক যেতিয়া স্কুলত আছিল তেতিয়া হেনো সেইডাল গৰুৱে খাব নোৱাৰাকৈ তেতিয়াৰ হেডচাৰজনে তেওঁলোকক হতুৱাই বেৰ দিয়াইছিল। সকলোৰে চকুৰ আগতেই আহঁতজোপা ডাঙৰ হ'ল। গাঁৱখনৰ সোমাজৰ স্কুলখনৰ চোতালত আঁহতজোপা এনেদৰে থিয় হৈ আছে গাঁৱৰ মুখিয়া মহেশ্বৰ দাইটি নহয় আঁহতজোপাহে। গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ সদায়ে চাই থাকে সি। নামঘত বৰকাঁহ বাজিলে তাৰ গাত তত নাথাকে, ৰ'বই নোৱাৰে সি। হালি-জালি সিও প্ৰাৰ্থনা জনায়। আবেলি পৰত তাৰ কাষতে ল'ৰাহঁতে ফুটবল খেলে। কিমানবাৰ বলটো গৈ তাৰ গাত পৰেগৈ। সি উস বুলিও নকয়। তাৰ যেন গাঁৱৰ সকলোৰে বাবে ঢেৰ মৰম।

সেই গাঁৱখন এৰি আহোতে, আঁহতজোপাক এৰি আহোতে মোৰো কমখন কষ্ট হোৱা নাছিল। সেই দিনটোৰ কথা ভাবিলে আজিও বুকু বিষায়। উচ্চশিক্ষাৰ বাবে চহৰলৈ অহা মই জনীৰ শৰীৰটোহে চহৰত, মনটো পিছে আজিও মোৰ মৰমৰ ভোগজান গাঁৱখনতেই, সেই আঁহতজোপাৰ ওচৰতেই। আজিও মনত পৰে মোৰ স্কুলৰ প্ৰথম দিনটোৰ কথা। কান্দি কন্দি শুকাই যোৱা মোৰ গালখনত চুমা এটা দিও মায়ে মোক স্কুলত থৈ অহাত বিফল হৈছিল। তেতিয়াৰ অচিনাকি আঁহতজোপাৰ গাত ধৰি ভে ভেকৈ কান্দি আছিলোঁ। কিন্তু লাহে লাহে স্কুললৈ গৈ ভাল লগা হ'ল। তাৰ মূলতেই আঁহতজোপা। এক মধুৰ সম্পৰ্ক গঢ় লৈ উঠিছিল দুয়োৰে মাজত। তাৰপিছত আৰু স্কুল যাবলৈ কন্দা মোৰ মনত নপৰে। যেতিয়া হেডচাৰে আঁহতজোপাৰ তলত বহি আটাইৰে নেওতা মুখস্থ লৈছিল, তেতিয়া মই গৈ তাৰ একেবাৰে কাষত বহি লৈছিলোঁ।

আজি ঘৰলৈ যাম। শুনিবলৈ আচৰিত যেন লাগিলেও পোন্ধৰ বছৰ আগতে এৰি অহা গাঁৱখনলৈ মই মাজত মাথো এবাৰে গৈছিলোঁ। উচ্চশিক্ষাৰ বাবে আহি পইচাৰ বাবে যেনেতেনে চাকৰি এটাৰ যোগাৰ কৰি পঢ়া সামৰিব লগা হ'ল। মাহে মাহে মাৰ একাউণ্টত পইচা পঠাই নিজৰ দায়িত্ব সামৰি আছিলোঁ। বহুদিনৰ পৰা দিন-বাৰ ঠিক কৰি সময়-সুবিধা উলিয়াই আজিৰ দিনটো উলিয়াইছো। মা আৰু মোৰ আঁহতজোপাক চোৱাৰ হেঁপাহ।

নাজানো মই এৰি অহা গাঁৱখন কিমান সলনি হ'ল। গৰুৰ হেম্বেলনি, নামঘৰৰ বৰকাঁহৰ মাত, আঁহতজোপাৰ নাচোন, গৰুৱে উৰুৱাই নিয়া ধূলি-বালিৰ মাজত গৰখীয়াকেইটাৰ সুৰে নমাই অনা সন্ধিয়াটো বা এতিয়া আছেনে নাই? গৰমত ৰ'ব নোৱাৰি কান্ধত গামোচা লৈ বিচি বিচি কথাৰ মহলা মৰা সেই দৃশ্যবোৰ বা এতিয়া আছেনে নাই?

বাছৰ পৰা নামি মোৰ দুচকু থৰ হ'ল। প্ৰকৃতিয়ে সজাই থোৱা সুন্দৰ ঠাইখন মানুহৰ হাতৰ পৰশত আৰু বেছি ধুনীয়া সুন্দৰ হৈ উঠিছে। গাঁৱখনলৈ সোমাই যোৱা সৰু লুঙলুঙীয়া বাটটোও যথেষ্ট ডাঙৰ হ'ল লগতে পকীও।

গাঁৱত সোমাও মানে সাজ লাগিল। আগৰ সেই সন্ধিয়াৰ পৰিৱেশ নাই। ঘৰবোৰৰ সন্মুখৰ কাকিনী তামোল কেইজোপাও নাই। গৰু, ছাগলীৰ মাত ক'তো একো নাই। আগতে কোনোৱা গাঁৱত অচিনাকি মানুহ আহিলে ভূতৰ নিচিনাকৈ চোৱা এজনো নাই।

হুমুনিয়াবোৰ ওঁঠতে সামৰি স্কুলখনৰ সন্মুখ পালোঁ। এইবাৰ সহ্য কৰিব নোৱাৰিলোঁ। মোৰ সন্মুখত এটা ডাঙৰ বিল্ডিং। ভোগজান উচ্চতৰ মাধ্যমিক স্কুল। আগত ডাঙৰ ওৱাল য'ত স্পষ্টকৈ লিখা আছে— 'গছ বছাওক, সুৰক্ষিত থাকক।' আৰু মোৰ মৰমৰ আঁহতজোপা? সেইজোপা নাই। তাৰ ঠাইত গৰ্বেৰে থিয় হৈ আছে এটি ওখ অট্টালিকা। যাৰ তলত বহি গাঁৱৰ ডাঙৰ ডাঙৰ সিদ্ধান্ত লোৱা হৈছিল। যাৰ ছাঁত জিৰাই মানুহবোৰে প্ৰাপ্তিৰ হাঁহি মাৰিছিল। যাৰ কোলাত বহি হেজাৰ কথাৰ খোপনি পুতিছিল। যাক ভোগজান গাঁৱৰ ভগৱান মানিছিল সকলোৱে। কাৰ নিষ্ঠুৰ হাতে সেইজোপাক কাটিব পাৰিলে। তাতোকৈ ডাঙৰ কথা আজি অ'ত দিনে মায়ে মোক এই কথাষাৰ কোৱাৰ প্ৰয়োজনবোধ নকৰিলে।

গধূলিৰ ফুট আন্ধাৰত সৰি পৰা চকুলোৰ ভৰত লুকাই পৰিল মোৰ ঘৰলৈ যোৱাৰ শেষ হেঁপাহকণ।

# অনুৰাগৰ অনুৰাধা

ৰিছা দাস
দ্বাদশ শ্ৰেণী
কলা শাখা



বহুদিনৰ মূৰত বন্ধ আলমিৰাটো খুলি একেথৰে চাই ৰ'লো আলমিৰাটোৰ চুক এটাত নিথৰ হৈ পৰি থকা ঘড়ীৰ খালী বাকচটোৰ ফালে। ইমান মৰমৰ, ইমান আদৰৰ নীলা ৰঙৰ ঘড়ীটো সঁচাকৈয়ে ক'ব নোৱাৰাকৈয়ে মোৰ মাজৰ পৰা হেৰাই গৈছিল। ঘড়ীটো হেৰোৱাৰ পিছত কমখন কন্দা-কটা কৰিছিলোঁ নে? আনকি এসপ্তাহলৈ খোৱা-লোৱা বন্ধ হৈ গৈছিল।

কাহানিও বিয়াত নবহো বুলি ভবা অনুৰাধাই ঘৰ হেঁচাত মাকৰ বাধ্যত বিয়াত বহিছিল অনুৰাগৰ সৈতে। বিয়াৰ প্ৰস্তাৱটো ঘৰলৈ অহাত তাইক সকলোৱে জোকাইছিল। বাহঃ অনুৰাধা-অনুৰাগ, খুব মিল আছে, মনৰ নহ'বনে?

অনুৰাধা কিন্তু বিলীন হৈ আছিল সেই নিশান্তৰ মনৰ মাজত। যিজন নিশান্তই অনুৰাধাৰ সৈতে এটি মধুৰ সম্পৰ্ক গঢ়ি সি নিজেই সেই সম্পৰ্কক অযোগ্য আখ্যা দি আঁতৰি গৈছিল। অনুৰাধা শিল পৰা কপৌটোৰ দৰে মাথো নিশান্ত যোৱাৰ ফালে চাই আছিল। হঠাৎ আজি নিশান্তৰ কি হ'ল? অনুৰাধা আচৰিত হৈছিল। যিজন নিশান্তই অনুৰাধাক নাপালে, অনুৰাধাই মোৰ প্ৰেমক আঁকোৱালি নল'লে মৰি যাম বুলি গোটেই কলেজ কপাই তুলিছিল সেইজন নিশান্তই আজি নানান কাৰণ দৰ্শাই, অনুৰাধাক অযোগ্য সজাই তাইৰ কাষৰ পৰা আঁতৰি গৈছিল। কেনেকৈ বৰু চকুৰ পলকতে মানুহৰ মন সলনি হ'ব পাৰে। সেয়া যেন অনুৰাধাৰ মনত প্ৰশ্ন হৈয়ে ৰ'ল। তাইৰ বাবে মৰিব পৰা মানুহজনে এনেকৈ আঘাত কৰি গুচি যাব বুলি অনুৰাধাই সপোনতো ভবা নাছিল। অনুৰাধাৰ বাবে সঁচাকৈয়ে বৰ আচৰিত বৰ হৃদয়বিদাৰক আছিল সেই ক্ষণ।

অনুৰাগ অনুৰাধাই ভবাতকৈ বহুত গুণেই শ্ৰেষ্ঠ আছিল। লাহে লাহে যিজনী ছোৱালীয়ে মানুহক বিশ্বাস কৰিবলৈ ভয় কৰিছিল সেইজনী ছোৱালীক সেইসময়ত অনুৰাগে বিশ্বাস কি সেয়া শিকাইছিল। অনুৰাগে তাইক যেনেকৈ পাৰে যিমান পাৰে সুখী কৰিবলৈ চেষ্টা কৰিছিল। অনুৰাগে যেন নিজৰ সকলো অনুৰাধাৰ মাজতে বিলীন কৰি পেলাইছিল। কিন্তু অনুৰাধাই নিজক দোষী সজাই ভাবিছিল তাই হে অনুৰাগক সুখী কৰিব পৰা নাই। বিয়াৰ সাত বছৰ পিছতো তাই অনুৰাগক পিতৃ হোৱাৰ সুখ দিব পৰা নাই বুলি নিজকে দোষী সজাই তাই কেৱল বাৰে বাৰে উচুপি বৈছিল। ডাক্তৰে কৈছে তাই কেতিয়াও মাতৃ হ'ব নোৱাৰে।

অনুৰাগৰ মাকে সিহঁতক সদায় কয় মোক নাতি লাগে। তহঁতে কি মোক নাতিৰ মুখ চাবলৈ নিদিবি নেকি? মই বাহিৰ ওলাবই নোৱাৰো সকলোৱে মাথোঁ এটাই কথা নাতিৰ কথা একো ভবা নাই নেকি সিহঁতে। কিমান দিন এনেদৰে সকলোৱে প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি তলমূৰ কৰি গুছি আহিব লাগিব। মোৰো মন যায় আইতা বুলি কোনোবাই মাতক। ময়ো বিচাৰো নাতিৰ সৈতে ওমলি-যামলি দিন কটাব। মাকৰ কথাৰ উত্তৰত একেষাৰতে

অনুৰাগে কৈ দিছিল— 'যিসকলে এইবোৰ তোমাক কৈ থাকে সিহঁতক কৈ দিবা বেলেগৰ ঘৰৰ কথা খুচৰি ফুৰাৰ কোনো দৰকাৰ নাই।' কিন্তু, মাকে কৰা প্ৰশ্নটোৰ সঠিক উত্তৰ জানো অনুৰাগে দিব পাৰিছিল। অনুৰাধাই মাথো দুৱাৰ বন্ধ কৰি ৰুমৰ ভিতৰত নিজকে চকুপানীৰ সৈতে আৱদ্ধ কৰি ৰাখিছিল।

অনুৰাধাই অনুৰাগক বাৰে বাৰে কৈছিল, তুমি আকৌ বিয়া পাতা। মই তোমাৰ জীৱনৰ পৰা আনফালে আঁতৰি যাম। তুমি বহুত ভাল মানুহ, তোমাৰ বাবে ছোৱালীৰ অভাৱ নাই। দৰকাৰ হ'লে মই চাই দিম তোমাৰ বাবে ছোৱালী। তাইৰ কথাবোৰ শুনি অনুৰাগে খঙেৰে কৈছিল— 'তুমি পাগল হৈছা নেকি? এইবোৰ কথা মোক যাতে দ্বিতীয়বাৰ নোকোৱা। মোৰ যদি কিবা ভুল হৈছে তুমি আঙুলিয়াই দিয়া, কিন্তু বিনা কাৰণত তুমি মোৰ পৰা আঁতৰি যাব নোৱাৰা।' এইবোৰ সৰু কথা বুলি অনুৰাগে বাৰে বাৰে কথাবোৰ উৰুৱাই দিছিল। কিন্তু অনুৰাধাৰ মনত এই কথাবোৰে এটুকুৰা ঘাঁৰ সৃষ্টি কৰিছিল। বুকুৰ মাজত কোনেও নেদেখা ঘাঁ এটুকুৰা লৈ তাই বাবে বাৰে মাথো ছটফটাই মৰিছিল। দিনবোৰ যিমানেই বাগৰিল অনুৰাধাৰ বুকুৰ মাজৰ ঘাঁ টুকুৰাও সিমানেই বহল হৈ গৈ থাকিল।

অনুৰাধাই আৰু কেতিয়াও চকু নেমেলো বুলি দুচকু জপাইছিল হাতৰ শিৰা এডালত চোকা ব্লেড এখনেৰে ৰেপ এটা মাৰি। কিন্তু তাই আকৌ দুচকু মেলিছিল চিকিৎসালয়ৰ বিচনাত। অনুৰাগে তাইক শেষ নিদ্ৰাত বিলীন হ'বলৈ কেতিয়াও দিব নোৱাৰে। দুচকু মেলি অনুৰাগক দেখি তাই ভাবিছিল— 'সি চাগে আজি তাইক বহুত প্ৰশ্ন কৰিব। বহুত গালি পাৰিব।' কিন্তু, অনুৰাগে মাত্ৰ কৈছিল— 'আগলৈ এইবোৰ কৰাৰ আগতে আনৰ কথা নাভাবিলেও যাতে মোৰ কথা এবাৰ হ'লেও ভাবি চোৱা অনুৰাধা।' তেনেকৈ কৈয়ে অনুৰাগে এটি হাঁহি মাৰি তাইৰ কাষতে বহি পৰিছিল। তোমাৰ অন্তৰখন বহুত বহল বুলি কৈ অনুৰাধাই তাইৰ হাতখন নিজৰ হাতৰ মাজত আঁকোৱালি লৈছিল।

ঘড়ীৰ খালী বাকচটোৰ ফালে একেথৰে চাইনো ইমানকৈ কি ভাবি আছা অনুৰাধা? অনুৰাগৰ মাতত যেন অনুৰাধা উচপ খাই উঠিল। সেইবোৰ ভাবি আৰু এতিয়া একো লাভ নাই। সেইবোৰ এতিয়া অতীত অনুৰাধা। অনুৰাগে হাঁহি হাঁহিয়ে কৈ পেলালে ঘড়ীৰ খালী বাকচটোৰ ফালে চাই থাকিলে না ঘড়ীটো উভতি আহিব না ঘড়ীটো দিয়া মানুহজন উভতি আহিব।

অনুৰাধাৰ ভাৱনাত যতি পেলাই অনুৰাগে ৰুমৰ বাহিৰৰ ফালে খোজ লৈ কৈ গ'ল— 'সোনকালে সাজু হোৱা মোৰ অৰ্ধাঙ্গিনী, স্কুললৈ যাবলৈ পলম হ'ব।

অনুৰাধাই বৰ্তমান এখন অনাথ আশ্ৰম খুলিছে। সেই আশ্ৰমখনৰ পৰা এজনী ছোৱালীও তুলি লৈছে। ছোৱালীজনীৰ নাম ৰাখিছে অভিশ্ৰুতি। ঘৰত মৰমতে মাতে জিল-মিল বুলি। আজি জিল-মিলৰ স্কুলত বঁটা বিতৰণী সভা আছে। তাতেই আজি অনুৰাগ আৰু অনুৰাধা যাব। স্কুললৈ যাবৰ সময়ত জিলমিলে মাক-দেউতাকক বৰ যোৰকৈ কৈ গৈছে সভাখনত যাতে মই তোমালোকক দেখা পাওঁ। জিলমিলৰ বাবে অনুৰাধাই এটা নতুন জীৱনৰ সন্ধান কৰিব পৰিছে। বাৰে বাৰে ভাগৰি পৰা অনুৰাধা আজি ভাগৰ কি পাহৰি পেলাইছে কেৱল জিলমিলৰ বাবে। জীৱন এনেকুৱাই চাগে। মৃত্যুলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকিও কেতিয়াবা কাৰোবাৰ বাবে আকৌ অধীৰ হেঁপাহেৰে জীয়াই থাকিবৰ মন যায়। অনুৰাধা জীয়াই থকাৰ মূল কাৰণটোৱে হৈছে জিলমিল। সঁচাকৈয়ে নামটো যেনেকৈ জিলমিল, মাকৰ জীৱনৰ বাটচোৱাও তাই জিলমিলাই পোহৰাই তুলিছে।

তীত নামৰ কিতাপখনৰ সোঁৱৰণ কৰা পৃষ্ঠাকেইটা তাতেই সামৰি থ'লে অনুৰাধাই। তুমি ঠিকেই কৈছা অনুৰাগ, এইবোৰ ভাবি থাকিলে না অতীতত হেৰাই যোৱা সুখ-শান্তিবোৰ ঘূৰি আহিব না সেই হেৰাই যোৱা নীলা ৰঙৰ ঘড়ীটোৰ লগতে ঘড়ীটো উপহাৰ দিয়া মানুহজন ঘূৰি আহিব। তেনেকৈ নিজকে কোৱাৰ দৰে কথাষাৰ কৈ অনুৰাধাই আলমিৰাটোৰ চুকত নিথৰ হৈ পৰি থকা ঘড়ীৰ খালী বাকচটোৰ পৰা চকু আঁতৰাই আলমিৰাটোৰ দুৱাৰখন দুয়ো হাতেৰে জপাই থ'লে।

**অনুগল্প ঃ**

# দায়িত্ব

**পলাশ ডেকা**

**বিজ্ঞান শাখা, উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ**

সমাজসেৱক ৰঞ্জিত কলিতা ই গাঁওখনতে আয়োজন কৰা সভাখনত পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ দায়িত্ব সম্পৰ্কে ভাষণ দি থাকোতে বৃদ্ধাশ্ৰমত থকা মাতৃয়ে কলিতালৈ কৰা ফোনটো বাজি উঠিছিল।



ড° ভূপেন কুমাৰ শৰ্মা
অধ্যক্ষ



নাৰায়ণ গোস্বামী
উপাধ্যক্ষ

## মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



বহি (বাওঁফালৰ পৰা) - পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা, ড° নৰজ্যোতি চৌধুৰী, ড° দিপেন বেজবৰুৱা, আয়েজ আলী, ৰীণা ডেকা, ড° জুলি শইকীয়া, ড° দাদুল দেউৰী, (দ্বিতীয় শাৰী) কল্পনা ভাগৱতী, ড° পংকজ কুমাৰ বড়ো, ইক্ৰাম আলী, হিতেশ্বৰ কাকতি, ইমদাদ আলী আহমেদ, ড° নীলিমা দত্ত, ড° নয়নমণি বৰুৱা
থিয় হৈ (বাওঁফালৰ পৰা) - ড° খগেন দাস, থিওফিল ইনবোন, ড° ধীৰেণ বড়ো, পংকজ বৰ্মন, ড° বৰ্ণালী ডেকা, ড° কল্পনা মিশ্ৰ, স্বাগতা ডেকা, ড° পংকজ শৰ্মা, ড° সমৰজিৎ শৰ্মা, পাৰঙ্গম গোস্বামী, (দ্বিতীয় শাৰী) ড° দীপক কোঁৱৰ, খনীন্দ্ৰ দাস, ড° হেমশ্ৰী দেৱী, ড° মনালিচা কলিতা, চয়নিকা দেৱী, ড° নীল্মী কোঁৱৰ, ড° গৌৰাঙ্গী গগৈ, ৰিছা শৰ্মা, সৰোজমণি সোণোৱাল, কংকনা চৌধুৰী, মণ্টু শইকীয়া, (তৃতীয় শাৰী) দীপেন মজুমদাৰ, অজিৎ কলিতা, ড° বিপুল ডেকা, অবিনাশ নেওগ, তৃষ্ণাৰাণী নাথ, ড° বিপাশা ভৰদ্বাজ, গীতালী কলিতা, হেম্ফি তেৰাংপি, তিতিক্ষা বৰা, বন্দনা ডেকা, ইন্দুশ্ৰী পাটগিৰি, ড° আনোৱাৰ হুছেইন, জিষ্ণু ডেকা, কমল লোচন শৰ্মা, ড° প্ৰাণ্টু দত্ত

## মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ একাংশ



বহি (বাওঁফালৰ পৰা)- মুকুল আলী, ধনজিৎ শৰ্মা, প্ৰশান্ত ৰাজবংশী, জুতিকা মহন্ত, লোহিত কাকতি, কিষাণ কুমাৰ গৌতম, পিংকু ডেকা
থিয় হৈ (বাওঁফালৰ পৰা) - ভবেন দাস, জিতেন ডেকা, যোগেশ্বৰ দাস, গংগা দাস, সুজিতাভ বসুমতাৰী, গগন দাস, হৃষিকেশ দাস, তাজনুৰ আলী, নিপজ্যোতি ডেকা, (দ্বিতীয় শাৰী) তবিবৰ ৰহমান, দিপু কাকতি, প্ৰবীন কলিতা, বিশ্বজিৎ কাকতি, অপৰ্ণা ডেকা, প্ৰণৱ শ্যাম, ববিতা দাস ডেকা, ভাৰতী ডেকা

## ২০২২-২৩ বৰ্ষৰ পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল



বাওঁফালৰ পৰা বহি- প্ৰিন্স কলিতা, পৰাগজ্যোতি ডেকা, নিহাল মহন্ত, আৰ্কিতা কাকতি আৰু ইমৰাজ খান
বাওঁফালৰ পৰা থিয় হৈ- চিন্তু বৈশ্য, মানস প্ৰতীম গোস্বামী, মানৱ কুমাৰ, জয়শ্ৰী কলিতা, সীমা বড়ো, দীপজ্যোতি ডেকা, আব্দুল মজিদ আলী আৰু নিৰৱজিৎ দাস

# ২০২৩ বৰ্ষৰ NAAC PEER TEAM ৰ মহাবিদ্যালয় পৰিদৰ্শনৰ কিছু মুহূৰ্ত























## মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ বিভিন্ন কাৰ্যক্ৰমণিকা ৰূপায়ণৰ মুহূৰ্ত, ২০২২-২৩ বৰ্ষ








































# মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে ভিন ভিন বিভাগৰ দ্বাৰা আয়োজিত বক্তৃতামালাৰ ৰেঙণি-১





















## মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে ভিন ভিন বিভাগৰ দ্বাৰা আয়োজিত বক্তৃতামালাৰ ৰেঙণি-২

















## অন্যান্য



আন্তৰ্জাতিক নাৰী দিৱস উদযাপন




'অসমীয়া সাহিত্য চ'ৰা'ৰ দ্বাৰা আয়োজিত বক্তৃতানুষ্ঠান

## ২০২২-২৩ বৰ্ষত অৱসৰ গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল



**শ্ৰীযুত সুৰেশ ডেকা**
সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ
(২৯-১২-১৯৮৮ ৰ পৰা ৩১-১২-২০২২ লৈ)



**ড° কমল শৰ্মা**
সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ
(০৯-০৮-১৯৯০ ৰ পৰা ২৮-০২-২০২৩ লৈ)



**শ্ৰীযুত আদিত্য ডেকা**
সহযোগী অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ
(১৯-১১-১৯৯২ ৰ পৰা ৩০-০৪-২০২৩ লৈ)



**ড° চিত্ৰলেখা তালুকদাৰ**
সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
(১৯-০৮-১৯৮৮ ৰ পৰা ৩০-০৪-২০২৩ লৈ)

## ২০২২-২৩ বৰ্ষত মহাবিদ্যালয়ত গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ দৃশ্য



স্বাধীনতা দিৱস উদযাপনৰ মুহূৰ্ত



মিলাদ-ই-মেহফিল উদযাপনৰ মুহূৰ্ত



শিল্পী দিৱস উদ্‌যাপন



লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপন



পূব কামৰূপ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা স্বাস্থ্য বিষয়ক কৰ্মশালা



‘বসন্তৰ ধেমালি’ শীৰ্ষক পকেট আলোচনী উন্মোচনৰ মুহূৰ্ত



ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বাটৰ নাট প্ৰদৰ্শন



হস্ততাঁত প্ৰশিক্ষণৰ শুভাৰম্ভণিৰ মুহূৰ্ত



কেৰিয়াৰ বিষয়ক গ্ৰন্থ উন্মোচনৰ দৃশ্য

# ৪৮ সংখ্যক মহাবিদ্যালয় যুৱ মহোৎসৱৰ বিশেষ মুহূৰ্ত





















## ইউ.এছ.টি.এমৰ স্মৃতি




ইউ.এছ.টি.এমত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা দল



কাবাডী দল



ভলীবলৰ দল



পাঞ্জাত পুৰস্কৃত মহাবিদ্যালয়ৰ
হিমাংশু দাস, ইশাৰাণী বৈশ্য আৰু নিপন শৰ্মা




পাঞ্জাত পুৰস্কাৰ লোৱাৰ মুহূৰ্ত

# কৃতিত্ব



পূব কামৰূপ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা বিপাশা ভৰদ্বাজে শ্বিলংস্থিত উত্তৰ-পূৰ্বাঞ্চল পাৰ্বত্য বিশ্ববিদ্যালয় পৰা Prof. Kynpham Sing Nongkynrih তত্বাৱধানত 'Understanding Trauma : Literary Representations of 9/11' শীৰ্ষক গৱেষণাৰ বাবে ২০২৩ চনৰ সন্মানীয় পি.এইচ.ডি ডিগ্ৰী লাভ কৰে।

## মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য



উদ্দীপ্ত দেৱ চৌধুৰী
পদাৰ্থ বিজ্ঞান বিভাগ (বিজ্ঞান)
(পইণ্ট ঃ ৯.৩০)



কৰিস্মা কলিতা
ভূগোল বিজ্ঞান বিভাগ (কলা)
(পইণ্ট ঃ ৮.৮০)



লতাশ্ৰী বড়ো
বিভক
(পইণ্ট ঃ ৯.২৭)



মৃদুস্মিতা কুমাৰ
উঃ মাঃ চূড়ান্ত পৰীক্ষাৰ
কলা শাখাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত
(শতকৰা ঃ ৮৮.৪)



হিমাশ্ৰু দাস
উঃ মাঃ চূড়ান্ত পৰীক্ষাৰ
বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত
(শতকৰা ঃ ৭১)

## মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত ছাত্ৰ-ছাত্ৰীৰ সাফল্য



আছিক আলী
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



মানসী ডেকা
শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী



কপিল দেৱ গোস্বামী
শ্ৰেষ্ঠ তৰ্ক প্ৰতিযোগী



হৃষিকেশ ডেকা
শ্ৰেষ্ঠ খেল প্ৰতিযোগী



হিমাংশু নাথ
মিষ্টাৰ পিকেচিয়ান



নিকিতা ডেকা
মিছ পিকেচিয়ান

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ অংশগ্ৰহণৰ মুহূৰ্ত



গুৱাহাটী বিশ্ববিদ্যালয়, আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰা শিক্ষাৰ্থী



গুৱাহাটী বিশ্ববিদ্যালয়, আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণকাৰী দল



গুৱাহাটী বিশ্ববিদ্যালয়, আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাত পূৱ কামৰূপ মহাবিদ্যালয়ে তৃতীয় স্থান লাভ কৰাৰ মুহূৰ্তৰ ছবি



গুৱাহাটী বিশ্ববিদ্যালয়, আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত পূৱ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰী বৰষা তালুকদাৰে দ্বিতীয় স্থান লাভ কৰে।



গুৱাহাটী বিশ্ববিদ্যালয়, আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ ভেঙুচালি প্ৰতিযোগিতাত পূৱ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ চৰণদ্বীপ ঠাকুৰীয়াই তৃতীয় স্থান লাভ কৰে।

# সফলতাৰ দিনলিপি




দিশপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম ভিত্তিক আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ আমিনুল হক



গেইটৰে একাডেমী, বাইহাটা চাৰিআলিত ভাগ্যশ্ৰী গোস্বামী সোঁৱৰণী সদৌ অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰা ৰূপশিখা কাকতি



ডি.এন চহৰীয়া পেপাৰ এজেঞ্চি, ছিপাঝাৰে হীৰক জয়ন্তী উপলক্ষে আয়োজন কৰা অসম ভিত্তিক প্ৰবন্ধ প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰা মহাবিদ্যালয়ৰ ছাত্ৰী বিদিশা দেৱী



আইনষ্টাইন একাডেমীৰ দ্বাৰা পূব কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক কিশোৰ কুমাৰ শৰ্মা



মাহেকীয়া বাৰ্তালোচনী 'ৰেঙণি'ৰ ফালৰ পৰা অনুষ্ঠিত কৰা কবিতা আবৃত্তি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ গ্ৰহণ কৰা মুহূৰ্তত তন্ময়ী ডেকা



সুধাকণ্ঠ স্মৃতি ন্যাসে আয়োজন কৰা সদৌ অসম ভিত্তিক ভূপেন হাজৰিকা বিষয়ক কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা সঞ্জীৱ কুমাৰ দাস আৰু ৰজী ডেকা




আইনষ্টাইন একাডেমীয়ে আয়োজিত কৰা সদৌ অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে কপিল দেৱ গোস্বামীয়ে



স্বাধীনতা দিৱস উপলক্ষে ৰঙিয়া মহকুমা প্ৰশাসনে আয়োজিত কৰা কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে চাহিল মহম্মদ চাবেৰিন আৰু কপিল দেৱ গোস্বামীয়ে



গুৱালকুছিত অনুষ্ঠিত ড° ভূপেন হাজৰিকা দেৱৰ মৃত্যু দিৱস উপলক্ষে আয়োজন কৰা কুইজ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা মহাবিদ্যালয়ৰ সঞ্জীৱ কুমাৰ দাস আৰু ৰ'জী ডেকা



নেৰিম গ্ৰুপ অৱ ইন্সটিটিউচন আৰু দিশপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিক আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা প্ৰাপ্ত আব্দুল মজিদ আলী

# মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকাসমূহ



পৰিসংখ্যা বিভাগ




ভূগোল বিজ্ঞান বিভাগ




কম্পিউটাৰ বিজ্ঞান বিভাগ




গণিত বিভাগ



অসমীয়া বিভাগ




উদ্ভিদ বিজ্ঞান বিভাগ




বিভক্ বিভাগ




শিক্ষা বিভাগ




পদাৰ্থ বিজ্ঞান বিভাগ




প্ৰাণী বিজ্ঞান বিভাগ




ইতিহাস বিভাগ




ইংৰাজী বিভাগ




ৰাজনীতি বিজ্ঞান বিভাগ

## প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণৰ মুহূৰ্ত



প্ৰথম স্থান ঃ প্ৰাণী বিজ্ঞান বিভাগ



দ্বিতীয় স্থান ঃ ইতিহাস বিভাগ



দ্বিতীয় স্থান ঃ শিক্ষা বিভাগ



তৃতীয় স্থান ঃ অসমীয়া বিভাগ



তৃতীয় স্থান ঃ কম্পিউটাৰ বিজ্ঞান বিভাগ



উদগণি ঃ ইংৰাজী বিভাগ



উদগণি ঃ পদাৰ্থ বিজ্ঞান বিভাগ

# পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীদেৱৰ শিল্পকৰ্ম















# চিত্ৰকলা



হৃদয় শৰ্মা
চতুৰ্থ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ



ধৃতিমা কাকতি
দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ



হৃদয় প্ৰকাশ শিৰম
চতুৰ্থ ষাণ্মাসিক, ইতিহাস বিভাগ




চিৰঞ্জীৱ কলিতা
দ্বিতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ




প্ৰীতিৰাণী ডেকা
ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

# ফটোগ্ৰাফী



কৰিস্মা ৰাজবংশী
চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ





তৃষ্ণামণি দাস
চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ



কনক দাস
চতুৰ্থ ষাণ্মাসিক, পৰিসংখ্যা বিজ্ঞান বিভাগ



হৃদয় প্ৰকাশ শিৰম
চতুৰ্থ ষাণ্মাসিক, ইতিহাস বিভাগ



নিহাৰিকা কৌশিক
চতুৰ্থ ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ



ওবাহিদা ৰহমান
দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ



# সেউজ সপোন

**ভাষ্যতি শৰ্মা**
**স্নাতক ষষ্ঠ ষান্মাসিক**
**ইংৰাজী বিভাগ**

(১)

ফাগুন মাহ। স্কুলখনৰ গুণোৎসৱৰ ডিউটিৰ বাবে সৃষ্টি গাঁওখনলৈ আহিছে। গাঁওখনত আহি তাই লক্ষ্য কৰিলে অতদিনে হোৱা পৰিৱৰ্তনবোৰ। প্ৰথমতে তাই গাঁওখন ভালদৰে চিনিবকে পৰা নাছিল। জনবসতিও বাঢ়িছে। দুই এটা দুমহলীয়া, তিনিমহলীয়া ঘৰো সজা হৈছে। গছ-গছনিবোৰ এতিয়াও যথেষ্ট পৰিমাণে আছে যদিও এতিয়া আগতকৈ বহুত কমিছে। স্কুলখন নৌপাওতে এডাল ডাঙৰ নাহৰ গছ। এতিয়াও সেই একেদৰে আছে। গছজোপাৰ তলত তাই কিছুপৰ ৰৈ দিলে। শুকান পাত এটা সৰি তাইৰ গাড়ীৰ গ্লাছখনত পৰিল। শুকান পাতটিয়ে ফাগুন অহাৰ কথা তাইক সোঁৱৰাই দিলে। ফেব্ৰুৱাৰীৰ তাৰিখবোৰ কেলেণ্ডাৰত হিচাপ কৰি থাকোতে তাইৰ ফাগুনৰ খবৰ ৰাখিবৰে হোৱা নাই। মহানগৰীৰ ডাঙৰ ডাঙৰ অট্টালিকাবোৰৰ মাজত সৰাপাত কেনেকৈ দেখিব? ধূলি-মাকতিৰে লেতেৰা হৈ থকা গছবোৰৰ পাত কেতিয়া সৰি পৰে তাৰ হিচাপ ৰখাৰ কাৰো সময় নাই। গছজোপাৰ শুকান পাতবোৰ আৰু তলত সৰি পৰা শুকান পাতবোৰ চাই তাই বহুপৰ কিবা ভাবি গাড়ীৰ ভিতৰতে বহি থাকিল।

অলপ পৰ পাছত কৌস্তুভে ফোন কৰিলে,

'গৈ পালানে?'

'অহ পালোহিয়েই দিয়া। স্কুলখন পোৱা নাই, পাম আৰু।'

'ঠিক আছে, গৈ পাই ফ্ৰী হৈ ফোন কৰিবা।'

'হ'ব দিয়া।'

গাড়ীখন ষ্টাৰ্ট দি তাই পুনৰ গৈ থাকিল। এটা সময়ত তাই নিৰ্দিষ্ট স্কুলখন পালে। গাড়ীখন থৈ ভিতৰলৈ সোমাবলৈ লওঁতেই এজন শিক্ষকে তাইক আগবঢ়াই লৈ গ'ল। কমন ৰুমলৈ লৈ গৈ তেওঁ তাইক বহিবলৈ ক'লে। তাৰ পিছত এজন এজনকৈ বহু কেইজন শিক্ষকে আহি তাইক মাত লগালে। তায়ো হাঁহি এটিৰে সৈতে সকলোকে মাত লগাই গ'ল। এবাৰ এগৰাকী শিক্ষয়িত্ৰীক লগত লৈ তাই স্কুলখনৰ চৌহদটো চাই ল'লে। তাই শিক্ষয়িত্ৰী গৰাকীক ক'লে—

'স্কুলৰ চৌহদটো ভাল লাগিছে। ইমানবোৰ গছ-গছনি। সেউজীয়াৰ মাজত থাকি মোৰ বৰ ভাল লাগে। কিন্তু, মহানগৰীত এইখিনিৰ অভাৱ খুব অনুভৱ কৰোঁ জানে।'

'হয় বাইদেউ, গছ-গছনিবোৰ আমিয়ে ৰোৱা। আমি কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী লগ হৈ সুবিধা পালেই গছপুলিবোৰ ৰোওঁ আৰু ছাত্ৰ-ছাত্ৰীকো ৰুবলৈ দিওঁ। ছাত্ৰ-ছাত্ৰীসকলে এইবোৰৰ যতন লয়। নিয়মিতভাৱে পানী দিয়ে।'

'বাহঃ, বৰ ভাল কথা দেই।'

তাইৰ খুব ভাল লাগিল। নিজে পঢ়ি যোৱা আপোন স্কুলখনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সজাগতাক তাই মনতে শলাগ ল'লৈ। এক মুহূৰ্তৰ বাবে তাইৰ সপোন এটি পূৰণ হোৱা যেন লাগিল।

(২)

পিচদিনাৰ পৰা গুণোৎসৱ। ঠিক কৰা হ'ল যে সেইকেইটা দিন তাই স্কুলখনৰ প্ৰধান শিক্ষকজনৰ ঘৰত থাকিব। স্কুলত কিছু সময় থকাৰ পাছত শিক্ষয়িত্ৰী এগৰাকীয়ে তাইক তালৈ লৈ গ'ল। খোৱা-বোৱা কৰি কিছু সময় জিৰণি ল'লে। প্ৰধান শিক্ষকৰ ছোৱালীজনী সৃষ্টিৰ ছোৱালীৰ বয়সৰ হ'ব। তাইৰ লগত সৃষ্টি পিচবেলা এবাৰ ওলাই গ'ল। তাইৰ একালৰ চিনাকী গাঁওখন এফালৰ পৰা ভালদৰে চাই গ'ল। বহুদিনৰ মূৰত আপোন গাঁওখনৰ ৰাস্তাৰে খোজকাঢ়ি তাইৰ কিবা এটা ভাল লাগি গ'ল। শৈশৱ, কৈশোৰ কিম্বা যৌৱনৰ দিনবোৰ তাই ভাবি ভাবি গৈ থাকিল। কম দৌৰিছিল নে এই ৰাস্তাটোৰে। সেই সময়ত ৰাস্তাটো পকী নাছিল। জবা, তৰালী, মন, পলাশহঁতৰ কথা তাইৰ মনত পৰিল। সিহঁতকেইজন সেই সময়ত খুব ভাল বন্ধু আছিল। একেলগে কম স্ফুৰ্তি কৰিছিল নে? এইবোৰ ভাবি আহি থাকোঁতে তাই নাহৰ জোপাৰ তল পালে। শৈশৱত সিহঁতে ৰোৱা প্ৰথমজোপা গছ। ছোৱালীজনীয়ে ক'লে— 'বাইদেউ, গছজোপা আপোনাৰ খুব ভাল লাগিছে, নহয়নে? মোৰ দেউতায়ো খুব ভাল পায়। দেউতাই কয়, এইজোপাৰ সৈতে হেনো তেওঁৰ শৈশৱৰ স্মৃতি জড়িত হৈ আছে।'

'হয় নেকি? তুমি ভাল পোৱা নে নাই পিছে?'

'ভাল পাওঁ বাইদেউ, সকলো গছেই ভাল পাওঁ। স্কুলত সৰুৰে পৰা ছাৰ-বাইদেউসকলে গছ ৰুবলৈ কৈছিল আৰু নিজে ৰুইছিলো।'

'বঢ়িয়া, ভালদৰে যতন ল'বা দেই।'

'হ'ব বাইদেউ।'

সিহঁত আগবাঢ়িল। সৃষ্টিয়ে ভাবিলে প্ৰধান শিক্ষকজনৰ গছজোপাৰ প্ৰতি ইমান আবেগ নে? কি ঠিক, তেখেত তাইৰ কোনোবা চিনাকীও হ'ব পাৰে। কিন্তু কোন হ'ব পাৰে। তাই হঠাতে ছোৱালীজনীক সুধি দিলে,

'মইনা, তোমাৰ দেউতাৰ নাম কি?'

'পলাশ শইকীয়া।'

কি... আচৰিত, পলাশ প্ৰধান শিক্ষক। তাই ভাবিলে, পলাশৰ লগত ভালদৰে কথা পাতিব লাগিব। হাঁহি হাঁহি আগতে পলাশে প্ৰায়েই কৈছিল— 'তহঁত ছোৱালীকেইজনী পিছলৈ বিয়া হৈয়ে যাবি। আমাৰ সপোনৰ কামবোৰ কৰিবলৈ আমি ল'ৰা দুজনে থাকিব লাগিব।' এতিয়া হয়তো সি ক'ব— 'কৈছিলোঁ নহয়, বিয়া হৈ যাবি বুলি।'

ফুৰি-চাকি সিহঁতৰ ঘৰ আহি পায়েই ঘৰত পলাশৰ কথা সুধিলে। ঘৈণীয়েকে ক'লে— 'এখেত আহিয়েই পোৱা নাই নহয়।'

(৩)

পলাশ আহি পোৱাত দেৰি হ'ল। গাটো খুব ভাগৰুৱা হৈ আছিল বাবেই চাগে সেইদিনা সোনকালে টোপনি আহি গ'ল সৃষ্টি। পিছদিনা পুৱা উঠিও পলাশক লগ নাপালে। স্কুলৰ কামৰ ব্যস্ততাৰ বাবে সোনকালেই স্কুললৈ গ'ল। তাই গা-পা ধুই নিৰ্দিষ্ট সময়ত স্কুলত উপস্থিত হ'ল। সেইদিনা এফালৰ পৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে চিনাকী হৈ গ'ল। 'বাইদেউ মোৰ নাম তৰালী মেধি। মোৰ স্বামীও ইয়াৰে শিক্ষক, তেওঁৰ নাম সনদ্বীপ মেধি।'

'হোৱাট? তৰালী।'

'হয় বাইদেউ'

'সেই যে মনে মনে চকলেটতো আনি অকলে খাই পেলালে ঠেহ পতা ছোৱালীজনী। এম আই ৰাইট?'

'আচৰিত, আপুনি কেনেকৈ জানিলে?'

এনেতে কোনোবা দুজনমান শিক্ষকে আহি সৃষ্টিক মাতি লৈ গ'ল। তৰালীয়ে কিছু সময় কিছু দোধোৰ-মোধোৰ চিন্তাত ডুব গৈ থাকিল।

দুপৰীয়া সময়। এপাকত তৰালীয়ে সৃষ্টিক একাষৰীয়াকৈ মাতি আনিলে। গছ এজোপাৰ তলত পাৰি থোৱা চকী এখনত নিজে বহি আনখনত সৃষ্টিক বহিবলৈ দিলে। তৰালীয়ে আৰম্ভ কৰিলে—

'তই সেই সৃষ্টিয়েই নহয়নে? সৃষ্টি বৰুৱা?'

'চিনি পালি মানে এতিয়া?'

'পাইছোঁ দে এতিয়া। বৰুৱাৰ পৰা ফুকন হৈ গ'লি আৰু কেনেকৈ চিনি পাম কচোন? তই ক'ত থাক এতিয়া?'

'গুৱাহাটীতে থাকোঁ অ'। কলেজ এখনত অধ্যাপিকা। বহুবছৰ হ'ল। বিয়াৰ পিছত তেখেতেই পঢ়ুৱালে।'

'সঁচাই তই লাকী দে। ভালদৰে পঢ়ি-শুনি ভাল চাকৰি কৰিব পাৰিছ।'

'চলি আছোঁ আৰু। ভালেই নালাগে জানানে। তহঁতৰ দৰে পৰিৱেশত থাকি চাকৰি কৰিবলৈ খুব মন যায়। মহানগৰীৰ পৰিৱেশটো খুব অসহ্যকৰ লাগে। বাৰু তোৰ মনৰ কথা কচোন। পলাশ প্ৰধান শিক্ষক নহয়নে? আৰু জবাৰ কি খবৰ? আছেনে তাই?

'আছোঁ দে আমি ভালেই। চাকৰি কৰি মনৰ লগত বিয়া হ'লোঁ। এতিয়া ভালকৈয়ে চলি আছোঁ আৰু। পলাশ স্কুলখনৰ প্ৰধান শিক্ষক হ'ল। জবাৰহে খবৰ নাপাওঁ।'

'আগৰ কথাবোৰ কেতিয়াবা বৰকৈ মনত পৰে জাননে। কি দিন আছিল ন সেইবোৰ। মনত আছেনে পলাশ, জবা, মন, তই আৰু মই যে সৰুতে একেলগে খেলিছিলোঁ। আমাৰ এৰা-এৰিয়েই নহৈছিল। আমি একেলগে মাজে মাজে গছপুলি ৰুইছিলোঁ। ডাঙৰ হ'লে কৰিবলৈ কিমান যে পৰিকল্পনা আছিল। একেলগে লগ হৈ

আমি গাওঁখন সেউজ কৰি তুলিবলৈ সপোন দেখিছিলোঁ। অৰণ্য এখন গঢ়ি তোলাৰ কিমান হেঁপাহ আছিল। সপোনৰ সেই সৰু অৰণ্যখনে এতিয়াও আমনি কৰে জান। সময়ৰ লগত কিবা বেলেগ হৈ গ'ল দেখোন জীৱনটো। দাদাহঁতো গুৱাহাটীলৈ গুচি আহিল। এইফালে অহা নহ'লেই আৰু।'

'হয়দে... পলাশ, মন আৰু মই এতিয়াও আমি ভবা কামবোৰ কৰি আছোঁ। স্কুলখনত প্ৰায়ে গছপুলি ৰোপণ কৰে আৰু ছাত্ৰ-ছাত্ৰীবোৰৰ মাজতো বহুখিনি সজাগতা আনিছোঁ। মুঠতে আমাৰ শৈশৱৰ সপোন পূৰণ হোৱা বুলিয়েই ক'ব পাৰি। জবা আৰু তইহে নাই।'

'জবাৰ কি হ'ল ? ক'ত থাকে তাই জাননে ?

(৪)

এইবাৰ তৰালীয়ে জবাৰ কথা এফালৰ পৰা কৈ গ'ল...।

তহঁত ইয়াৰ পৰা যোৱাৰ কিছুদিন পিছতেই তাইক চাবলৈ ল'ৰা এজন আহিছিল। বহুত ধনী ঘৰৰ ল'ৰা আছিল। তাইৰ বিয়াত বহিবলৈ একেবাৰেই মন নাছিল। তইতো জানই তাইৰ পঢ়ি-শুনি চাকৰি কৰিবলৈ কিমান যে মন আছিল। তাই বিয়াৰ আগতে মোক প্ৰায়েই কৈছিল,

'মোৰ পঢ়া-শুনা আৰু নহ'বই দে। বিয়াৰ পিছত মই আহি থাকিম। আমাৰ কামবোৰ একেলগে কৰিব লাগিব নহয়। সৰু অৰণ্যখন গঢ়ি তুলিব লাগিব।'

কিন্তু সেয়া বাস্তৱত হৈ নুঠিল। বিয়াৰ হৈ যোৱাৰ দিন ধৰি তাইক ঘৰৰ পৰা ওলাবই নিদিলে। আনকি তাই নিজৰ ঘৰলৈকো নহা হ'ল। এদিন আমি তাইৰ তালৈ গৈছিলোঁ। কিন্তু তাইৰ শাহু-শহুৰ ভাল মনৰ মানুহ নাছিল। আমাৰ লগত ভালকৈ কথা পাতিবলৈকে নিদিলে তাইক। ঘৰৰ কাম কৰোঁতে, সকলোৰে দায়িত্ব লওঁতে তাই নিজৰ যত্ন ল'বলৈ পাহৰিয়েই থাকে। ঘৰখনে তাইক বান্দীৰ দৰে ব্যৱহাৰ কৰিছিল। এদিন নাজানো কি হ'ল, তাই একেবাৰে নিজৰ ঘৰলৈ চিৰদিনৰ বাবে গুচি আহে। সেইবাৰ আহি তাই আমাক লগ ধৰে। মই তেতিয়া নতুনকৈ চাকৰিত জইন কৰিছোঁ। তাই কয়, 'আমি আমাৰ কাম আৰম্ভ কৰোঁ দে। মই আৰু তালৈ নাযাওঁ। তাত থাকিলে উশাহটো কোনোবাদিনা শেষ হৈ যাব অ'।' এদিন পলাশ, মই, মন আৰু তাই মিলি বৈঠকত বহোঁ। আমাৰ সৰু অৰণ্যখন কেনেকৈ আৰম্ভ কৰিম, স্কুলৰ আৰু গাঁৱৰ ল'ৰা-ছোৱালীবোৰক কেনেদৰে এই সম্পৰ্কে সজাগ কৰিম সেই বিষয়টো লৈ বহুসময় আলোচনা কৰোঁ। দুদিন পিছৰ পৰা আমি আমাৰ কাম আৰম্ভ কৰাৰ কথা। আমাৰ যে কত কি পৰিকল্পনা। কিন্তু পিছদিনাখন খবৰ পালোঁ যে পুৰাই তাই আকৌ শহুৰেকৰ ঘৰলৈ গুচি গৈছে। হয়তো ভায়েক-ভাই বোৱাৰীয়েকে জোৰ কৰি পঠিয়াই দিছিল। কাৰণ শহুৰেকৰ ঘৰ এৰি গুছি অহাৰ দিন ধৰি সদায় তাইক ঘৰৰ মানুহে নানা কথা শুনাই আছিল। তাৰ পিছত আৰু তাই কোনো দিনে এই গাঁৱলৈ অহা নাই। এতিয়া তাই ক'ত থাকে, কেনেকৈ থাকে আমি একো নাজানো। তাই নোহোৱা হৈ যোৱাত আমাৰ কামবোৰ আৰু আগ নাবাঢ়িল। এতিয়া নিজৰ স্কুলখনৰ ছাত্ৰ-ছাত্ৰীসকলকেই পৰিৱেশ সম্পৰ্কে সচেতন কৰি ৰাখিছোঁ। গছপুলি আনি দি সিহঁতক ৰুবলৈ দিওঁ। সিহঁতে বৰ সুন্দৰকৈ যতন লয়।

কথাখিনি শেষ কৰি তৰালীয়ে এটি হুমনিয়াহ কাঢ়িলে। সৃষ্টিৰ চকুযুৰি সেমেকি গ'ল।

(৫)

গুণোৎসৱৰ দিনকেইটাৰ উপৰিও সৃষ্টিয়ে তাত দুদিন বেছিকৈ থাকিল। এইকেইদিন তৰালী, মন আৰু পলাশৰ লগত তাই বহুত কথা পাতিলে। বহু দিনৰ মূৰত তাইৰ আকৌ পুৰণি দিনবোৰলৈ ঘূৰি যোৱা যেন লাগিল। কলেজৰ অধ্যাপক কৌস্তুভৰ লগত তাইৰ ককায়েকে প্ৰায় জোৰ কৰিয়েই বিয়া দিছিল। বিয়া হৈ গৈ অৱশ্যে তাই কষ্ট পোৱা নাছিল। কৌস্তুভে তাইক পঢ়ুৱাইছিল আৰু শেষত তেওঁৰ লগত একেখন কলেজতে একেটা ডিপাৰ্টমেণ্টতে চাকৰি পাইছিল। সুখী আছিল তাই। তথাপিও তাইৰ সপোনটিয়ে মাজে মাজে আমনি কৰি আছিল। তৰালীহঁতলৈ মনত পৰিছিল। একেলগে কৰিম বুলি ভবা কামবোৰ কৰিবলৈ নিজৰ গাঁওখনলৈ যাবলৈ মন গৈছিল। কিন্তু যাবলৈ আহৰিয়েই পোৱা নাছিল। মহানগৰীয়া জীৱনটোৰ কোলাহল, ব্যস্ততাত অভ্যস্ত হৈ তাইৰ মনৰ সেউজ সপোনটি মনতে মৰহি গৈছিল।

গুণোৎসৱৰ দিনকেইটা পাৰ হৈ গ'ল। সৃষ্টিৰ উভতি যাবৰ সময়ো হ'ল। যোৱাৰ পৰত তাই পলাশ, তৰালী আৰু মনক মাত লগালে।

'যাওঁ দে। এইকেইটা দিন কেনেকৈ গ'ল গমকে নাপালোঁ। মই আহি থাকিম। এতিয়াও সময় শেষ হৈ যোৱা নাই। আমাৰ শৈশৱৰ সৰু অৰণ্যখন গঢ়ি তুলিব লাগিব। আমাৰ স্কুলৰ বাহিৰেও বেলেগ বেলেগ স্কুললৈ গৈ এই সম্পৰ্কে সজাগতা আনিব লাগিব। আমি দেখা সপোনটি নতুন প্ৰজন্মটোকো দেখুৱাই দিব লাগিব। আমাৰ গাঁৱৰ লগতে প্ৰতিখন গাঁৱতে একোখনকৈ সৰু অৰণ্য গঢ়ি উঠিব লাগিব। আমাৰ সেউজ সপোনটি পূৰণ হ'বই লাগিব।'

সিহঁতেও একেলগে কৈ উঠিল, 'হয় দে। আমাৰ সেউজ সপোনটি পূৰণ হ'বই লাগিব।'

সৃষ্টিৰ গাড়ীখন গৈ থাকিল। নাহৰজোপা পাওঁতেই তাই ক্ষন্তেক ৰৈ দিলে। সেই নাহৰজোপা আছিল সিহঁতে একেলগে ৰোৱা প্ৰথমজোপা গছ। আজিও আছে সিহঁতৰ পুৰণি দিনৰ সাক্ষী হৈ। কৌস্তুভে ফোন কৰিলে 'উভতিলানে ? সোনকালে আহা, কালিলৈ ডিপাৰ্টমেণ্টত এখন চেমিনাৰ আছে। প্ৰস্তুতি চলাব লাগিব। ডিপাৰ্টমেণ্টৰ অধ্যাপক গোটেইকেইজনকে প্ৰয়োজন।'

তাই পুনৰ ঘূৰি গ'ল ব্যস্ততাৰ পৃথিৱীখনলৈ। নাহৰজোপালৈ এবাৰ চাই পুনৰ গাড়ীখন ষ্টাৰ্ট দিলে। মনতে ভাবিলে 'আকৌ আহিব লাগিব। সপোনটি বাস্তৱ কৰিব লাগিব।'

# নিসংগ চৰাই

**ৰক্তিমা দত্ত**
স্নাতক ষষ্ঠ ষান্মাসিক
ইংৰাজী বিভাগ

(১)

পুহ মাহ। গোটেই পৃথিৱীখন শীতে অধিকাৰ কৰি বহি আছে। দুই এটা ওজৰ-আপত্তি থাকিলেও কিন্তু এই সময়খিনিৰ এক সুকীয়া মাদকতা আছে। আঘোণৰ সোণ চপাই অনাৰে পৰা সৰিয়হেৰে গোটেইখন হালধীয়া হোৱালৈ, কিমান যে ভাল লগা এই সময়খিনি। কেৱল এইখিনি সময় বুলিয়েই নহয়। গাঁৱত থকা প্ৰতিগৰাকী মানুহৰ বাবে বছৰটোৰ বাৰটা মাহ সমানে ভাললগা। ঋতু, মাহ ভেদে ভাললগাৰ উৎস বেলেগ বেলেগ হয় যদিও সেই একেই হেঁপাহ, একেই আনন্দ। জনা হোৱাৰে পৰা এই আকাশ, বতাহ, পথাৰবোৰৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছে। সেউজীয়াবোৰ হালধীয়া হোৱালৈ, চিৰাল ফাট মেলা পথাৰবোৰ পানীৰে নেদেখা হোৱালৈ সকলো যেন চকুৰ পচাৰতে ঘটি থাকে।

বতৰে লগ দিয়ালৈ পথাৰবোৰ ভৰি থাকে। এইটো বছৰত বানপানীয়ে



বৰকৈ জুৰুলা কৰিলে। খেতি বৰ ভাল নহ'ল। এতিয়া খৰালি কাল। ধান চপাই সৰিয়হ সিঁচি দিয়াৰ সময়। গাঁৱৰ আন মানুহবোৰৰ লগতে আমাৰো দ পথাৰত সৰিয়হৰ খেতি কৰা হৈছে। আন সময়ত নহ'লেও এইখিনি সময়ত পথাৰলৈ যোৱাটো মোৰ পুৰণি অভ্যাস। ভাত কেইটা খাই উঠিয়ে দেউতাৰ লগত পথাৰলৈ ওলালোঁ। আমাৰ ঘৰৰ পৰা ছয়-সাত মিনিটৰ বাট। ৰাস্তাৰে নগৈ

আমি পথাৰে পথাৰে পোনালোঁ। পথাৰখনে নিজৰ সন্তান সৰিয়হখিনিক লালন-পালন কৰিছে। চকুৰে মনিব পৰালৈ কেৱল হালধীয়া। সূৰুযটোৱে সৰিয়হখিনিৰ পাছফালে লুকাই উভতি যোৱাৰ যো-জা চলাইছে। এটা জীয়া কবিতা যেন-

'গতানুগতিক

এই অহা আৰু যোৱা

তথাপিও যে কত হেঁপাহ"

সময়খিনি মোবাইলত বন্দী কৰি ৰাখিবলৈ চেষ্টা কৰিলোঁ। ইফাল-সিফাল কৰোঁতে দুই এডাল সৰিয়হ ঢলি পৰিল। দেউতাই ধমকি দিলে। পথাৰৰ ওখোৰা-মোখোৰা বাটেৰে ছন্দোবদ্ধ কবিতা আগুৱাই গৈ আছে ঘৰমুৱা গৰু আৰু মানুহবোৰ। পুনৰ অহাৰ প্ৰতিশ্ৰুতি দি সূৰুযটো যাবলৈ ওলাইছে। আন্ধাৰে ঠাই দখল কৰিবলৈ সুযোগ বিচাৰি আছে।

পিছদিনা ৰাতিপুৱা কলেজলৈ যাবলৈ ওলোৱা পৰ্ব চলি আছে। ৰাতি দেৰিলৈকে আং-বাং কৰি থকাৰ ফলতে পুৱা ন বজাৰ ক্লাছটো পাবলৈ কমখন দৌৰা-দৌৰি হয়নে! গোটেইখন এখন একাংকিকা নাটৰ দৰেই। আজিও এই নাটক চলি আছে। তেনেকুৱাতে তপন দাদাই দৌৰি আহি ক'লে— 'মাষ্টৰণী বৰমা ৰাতিয়ে ঢুকাই থাকিল।' হঠাতে কি হ'ল মই ভালদৰে বুজি উঠাৰ আগতেই তপন দাদাৰ পাছে পাছে সৰু খুৰা, মা আৰু দেউতাও গ'লগৈ। মই পিন্ধি থকা ইউনিফৰ্মযোৰ সলাই থলোঁ। তেতিয়া আমাৰ চোতালেৰে মামনি বাইদেউ আৰু মৰমী বাইদেউ দৌৰা দৌৰিকৈ গ'ল। তেওঁলোকৰ পাছে পাছে ময়ো গ'লোঁ। গৈ পোৱালৈ বৰমাৰ চোতালত মানুহৰ ভিৰ। সকলোৱে আলোচনা কৰি আছে কেনেকৈ কি হ'ল। মই বৰ বেছি আও-ভাও নাপালোঁ। তপন দাদা, সৰু খুৰাহঁতে বৰমাৰ পুতেক-বোৱাৰীয়েক, জীয়েক-জোঁৱায়েকক ফোন কৰাত লাগিছে। আবেলিলৈ বৰমাৰ সম্পৰ্কীয় সকলো আহি পালে। তাৰ পাছতে মৃতদেহ সৎকাৰ কৰিবলৈ লৈ গ'ল। সৰু খুৰা আৰু দেউতা শ্মশানৰ পৰা ঘৰলৈ আহোঁতে ৰাতি এঘাৰটা মান বাজিল।

(২)

প্ৰণতি দত্ত। মানে মোৰ সম্পৰ্কীয় বৰমা। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী। অৱসৰ লোৱা প্ৰায় পোন্ধৰ বছৰ মানেই হ'ল। বৰদেউতাও চাকৰিয়াল আছিল। কেইবছৰ মান আগতে মানুহজন ঢুকাই থাকিল। চাকৰিৰ তাগিদাত অ'ত-ত'ত ঘূৰি ফুৰোঁতে তেওঁলোকৰ স্থায়ীকৈ ঘৰ এখনৰ কথা ভবাই হোৱা নাছিল। ল'ৰা-ছোৱালী দুটাকো তেনেকৈয়ে পঢ়ুৱালে। দুয়ো অৱসৰৰ পাছতে গাঁৱলৈ আহি নিগাজীকৈ থাকিবলৈ ল'লে। চাকৰিৰ পাছত যেনিবা তেওঁলোকৰ ঘৰ এখন হ'ল। সেয়াও ঠিক ঘৰ বুলিব নোৱাৰি। ঘৰৰ নামত চাৰিসীমাৰে আৱৰা দুটা কোঠাহে মাত্ৰ। আমাৰ ঘৰৰ ওচৰতে তেওঁলোকৰ ঘৰটো। তালৈ অহা-যোৱা নহয় যদিও ৰাতিপুৱাৰ পৰা ৰাতিলৈ তেওঁলোকৰ ঘৰখনৰ খবৰ বাতৰি মই ধুনীয়াকৈ পাই থাকোঁ। বৰমাৰ মোবাইলটোৰ কিবা বিসংগতি হ'লেই তেওঁ মোৰ ওচৰলৈ আহি ওলায়।

বৰমাৰ দুটা সন্তান। মুকুল দাদা আৰু মইনা বাইদেউ। সুযোগ্য সন্তান নে কি মই নাজানো বাৰু। দুয়োটাৰে বিয়া-বাৰুৰ লেঠা সামৰি বৰমা এতিয়া সম্পূৰ্ণ আজৰি। মুকুল দাদা আৰু তেওঁৰ পৰিয়ালটো কৰ্মসূত্ৰে বাংগালোৰত থাকে। পৰিয়াল মানে মুকুল দাদা, বৌ আৰু তেওঁলোকৰ একমাত্ৰ সন্তান টুকু। টুকুৰ ভাল নামটো জনাৰ সৌভাগ্য মোৰ এতিয়ালৈকে হোৱা নাই। বাকী থাকিল বৰমাৰ ছোৱালীজনী। মই সৰু হৈ থাকোঁতেই তেওঁৰ বিয়া হৈছে। তেওঁলোকৰ পৰিয়ালটোৰ বিষয়ে মই ভালদৰে নাজানো। বছৰত দুবাৰমান আহে বৰমাৰ ওচৰলৈ। মোৰ মাজে মাজে ভাৱ হয় মাকৰ ওচৰলৈ বছৰত এবাৰ দুবাৰ অহা অহা জীয়েক এখেতেই নেকি? মুকুল দাদাৰো একেই ৰুটিন। দুবছৰমান আগতে এবাৰ এমাহমান থকাকৈ আহিছিল। শাহু-বোৱাৰীৰ ফেমেলী ড্ৰামাখন আমাৰ গাঁৱত খুব জনপ্ৰিয় হৈছিল।

আজিকালি বৰমা ঘৰখনত অকলে থাকে। ঘৰত থকাতকৈ [illegible] তেওঁ বাহিৰতে কটায়। তেওঁৰ ক'ত কি ইমান কাম কোনেও নাজানে। আমাৰ ঘৰলৈও অহা-যোৱা কৰি থাকে। মানুহগৰাকী দিনক দিনে অদ্ভুত আৰু অস্বাভাৱিক হৈ পৰিছে। যাকে লগ পায় কেৱল তেওঁৰ ঘৰলৈ মাতে। তেওঁৰ হেনো অকলে থাকি ভাল নালাগে। আজিকালি তেওঁক দেখিলেই মানুহবোৰ পলাই। সিদিনা মোকো তেওঁৰ ঘৰত থাকিবলৈ সাতবাৰ মান লগ ধৰিছিল। অকলে অকলে টোপনি নাহে হেনো তেওঁৰ। নিসংগতাই তেওঁৰ মান মগজুত কিজানি নিগাজীকৈ ঘৰ সাজি লৈছে।

(৩)

দুপৰীয়াৰ সময়। কলেজৰ পৰা ঘৰলৈ আহি আছোঁ। আমাৰ চ'কৰ তিনিআলিটো পাওঁতেই গাড়ীখন ৰখাই দিলে। ভাড়াটো দি নামি আহিলোঁ। হঠাতে বৰমাক দোকান এখনৰ পৰা ওলাই যোৱা দেখিলোঁ। খুব জৰুৰী কথা পাতি থকাৰ ভংগীমাত ফোনটো কাণত লৈ খোজকাঢ়ি গৈ আছে তেওঁ। মই গৈ তেওঁ

যিখন দোকানৰ পৰা ওলাই গৈছিল তাৰ ওচৰ পালোগৈ। মানুহ দুজনমানে কথা পাতি থকা শুনিলোঁ—

ঃ মানুহগৰাকীক দেখিলে বৰ বেয়া লাগে।

ঃ হয় হে। পুতেক-বোৱাৰীয়েক, জীয়েক-জোঁৱায়েক, নাতি-নাতিনী সকলো থকাৰ পাছতো ইমান অকলশৰীয়া।

ঃ কিহৰনো অকলশৰীয়া হে! গোহাঁই বোলাজন আছেই দেখোন।

তাৰ পিছৰখিনি আৰু মোৰ কাণত নপৰিল। কিন্তু মই নিশ্চিত হ'লোঁ যে তেওঁলোকে বৰমাৰ কথাই কৈ আছিল। কথাকেইটাৰ অৰ্থহে ভালদৰে নুবুজিলোঁ। ঘৰলৈ আগবাঢ়িলোঁ। বৰমা গাড়ীত গ'ল হেনো। তেওঁক আৰু নেদেখিলোঁ। ৰাস্তাৰে আহি থাকোতে মই বৰমাৰ মুখখন মনত পেলালোঁ। তেওঁক অলপ অস্বাভাৱিক যেন লাগিল। ক'ব নোৱাৰা কিবা এটা যেন তেওঁ মনত লালন-পালন কৰি ৰাখিছে। ভাবি ভাবি মই ঘৰ পালোহি।

কাপোৰ সলাই মুখ হাত ধুই আহিলোঁ। মায়ে পাকঘৰৰ পৰা ভাত খাবলৈ চিঞৰি আছে। মন নথকা সত্ত্বেও ভাত খোৱাৰ নিয়মটো কৰি আহিলোঁ। বিচনাখনত শৰীৰটো এৰি দিলোঁ। কাষতে কিতাপ এখন আছিল। কবিতাৰ কিতাপ। সেইখনকে মেলি ল'লোঁ। মনে বিচাৰি থকা কবিতাটো সহজতে পোৱা গ'ল। শ্যেলীৰ "Ode to the West Wind" ইংৰাজী কবিতাৰ আটাইতকৈ ভাললগা কবিতা এইটো মোৰ। হাইলাইট কৰি থোৱা শাৰীটোলৈ চকু গ'ল—

"If Winter comes, can Spring be far behind!"

মোৰ জীৱনৰ প্ৰতি ধাৰণা কি বুলি সুধিলে মই এইকেইটা শব্দই আওৰাম। কেতিয়া টোপনি আহি চকুত ঘৰ সাজি ল'লেহি মই গমেই নাপালোঁ। সন্ধিয়া মায়ে মাতি থকাতহে সাৰ পালোঁ। ঠাণ্ডাৰ দিনত বিচনা এৰি যোৱাটো পাহাৰ বগোৱাৰ নিচিনাই হৈ পৰে। তথাপিও বিচনা এৰিলোঁ। গৈ জুইকুৰাৰ কাষতে বহিলোঁ। তাত আগৰে পৰা সৰু খুৰা, দেউতা আৰু আমাৰ ওচৰৰে তপন দাদা বহি আছিল। তেওঁলোকে পাতি থকা কথাৰ মাজতে মই এবাৰ বৰমাৰ নামটো লোৱা যেন পালোঁ। ইমান নাভাবি মোবাইলটো উলিয়াই ল'লোঁ। মনটো মোবাইলৰ পৰা তেওঁলোকৰ কথাৰ মাজলৈ গ'ল।

ঃ 'গোহাঁই আজিও আহিছিল নহয়।' —তপন দাদাই ক'লে। তেনেকুৱাতে মায়ে মাতিলে। বাকীখিনি কথা শুনিবলৈ নাপালোঁ। শুনাখিনিও ভালদৰে নুবুজিলোঁ।

(৪)

ঃ আপোনাৰ ওচৰলৈ মই...

বৰমাই কথাখিনি কৈ থাকোঁতে হঠাৎ মুকুল দাদাই প্ৰচণ্ড জোৰেৰে তেওঁৰ ফোনটো কাঢ়ি লৈ খঙত ক'বলৈ ধৰিলে— 'আপুনি সদায় সদায় কিয় মালৈ ফোন কৰি থাকে? ইমান কি গোপন কথা থাকে আপোনালোকৰ? কিবা জৰুৰী কথা থাকিলে মই থকা সময়ত ঘৰলৈ আহিব। নাতি-নাতিনীৰ লগত খেলি থাকিব লগা সময়ত এনেদৰে ওঠৰ বিশ বছৰীয়া ল'ৰা-ছোৱালীৰ দৰে ফোনত গোপনে কথা পাতি থাকিলে আপোনালোকক শোভা নাপায়। মোৰ কথা ৰিপিট কৰাৰ অভ্যাস নাই। আশা কৰোঁ আপুনি বুজিব।' ফোনটোৰ সিপাৰে থকাজনক একো কোৱাৰ সুযোগ নিদি মুকুল দাদাই ফোনটো বিচ্ছিন্ন কৰি গাৰ সমস্ত শক্তি প্ৰয়োগ কৰি টাইলচ লগোৱা মজিয়াখনলৈ দলিয়াই দিলে। লগে লগে হাড়-মূৰ ভাঙি ফোনটোৰ অকাল মৃত্যু ঘটিল। কিছু সময় গোটেই ঘৰটো মৌনতাই অধিকাৰ কৰি ল'লে। তাৰ পাছতে মুকুল দাদাই কানি-কাপোৰ সামৰি বৌ আৰু টুটুক লৈ গাড়ীখন উলিয়াই ঘৰৰ পৰা ওলায় গ'ল। বৰমাই কেৱল চায়েই ৰ'ল।

এইখিনি কথাৰ বিৱৰণ তপন দাদাই দাঙি ধৰিছিল। ঘটনাটোৰ পৰা বৰমাৰ মুখত সহজে বুজি নোপোৱা অভিব্যক্তি। লাহে লাহে আমাৰ ঘৰলৈও তেওঁৰ অহা-যোৱা কমিব ধৰিছিল। মানুহৰ পৰা হয়তো তেওঁ আঁতৰি থাকিবলৈ চেষ্টাৰ কৰিছিল।

(৫)

দুপৰীয়া ঠিক বাৰ বাজিছে। যোৱা কেইদিনমানৰ পৰা গল্প এটাই মনৰ ভিতৰত উকমুকাই আছিল। সেইটোৰ উৎপাতত্তে ওলাই আহিলোঁ, বৰমাৰ ঘৰটোৰ অভিমুখে। এক মিনিট মানৰ ভিতৰতে আহি বৰমাৰ ঘৰটো পালোঁ। বৰমাৰ মৃত্যুৰ এবছৰমান হ'ল। দুৱাৰখন মামৰে অবৈধ ভাৱে দখল কৰি লৈছে। তলাটো অৱশ্যে নতুন। চাবিপাত পকাই দিয়াৰ লগে লগে খোলা গ'ল। ঘৰখনত এতিয়া কোনো মূল্যবান সম্পদ নথকাৰ হেতুকে চাবিপাতে আমাৰ ঘৰত ঠাই পাইছে। দুৱাৰখন জোৰকৈ হেঁচি দিয়াত ভেটেকা গোন্ধ এটা নাকত লাগিল হি। ৰুমটোৰ ভিতৰলৈ যোৱাৰ পৰিৱেশ নথকাৰ সত্ত্বেও গল্পৰ প্লট এটা পোৱাৰ লোভতে সোমালোগৈ। এখোজ-দুখোজকৈ ভৰি খন আগবাঢ়ি যোৱাত চকু

দুয়োটাও ইফালে-সিফালে ঘূৰি ফুৰিলে। আৰু ত্ৰিশ চেকেণ্ডমানৰ ভিতৰতে বৈ গ'ল। মকৰাই জাল পতা ফ্ৰেমত বন্ধাই থোৱা ফটোখনত মৰহা ফুলৰ মালাডাল এতিয়াও ওলমি আছে। এৰা! সকলোৰে কথাবোৰ পাহৰিলেও মকৰাকেইটাই পাহৰা নাই। গভীৰ অন্ত দৃষ্টি থকা মানুহৰ ভংগীমাত ফটোখন চোৱাৰ যত্ন কৰিলোঁ যদিও একো নুবুজিলোঁ। এই বুজা বুজোৱাবোৰত মই বৰ ভাল নহয়। বাৰু! থাকক। এইবাৰ নিসংগতাত ককবকাই থকা বিচনাখনৰ ওচৰ পালোগৈ। ধূলিবোৰ গোটেই বিচনাখনতে আধিপত্য বিস্তাৰ কৰি শুই আছে। আমনি নকৰাই ভাল বুলি আঁতৰি আহিলে। এইবাৰ খিৰিকিৰ ওচৰ পালোগৈ। মেলি দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলোঁ যদিও সফল নহলোঁ। ব্যৰ্থতা মোৰ পুৰণি অভ্যাস। খিৰিকিখনলৈ নে মোৰ নিজৰ ওপৰতে দয়া উপজিল মই ঠিৰাং কৰিব নোৱাৰিলোঁ। খিৰিকিৰ কাষতে টেবুল এখনৰ ওপৰত মামৰে ধৰা বাকচ দুটা তুলি থোৱা আছে। বাকচ দুটা খুলি চাম নে নাচাম ভাবি থাকোতে মনৰ ভিতৰতে এখন কন্দল চলিল। শেষত এবাৰ খুলি চোৱা হওক বুলিয়ে সিদ্ধান্ত ল'লোঁ। গল্পৰ লোভত। প্ৰথমে ওপৰৰ বাকচটোতে হাত দিলোঁ। মামৰৰ উৎপাতত বাকচটো খুলিবলৈ যথেষ্ট পৰিশ্ৰম কৰিবলগীয়া হ'ল। ভিতৰত কাপোৰ দুই এযোৰ আছে। অদ্ভুত গোন্ধ এটা পালে। কাপোৰখিনি লিৰিকি-বিদাৰি থাকোতে হাতত কাগজ-পত্ৰ কিবা লগা যেন পালে। লগে লগে আঁতৰাই চালে। এখন পোকে খোৱা ডায়েৰী পালে। লগতে উৰলি যোৱা ফটোৰ এলবাম এটা। গোটেইবোৰ ফটো উৰলি গৈছে। যদিও ডায়েৰীখনৰ ভিতৰত কি আছে গম পোৱা নাছিলো তথাপিও সাংঘাটিক আকৰ্ষণীয় কিবা এটা পোৱা যেন মনতে ভাৰ হ'ল মোৰ। লোভ বাঢ়ি অহাত বাকচটো সামৰি থলে। তলৰ বাকচটো খুলি চোৱা নহ'ল। আৰু এদিন আহিব লাগিব। ডায়েৰীখন আৰু এলবামটো লগত লৈ দুৱাৰখন তলামাৰি ঘৰলৈ আহিলে। বৰমাৰ ঘৰখনৰ অধঃপতন দেখি বৰ এটা ভাল নালাগিল।

(৬)

ৰাতি ভাত-পানী খাই, পঢ়া-শুনা সামৰি আজৰি হ'লোঁ। আধৰুৱা গল্পটো যেনে-তেনে শেষ কৰিব লাগিব আজি। নহ'লে ৰক্ষা নাই। সিদিনা বৰমাৰ ঘৰৰ পৰা মই উদ্ধাৰ কৰা ডায়েৰীখন উলিয়াই ল'লোঁ। লগতে গৰমপানী এবটল। ডায়েৰীখন খুলি চাই গম পালোঁ যে এইখন ঠিক ডায়েৰী নহয়। একপ্ৰকাৰ চিঠি বুলিয়েই ক'ব পাৰি। কনফেচ'নৈল চিঠি।

১৯৯২ চন। বজালীৰ একেবাৰে ভিতৰৰ গাঁও এখনত মোৰ ঘৰ। আমাৰ ল'ৰা-ছোৱালী পাঁচটা। মই সকলোতকৈ ডাঙৰ। পিতাই অসুস্থ। দৰবৰ জোৰতে জীয়াই থকাৰ নিচিনা। মই স্কুলত চাকৰি পোৱা তিনিবছৰমান হৈছে। যাতায়তৰ অৱস্থা শোচনীয় হোৱাৰ বাবে খোজকাঢ়িয়ে অহা-যোৱা কৰিব লাগে। চাকৰিৰ প্ৰথমটো বছৰ কেৱল ক্লাছতে সীমাবদ্ধ হৈ আছিলোঁ। পাছৰ বছৰৰ পৰা স্কুলৰ বাহিৰৰ-ভিতৰৰ কাম-কাজবোৰত জড়িত হ'লোঁ। সেই সূত্ৰে চিনাকীও বাঢ়ি আহিল। আমাৰ স্কুলৰ বাহিৰৰ-ভিতৰৰ কাম-কাজবোৰত জড়িত হ'লোঁ। সেইসূত্ৰে চিনাকীও বাঢ়ি আহিল। আমাৰ স্কুলৰে অতনু গোহাঁই নামৰ বিজ্ঞানৰ শিক্ষকজনৰ লগত তেনেকৈয়ে ভাল সম্পৰ্ক এটা গঢ়ি উঠিল। খুব শান্ত, উদাৰ, নম্ৰ আৰু সকলো ছাত্ৰ-ছাত্ৰীৰে প্ৰিয় অতনু গোহাঁই। মোৰ প্ৰিয় ব্যক্তিৰ তালিকাত তেওঁৰ নামটো অন্তৰ্ভুক্ত হ'ল। তাৰ পাছত স্কুললৈ অহা-যোৱা সকলো তেওঁৰ লগতে। সময়বোৰ গৈ থাকিল।

১৯৯৬ চন। আবেলি সময়। স্কুলৰ ল'ৰা-ছোৱালীবোৰৰ পৰীক্ষাৰ বহী চাই আছিলোঁ। হঠাতে বাহিৰত কোনোবা অহা যেন পালোঁ। মই ওলাই যোৱা নাছিলোঁ। তেনেকুৱাতে পিতাই সোমাই আহিল। মোক দৌৰা-দৌৰিকৈ মেখেলা-চাদৰ এযোৰ পিন্ধিবলৈ কৈ তেওঁ গ'ল। একো আও-ভাও পোৱা নাছিলোঁ যদিও কাপোৰযোৰ পিন্ধি ললোঁ। এইবাৰ আয়ে ল'ৰা-লৰিকৈ আহি মোক উলিয়াই পাকঘৰলৈ লৈ গ'ল। হাতত চাহ-মিঠাইৰ ভৰ্তি ট্ৰে এখন তুলি দি আলহী বহা ৰুমটোলৈ লৈ গ'ল। মই একান্ত বাধ্য ছাত্ৰীৰ দৰে আইৰ পিছে পিছে গ'লোঁ। কাৰো পিনে নোচোৱাকৈ গৈ টেবুলত চাহখিনি থৈ দিলোঁ। মই পৰিস্থিতিৰ বুজ ল'বলৈ নৌপাওতেই পিতায়ে কলে— 'এয়া মোৰ ডাঙৰ ছোৱালী। স্কুলৰ মাষ্টৰণী।' মই সৌজন্যতা ৰাখিবলৈ নমস্কাৰ জনালোঁ। তেতিয়াহে মোৰ সন্মুখত বহি থকা মানুহ দুজনলৈ চকু গ'ল। এজন বয়সীয়া মানুহ। আনজন মোৰ সমবয়সীয়া হ'ব। বাপেক-পুতেক বুলি অনুমান কৰিলোঁ। সন্ধিয়ালৈ তেওঁলোক গ'লগৈ।

অহা মাহলৈ মোৰ বিয়া। সিদিনা আবেলি অহা ল'ৰাজনৰ লগত। পিতায়ে মোৰ মুৰত হাত ফুৰাই কৈছিল 'প্ৰকাশ ল'ৰাজন ভাল; তই আৰু আপত্তি নকৰিবি মাজনী। তই এই ঘৰখনৰ ডাঙৰ সন্তান। তোক উলিয়াই দিব পাৰিলেহে বাকী কেইটাৰ বাট মুকলি হ'ব।' তেতিয়াৰ পৰা ঘৰখনত উখল-মাখল পৰিৱেশ। আৰু মোৰ মনৰ পৰিৱেশ...? থাকক। নিলিখোঁ।

বিয়াৰ এমাহমান পাছত সকলো লেঠা সামৰি উপহাৰবোৰ

খুলি চাওঁ বুলি উলিয়াই ল'লোঁ। হঠাতে এযোৰ কাপোৰৰ সতে এটা লেফাফা চকুত পৰিল। কাপোৰযোৰ আঁতৰাই থৈ লেফাফাটো হাতত তুলি ল'লো। আখৰকেইটা দেখাৰ পাছত মোৰ আৰু বুজিবলৈ বাকী নাথাকিল চিঠিখন কাৰ। সেই চিঠিখনৰ এষাৰ কথাই মনত ৰৈ গ'ল— 'যেতিয়াই নিজকে নিসংগ অনুভৱ কৰিবা, মোলৈ মনত পেলাবা। I will be there'



প্ৰকাশৰ লগত বিয়া হোৱা এবছৰমান হ'ল। নিয়মমাফিক ভাৱে সকলো চলি আছে। ৰাতিপুৱা সি ওলাই যায়, পুনৰ গধূলিহে দেখা-দেখি হয়। ৰাতিটো থাকি ৰাতিপুৱালৈ সেই একেই ৰুটিন। পৰিয়ালে গঢ়ি দিয়া সম্পৰ্কটোৰ বাহিৰে বেলেগ একো সম্পৰ্ক গঢ়ি উঠা নাই আমাৰ মাজত।

বিয়াৰ দুবছৰমান পাছত মুকুলৰ জন্ম হ'ল। তাৰ পাছত মাইনাৰ। সময়বোৰ সিহঁত দুটাৰ লগতে গ'ল। চাকৰিৰ তাগিদাত বহুকেইখন ঘৰ-ঠাই সলোৱাও হ'ল। পৰিয়াল এটা হ'ল যদিও মন-মগজুৰ কোনোবাখিনিত নিসংগতাৰ চৰাই এজনীয়ে বাহ ল'বলৈ যা-জোগাৰ চলাবলৈ ধৰিলে। এদিন হঠাতে স্কুলৰ পৰা আহি থাকোতে লগ পালো অতনু গোহাঁইক। আমাৰ স্কুলৰ বিজ্ঞানৰ শিক্ষক। সকলোৰে প্ৰিয়, মোৰো প্ৰিয় ব্যক্তিৰ তালিকাত নাথ অন্তৰ্ভুক্ত হোৱা অতনু গোহাঁই। মোৰ বিয়াৰ পাছৰে পৰা তেওঁৰ সতে এইয়ে প্ৰথম সাক্ষাত। আমাৰ স্কুলৰ আন শিক্ষক-শিক্ষয়িত্ৰীৰ মুখত তেওঁ আন চাকৰি পাই গুচি যোৱা বুলি শুনিছিলোঁ।

ল'ৰা-ছোৱালী দুটাৰ বিয়া-বাৰুৰ লেঠা সামৰি আজৰি হ'লোঁ। দুয়োৰে নিজৰ নিজৰ সংসাৰ হ'ল। পৰিয়াল শব্দটোৰ অৰ্থ বুজাবলৈ আমি দুটাই থাকি গ'লোঁ। অৱসৰৰ চাৰিবছৰমান পাছত প্ৰকাশ ঢুকাই থাকিল। কেন্সাৰ হৈছিল। বাকী ৰ'লোঁ মই। নিসংগ চৰাইটো আহি মোৰ বুকুত নিগাজীকৈ ঠাই ল'লে।

এখেতৰ মৃত্যুৰ সাত দিনৰ দিনা অতনু আহিছিল। খবৰ ল'বলৈ। মই অৱশ্যে খবৰ দিয়া নাছিলোঁ। প্ৰয়োজনীয় দুই এষাৰ কথা পাতি গুচি গৈছিল তেওঁ। যোৱাৰ পৰত কাগজ এখনত ফোন নম্বৰটো লিখি দি গৈছিল।

চাকৰিসূত্ৰে মুকুল আৰু পৰিয়ালটো বাংগালোৰত থাকে। বছৰত এবাৰ আহে। বছৰটোৰ কেৱল সেইখিনি সময়তে ঘৰখনে প্ৰকৃত অৰ্থ বহন কৰে। বোৱাৰীজনীয়ে মোক নিজৰ মাক বুলি ভাবিব পৰা হোৱা নাই। ঘৰলৈ আহিলেই এশ এবুৰি ওজৰ-আপত্তি। মই সকলো মনে মনে শুনি থাকে, বাকী থাকিল ছোৱালীজনী। তাইয়ো চাকৰি আৰু পৰিয়ালটোৰ লগত ব্যস্ত।

ফোনত অতনুৰ সৈতে দুই এষাৰ কথা-বতৰা হয়। মাজে মাজে লগ পাওঁ। কেতিয়াবা ঘৰলৈও আহে। তেতিয়া নিসংগ চৰাইজনী ক'ৰবালৈ গুচি যায়। তেওঁ যোৱাৰ পাছতে পুনৰ উভতি আহে। মৃত্যুৰ অপেক্ষাত সময়বোৰ এনেদৰে গৈ আছে। মানুহবোৰে এই কথাটো ৰহণ সানি মনোৰঞ্জনৰ বিষয় কৰি লৈছে। লাহে লাহে ল'ৰা-ছোৱালী দুটায়ো মোক সন্দেহৰ চকুৰে চোৱা হৈছে।

আজি আবেলি এপাক পথাৰখন চাওঁ বুলিয়ে ওলাই গৈছিলোঁ। গোটেইখনতে হালধীয়া ফুলবোৰে উৎসৱ পতা যেন লাগিল। হঠাতে মোৰ সৰিয়হৰ পথাৰখনলৈ হিংসা লাগিল। মোৰ জীৱনলৈ এই সময়ছোৱা কেতিয়াও নাহিল।

মই বুটলি অনা ডায়েৰীখনত টুকুৰা টুকুৰকৈ ইমানখিনিয়ে লিখা আছিল। বটলটোৰ শেষৰকণ পানীৰ লগতে বৰমাৰ জীৱন যাত্ৰাটোৰ সামৰণি ঘটিল। গধুৰ হুমনিয়াহ এটিয়ে বৰ্তমানৰ সম্ভেদ দিয়াত ডায়েৰীখন জপাই বুকচেলফৰ সহজে ঢুকি নোপোৱা ঠাইখিনিত থলোঁ।

# মোৰ দিল্লী ভ্ৰমণ

**ইছাহক আলী**
**স্নাতক দ্বিতীয় ষন্মাসিক**
**কম্পিউটাৰ বিজ্ঞান বিভাগ**

*"নানা ঠাই ঘুৰে যি*
*নানা কথা শিকে সি।"*

সেইদিনা বুধবাৰ আছিল। পূব কামৰূপ মহাদ্যিালয়ত স্কলাৰশ্বিপ ভেৰিফিকেচনৰ কাম চলি আছিল। অইন দহজনৰ দৰে ময়ো তাত বহি আছিলোঁ নিজৰ তথ্যপাতি ভেৰিফিকেচনৰ বাবে। বহুসময় ধৰি বহি বহি অসহ্য লগাত ম'বাইলটো উলিয়াই হোৱাটচএপ অন কৰিলোঁ। লগে লগে মেছেজ আহিল যে নিৰ্দিষ্ট দুটা উন্নয়নখণ্ডৰ পৰা দুজন স্বেচ্ছাসেৱক বিচৰা হৈছে চৰকাৰৰ অমৃত কলহ যাত্ৰাৰ বাবে দিল্লীলৈ যাবলৈ। অমৃত কলহ যাত্ৰা আঁচনিটো চৰকাৰৰ এক সুন্দৰ পদক্ষেপ। চৰকাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা মাটি সংগ্ৰহ কৰি ভাৰতৰ ৰাজধানী নতুন দিল্লীত ছহিদ সকলৰ অৰ্থে যি অমৃত বাটিকা বা উদ্যান নিৰ্মাণৰ কাম হাতত লৈছে সেয়া সঁচাকৈয়ে শলাগ ল'বলগীয়া। যা নহওঁক আগ-পিছ নাভাবি নিজৰ নামটো দিলোঁ অমৃত কলহ যাত্ৰাৰ বাবে। লগে লগে ঘৰত ফোন কৰিলোঁ। অনুমতিৰ বাবে বিভিন্ন ধৰণৰ অসুবিধাৰ শেষত ঘৰৰ পৰাও মান্তি হ'ল। কেইদিনমান পিছতে খবৰ আহিল যে আগষ্টৰ ২৫ তাৰিখে দিল্লীলৈ যাব লাগে বুলি। নিজৰ মাজতে আনন্দৰ জোৱাৰ উঠিল। তাৰে কেইদিনমান পিছতে গম পালোঁ যে আমাৰ যাত্ৰাটো কিছুদিনৰ বাবে স্থগিত ৰখা হৈছে। আকৌ যেন বিষাদে ছানি ধৰিছিল। কথাবোৰ ইমানতে সমাপ্ত নহয়। ৯ অক্টোবৰ তাৰিখে নিজৰ উন্নয়ন খণ্ডত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰমুখ্যে সাংসদ দিলীপ শইকীয়া, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা আৰু জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাৰ সৈতে উপযুক্ত মঞ্চত সম্বৰ্দ্ধনা জনোৱা হয়। কোনো দিনে মঞ্চত এনেকৈ সম্বৰ্দ্ধনা নোপোৱা মইজনে যেতিয়া মুখ্যমন্ত্ৰীৰ নিজ হাতে সম্বৰ্দ্ধনা লাভ কৰিলোঁ তেতিয়া নিজৰে গা সাতখন আঠখন হোৱাৰ দৰে হৈছিল। অৱশেষত সকলো বাধা-বিঘিনি সমস্যা নেওচি নিৰ্দিষ্ট দিনটো আহিল। সেইদিনা ঘৰত যেন এক উৎসৱমুখৰ পৰিৱেশ। কিয়নো গাঁৱলীয়া ল'ৰা এজনে দিল্লীলৈ যোৱাটো মধ্যবিত্ত ঘৰৰ মানুহৰ বাবে বহুত ডাঙৰ কথা। যি কি নহওঁক ২৫ অক্টোবৰ তাৰিখে ৰাতিপুৱা ৪:৩০ বজাত সকলো লাগতিয়াল বস্তু তথা কাপোৰ-কানি সামৰি মা-দেউতাৰ আশীৰ্বাদ লৈ ঘৰৰ পৰা উন্নয়ন খণ্ডলৈ ৰাওনা হ'লোঁ। তাত কিছু সময় থাকি উন্নয়ন খণ্ডৰ পৰা বাইহাটা চাৰিআলিলৈ এক শোভাযাত্ৰাৰে আমাক লৈ যোৱা হয়। বাইহাটা চাৰিআলিত অনুষ্ঠিত কৰা সভাখনত কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তিজল্লী ডাঙৰীয়াণী, সাংসদ দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সহধৰ্মিনী ৰিণিকী ভূঞা শৰ্মা উপস্থিত আছিল। অনুষ্ঠানটিৰ শেষত আমাক কামৰূপ জিলাৰ কাৰ্যালয়লৈ লৈ যোৱা হয়। তাত বিভিন্নজনে আদৰ-সম্ভাষণ জনাই স্থানীয় বিধায়ক দিগন্ত কলিতাই পতাকা উৰুৱাই আমাৰ যাত্ৰাৰ শুভাৰম্ভণী কৰে। সন্ধিয়া ৭:৩০ বজাত গুৱাহাটীৰ হোটেল এখনত আমি ১৬ জনৰ থকাৰ ব্যৱস্থা কৰা হয়। আমি প্ৰত্যেকে যিহেতু উৎসুক হৈ আছিলোঁ গতিকে সেইদিনা ৰাতিটো সকলোৰে লগত হাঁহি ধেমালি কৰোঁতে পাৰ হ'ল। পিছদিনা অৰ্থাৎ ২৬ অক্টোবৰ তাৰিখে ৰাতিপুৱা ৭ বজাত গা-পা ধুই ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰি আমাক শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ লৈ যোৱা হয়। এইখিনিতে, আমি যিহেতু দুটাকৈ অমৃত কলহ লগত লৈ গৈছিলোঁ। ইয়াৰ এটা কলহ অসমতে থাকিব আৰু আনটো কলহ দিল্লীৰ কনকলতা বিশ্ববিদ্যালয়লৈ লৈ যোৱা হ'ব। যি কি নহওঁক, কলাক্ষেত্ৰত বিভিন্ন ৰাজনীতিকৰ লগতে অমিত শ্বাহে এক ভূমি পূজন কৰে। তাত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি বাছেৰে হোটেললৈ ঘূৰি আহিলোঁ। কাপোৰ কানি সলাই আবেলি বজাৰলৈ বুলি গ'লোঁ কিছুমান লাগতিয়াল বস্তু কিনিবলৈ। বজাৰৰ পৰা আহি চাহ-পানী খাই অলপ জিৰণি ল'লোঁ। ৰাতি ৯ মান বজাত ভাত-পানী খাই অন্য কেইজনৰ লগত কথাৰ মহলা মাৰিলোঁ। ৰাতি আৰু শোৱা নহ'ল। ২৭ তাৰিখে ৰাতিপুৱা ২:৩০ বজাতে আমাক জগাই চাহ-পানী খুৱাই ষ্টেচনলৈ লৈ যোৱা হ'ল। আমাক যাত্ৰাটোৰ শুভকামনা দিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া আহিল। ৩ বজাত ৰাজধানী এক্সপ্ৰেচত উঠি আমি দিল্লী অভিমুখে ৰাওনা হ'লো। কাহানিও ৰে'লত উঠি নোপোৱা মোৰ এই ৰে'লেৰে ভ্ৰমণ

এক নতুন অভিজ্ঞতা। যিহেতু দুটা নিশা অনিদ্ৰাৰে কটাইছিলোঁ সেয়ে ৰে'লত টোপনি আহোতে বেছি সময় নালাগিল। ৮ মান বজাত টোপনিৰ পৰা সাৰ পাই ৰাতিপুৱাৰ চাহ-পানী খাই ষ্টেচনখনৰ ভিতৰতে এপাক ঘূৰিলোঁ। যিহেতু বাহিৰ ওলোৱাৰ অনুমতি নাই। এই যে এলেহুৱাৰ দিন নাযায়, ৰাতি নুপুৱাই বুলি কথা এষাৰ আছে নিজৰে তেনেকুৱা অনুভৱ হৈছিল। তাৰ মাজে মাজে বেয়াও লাগিছিল মৰমৰ ঘৰখন এৰি অহাত। যি কি নহওঁক, গোটেই দিন ৰে'লতে কটাই ২৮ তাৰিখে ৰাতিপুৱা দিল্লীত উপস্থিত হওঁ। তাতে আমাক ঢোল-পেঁপাৰ লগতে ফুলেৰে আদৰণি জনোৱা হয়। প্ৰায় দুঘণ্টামান পাছত আমাক থকাৰ ব্যৱস্থা কৰা ঠাইখিনি অৰ্থাৎ ৰাধেশ্যামী আশ্ৰমলৈ বাছেৰে লৈ যোৱা হয়। প্ৰায় ৬:৩০ মান বজাত আমি তাত উপস্থিত হওঁ। এই আশ্ৰমখন ইমানেই ডাঙৰ যে ইয়াত একেলগে ১৫ হাজাৰ মানুহ থাকিব পাৰিব। চাফ-চিকুণৰ ক্ষেত্ৰতো লেখত ল'বলগীয়া। কাপোৰ-কানি সলাই মুখ হাত ধুই চাহ খাবলৈ গ'লোঁ। এইখিনিতে এটা কথা কওঁ, তাত থকা স্বোচ্ছাসেৱক সকলৰ অতিথিৰ প্ৰতি যি ব্যৱহাৰ সেয়া অসমবাসীয়ে অনুকৰণ কৰিবলগীয়া। সকলোৰে মুখত মিচিকিয়া হাঁহিৰে সৈতে সকলোকে নমস্কাৰ জনাই অকণো হাই-উৰুমি নোহোৱাকৈ সেৱা আগবঢ়োৱা দেখি অবাক হৈছিলোঁ। ভাত খাই আহি সকলোৱে একগোট হৈ ফুৰিবলৈ যোৱাৰ প্লেন কৰিছিলোঁ। গাঁৱলীয়া ঘূৰি-ফুৰা ল'ৰা যিহেতু তাত গৈয়ো এপাক নমৰাকে থাকিব নোৱাৰিলোঁ। দিল্লীখন সঁচাকৈয়ে বহুত ধুনীয়া। আধাঘণ্টামান ঘূৰি-ফুৰি আকৌ উভতি আহিলোঁ শুৰৰ বাবে। পাছদিনা অৰ্থাৎ ২৯ অক্টোবৰ তাৰিখে আমাক বাছেৰে দিল্লী ভ্ৰমণৰ বাবে লৈ যোৱা হয়। প্ৰথমে প্ৰধানমন্ত্ৰী সংগ্ৰাহালয়লৈ লৈ যোৱা হয়। তাতে ভাৰতবৰ্ষৰ প্ৰথমজন প্ৰধানমন্ত্ৰীৰ পৰা বৰ্তমান প্ৰধানমন্ত্ৰীলৈ যি ইতিহাস জড়িত সেয়া সকলো সন্নিবিষ্ট হৈ আছে। তাৰ পিছত অসম ভৱনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি ক্ৰমে জামে মছজিদ, চোৰ বজাৰ, লালকিল্লা ঘূৰি আহিলোঁ। সন্ধিয়া ৮ মান বজাত নিজৰ থকা ঠাইলৈ উভতিলোঁ। ৰাতি ভাত-পানী খাই শুৱ গ'লোঁ। ৩০ তাৰিখে ৰাতিপুৱা গা-পা ধুই অমৃত কলহ লৈ নিউ পৰ্লিয়ামেণ্টলৈ ওলালোঁ। যথা সময়ত আমাৰ নাম উচ্চাৰণ কৰাত আমি লৈ যোৱা কলহবোৰৰ মাটি ঢালি দুই এখন ফটো উঠাই আশ্ৰমলৈ ঘূৰি আহিলোঁ। গধূলিলৈ ফাষ্ট ফুড বিচাৰি বাহিৰ ঘূৰিলো। বহু সময় পিছত ঘূৰি আহি শুৱ গ'লোঁ। ৩১ তাৰিখে আমি মুখ্য কাৰ্য অৰ্থাৎ অমৃত কলহৰ ভূমি দানৰ বাবে সাজু হ'লোঁ। ১০ মান বজাত নিউ পাৰ্লিয়ামেণ্টত উপস্থিত হওঁ। তাত আমাৰ প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই অমৃত ভূমি দানৰ শুভাৰম্ভণী কৰে। তাৰ পিছত ক্ৰমে এখন এখন কৈ জিলাৰ পৰা অহা স্বেচ্ছাসেৱকবোৰে ভূমি দান কৰে। অকল এয়াই নহয়, সাংস্কৃতিক অনুস্থানত পৰম্পৰাগত জনজাতীয় নৃত্য কলাৰ লগতে ভাৰতীয় কণ্ঠশিল্পী কৈলাশ খেৰৰ লগতে অন্যান্য কণ্ঠশিল্পীসকলো উপস্থিত থাকে। ভাষণ শুনাৰ ধৈৰ্য আমাৰ অসমীয়াবোৰৰ নাই যিহেতু এঘণ্টামান ভাষণ শুনাৰ পাছত দুজনমান বন্ধুৰ লগত ইণ্ডিয়া গেট চাবলৈ গ'লোঁ। ইণ্ডিয়া গেটৰ পৰা উভতি আহি মেট্ৰত উঠি আশ্ৰমলৈ উভতিলোঁ। সন্ধিয়ালৈ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ ঘৰলৈ আমাক নিমন্ত্ৰণ জনোৱা হয়। তেওঁৰ ঘৰতে আমাক সম্বৰ্দ্ধনাও জনোৱা হয়। ১ তাৰিখে যিহেতু একো অনুষ্ঠান নাছিল সেয়ে আমি সকলোৰে সৰোজনী মাৰ্কেট বা বজাৰলৈ ৰাওনা হ'লোঁ। গোটেই দিনটো বজাৰ সমাৰ কৰি সন্ধিয়াকৈ উভতি আহিলোঁ। সন্ধিয়া চাহ-পানী খাই নিজৰ বস্তুবোৰ পুনৰাই বেগত ভৰালোঁ। উভতনি যাত্ৰা আৰম্ভ যে। যথা সময়ত বাছ আহি উপস্থিত হ'ল। সকলোৰে বাছত উঠি ষ্টেচনলৈ বুলি গ'লোঁ। শেষ বাৰৰ বাবে দিল্লীক বিদায় জনাই ট্ৰেইনত উঠিলোঁ। সকলোৰে মনবোৰ সেমেকা। কোৱাই হয়- যি আৰম্ভ হয় সেয়া শেষো হয়। আমাৰ যাত্ৰাও ঠিক একেই। ৰাতিলৈ আৰু ভাত খোৱা নহ'ল। পিছদিনা গোটেই দিনটো ট্ৰেইনতে কটালোঁ। এক বিৰক্তিকৰ যাত্ৰা। ৰাতিটো কিবাকৈ কটালোঁ। পিছদিনা অৰ্থাৎ ৩ তাৰিখে আমাৰ ট্ৰেইনখনে যেতিয়া অসমৰ ভিতৰত সোমাল। সকলোৰে সেমেকা মনবোৰ আনন্দলৈ সলনি কৰাত এক ছেকেণ্ড সময় নালাগিল। কাৰণ দিল্লী চহৰখন যিমানে আগবঢ়া নহওঁক কিয় অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য লগত ফেৰ মাৰিব নোৱাৰে।

সকলোৰে আনন্দত কিৰিলি পাৰি উঠিলোঁ। ঠিক তেতিয়াৰ পৰা যে সকলোৰে আনন্দৰ সীমা নাই। আমি গুৱহাটী পাওঁতে ৬ টা বাজিছিল। উহ্ আকৌ বিষাদৰ ছাঁ। ইমন সময়ে কৰি থকা আনন্দবোৰ বিষাদলৈ ৰূপান্তৰিত হওঁতে বেছি সময় নালগিল। ইমান দিনে লগত থাকি আপোন হোৱা মানুহখিনি যেতিয়া এৰা-এৰি হ'ব লগা হ'ল সকলোৰে চকু ভৰি পৰিল। আৰেগেৰে উপচি পৰিল। তথাপিও সকলোকে মত এষাৰ জনাই গাড়ীত উঠিলোঁ ঘৰলৈ আবিলৈ। ঘৰ পওঁতে প্ৰায় ৪:৩০ টা বাজিছিল। নিজৰ ঘৰখনত সোমাই যিমান আনন্দ অনুভৱ কৰিছিলোঁ সিমানে দুখ লাগিছিল এই সোণালী যাত্ৰাৰ অন্তত।

এইকেইদিনত লগ পোৱা মানুহবোৰ সঁচাকৈ আদৰৰ। জীৱনত চাগে এনেকুৱা সুযোগ নাপাম কেতিয়াও। ভালে থাকক সকলোৰে।

'অমৃত কলহ যাত্ৰা'ত কিমান লাভ-লোচচান হ'ল সময়, কষ্ট, শিক্ষা জীৱনত প্ৰভাৱ এইবোৰ কেতিয়াও জুখিব নাযাও। কিন্তু ইয়াত পোৱা স্মৃতিবোৰ গোটেই জীৱনলৈ মনত থাকিব। জ্ঞান, অভিজ্ঞতা, স্মৃতিৰে কটোৱা এইকেইটা দিন বন্ধুবৰ্গৰ সৈতে কেনেকৈ পাৰ হ'ল গমেই নাপালোঁ। এই যাত্ৰাটোত হোৱা অভিজ্ঞতাবোৰ কলমেৰে বৰ্ণনা কৰাটো অসম্ভৱ। কলেজীয়া জীৱনত এনেকুৱা এটা যাত্ৰা চিৰদিনলৈ বিশেষ হৈ ৰ'ব।

# নগাঁও ভ্ৰমণৰ কিছু স্মৃতি

পূজা ডেকা
ষষ্ঠ যান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

নজনা কথা জানিবলৈ, নেদেখা ঠাই চাবলৈ আমাৰ মন সদায় কৌতূহলেৰে ভৰি থাকে। সেই কৌতূহল আৰু আশা উদ্দীপনাৰে যোৱা ১১/৯/২২ তাৰিখে নগাঁও জিলাৰ অতি বিখ্যাত মহামৃত্যুঞ্জয় মন্দিৰ আৰু গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা দৰ্শন উপলক্ষে পৰিয়ালৰ সৈতে ওলালোঁ।

ৰাতিপুৱা প্ৰায় ৫ মান বজাত উঠি গা-পা ধুই আজৰি হৈ প্ৰয়োজনীয় সা-সামগ্ৰীবোৰ যোগাৰ কৰি লৈ প্ৰায় ৬.৩০ মান বজাত আমি আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ। মাজে মাজে গানৰ আমেজ লৈ, ৰাস্তাৰ দুয়োকাষৰ দৃশ্যাৱলীবোৰ উপভোগ কৰি, কিছু কথা-বতৰা, ধেমালি আৰু মাজে মাজে লগত নিয়া দুই এটা চকলেট খাই প্ৰায় চাৰি ঘণ্টা মান সময় যাত্ৰা কৰাৰ পাছত আমি নগাঁও জিলাত প্ৰৱেশ কৰিছিলোঁ। গন্তব্য স্থানত উপস্থিত হোৱাৰ কিছু সময় আগতেই কিছু নিলগৰ পৰা মহামৃত্যুঞ্জয় মন্দিৰৰ বিশাল শিৱলিংগটো দেখি উৎসাহ আৰু দুগুণে বাঢ়ি গৈছিল। ৪ ঘণ্টীয়া যাত্ৰাৰ পিচত আমি মহামৃত্যুঞ্জয় মন্দিৰত উপস্থিত হ'লো, সঁচাকৈয়ে তাত উপস্থিত হোৱাৰ পিছত মনটোত যেন এক শান্তিৰ বতাহে প্ৰৱেশ কৰিছিল। পোন প্ৰথমে হাত-ভৰিখিনি ধুই ওচৰৰ দোকানৰ পৰা ধূপ-চাকি কিনি লৈ চাকি-বন্তি জ্বলাই মহাদেৱৰ শ্ৰীচৰণত মূৰ দুপিয়াই সেৱা জনালোঁ। মনটো যেন পূৰ্ণতাৰে ভৰি পৰিল। আটোম টোকাৰিকৈ সজা মন্দিৰৰ ভিতৰভাগ বৰ হেঁপাহেৰে চাই গলোঁ লগতে দুই এখন ফটোও উঠিলোঁ। তাৰ লগতে লগ পালোঁ অসমৰ জনপ্ৰিয় আৰু অতি মৰমলগা গায়িকা দীপলিনা ডেকা বাইদেউক। তেওঁৰ লগত কথা পাতি বৰ ভাল লাগিল।

এনেদৰে মাহ প্ৰসাদ খাই কিছু সময় অতিবাহিত কৰি আমি পুনৰ আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ বৰদোৱা সত্ৰলৈ। মহামৃত্যুঞ্জয় মন্দিৰৰ পৰা মাত্ৰ কিছু নিলগত অসমীয়া জাতিৰ প্ৰাণ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱা (আলিপুখুৰী) ত উপস্থিত হ'লো। গুৰুজনাৰ জন্মস্থানলৈ যোৱাৰ উদ্দেশ্যে মায়ে বৰ ধুনীয়াকৈ বোৱা মেখেলা-চাদৰ এযোৰ পিন্ধি গৈছিলোঁ। যাত্ৰা পথৰ অতি মোহনীয়া ঠাইবোৰ উপভোগ কৰি আমি গুৰুজনাৰ নামঘৰত প্ৰৱেশ কৰি, তেওঁৰ শ্ৰীচৰণত সেৱা জনাই, তেওঁৰ সকলো সৃষ্টি, স্মৃতি সমূহ অতি গৌৰৱেৰে আৰু উৎসাহেৰে উপভোগ কৰিলোঁ। তেওঁৰ চিৰযুগমীয়া সৃষ্টি আৰু স্মৃতিসমূহ চাই নিজকে ধন্য মানিছিলে। এইবাৰ আমি গুৰুজনাৰ পদচিহ্ন চাবলৈ গ'লোঁ। অতি সযতনে ৰখা তেওঁৰ পদচিহ্নত সেৱা জনালোঁ। তাৰ পিছত পুনৰ বৃহৎ আলিপুখুৰী, আই খেৰসূতী মঞ্চ আদি দৰ্শন কৰিলো। সেই সময়খিনিত মনটো যে কিমান শান্তিৰে পৰিপূৰ্ণ হৈ আছিল সেয়া হয়তো প্ৰকাশ কৰা কিছু কঠিন হ'ব। এনেদৰে বৰদোৱা সত্ৰৰ নামঘৰসমূহ চাই, তেওঁৰ সৃষ্টিৰ গুণানুকীৰ্ত্তন শুনি সময় কেতিয়া উকলিল ধৰিবই নোৱাৰিলোঁ। সেই ঠাইখিনিৰ নান্দনিক পৰিৱেশটো এৰি আহিবলৈ একেবাৰে মনযোৱা নাছিল যদিও ৪ মান বাজি যোৱাত আমি ঘৰলৈ বুলি পুনৰ বাট পোনাইছিলোঁ। দিনটো চাহ-মিঠাই খাই পাৰ কৰাৰ পিছত ওভতনি পথত এখন ৰেষ্টুৰেণ্টত সোমাই নিৰামিষ ভাত এসাঁজ বৰ তৃপ্তিৰে খালোঁ। ঘৰমুৱা পথত জাগীৰোডৰ পুৰণি কাগজকল (বৰ্তমান বিকল) আদি দেখিলোঁ। আগতে নেদেখা অথচ ওচৰৰে ঠাইবোৰ চাই চাই আহিলোঁ। অসমত থাকি আমি আমাৰ ওচৰৰ বহুতো ঠায়েই নেদেখোঁ। কিন্তু ব্যস্ততাৰে ভৰা জীৱনৰ পৰা কিছু সময় উলিয়াই এনেধৰণৰ ভ্ৰমণবোৰ কৰিলে বহুতো নজনা কথা জানিব পাৰি লগতে মানুহৰ উৎসাহ, উদ্দীপনাও বৃদ্ধি হয়। তাৰোপৰি মানুহৰ কামৰ স্পৃহাও বৃদ্ধি হয়।

বহুদিনৰ পৰা মনত পুহি ৰখা আশা, মহামৃত্যুঞ্জয় মন্দিৰ আৰু বৰদোৱা সত্ৰ দৰ্শন সঁচাকৈয়ে বৰ ভাল লাগিল।

"নগাঁৱৰ মহামৃত্যুঞ্জয় মন্দিৰ আৰু গুৰুজনাৰ জন্মস্থানত অতিবাহিত কৰা মধুৰ সময়বোৰৰ কথা ভাবিলেই মনটো শান্তিৰে পৰিপূৰ্ণ হৈ উঠে।"

*সকলো উত্তেজিত আছিলোঁ-- প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰা আন এখন ৰাজ্যলৈ যাত্ৰাৰ বাবে। প্ৰায় ৯ঃ৩০ বজাত আমি মেঘালয়ত প্ৰৱেশ কৰিছিলোঁ। এখন পৃথক পৃথিৱী-- ৰ'দ আছিল যদিও সেমেকা বতৰ, চাৰিওফালে কেৱল সেউজীয়া, পাহাৰ আৰু মৰম লগা ঘৰবোৰ।*

# স্মৃতিৰ বোকোচাত–
# বৰাপানী, মেঘালয়

**নিদুস্মিতা ডেকা**
**ষষ্ঠ ষান্মাসিক**
**উদ্ভিদ বিজ্ঞান বিভাগ**

২০২২ চনৰ ৪ জুলাইৰ ৰাতিপুৱা ৭:৪৫ বজাত মই উপস্থিত হৈছিলোঁ পুব-কামৰূপ মহাবিদ্যালয়ৰ সন্মুখত। উদ্ভিদ বিজ্ঞান বিভাগৰ ৪ৰ্থ যান্মাসিকৰ শিক্ষামূলক ভ্ৰমণৰ বাবে আমি সাজু হৈছিলোঁ বৰাপানী, মেঘালয় যাত্ৰাৰ বাবে। বিভাগীয় অধ্যাপক ড° পৰেশ চন্দ্ৰ কলিতা ছাৰ আৰু শ্ৰদ্ধাৰ ড° দীপক কোঁৱৰ ছাৰৰ সৈতে উদ্ভিদ বিজ্ঞান বিভাগৰ ৪ৰ্থ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল (প্ৰায় **৩৫** জন) ৮ বজাত মহাবিদ্যালয়ৰ পৰা বাছেৰে বৰাপানী অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ।

সকলো উত্তেজিত আছিলোঁ-- প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰা আন এখন ৰাজ্যলৈ যাত্ৰাৰ বাবে। প্ৰায় ৯ঃ৩০ বজাত আমি মেঘালয়ত প্ৰৱেশ কৰিছিলোঁ। এখন পৃথক পৃথিৱী-- ৰ'দ আছিল যদিও সেমেকা বতৰ, চাৰিওফালে কেৱল সেউজীয়া, পাহাৰ আৰু মৰম লগা ঘৰবোৰ। দুয়োজন ছাৰ ব্যস্ত আছিল আলোচনাত, আমাৰ বাবে কোনোবা ভাল ৰেষ্টুৰেণ্টত ভালদৰে ৰাতিপুৱাৰ আহাৰৰ ব্যৱস্থা কৰিবলৈ। এখন ভাল ৰেষ্টুৰেণ্টত ভালদৰে ৰাতিপুৱাৰ আহাৰৰ ব্যৱস্থা কৰিবলৈ। এখন ভাল ৰেষ্টুৰেণ্ট, য'ত ভাল অসমীয়া খাদ্য পোৱা যায়, তাত আমি ৰাতিপুৱাৰ আহাৰৰ বাবে সোমাইছিলোঁ। ১১ঃ৩০ মান বজাত আমি তাত পৰাঠাৰ সোৱাদ লৈছিলোঁ।

পুনৰ যাত্ৰা আৰম্ভ হৈছিল বৰাপানী অভিমুখে। ১১ঃ৩০ বজাত আমাৰ গন্তব্য স্থান, Experimental Botanical Garden, Barapani, Meghalaya ত উপস্থিত হৈছিলোঁ। মেঘালয়ৰ পৃথক পৃথিৱীখনৰ ভিতৰত Botanical Garden খন আছিল অন্য এখন পৃথিৱী। কল্পনাৰে কাহানিও ঢুকি নোপোৱা এই পৃথিৱীখন আছিল মানৱ জাতিয়ে বৰ্তমানৰ পৃথিৱীখনত অভাৱবোধ কৰা এক প্ৰাকৃতিক পৰিৱেশ, শীতল জলবায়ু, প্ৰদূষণমুক্ত এখন সপোন ৰাজ্য।

Experimental Botanical Garden, Barapani ৰ Scientist Mr. B. Thumৰ মাৰ্গদৰ্শনত আৰু আমাৰ দুয়োজন ছাৰৰ নিৰ্দেশনাত আমাৰ Project Report ৰ বাবে প্ৰয়োজনীয় বিভিন্ন ধৰণৰ উদ্ভিদৰ বিষয়ে আমি তথ্য লাভ কৰিছিলোঁ। মেঘালয়ত পোৱা আৰু ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অনা বিভিন্ন প্ৰজাতিৰ উদ্ভিদসমূহৰ সবিশেষ তথ্য জানিব পাৰিছিলোঁ।

আমাক প্ৰয়োজনীয় প্ৰায় সকলো তথ্য লৈ ১ঃ৩০ মান বজাত Experimental Botanical Gardenৰ পৰা ওলাই পুনৰ যাত্ৰা আৰম্ভ কৰিছিলোঁ উমিয়াম হ্ৰদলৈ। ২ঃ১৫ বজাৰ পৰা ৩ঃ০০ বজালৈ প্ৰায় ৪৫ মিনিট সময় হ্ৰদৰ সৌন্দৰ্য্য উপভোগ কৰি আমি দুপৰীয়াৰ আহাৰৰ বাবে পুনৰ সেই ৰেষ্টুৰেণ্টখনলৈ গৈছিলোঁ। তাত সকলোৱে তৃপ্তিৰে এসাজ খাই ৩ঃ ৩০ মান বজাত পুনৰ বাছত উঠিছিলোঁ।

বাটত খাচী মহিলাসকলে বিক্ৰী কৰা নানান ধৰণৰ থলুৱা সামগ্ৰী আনাৰস, কল, আচাৰ ইত্যাদি দেখি আমিও বস্তুবোৰ চাইছিলোঁ আৰু নিজৰ পছন্দ অনুসৰি কিনিছিলোঁ। বোকোচাত কিছু স্মৃতি বান্ধি প্ৰায় ৩ঃ ৪৫ বাজত আমি বাইহাটা চাৰিআলি অভিমুখে ৰাওনা হৈছিলোঁ। প্ৰায়  বজাত বাইহাটা চাৰিআলিত উপস্থিত হৈছিলোঁ।

ইয়াতেই অন্ত পৰিছিল এটি কৌতুহল আৰু ব্যস্ততাপূৰ্ণ দিনৰ। বৰ্ণনাতীত সৌন্দৰ্য্যৰ বিষয়ে লিখিবলৈ মই অপাৰগ।

এই ভ্ৰমণ কাহিনীটি মোৰ নিজ সৃষ্টি। ইয়াত কোনো দ্বিতীয় পক্ষৰ হাত নাই।

লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী উপলক্ষ্যে আয়োজিত ৰচনা প্ৰতিযোগিতাৰ নিৰ্বাচিত ৰচনা

এক

# লাচিত বৰফুকন

**জগদীশ দাস**

**স্নাতক দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ**

**আৰম্ভণি ঃ** 'দেশতকৈ মোমাই ডাঙৰ নহয়' নিজৰ মোমায়েকক শিৰচ্ছেদ কৰা লাচিত বৰফুকনৰ দেশভক্তিৰ ভাৱপ্ৰকাশ ইয়াতকৈ আৰু একো হ'ব নোৱাৰে। লাচিত বৰফুকন ভাৰত তথা অসম বুৰঞ্জীৰ এনে এক ভোটা তৰা যি চিৰদিন নিজৰ মাতৃভূমিক সেৱা কৰি নিজৰ সাহস তথা বীৰত্বৰ পৰিচয় দাঙি ধৰিছিল। এইজনা মহান বীৰ পুৰুষৰ জন্ম হৈছিল ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে গড়গাঁৱৰ ওচৰে পাজৰে। তেখেতৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা আৰু মাতৃৰ নাম আছিল নাগেশ্বৰী। লাচিত আছিল মোমাই তামুলী বৰুৱাৰ সৰু পুত্ৰ।

**লাচিতৰ বীৰত্ব, দেশপ্ৰেম আৰু তেওঁৰ আদৰ্শ ঃ** যি সময়ত অসম দেশ আৰু অসমীয়া জাতিৰ ভৱিষ্যত বিদেশী বঙালৰ হাতলৈ যোৱাৰ উপক্ৰম হৈছিল, ঠিক সেই সময়তে নিজ মাতৃভূমিক ৰক্ষা কৰাৰ ভাৰ বৰফুকনে শিৰ পাতি গ্ৰহণ কৰিছিল। সৰুৰেই পৰা লাচিত বৰফুকন আছিল সাহসী, দেশপ্ৰেম, একগ্ৰতা আদি গুণৰ অধিকাৰী। তেওঁৰ ওপৰত ন্যস্ত কৰা দায়িত্ব নিখুতভাৱে পালন কৰাৰ ফলত তেওঁক স্বৰ্গদেউ চক্ৰধ্বজ সিংহই ৰাজ্যৰ সামৰিক বাহিনীৰ উচ্চতম পদ (বৰফুকন) পদত অধিষ্ঠিত কৰা হৈছিল। যেতিয়া তেওঁক আহোম সেনাৰ মুখ্য সেনাধ্যক্ষ হিচাপে নিযোগ কৰিছিল তেতিয়াই মোগলে গুৱাহাটী দখল কৰিছিল।

ইয়াৰ পাছতেই ইতিহাস প্ৰসিদ্ধ সৰ্ববৃহৎ শৰাইঘাট যুদ্ধৰ উকমুকনি হয়। মোগল সম্ৰাট ঔৰঙ্গজেৱে পঠিওৱা মোগল সেনাপতি ৰামসিংহই ১৬৬৯ চনত প্ৰায় ১৮০০ কৈ অধিক সৈন্যৰে অসমত উপস্থিত হয় আৰু তেতিয়াই শৰাইঘাটৰ যুদ্ধৰ আৰম্ভণি হয়। ইতিমধ্যে আলাবৈ ৰণত আহোমে ১০০০০ হেজাৰ সৈন্যক যুদ্ধ হেৰুৱাই লাচিত ভাগি পৰিছিল যদিও পিছলৈ তেওঁ সকলো সৈন্যকে একগোট কৰি যুদ্ধৰ বাবে প্ৰস্তুত কৰিছিল। ইফালে কটকীয়ে আহি বৰফুনক খবৰ দিয়ে যে মোগল আহি হাজোত কোঠ পাতিছে। সেই সময়ত আহোম সেনাৰ হাতত যুদ্ধৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি নাছিল যদিও বৰফুকনৰ সাহস, বীৰত্ব আৰু নিজ মাতৃৰ প্ৰতি থকা ভালপোৱাই নিজ ৰণ কৌশলৰে অতি কম সময়তে প্ৰস্তুতি চলাবলৈ আহোম সেনাপতি বৰফুকন ডাঙৰীয়াই নিজ মাতৃভূমিক আক্ৰমণ কৰিবলৈ অহা শতৰুক ভেটি দিবলৈ গড় নিৰ্মাণ কৰিবলৈ তেওঁৰ মোমায়েকক দায়িত্ব অৰ্পন কৰে। মোমায়েকৰ নেতৃত্বত গড় নিৰ্মাণৰ কাম তীব্ৰ গতিত চলিল যদিও এদিন নিশা নিৰ্মাণৰত অৱস্থাত বৰফুকন ডাঙৰীয়া আহি নিৰ্মাণস্থলীত উপস্থিত হয় আৰু দেখা পালে যে সকলো বনুৱা আৰু মোমায়েক গভীৰ নিদ্ৰাত। মোমায়েকৰ কামৰ গাফিলতি দেখি বৰফুকনে নিজৰ মোমায়েকৰ শিৰচ্ছেদ কৰি কৈছিল— 'দেশতকৈ মোমাই ডাঙৰ নহয়।'

বৰফুকন ডাঙৰীয়া নৰিয়াত পৰিল তথাপি নিজৰ মাতৃভূমিক ৰক্ষাৰ স্বাৰ্থত নৰিয়া দেহাৰে ব্ৰহ্মপুত্ৰলৈ নাও মেলি দিলে আৰু নিজ ৰণকৌশলেৰে এই বিখ্যাত যুদ্ধত মোগলক কচু কটা দিলে আৰু গুৱাহাটীক উদ্ধাৰ কৰিলে আৰু মোগল সেনাই অসমীয়া সেনাৰ সাহস আৰু বীৰত্ব দেখি ৰণভূমি এৰি পলায়ন কৰিলে। সদৌ শেষত ৰামসিংহ ক'লে— 'ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনা, এনেকুৱা সেনা মই ক'তো দেখা নাই।'

এনেদৰেই বীৰপুৰুষ লাচিত বৰফুকনৰ নেতৃত্বত নিজ মাতৃভূমি বিদেশী মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰে।

**সামৰণি ঃ** এইজনা বীৰ পুৰুষ নিজৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি শৰাইঘাটৰ যুদ্ধত জয়ী হ'বলৈ সক্ষম হয়। যুদ্ধৰ কিছুদিন পিছতে অৰ্থাৎ ১৬৭২ চনৰ ২৫ এপ্ৰিল তাৰিখে তেখেতে মৃত্যুক আকোৱালি লয়। লাচিত বৰফুকন হ'ল অসম তথা অসমীয়াৰ বাবে এটা চিৰসেউজ সত্বা। অসমীয়া জাতি জীয়াই থকালৈকে লাচিত বৰফুকনৰ জাতীয়তাবোধ, দেশপ্ৰেম সদায় অসমীয়াৰ তেজত প্ৰৱাহিত হৈ থাকিব। তেওঁ আজি মৰিও অমৰ। তেখেতৰ এই মহান জীৱন গাঁথাৰ বিষয়ে এখিলা বা দুখিলা পৃষ্ঠাত সীমাবদ্ধ কৰাটো মোৰ বা আমাৰ কাৰোৰে ধৃষ্টতা নাই। গতিকে এইজনা বীৰপুৰুষৰ এই ৪০০ বছৰীয়া জন্ম জয়ন্তীত শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু মোৰ ফালৰ পৰাও তেখেতলৈ জন্ম জয়ন্তীত শতকৌটি প্ৰণাম যাঁছি আজিৰ এই ৰচনা প্ৰতিযোগিতাৰ লিখনিৰ সামৰণি মাৰিলো।

"আহ আহ ওলাই আহ
সজাগ জনতা
আহ আহ ওলাই আহ
পোহৰ আনোতা
ৰামৰে দেশতে থকা
ৰাৱণ বধোতে
যায় যদি যাক..
জীৱনটো যাক।।

দুই

# লাচিত বৰফুকনৰ ৮০০ সংখ্যক জন্মজয়ন্তী

চুমিতা ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

লাচিত বৰফুকন আহোম সম্ৰাজ্যৰ এজন অপৰাজেয় আৰু সাহসী সেনাপতি আছিল। লাচিত বৰফুকনৰ জন্ম ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱত হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। তেওঁৰ মাতৃৰ নাম আছিল নাগেশ্বৰী আইদেউ। লাচিত বৰফুকনে ঘৰতেই প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল। ৰজা চক্ৰধ্বজ সিংহৰ শাসনকালত লাচিত বৰফুকন আহোম ৰাজ্যৰ প্ৰধান সেনাপতি আছিল। লাচিতক সেনাপতি হিচাপে নিযুক্তি দিয়াৰ সময়ত মোগলসকলে গুৱাহাটী দখল কৰিছিল। ঐতিহাসিক শৰাইঘাটৰ যুদ্ধত সেনাপতি লাচিত বৰফুকনে মোগল সৈন্যক পৰাস্ত কৰিছিল। এই যুদ্ধত মোগল সম্ৰাট ঔৰংগজেৱে বিখ্যাত ৰাজপুত জেনেৰেল ৰামসিংহক অসমৰ বিৰুদ্ধে এটা অভিযানত নেতৃত্ব দিবলৈ নিযুক্ত কৰিছিল। ১৬৬৯ চনত ৰামসিংহই ১৮০০০ তকৈও অধিক সৈন্যৰ সৈতে অসমত উপস্থিত হয়। সেই সময়ত লাচিত অসুস্থ হৈ আছিল। ৰামসিংহই এই পৰিস্থিতিৰ সুযোগ লৈ শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ পানীত নৌ যুদ্ধৰ জৰিয়তে প্ৰতিৰক্ষা ভংগ কৰাত প্ৰায় সফল হৈছিল। লাচিতে অসুস্থতা স্বত্ত্বেও যুদ্ধত যোগদান কৰিছিল। লাচিতৰ সাহসিকতা দেখি তেওঁৰ সৈন্যসকল অনুপ্ৰাণিত হয় আৰু অনুপ্ৰেৰণাৰে যুদ্ধ কৰি ৰামসিংহক পৰাজিত কৰে। ৰামসিঙে ১৬৭১ চনৰ ৫ এপ্ৰিলত অসম ত্যাগ কৰে।

৫০ বছৰ বয়সত অসুস্থতাৰ বাবে ১৬৭২ চনত লাচিতৰ মৃত্যু হয়। তেওঁৰ অসীম সাহস, দেশপ্ৰেম আৰু কৰ্তব্যনিষ্ঠাৰ সৈতে লাচিত অসমৰ ইতিহাসৰ নায়ক হৈ আছে। প্ৰতিবছৰে ২৪ নৱেম্বৰত লাচিত বৰফুকনৰ বীৰত্বক স্মৰণ কৰিবলৈ অসমত লাচিত দিৱস পালন কৰা হয়।

---

তিনি

# লাচিত বৰফুকনৰ ৮০০ সংখ্যক জন্মজয়ন্তী

নিশিতা শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ** অসমৰ ইতিহাসত যিসকল বীৰ যোদ্ধাৰ নাম জিলিকি আছে সেইসকলৰ ভিতৰত লাচিত বৰফুকন অন্যতম। ইংৰাজী ২৪ নৱেম্বৰৰ দিনটো অসমত লাচিত বৰফুকনৰ বীৰত্ব আৰু শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ বিজয়ৰ স্মৃতিত লাচিত দিৱস হিচাপে পালন কৰা হয়।

**জন্ম ঃ** বীৰ লাচিত বৰফুকনৰ জন্ম ১৬২২ নৱেম্বৰৰ ২৪ নৱেম্বৰ তাৰিখে আহোম ৰাজধানী গড়গাঁৱৰ ওচৰে-পাজৰে হৈছিল। তেখেতৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা আৰু মাতৃৰ নাম আছিল নাগেশ্বৰী। তেওঁৰ দেউতাক আছিল মৰ্-ছাইংচেং কালুক যি আহোমৰ লাল-ফিমা বংশৰ আছিল। লাচিত আছিল মৰ্-ছাইৰ সপ্তম পুত্ৰ তেখেতৰ ভাতৃৰ নাম মাও-লাও আৰু লাপেট-লাও, ভগ্নীৰ নাম লাই ছেং। জন্মসূত্ৰে তেওঁৰ নাম আছিল লা-চিত।

**শিক্ষা ঃ** ৰাজ পৰিয়ালত জন্মগ্ৰহণ কৰা লাচিতে সামৰিক আৰু অসামৰিক দুয়োটা শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছিল। ৰাজকীয় পৰিয়ালত জন্মগ্ৰহণ কৰা লাচিত পৰিয়ালৰ পৰা দায়িত্ব, আনুগত্য আৰু মমতাৰ গুণ অধিকাৰী সূত্ৰে লাভ কৰিছিল। লাচিত আছিল নিৰ্ভীক আৰু অতি সাহসী।

**শৰাইঘাটৰ যুদ্ধ ঃ** লাচিত বৰফুকনৰ নেতৃত্ব বহন কৰা এই শৰাইঘাটৰ যুদ্ধ আৰম্ভ হৈছিল ১৬৭১ চনত। এই শৰাইঘাটৰ যুদ্ধ আহোম আৰু মোগলৰ মাজত হৈছিল। লাচিতে উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ ওচৰত শত্ৰু সৈন্যক ভেটা দিবলৈএটা গড় নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। তাৰ চোৱা-চিতাৰ কাম মোমায়েকক প্ৰদান কৰিছিল। কিন্তু, গড় নিৰ্মানৰ কাম পিছ পৰি থকাত গড় নিৰ্মাণস্থলীতে তেওঁ মোমায়েকৰ শিৰচ্ছেদ কৰি ‘দেশতকৈ মোমাই ডাঙৰ নহয় বুলি’ কৈ দেশভক্তিৰ পৰিচয় দিছিল। তাৰ পিছত বীৰ লাচিত বৰফুকনে নৰীয়া দেহাৰেই যুদ্ধ কৰি মোগলক পৰাস্ত কৰে। এনেদৰেই শৰাইঘাটৰ যুদ্ধত আহোমে মোগলক পৰাস্ত কৰিছিল।

**মৃত্যু ঃ** এই বীৰ গৰাকীৰ ১৬৭২ খ্ৰীষ্টাব্দত মৃত্যুক আকোৱালি লয়। অসমীয়া উত্তৰ প্ৰজন্মৰ বাবে লাচিত বৰফুকন হৈ ৰ'ব সদায় অপৰাজেয়, সংগ্ৰাম আৰু ব্যক্তিত্বৰ প্ৰতীক।

# পূব কামৰূপ মহাবিদ্যালয়ৰ সোণালী যাত্ৰা

**আছিক আলী**
স্নাতক চতুৰ্থ ষাণ্মাষিক
অসমীয়া বিভাগ

সোণালী জয়ন্তী বৰ্ষত উপনীত হোৱা পূব কামৰূপ মহাবিদ্যালয়ে যাপন কৰি আহিছে ৫০ বছৰীয়া এটা অৰ্ধশতিকাৰ বৰ্ণিল অধ্যায়। ১৯৭২ চনৰ ২১ আগষ্টত চিতানাথ ধিং হাইস্কুলত ৰাতিপুৱাৰ সময় ভাগত অৰ্থাৎ পুৱা ৭ বজাৰ পৰা ১০-৩০ বজালৈ চলিছিল মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ। পূব কামৰূপ অঞ্চলত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান। দোকমোকালিতে এই অঞ্চলৰ মানুহৰ চকুত কিছুমান সপোন অংকুৰিত হৈছিল। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ নেপথ্য খুচৰিলে ইয়াৰ যথাৰ্থতা প্ৰতিপন্ন হ'ব। ১৯৬১ চনত পোন প্ৰথমবাৰৰ বাবে এই অঞ্চলৰ মানুহ সচেতন হৈছিল এখন কলেজৰ বাবে, অঞ্চলটোৰ দিকপাল সাহিত্যিক মথুৰা ডেকা দেৱ আৰু শিক্ষাসদী ব্যক্তিত্ব শৰৎ চন্দ্ৰ ডেকাদেৱ যিজন ১৯৩৮ চনতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা দৰ্শন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল- এই দুজনৰ নেতৃত্বত পূব কামৰূপ কলেজ প্ৰতিষ্ঠাৰ এটা যাত্ৰা আৰম্ভ হৈছিল যদিও কলেজখনৰ নামাকৰণৰ বাহিৰে আন বিষয়ত অগ্ৰগতি লাভ কৰিব নোৱাৰাত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সমিতিখন নতুনকৈ গঠন কৰা হয়। উল্লেখযোগ্য যে ষাঠি দশকৰ আৰম্ভ হোৱা এই প্ৰচেষ্টাৰ অন্তৰালত থকা সমিতিখনৰ সভাপতি আছিল মুক্তাপুৰৰ উকিল মহেন্দ্ৰ ডেকা আৰু যুটীয়াভাৱে শৰৎ চন্দ্ৰ ডেকা আৰু মথুৰা ডেকা সম্পাদকৰ দায়িত্বত আছিল। পূব কামৰূপ মাৰ্কেটিং ছ'চাইটিত ইয়াৰ বেছিভাগ বৈঠক অনুষ্ঠিত হৈছিল আৰু য'ত কলেজখনৰ নামাকৰণৰ বিতৰ্কত ভাগ লৈ চৈয়দ মণিৰুদ্দিন আহমেদে কৈছিল - "আমাৰ প্ৰস্তাৱিত কলেজখনৰ নাম পূব কমৰূপ মহাবিদ্যালয় হওক"। অঞ্চলৰ দুজন দিকপালস্বৰূপ ব্যক্তি প্ৰতিষ্ঠাৰ নেপথ্যত থকাৰ পাছতো অনুষ্ঠানখন জন্ম দিয়াত সফল নোহোৱাৰ কাৰণটো আজিও ৰহস্যৰ আৱৰ্তত। হয়টো বামপন্থী আদৰ্শত বিশ্বাসী মথুৰা ডেকা আৰু শৰৎ চন্দ্ৰ ডেকাৰ আদৰ্শাত্মক অমিলে এইক্ষেত্ৰত ক্ৰিয়া কৰিছিল। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ নেপথ্যও এই সোণালী যাত্ৰাৰ এক এৰাব নোৱাৰা অংগ। মণিৰুদ্দিন আহমেদ ৬০-ৰ দশকৰ এই প্ৰচেষ্টাৰ যতি পৰা বিষয়টোক লৈ লিখিছে এইদৰে - "কিন্তু দুখৰ বিষয় কি যে মেৰপাকত পৰি কলেজখন হৈ নুঠিল। প্ৰস্তাৱিত কলেজৰ সম্পাদক মথুৰা ডেকা আছিল এজন কমিউনিষ্ট নেতা আৰু কমলপুৰ সমষ্টিৰ নিৰ্বাচনৰ প্ৰাৰ্থী। সেইকাৰণে কলেজৰ প্ৰচাৰ কাৰ্যত ৰাজনীতিৰ গোন্ধ ওলাল। ৬০-ৰ দশকত কলেজ আৰু স্থাপন নহ'ল। মনবোৰ ভাঙি গ'ল।" কিন্তু এই অঞ্চলৰ মানুহৰ সপোনবোৰ ভাঙি যোৱা নাছিল বৰং মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বা-মাৰলীৰ গতিবেগ পূৰ্বতকৈ তীব্ৰতৰ হৈ উঠিছিল। ১৯৬১ চনৰ ২৬ জুন তাৰিখে গঠিত সমিতিখন ১৯৭১ চনৰ ২৬ ছেপ্তেম্বৰ তাৰিখে ৰাধাকুছিৰ সমাজকৰ্মী শশীন্দ্ৰ নাথ দাসৰ সভাপতিত্বত কলেজ প্ৰতিষ্ঠাৰ চিন্তা-চৰ্চাৰ উদ্দেশ্যে আয়োজিত সভাখনত বাতিল কৰা হয় আৰু তৰুণ চন্দ্ৰ ডেকা, গোবিন্দ দাস, অৰুণ কুমাৰ কলিতা, অৱনীধৰ শৰ্মাৰ নেতৃত্বত এখন আহ্বায়ক সমিতি গঠন কৰা হয়। এই সমিতিখনে কৰৰা উচ্চ মাধমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কালিৰাম তালুকদাৰৰ সভাপতিত্বত ১৯৭১ চনৰ ৯ অক্টোবৰ তাৰিখে এখন সাধাৰণ সভা আহ্বান কৰে। সেইদিনাই ১৯৭২-৭৩ শিক্ষাবৰ্ষৰ পৰা মহাবিদ্যালয়ৰ পাঠদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়। এই লক্ষ্যক কাৰ্যকৰী কৰিবলৈ এখন তদৰ্থ সমিতি গঠন কৰা হয়। এই সমিতিখনৰ বিভিন্ন দায়িত্বত থকাসকল ক্ৰমে- "সভাপতি-ভূৱন চন্দ্ৰ ডেকা, উপ-সভাপতি - কালিৰাম তালুকদাৰ, সন্তনাথ শৰ্মা, সম্পাদক- তৰুণ চন্দ্ৰ ডেকা, যুটীয়া সম্পাদক- গোবিন্দ চন্দ্ৰ দাস, মণিন্দ্ৰ চন্দ্ৰ ডেকা, সদস্যবৃন্দ- মথুৰা নাথ, দৈৱ শক্তি ডেকা, জাহিদ চৌধুৰী, অৱনীধৰ শৰ্মা, ৰেজিনা খাতুন, মথুৰা মোহন ডেকা, কেশৱ চন্দ্ৰ ডেকা, অৰুণ কলিতা, তহিদৰ ৰহমান, ধনপতি ডেকা, অখিল চন্দ্ৰ ডেকা, শৰৎ চন্দ্ৰ ডেকা, বিষ্ণুনাথ শৰ্মা, ৰমেশ চন্দ্ৰ পাটোৱাৰী, নগেন শৰ্মা, প্ৰভাত চন্দ্ৰ ডেকা, কৰুণাকান্ত চমুৱা, সত্যনাথ শৰ্মা আৰু ভৱেন্দ্ৰ নাথ ডেকা। এই অঞ্চল ৰাইজৰ ইতিবাচক সঁহাৰি আৰু তদৰ্থ সমিতিৰ বলিষ্ঠ উদ্যোগত ১৪০জন ছাত্ৰ-ছাত্ৰীৰে পূব কামৰূপ মহাবিদ্যালয়ৰ চিতানাথ ধিং হাইস্কুলত পাঠদান হৈছিল। মহাবিদ্যালয় নামভৰ্ত্তি কৰা প্ৰথমজন ছাত্ৰ আছিল জ্যোতিষ চন্দ্ৰ ডেকা। এনেদৰে ১৯৭২ চনৰ ২১ আগষ্টত বিধান সভাৰ স্থানীয় সদস্য গিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰীয়ে শ্ৰেণী কোঠাৰ দুৱাৰ মুকলি কৰে আৰু মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰা

ফুলেশ্বৰ ধিঙে পাঠদান আৰম্ভ কৰে। ১৯৭৪ চনত প্ৰাক্ বিশ্ববিদ্যালয় স্তৰৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত বিশ্ববিদ্যালয়ে ধৰি দিয়া ৩৫ শতাংশ উত্তীৰ্ণৰ হাৰৰ বিপৰীতে ৫১ শতাংশ উত্তীৰ্ণ হোৱাত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত সন্তোষ জন্মিছিল। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আৰম্ভণি পৰ্যায়ৰে পৰা সেৱা আগবঢ়োৱা শিক্ষক-কৰ্মচাৰীকেইগৰাকী হ'ল - ৰেজিনা খাতুন, দীপাঞ্জলী ভূঞা, হেমচন্দ্ৰ ডেকা, দুলাল দাস, ফুলেশ্বৰ ধিং, মণীন্দ্ৰ চন্দ্ৰ ডেকা, শৰৎ চন্দ্ৰ পাটোৱাৰী, কাৰ্যালয় সহায়ক ৰূপে ধৰ্মেশ্বৰ কলিতা আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী দয়াৰাম দাস। ইয়াৰোপৰি এই দশকতে আন কেইবাগৰাকীও শিক্ষাসদী অধ্যাপকে মহাবিদ্যালয় যোগদান কৰে। তেওঁলোকৰ ভিতৰত নিৰঞ্জন পাঠক, কৃষ্ণকান্ত পাটোৱাৰী, পবিন কলিতা, হেমচন্দ্ৰ ডেকা, ৰুণু ভট্টাচাৰ্য, ভাৰতী শইকীয়া, খগেন্দ্ৰনাথ তালুকদাৰ, ডি সাথীবাই, ড° নৰেন চন্দ্ৰ দাস, ড° দেৱেন দাস, আভা দেৱী, দীপশিখা ভূঞা,। তদুপৰি, প্ৰথমে প্ৰবক্তা হিচাপে কৰ্তব্য সম্পাদন কৰা অনিল ডেকাই মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিকৰ দায়িত্ব গ্ৰহণ কৰে। এইখিনিতে উল্লেখযোগ্য যে প্ৰাক বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিক খোলাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি প্ৰাপ্তিৰ বাবে এজন পূৰ্ণকালীন অধ্যক্ষৰ প্ৰয়োজন হোৱাত তৰুণ চন্দ্ৰ ডেকাৰ প্ৰচেষ্টাত পূব কামৰূপ মহাবিদ্যালয়ৰ নতুন অধ্যক্ষৰূপে নিযুক্ত হৈছিল কটন বিশ্ববিদ্যালয় (তেতিয়াৰ কটন কলেজ) ৰ বুৰঞ্জী বিভাগৰ এসময়ৰ মুৰব্বী অধ্যাপক আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ যুটীয়া সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা চৈয়দ মজহৰুল ইছলাম। তেওঁৰ দিনতে অৰ্থাৎ ১৯৭৩-১৯৭৯ ৰ সময়ছোৱাত মহাবিদ্যালয়ৰ বৌদ্ধিক দিশৰ বিকাশৰ উপৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাম সম্পাদন হৈছিল তাৰ ভিতৰত মহাবিদ্যালয় শ্ৰেণী শেহান্ত পৰীক্ষাৰ কেন্দ্ৰ স্থাপন উল্লেখযোগ্য। মহাবিদ্যালয় ১৯৭৫-৭৬ শিক্ষাবৰ্ষত স্নাতক শ্ৰেণী খুলিবলৈ সমৰ্থ হয় আৰু দৰ্শন, ইংৰাজী, অসমীয়া, ঐচ্ছিক অসমীয়া, অৰ্থনীতি, শিক্ষা, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, এইকেইটা বিষয়ত স্নাতক শ্ৰেণী আৰম্ভ হৈছিল। এইখিনি সময়ছোৱাতেই কৰৰা মৌজাৰ নগাঁৱৰ পৰা ৫, ৭, ৯ নম্বৰ পাট্টাৰ ৮ বিঘা, ২ কঠা, ১০ লেচা মাটি দান হিচাপে মহাবিদ্যালয়ে লাভ কৰে। ১৯৭৪ চনৰ ৩০ জানুৱাৰীত সেইসময়ৰ অসমৰ শিক্ষামন্ত্ৰী নৰেন্দ্ৰ নাথ চৌধুৰীদেৱে মহাবিদ্যালয়ৰ নিজা মাটিত আধাৰশিলা স্থাপন কৰে আৰু নিৰ্মাণৰ পৰিকল্পনা কৰা গৃহকেইটাৰ ভিতৰত বৰ্তমানৰ ১নং কোঠাটো অৰ্থাৎ 'ললিত ডেকা হল' শিক্ষাবিদ ললিত চন্দ্ৰ ডেকাৰ স্মৃতিত ৰমাপ্ৰিয়া দেৱীয়ে দান দিয়া ২৫,০০০ টকাৰে নিৰ্মাণ কৰা হয়। ১৯৭৪ চনত আধাৰশিলাই ১৯৭৫ চনত গৃহৰ ৰূপ লাভ কৰে। ১৯৭৫ চনৰ ১৪ ছেপ্তেম্বৰ তাৰিখে ৬০ ৰ দশকত যো-জা চলোৱা সভাপতি মহেন্দ্ৰ নাথ ডেকাই মহাবিদ্যালয়ৰ ভৱনৰ দ্বাৰ মুকলি কৰে। দশকটোৰ শেষত অৰ্থাৎ মহাবিদ্যালয়খন ঘাটি মঞ্জুৰীৰ অধীনলৈ আহে আৰু চৈয়দ মজহৰুল ইছলামে "মোৰ কৰ্তব্য শেষ। তোমালোকে মোক বিদায় দিয়া।" - এইবুলি মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। পূব কামৰূপ মহাবিদ্যালয়ৰ পুথিভঁৰালটো মহাবিদ্যালয়ৰ অভিন্ন অংগ। অনিল ডেকাই প্ৰথম গ্ৰন্থগাৰিক হিচাপে সেৱা আগবঢ়াই যোৱাৰ পাছত ড° নিৰ্মল ৰঞ্জন মজুমদাৰে গ্ৰন্থগাৰিকৰ পদত নিযুক্ত হয়। বিভিন্ন বিষয়ৰ হাজাৰোধিক গ্ৰন্থ পুথিভঁৰালটোত উপলব্ধ।

পূব কামৰূপ অঞ্চলৰ ৰাইজ মানস সন্তানস্বৰূপ পূব কামৰূপ মহাবিদ্যালয়ৰ বাবে ৭০ -ৰ দশকটো যিদৰে কেইবাটাও দিশৰ পৰা তাৎপৰ্যপূৰ্ণ, একেদৰে ৮০-ৰ দশকটো উজ্জ্বল সম্ভাৱনাৰ আদৰ্শস্বৰূপ। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ ফলাফল কেইবাটাও বিষয়ত স্নাতক পৰ্যায়ত গুৰু পাঠ্যক্ৰমৰ আৰম্ভণি, বিজ্ঞান শাখাৰ প্ৰবৰ্তনে অঞ্চলবাসীলৈ কঢ়িয়াই অনা নতুন প্ৰত্যাশা আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ অধ্যাপক তৰুণ চন্দ্ৰ ডেকাই ১৯৮১ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখে অধ্যক্ষ ৰূপে কৰা যোগদানে মহাবিদ্যালয়ক এক নতুন গতি প্ৰদান কৰিছিল। ১৯৮৫ চনৰ ৩০ জানুৱাৰী তাৰিখে দশম বাৰ্ষিক আধাৰশিলা স্থাপনৰ উপলক্ষ্যে আয়োজন কৰা এখন ৰাজহুৱা সভাত অঞ্চলবাসীৰ দাবী অনুসাৰে বিজ্ঞান শাখা মুকলি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু উক্ত সিদ্ধান্তৰ ফচলৰূপে ১৯৮৬-৮৭ শিক্ষাবৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অনুমতি সাপেক্ষে বিজ্ঞান শ্ৰেণী আৰম্ভ কৰা হয়। ১৯৮৩-৮৪ শিক্ষাবৰ্ষত প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত গণিত আৰু ভূগোল বিজ্ঞান বিষয় দুটা অন্তৰ্ভূক্ত কৰা হয়, ১৯৮০-৮১ শিক্ষাবৰ্ষ ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞানত, ১৯৮৩-৮৪ শিক্ষাবৰ্ষত অসমীয়া, ১৯৮৪-৮৫ শিক্ষাবিষয়ত, গুৰু পাঠ্যক্ৰম আৰম্ভ হয়। উল্লেখযোগ্য যে ১৯৮৬-৮৭ শিক্ষাবৰ্ষত স্নাতকৰ সাধাৰণ পাঠ্যক্ৰমত ভূগোল বিজ্ঞান বিষয়টোৱে অন্তৰ্ভূক্তি লাভ কৰাৰ লগতে ১৯৮৮-৮৯ শিক্ষাবৰ্ষত পদাৰ্থবিদ্যা, গণিত, প্ৰাণীবিদ্যা, উদ্ভিদবিদ্যা, ৰসায়ন বিদ্যা আদি বিষয়ত স্নাতক (সাধাৰণ) ৰ পাঠ্যক্ৰম মুকলি হয়। এই দশকটো মহাবিদ্যালয়ৰ বাবে গৌৰৱ আৰু দুৰ্যোগৰো দশক কিয়নো ১৯৮৩ চনত প্ৰাক্‌বিদ্যালয় পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত শিক্ষা বিষয়ত মহাবিদ্যালয়ৰ ছাত্ৰ হলিৰাম ৰাজবংশীয়ে সৰ্ব্বোচ্চ নম্বৰ লাভ কৰে, ৰাজবংশী পৰৱৰ্তী সময়ত এই মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যক্ষৰূপে যোগদান কৰে আৰু যোৱা ৩০-২১-২০২৩ তাৰিখে অৱসৰ গ্ৰহণ কৰে। একেদৰে ১৯৯০ চনত স্নাতক চুড়ান্ত পৰীক্ষাত দীনেশ চন্দ্ৰ দাসে শিক্ষা বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। এই দশকটোৰ শেষৰ পিনে অৰ্থাৎ ১৯৮৯ চনৰ ১০ এপ্ৰিল তাৰিখে এপ্ৰিল তাৰিখে নিশা ৮.২০ বজাত প্ৰবল ঘূৰ্ণীবতাহে মহাবিদ্যালয়ৰ

বিস্তৰ ক্ষতিসাধন কৰে আৰু দশটোৰ আৰম্ভণিতে ১৯৮২ চনৰ ১১ মে তাৰিখে প্ৰচণ্ড ঘূৰ্ণী বতাহে মহাবিদ্যায়ৰ ছালখন উৰুৱাই লৈ যায় আৰু মহাবিদ্যালয়ৰ পুনৰ মেৰামতিৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ৫ টকাকৈ বৰঙণি আগবঢ়াই, এই ক্ষেত্ৰত স্থানীয় ৰাইজৰ সঁহাৰিও স্মৰণীয়। এই দশকৰ ১৯৮৬ চনত মহাবিদ্যলয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট গঠন হয়। ১৯৯০ চনৰ ২৮ ফেব্ৰুৱাৰীত অধ্যক্ষ পদৰ পৰা চৰকাৰী নিয়ম অনুযায়ী তৰুণ চন্দ্ৰ ডেকাই অৱসৰ গ্ৰহণ কৰে যদিও পূব কামৰূপ মহাবিদ্যালয়ে আমৃত্যু তেওঁৰ চিন্তা জগতত একচেটিয়া অধিকাৰ সাবস্ত কৰি থৈছিল। নব্বৈৰ দশকটো পূব কামৰূপ মহাবিদ্যালয়ৰ সোণোৱালী যাত্ৰাত কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীৰ উন্নত মানৰ ফলাফল, বিজ্ঞান শাখাৰ চৰকাৰীকৰণ, মহাবিদ্যলয়ে উদযাপন কৰা ২৫ বছৰীয়া যাত্ৰাৰ ৰূপালী সোঁৱৰণ আদি কেইবাটাও দিশৰ পৰা এই দশকটোৱে নিজৰ সবল স্থিতি জাহিৰ কৰে। তৰুণ চন্দ্ৰ ডেকাৰ উত্তৰসূৰীৰূপে অধ্যক্ষৰ আসনত উপবিষ্ট হয় পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰথম গৰাকী অধ্যক্ষ (ভাৰপ্ৰাপ্ত) ফুলেশ্বৰ ধিং। ১৯৯২-৯৩ শিক্ষাবৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে পৰিসংখ্যা বিষয়টো মুকলি কৰিবলৈ অনুমতি প্ৰদান কৰে। ১৯৯৬ চন ৰৰৰ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ বিজ্ঞান শাখা চৰকাৰৰ ঘাটি মঞ্জুৰীৰ অধীনলৈ আহে। উল্লেখযোগ্য যে নব্বৈৰ দশকৰ অসমৰ ৰাজনৈতিক অচলাৱস্থাৰ সময়ছোৱাত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ চৰকাৰীকৰণৰ ঘটনাটো এক তাৎপৰ্যপূৰ্ণ ঘটনাৰূপে বিবেচিত হৈ ৰ'ব। এই ক্ষেত্ৰত কোনে, কেনেদৰে উদ্যোগ গ্ৰহণ কৰিছিল এয়া অন্য এক ইতিহাস। ১৯৯১ চন তঅসম বিজ্ঞান সমিতিৰ ৩৭ তম বাৰ্ষিক অধিৱেশনত তিনিদিনিয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাকৰিত অনুষ্ঠিত হ্ব। ১৯৯৪-৯৫ শিক্ষা বৰ্যত দৰ্শন আৰু বুৰঞ্জী, ১৯৯৫-৯৬ শিক্ষাবৰ্ষত প্ৰাণীবিজ্ঞান আৰু ভূগোল বিজ্ঞান, ১৯৯৬-৯৭ শিক্ষাবৰ্ষত গণিত আৰু ইংৰাজী, ১৯৯৮-৯৯ শিক্ষাবৰ্ষত পদাৰ্থ বিজ্ঞান, ১৯৯৯-২০০০ শিক্ষাবৰ্ষত উদ্ভিদ বিজ্ঞান বিষয়ত গুৰু পাঠ্যক্ৰম আৰম্ভ হয়। এই দশটো কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উন্নতমানৰ ফলাফল লাভ কৰিবলৈ সমৰ্থ হয়। তাৰ ভিতৰত ১৯৯৫ চনত বন্দনা দেৱীয়ে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত ভূগোল বিজ্ঞান বিষয়ত সৰ্বোচ্ছ নম্বৰ লাভ কৰাৰ উপৰিও ১৯৯৭ চনৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা শাখাৰ অৰূপ ডেকাই অসমৰ ভিতৰত নৱম স্থান লাভ কৰিবলৈ সক্ষম হয়। ১৯৯৮ চনত স্নাতক চূড়ান্ত পৰীক্ষাত ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰী চেমিমৰাৰা বেগমে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। ১৯৯৮ চনৰ ৬, ৭, ৮ নৱেম্বৰ তাৰিখে তিনিদিনিয়া কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপন কৰা হয়। ৰূপালীজয়ন্তী উদযাপন উপলক্ষে ৭-৮-৯৮ তাৰিখে আয়োজিত আলোচনাৰ সত্ৰখনৰ বিষয়বস্তু আছিল— 'সাম্প্ৰতিক সমাজব্যৱস্থাত নৈতিকতাৰ প্ৰাসংগিকতা', সঞ্চালক হিচাপে ড° হীৰেন গোহাঁই আৰু আলোচকৰূপে ড° শিৱনাথ বৰ্মন, টাবুৰাম টাইডক আমন্ত্ৰণ জনোৱা হৈছিল। কেইবাটাও দিশৰ পৰা মহাবিদ্যালয়খনক এক উত্তাৰণৰ পিনে এই দশকটোৱে আগবঢ়াই লৈ গৈছিল যদিও এই দশকৰ ১৯৯৮ চনৰ ২ ফেব্ৰুৱাৰীত ভূগোল বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক তাজুদ্দিন আহমেদৰ আকস্মিকভাৱে ঘটা দেহাৱসান আছিল মহাবিদ্যালয়ৰ বাবে অপূৰণীয় ক্ষতি।

বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ তৃতীয়টো দশকত স্থাপিত পূব কামৰূপ মহাবিদ্যালয়ৰ উত্তৰণৰ স্বপ্নেৰে একবিংশ শতিকাৰ দুৱাৰদলিত উপনীত হয়। বিগত দশককেইটাৰ দৰে এই দশকটোও পূব কামৰূপ মহাবিদ্যালয়ৰ বাবে প্ৰাপ্তি প্ৰত্যাশা আৰু হেৰুৱাৰ দশক। ২০০২ চনত ৰসায়ন বিজ্ঞান বিভাগ গুৰু পাঠ্যক্ৰম আৰম্ভ হয়। ২০০২ চনত পূব কামৰূপ মহাবিদ্যালয়ে হেৰুৱায় অসমীয়া বিভাগৰ অধ্যাপক ড° নৰেন চন্দ্ৰ দাসক। ড° দাস আছিল ৭০- দশকৰ শেষৰপিনে যোগদান কৰা শিক্ষক কুলৰ এজন অন্যতম। 'নজলা ধূপ' আদিৰ দৰে গল্প সংকলন, বিভিন্ন সমালোচনামূলক প্ৰবন্ধ ৰচনা কৰা ড° নৰেন চন্দ্ৰ দাসৰ বিদ্যায়তনিক মনটোৰ গভীৰতা আৰু বিস্তৃতি আছিল অতুলনীয়। তেওঁৰ সোঁৱৰণত অসমীয়া বিভাগে আয়োজন কৰা বক্তৃতা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি আধুনিক অসমীয়া কবিতা সম্পৰ্কে আলোচনা আগবঢ়াইছিল 'জ্ঞানপীঠ' সন্মান প্ৰাপক অসমীয়া কবি নীলমণি ফুকনে। ড° দাসৰ উপৰি এই দশকটোতে গণিত বিভাগৰ অধ্যাপক খৰ্গেশ্বৰ ডেকাৰ ২০০৯ চনত বিয়োগ ঘটে। এই দশকটোৰ উল্লেখনীয় প্ৰাপ্তি হৈছে - ২০০২ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ১৯৫৬ চনৰ আইনৰ অধীনত 2 (f)12 (b) -ৰ স্বীকৃতি, ২০২৩ -ৰ মূল্যায়নত $B^{++}$ লাভ আৰু ২০০৯ চনত মহাবিদ্যালয়ত ছাত্ৰীনিৱাস সংযোজন কৰা হয়। ২০০৮ চনত পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ বিপুল ডেকাই গোল্ড মেডেল লাভ কৰে আৰু বৰ্তমান ড° বিপুল ডেকাই মহাবিদ্যালয়ৰ পদাৰ্থ বিভাগৰ এজন অধ্যাপক। ২০১০ চনৰ ৫, ৬, ৭ ফেব্ৰুৱাৰী তাৰিখে অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা পৰিষদৰ উদ্যোগত পূব কামৰূপ মহাবিদ্যালয়ৰ সহযোগত আয়োজিত 'জনবিজ্ঞান মেলা ২০১০' ত বিজ্ঞান মেলাখন উদ্বোধন কৰিবলৈ আহিছিল বিশিষ্ট বিজ্ঞানী ড° এ.পি.জে. আব্দুল কালাম। তেওঁৰ পদাৰ্পণৰ পাছত এই অঞ্চলত বিজ্ঞান শিক্ষাৰ বাতাবৰণ উজ্জীৱিত হোৱাটোও এক আলোচনাৰ বিষয়। একবিংশ শতিকাৰ প্ৰথম দশকটোতে ড° কালামৰ পূব কামৰূপ মহাবিদ্যালয়ত পদাৰ্পনে তাৰ পাছৰ দশকটোৰ পথ নিৰ্ধাৰণত সহায় কৰিছিল যেন অনুভৱ হয়। এই দশকটোতে অৰ্থাৎ ২০০৯ চনত ফুলেশ্বৰ ধিঙে অৱসৰ গ্ৰহণ কৰে আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত

নিযুক্ত হয় অৰ্থনীতি বিজ্ঞান বিষয়ৰ অধ্যাপিকা ড° ৰুণু ভট্টাচাৰ্য।

একবিংশ শতিকাৰ দ্বিতীয়টো দশক মহাবিদ্যালয়ৰ বাবে কেইবাটাও দিশৰ নৱতম সংযোজনৰ বাবে উল্লেখনীয় হৈ ৰ'ব। বিশেষকৈ ২০১২ চনত ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰুণু ভট্টাচাৰ্যৰ ঠাইত পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ড° বলেন্দ্ৰ কুমাৰ দেৱচৌধুৰী মহাবিদ্যালয়ৰ নতুন অধ্যক্ষৰূপে নিয়োজিত হয়। ২০১২ চনত সেউজ অভিযান পদক্ষেপ হিচাপে মহাবিদ্যালয়ত সেউজ দিনলিপিৰ প্ৰচলন কৰা হয় যিটো আজিকোপতি অব্যাহত আছে। ২০১৪ চনত মহাবিদ্যালয়ত ছপাশাল স্থাপন কৰাৰ উপৰি এইবছৰতে সহযোগী পাঠ্যক্ৰম MLT & DDTM -ৰ আৰম্ভ কৰা হয়। ২০১৫ চনত B.Voc পাঠ্যক্ৰম আৰম্ভ কৰা হয় আৰু এইবছৰতে NAAC দ্বিতীয় চক্ৰৰ মূল্যায়নত CGPA 2.67 লাভ কৰিবলৈ সমৰ্থ হয়। ২০১৬ চনত এটা উন্নতমানৰ ইনড'ৰ ষ্টেডিয়াম আৰু ব্যায়ামগাৰ নিৰ্মাণ কৰা হয়। ২০১৬ চনত কম্পিউটাৰ বিজ্ঞানত গুৰু পাঠ্যক্ৰম আৰম্ভ হোৱাৰ লগতে ২০১৯ চনত উক্ত বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হয়। একেদৰে ২০১৮ চনত জৈৱ পদাৰ্থ বিজ্ঞান, ২০২০ চনত প্ৰাণীবিজ্ঞান, পদাৰ্থ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আৰম্ভণি হয় আৰু ২০২০ চনতে এম.ভক পাঠ্যক্ৰমৰো আৰম্ভ হয়। উল্লেখ্যযোগ্য যে ২০১২ চনত পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ হাৰুণ অল ৰছিদে গোল্ড মেডেল লাভ কৰে। ২০১৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ, ২০১৭ চনত সাংস্কৃতিক শোভাযাত্ৰাত পূব কামৰূপ মহাবিদ্যালয়ে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হয় আৰু উক্ত যুৱ মহোৎসৱত আমিনুল হকে সম্পাদনা কৰা ২০১৫-১৬ বৰ্ষৰ পূব কামৰূপ মহাবিদ্যালয় আলোচনীখনে তৃতীয় পুৰস্কাৰ লাভ কৰে । উল্লেখযোগ্য যে ৰেজিনা খাতুন তত্বাৱধানত আৰু গজেন্দ্ৰ নাথ কলিতাৰ সম্পাদনাত প্ৰকাশ পোৱা ১৯৭৫-৭৬ বৰ্ষৰ মহাবিদ্যালয় আলোচনীখনৰ পৰা ২০১৯-২০ বৰ্ষৰ সমীৰণ শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা আলোচনীকেইখনৰ ভিতৰত আমিনুল হকৰ সম্পাদনা আৰু অজিত কলিতাৰ তত্বাৱধানত প্ৰকাশ পোৱা আলোচনীখন একমাত্ৰ বিশ্ববিদ্যালয় পুৰস্কৃত আলোচনী। কিন্তু এইখিনিতে স্বীকাৰ কৰিব লাগিব যে ২০০৯-১০ বৰ্ষৰ অধ্যাপক মণ্টু শইকীয়াৰ তত্বাৱধানত আৰু জিতুমণি কলিতাৰ সম্পদনাত প্ৰকাশ পোৱা আলোচনীখনেই পূব কামৰূপ মহাবিদ্যালয়ৰ আলোচনীৰ টাৰ্ণিং পইণ্ট। এই দশকটোৰ এটা অন্যতম ক্ষতি হৈছে পৰিসংখ্যা বিভাগৰ অধ্যাপক আটাউৰ ৰহমানৰ আকস্মিক বিয়োগ। উক্ত দশকটোতে তৰুণ চন্দ্ৰ ডেকাৰ সোঁৱৰণত তেখেতৰ পুত্ৰত্ৰয় ক্ৰমে প্ৰাণজিৎ ডেকা, ৰূপজিত ডেকা, স্বপ্নজিৎ ডেকাই মহাবিদ্যালয়ৰ বৰ্তমানৰ তোৰণখন নিৰ্মাণ কৰি দিয়ে আৰু তোৰণখনৰ উদ্বোধনী অনুষ্ঠানৰ লগত প্ৰসংগ কৰি অনুষ্ঠিত সভাত ড° খগেশ খেন ডেকাই লিখি উলিওৱা 'পূব কামৰূপ অঞ্চলৰ বৌদ্ধিক পটভূমি আৰু অধ্যক্ষ তৰুণ চন্দ্ৰ ডেকা' শীৰ্ষক পুস্তিকাখনো উন্মোচিত হয়।

পৰিৱৰ্তনৰ চাপ বহন কৰি একবিংশ শতিকাৰ তৃতীয়টো দশকত পূব কামৰূপ মহাবিদ্যালয়ে প্ৰৱেশ কৰে। ২০২১ চনত ড° বলেন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ অৱসৰ গ্ৰহণ কৰাৰ পিছত অৰ্থনীতি বিজ্ঞান অধ্যাপক নাৰায়ন গোস্বামীয়ে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰে আৰু ২০২২ চনত নতুন অধ্যক্ষৰূপে ড° ভূপেন কুমাৰ শৰ্মাই দায়িত্ব গ্ৰহণ কৰে। ২০২১ চনত মহাবিদ্যালয়ত ছাত্ৰাৱাসৰ সংযোজন কৰা হয়। এই সময়ছোৱাত পৰিৱেশ সচেতনতাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ বাকৰিত ২০২২ চনত ক্ষুদ্ৰ অৰণ্য এখন আৰম্ভণি কৰে। অসমত ক্ষুদ্ৰ অৰণ্যৰ ধাৰণাটোৰ বাটকটীয়াস্বৰূপ ড° মোহন চন্দ্ৰ কলিতাই এই অৰণ্যখন মুকলি কৰে। ২০২২ বৰ্ষত পূব কামৰূপ মহাবিদ্যালয় সোণালী জয়ন্তী বৰ্ষত প্ৰৱেশ কৰে। তদুপলক্ষে ১৫ অক্টোবৰ, ২০২২ চনত সোণালী জয়ন্তী উদ্‌যাপন শুভাৰম্ভণী অনুষ্ঠানত কেইবাটাও বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপিত হয়। ২০২৩ চনৰ জানুৱাৰী মাহৰ ২৪ আৰু ২৫ তাৰিখে NAAC মহাবিদ্যালয় পৰিদৰ্শন কৰে। এইবেলিৰ পৰিদৰ্শনত মহাবিদ্যালয় $B^{++}$ Grade লাভ কৰে।

১৯৭২ চনৰ ২১ আগষ্টত চিতানাথ ধিং হাইস্কুল (বৰ্তমানৰ আগডলা চাৰিআলি হাইস্কুলত) ত শুভাৰম্ভণী হোৱাৰ পিছত অধ্যাপকসকলে ১৪০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে কৈছিল অধ্যয়নৰ উপৰি মহাবিদ্যালয়খনক তোমালোকৰ অৱদানৰ প্ৰয়োজন আছে- এনে এটা পথেৰে পূব কামৰূপ মহাবিদ্যালয়ে যাত্ৰা কৰিছিল। নানানটা প্ৰাপ্তি, প্ৰত্যাশাৰ মাজেদি আগবাঢ়ি এটা সম্ভৱনাময় ভৱিষ্যতক আগত ৰাখি মহাবিদ্যালয়খন নিতৌ ধাৱমান। এই যাত্ৰাত সলনি হৈছে অধ্যক্ষ, অধ্যাপক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী কিন্তু সত্তাটো অপৰিৱৰ্তিত হৈ আছে। আজিও পূব কামৰূপ মহাবিদ্যালয় বুলি ক'লে মানুহৰ মনত পৰে কৰৱা হাইস্কুলৰ পৰা কাঁচি লৈ মহাবিদ্যালয়ৰ বাকৰিত ধান কাটিবলৈ লৰ দিয়া ছাত্ৰসকলৰ কোলাহল। এই প্ৰবন্ধটোত সমগ্ৰ ৫০ বছৰীয়া যাত্ৰাটোক প্ৰতিনিধিত্ব কৰিব পৰাকৈ কেতবোৰ চন, তাৰিখ, ঘটনাৰ উল্লেখ কৰা হৈছে যদিও ৫০ বছৰত মহাবিদ্যালয়ৰ বুকুৰে বাগৰি যোৱা প্ৰত্যেক দিনৰে আছে এটা ঐতিহাসিক মহত্ব কিম্বা আজিৰ পূব কামৰূপ মহাবিদ্যালয়লৈ অৱদান।

সহায়ক প্ৰবন্ধৰাজি ঃ


১। পূব কামৰূপ মহাবিদ্যালয় : প্ৰতিষ্ঠাৰ নেপথ্য আৰু বৰ্তমানৰ খতিয়ান ঃ ফুলেশ্বৰ ধিং।

২। পূব কামৰূপ মহাবিদ্যালয় প্ৰাক ইতিহাস - আলহাজ চৈয়দ মনিৰুদ্দিন আহমেদ।

৩। শিক্ষাবিদ তৰুণ চন্দ্ৰ ডেকা আৰু পূব কামৰূপ কলেজ - ডাঃ ৰংগনাথ ডেকা (অপ্ৰকাশিত)




# মৰুৱা ফুল
## অসমীয়া শিশু-সাহিত্যৰ এখন উল্লেখনীয় সংকলন

**আছিক আলী**
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

অসমীয়া শিশু সাহিত্যৰ ধাৰাটো বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যময়। শিশুৰ সহজাত সৰলতাক লৈ দেশে-বিদেশে ৰচিত হৈ আহিছে বিভিন্ন গীত-কবিতা, গল্প ইত্যাদি। শিশুৰ উৎসুক্যক সমিধান প্ৰদান কৰাৰ বাবেও হওক নতুবা এখন বাস্তৱ পৃথিৱীৰ সৈতে পৰিচয় কৰাই দি সৰুৰে পৰা এক নৈতিক দৃষ্টিভংগী গঠনত পৃথিৱীৰ প্ৰত্যেক খন জনসমাজে প্ৰয়াস কৰি আহিছে। এই প্ৰয়াসবোৰত সাধৰণতে শিশুৱে মনোযোগেৰে বহু সময় ধৰি শুনি থাকিবৰ বাবে ছন্দ ৰক্ষা কৰি গাই থকা বা আকৰ্ষণীয় ৰূপত এখন সৰল ছবি মনত ভাঁহি অহাকৈ কৈ থকা পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অসমৰ আদিম অধিবাসী সকল যে এই ক্ষেত্ৰত পিছপৰা নাছিল সেই কথা অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰখনলৈ দৃষ্টি নিক্ষেপ কৰিলে নতুবা জনজাতীয় সাধুবোৰত সন্নিৱিষ্ট কল্পনাৰ মনোৰাম ৰূপৰ আমি প্ৰত্যক্ষ কৰিব পাৰোঁ। অসমত প্ৰচলিত শিশু কবিতাবোৰক প্ৰতিনিধিত্ব কৰিব পৰাকৈ নৰকান্ত বৰুৱাই ১৯৫ টা শিশু কবিতা সন্নিৱিষ্ট কৰি 'মৰুৰা ফুল' সংকলনটো সম্পাদনা কৰি উলিয়াইছিল। ইয়াত সন্নিৱিষ্ট কবিতাসমূহে অসমীয়া শিশু কবিতাৰ ৰূপ বৈচিত্ৰ্যক প্ৰতিনিধিত্ব কৰাৰ উপৰিও অসমীয়া শিশু কবিতাৰ ধাৰাটোকো প্ৰতিফলিত কৰিছে। শিশু সাহিত্যৰ প্ৰায়বোৰ বৈশিষ্ট্য সৈতে সংকলনখনত সন্নিৱিষ্ট কবিতাবোৰৰ সামঞ্জস্য বিদ্যামান। শিশু সাহিত্যৰ ৰচনা প্ৰণালী সম্পৰ্কে নয়নমণি বৰুৱাই লিখিছে এইদৰে - "শিশু সাহিত্য শিশুৰ বয়সৰ উপযোগীকৈ আৰু বৌদ্ধিক তথা মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ৰচিত হয়। সেয়ে উদ্ভট-অদ্ভুত কল্পনাৰ প্ৰাচুৰ্য, শিশুৰ মনোৰঞ্জন কৰিব পৰা বিবিধ চৰিত্ৰৰ উপস্থাপন মন কৰিবলগীয়া... এক কথাত ক'বলৈ গ'লে শিশুৰ বুদ্ধি বিকাশৰ অৰ্থে, শিশুৰ জ্ঞানৰ সীমা-ৰুচি-অভিৰুচি আৰু মানসিকতাৰ প্ৰতি লক্ষ্য ৰাখি সৃষ্ট সাহিত্যই শিশু সাহিত্য।" হৰিকৃষ্ণ দেৱসৰেই 'হিন্দী বালসাহিত্য-এক অধ্যয়ন' শীৰ্ষক গ্ৰন্থত লিখিছে এইদৰে — "শিশুক ভৱিষ্যতে এজন সুস্থ্য মানসিক বিচাৰধাৰাসম্পন্ন ব্যক্তিহিচাপে গঢ় দিবৰ বাবে প্ৰয়োজনীয় তত্ত্ব বা কিছুমান মনোবৈজ্ঞানিক নিয়মেই শিশু সাহিত্য ৰচনাৰ মূল আধাৰ।" নৰকান্ত বৰুৱাই সম্পাদনা কৰা 'মৰুৰা ফুল' সংকলনটো অসমীয়া সাহিত্যৰ বাবে এইবাবে মূল্যবান সংকলন কাৰণ চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ভাষাত ক'বলৈ গ'লে হ'ব 'এই পুথিখনি তাহানিৰ পৰা আজিলৈকে অসমৰ প্ৰখ্যাত শিশু-সাহিত্যিকসকলে শিশুৰ বিষয়ে লেখা জনপ্ৰিয় কবিতাসমূহৰ নিৰ্বাচিত সংকলন।' সংকলিয়তাৰ যৎকিঞ্চিত শিতানটোত নৰকান্ত বৰুৱাই শিশু কবিতা সম্পৰ্কে তেওঁৰ জিজ্ঞাসা ব্যক্ত কৰি লিখিছে- "এই কবিতাবিলাকৰ কেন্দ্ৰবিন্দু হ'ল শিশু। শিশুৰ উপযোগিতাৰ ধাৰণা দেশ কালে হয়তো সলনি কৰে- কিন্তু 'শিশু' নামৰ এটা সত্তাই মানুহৰ সমাজত বিশেষভাৱে আদৰ পাই আহিছে।" মৰুৰা ফুলত কবিতাসমূহ কেবাটাও থূলত ভগোৱাৰ প্ৰসংগত নৰকান্ত বৰুৱাই লিখিছে - "ভাবানুসংগক ভেটি কৰি ভগাওঁতে চৈধ্যতা ভাগেই হ'লগৈ"। বৰুৱাই উল্লেখ কৰা থূল কেইটা হ'ল- "ঘুমুটি যায়োৰে, শিশু পাৰিজাত, জ্ঞানৰ, সঁফুৰা, তেওঁৰে কৰুণাকণা, আই মোৰ, বিনন্দীয়া পৃথিৱীত, আমাৰ ঘৰ, আমাৰ মানুহ, বিহুৰ বতৰ, সাধু আৰু কথা,

দেও ল'ৰা, দেও ছোৱালী, লগে ভাগে আওৱাওঁ, বাংকৰা, কত যে কি, কিমান সপোন। এই থূলবোৰত অন্তৰ্ভুক্ত কবিতাবোৰৰ কবিসকল হৈছে - নীলিমা দত্ত, লক্ষ্মীনাথ বেজবৰুৱা, ডলী তালুকদাৰ, দুৰ্গেশ্বৰ শৰ্মা, আনন্দ শৰ্মা, চন্দ্ৰ আগৰৱালা, ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ, মহিম বৰা, প্ৰবীণা শইকীয়া, চন্দ্ৰধৰ বৰুৱা, গগন চন্দ্ৰ অধিকাৰী, ৰাম সৰস্বতী, শংকৰদেৱ, মাধৱদেৱ, লীলা গগৈ, বিনন্দ চন্দ্ৰ বৰুৱা, জ্যোতি প্ৰসাদ আগৰৱালা, অতুল চন্দ্ৰ হাজৰিকা, ইব্ৰাহিম আলী, বিষয় চন্দ্ৰ বিশ্বাসী, শৈলধৰ ৰাজখোৱা, দণ্ডিনাথ কলিতা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্যধৰ চৌধুৰী, নলিনীবলা দেৱী, মফিজুদ্দিন আহমদ হাজৰিকা, বলদেৱ মহন্ত, ধনাই বৰা, শ্ৰীধৰ কন্দলী, আলিমুননিছা পিয়াৰ, বেণুধৰ ৰাজখোৱা আদি। ইয়াৰোপৰি অনামী লেখকৰ দ্বাৰা ৰচিত তথা লোক কবিতা হিচাপে নিজৰ স্থিতি জহিৰ কৰা তিনিটা কবিতাও সংকলনটোত সন্নিৱিষ্ট। এই ক্ষুদ্ৰ পৰিসৰৰ আলোচনাটোত আটাইকেইটা থূলৰ কবিতাবোৰে শিশু মনোজগতক কিদৰে আচ্ছন্ন কৰি ৰাখে তাৰ অনুপুংখ বিশ্লেষণ সম্ভৱ নহয়, সেয়েহে ঘুমুটি যায়েৰে থুলটোৰ সবিশেষ আলোচনা কৰি আন তেৰটা থূলৰ এক থূলমূল আভাস প্ৰদানেৰে সামগ্ৰীক অৱলোকন আগবঢ়োৱা হ'ব।

ঘুমটি যায়োৰো সম্পৰ্কত সংকলনকে লিখিছে - "শিশু-সাহিত্যৰ জন্মদায়ানী ধাইনাম বা নিচুকনি গীত বুলি মোৰ ধাৰণা। সেইবাবে 'ঘুমটি যায়োৰে' শীৰ্ষক ভাগেৰে সংকলনৰ আৰম্ভণি।" এই থূলটোত সান্নিৱিষ্ট কবিতাকেইটা হ'ল - নিচুকনি গীত, অ' ফুল অ' ফুল , কপৌটি, এ, কাণখোৱা, শুলে ভনী, শুলে, নিচুকনি গীত ইয়াৰে প্ৰথম তিনিটা লোক কবিতাৰূপে প্ৰচলিত আৰু কাণখোৱা শ্ৰীধৰ কন্দলী, শুলে ভনী, শুলে মিত্ৰদেৱ মহন্ত, নিচুকনি গীত আলিমুননিচা পিয়াৰৰ ৰচনা। মানৱ শিশুৰ শাৰীৰিক-মানসিক বিকাশৰ লগত খাপ খোৱাকৈ শিশু অৱস্থাত টোপনি নিয়াবলৈ কিছুমান কল্পকাহিনী সুৰ আৰু ছন্দৰ সংযম প্ৰয়োগৰ মাজেৰে গাই নিচুকুৱা হয়, নিচুকুৱা মানুহজনৰ প্ৰধান উদ্দেশ্য শিশুটোক নিদ্ৰাদেৱীৰ কোলাত বিচৰণ কৰোৱা। অতি সাৰধানতাৰে বিশেষ এটা ভংগীমাত শিশুটোক শুৱাই লৈ আইতাক-মাকে এই গীতবোৰ গায়। এই গীতবোৰত মূলতঃ লোকজীৱনে ক্ৰিয়া কৰি আছে আৰু সময় পৰিৱৰ্তনৰ চাপ বহন কৰি বৰ্তমানৰ ৰূপ লাভ কৰিছে। এই লোক কবিতাবোৰত অসমীয়া জনসমাজৰ সুকুমাৰ অনুভৱৰ সাৱলীল প্ৰকাশ ঘটাৰ উপৰি অতীতৰ সমাজবীক্ষাৰ চাপ কেইবাপিনৰ পৰা পৰিস্ফুট হৈ ৰৈছে। লোক কবিতাবোৰৰ জন্ম সম্পৰ্কে খগেন্দ্ৰনাথ তালুকদাৰে লিখিছে- " যি সকল লোকৰ সূক্ষ্ম আৰু আত্মনিৰ্ভৰশীল স্বাভাৱিক জীৱন চেতনাৰে দেশৰ মাটিৰ লগত নিবিড় সম্পৰ্ক আছে, যি সকলৰ জীৱন মুক্ত প্ৰকৃতিৰ লগত নিবিড় আত্মীয়তাৰে সাঙোৰ খাই আছে তেওঁলোকৰ আৱেগ অনুভূতিৰ স্বতঃস্ফুৰ্ত প্ৰকাশেই সৃষ্টি কৰিব পাৰে লোক কবিতাৰ। শিশুক নিচুকোৱা নিচুকনি গীতবোৰো এই লোক কবিতাৰে অনুপম আঁচুফুল।" নিচুকনি গীতৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিবলৈ গৈ খগেন্দ্ৰনাথ তালুকদাৰ আকৌ লিখিছে- "স্থানীয় ভৌগোলিক পৰিৱেশ, জীৱন আৰু জীৱিকা, নিৰ্বাহৰ ধাৰা নিজ জীৱনৰ ছন্দৰে এই গীতবোৰ প্ৰাঞ্জল।

যি পৰিৱেশত শিশু ডাঙৰ হয় তাৰ পৰিচয় আৰু পৰিৱেশৰ কৌতুহল উদ্দীপক অভিজ্ঞতাৰ বৰ্ণনা নিচুকনি গীতসমূহৰ ঘাই বৈশিষ্ট। ঘুমটি যায়ৰে থূলটোত সান্নিৱিষ্ট লোক কবিতাকেইটাতো উক্ত বৈশিষ্ট্যকেইটা ৰক্ষিত হৈছে। পৰিৱেশৰ ওপৰত গুৰুত্ব দিয়াটা নিচুকনি গীতৰ এটা অন্যতম বৈশিষ্ট্য বুলি ইতিপূৰ্বে উল্লেখ কৰা হৈছে। বিশেষকৈ গধুলি হ'লে শিয়ালৰ আড্ডা হৈ পৰে অসমৰ মানুহৰ বাৰী-বস্তি, শিয়ালৰ হোৱা অসমীয়া গাঁৱৰ বাবে এক চিৰপৰিচিত চিঞৰ। গতিকে শিয়ালৰ প্ৰভাৱ অসমীয়া শিশুক নিচুকুৱা গীতত নপৰাকৈ থকাটো অসম্ভৱ। চিৰপৰিচিত বস্তিৰ বাঁহতলিখনৰ লগত অসমীয়া সমাজ জীৱন একান্তভাৱে সম্পৰ্কিত। শিয়ালৰ প্ৰসংগৰে ধেমালিমূলক নানান ৰূপকথা অসমীয়া জনসমাজত প্ৰচলিত আৰু এইবোৰৰ পৰাই সমল গ্ৰহণ কৰি লোকসমাজে শিশুক নিচুকোৱাইছে এইদৰে —

"শিয়ালী এ নাহিবি ৰাতি
তোৰে কাণ কাটি লগামে বাতি
শিয়ালীৰ মূৰতে মৰুৱা ফুল
শিয়ালী পালেগৈ ৰতনপুৰ।"

এটা নিচুকনি গীততেই লোক কবিয়ে বিষয়ৰ পৰা বিষয়ান্তৰালৈ গতি কৰা দেখা যায়। এইবোৰ যে গম্ভীৰ চিন্তাৰ পৰিণিতি নহয় তাৰ উমান বিষয়ৰ অসংলগ্নতাৰ পৰাই অনুমান কৰিব পাৰি কিন্তু কল্পানাৰ পৰিসৰক ব্যাপক আৰু বিস্তৃতি প্ৰদানত লোক কবিসকল সিদ্ধহস্ত আছিল। অসমীয়া সমাজ জীৱনৰ বিৱৰ্তনৰ ছাপো নিচুকনি গীতৰ সামগ্ৰীক বিচাৰত ওলাই পৰে। বিশেষকৈ অসমত এসময়ত বণিক সম্প্ৰদায় এটা থকাৰ উল্লেখ নিচুকনি গীতলৈ দৃষ্টি নিক্ষেপ কৰিলেই দেখা পোৱা যায় -

"ইকৰা পাতৰ নাও সাজি দিয়া
বণিজ বেহাবলৈ যাওঁ।
বাণিজ্যে বেহালা ভালকে কৰিলা
ধনলৈ আনিলা কি ?
ধনলৈ আনিছোঁ পাৰলি ঘোঁৰাটো
সোণৰে শিকলি দি।"

'অ ফুল অ' ফুল' শীৰ্ষক লোক কবিতাটো অসমীয়া লোক কবি মানসৰ পৰিৱেশ চিন্তাৰ ফচল। শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' পুথিখন নৱবৈষ্ণৱ আন্দোলনৰ কালছোৱাত ৰচিত এখন শিশু নিচুকোৱা পুথি। দৃশ্যক বৰ্ণনা কৰিবৰ বাবে কাণখোৱা দৈত্যৰ অৱতৰণা কৰিছে। পুথিখন নিচুকনি গীতৰ ঠাঁচত লিখা হৈছে। ড° বাণীকান্ত কাকতিয়ে

লিখিছে - “....ই বৈষ্ণৱ কবিৰ অন্তৰ্মুখী কল্পনাৰ মনোৰাম ৰচনা। ই অতিশয় মনোমোহা ৰচনা, সৰল অথচ নিৰুপম কৌশলপূৰ্ণ। এপিনে ইয়াত শিশু জীৱনৰ নিজ প্ৰাণৰ প্ৰতিবিম্ব পৰিছে, আনপিনে প্ৰশান্ত ভক্তি-ভাৱ পূৰ্ণ চন্দ্ৰ নিচিনাকৈ বিৰাজ কৰিছে”। পুথিখনত শিশু কৃষ্ণক একেদৰে গাঁৱলীয়া শিশুৰ ৰূপলৈ নমাই আনিছে আৰু যশোদা অসমীয়া গাঁৱৰ তিৰোতাৰ লেখীয়াকৈ কবি কল্পনাত প্ৰতিভাত হৈছে-

“ঘুমটি যায়োৰে অৰে কানাই
হুৰে কাণ-খোৰা আসে।
সকল শিশুৰ কাণ খাই খাই
আসয় তোমাৰ পাশে।।”

ইয়াৰ পিছত এটি সাধাৰণ শিশুৰ দৰে শিশু কৃষ্ণ কাণখোৰাৰ আগমন ভীতিগ্ৰস্ত হৈ উঠিছে-

“তাৰ নাম শুনি ঘুমটি নাসয়
ডৰে কাম্পে মোৰ বুকু।
ধেকিন্দ্ৰে লৰৰি পলাইবাক মোক
সত্বৰে চিনোৰা মোক।।”

অসমীয়া কবিৰ কল্পানাৰ মনোৰাম স্বাক্ষৰ এই ‘কাণখোৰা’ পুথিখন, কিয়নো ভাগৱত, হৰিবংশ আদি কতো নোহোৰা এটা কাহিনীৰ আলমত ই ৰচিত হৈছে। তদুপৰি কৃষ্ণৰ পূৰ্ণব্ৰহ্মত্বক স্বীকাৰ কৰা কথাখিনিত ক'তো জটিলতা ফুটি উঠা নাই আৰু কাণখোৰাৰ কথা চিন্তি থাকোঁতে ‘মিছাসে বুলিয়া মুখে স্তন দিয়া কৃষ্ণক সাবটি ধৰি’ এই কথা খিনিত পুত্ৰ স্নেহৰ এখন চিনাকি ছবি আমাৰ আগত জাগ্ৰত হৈছে। গতিকে, এই ‘কাণখোৰা পুথিখন অসমীয়া শিশু কবিতাৰ ঐতিহ্যৰ এখন অন্যতম চানেকি। একেদৰে মিত্ৰদেৱ মহন্তৰ ‘শুলে ভনী, শুলে নিচুকনি গীতটোত টোপনি নিওৱাৰ সৰল প্ৰয়াস পৰিলক্ষিত হয়, ইয়াতো অসনীয় সমাজখন পূৰ্ণৰূপে প্ৰকট হৈ আছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ ‘জুনুকা’ত সন্নিৱিষ্ট কেইবাটাও সাধু পদ্য আকাৰত গ্ৰন্থিত হৈ আছে। ‘মৰুৱা ফুল’ সংকলনত সন্নিৱিষ্ট ‘গংগাটোপ’ তেনে এটা শিশু কবিতা। এইবোৰ লোক কবিৰ চহা চিন্তাৰ মানস সন্তানস্বৰূপ। বিনন্দ চন্দ্ৰ বৰুৱাৰ ‘বৰষুণ’, যতিনাৰায়ন শৰ্মাৰ ‘বৰষুণ’, ইব্ৰাহিম আলীৰ ‘বৰ্ষাগীত’ সাধৰণতে ঋতু পৰিৱৰ্তনৰ লগত জড়িত বতৰৰ পৰিৱৰ্তনক কল্পনা আৰু সৰল-ৰসসুলভতাৰে উপস্থাপন কৰিছোঁ। নবীন চন্দ্ৰ বৰদলৈৰ ‘শিশুৰ হাঁহি’ কবিতাটোত শিশুৰ মনোৰাম ৰূপক আকৰ্যনীয় ৰূপত তুলি ধৰা হৈছে-

“ক'ত পালি তই ৰূপহী মইনা
এনে সুকোমল হাঁহি?
বিৰ্ বিৰ্ কই বকি থাকি থাকি
হাঁহ কিয় মন মুহি?”

ইয়াৰোপৰি, বলদেৱ মহন্তৰ ‘গুণী পুত্ৰ’, ধনাইবৰাৰ ‘বিদ্যাধন মহাধন’ আদি কবিতাত আগন্তুক দিনৰ নৈতিক আদৰ্শৰ সৰল পাঠ প্ৰদান কৰা হৈছে। নৈতিক উপদেশ প্ৰদান শিশু সাহিত্যৰ উল্লেখনীয় বিশেষত্ব। ৰং-ৰইচ, খেল-ধেমালিত শিশু মগ্ন হৈ থাকে, সৰুৰে পৰা নানান নিচুকনি গীত, উপদেশমূলক গীত-কবিতা শুনি শিশুৱে সৰল ভাব-ভাষাক প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। তাৰ প্ৰকৃষ্ট নিদৰ্শন- খেলা-ধূলা কৰোঁতে শিশুৱে গোৰা ৰ'দালি এ ৰ'দ দে শীৰ্ষক কবিতাৰ দৰে শিশু কবিতা। ‘মৰুৱা ফুল’ত সংকলিত গীত-কবিতাৰ অৰ্থ বেলেগ হ'লেও তাৰ মূল একেটাই, সেয়া সৰল শিশুমনৰ ছবি তথা শিশু মনস্তত্ব। ‘মৰুৱা ফুল’ সংকলনৰ নামটো সংকলনক বৰুৱাই বোধহয় ‘শিয়ালীৰ মূৰতে মৰুৱা ফুল’ এই শাৰীটোৰ পৰা লৈছে। মৰুৱাই সাধাৰণতে এবিধ সুগন্ধি তৃণ আৰু ফুলক বুজায়। গতিকে শিশু কবিতাৰ মৃদু সুবাসৰে সুবসিত এই সংকলনটোৰ নামাকৰণ সাৰ্থক হোৱা বুলি ক'ব পাৰি। শান্তনু তামুলীয়ে সংকলনটো সম্পৰ্কত লিখিছে- “নৱকান্ত বৰুৱাৰ সম্পাদনাত অতীজৰে পৰা ৰচিত শিশুৰ জনপ্ৰিয় কবিতাসমূহৰ সংকলন ‘মৰুৱা ফুল’ (১৯৮৪) অসমীয়া শিশু সাহিত্যৰ ঐতিহ্যৰ বাহক। নৱকান্ত বৰুৱাই অসমীয়া শিশু-সাহিত্যৰ ভঁৰালটো কিদৰে সমৃদ্ধ কৰিছে তাৰ পৰিচয় তেওঁ ৰচনা কৰা শিশু উপযোগী গ্ৰন্থকেইখন উপৰি মৰুৱা ফুল সংকলনটোৱেই বহন কৰিব।”


সহায়ক গ্ৰন্থৰাজী ঃ

১। মৰুৱা ফুল-নৱকান্ত বৰুৱা (সংকলক আৰু সম্পাঃ)।

২। বাণীকান্ত ৰচনাৱলী ঃ ড° মহেশ্বৰ নেওক (সম্পাঃ)।

৩। ঐতিহ্য ঃ অসমীয়া সাহিত্য - ছালিম আলী আহমেদ (সম্পাঃ)।

৪। অসমীয়া শিশু সাহিত্য - ড° নয়নমণি বৰুৱা।

৫। স্মৃতিগ্ৰন্থ (ৰূপালী জয়ন্তী উদ্‌যাপন, পূব কামৰপ মহাবিদ্যালয়) - বলেন দেৱ চৌধুৰী (সম্পাঃ)।


---

নৱকান্ত বৰুৱাৰ বাবে সাহিত্য সৃষ্টিৰ দুখন দুৱাৰ মুকলি হৈছিল। এখন দুৱাৰেদি ওলাই আহি তেওঁ মননশীলতাৰ সঁজুলি হাতত লৈ অসমীয়া কবিতাত নান্দনিকতাৰ নতুন আৰ্হি সন্ধানত নামিছিল, আখনেদি তেওঁ কৌতুকময়তাৰ ডেউকা লৈ হাঁহিৰ উজ্বল শিশুৰ মন আকাশলৈ উৰা মাৰিছিল।

— ড° বীৰেন্দ্ৰনাথ দত্ত

# যিগৰাকী ছোৱালীয়ে পাৰে

মূল ঃ আমা আতা আইডু
অনুবাদক ঃ ভাষ্যতি শৰ্মা
স্নাতক ষষ্ঠ যান্মাসিক, ইংৰাজী বিভাগ

তেওঁলোকে কৈছে যে মই হাচদজিত জন্মগ্ৰহণ কৰিছিলোঁ; আৰু এইখন আমাৰ দেশ ঘানাৰ কেন্দ্ৰীয় অঞ্চল থকা এখন বৰ ডাঙৰ গাঁও। তেওঁলোকে এইটোও কয় যে যেতিয়া গোটেই আফ্ৰিকা খৰাঙৰ কবলত পৰে হাচদজিৰ ভূমি তেতিয়াও উৰ্বৰ হৈ থাকে। হাচদজি জিলাখন উৰ্বৰ ভূমিৰ বাবে প্ৰসিদ্ধ। হয়তা সেইবাবেই মই কোনো সময়তে খাদ্য খাই শেষ নকৰো। নানাই কয়, 'এডজোৱ, তুমি নাজানা জীৱনটো কি... তুমি নাজানা জীৱনটোত কি কি সমস্যা আছে...।'

যিমান দূৰলৈ মই দেখিব পাৰিছিলোঁ, কেৱল এটাই সমস্যা আছিল। নানাক সমস্য হিচাপে গণ্য কৰা আৰু মামীয়ে সমস্যা হিচাপে ভবাৰ সৈতে তাৰ কোনো সম্পৰ্ক নাছিল। মামী মোৰ মা। নানা মোৰ মাৰ মাক। তেওঁলোকে কয় মোৰ বয়স সাত বছৰ। আৰু মোৰ সমস্যা এইটোৱে যে, এই সাত বছৰ বয়সত এনেকুৱা কিছুমান কথা আছে যিবোৰ কেৱল মই ভাবিবহে পাৰোঁ, কিন্তু ক'বলৈ মোৰ ওচৰত সঠিক ভাষা নাই। আৰু মই ভাবো সেয়া এক বৰ গভীৰ সমস্যা। কাৰণ, মনে মনে থাকি মোৰ মগজুত চলি থকা কথাবোৰ নোকোৱাকৈ থাকিম নে সেইবোৰ কৈ মই হাঁহিয়াতৰ পাত্ৰ হ'ম। সেয়া সিদ্ধান্ত লোৱাটো সদায় কঠিন আছিল। এনেকুৱা নহয় যে, তেতিয়া কোনো জ্যেষ্ঠ ব্যক্তিক আপুনি কিবা গুৰুত্বপূৰ্ণ কথা ক'ম বুলি সিদ্ধান্ত ল'ব আৰু তেওঁলোকে আপোনাৰ কথাখিনি সহজভাৱে শুনিব পাৰিব।

নানালৈ চাওঁক। প্ৰথমে মই তেওঁৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সংগ্ৰাম কৰিব লাগিব। তাৰ পিছত মই তেওঁক সেয়া ক'ব পাৰো, যিটো বুজিবলৈ মোৰ বহু সময় লাগিছিল। আৰু তাৰ পাছত আপুনি জাননে সদায় কি হয়? তেওঁ সেই কণ্ঠৰেই মোক সেয়া পুনৰাবৃত্তি নকৰিবলৈ কয়, আৰু নাইবা লগে লগে হাঁহি উঠে। যেতিয়ালৈকে তেওঁৰ গালেৰে চকুপানী বৈ নাযায়। তেওঁ মাত্ৰ হাঁহিব আৰু হাঁহিব, আৰু যি কৰি আছে সেয়া বন্ধ কৰিব। তাৰ পাছত কাপোৰেৰে চকুপানীখিনি মচি পেলাব। ভাগৰুৱা হৈ নপৰালৈকে তেওঁ কেৱল হাঁহিয়ে থাকিব। কিন্তু তেতিয়া যদি আন এজন ব্যক্তি তালৈ আহে, তেওঁ কথাখিনি সেই ব্যক্তিজনৰ ওচৰত পুনৰাবৃত্তি কৰিব। তেতিয়া নিশ্চিতভাৱে দুজন বয়সস্থ ব্যক্তিয়ে হাঁহিব ধৰিব, জোৰেৰে চিঞৰিবলৈ ধৰিব আৰু তেওঁলোকৰ গালেৰে চকুপানী বৈ থাকিব। কেতিয়াবা এই দৃশ্যবোৰ তেতিয়ালৈকে চলি থাকে, যেতিয়ালৈকে তাত তিনিজন, চাৰিজন বা তাতোকৈ বেছি ব্যক্তিৰ এনেকুৱা হাঁহি, চিঞৰ আৰু চকুলোৰ মুখ দেখা নাযায়। এই সকলোবোৰ ঘটনা সম্পৰ্কে মই কি ক'ম? মোৰ এই সকলোবোৰ কিবা বিভ্ৰান্তিকৰ যেন লাগে। কেতিয়াবা মই কোৱা কিছুমান কথা কিয় পুনৰাবৃত্তি কৰিব নালাগে সেয়া কোনেও মোক বুজাই নিদিয়ে, সেয়ে কিছুমান কথা ইমান বেছি হাস্যকৰ হিচাপে গণ্য কৰা হয় যে সেয়া বাৰে বাৰে বহুসংখ্যক মানুহৰ আনন্দৰ বাবে পুনৰাবৃত্তি কৰা হয়। আপুনি দেখিছে, কেনেকৈ এনেবোৰ ঘটনাই মোক মোৰ চিন্তাবোৰ প্ৰকাশ কৰিবলৈ নিদিয়ে।

মোৰ ভৰি দুখনৰ সৈতে এনেবোৰ ঘটনা ঘটে। মই সদায় তেওঁলোকক চিন্তা নকৰিবলৈ ক'ব বিছাৰিছিলোঁ? মানে মোৰ মা আৰু নানাক ক'ব বিছাৰিছিলোঁ যে মোৰ প্ৰিয় মানুহ দুজনৰ বাবে যুঁজ দিয়াটো এটা সমস্যা হ'ব নালাগে। মই বিছৰা নাছিলোঁ যে সেয়া মোক কোনোবাই পুনৰাবৃত্তি নকৰিবলৈ ক'ব, নাইবা তাক ইমান হাস্যকৰ বুলি গণ্য কৰিব যে কোনোবাই নকন্দালৈকে কেৱল হাঁহি থাকিব। যি কি নহওক সেয়া মোৰ ভৰি দুখন আছিল। মই এই সম্পৰ্কে

এতিয়া পুনৰ ভাবোঁ, মোৰ জন্মৰ দিনৰে পৰা নানা আৰু মোৰ মায়ে নিশ্চয় মোৰ ভৰি দুখনৰ বিষয়ে আলোচনা কৰি আছিল। মই নিশ্চিত যে যেতিয়া মিঠা, কোমল সেই নীৰৱ দেশৰ পৰা কোলাহলৰ পৃথিৱীলৈ ওলাই আহিছিলোঁ মই মুখামুখি হোৱা প্ৰথমটো বিষয় আছিল মোৰ ভৰি দুখন।

এইধৰণৰ আলোচনা নিয়মিতভাৱে হৈ আছিল

নানা ঃ 'আহ, তই জানানে কায়া, তোৰ প্ৰথম শিশুটি ছোৱালী হোৱা বাবে মই ভগৱানক ধন্যবাদ দিওঁ। কিন্তু কায়া, মই তাইৰ ভৰি দুখনৰ বিষয়ে নিশ্চিত নহয়।'

মামী ঃ 'মা, তুমি সদায় এডজোৱাৰ ভৰিৰ বিষয়ে কিয় অভিযোগ কৰি থাকা। যদি তুমি মোক সোধা...

নানা ঃ 'ভৰি দুখন বহুত ক্ষীণ, আৰু মই তোক সুধি থকা নাই।

"কিছুমান মানুহৰ ভৰিয়েই নাথাকে", মোৰ মায়ে পুনৰ সাহসেৰে কয়।

'কিন্তু এডজোৱাৰ ভৰি আছে', নানাই জোৰ দি কয়, 'যদিও সেয়া বহুত ক্ষীণ আৰু এজনী ছোৱালীৰ বাবে বহুত দীঘল। কায়া, শুন। এবাৰ, বহু বছৰৰ মূৰত এবাৰ, এটা দুৰ্ঘটনা ঘটে আৰু কোনোবাই হাত দুখন নোহোৱাকৈ জন্ম হয় আৰু নাইবা হাত, ভৰি দুয়োবিধ অংগ নোহোৱাকৈ জন্ম হয়। আৰু তই জান এই কথাবোৰ সদায় কৈ থকা কথা নহয়। কিন্তু যদি ভৰিৰ সৈতে কোনো ছোৱালী শিশু জন্মগ্ৰহণ কৰে, তেন্তে তেওঁলোকে তেনেকুৱা ভৰিৰ সৈতে জন্ম ল'ব লাগে।

'কেনেকুৱা ধৰণৰ ভৰি?' সদায় সেইখিনি সময়ত মই মাৰ কণ্ঠটোৰ পৰা জানিছিলোঁ যে তেওঁ ভিতৰি ভিতৰি কান্দি থাকে। নানাই কেতিয়াও মাৰ এই ভিতৰৰ ক্ৰন্দন নুশুনে। এনেকুৱা নহয় যে সেই ক্ৰন্দন শুনিলে নানা বৈ যাব। যিয়ে মোক সদায় আচৰিত কৰি তোলে। কাৰণ মোৰ ভৰিৰ বিষয়টো বাদ দি বাকী প্ৰায় সকলো ফালৰ পৰায়ে নানা এগৰাকী ভাল বয়োজ্যেষ্ঠ ব্যক্তি হ'ব পাৰে। মই মাত্ৰ প্ৰায়ে ক'ব বিচাৰোঁ যে এই বিষয়টোৰ ওপৰত নানাৰ দৃষ্টিভংগীৰ বাহিৰে মই তেওঁক সঁচাকৈ ভাল পাইছিলোঁ।

নানা ঃ মই কোৱাৰ দৰে যদি কোনো ছোৱালী শিশু দুখন ভৰিৰ সৈতে জন্মগ্ৰহণ কৰিব বিচাৰে, তেন্তে ভৰিবোৰ মঙহাল হোৱা উচিত। কাৰণ এনে মঙহাল ভৰিবোৰে কঠিন কঁকাল ভালদৰে ধৰি ৰাখিব পাৰে আৰু এগৰাকী মহিলাৰ সন্তান প্ৰসৱ কৰিবলৈ কঠিন কঁকাল থাকিব লাগে।'

'অহ মা।' মোৰ মায়ে এনেদৰে খুব শান্তভাৱে উত্তৰ দিব আৰু তাৰ পাছত সেই আলোচনাটি শেষ হ'ব নাইবা তেওঁলোকে কিবা বেলেগ বিষয় লৈ আলোচনা কৰিব।

কেতিয়াবা নানাই মোৰ দেউতাৰ বিষয়েও কিবা কৈছিল। কেনেকৈ, 'তেনে এজন ব্যক্তিলৈ চাই আমি নম্ৰ হ'ব লাগিব আৰু স্বীকাৰ কৰিব লাগিব যে, যি কি নহওঁক ঈশ্বৰৰ সন্তান বহুত...।'

'কেনেকৈ কাৰোবাৰ একমাত্ৰ ছোৱালীক এজন ব্যক্তিলৈ বিয়া দিয়াৰ পিছত আটাইতকৈ ডাঙৰ সমস্যা এটিৰ উদ্ভৱ হয়। তুমি তেতিয়াও ভগৱানক ধন্যবাদ দিয়া উচিত এই কাৰণেই যে আটাইতকৈ ডাঙৰ সমস্যাটো পিছতহে সৃষ্টি হৈছিল যেতিয়া দুখন ক্ষীণ আৰু দীঘল ভৰিৰ সৈতে নাতিনী এটি জন্ম হৈছিল।'

তেওঁ সদায় মোৰ দেউতাৰ বিষয়ে মুখৰ ভিতৰতে কিবা কিবি কৈছিল, তেওঁ হয়তো ভাবিছিল যে মই শুনা নাছিলোঁ। কিন্তু মই সদায় শুনিছিলোঁ। লগতে, সেইটোৱে সদায় মোৰ মাক স্তব্ধ কৰি ৰাখে, যাতে মই প্ৰকৃততে শব্দবোৰ শুনা নাপাওঁ। এবাৰ মোৰ মাক এনেকুৱা লাগিছিল যে আনকি তেওঁৰ শেষ সাহসখিনিও শেষ হ'ল। নানাই তৰ্কবোৰত যোগ দিয়া কথাবোৰ মই সদায় অনুমান কৰিব পাৰিছিলোঁ।

'সন্তানটিৰ সৈতে কঁকালটি মঙহাল ভৰিবোৰ ধৰি ৰাখে আৰু তাৰ ফলত ভালদৰে এটি সন্তান জন্ম দিবলৈ সক্ষম হয়।'

গতিকে মই ইচ্ছা কৰিছিলোঁ যে এদিনাখন মই যাতে সন্তান থকা যিকোনো মহিলাৰ ভৰি দেখিবলৈ পাওঁ। কিন্তু আমাৰ গাঁৱত সেয়া সহজ নহয়। বয়োজ্যেষ্ঠ মহিলাসকলে সকলোসময়ত দীঘল কাপোৰ গাত মেৰিয়াই পিন্ধে। সম্ভৱতঃ যদি মোক তেওঁলোকে গধূলি নদীত গা ধুবলৈ যাবলৈ দিলেহেঁতেন। কিন্তু মই কেতিয়াও সেই সুযোগ পোৱা নাছিলো। মোৰ লগৰীয়াৰ সৈতে নদীৰ পাৰলৈ যাবলৈ দিবলৈ মই মোৰ মা আৰু নানাক বহুবাৰ সুধিছিলোঁ আৰু অনুমতি বিছাৰিছিলোঁ। ভালদৰে গা ধুৱৰ বাবে আমি আমাৰ ঘৰৰ পিছফালে কিছুমান সৰু সৰু গাধোৱা ঘৰ ব্যৱহাৰ কৰিছিলোঁ। সেয়েহে মই বাস্তৱত দেখা মহিলাৰ খালী ভৰিবোৰ আছিল কেৱল মোৰ দৰে সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ, নাইবা স্কুলৰ ডাঙৰ ছোৱালীবোৰৰ। মোৰ মা আৰু নানাৰ ভৰিবোৰ নিশ্চিতভাৱে একে। কাৰণ নানাই মোৰ মাক জন্ম দিছিল আৰু মোৰ মায়ে মোক জন্ম দিছিল। মোৰ দৃষ্টিত মোৰ সকলো বান্ধৱীৰ ভৰিবোৰ দেখাত ভৰিৰ দৰে আছিল, কিন্তু সেই ভৰিবোৰ তেনেকুৱা ধৰণৰ কঁকাল ধৰি ৰাখিব পৰাকৈ মঙহাল হৈছিল নে নাই মই নাজানো।

ডাঙৰ ল'ৰা-ছোৱালীবোৰৰ মতে, আমাৰ গাঁওখন আৰু সৰু নগৰখনৰ মাজৰ দূৰত্ব প্ৰায় পাঁচ কিলোমিটাৰ। মই নাজানো পাঁচ কিলোমিটাৰ মানে কি। স্কুললৈ খোজকাঢ়ি অহ-যোৱা কৰিবলৈ কিমান বেছি দূৰত্ব, সেই সম্পৰ্কে তেওঁলোকৰ সদায় অভিযোগ।

কিন্তু মোৰ বাবে সিমানখিনি দূৰত্ব খোজ কঢ়াতো চিন্তাৰ বিষয় নহয়। স্কুলখন ধুনীয়া।

স্কুলখন অন্য এটা বিষয়, যিটো নানা আৰু মোৰ মায়ে মাজে মাজে আলোচনা কৰিছিল আৰু এই সম্পৰ্কে বিভিন্ন ধাৰণা ব্যক্ত কৰিছিল। নানাই ইয়াক সময়ৰ অপচয় বুলি ভাবিছিল। তেওঁ কি বুজাব বিচাৰে মই কেতিয়াও বুজি পোৱা নাছিলোঁ। মোৰ মাক বুজি পোৱা যেন লাগিছিল আৰু মায়ে সেয়া সমৰ্থন কৰা নাছিল। তেওঁ নানাক ক'বলৈ ধৰিছিল যে, তেওঁ অৰ্থাৎ মোৰ মায়ে অনুভৱ কৰিছিল যে তেওঁ এক ধৰণৰ অন্ধকাৰৰ মাজত আবদ্ধ হৈ পৰিছিল, কাৰণ তেওঁ স্কুললৈ যোৱা নাছিল। সেইবাবে তেওঁ ভাবিছিল যে যদি মই অৰ্থাৎ তেওঁৰ ছোৱালীয়ে নিজৰ নামটো লিখিব আৰু পঢ়িব জনাৰ বাহিৰেও অন্যান্য কথা শিকিব পাৰে, অন্ততঃ হিচাপ-নিকাচবোৰ ভালদৰে জানিব পাৰে, তেন্তে ভাল হ'ব। মই পিছতো বিয়া হ'ব পাৰিম আৰু হয়তো...।

নানাই কেৱল হাঁহিবলৈ ধৰে। 'আহ, যদি তাইৰো তেওঁৰ দৰে ভাল ভৰি থাকিলহেঁতেন, তাই ভালদৰে স্কুললৈ যাব পাৰিলেহেঁতেন।'

আমাৰ সৰু খেলপথাৰখনত মোৰ সহপাঠীসকলৰ সৈতে দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰতিবছৰে প্ৰথম স্থান লাভ কৰা কথাটো কেতিয়াও ঘৰত কাকোৰে ক'বলৈ মন যোৱা নাছিল। কিন্তু এইবেলি কথাটো বেলেগ হৈছিল। মইনাজানো, কেনেকৈ জিলাৰ খেলত আমাৰ স্কুলৰ পৰা কনিষ্ঠ শাখাৰ বাবে দৌৰ প্ৰতিযোগিতাত মোক অংশগ্ৰহণ কৰিবলৈ দিবলৈ শিক্ষকসকলে সিদ্ধান্ত লৈছিল। কিন্তু, তেখেতসকলে সেয়া সঁচাকৈয়ে সিদ্ধান্ত লৈছিল।

যেতিয়া মই মা আৰু নানাক এই বিষয়ে কৈছিলোঁ, তেওঁলোকে পোনপ্ৰথমে বিশ্বাস কৰা নাছিল। গতিকে নানাই এই বিষয়ে ভালদৰে সুধিবলৈ স্কুললৈ নিজেই গৈছিল। তেওঁ ঘৰলৈ আহি মোৰ মাক কৈছিল যে এয়া সঁচা। মই মোৰ স্কুলৰ দৌৰবিদবোৰৰ এজন আছিলোঁ।

'সঁচাকৈয়ে?' মোৰ মায়ে আনন্দতে চিঞৰি দিছিল। মই তেওঁক জানিছিলোঁ। তেওঁৰ মুখখন এনেদৰে লৰচৰ কৰিছিল নে তেওঁ নানাক কিবা ক'বলৈ বিচাৰিছোঁ। যি কি নহওঁক মোৰ বিষয়ে এটা গোপন কথা আছিল যিটো তেওঁ কাকো ক'ব বুলি ভবা নাছিল। কিন্তু তেতিয়া নানাক ইমান উৎফুল্লিত দেখা গৈছিল যে মোৰ মাৰ মুখ বন্ধ হৈ গৈছিল। যি কি নহওঁক, প্ৰথমবাৰৰ বাবে খবৰটো শুনাৰ পিছৰ পৰা মই নানাক প্ৰায়ে এক অদ্ভুত দৃষ্টিৰে মোৰ ভৰিলৈ চাই থকা লক্ষ্য কৰিছিলোঁ, কিন্তু তথাপি তেওঁ নোচোৱাৰ ভাও ধৰিছিল। গোটেই সপ্তাহটোত তেওঁ মোৰ স্কুলৰ পোচাক ধুই দিছিল। এয়া এক আচৰিত কথা আছিল। তেওঁ কেৱল তাতেই সীমাবদ্ধ থকা নাছিল, আনকি মিষ্টাৰ মেনচাহৰ ঘৰলৈ গৈ তেওঁৰ ইস্ত্ৰিটো আনিছিল আৰু যেতিয়ালৈকে মই স্কুলৰ কাপোৰযোৰ নিপিন্ধো, তেতিয়ালৈকে তেওঁ বাৰে বাৰে ইস্ত্ৰি কৰি আছিল।

সেই সপ্তাহটোত মোৰ স্কুলৰ পোচাকযোৰ পিন্ধি খুব ভাল লাগিছিল। আবেলিৰ সূৰ্যৰ পোহৰ পৰি, কাপোৰ যোৰ আন সকলোৰে ইউনিফৰ্মতকৈ উজ্জ্বল হৈ পৰিছিল। মই নিশ্চিত যে নানাই সেয়া দেখিছিল আৰু তেওঁৰো ভাল লাগিছিল। হয়, তেওঁ এই জিলাৰ খেল সপ্তাহত প্ৰতিটো আবেলি আমাৰ সৈতে চহৰলৈ আহি আছে। প্ৰত্যেক আবেলি, তেওঁ তেওঁৰ ডাঙৰ বাকচটোৰ পৰা সতেজ পুৰণি কাপোৰ এসাজ পিন্ধিবলৈ উলিয়াই লৈছে। তেওঁ আমাৰ স্কুলীয়া ল'ৰা-ছোৱালীবোৰৰ পিছে পিছে গৈ আছে যেন তেওঁ আন কোনো ঠাইলৈ গৈ আছে।

মই স্কুলৰ বাবে খেলা প্ৰতিখন দৌৰ প্ৰতিযোগিতাত জয়ী হৈছিলোঁ। কনিষ্ঠ খেলুৱৈৰ কাপো লাভ কৰিলোঁ। আপুনি জানেনে নানাই কি কৰিছিল? যিদৰে নিজৰ কেঁচুৱা নাইবা অন্য কোনো মূল্যবান বস্তু লোৱা হয়, ঠিক সেইদৰে তেওঁ জিলিকি থকা কাপটো তেওঁৰ পিঠিত লৈ গৈছিল।

স্কুলৰ প্ৰধান শিক্ষকক কাপটো দিবলৈ যোৱাৰ আগতে আমি আমাৰ গাঁৱলৈ আহিছিলোঁ, তেওঁ কাপটো মোৰ মাক দেখুৱাইছিল।

বয়োজ্যেষ্ঠসকল বৰ আচৰিত। নানাই এতিয়া মোক কোলাত লৈ আছে। সৰু সৰুকৈ কৈ আছে, যে ক্ষীণ ভৰিবোৰ উপযোগী হ'ব পাৰে। যদিও কিছুমান ভৰি মঙহাল নহয়, সেইবোৰে দৌৰিব পাৰে। তেন্তে কোনে জানে?

মই এইবোৰৰ বিষয়ে বেছি নাজানো। কিন্তু মই এনেধৰণে অনুভৱ কৰিছিলোঁ আৰু সকলো সময়তে ভাবি আছিলোঁ যে যিকোনো মহিলাই ভৰিৰ বাবে সন্তান জন্ম দিয়াৰ উপযোগী হোৱাৰ লগতে ভৰিৰে অন্য কোনো কামো কৰিবলৈ সক্ষম হোৱা উচিত। যদিও মই এনেধৰণৰ কথাবোৰ ডাঙৰকৈ ক'বলৈ ভয় কৰিছিলোঁ। কাৰণ কোনোবাই মোক এনেকুৱা কথা পুনৰাবৃত্তি নকৰিবলৈ ক'লেহেঁতেন আৰু নাইবা, মই কোৱা কথাখিনিৰ বাবে বহুত বেছি হাঁহিলোঁহেঁতেন।

তাতকৈ এইদৰে তেওঁলোকক দেখুৱাবলৈ অভিনয় কৰাটোৱেই ভাল, যদিও মই এইটো পৰিকল্পনা কৰিব নোৱাৰিলোঁহেঁতেন।

যদি মোৰ মাৰ কথা ক'বলৈ যোৱা হয়, তেওঁ সদায় মৌন হৈয়ে থাকে।

অনুবাদ গল্প

# দেৱী

মূল ঃ মুন্সী প্ৰেমচন্দ
অনুবাদক - নিদুস্মিতা ডেকা
স্নাতক ষষ্ঠ যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

ৰাতিটো সেমেকা আছিল। মই বাৰাণ্ডাত থিয় হৈ আছিলোঁ। সন্মুখত আমিনুদ্দৌলা পাৰ্কখন যেন গভীৰ নিদ্ৰাত ডুবি আছিল। মাত্ৰ এগৰাকী মহিলা এখন আৰামী বেঞ্চত বহী আছিল। পাৰ্কৰ বাহিৰত ৰাস্তাৰ দাঁতিত এজন ফকীৰ থিয় হৈ অহা যোৱা কৰি থকা মানুহবোৰক আশীৰ্বাদ দি আছিল। "খোদা আৰু ৰছুলৰ কাৰণে ৰাম আৰু ভগৱানৰ কাৰণে এই অন্ধৰ ওপৰত দয়া কৰক।"

ৰাস্তাত গাড়ী-মটৰৰ চলাচল বন্ধ হৈছিল। এজন-দুজনহে মানুহ দেখা গৈছিল। ফকীৰজনৰ যিটো মাত আগতে দমাই ৰখাৰ দৰে আছিল, এতিয়া সেইটো মাতেই মুক্ত পাৰ্কখনত চিঞৰিবলৈ ধৰিছিল। তৎক্ষণাত, সেই মহিলাগৰাকী উঠিল আৰু সম্পূৰ্ণ সাৱধানে ইফাল-সিফাল চাই ফকীৰৰ হাতত কিবা এটা দিলে আৰু তাৰ পিছত একেবাৰে লাহেকৈ কিবা এটা কৈ এফালে গুচি গ'লগৈ। ফকীৰৰ হাতত কাগজৰ টুকুৰা দেখা গ'ল, যিটো তেওঁ বাৰে বাৰে মোহাৰি আছিল। সেই মহিলাগৰাকীয়ে এয়া কাগজ দিলে নেকি ?

এয়া কি ৰহস্য ? তেওঁৰ জনাৰ কৌতুহল দেখি মই অধৈৰ্য্য হৈ তললৈ আহিলোঁ আৰু ফকীৰৰ ওচৰত থিয় হ'লোঁ।

মোৰ উমান পোৱাৰ লগে লগে ফকীৰজনে সেই কাগজৰ টুকুৰাটো। দুটা আঙুলিৰে টিপি ধৰি মোক দেখুৱালে। আৰু সুধিলে --- "বাবা, চোৱাচোন এইটো কি বস্তু?"

মই দেখিলোঁ -- দহ টকীয়া নোট আছিল। ক'লোঁ --- দহ টকীয়া নোট, ক'ত পালা ?

ফকীৰজনে নোটখন নিজৰ মোনাত ভৰাই ক'লে -- কোনোবা খোদাৰ দাসীয়ে দি থৈ গৈছে।

মই আৰু একো নক'লোঁ। সেই মহিলাগৰাকীৰ ফালে দৌৰিলোঁ, যি এতিয়া আন্ধাৰত মাথোঁ এটি সপোন হৈ ৰৈ গৈছিল।

তেওঁ বহুকেইটা গলি পাৰ হৈ এটি ভঙা-ছিঙা ঘৰৰ দুৱাৰত ৰ'ল। তলা খুলিলে আৰু ভিতৰলৈ গুচি গ'ল।

ৰাতি একো সোধাতো ভাল নহ'ব বুলি ভাবি মই উভতি আহিলোঁ। গোটেই ৰাতি মোৰ মনটো তাতেই লাগি থাকিল। একেবাৰে ৰাতিপুৱাই মই আকৌ সেই গলিটোত উপস্থিত হ'লোঁ। জানিব পাৰিলোঁ তেওঁ এগৰাকী অনাথ বিধৱা।

মই দুৱাৰমুখত গৈ মাত লগালোঁ -- দেৱী, মই তোমাৰ দৰ্শন কৰিবলৈ আহিছোঁ। মহিলাগৰাকী বাহিৰলৈ ওলাই আহিল। অভাৱ আৰু নিৰাশ্ৰয়তাৰ এখন জীৱন্ত ছবি, মই সন্দিহান হৈ ক'লোঁ -- ৰাতি আপুনি ফকীৰক ...

দেৱী গৰাকীয়ে কথাটো সলনি কৰি ক'লে -- মহাশয়, সেইটোনো কি কথা, মই সেই নোটখন পৰি থকা পাইছিলোঁ, মোৰনো কি কামত আহিলহেঁতেন?

মই সেই দেৱীগৰাকীৰ চৰণত মূৰ দোৱালোঁ।

ফাগুন বিষয়ক থিতাতে লিখা কবিতা প্ৰতিযোগিতাৰ নিৰ্বাচিত কবিতা

## ফাগুনৰ দিন

আছিক আলী
স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

একবাল শীতৰ উদ্‌যাপনৰ অন্তত
পূৰ্বপুৰুষে ভাবিছিল
পৃথিৱীৰ ৰং ৰঙা
সূৰ্যৰ বৰণ ৰঙা
দেশৰ নিচান হওক ৰঙা।
এইখিনিতে আহিছিল
পলাশ ফুলাৰ বতৰ,
কাতৰ হ'বলৈ ধৰা মনবোৰত বলিছিল
এজাক পছোৱা,
তাৰ পাছত এজাক বালিৰ ধুমুহা
ৰক্তাক্ত বৰণত স্নান কৰিলে
মৃত্যুকণাই,
আইতাই সুধিলে, 'শিমলু ফুলাৰ বতৰ নেকি এয়া ?'
মানুহে বুজি উঠিছিল দেশখনৰ ৰং ৰঙা
নোহোৱাহেঁতেন
ফাগুন অপ্ৰাসংগিক !
অপ্ৰাসংগিক.......
ৰঙৰ এটা চেকা লগা জীৱন ।

## ফাগুন

অনিমা ডেকা
স্নাতক দ্বিতীয় ষান্মাসিক
অৰ্থনীতি বিভাগ

কুঁৱলীৰ আচ্ছাদন এৰি
এতিয়া যেন ফাগুনৰ আগমন,
কি যে অনুভৱ এয়া !

পলাশ, শিমলু, মদাৰ
ৰঙচুৱা হাঁহি,
পলাশ মদাৰৰ সুবাসত
মতলীয়া হাজাৰ হাজাৰ
কবিৰ মন।

হৃদয়ৰ খিৰিকীখন খুলিবলৈয়ে
ভয় লাগে,
জানোচা, ফাগুনৰ পছোৱাই হৃদয়খনক
উৰুৱাই নিয়ে.

উতনুৱা ফাগুনৰ পৰশত
মন ব্যাকুলতাৰে ভৰপূৰ,
ফাগুন মানে প্ৰেম নে বিচ্ছেদ ?
ফাগুন মানেই এজাক বৰষুণৰ
উন্মাদ চঞ্চল প্ৰেম,
ফাগুন মানেই যেন এজাক ফিৰফিৰীয়া
বতাহে উৰুৱাই নিয়া পৰশ,
সকলো শেষ হোৱাৰ পিছত
যি জীয়াই উঠে, সেয়াই ফাগুন।

# ফাগুন

**কৌশিক ডেকা**
**স্নাতক চতুৰ্থ ষান্মাসিক**
**ইংৰাজী বিভাগ**

'ফাগুন'
এক বিশেষ স্মৃতি......
লঠঙা মদাৰৰ সজীৱ
ফুলবোৰে
আকাশত নাচিছে
গাইছে প্ৰেমৰ গীত।

'ফাগুন'
প্ৰেমৰ মাহ
সেয়ে কোনো আজন্ম প্ৰেমিকে
গাইছিল,
'মোৰ ফাগুন আছেহি বৈ'

'ফাগুন'
কবিতাৰ দিন
বহু কবিৰ হাতৰ
পৰশত
শিৰোনাম দখল কৰে
ফাগুনে ........

'ফাগুন'
আজিও আহি ৰৈছেহি
মোৰ চোতালত
দুবৰিৰ দুভাষাত
সজীৱ হয়
মনৰ পদূলিৰ
অশ্ৰুগন্ধাজুপি...

' ফাগুন'
বিশেষ
শীতৰ শীতলতাৰ
আগমন

'ফাগুন'
ধূলিয়ৰি বাটটিৰে
গৈ থাকোতে
মনত পৰি গ'ল.......
কিয় এয়াই জানো ফাগুন নহয় ?

# কুঁৱলীৰ ধূসৰতাত
# সময়ৰ ঠিকনা

**ভাষ্যতি শৰ্মা**
স্নাতক ষষ্ঠ ষান্মাসিক
ইংৰাজী বিভাগ



এখন বৃদ্ধাশ্রম। বতৰতো খুব ঠাণ্ডা। কুঁৱলী ফালি আহো নাহোঁকৈ অহা কোমল ৰ'দখিনি গাত লগাই নিলয়া বহি আছে। এই সময়খিনি তাইৰ আগতে খুব প্রিয় আছিল যদিও আজিকালি প্রিয়-অপ্রিয় বুলি একো নোহোৱাৰ নিচিনাই। কিহৰ সময়! পিঠা-পনা বনাই তাই বৃদ্ধাশ্রমখনৰ সকলোকে খুৱাইছে। এতিয়াও সেই একেই হেঁপাহ। পিঠা-পনা সকলোকে খুৱাই তাইৰ যে কিমান স্ফুর্তি লগে। পুৰণি সময়বোৰ স্মৃতি হৈ প্ৰায়েই তাইৰ মনত দোলা দিয়েহি। বয়সত তাই প্ৰায় ৬৫ বছৰত ভৰি দিছে যদিও পুৰণি কথাবোৰ ভাবি মাজে মাজে তাই নষ্টালজিয়াত ডুব যায়। খুব ধুনীয়া নষ্টালজিয়া। তাইৰ ভাললগা। আজিও বয়সৰ কুঁৱলী ফালি তাই পুৰণি কথাবোৰ মনত আওৱাই আছে। কিছু সময়ৰ পিছত গাড়ী এখন ৰোৱাৰ শব্দত তাই মনৰ সেই জগতখনৰ পৰা ঘূৰি আহিল। কোন আহিছে বুলি গেটখনলৈ চকু পোনালে। এজন ডেকা ল'ৰা আৰু লগত এজন বৃদ্ধ। বৃদ্ধজন হয়তো ল'ৰাজনৰ দেউতাক। বৃদ্ধজনলৈ চাই তাই মনতে ভাবিলে 'কোনোবা নতুন সদস্য চাগে।' তেওঁলোক আগুৱাই আহিল। ল'ৰাজনে প্ৰথমতে নিলয়াৰ ভৰি চুই সেৱা কৰিলে আৰু ক'লে, "ভোগালী বিহুৰ শুভেচ্ছা থাকিল খুড়ী। মই আপোনালোকৰ আশীৰ্বাদ ল'বলৈ আহিছোঁ আৰু দেউতাই আপোনালোকলৈ পিঠা-পনা আনিছে। বাকীসকল খুড়া-খুড়ী আছেনে? মাতকচোন সকলোকে।"

নিলয়াই ল'ৰাজনৰ মুৰত হাত থৈ ক'লে— হ'ব দিয়া বোপাই, ভাল হওক তোমাৰ। ৰ'বা মই মাতি দিছো সকলোকে।'

এইবুলি কৈ নিলয়াই বৃদ্ধাশ্রমখনৰ সকলো সদস্যকে মাতি আনিলে। ল'ৰাজনে সকলোৰে ভৰি চুই আশীৰ্বাদ ল'লে আৰু দেউতাকে পিঠা-লাড়ুবোৰ সকলোৰে হাতে হাতে দি গ'ল। সকলোকে দিয়া হোৱাত বৃদ্ধজনৰ মুখত দেখা নেদেখাকৈ এটা যেন প্ৰশান্তিৰ হাঁহি বিৰিঙি উঠিল। হাঁহিটো নিলয়াৰ চিনাকি চিনাকি লাগিল। অলপ ৰৈ তাই মানুহজনৰ ওচৰলৈ গৈ সুধিলে...

"এইবাৰ প্ৰথম আহিছে ইয়ালৈ?"

"হয়", মানুহজনে ক'লে।

তাই আকৌ সুধিলে, "আপোনালোকৰ ঘৰ ইয়াতেই নেকি?"

"নহয় নহয়। আমি ইয়াত নতুনহে। এতিয়াৰ পৰা প্ৰতিবছৰে বিহুত ইয়ালৈ আহিম।"

"বাৰু আহিব।"

এইবাৰ ল'ৰাজনে আগুৱাই আহি ক'লে— "ভাল লাগিল খুড়ী আপোনালোকক লগ পাই। আকৌ আহিম দেই।"

"আহিবা আহিবা। পিছে মোৰ হাতেৰে বনোৱা পিঠা-

পনাও খাই যোৱা।”

“খাম খাম খুড়ী। দিয়ক আকৌ।”

হাঁহি এটা মাৰি তাই ভিতৰলৈ সোমাই গৈ পিঠা লৈ আহিল আৰু আগ্ৰহেৰে দুয়োকে দিলে। পিঠাখন মুখত ভৰাই বৃদ্ধজনে সৰুকৈ মুখৰ ভিতৰতে কৈ উঠিল ‘তাই থাকিলে এনেকৈয়ে আগ্ৰহেৰে পিঠা-পনা বনাই খুৱালেহেঁতেন।’ নিলয়াই সুধিলে “কিবা কৈছে?”

“নাই বতৰটো আজি ইমান ঠাণ্ডা। ৰ'দখিনি ভালকৈ ওলোৱাই নাই।”

“মোৰ আকৌ এনেকুৱা বতৰেই ভাল লাগে। কুঁৱলীৰ ধূসৰতাত বেলিটি হেৰাই যায়। আচলতে ৰ'দ নাথাকিলেহে বুজি পোৱা যায় ৰ'দখিনিৰ বাবে আমাৰ কিমান হেঁপাহ থাকে, ভালপোৱা থাকে। বাৰু বাদ দিয়ক। আপোনাৰ ঘৰত আৰু কোন কোন আছে?”

“মই, মোৰ পৰিবাৰ আৰু ল'ৰাটোৱেই। অহা ফাগুনতে তাৰ বিয়া। মাতিম আপোনালোকক আহিব লাগিব।”

এইবাৰ ল'ৰাটোৱে ক'লে— “খুড়ী, আপুনিতো আহিবই লাগিব দেই।”

নিলয়াৰ মুখত আন্তৰিকতাৰ হাঁহি এটা দেখা গ'ল। তাৰ পিছত মানুহজনে আকৌ সুধিলে—

“পিছে আপোনাৰ ঘৰত কোন কোন আছিলনো?”

“ভাই এটা আৰু ভাইবোৱাৰীটো। দেউতা, মা মই কলেজত পঢ়ি থকা দিনতেই ঢুকাল। ভাইটিয়ে বিয়া পাতি সংসাৰ কৰিলে। মোক ৰাখিনো সিহঁতে কি কৰিব। বোজা হৈ আছিলোঁ বাবেই ইয়াতে থৈ গ'ল। এতিয়া ইয়াতেই শান্তিত আছোঁ।”

“পিছে আপুনি বিয়া পতা নাছিলে?”

“নাই, তেনেকুৱা কোনো নাপালোৱেই। এজন আছিল, বিয়া হোৱা নহ'ল। সময়ে সময় নিদিয়াত আঁতৰি আহিব লগা হ'ল। সেই সময়ত এইবোৰ ভবাও নাছিলোঁ। পঢ়াক লৈ খুব চিৰিয়াছ আছিলোঁ। কিন্তু মা-দেউতা ঢুকোৱাত পঢ়াও আধৰুৱা হৈ থাকিল। পিছত ভাইটোৱে ল'ৰা চাইছিল। কিন্তু কাৰোৰে লগত মনটোৱে নিমিলেচোন।”

“ভালেই দিয়ক। কৃত্ৰিম হাঁহিটোক সুখ বুলি ভ্ৰম এটা লৈ জীয়াই থকাতকৈ এনেকৈ মুকলি মনে থকাই ভাল। সেইফালৰ পৰা আপুনি সুখী।”

হাঁহি এটাৰে তাই সমৰ্থন জনালে। এনেকৈ কিছু সময় থাকি অলপ পিছত তেওঁলোক যাবলৈ ওলাল। তাই তেওঁলোকক গাড়ীৰ ওচৰলৈ আগবঢ়াই থ'বলৈ আহিল। তেওঁলোক ঠিক গাড়ীত উঠিবলৈ লওঁতেই নিলয়াৰ সমবয়সীয়া বৃদ্ধা এগৰাকীয়ে তাইক মাত লগালে, “নিলয়া, এইফালে আহচোন।”

তাই চিনাকি হাঁহিটোৰে তেওঁলোকক বিদায় জনাই ক'লে— “মোক মাতিছে। আপোনালোক যাব দেই।” গাড়ীত উঠিবলৈ লৈ মানুহজনে কিবা এটা যেন চক্ খাই উঠিল। ঘূৰি চাই সুধিলে, “ৰ'বাচোন”, তাই ঘূৰি চালে। তেওঁ সুধিলে, “আপোনাৰ নামটো।” “নিলয়া বৰুৱা।” মানুহজনে কিবা এটা বুজি উঠিল। তাইলৈ কিছুসময় চাই ৰ'ল। অলপ পিছত ক'লে “ঠিক আছে, আহোঁ দিয়ক।”

কুঁৱলীৰ আচ্ছাদন লাহে লাহে আঁতৰিছিল। বেলিটি ভালকৈ ওলাইছিল। দুপৰীয়া হৈছিল। গাড়ীখন এটা গতিত চলি আহি আছিল। আহি থাকোতে তেওঁৰ মন ইমানদিনে ঢাকি থকা ধূসৰতাখিনি নোহোৱা হৈছিল। বুজিছিল তেওঁ, তেওঁৰ নিলয়া যে মুকলিমনে আছে। দুখৰ মাজতো তেওঁতকৈ সুখত আছে। পুৰণি দিনবোৰ চকুত ভাঁহি আহিল তেওঁৰ। স্কুল আৰু কলেজৰ দিনবোৰলৈ ঘূৰি গ'ল তেওঁ। নিলয়াৰ হাঁহিটি, ধেমালিবোৰ, একেলগে কটোৱা সময়বোৰ, সকলোবোৰ মনত পৰিছিল তেওঁৰ। শীতৰ দিনবোৰ ভাল লাগিছিল তাইৰ। ভোগালী বিহুটি প্ৰিয় আছিল তাইৰ। তাই বেলেগ বেলেগ ধৰণৰ পিঠা বনাই আনি আগ্ৰহেৰে তাক দিছিল আৰু কৈছিল, “লোৱাচোন, খোৱা। পিঠা বনাই সকলোকে খুৱাই মই বহুত ভাল পাওঁ জানা।” তেওঁ পৰম তৃপ্তিৰে খাইছিল তাই অনা পিঠাবোৰ। তাই কৈছিল, “অনাথ আশ্ৰম, বৃদ্ধাশ্ৰমৰ মানুহবোৰলৈ মোৰ বেয়া লাগে। বিহুটি আহিলে নিজৰ মানুহবোৰ বনাই দিয়া পিঠা-লাৰু খাবলৈ চাগে তেওঁলোকৰ কিমান হেঁপাহ ন'। চাবাচোন ডাঙৰ হ'লে মই তেনেকুৱা মানুহবোৰক বনাই খুৱাম।” তেতিয়া তেওঁ ভাবিছিল, যে এদিন তাইক বিয়া পাতি বিহুৰ সময়ত তাই পিঠা-পনা বনোৱাৰ যোগাৰ কৰি দিব আৰু তাই আগ্ৰহেৰে সকলোকে বনাই খুৱাব। দুয়ো লগ হৈ অনাথ আশ্ৰম, বৃদ্ধাশ্ৰমবোৰলৈও যাব আৰু তাত থকা মানুহবোৰকো তাই আগ্ৰহেৰে খুৱাব। কিন্তু মনৰ কথাবোৰ কোৱা হোৱা নাছিল তেওঁৰ। নিলয়া পঢ়াক লৈ খুব চিৰিয়াছ আছিল। নজনাকৈ দুয়োৰে মাজত কিবা এটা সম্পৰ্ক গঢ় লৈ উঠিছিল। কিন্তু মনৰ কথাবোৰ কোনেও কাকো কোৱা নাছিল। তেতিয়া সৰু আছিল সিহঁত। ভাবিছিল সময় হ'লে ক'ব। পিছে পঢ়ি থকা সময়তে নিলয়াহঁতৰ পৰিয়ালটি দেউতাকৰ চাকৰিসূত্ৰে বেলেগ ঠাইলৈ গুচি গৈছিল। নিলয়া হেৰাই গৈছিল তেওঁৰ পৰা। তেওঁ তাইক পাহৰিব পৰা নাছিল। ঘৰৰ কথামতে তেওঁ বিয়া পাতিছিল। অথচ তেওঁৰ মনৰ পৰা তাইৰ অস্তিত্বখিনি মচি যোৱা নাছিল। মাঘ বিহুটি তাইৰ প্ৰিয় আছিল বাবেই চাগে প্ৰতিবছৰে মাঘ বিহুত তেওঁ নিজে পিঠা-পনা বনাই আৰু অনাথ আশ্ৰম অথবা বৃদ্ধাশ্ৰমলৈ গৈ সকলোকে খুৱাই শান্তি পায়। কথাবোৰ বহুপৰ ধৰি মনত ভাবি থাকিল তেওঁ। বেলিটি তেতিয়া পশ্চিম আকাশ পাইছে। অলপ পাছতে ডুব যাব। গাড়ীৰ গ্লাচখনেৰে পোহৰখিনিলৈ চাই লাহে লাহে ডুব যাব ধৰিলে তেওঁ নষ্টালজিয়াৰ আকাশখনত।

# ডাঙৰ মাছৰ হেপাঁহ

**নিদুস্মিতা ডেকা**
ষষ্ঠ ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

হতাশাগ্ৰস্ত মনটোৰে ৰজনী ঘৰলৈ উভতিল। প্ৰতিদিনৰ দৰে আজিও একেই। তিনি ঘণ্টা একেৰাহে মাছ ধৰাৰ প্ৰয়াস, পিছে মাছ উঠিল তিনিটা। ওজনৰ দামত ৬০ টকা মাত্ৰ। তাকে বিক্ৰী কৰি থৈ পাঁচদিন আগতেই পত্নী ৰুমীয়ে দিয়া বজাৰৰ লিষ্টখন লিৰিকি-বিদাৰি চাবলৈ ধৰিলে। চাৰিজন সদস্যৰ প্ৰতিদিনৰ ভাতমুঠিৰ বাবে চাউল আৰু লগত খাবলৈ কিবা এটা নিবলৈকে তাৰ নোজোৰে। সেই লিষ্টখন চাইনো কি কৰিব? চাউল লাগিবই, লগত এমুঠি দাইল আৰু কেইটামান আলুৰে আজিৰ বজাৰ সমাপ্ত কৰি উভতিল।

ল'ৰা-ছোৱালী দুটিক ভালদৰে এসাজ, ফল-মূল, মিঠাই এইবোৰ খুৱাবলৈ ৰজনীৰো বৰ মন। কিন্তু, কঁপালখনে লগ নিদিয়ে। ঘৰ পোৱাৰ লগে লগে ৰুমীয়ে থাপমাৰি বজাৰৰ মোনাখন লৈ মেলি চালে। তাৰ পিছৰ পৰাই তাইৰ বক্তৃতা আৰম্ভ হ'ল। যেন গোটেই দিনটো তাই সেই বক্তৃতাটিৰ বাবেই আখৰা চলাই আছিল। এনেকৈনো আৰু কিমান দিন? কিমান আৰু শুনিব ঘৈণীয়েকৰ কেতেৰা মাত। পিছে, তাইৰো গাত কোনো দোষ নাই। তাইৰো মন যায়, এজোৰ ভাল কাপোৰ পিন্ধি বিয়া খাবলৈ, এসাজ তৃপ্তিৰে খাবলৈ আৰু ল'ৰা-ছোৱালী দুটিক খুৱাবলৈ।

উৰুকাৰ আগদিনাৰ পৰাই ছোৱালীজনীয়ে জেদ ধৰিছে, দেউতা ডাঙৰ মাছেৰে ভাত খাম, উৰুকাত সকলোৱে মাছ-মাংসৰে ভোজ-ভাত খায়। হ'ব মাজনী, মই ডাঙৰ মাছ ধৰি তোমালৈ লৈ আহিম। ইফালে আকৌ শ্ৰীমতীৰ মুখ উফন্দি আছে। প্ৰত্যেক তিৰোতাই লাডু -পিঠা, নাৰিকলৰ চিৰা বনাই সাজু। তাইৰহে একো নাই। তাইৰো মন যায় ভাল লগা কিবা এটা বনাবলৈ, ঘৰলৈ আলহী আহিলে আথে-বেথে খুৱাবলৈ।

প্ৰায় দুঘণ্টাৰ মূৰত আজি ৰজনীৰ জালত দুটি পুঠি আৰু পাঁচটিমান খলিহনা উঠিছে। মূৰে-কঁপালে হাত দি বেচেৰা বহিল। পুনৰ চেষ্টা কৰি চোৱাৰ হেঁপাহেৰে সি জাল এৰিলে। এটি ডাঙৰ চিতল মাছ। প্ৰায় ৬ কেজিমান ওজনৰ মাছটো দেখি ৰজনীৰ মুখত আপোনা-আপুনি হাঁহি বিৰিঙিল। ইমান ডাঙৰ মাছটো ভাল দামত বেচিব পৰা যাব। বজাৰলৈ ৰাওনা হ'ল। এজন নামী ব্যৱসায়ীয়ে বাটতে দেখি ৪০০ টকা দি মাছটো কিনি লৈ গ'ল। ঘৈণীয়েকক প্ৰয়োজনীয় প্ৰায় সকলো বস্তুলৈ সি ঘৰ ওলালগৈ। ছোৱালীজনীৰ মুখখন দেখি মনত পৰিল, ডাঙৰ মাছৰ হেপাঁহ।

---

# যন্ত্ৰণা

**নিহাৰিকা কাশ্যপ**
দ্বিতীয় ষান্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

জীৱনটোত অলপ সুখ পাম পাম বুলি ভাবি দিন ভটিয়াই গ'ল। এসোপা মুৰ্খ সন্তান জন্ম দিয়াৰ পাপ। এই বিলাক আৰু তাৰ শাস্তি এই বুঢ়া বয়সলৈ কোপ কৰি আছোঁ। অসমীয়াত এযাৰ কথা আছে— "এশ মূৰ্খ পুত্ৰতকৈ এজন গুণী পুত্ৰই শ্ৰেয়।" আজি কথাষাৰ হাড়ে-হিমজুয়ে বুজি পাইছোঁ। সঁচাই দেই সন্তানে মানে যদি ভোগ কৰিলেহে হয় মই পোৱাৰ দৰে। সন্তান ন মাহে পেটত ৰাখি জন্ম দিও ইমান কষ্ট পোৱা নাছিলোঁ। যিমান সিহঁতৰ কথাত পাইছোঁ। ক'ব গ'লে আটাইকেইজনয়েই নিজৰ জীৱনত সফলতা পাইছে। কাৰণ "মই" সিহঁতৰ মাকে বিফলতা পাইছোঁ। ডাঙৰ ল'ৰা বিশ্বই কোৱা কথাখিনিয়ে সিদিনা যেন এডাল চোকা কাঁড়েৰে কাম পক্ষীক আঘাত কৰাৰ সমান কষ্ট দিছে। ক'ব গ'লে মোক মোৰ ছোৱালীয়েই মৰম

কৰে। অন্ততঃ ঘৰত ৰাখি আছে... এওঁ মৰাৰ দিনৰে পৰা সুখ দেখিম বুলি ভাবি থকা “ মই জনীয়ে আজি নাতি-পুতিৰ লগত খেলি যিটো আনন্দ অনুভৱ কৰিছোঁ ... বুজাবই নোৱাৰি। সৰু ল'ৰাটোৱে ব্যৱসায় কৰে লগতে আমাৰ এওঁৰ নামত থকা মাটিখিনিৰো দায়িত্ব লয়। সমাজত বৰ দয়ালু আৰু সাহসী যুৱক সি। কিন্তু সেই দয়াৰ পৰশ মোৰ তাত অলপো পৰা দেখা নাপালো আজিলৈ। বিধাতাৰ কি খেলা যিবোৰ বস্তু বিচাৰো নাপায়েই। আৰু কিবা কাৰণত ভুলতে মোৰ কাৰণে বা মোৰ ভাগত অহা অলপ সুখখিনিও যেন সকলোৱে কাঢ়ি নিয়াৰ ষড়যন্ত্ৰ কৰে। মোৰ নাতিটোৰ লগত থাকিলে মই বেলেগ ধৰণৰ সুখ অনুভৱ কৰোঁ, নিজৰ শৈশৱৰ দিনবোৰলৈ উভতি যোৱাযেন লাগে। সি একমাত্ৰ মোৰ বংশৰ দীপক। কাৰণ মই এওঁৰ মাটি সম্পত্তি সেই মুৰ্খকেইটাৰ নামত কেতিয়াও নিদিও বুলি ভাবিছো। তথাপিও মোৰ মৃত্যুৰ সময়ত দেখা যাব কি কৰিব পাৰো ...। অতি সোনকালে মোক মৃত্যু লাগে, মই নোৱাৰোঁ এনেদৰে থাকিব। সিহঁতৰ কথাবোৰে যেন মোক মেৰিয়াই ধৰিছে.... একেবাৰে অজগৰ সাপৰ নিচিনা যেন খাই শেষ নকৰালৈকে এৰি নিদিয়ে। যিবোৰ ভাবি আছিলোঁ বিধাতাই হ'ব নিদিয়ে...। নাতিটোৰ নামেৰেই মোৰ ছোৱালী আৰু জোঁৱাইয়ে নতুন ঘৰ এটা বনাইছিল। পোনাই কৈছিল সি হেনো নতুন ঘৰত গ'লে মাকৰ লগত নহয় মোৰ লগত শুব ...। মই তাক ইমান কওঁ যে টিউচনলৈ যাওতে চাইকেল চলাই নাযাবি, চলালেই ভালদৰে চলাবি, চাৰিওফালে চাবি তাৰ পিছত পাৰ হবি....। আজি চাইকেল চলাই আহোতে প্ৰচণ্ড ট্ৰাকৰ আঘাতত মোৰ

পোনা তেজেৰে লুটুৰি পুটুৰি হৈ আছে ...।

মোৰ সপোনবোৰ থিতাতে মৰহিল ...।।

# গল্পৰ প্ল'ট বিচাৰি

**আকাংক্ষা কলিতা**
ষষ্ঠ ষান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

আজি ৰবিবাৰ। আজি কিবা এটা লিখিমেই। “অ মা, মা আহাচোন।” — চিঞৰিলে পলে। পাকঘৰত ব্যস্ত হৈ থকা পলৰ মাকে ভিতৰৰ পৰা মাত দিলে, “গৈছোঁ বাবা”। ততাতৈয়াকৈ পাকঘৰৰ কামখিনি শেষ কৰি পলৰ মাকে পলৰ কাষ পাই ক'লে , “ক এতিয়া কি হ'ল, ইমান চিঞৰিছ।”

পলে ক'লে— “মা পৰহিলৈ স্কুলত আলোচনীত দিবলৈ গল্প লিখাৰ শেষ দিন। কি লিখো কোৱা মা, মোৰ মনলৈ একোৱে অহা নাই।”

মাকে হাঁহি হাঁহি ক'লে -- “মোৰ জীৱনটোকে লিখি নিদিয় কিয়।” “ মা তুমিও যে আৰু”— পলে ক'লে। এনেতে কলিং বেলৰ মাতত মাকে দুৱাৰ মুখলৈ দৌৰি গ'ল। পলে পৰ্দাখন আঁতৰাই চালে। দেখি কলে যে “এইজন বিপুল চোন। প্ৰথম শ্ৰেণীৰ পৰাই চাইকেলত একেলগে অহা-যোৱা কৰা, একেলগে পঢ়া মোৰ একদম বিশেষ বন্ধু।”

মাত দিবলৈ বাহিৰ পাই মানে বিপুল গ'ল।

‘মা বিপুল গ'ল নেকি ?’ — পলে ক'লে।

‘গ'ল অ’, তালৈ মোৰ বেয়াই লাগে। পঢ়া শুনা এৰি ভিক্ষা খুজিব লগা হৈছে।’ ---- মাকে দুখেৰে ক'লে। পলে একো নোকোৱাকৈ কোঠাৰ ভিতৰলৈ সোমাই গ'ল। বিচনাত শুই শুই কেৱল বিপুলৰ কথা ভাবিলে। চকুত ভাঁহি আছে বিপুলৰ হাঁহিমুখীয়া মুখখন। কিমান যে ভাল লৰা বিপুল। প্ৰতিটো সহায়ৰ বাবে দৌৰি অহা ল'ৰাজন বিপুল। স্কুলৰ প্ৰতিটো অনুষ্ঠানৰ সোঁহাত আছিল বিপুল। দেউতাকৰ অকাল মৃত্যুত তাৰ মূৰৰ ওপৰত খহি পৰিছিল আকাশখন। পঢ়া-শুনা এৰি ঘৰখন চম্ভালিবলগীয়া হৈছিল। পানীকেঁচুৱা ভনীয়েক আৰু বেমাৰী মাকজনীৰ সাহস হৈ পৰিছিল বিপুল। শিলৰ কুৰেৰি, মাটি কটা কিমান যে কাম কৰি ঘৰ চলাইছিল সি। শিলত বাগৰি পৰি হাতখন অকালতে হেৰুৱা বিপুল আজি মগনীয়া। কিয় নিষ্ঠুৰ ভগৱান কিয়। চিৎকাৰ কৰি উঠিল পলে।

তাৰ পিছত বিছনাৰ পৰা উঠি আহিল পল মাকৰ ওচৰলৈ। ‘গল্প লিখিলিনে বাবা’-- মাকে ক'লে।

‘নাই মা’ -- পলে ক'লে।

পানী এগিলাছ খাই পলে আকৌ ক'লে -- “মা মই বিপুলৰ কাহিনীটোৱেই লিখিম। মই গল্পৰ প্লট পাই গ'লো। কাহিনীটো সকলোতে প্ৰচাৰ হ'লেই কিজানি তাক কোনোবাই সহায় কৰেই।”

বাবা তই বহুত ভাল ভাবিলি মই নিজেই তাক কাপোৰ, কিনি থোৱা বস্তু দি থৈ আহিম।” - মাকে ক'লে।

“মা বঢ়িয়া, মই লিখো দিয়া” -- পলে ক'লে।

পলৰ মুখত আজি এক বেলেগ আনন্দ। গল্পৰ প্লটৰ জৰিয়তে আজি তাৰ বন্ধু উপকৃত হ'বলৈ গৈ আছে।

অণুগল্প

# বিষয় ঃ হঠাৎ মই উচপ খাই উঠিলোঁ


## তৃষ্ণামণি দাস
স্নাতক চতুৰ্থ ষান্মাসিক, শিক্ষা বিভাগ


মই গৈ আছোঁ। অটব্য অৰণ্য। সুৰুযৰ কিৰণ পৰিবলৈ সুৰুঙা এটাও নাই। হঠাতে এটা নৰকংকাল মোৰ সন্মুখত। খোজ কাঢ়ি কাঢ়ি আহি প্ৰায় মোৰ পৰা দুখোজ দূৰত্ব। শ্মশানৰ জুই ক'ৰবাত ক'ৰবাত এতিয়াও অলপ লাগি আছে। পোৰা পোৰা গোন্ধ এটা মোৰ নাকট ঘোকোচ্‌কৈ লাগিল।

মই উচপ্ খাই উঠিলোঁ। দুৱাৰত টক্ টক্ শব্দ। এয়াচোন বিছনা হে, বেৰৰ ফাঁকেৰে সুৰুযৰ পোহৰ কণা এটা সৰকি আহিছে।

ঃ মাজনী উঠ, আকৌ বেলি পৰি দুপৰ হ'ল।

ঃ অ' ... অ'... উঠো মা ।

বিছনাৰ পৰা নামি আহি ৰুমটো এপাক ঘূৰি চালোঁ। ৰাতিৰ অৰণ্যখন চকুত ভাঁহি আহিল।

ঃ ছেহ্ সপোনবোৰো যে।

কঁপালখনত এথাপৰ মাৰি দৈনন্দিন কামত লাগিলোঁ।

---


## অনন্যা বৰদলৈ
স্নাতক ষষ্ঠ যান্মাসিক, ইংৰাজী বিভাগ


কলেজৰ পৰা আহিয়েই ভাতকেইটা মুখত গুজি শুবলৈ ল'লো। আজি কেইদিনমানৰ পৰা মই বিনিদ্ৰ ৰজনী কটাইছোঁ। যেতিয়াই শুবলৈ লওঁ উচপ খাই উঠো, বাৰে ৰহনীয়া ভাববোৰে মোক উকমুকনি দি থাকে।

মা-দেউতা আৰু ভাইটিৰে আমাৰ এটি সুখী পৰিয়াল আছিল। হাঁহি-খিকিন্দালিৰে ঘৰখন ভৰি আছিল। যোৱাটো মাহত আমি পিকনিকলৈ গৈছিলোঁ। ভাইটিৰে সৈতে একেলগে ৰাস্তা পাৰ হওঁতে বিপৰীতমুখী গাড়ী এখনে খুন্দিয়াই মহতিয়াই নিলে। মই তাৰ ৰাঙলী মুখখন হাতেৰে ধৰি একেথৰে তাৰ মৃত দেহটোলৈ ভেবা লাগি চাই থাকিলোঁ।

আজি সি নোহোৱা ছয় মাহ হ'ল। তথাপিও যেন তাৰ মুখখনে মোক সপোনত খেদি ফুৰে, "বা, মোক কিয় নবচালি?" আৰু মই সদায়ৰ দৰে উচপ খাই উঠো।

---


## আছিক আলী
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ


শব্দটো শুনাৰ লগে লগে ৰিয়া উচপ খাই উঠিল। দেউতাকৰ এই কাৰ্যৰ প্ৰতি তীব্ৰ ঘৃণাৰ জন্ম হ'ল তাইৰ মনত। দিনটো এটা প্ৰতিষ্ঠানত দিন হাজিৰা কৰি কেইটামান টকা পোৱা পাছত সন্ধিয়া বজাৰলৈ গৈ ৰাতিৰ সাজটোৰ যোগাৰ কৰে মাকে। ঘৰত উপস্থিত হোৱাৰ লগে লগে মাকৰ পৰা টকা কেইটামান লৈ গলাধঃকৰণ কৰি আহি মাকৰ ওপৰত নিতৌ অত্যাচাৰ কৰা সময়ত ঘৰৰ বাহিৰত থয়। মাকৰ দেহত আঘাত লাগি পৰি যোৱা বস্তুবিলাকৰ শব্দত তাই সদায় উচপ খাই উঠে আৰু ঘৃণাত উচুপি উঠে।

---


## ভাষ্যতি শৰ্মা
স্নাতক ষষ্ঠ যান্মাসিক, ইংৰাজী বিভাগ


মোৰ অফিচৰ সহকৰ্মী বন্ধু পল্লৱ হাজৰিকাৰ বিয়াখন ততাতৈয়াকৈ হে যোৱাত বিয়ালৈ যোৱা হোৱা নাছিল। সেইবাবেই এদিন তেওঁ মোক তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ দিছিল। তেওঁৰ নৱ বিবাহিতা পত্নী নিশা হাজৰিকাই চাহৰ ট্ৰেখন লৈ চাহ দিবলৈ অহাত মই উচপ খাই উঠিলোঁ। মোৰ মনত ভাঁহি আহিল মোৰ এসময়ৰ বান্ধৱী ওৰফে একপক্ষীয় প্ৰেমিকা নিশাৰ মুখখন যাক মই এইদৰেই কল্পনা কৰিছিলোঁ।

---


## কৌশিক ডেকা
স্নাতক চতুৰ্থ যান্মাসিক, ইংৰাজী বিভাগ


কেৰ্ কেৰ্‌কৈ দুৱাৰখন খোলা গ'ল। বাহিৰত মুষলধাৰ বৰষুণ। বৰষুণৰ কাৰণে একো শব্দকে শুনিবলৈ পোৱা নাই। বাৰে বাৰে তাৰ ওচৰত কিবা এটা অহা যেন অনুভৱ কৰিছে। কিন্তু সি ভয় নকৰি অলপ বাহিৰলৈ ওলাই গ'ল। একো নাই যদিও সি ডাইনিং টেবুললৈ গৈ পানী এগিলাছ খালে। বেডৰুমলৈ ঘূৰি আহি থাকোতে পিছফালৰ পৰা কোনোবা মেকুৰীয়ে কন্দা যেন পালে আৰু ঘূৰি চাই দেখিলে যে মেকুৰীটোৱে তীক্ষ্ণ দৃষ্টিৰে আকাশৰ ফালে চাই আছে চাই আছে আকাশ উচপ খাই উঠিল আৰু মেকুৰীটোৱে তাক আচুৰিবলৈ ধৰিলে।

মই ততাতৈয়াকৈ সাৰ পালোঁ... ধেৎ! সপোন হে আছিল।

অণুগল্প

# মিনিট

নিদুস্মিতা ডেকা
স্নাতক ষষ্ঠ ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিম বুলি প্ৰায় এসপ্তাহ আগৰে পৰা প্ৰস্তুতি চলাই থকা সুস্মিতাই এক মিনিট পলমকৈ উপস্থিত হোৱা বাবে তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব নাপালে। কাৰণ তাই আনটো ফালে অনুষ্ঠিত হোৱা কবিতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

# সহোদৰ

ৰাতিপুৱা অফিচলৈ ওলাই যাওঁতে ৰাস্তাত দেখা এটা ডাঙৰ মানুহৰ জুম আওকাণ কৰি পাৰ হৈ গ'ল এইবুলি— কাৰোবাৰ এক্সিডেণ্ট! অফিচ পোৱাৰ দহ মিনিটমান পাছত নেমকেয়াৰ হস্পিতালৰ পৰা তেওঁলৈ যোৱা ফোন কলটোত গম পালে যে সেই দুৰ্ঘটনাগ্ৰস্থ, বৰ্তমান মৃত ব্যক্তিজন তেওঁৰেই সহোদৰ।

# ব্যৰ্থ

দিল্লীত থকা একমাত্ৰ পুত্ৰৰ বহুদিনৰ মূৰত অহা ফোনকলটো অধীৰ আগ্ৰহেৰে উঠাই মুখত এটি হাঁহিৰে সৈতে কথা পাতিব বিচৰা জ্যোতিপ্ৰসাদ গগৈয়ে একো ক'বলৈ নাপাওঁতেই পুত্ৰৰ পৰা অহা কঠোৰ বাক্যখিনি শুনি সম্পূৰ্ণ জীৱনটোৰ কষ্ট, সাধনা, ব্যৰ্থ হ'ল— 'দেউতা কাইলৈ ঘৰ পামগৈ। ঘৰ খালী কৰিব লাগিব। তোমাৰ বাবে বৃদ্ধাশ্ৰমত কথা পাতি থৈছোঁ।'

# সময়

ৰক্তিমা দত্ত
স্নাতক ষষ্ঠ ষান্মাসিক, ইংৰাজী বিভাগ

এসময়ৰ বিজনেছ টাইকুন প্ৰদীপ ফুকনে ৰাতি কাৰখানাৰ পৰা কাম কৰি ওলাই আহোঁতে ভাবিবলৈ ধৰিলে— 'সময় সদায় একে নাযায়।'

# জীৱন

মৃত্যুৰ বাবে অপেক্ষা কৰি থকা ৰাজেন শইকীয়াই এসময়ত কৰা কুকৰ্মবোৰৰ কথা ভাবি ভাবি ৰাতি শুব নোৱাৰি ডায়েৰীখনত লিখি থ'লে— 'জীৱন সকলোৰে বাবে একেই।'

# অভিজ্ঞতা

মটিভেচনেল স্পীকাৰ ৰবীন হাজৰিকাই সিদিনা লগ পোৱা ল'ৰাজনলৈ মনত পেলালে। তেওঁৰ মতে তেওঁ ৭৫ বছৰত যিখিনি অভিজ্ঞতা লাভ কৰিলে, সেই ল'ৰাজনে যেন ২৫ বছৰতে সেইখিনি গোটালে।

# দায়িত্ব

আব্দুল মজিদ আলী
স্নাতক তৃতীয় ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

মই পঢ়ি থাকিলে প্ৰায়ে প্ৰস্ৰাৱ কৰা লাগে আৰু কিতাপখন বন্ধ কৰিবলৈ পাহৰি চিধাই বাহিৰলৈ দৌৰ দিওঁ। কিতাপখন মেলি থকা দেখিলে মাৰ খং উঠে আৰু কয়, --"কিতাপখন বন্ধ কৰি যাব নোৱাৰ' নেকি ? চয়তানে পঢ়ি থাকে কিতাপ মেলি থৈ গ'লে। যদি চয়তানে পঢ়ি থাকে, যিখিনি পঢ়িছ চব পাহৰি থাকিব।" মোৰ তেতিয়া হাঁহি উঠি যায় আৰু হাঁহি হাঁহি কওঁ, -- "মা কি কথা কোৱা তুমি ? যদি চয়তানে পঢ়িবই পাৰিলেহেঁতেন, সি চয়তান হৈ থাকিব লগা নহ'লহেঁতেন, সি ডাক্তৰ, ইঞ্জিনীয়াৰ হ'লহেঁতেন।

# সময়

**আছিক আলী**
**স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ**

বগা কাপোৰখন বতাহৰ কোবত উৰি যোৱা দেখি টানি আনি তাই আথে-বেথে ল'লে। ল'ৰাটোৱে দৌৰি আহি মাকক সুধিলে, 'সময় কিমান হ'ল আই?' তাই মৌন হৈ ৰ'ল কাৰণ আজিৰ দিনটোত সময় দিম বুলি তাইৰ হাতত হাত থৈ যোৱা গিৰীয়েক প্ৰসেন দুৰ্ঘটনাত পতিত হৈছিল।

# জীৱন

নৈৰ পাৰত বহি উৰ্মিলাই তাইৰ প্ৰেমৰ পাত্ৰগৰাকীৰ কথা ভাবিব ধৰিলে। জীৱনৰ সকলো উজাৰি দিম বুলি প্ৰতিজ্ঞা কৰা মানুহবোৰৰ দৈনন্দিন অবিচাৰবোৰ তাইৰ মনলৈ আহিল।

# দিনান্ত অভিজ্ঞতা হেঙুল ক'লাজ

দিনটো শেষ হওঁ হওঁ পৰত মানুহজনে পথাৰৰ পৰা ঘৰমুৱা হ'ল। শাওনৰ পথাৰৰ পৰা ওভতনিত তেওঁৰ গাত বিৰিঙি উঠিল শ্ৰমৰ হেঙুল কণিকা।

# বিষয় ঃ সময়

**কৌশিক ডেকা**
**স্নাতক চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ**

ঃ নহয়নে কোৱা? অতদিনে দুবেলা দুমুঠি অন্নৰ বাবে হাহাকাৰ কৰি থকা ৰূপম হাজৰিকা আজি ৭ টাকৈ কোম্পানীৰ মালিক...।

ঃ বন্ধু, সকলোবোৰ সময়ৰ খেলা। কয় নহয় একালৰ বৃন্দাবন, একালত পৰে ছন।

# বিষয় ঃ জীৱন

ঃ উদ্‌যাপন কৰিবলৈ জীৱনটোৱে আছিল নেকি?

ঃ কিয়?

ঃ সতীত্ব নাশি ৰাস্তাৰ কুকুৰকেইটা আজিও মুক্ত, কিন্তু মই চাৰিদুৱাৰৰ বন্ধ কোঠৰীত।

# সময়

**তৃষ্ণামণি দাস**
**স্নাতক চতুৰ্থ ষান্মাসিক, শিক্ষা বিভাগ**

বৰযাত্ৰীৰ গাড়ীখন খুব ধীৰ গতিৰে গৈ আছে। অনুপৰ গাত আজি ততেই নাই, নতুন মামীয়েক পাব। সি মামাকৰ লগত একেখন গাড়ীতে আহিবলৈ যে কিমান ইচ্ছা কৰিছিল। দেউতাকে সেইখন গাড়ীত বহু মানুহ হ'ব কাৰণে তাক বাছখনতে দেউতাকৰ লগতে লৈ আহিছিল।

ঃ বাবা অলপ চাবাচোন, মই ফোনটো ধৰোঁ।

ঃ হেল্ল' হেল্ল' কি...

দেউতাকৰ হাতৰ পৰা সৰি পৰা মোবাইলটো লৈ সি সুধি আছে—

ঃ কি হ'ল? দেতা....

অলপ পিছতে বাছখন ৰ'ল। সন্মুখত এখন গাড়ী উবুৰি খাই পৰি আছে। ৰাস্তাতে মাক, মামাকে শুই আছে। ৰঙা ৰঙা পানীও পৰি আছে কাষত।

আৰু অলপ সময়ৰ পিছতে বিবাহৰ লগ্ন আছিল।

# জীৱন

ঃ মা, মোৰ ভোক লাগিছে।

ঃ ৰহচোন, চাউল থোৱা টেমাটো খালী, দেউতাকে গৈছেহে হাটলৈ বায়েৰোক লৈ।

মাটিতে লেপেট খাই বহি আইজনী দেউতাক অহালৈ বৈ আছে। চাইকেলৰ কেৰেং কেৰেং শব্দ শুনি আইকণ ওলাই আহিল চোতাললৈ।

ঃ হো ল'।

ঃ আজিচোন মোনাখন ভৰ্তি।

ঃ দৰ-দাম মিলিল, ডাঙৰজনীক ঠিকাদাৰ এটাৰ তাত বিকিলোঁ।

আইকনৰ চকুৰে নৈ বৈছিল।

এনেকৈয়ে চাৰিজনী গ'ল।

# অভিজ্ঞতা

ঃ নাযাবি

ঃ কিয়?

ঃ পৰিচালকজন ঠিক নহয়।

ঃ তই কেনেকৈ জানিলি?

ঃ মোক শুৱলৈ প্ৰস্তাৱ দিছিল।

## পত্ৰ লিখা প্ৰতিযোগিতাৰ নিৰ্বাচিত পত্ৰ
## বিষয় ঃ আইলৈ চিঠি

শ্ৰীহৰি সহায় লৈ-

তাৰিখ ...................

পূজনীয়া আই,

আশাকৰোঁ ঘৰত সকলোৱে ভাল। ভগৱানৰ কৃপাত আৰু তোৰ আশীৰ্বাদত ময়ো ভালে আছোঁ। বহুদিন হ'ল তোলৈ এখন চিঠি পঠাব পৰা নাই। মনটো বৰ গধুৰ হৈ আছে অ' আই। তোলৈ বৰকৈ মনত পৰি আছে। সৈনিক ৰূপে যেতিয়া প্ৰথমবাৰ ছাউনীত প্ৰৱেশ কৰিছিলোঁ তোৰ মুখখন চকুৰ আগত ভাগি আছিল। শোকে খুন্দা মাৰি ধৰিছিল বুকুখন কিন্তু কান্দিব পৰা নাছিলোঁ, জানোচা কোনোবাই হাঁহে। কাশ্মীৰৰ বৰফৰ মাজত আমাৰ ছাউনী। পৰিবেশটো বৰ ধুনীয়া, স্বৰ্গপুৰী যেন দেখি। কিন্তু তথাপিও আমাৰ সৰু কণমানি জুপুৰী ঘৰটোৰ নিচিনা নহয় অ' আই। মই জানো, তোৰ বুকুত এটি অজানা ভয়ে সদায় আমনি কৰে, মই সোঁশৰীৰে পুনৰ তোৰ ওচৰলৈ যাব পাৰোঁ নে নাই তাৰ কোনো নিৰাপত্তা নাই। এইখনেই হয়তো মোৰ শেষ চিঠি হ'ব পাৰে। শত্ৰুৱে হুংকাৰ দিছে আমাৰ দেশ হেনো আক্ৰমণ কৰিব। সেয়েহে পূৰ্ণ প্ৰস্তুতি চলাইছোঁ। তোৰ শপত আই এশজনক মাৰিহে মই মৰিম। তই কিন্তু এই চিঠিখন পোৱাৰ পিছত নাকান্দিবি নহ'লে মই বৰ কষ্ট পাম অ' আই। আজি তোৰ কোঁচত মূৰ থৈ শুব মন গৈছে মোৰ। মই বৰ ভাগৰি পৰিছোঁ অ' আই। আগতে ঘৰত মোৰ কিবা হ'লে তই কিমান আল-পৈছান ধৰ'। কিন্তু ইয়াত যেন মই বৰ অকলশৰীয়া অনুভৱ কৰোঁ কেতিয়াবা। আই মই যিদিনা ঘৰত উভতি যাম হয়তো সোঁশৰীৰে নহ'লে তিনিবৰণীয়া জাতীয় পতাকা বুকুত মেৰিয়াই। আজিলৈ ইমানেই। ছাৰে মাতিছে যুদ্ধলৈ প্ৰস্তুত হ'বলৈ।

**ইতি —**

**ঠিকনা —**

**তোৰ 'জোনাক'**

**ভাগ্যশ্ৰী দেৱী**
**স্নাতক চতুৰ্থ ষান্মাসিক**
**ৰাজনীতি বিজ্ঞান বিভাগ**

শ্ৰীহৰি সহায় লৈ-

তাৰিখ ...................

পূজনীয়া আই,

আশা কৰোঁ তুমি কুশলে আছা। ঘৰৰ সকলো কুশল কামনা কৰিলোঁ। দেউতাৰ সপোনবোৰ বুকুত বান্ধিলৈ মই লিবিয়াত আহি যদিও প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে তথাপি মনত ৰাখিছোঁ-- দেউতাৰ কথা -- সংঘাতেই সমাজৰ টাৰ্ণিং পইণ্ট। এই সংঘাতবোৰৰ তেওঁ যি দায়বদ্ধতাৰে মুখামুখি হৈছিল, সেইখিনি নিষ্ঠা আৰু সততা মই অনুসৰণ কৰিব পাৰিছোঁ বুলি মনে নকয়, তথাপি চেষ্টা অব্যাহত ৰাখিছোঁ। গাঁৱত কটোৱা মুহূৰ্ত্তবোৰলৈ বৰকৈ মনত পৰে, তোমাৰ বাহুত উম লৈ কটোৱা উজাগৰী নিশাবোৰ য'ত দেউতাই মোক পৃথিৱীৰ দুটা বৃহৎ সত্য সাহস আৰু সংযমৰ শিক্ষা দিছিল সেই অনুপম মুহূৰ্ত্তবোৰ মোৰ বাৰুকৈয়ে মনত পৰে। আই, ইয়াৰ সমাজখন বহু পৃথক যদিও মানুহবোৰৰ ওপৰত জাপি দিয়া হৈছে শতিকা জুৰি কঢ়িয়ালেও শেষ নোহোৱা বোজা। দেশখনৰ গণতন্ত্ৰৰ সংকটৰ কথা উলিয়াই পুঁজিবাদী শিবিৰে যি ষড়যন্ত্ৰ ৰচনা কৰিলে তাৰেই ফলশ্ৰুতি লিবিয়াৰ মানচিত্ৰৰ আকাশখনত মাথোঁ পৰি ৰ'ল ক'লা ডাৱৰৰ ভগ্নাৱশেষ। দেউতাৰ ৯০-ৰ দশকৰ সত্যানুসন্ধানী সাংবাদিকতাৰ মনটোৱে আজিও মোক অনুপ্ৰাণিত কৰি আহিছে। পৃথিৱীৰ সন্মুখত মই সত্যবোৰ উন্মুক্ত কৰিবলৈ বেছি সময় নলওঁ। তোমাৰ আপোনাৰ আশীৰ্বাদে এই যাত্ৰাত মোক সহায় কৰিব। আজিলৈ সামৰিছোঁ।

**ইতি —**

**ঠিকনা —**

**আপোনাৰ পুত্ৰ**

**আছিক আলী**
**স্নাতক চতুৰ্থ ষান্মাসিক**
**অসমীয়া বিভাগ**

## বাতৰি লিখা প্ৰতিযোগিতাৰ নিৰ্বাচিত বাতৰি

### বাতৰিৰ শিৰোনাম

### বাইহাটা চাৰিআলিত অনুষ্ঠিত পূব কামৰূপ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক যুৱ-মহোৎসৱ

### এক

দৈনিক অসম, ১৪ ফেব্ৰুৱাৰী, বাইহাটা চাৰিআলি ঃ যোৱা ১৩ ফেব্ৰুৱাৰী তাৰিখৰ পৰা পূব কামৰূপ মহাবিদ্যালয়ত ৪৮ সংখ্যক যুৱ মহোৎসৱ আৰম্ভ হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ভূপেন কুমাৰ শৰ্মাদেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলনৰ দ্বাৰা কাৰ্য্যসূচীৰ উদ্বোধন কৰে। ইয়াৰ পিছৰ ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰা হয়। দিনৰ ১১ বজাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা বাৰে ৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচী সূচাৰুৰূপে ৰূপায়নৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু ছাত্ৰসকলৰ মাজত হাই জাম্প আৰু লং জাম্প আদি খেল অনুষ্ঠিত কৰা হয়। এই যুৱ মহোৎসৱখনি অহা ১৭ ফেব্ৰুৱাৰী তাৰিখলৈ অনুষ্ঠিত হ'ব। মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু ছাত্ৰ-সন্থাৰ বিষয়ববীয়া সকলে মহোৎসৱটি সুচাৰুৰূপে চলাই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ সহায় সহযোগিতা কামনা কৰিছে।

**মৌচুমী কলিতা**
**স্নাতক দ্বিতীয় ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ**

### দুই

কামৰূপ জিলাৰ এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান বাইহাটা চাৰিআলিত অৱস্থিত পূব কামৰূপ মহাবিদ্যালয়ত যোৱা ১৩ ফেব্ৰুৱাৰীৰ পৰা উলহ-মালহেৰে ৪৮ সংখ্যক যুৱ মহোৎসৱ উদ্‌যাপন কৰা হৈছে। প্ৰথম দিনা মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মাই। তাৰ পাছত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এক বিশাল সাংস্কৃতিক শোভাযাত্ৰাই সমগ্ৰ বাইহাটা চাৰিআলিবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। গীতে-মাতে এক জাকত-জিলিকা সাংস্কৃতিক শোভাযাত্ৰা পৰিলক্ষিত হয়। প্ৰথম দিনা শোভাযাত্ৰাৰ লগতে আধুনিক নৃত্য, দলীয় নৃত্যৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচীৰ সফল সমাপ্তিৰ লগতে আজি দ্বিতীয় দিনাও ৰাতিপুৱাৰে পৰা সংগীত, সাহিত্যকে ধৰি বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়।

**তৃষ্ণামণি দাস**
**স্নাতক চতুৰ্থ ষান্মাসিক, শিক্ষা বিভাগ**

### তিনি

বাইহাটা চাৰিআলিৰ ঐতিহ্যমণ্ডিত পূব কামৰূপ মহাবিদ্যালয়ত ৪৮ সংখ্যক যুৱ মহোৎসৱ পালন কৰা হৈছে। অনুষ্ঠানটোৰ আৰম্ভণি যোৱা ১৩/০২/২২ তাৰিখে মহাবিদ্যালয়খনৰ ফালৰ পৰা এটি সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হয়, এই শোভাযাত্ৰাৰ বিষয় আছিল 'অসমীয়া সংস্কৃতি'। প্ৰতিটো বিভাগে সুকীয়াভাৱে নিজৰ বিষয়বস্তু অতি সুন্দৰভাৱে প্ৰদৰ্শন কৰে। বিষয়বস্তু সমূহৰ ভিতৰত আছিল— বিহু (সাত বিহু প্ৰদৰ্শন), আইনাম, বিয়ানাম, নাগাৰা নাম, আয়তীৰ নাম ইত্যাদি। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এক পথ মুকলি কৰা হৈছে। ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ খেল, দৰা-কইনা প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতাৰ লগতে Mr. PKCIAN আৰু Miss PKCIAN আদিৰ লগতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত শ্ৰেষ্ঠত্ব লাভ কৰা ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান কৰা হ'ব।

**পূজা ডেকা**
**স্নাতক ষষ্ঠ ষান্মাসিক, ভূগোল বিজ্ঞান বিভাগ**

## সম্পাদকলৈ চিঠি লিখা প্ৰতিযোগিতাৰ নিৰ্বাচিত চিঠি

প্ৰতি,

মাননীয় সম্পাদক মহোদয়

প্ৰকাশ (মাহেকীয়া আলোচনী)

মহোদয়,

সন্মান সহকাৰে নমস্কাৰ জনালোঁ। মই আপুনি সম্পাদনা কৰা মাহেকীয়া আলোচনী 'প্ৰকাশ'ৰ নিয়মীয়া পঢ়ুৱৈ। বৰ্তমান সময়ত সাহিত্যৰ ধাৰা অটুট ৰখাত আপোনালোকৰ আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। আপোনালোকৰ তথ্য সমৃদ্ধ লেখাবোৰে সকলো স্তৰৰে লোকক উপকৃত কৰিছে। বিশেষকৈ সাহিত্যৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলক। মই ব্যক্তিগতভাৱে আপোনালোকৰ কবিতাৰ শিতানটো পছন্দ কৰোঁ। ইমানখিনিলৈ সকলো ঠিকে আছে। কিন্তু আপোনালোকৰ আলোচনীখনৰ লেখা সমূহ প্ৰতিবাৰেই কিছুমান নিৰ্দ্দিষ্ট নিৰ্দ্ধাৰিত ব্যক্তিৰহে হোৱা যেন মই লক্ষ্য কৰিছে। পাৰিলে এই কেইগৰাকী নিৰ্দ্দিষ্ট লেখকৰ বাহিৰেও আন লেখাও প্ৰকাশ কৰিবচোন। বাকী সকলো সঠিকভাৱেই চলি আছে। বাকীকেইখন সমসাময়িক আলোচনীৰ তুলনাত 'প্ৰকাশ' মোৰ ব্যক্তিগত পছন্দৰ। এই আলোচনীৰ উত্তৰোত্তৰ উৎকৰ্য কামনা কৰিলোঁ। ইতি--

**ৰক্তিমা দত্ত**

**স্নাতক ষষ্ঠ ষান্মাসিক**

**ইংৰাজী বিভাগ**

প্ৰতি,

মাননীয় 'দৈনিক অসম' কাকতৰ সম্পাদক মহোদয়

বিষয় ঃ শিল গুৰি কৰা মেচিনৰ বাবে হোৱা জনসাধাৰণৰ অসুবিধা।

তাৰিখ - ১৪/০২/২২

মহাশয়,

আমাৰ এই বৃহত্তৰ বাইহাটা চাৰিআলি অন্তৰ্গত 'ক' গাঁৱত বহুকেইটা শিল গুৰি কৰা মেচিন বহুওৱা হৈছে, সেই মেচিনবোৰৰ কাষতে এখন প্ৰাথমিক বিদ্যালয় অৱস্থিত, য'ত ১৫০ ৰো অধিক সৰু-সৰু ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰি আছে। সেই মেচিনবোৰ গাঁৱলীয়া অঞ্চলৰ ভিতৰ ভাগত হোৱা বাবে জনসাধাৰণৰ বিভিন্ন অসুবিধা হৈছে; কাৰণ তাৰ পৰা অহা অতি অনিষ্টকাৰী ধূলিবোৰে ওচৰতে থকা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় বাসিন্দাৰ বিভিন্ন বেমাৰৰ সৃষ্টি কৰিছে। গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা আৰু স্থানীয় বাসিন্দাৰ জীৱনৰ কথা ভাবি আপুনি যেন ইয়াৰ বিষয়ে আপোনাৰ কাকতত এই বিষয়টো উল্লেখ কৰে আৰু ইয়াৰ বাবে যাতে স্বত্বাধিকাৰীয়ে সঠিক ব্যৱস্থা লয় তাৰ ওপৰতো যেন গুৰুত্ব আৰোপ কৰে। ইতি--

'ক' গাঁওবাসীৰ হৈ

.........

**পূজা ডেকা**

**স্নাতক ষষ্ঠ ষান্মাসিক**

**ভূগোল বিভাগ**

থিতাতে লিখা ৰস-ৰচনা প্ৰতিযোগিতাৰ নিৰ্বাচিত ৰচনা

# ষ্টেট বেংকৰ সেই দিনটো

**কৌশিক ডেকা**
**স্নাতক চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ**

বিমুদ্ৰাকৰণৰ আজি তিনিদিন। কিনো কৰি থাকে চৰকাৰখনে বুলি আজি খৰ্গেশ্বৰ দুদিন হ'ল বেংকলৈ যোৱা। কিন্তু কি নো কৰিব বেচেৰাই, যিহে জোঁট। এদিনতেনো কেনেকৈ হ'ব বুলি বেংকৰ মানুহকেইটাই গোৱাল গালি দিবলৈ ধৰিলে। জহনি যোৱা, এইনো বুঢ়া বয়সত কঁকাল লৰাই লৰাই সদায় সদায় আহিব পাৰি নেকি? এদিন আহিলোঁ বেংক বন্ধ, এদিন কৰ্মচাৰীৰ ছুটি, এদিন আকৌ বোলে শনিবাৰ আছিল। এটিএম কাৰ্ডখনো চলাব নাজানো নহয়...। বাৰে বাৰে ছোৱালীজনীয়ে ইংৰাজীতে কিবা বকি থাকে। ইমান জনা হ'লেময়ো কিবা ডাঙৰ অফিচত থাকিলোঁ হয়, হাজিৰা কৰি থাকিব নালাগে।

# বিভ্ৰান্তি

**অনন্যা বৰদলৈ**
**স্নাতক ষষ্ঠ ষান্মাসিক, ইংৰাজী বিভাগ**

আইতা ঃ মানৱ, পূজালৈ গৰুৰ প্ৰস্ৰাৱ অলপ লাগিছিল নহয়?

নিবিড় ঃ আইতা মই আনিছোঁ, তাত থোৱা আছে।

আইতা ঃ মই পূজাৰ সামগ্ৰীৰ কাষতেই থৈছোঁ দে।

নিবিড়ৰ মাক ঃ মা, মিঠাতেল ক'ত থৈছ? চাকিকেইটা জ্বলাব লাগিছিল নহয়?

আইতা ঃ মইয়ে জ্বলাওঁ ৰ'হ।

আইতাকে চাকি জ্বলাবলৈ লৈ—

আইতা ঃ নিবিড় চাকিকেইটা নজ্বলে চোন।

নিবিড় ঃ আইতা, সেইয়া গৰুৰ প্ৰস্ৰাৱ হে চোন। হাঁ! হাঁ! হাঁ!

---

# হাল এৰি শিয়াল খেদা

**আছিক আলী**
**স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ**

কেবাদিনো ধৰি চৰকাৰৰ হিতাধিকাৰীৰ বজাৰত হিতাধিকাৰীৰ উজান দেখি পৃথক বৰুৱাই পৃথক অসম, পৃথক বড়োভূমি কৰা সকলৰ কথা চিন্তিলে। ভাবিলে এওঁলোকৰ হিত অধিকাৰৰ কথা চিন্তিব পাৰি নে নোৱাৰি? তেনেতে মদনে আহি পৃথক বৰুৱাৰ জপনামুখ পালে। মদনে চিঞৰিলে— 'ককাইদেউ, বিলত মাছৰ উজান উঠা দি এতিয়া দেখো হিতাধিকাৰীৰ উজান উঠিছে। চাৰিওফালে অৰুণ-উদয়।' অলপ সময় তভক মাৰি পৃথক বৰুৱাই ক'লে— 'বোপা, এয়া কি দেখিছ? মিছনেৰীকেইটাই দিয়া নামটোৰ শ্ৰাদ্ধ নকৰিলে হ'ল?' মদনে অলপ সময় গপ কৰি গুচি গ'ল। পৃথক বৰুৱাই পেছাত শিক্ষক। পিছদিনা ছাত্ৰক সুধিলে 'অৰুণোদয়' কি?

ছাত্ৰৰ পোনপটীয়া উত্তৰ— 'চৰকাৰী আঁচনি।'

মিছনেৰী পলাই পত্ৰং।

# নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ নিৰ্বাচিত চিঠি

## এক

প্ৰিয়তম হিমাংশু,

ফাগুনৰ লঠঙা বিৰিখত তোমাৰ দিগন্ত বিয়পি থকা নীলাভ আভাত যেতিয়াই দেখিবলৈ পাওঁ ৰক্তবৰ্ণ পলাশ আৰু মদাৰৰ আলিঙ্গন, চঞ্চলা পছোৱাই যেতিয়া সদ্যস্নাতা হৃদয়খনত ফাগুনৰ পৰশ দি যায়, তেতিয়াই সেই পছোৱাৰ সৈতে মোৰো আকুল মনটি উৰি যায় তোমাৰ কাষলৈ। দূৰত্ব মাথোন যাত্ৰা পথৰহে, হৃদয়ৰতো তুমি সবাতোকৈ নিকটতম। প্ৰতিটো উশাহতে তোমাৰ সেই মিঠা মিঠা অনুভূতিবোৰে মোক বাৰুকৈয়ে জীপাল কৰি ৰাখিছে। মনত পৰিছেনে তোমাৰ?

নীলাভ লুইতৰ বালিচৰত বহি কিমান যে আমি চাইছিলোঁ নানাৰঙী বিহংগৰ জলকেলী; মনত পৰিছেনে তোমাৰ সেই দুষ্টামিবোৰ? সঁচাকৈয়ে সময়ৰ দাসত্ব আমি মানি ল'বই লাগিব। সেইবাবেইতো আমি মানুহ। বিচৰাবোৰ পাবৰ বাবে অপেক্ষাৰত সময় বহুত দীঘলীয়া যেন লাগিছে। তথাপি তোমাৰ প্ৰেমত পৰি অপেক্ষাৰ মিঠা আমেজ ল'বলৈ শিকিছোঁ।

ৰাধা হ'ব নোৱাৰো, কিন্তু তোমাক মোৰ জীৱনৰ অভিন্ন ৰূপত পাব বিচাৰিছোঁ। হৰ-গৌৰী দেৱলোকৰ আছিল, জনমে জনমে পুনৰ মিলিত হৈছিল। এই ক্ষন্তেকীয়া মানৱী জাৱনত বিচাৰিছোঁ মাথো জীৱনৰ বাকীছোৱা কাল তোমাৰ উমাল পৰশ, সুকোমল সুবাসৰ সান্নিধ্যত জীপাল কৰিবলৈ।

তোমাৰ কুশল বাৰ্তা জনাবা। আজিলৈ সামৰিছোঁ।

ইতি—

তোমাৰ আজন্ম প্ৰেয়সী

.............

**দীক্ষিতা গোস্বামী**
স্নাতক ষষ্ঠ ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

## দুই

মৰমৰ নীল,

হৃদয়ৰ বিশেষ কোঠালিটিৰ পৰা মৰম যাছিলোঁ। তুমি কেনে আছা মই নাজানো। আশা কৰোঁ ভালেই আছা। সমাগত ফাগুনৰ ধূলিয়াৰি বতাহজাকে হয়তো আজি তোমাকো চুইছে। তুমি ভালপোৱা ফাগুনৰ সৰাপাতবোৰৰ মাজত কাগজখিলা লৈছোঁ তোমালৈ চিঠিখন লিখো বুলি। তোমাৰ পঢ়া-শুনা কেনে চলিছে বাৰু? বিশ্ববিদ্যালয়ৰ বিশাল লাইব্ৰেৰীটোত হয়তো এতিয়া তুমি কিতাপৰ সৈতে ব্যস্ত আছা। কিতাপৰ প্ৰতি তোমাৰ ইমান অনুৰাগ! অ' শুনাচোন, মোৰ জন্মদিনত তুমি উপহাৰ দিয়া কিতাপখন পঢ়ি শেষ কৰিলোঁ। সমালোচনা এটিও লিখিছোঁ। তোমালৈ পঠাম দিয়া, পঢ়িবা। মোৰ পৰীক্ষা অহা মে'ত হ'ব। তাৰ বাবে মই পঢ়া-শুনা কৰি আছোঁ। আৰু লগতে স্নাতকোত্তৰ পৰ্যায়ৰ বাছনি পৰীক্ষাৰ বাবেও প্ৰস্তুতি চলাই আছোঁ।

বাৰু আজিলৈ সামৰো দিয়া। ভালদৰে পঢ়া-শুনা কৰিবা। সময়মতে খোৱা-লোৱাৰ যতন ল'বা। ঘৰলৈ আহিলে লগ পাম। ভালে থাকিবা। তোমাৰ মোৰ সপোনবোৰ ভালে থাকক। প্ৰান্তত, তোমালৈ মৰম আৰু শুভকামনা।

ইতি—

তোমাৰ নীলপ্ৰিয়া

**ভাষ্যতি শৰ্মা**
স্নাতক ষষ্ঠ ষান্মাসিক
ইংৰাজী বিভাগ

# নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ নিৰ্বাচিত চিঠি

## তিনি

মৰমৰ,

বাৰ্তলাপ এৰাৰ বহুদিনেই হ'ল। তুমি কুশলে আছা নিশ্চয়। আজি কোনো ভয় নাই সান্ধ্য আইনৰ, কোনো পৰাধীনতাৰ। তুমিটো সৌন্দৰ্যময়ী তোমাৰ নীলা চকুযুৰি, তোমাৰ প্ৰাণচঞ্চল হাঁহিটো, তোমাৰ অভিমান-খং, মৰম, ভালপোৱাই ক'ৰবাত জীয়াই থাকিবলৈ সাহস জন্মায়।

তুমিহীনতাত আজি পাৰ্থিৱ বস্তুবোৰ মোৰ লগত খোজত খোজ নিদিয়া হ'ল। জোনটো ধূসৰ হ'ল, আকাশখন গোমোঠা হ'ল। মুৰ তুলি আকাশখন চাবলৈ মোৰ সাহসকণ হেৰাই থাকিল। দিনটো তেনেকৈয়ে যায় ব্যস্ততাৰে কিন্তু ৰাতিটো নাযায় নুপুৰায়। প্ৰতিটো নিশা তোমাক উপহাৰ দিয়া কবিতাবোৰো আজি ইতিহাস হ'ল। লিখা অভ্যাসটোক হত্যা কৰাৰ নিচিনা হ'ল। এই অভাজনক শব্দবোৰে আজিকালি ভেঙুচালি কৰে। ভালদৰেই সমাধি দিলো নিজৰ স্বকীয়তাক।

'গুণ গুণ গুণ, কোন বা দূৰণিত আছা সোণ।' জুবিন দাই পঢ়ি থৈছে হৃদয়খন। আজিও তুমি মোৰ মন গহ্বৰত আছা। তুমি আৰুময়েই জানো সপোন দেখা নাছিলোঁ একলগ হোৱাৰ। কেনেকৈ প্ৰবোধ দিছা নিজক? মইচোন নোৱাৰোঁ। আজিও তুমি পুনৰ ঘূৰি আহিবা বুলি ৰৈ থাকোঁ আলি কেঁকুৰীটোত। মন যায় ক'বলৈ 'ভাল পাব খোজো আকৌ এবাৰ।'

ইতি—

তোমাৰ হেৰোৱা অতীত

**আকাংক্ষা কলিতা**
স্নাতক ষষ্ঠ ষান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

## চাৰি

মৰমৰ,

মৰম ল'ব। কুশলেই আছে চাগে। ভালে থকাৰ অজুহাততেইতো গৈছিল এদিন। থাকক, নকওঁ আজি বিচ্ছেদৰ কাহিনী। নোসোধো এৰি যোৱাৰ স্তৱকবোৰ। আজি হেনো প্ৰেমৰ দিন। এনে দিনবোৰলৈয়ে ৰৈ থাকো জানেনে। প্ৰেমৰ ৰঙেৰে ৰামধেনু এখন মোৰো আছিল। আপুনি যে আহিছিল, সোঁৱণশিৰিৰ পাৰৰ সেই অস্তাচলত। মোৰ সেই প্ৰাণচঞ্চলা হাঁহিৰ পিনে আপুনি যে তধা লাগি চাই আছিল। মোৰ কেনে লাগিছিল জানে, মই যেন আপোনাৰ বুকুৰ কোণত সাঁচি ৰখা ভালপোৱাৰ এমুঠি। এই যে আপুনি আহিলেই ফুলে মোৰ পদূলিৰ কাঞ্চন। তাৰ নামেই চাগে ভালপোৱা। বাৰু মোৰ কথাই কওঁ। আপুনি গুচি যোৱাৰ পিছত ফাগুন কিম্বা বসন্ত একোৰে বা নলগা হ'ল। পলাশ ফুলিছে, শিমলুৱে ৰাঙলী কৰিছে আকাশ। তথাপিও উৰুঙা এই মন, আপুনি নোহোৱাৰ বেজাৰত। বুকুৰ উজাই অহা বিষটো এনেহেন ভালপোৱাৰ দিনত সামৰি থৈ লিখিছোঁ আপোনালৈ মৰমৰ একলম। লগ পোৱাৰ আশা এটি সদায় কঢ়িয়াওঁ মনত। চিঠিৰ উত্তৰলৈ ৰৈ থাকিম। পঠিয়াই দিব। মাৰফৎ ৰঘুমলা।

ইতি—

তোমাৰ প্ৰেয়সী

............

**তৃষ্ণামণি দাস**
স্নাতক চতুৰ্থ ষান্মাসিক
শিক্ষা বিভাগ

## নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ নিৰ্বাচিত চিঠি

পাঁচ

### কেতিয়া আহিবা উভতি

লেফাফাত বন্দী তোমাৰ হৃদয়ৰ
প্ৰতিটো উন্মেষিত অনুভূতি,
চিৰকাল লৈ থাকিম সাৱটি
বকুলজুপিৰ তলত বাট চাই ৰ'ম।
প্ৰেমিকৰ ভিৰৰ মাজত তোমাৰ স্থিতি
নেজানো উত্তৰ কেতিয়া আহিব উভতি?

মৰমৰ,

ৰৈ থাকিম, আহিবা উভতি অমানিশাৰ তমসাতে বন্দী হোৱা, মোৰা কাব্যিক প্ৰতিশ্ৰুতিৰ দীপক। সপোনৰ বাট ভুল লাগিব বুলি নাভাবিবা। আহিবাচোন বাট চায় ৰ'ম তোমালৈ। এয়া এতিয়াও প্ৰজ্বলিত দীপক ঢিমিক-ঢামাক।

ইতি—

তোমাৰ প্ৰেমিক

............

**বিদিশা দেৱী**
**স্নাতক দ্বিতীয় ষান্মাসিক**
**জীৱ বিজ্ঞান বিভাগ**

ছয়

মৰমৰ,

সম্বোধনত কোনটো শব্দ ব্যৱহাৰ কৰিম ঠিৰাং কৰিব নোৱাৰিলোঁ। মই লিখি থকা আখৰৰ প্ৰতিটো ভাঁজতে মৰম আছে। আপুনি গ্ৰহণযোগ্য বুলি নাভাবিলেও কোনো কথা নাই। বাকী ভালে আছে নহয়?

ফাগুন-ফেব্ৰুৱাৰীৰ সংঘৰ্ষত আপুনি মই আঘাতপ্ৰাপ্ত হোৱাৰ চাৰিটা বছৰেই হ'ল। সময়ৰ হিচাপ আমি নামানিলেও দিন-ৰাতি, আন্ধাৰ-পোহৰ, ৰ'দ-বতাহে ঠিকেই ৰাখে। প্ৰেমৰ দিৱসৰ শুভেচ্ছা জনাবলৈ এইখন লিখি থকা নাই। ফাগুন অহাৰ খবৰ দিবলৈ লিখিছোঁ। আমাৰ পদূলিৰ পলাশজোপা ৰঙা নৌহওতেই মোৰ গাত ফাগুন লাগিল। সেই ফাগুনেই মোৰ কলিজাৰ অকুণ্ঠ অনুৰাগেৰে আপোনালৈ পঠিয়াইছোঁ। আপোনাৰ ব্যস্ততাৰ উমান মোৰ ৰিজেক্টেড ফোনকলবোৰে ঠিকেই পাই থাকে। ফাগুন চাগে আপোনাৰ আশে-পাশেও বলিব ধৰিছে। বতাহজাকে মোৰ চহৰৰ ধূলি নি আপোনাৰ চহৰ পোৱাইছে। তথাপিও আপোনাৰ কাণসাৰ নাই। চিঠিৰ উত্তৰৰ অপেক্ষাত আছো বুলি নকওঁ। ভালে থকাৰ শুভেচ্ছাৰে—

ইতি—

আপোনাৰ শুভকাংক্ষী

............

**ৰক্তিমা দত্ত**
**স্নাতক ষষ্ঠ ষান্মাসিক**
**ইংৰাজী বিভাগ**




# বীক্ষণ
## অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ সম্পাদকীয়

**আছিক আলী**
**স্নাতক চতুৰ্থ ষাণ্মাষিক, অসমীয়া বিভাগ**

মহাপুৰুষ শংকৰদেৱৰ প্ৰতিভাৰ ব্যাপ্তি আৰু সৃষ্টি চেতনাৰ মহৎ প্ৰাপ্তিয়ে অসমীয়া সমাজ জীৱনক যি সাংস্কৃতিক পৰিচয় প্ৰদান কৰিছে সেয়া সৰ্বজনবিদিত। শিৱনাথ বৰ্মনে লিখিছে— "আজি পাঁচশ বছৰে এটা জাতিৰ জাতীয় জীৱনক স্পন্দিত কৰি ৰখা শংকৰদেৱৰ দৰে যুগন্ধৰ ব্যক্তি অক্ষয় আলোচনাৰ ভঁৰাল।" 'বীক্ষণ'ৰ এই সংখ্যাটোত মাত্ৰ শিল্পলোকৰ ওপৰতহে দৃষ্টিপাত কৰিছোঁ। এইক্ষেত্ৰত তেৰাৰ 'হাতী মাৰি ভুৰুকাত ভৰোৱা' আদৰ্শই আৰ্হিৰূপে গ্ৰহণ কৰিছোঁ। শিল্পৰ খনিকৰজনেই প্ৰকৃততে শিল্পী। শিল্পতেই অন্তৰ্হিত হৈ থাকে সৌন্দৰ্য চেতনা, সৃষ্টি নৈপুণ্য আৰু নিজৰ সৃজনশীলতাই আনৰ হৃদয়ক আলোড়িত কৰিব পৰা শক্তিৰ লগতে ৰূপান্তৰৰ স্বপ্ন। শংকৰদেৱৰ শিল্পলোকক এই দিশবোৰৰ ভিত্তিতে দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ। ড° হীৰেন গোহাঁয়ে ক'বৰ দৰে ময়ো বিশ্বাস কৰোঁ— আদৰ্শৰ প্ৰতি নিষ্ঠা আৰু সংগ্ৰাম তেওঁৰ সাহিত্যৰ কেন্দ্ৰীয় লক্ষণ। কুসুম্বৰৰ সৰিয়হতলিৰ কীৰ্তনঘৰৰ পৰা নামধৰ্মৰ বীজ সিঁচি সমাজ জীৱনত যি ৰূপান্তৰৰ স্বপ্ন অংকুৰিত কৰিছিল তাৰেই ঠাল-ঠেঙুলিৰূপে গাৰোৰ গোবিন্দ, কছাৰীৰ ৰমাই, মিছিঙৰ পৰমানন্দই এই আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ ওলাই আহিছিল আৰু বৰগীতৰ সুৰ, ভাওনাৰ বচনৰ লগতে মানুহৰ মুক্তিৰ স্বপ্নই এইক্ষেত্ৰত সৰ্বাধিক অৰিহণা যোগোইছিল। শংকৰদেৱৰ চিন্তাৰ জগতখনক দুটা স্তৰত ভগাব পাৰি— ঐশী চিন্তা স্তৰ আৰু শিল্প চিন্তাৰ স্তৰ। তেৰাৰ শিল্পী মানসৰ দাবীতে ৰচনাসমূহত মৌলিকতা ফুটি উঠাটো সম্ভৱপৰ হৈছিল। তেখেতৰ শিল্পলোকত প্ৰতিভাত হোৱা সৃষ্টি নৈপুণ্যৰ নান্দনিকতাই অসমীয়া সমাজ মানসৰ গুৰুত্বপূৰ্ণ সম্বল। এই শিল্পলোকক নিৰ্দিষ্ট কেইটামান বিষয় আধাৰিত চমু লেখাৰ সহায়ত বিচাৰ কৰাটো একপ্ৰকাৰৰ দুঃসাহস আৰু অজ্ঞতাৰ পৰিচায়ক যদিও ইয়াত অসমীয়া সমাজ জীৱনৰ আধাৰত আলোকপাতৰ প্ৰয়াস কৰিছোঁ। এই আলোকপাতত 'অসমৰ সাংস্কৃতিক ঐতিহ্যৰ সৰ্বোত্তম সুনিধি' শংকৰদেৱজনক উন্মোচিত কৰাৰ ক্ষেত্ৰত প্ৰভাৱক আৰু প্ৰভাৱিত উভয় দিশতে চকু ৰাখিছোঁ, দৰাচলতে এই দিশটোৱেই জীৱন্ত সংস্কৃতিৰ লক্ষণ। এই সংখ্যাৰ 'বীক্ষণ'ত লেখা প্ৰদান কৰা আৰু অলংকৰণেৰে প্ৰাচীৰ পত্ৰিকাখন সুশোভিত কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলো সতীৰ্থৰ শলাগ লৈছোঁ। এনেধৰণৰ প্ৰচেষ্টাই আমাক নিজকে জুকিয়াই চোৱাত আগলৈও সহায় কৰিব— এয়াই আশা।

# THROMBOSIS

Thrombosis is the medical term for when a blood Clot– also known as a thrombus-develops inside a blood vessel. 1 in 4 people are dying from conditions. Thrombosis affects an estimated 900,000 people in the united states and causes around 100,000 deaths in the country. Two main types of thrombosis Arterial and venous. Arterial invdves a thrombus developing in an artery. Venous involves a thrombus developing in a vein. The symptoms generally stem from a lack of oxygen in the affected body parts, Swelling, itchiness, cramps Pain, Skin discoloration, chest pain etc. Some other possible causes of blood clots include– fractures, obesity certain medications, such as those that contain estrogen etc. Smoking, pregnancy, heart attack, surgery can increase the risk of developing thrombosis. Effective treatments use of anticoagulants.

**Barasha Nath**
M.Sc. 1st Semester

# MATHEMATICS IN SPORTS

Mathematics plays significant role in sports accross various aspects, from analyzing performance to making informed decisions athletes training.

The field of sports analytics uses mathematics science to gain insights into various aspects of sports, such as player tracking injury prevention.

Coaches and terms use mathematical models to deuise game strategies, such as determining optimal plays, player positioning and substitution patters.

**Lohit Deka**
B.Sc. 3rd Semester

# BASTI : A TESTIMONY OF PARTITION

Written in 1979, "Basti" is one of the most renowned and finest works of partition lefe literature, authored by the prolific writer Intisar Hussain, based on the theme partition. It has been translated from Urdu into English by Framoes. W. Pritvhett and Asif Farrukhi in 2017. Literature is the testimony and portrayal of bosiety's true circumstances. "Basti" by Hussain also works as a testimony of the horrifying violence, mental trauma and displacement that prevailed during the partition of India. Here the writer talks about it's central character. Zakir's traumatic life after his migration from India to Pakistan in 1947. Hussain depicts Zakir's traumatic life in Pakistan, how he misses his village Rupnagar and the hormonious days spent in Uttarpradesh, India. Through the characters. Zakir and his beloved. Sabirah, the novelist portrays the torment of losing the loved ones. Hussain's depiction of the psychological nd emotional aspects of the 'historic' events and its impact on human lives, leare a strong impession on the mind of the readers and also become a testimony of the gruesome history of India.

**Surashree Baruah**
5th Semester

# EQUALITY

**Adrija Sarmah**
5th Semster

Aa a political ideal the concept of equality invokes the idea that all human beings have in equal warth regardless of their colour, gender, race or nationality.

Equality is a cross-cutting right, meaning that individuals have the right to equal treatment and non-discrimination in all farums, including social equality political equality, economic equality and civil equality. It implies equality of all the citizens before the law. Every citizen of the state should be treated similarly by the constitutions irrespective of race, religion, sex, caste, creed, language, views and beliefs.

Political equality political equality means providing equal citizenship provides certain basic rights such as the right to vote, freedom expression, movement and association and freedom of belief to everybody.

Social equality means each individual or group of people is given the same resourses or opportunites. Social equity is a state of affairs in which all individuals within a specific society have equal rights liberties and status.

The situation in on economy in which the appartionment of resources or goods among the people is considered fair, In simple terms, economic ewuality is about a level playing field where everyone has the same access to same wealth.

These the main types of equaity. There is also a Gandhian equaity. According to Gandhi– it does not mean that every one would literlly have same amount but it means that everyone should have enough for one's needs. The ultimeate aim of Gandhian concept of economic equiaity is equal pay for all. The doctor, the lawer, the teachers etc.

Economic equality is the belief that people should receive the same rate pay for a job, regardless race gender or other characteristics that are not related to their ability to perform the task. The earlist example of economic equality gone wrong is in pay differentials between men and women.

---

# Shiv Sakti Point

**Mrinmoy Sarma**
Wall Magazine
New Horizon
Geography Department.

The Shiv Sakti Point is the lending site of Chandrayaan-3 the third Lunar mission of ISRO.

The name was announced by PM Narendra Modi on August 26, 2023 while meeting ISRO scientists in Bangalore. PM Modi said that the selection os “Shiv Sakti Point” was taken from one concept of ‘Shiva’ as humanity’s determinations and ‘Shakkti’ as the capability to anticline those humanitarian ambitions, while further noting that ‘Shakti is also a tribute to the women scientists.

# প্ৰেমিক চৰাই

**আমিনুল হক**
স্নাতক চতুৰ্থ ষান্মাসিক
দৰ্শন বিভাগ

মই যেন প্ৰেমিক চৰাই
কিয়নো কেতিয়াবা আকৌ যে
এই অবুজ মনটোৱে
প্ৰেমৰ সান্নিধ্য বিচাৰি উৰা মাৰে।
কিয় বাৰু ইমান নিলাজ
মোৰ এই মনটো,
আচলতে সঁচাকৈ বৰ
নিলাজ প্ৰেমিকবোৰ।
যিয়ে নিঃস্বাৰ্থ প্ৰেম কৰি
কেতিয়াবা মাজনিশা
চকুপানী টুকিলে
কেতিয়াবা আকৌ নিশা
উজাগৰী কটালে
এনেবোৰ উপলব্ধিৰ পিছতো যে
হৃদয়খনে আকৌ সেই
প্ৰেমকে বিচাৰি ফুৰে,
সঁচাকৈ এইটো এক নিলাজ
প্ৰেমিকৰ মন।

# আবেদন

**সমীৰণ কলিতা**
স্নাতক দ্বিতীয় ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

আবেদন বহুদিনৰ
দিনলিপি প্ৰতিদিনৰ।
ঘটনা অতীতৰ
উত্তৰত প্ৰত্যুত্তৰ বৰ্তমানৰ।
সাঁচি থোৱা সাজ ৰাঙলী হ'ব
সংগীতৰ কণ্ঠ ৰাজপথৰ শ্লোগান হ'ব।
মিঠাবোৰ তিতা হ'ব
আন দিয়া ৰহণ কাৰখানাৰ ধোঁৱা হ'ব।
সুদীৰ্ঘ জীৱনৰ অন্তিম বিন্দু আজিয়েই বিচাৰিম
যদিহে জীৱনৰ ৰঙত শোষণৰ কৰাল লাগে।
হয় যদি প্ৰাপ্যতা কাৰোবাৰ চৰণত
অধিকাৰৰ দেৱাল ভাঙিম সেই কাৰণত।
এই আবেদন বহুদিনৰ, দিনলিপি প্ৰতিদিনৰ।।

---

Google Band is an AT chalbot based on the PalM LLM, a powerful language model. It generates text, translations, and creates creative content. Duspite being under development. Bard has the potential to revolutionize computer interaction. It can assist with creative writing, accurately translate languages, write creative content, answer questions, generate reports, presentations, and provide interactive totorials. It can also help students with tests, businesspeople create marketing copy, customer service representatives answer questions efficiently, and techers create personalized learning materials. Bard's potential is immense, and its use could revolutionize various tasks and make the world a better place. Bard is Google's experimental, conversational, It chat servive. It is meant to function similarly to ChatGPT, with the biggest sifference being that Goog;e's service will putt its information from the web.

**Jyotirmoy Deka**
B.C.A Deptt.

# নাৰীৰ বিৰুদ্ধে থকা বৰ্তমানৰ অন্ধবিশ্বাস

**শিৱানী ডেকা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

পুৰুষ আৰু নাৰীক লৈয়ে এখন সমাজ সৃষ্টি হয়। নাৰী পুৰুষ উভয়ৰ সহযোগতহে মানুহৰ জীৱনে গতিশীলতা লাভ কৰে। বৰ্তমান সমাজ ব্যৱস্থাত নাৰী জাতিৰ শিক্ষা ব্যৱস্থাত অনুন্নত অৱস্থাৰ আন এক প্ৰধান অন্তৰায় হ'ল নাৰীৰ বিৰুদ্ধে অন্ধবিশ্বাস, কু-সংস্কাৰ, দমন, পীড়ন ইত্যাদি। বৰ্তমান সমাজত এতিয়াও কিছুমান পৰিয়ালে কন্যা সন্তান জন্ম লোৱাতো দুৰ্ভাগ্য আৰু ল'ৰা সন্তান জন্ম লোৱাটো সৌভাগ্য বুলি গ্ৰহণ কৰে। বৰ্তমান আধুনিক সমাজ ব্যৱস্থাত এতিয়াও মহিলাৰ বিৰুদ্ধে বাল্য বিবাহৰ দৰে কুপ্ৰথা, যৌতুক প্ৰথা, পৰ্দা প্ৰথা, ডাইনী সজাই হত্যা কৰা আদি বিভিন্ন কু-সংস্কাৰৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। সমাজখন শিক্ষিত বা শিক্ষাৰ পোহৰেৰে আলোকিত হৈছে যদিও মহিলা সম্পৰ্কীয় কু-সংস্কাৰ, অন্ধবিশ্বাস এতিয়াও সমাজৰ পৰা নিৰ্মূল হোৱা নাই। ইয়াৰ মূলতে হ'ল স্ত্ৰীশিক্ষাৰ প্ৰতি থকা উদাসীনতা আৰু অতীতদৰ্শী মনোভাৱ। আমাৰ দেশত স্ত্ৰীশিক্ষাৰ প্ৰতি থকা অতীত ধাৰণাৰ আমূল পৰিৱৰ্তন এতিয়াও হোৱা নাই। গণতান্ত্ৰিক দেশ হিচাপে ভাৰতৰ সংবিধানৰ ১৬ নং অনুচ্ছেদত নাৰী পুৰুষৰ সমান অধিকাৰৰ কথা উল্লেখ কৰা হৈছে। কিন্তু লিংগভিত্তিক বৈষম্যই মহিলাসকল আগবাঢ়ি অহাৰ ক্ষেত্ৰত এতিয়াও বাধাৰ সৃষ্টি কৰা দেখা যায়। মহিলা শিক্ষিত হ'লে সমাজত বিশৃংখলতা আহিব বুলি এক মনোভাৱ এতিয়াও আমাৰ সমাজত প্ৰচলিত হৈ আছে। আনহাতে ছোৱালীক শিক্ষা-দীক্ষাৰে উপযুক্ত কৰি গঢ়ি তোলাৰ পাছত আনৰ ঘৰলৈ বিয়া দিব লাগিব বা হ'বলগীয়া স্বামীৰ আলপৈচান ধৰিবহে লাগিব বুলি বহুতো মাক দেউতাকে ভাবে। সেয়ে তেওঁলোকে ছোৱালীসকলক শিক্ষিত কৰাৰ পৰা পিচহুহকি থাকিব বিচাৰে। যিহেতু যৌতুক প্ৰথা শিক্ষিত-অশিক্ষিত দুয়ো শ্ৰেণীৰ মানুহৰ মাজত প্ৰচলিত হৈ আছে। গতিকে ছোৱালীৰ শিক্ষাত খৰচ কৰাতকৈ যৌতুকৰ নামত টকা পইচা সঞ্চয় কৰাতহে পিতৃ-মাতৃয়ে অধিক মনোনিবেশ দিয়া দেখা যায়।

সেয়েহে, সমাজৰ পৰা এনে অন্ধবিশ্বাস, কু-সংস্কাৰবোৰ আঁতৰ কৰি মহিলাসকলক শিক্ষা-দীক্ষাৰে আগুৱাই নিয়াত সকলো অভিভাৱক, শিক্ষা কৰ্তৃপক্ষ, চৰকাৰখনো আগ্ৰহী হ'ব লাগে আৰু মহিলাৰ উন্নতিৰ ক্ষেত্ৰত নিৰ্দ্ধাৰণ কৰা অধিনিয়মসমূহৰ উপযুক্ত ব্যৱহাৰ সাব্যস্ত কৰিব লাগে।

---

# Environment and Pollution Chemistry

**Bhuyashi Kalita**
Editor

Environmental chemistry is the scientific study of chemical process occurring in the environment with a focus on now human activities impact the earth's ecosystem.

Chemical pollution refers to the contamination of our environment with chemicals that are not found there naturally. It includes the contamination of air, water and soil via various pollutants. Climate change, a major global issue, is intricately linked to pollution chemistry. It studies green house gases and their role in global warming.

By understanding this chemical process we can take actions to protect our environment for future generations.

# Sophin (Robot)

Sophin is a social humanaid robot developed by the Hong Kong based company Hornson Robotics. Sophin was activated on Fabruary 14.2016 and made its first public appearance in mid-March 2016 at South by South west in Austcin, Texes, United States. Sophin is marketed as a Social robot that can mimic social behavior and reduce feelings of love of humans. Sophin has been covered by nadin around the globe. And has participated in many high-profile intervineus. In October 2017, Sophion was granted Saudi Arabian citizenship, becoming the first robot to receive legal personhood in any country. In November 2017 Sophin was named the united Nations Development Programmes first innovation champion. And is the first non-human to be given a united Nations title.

According to founder David Homsan, Sophin's source code is about 70% open sources. A paper describing of one of Sophin open source supstams, called open Arms, was submitted to 36th conference on neural information processing systems (Neur IPS 2022).

**Dept. of Education**

# International Security

International security is a term which refers to the measures taken by states and International organization, such as the United Nations, European Union and others, to ensure mutual survival and safety. These measures include military action and diplomatic arguments such as treaties and conventional security or state security in the global area.

The meaning of 'security' is often treated as a sense term that can be understood "Unacknowledged Consensus." The content of international Security has expended over the years. Today it covers a verity of interconnected issues in the world that effect survival. It ranges from the traditional or conventional models of military power, the causes and consequences of war between states, economic strength, to ethnic, religious and ideological conflicts, trade and economic conflicts, energy supplies, science and technology, food, as well as threats to human security and the stability of states from environmental degradation, infectious diseases.

**Nayanita Das**
5th Semester

# Breaking Stereotypes: Women behind ISRO's success

Women have been involved in India's space mission since its inception, but their contributions have often been overlooked or underappreciated. However in recent years, more women have taken up prominent roles in ISRO and have been instrumental in the success of some of the most challenging and ambitious projects. Some of them are-

1. **Dr. Ritu Karidhal Srivastava :** She was the deputy Operation Director of ISRO'S MOM mission. She played key role in development of Mangalyaan dealing with the detailing and the execution of the craft's onboard autonomy system. She supervised the "Chandrayaan 2" mission as the Mission Director. She worked too in Chandrayaan 3 Mission. She is referred to as "Rocket women of India."
2. **Nandini Harinath :** She was the project manager, Mission designer and Deputy Operation Director of India's Mars Orbiter Mission which was India's first interplanetary mission. She is also the Mission system leader of NISAR which is a joint NASA-ISRO satellite that is planned to launch in 2024.
3. **N.** Valarmathi : She was the project director of RISAT-1, India's first indigenously developed radar imagine satellite. She lent her voice on countdowns for rocket launches in Sriharikota including recent Chandrayaan 3 launch and that was her last countdown announcement as she passed away on September 23, 2023.

**Bandita Deka**
5th Semester

# Human-Animal Conflict

Human-Animal conflict refers to situations where there is a clash or interaction between humans and wildlife that result in negative outcomes for either party. The conflict often arises when human activities encroach upon natural habitats, leading to issues such as crop-damage, livestock predation, property destruction and even threats to human safety. It has been observed that there exist three different levels of conflicts between man and wildlife: **Level 1 :** The dispute over property, safety, damage and livelihood; **Level 2 :** The underlying conflict and the already existing history of recurring issues which are not satisfactorily resolved and **Level 3 :** The deep-rooted conflicts of social identity and the threatened values. These conflicts have several causes, such as the growth in human population, loss of habitat, wildlife borne infection, agriculture expansion, industrialization, increase in livestock population, land-use transformation, abundance and distribution, climate change and competition for resources between human and wildlife. The various impacts of this conflict can be observed in the ecosystem, local communities, on equity, on the farmers and most importantly, on pollution. The future solutions to human-animal conflict involve approaches such as habitat conservation, wildlife corridors, awareness, sustainable agriculture, wildlife monitoring, stricter wildlife laws, involvement of the community, etc. Finding a balance between human needs and wildlife conservation is crucial to mitigate such conflicts and ensure co-existence.

**Dept. of Zoology**

# Foodomics
# B. Voc (FPQM)
# Wall magazine name -

### Food Adulteration

### Overview on laws of policies applied for food Adulteration

Introduction : India has modernized its food laws system from multi level, multi department to the single, strong food law system. It is in 2006 by the establishment of food safety and standard Act (FSSA) 2006. Keeping in view the present food adulteration in India the task force had been set upto recommend changes in the FSSA. Testing and analytical capacity among India's official food safety monitoring unit is inadequate to manage a supply system that feeds nearly 1.3 billion peoples.

Highlights of the food Safety and Standard act, 2006-

Articles regarding food Adulteration under FSSA, 2006-

1. Article 49 : General Provisions relating to penalty.
2. Article 50 : Penalty for Selling food not of the nature or substance or quality demanded.
3. Article 51 : Penalty for Sub-Standard food.
4. Article 52 : Penalty for misbranded food.
5. Article 54 : Penalty for food containing extrances matter.
6. Article 57 : Penalty for processing adulteration.

Six Initiatives of the (Softel) Scheme FSSAI-

Six Initiatives of the scheme FSSAI is committed in its endeavor to ensure science based standards for articles of food. FSSAI has formulated a scheme for Strengthering of food testing laboratories (Soft Tel) in the Country-

The Scheme Consists of a bouquet of six initiatives :

1. Support Mobile food laboratories.
2. Strengthen Refferral food testing laboratories.
3. Strengthen State food testing laboratories.
4. Develop food testing culture in school/ Colleges.
5. Capacity building of food testing personl.
6. Incentivize States to use facilities available in FSSAI notified private labs.

Conclusion :

Laws and policies applied for food adulteration play a crucial role in ensuring the safety and quality of food Products consumed by the public. It is essential in safeguarding public health, promoting fair trade practices, and maintaining consumes trust in the food industry.



## নিহাল মহন্ত

**সভাপতি**

২০২২-২৩ বৰ্ষ

প্ৰতিবেদনটি লিখিবলৈ আৰম্ভ কৰোতে মই সেই মহান ব্যক্তিসকলক স্মৰণ কৰিলোঁ যিয়ে অসমী আইৰ বাবে প্ৰাণ আহুতি দিছে। ১৯৭২ চনত মহান ব্যক্তিসকলৰ অক্লান্ত প্ৰচেষ্টাৰ স্বৰূপ "পূব কামৰূপ মহাবিদ্যালয়" গঢ় লৈ উঠিছিল। সোণালী জয়ন্তী উপনীত হৈ যোৱা আপোন মহাবিদ্যালয় স্থাপনত যিসকল ব্যক্তিৰ ত্যাগ শ্ৰম নিহিত হৈ আছে। সেই মহান ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিলোঁ।

ছাত্ৰ জীৱনটো হ'ল সজ কৰ্মৰ আত্মাস্বৰূপ। ২০২১ চনত উচ্চ শিক্ষাৰ বাবে মই পূব কামৰূপ মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। মহাবিদ্যালয়খনত পঢ়াৰ সময়ছোৱাত মহাবিদ্যালয়খনৰ বাবে সেৱা আগবঢ়োৱাৰ হেঁপাহ মনত জাগিছিল। সেয়েহে মই ২০২২-২৩ বৰ্ষৰ পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত সভাপতিৰ পদত নিজৰ প্ৰাৰ্থীত্ব আগবঢ়াইছিলোঁ। মোৰ অতিকৈ মৰমৰ পূব কামৰূপীয়ানসকলৰ উৎসাহ, উদ্দীপনা, মৰম আৰু সহযোগিতাৰ ফলত ২০২২-২৩ বৰ্ষৰ পূব কামৰূপ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সভাপতিৰ পদত নিৰ্বাচিত হওঁ। পূব কামৰূপ মহাবিদ্যালয়খনৰ ২০২২-২৩ বৰ্ষৰ সভাপতি হিচাপে নৱেম্বৰ মাহৰ ১৬ তাৰিখে শপত গ্ৰহণ কৰিলোঁ। মই এই মহান দায়িত্ব কুশলে পালন কৰিছোঁ নে নাই সেয়া পূব কামৰূপীয়ানৰ বিচাৰ্য।

**মোৰ কাৰ্যকালৰ চমু আভাষ ঃ**

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই প্ৰথম কাৰ্যসূচী ২৪ আৰু ২৫ জানুৱাৰী, ২০২৩ (NAAC) পৰিদৰ্শনৰ কাৰ্য সফল কৰা।

২৬ জানুৱাৰী, ২০২৩ তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয় আৰু লগতে গণৰাজ্য দিৱস পালন কৰা হয়।

২০২৩ বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৭ ফেব্ৰুৱাৰী তাৰিখলৈ মহাবিদ্যালয়ত যুৱ মহোৎসৱ উদ্‌যাপন কৰা হয়।

এই অনুষ্ঠানবোৰ সুকলমে পাৰ কৰাৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সমূহ আৰু পূব কামৰূপীয়ানসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এই কৰ্কালৰ সময়ছোৱাত মোক প্ৰতিটো ক্ষেত্ৰত সহায় কৰা ছাত্ৰ সন্থাৰ প্ৰতিজন সদস্যকে ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু লগতে মোক সহায় আৰু পৰামৰ্শ দিয়া শিক্ষাগুৰুসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু পূব কামৰূপ মহাবিদ্যালয়  
জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা।



## আৰকিতা কাকতি

**উপ-সভাপতি**

২০২২-২৩ বৰ্ষ

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ আমাৰ এই পূব কামৰূপ মহাবিদ্যালয়। ইতিহাস সমৃদ্ধ আমাৰ এই মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। যি সকল মহান ব্যক্তিৰ কষ্ট আৰু সাধনাৰ ফলত আজি আমাৰ মহাবিদ্যালয়ে এই ৰূপ পালে তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

বুকুত কিছু হেপাহ,কিছু ভয় আৰু কিছু আৱেগ লৈ মই ২০২১চনত এই মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। যদিও প্ৰথমতে ইমান আও-ভাও পোৱা নাছিলোঁ, কিন্তু পিছলৈ এই মহাবিদ্যালয়খন একেবাৰে আপোন হৈ পৰিছিল। এনেকৈ এটা বছৰ অতিক্ৰম কৰাৰ পিছত হঠাৎ মোৰ ওচৰত থিয় দিছিল ২০২২-২৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচন। যদিও প্ৰথম অৱস্থাত সাহস জাগি উঠা নাছিল, কিন্তু পাছলৈ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ মৰম,আশীৰ্বাদ আৰু সহযোগিতা লগত লৈ আত্মপ্ৰতিষ্ঠা আৰু মহাবিদ্যালয়ৰ হকে কিবা এটা কৰাৰ প্ৰৱল ইচ্ছাৰে ২০২২-২৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত উপ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদটিত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলোঁ আৰু জয়যুক্ত হ'বলৈ সক্ষম হৈছিলো। সমূহ পূব কামৰূপীয়ানৰ মোৰ প্ৰতি থকা এই বিশ্বাস আৰু আস্থাৰ বাবে লগতে এনে এখন আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে মোক যোগ্য বুলি বিবেচিত কৰি উপ সভাপতি পদৰ দায়িত্ব দিয়াৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

সৌভাগ্যক্ৰমে কাৰ্যভাৰ গ্ৰহণৰ পিছতেই মহাবিদ্যালয়ত নাকৰ পৰিদৰ্শন তথা মূল্যাংকন কাৰ্যসূচী (National Assessment and Accreditation Council) অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়ৰ পৰিয়ালৰ সমূহ সদস্যৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া হিচাপে নাকৰ পৰিদৰ্শনৰ প্ৰতিটো অনুষ্ঠান তথা তাৰ প্ৰস্তুতিত আমি অংশগ্ৰহণ কৰিছিলোঁ। পূব কামৰূপ মহাবিদ্যালয় ২০২২-২৩ বৰ্ষৰ ৪৩তম যুৱ-মহোৎসৱ অইনবাৰৰ দৰে সেইবাৰো উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। পৰম্পৰাক অনুসৰণ কৰি মহাবিদ্যালয়ৰ বাকৰিত জাক্‌জমকতাৰে মিলাদ-ই-মেহফিল তথা সৰস্বতী পূজা উৰ্দযাপন কৰা হয়। আমাৰ কাৰ্যকালত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমি পূব কামৰূপ মহাবিদ্যালয়লৰ ছাত্ৰ ছাত্ৰীসকলে সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হওঁ। এয়া আমাৰ এবছৰীয়া কাৰ্যকালৰ এক সোণালী মূহুৰ্ত হৈ ৰৈ যাব।

এই চেগতে ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে আমাক এই অনুষ্ঠানসমূহ সুকলমে চলাই নিয়াত সহায় কৰা প্ৰতিজন শিক্ষাগুৰুলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো।

যদিহে মই কাৰ্যকালৰ সময়ত অজানিতে কিবা ভুল-ভ্ৰান্তি কৰিছিলোঁ । তাৰ বাবে ক্ষমা বিচাৰিছো। সদৌশেষত,পূব কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত তথা দীৰ্ঘায়ু কামনা কৰি মই মোৰ কলম সামৰিছোঁ।

জয়তু পূব কামৰূপ মহাবিদ্যালয়
জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা।



## পৰাগ জ্যোতি ডেকা

**সাধাৰণ সম্পাদক**

২০২২-২৩ বৰ্ষ

তুমি নতুন পুৰুষ
তুমি নতুন নাৰী
অনাগত দিনৰ জাগ্ৰত প্ৰহৰী
কেঁচা জীৱন সোঁতক সিঞ্চন কৰি
সজাবা সমাজ নিজ হাতেৰে গঢ়ি-

সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকা

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত অসমৰ গ্ৰাম্যভূমিত সগৌৰৱে পঞ্চাশটা বসন্ত জুৰি নামনি অসমৰ কামৰূপ জিলাত পূব কামৰূপ মহাবিদ্যালয় জিলিকি আছে তথা অসমৰ শিক্ষাজগতত অভেদ্য প্ৰাচীৰৰ দৰে থিয় হৈ আছে। সেই সকল মহান মনিষীলৈ মই গভীৰ শ্ৰদ্ধা জনাইছো।

উচ্চশিক্ষাৰ সপোন বুকুত বান্ধি ভৱিষ্যতৰ এজন সুস্থ দায়িত্বশীল নাগৰিক হোৱাৰ মানসিকতাৰে বুকুত অলেখ আশা, দুচকুত বহু সপোন লৈ ২০২০ চনত মহাবিদ্যালয়ত ভৰি দিছিলো। নামভৰ্তিৰ দিন ধৰি মহাবিদ্যালয়খনক ওচৰৰ পৰা দেখি আহিছিলো আৰু মনত দুৰ্বাৰ হেপাহ পুহি ৰাখিছিলো মহাবিদ্যালয় খনক এদিন নেতৃত্ব প্ৰদান কৰাৰ আৰু এনেদৰেই এক নতুন যাত্ৰাৰ আৰম্ভণি হৈছিল। আমি বৰ বিশেষ অসাধাৰণ নাছিলো যদিও এজন ছাত্ৰ হিচাপে নিজৰ ব্যক্তিত্বক সদায় আগত ৰাখি নিজকে প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিলো। ছাত্ৰ ৰাজনীতিৰ প্ৰতি এক পুৰণি হাবিয়াস তথা সমাজৰ প্ৰতি সেৱা কৰাৰ মানসেৰে এবুকু হেঁপাহ, সপোন আৰু নতুন চিন্তাধাৰা লৈ আপোন মহাবিদ্যালয়খনক নিস্বাৰ্থ ভাৱে সেৱা আগবঢ়াই যোৱাৰ মানসেৰে ২০২২ চনৰ ২২ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত প্ৰাৰ্থীত্ব আগবঢ়াইছিলোঁ আৰু মোৰ অতিকৈ আপোন সমূহ পূব কামৰূপীয়ানৰ বিপুল সঁহাৰি আৰু সমৰ্থন লাভ কৰি সপোন পূৰণ কৰাৰ এক সুযোগ পাইছিলোঁ।

২০২২-২৩ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দৰে গুৰুত্বপূৰ্ণ পদত নিজৰ শপতবাক্য পাঠ কৰিয়েই সাধাৰণ সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য মূৰ পাতি লৈ নিজকে বিলীন কৰিছোঁ ছাত্ৰ সমাজৰ মাজত। পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ আমাৰ কাৰ্যকালৰ প্ৰথমটো কাৰ্য্যসূচী আছিল ১০ ডিচেম্বৰত ৰাজ্যজুৰি অনুষ্ঠিত কৰা শ্বহীদ সকলৰ ত্যাগক সোঁৰৰাৰ উদ্দেশ্যে 'শ্বহীদ দিৱস' মহাবিদ্যালয়ৰ সন্মুখত অৱস্থিত শ্বহীদ বেদীত মহাবিদ্যালয়ৰ সমূহ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

২৭ ডিচেম্বৰ, ২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ সন্মুখভাগত অৱস্থিত শ্বহীদ বেদীটো কিছু মেৰামতি আৰু ৰং লগোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ উপস্থিতিত অধ্যক্ষ মহোদয়ক এখনি স্মাৰক পত্ৰ প্ৰদান কৰো।

১২ জানুৱাৰী তাৰিখে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত গেটওয়ে একাডেমীত অনুষ্ঠিত কৰা হয় 'ৰাষ্ট্ৰীয় যুৱ দিৱস'। উক্ত অনুষ্ঠানত যুৱ সমাজক উদ্দেশ্যি সাৰুৱা ভাষণ প্ৰদান কৰে গেটওয়ে একাডেমীৰ অধ্যক্ষ নৃপেন্দ্ৰ নাথ তালুকদাৰদেৱে।

প্ৰতিবেদনত উল্লেখ কৰিব লাগিব যে আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ ওপৰত যথেষ্ট দায়িত্ব আহি পৰিছিল কিয়নো বছৰৰ আৰম্ভণিতে অৰ্থাৎ ২৩ আৰু ২৪ জানুৱাৰীত আমাৰ মহাবিদ্যালয়ত NAAC ৰ পৰিদৰ্শন হৈছিল উক্ত পৰিদৰ্শনত আমাৰ মহাবিদ্যালয়ে যথেষ্ট ত্যাগ আৰু পৰিশ্ৰমৰ বিনিময়ত, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ দিন-ৰাতিৰ কষ্ট, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলৰ কষ্টৰ বিনিময়ত B++ (CGPA 2.87) ৰে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হওঁ। এই ক্ষণত মহাবিদ্যালয় পৰিয়ালৰ আটাইবোৰ সদস্যলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

২৬ জানুৱাৰী, ২০২৩ ইং তাৰিখে দেশৰ ৭৪ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে মহাবিদ্যালয় বাকৰিত অধ্যক্ষ শ্ৰদ্ধাৰ ড° ভূপেন কুমাৰ শৰ্মা ছাৰে পুৱা ৭.৩০ বজাত জাতীয় পতাকা উত্তোলন কৰে লগতে বক্তব্য আগবঢ়ায়। উক্ত দিনাই সৰস্বতী পূজাও মহাবিদ্যালয়ৰ বাকৰিত উলহ-মালহেৰে পালন কৰা হয়।

৩১ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত বড়োসকলৰ পৱিত্ৰ উৎসৱ বাথৌ পূজা উলহ-মালহেৰে পালন কৰা হয় । বাথৌ পূজাৰ লগত সংগতি ৰাখি বড়োসকলৰ লোকনৃত্য খেড়াই নৃত্য প্ৰদৰ্শন কৰা হয়।

এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ হ'লে এক সবল তথা যোগাত্মক নেতৃত্বৰ অতিকৈ প্ৰয়োজন। মহাবিদ্যালয়ত অধ্যয়নৰত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সামাজিক নেতৃত্ব, ক্ৰীড়া, সাহিত্য-সংস্কৃতিৰ বিকাশৰ কঠিয়াতলী হৈছে মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী হৈছে মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ। উক্ত মহোৎসৱখনি আমি যোৱা ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৭ ফেব্ৰুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপায়ন কৰিছিলো। পূব কামৰূপ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক যুৱ মহোৎসৱৰ শুভ উদ্বোধন কৰে কামৰূপ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া দেৱে। প্ৰথম দিনৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী আছিল বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, উক্ত শোভাযাত্ৰাত মহাবিদ্যালয়ৰ প্ৰায় দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এনেদৰে বিভিন্ন খেল-ধেমালি, প্ৰতিযোগিতাৰ মাজেৰে উক্ত মহোৎসৱখনি সামৰণি পৰে ১৭ ফেব্ৰুৱাৰী তাৰিখে। সেইদিনা সামৰণি অনুষ্ঠানৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে লোকসংস্কৃতিৰ সাধক তথা কণ্ঠ শিল্পী লোকনাথ গোস্বামী ডাঙৰীয়া।

২৭ আৰু ২৮ ফেব্ৰুৱাৰী ২০২৩ ইং তাৰিখে উত্তৰ গুৱাহাটীস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত অসম দক্ষতা বিকাশ অভিযানৰ সহযোগত অনুষ্ঠিত "Indi-global summit" শীৰ্ষক অনুষ্ঠানটিত পূব কামৰূপ মহাবিদ্যালয়ৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ সৈতে অংশগ্ৰহণ কৰো।

১০ মাৰ্চ ২০২৩ ইং তাৰিখে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু পূব কামৰূপ মহাবিদ্যালয় মহিলাকোষৰ যুটীয়া উদ্যোগত মহাবিদ্যালয় প্ৰেক্ষাগৃহত এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী কেইজনমানে নাৰী দিৱস সম্পৰ্কে বক্তব্য প্ৰদান কৰে।

৩১ মে' তাৰিখে বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত বাইহাটাচাৰিআলিৰ মাজমজিয়াত বিশিষ্ট নাট্যকাৰ বেণুধৰ পাটোৱাৰীৰ ৰচনাৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰে গঠিত এটি নাট্যদলেৰে বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

৩০ জুন, ২০২৩ ইং তাৰিখে বিশ্ব বাইচাইকেল দিৱস উপলক্ষে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত আমাৰ মহাবিদ্যালয়ৰ পৰা পোষ্যগ্ৰামৰ কুমনগৰ প্ৰাথমিক বিদ্যালয়লৈ এক সজাগতামূলক চাইকেল ৰেলী অনুষ্ঠিত কৰা হয়

০৫ জুন ২০২৩ ইং তাৰিখে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত মহাবিদ্যালয়ৰ চৌপাশত গছপুলি ৰোপন কৰা হয় লগতে মহাবিদ্যালয়ৰ পোষ্যগ্ৰাম কুমনগৰতো বিভিন্ন ঠাইত গছপুলি ৰোপন কৰা হয়।

১৩ জুন ২০২৩ ইং তাৰিখে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান আৰু কলা শাখাৰ নামভৰ্তি প্ৰক্ৰিয়া অনুষ্ঠিত হয়। তাৰ সমান্তৰালকৈ ৪ জুলাইৰ পৰা ১৯ জুলাইলৈকে চলা নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত স্নাতক প্ৰথম ষান্মাসিকৰ নামভৰ্তি প্ৰক্ৰিয়াত পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাই মহাবিদ্যালয় কৰ্তৃপক্ষক সম্পূৰ্ণ সহযোগিতা আগবঢ়াও।

১৯ জুন ২০২৩ ইং তাৰিখে সুদীৰ্ঘ ৩ বছৰৰ মূৰত মহাবিদ্যালয়ত মিলাদ-ই-মেহফিল উলহ-মালহেৰে পালন কৰা হয়। সেই উপলক্ষে মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখনি আলোচনা সত্ৰৰ আয়োজন কৰা হয়, উক্ত আলোচনা সত্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা মহঃ চফিকুল হক ডাঙৰীয়া।

২ আগষ্ট তাৰিখে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা

অধ্যক্ষ মহোদয়ক প্ৰদান কৰা স্মাৰক পত্ৰৰ ফলস্বৰূপে আমাৰ মহাবিদ্যালয়ৰ যিসমূহ শ্ৰেণীকোঠাত বিজুলী পাংখা বিকল হৈ আছে সেইসমূহ মেৰামতিৰ ব্যৱস্থা আৰু প্ৰস্তাৱগাৰ চাফ-চিকুণৰ কাৰ্য সম্পাদন হয়।

১০ আগষ্ট তাৰিখে ৰঙিয়া মহকুমাৰ মহকুমাধিপতিৰ আহ্বানমৰ্মে বাইহাটা চাৰিআলি চ'কৰ যান-জট আৰু দুৰ্ঘটনা ৰোধ কৰাৰ বাবে মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰায় এমাহ প্ৰতি সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ দলে যান-জট হ্ৰাস আৰু দুৰ্ঘটনা ৰোধৰ অৰ্থে ট্ৰেফিকক সহায়ৰ হাত আগবঢ়ায়।

২১ আগষ্ট তাৰিখে পূব কামৰূপ মহাবিদ্যালয়ৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উলহ-মালহেৰে পালন কৰা হয়। দিনৰ ভাগত মহাবিদ্যালয় প্ৰেক্ষাগৃহত এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয় উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশিত এটি বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সন্ধিয়া মহাবিদ্যালয় বাকৰিত ৫০ গচি বন্তি প্ৰজ্বলন কৰা হয় লগতে মহাবিদ্যালয়ৰ গেটত সন্ধিয়া আলোকসজ্জাৰে আলোকিত কৰা হয়।

৫ ছেপ্টেম্বৰ, ২০২৩ ইং তাৰিখ শিক্ষক দিৱস উপলক্ষে মহাবিদ্যালয় প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাবে শিক্ষক দিৱস উদযাপন কৰা হয় আৰু উক্ত অনুষ্ঠানতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক মানপত্ৰ আৰু প্ৰীতি উপহাৰ প্ৰদান কৰো।

৮ ছেপ্টেম্বৰ, ২০২৩ ইং তাৰিখে ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ জন্মদিন উপলক্ষে তেখেতক স্মৰণ কৰি মহাবিদ্যালয়ৰ বাকৰিত সুধাকণ্ঠ ড° হাজৰিকাদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়।

১৬ আৰু ১৭ অক্টোবৰ, ২০২৩ ইং তাৰিখত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ শৰাইঘাট মহাবিদ্যালয়ত অনুষ্ঠিত হয়। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়াৰ বাবে এয়া এক প্ৰত্যাহ্বানস্বৰূপ আছিল। উল্লেখযোগ্য যে ১৭ অক্টোবৰত অনুষ্ঠিত পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নিৰ্বাচন হোৱা স্বত্বেও, সকলোৰে নেৰা-নেপেৰা চেষ্টা আৰু কষ্টৰ অন্তত বহু আশা-সপোন আগত লৈ আমাৰ মহাবিদ্যালয়ৰ ২২ জনীয়া এটি প্ৰতিযোগী দলে অংশগ্ৰহণ কৰে। গৌৰৱৰ কথা যে ভেঙুচালি, ক্লে-মডেলিং, ভূপেন্দ্ৰ সংগীত আৰু সুগম সংগীত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীসকলে ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় স্থান দখল কৰি মুখ্য পৰ্যায়লৈ উন্নীত হ'বলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত ১ নৱেম্বৰ ২০২৩ ৰ পৰা ৫ নৱেম্বৰলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱমহোৎসৱ-চঞ্চুচ্ছ। সৌভাগ্য তথা গৌৰৱৰ কথা এয়ে যে সুদীৰ্ঘ ৪ বছৰৰ অন্ততঃ আমাৰ কাৰ্যকালত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ে তৃতীয় শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হও। তাৰ সমান্তৰালভাৱে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰী বৰষা তালুকদাৰে দ্বিতীয় স্থান লাভ কৰে। ভেঙুচালি প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ চৰনদ্বীপ ঠাকুৰীয়াই তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। এই ফলাফলৰ আঁৰত আছে অধ্যক্ষ মহোদয়,আমাৰ দলটিৰ তত্বাবধায়ক হিচাপে যোৱা শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰদ্ধাৰ ড° ববিতা দাস বাইদেউ আৰু মহাবিদ্যালয়ৰ অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ কৰ্মনিষ্ঠা। এই ছেগতে মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সফলতা অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ মোৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰিলোঁ।

পূব কামৰূপ মহাবিদ্যালয়ত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত নামভৰ্তি কৰা নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আমাৰ মহাবিদ্যালয় পৰিয়াললৈ আদৰাৰ উদ্দেশ্যে ১৫ চেপ্তেম্বৰ তাৰিখে পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা২০২২-২৩ বৰ্ষৰ উদ্যোগত দিনজোৱা কাৰ্যসূচীৰে ৪৮ সংখ্যক নৱাগত আদৰণি সভাখনি অনুষ্ঠিত কৰা হয়। নৱাগত আদৰণি সভাৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ ভিতৰত আছিল সতীৰ্থ সন্মিলন, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠান। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মা ছাৰে সভাপতিত্ব কৰা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মা দেৱ। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী পাপৰি গগৈ বাইদেউয়ে। নৱাগত আদৰণি সভাৰ আটাইবোৰ কাৰঞ্জয্যসূচী সফলভাবে ৰূপায়ন কৰাত সহযোগিতা আগবঢ়োৱা সমূহ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰী সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ

আমি দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়ত সাহিত্য-সংস্কৃতি, ক্ৰীড়া, তৰ্ক কলাৰ পৰিৱেশ নিৰ্মাণৰ বাবে আটাইকেইগৰাকী মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়াই যথেষ্ট কষ্ট কৰি আহিছো। তাৰ ফলস্বৰূপে যোৱা ২৭ মাৰ্চত দিশপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয়

পাঞ্জা খেল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে ভিন্ন শাখাত ৫ টা পদক আজুৰি আনিবলৈ সক্ষম হয়।
দ্বিতীয়তে যোৱা ৮ এপ্ৰিলত University of science and technology ত অনুষ্ঠিত "7th North East Graduate congress 2023" শীৰ্ষক অনুষ্ঠানটিত অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ৩ গৰাকী শিক্ষাৰ্থীয়ে ৩ টা পদক আজুৰি আনিবলৈ সক্ষম হয়।

ক্ৰীড়া ক্ষেত্ৰৰ সমান্তৰালকৈ সাহিত্য-সংস্কৃতিৰ দিশতো যথেষ্ট আগবঢ়া দেখা গৈছে। এইখিনিতে উল্লেখ কৰিব লাগিব যে পূব কামৰূপ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি ভালেকেইজন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৰাজ্যিক পৰ্যায়ত মহাবিদ্যালয়ৰ নাম জিলিকাই তুলিছে। তেওঁলোককো এইচেগতে আমাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে আমাৰ কাৰ্যকালত বহুকেইগৰাকী দৰিদ্ৰ সীমাৰেখাৰ তলৰ শিক্ষাৰ্থীক নামভৰ্তিৰ সময়ত আমাৰ পুজিৰ পৰা আৰ্থিকভাৱে সহায় আগবঢ়াও।
কৃতজ্ঞতা জ্ঞাপনঃ পূব কামৰূপ মহাবিদ্যালয়ত মোৰ চলিত কাৰ্যকালত মোক দিক্‌দৰ্শক হিচাপে আগুৱাই লৈ যোৱা মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক - সন্মানীয় ড° খগেন দাস মহাশয়, প্ৰতি মুহূৰ্তত বিভিন্নধৰণৰ গঠনমূলক উপদেশেৰে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰা মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দক মই শ্ৰদ্ধা নিবেদিছোঁ। মোৰ প্ৰতিটো কাৰ্যত, মোক প্ৰতি সময়তে সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা, ভাৰত স্কাউটছ এণ্ড গাইডৰ সদস্যসমূহ তথা পূব-কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ- ছাত্ৰীকে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মনত এটা ইচ্ছা আছিল, সপোন আছিল আপোন মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কিবা এটা কৰাৰ। সেই সপোন আৰু হেপাহক লগত ৰাখি আগবাঢ়ি গৈছিলোঁ।

সাধাৰণ সম্পাদক হিচাপে কিমানদূৰ সফল হ'ব পাৰিছোঁ নাজানো কিন্তু মহাবিদ্যালয়ৰ উন্নতিৰ বাবে সদাপ্ৰস্তুত আছিলোঁ। মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা সমূহ কৰ্তৃপক্ষক অৱগত কৰি সেই সমস্যাসমূহ কিদৰে সমাধান কৰিব পৰা যাব আলোচনা কৰিছিলোঁ। তাৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালৰ সমূহ সফলতাৰ কৃতিত্ব মই মৰমৰ পূব কামৰূপীয়ানলৈ আগবঢ়ালোঁ।

সদৌ শেষত সম্পাদকীয় তথা কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ক্ৰুতিৰ ক্ষমা-প্ৰাৰ্থনা বিচাৰি প্ৰত্যেকজন পূব কামৰূপীয়ানৰ হিয়াৰ আমঠু পূব কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নয়ন কামনা কৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয়তু পূব কামৰূপ মহাবিদ্যালয়
জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা
জয় আই অসম



# প্ৰিন্স কলিতা

**সহঃ সাধাৰণ সম্পাদক**

২০২২-২৩ বৰ্ষ

প্ৰতিবেদনৰ প্ৰাকক্ষণত মই শ্ৰদ্ধাৰে সুঁৱৰিছো সেই সকল মহান মনিষীক যিসকলৰ অপ্ৰাণ প্ৰচেষ্টা, অশেষ ত্যাগৰ ফলত বৰলুইতৰ উত্তৰ পাৰত শিক্ষাৰ ক্ষেত্ৰত জাকত-জিলিকা আৰু ঐতিহ্যমণ্ডিত সোণালী বৰ্ষ গৰকা পূৱ কামৰূপ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল।

২০২২-২৩ বৰ্ষৰ পূৱ কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত মই সহঃ সাধাৰণ সম্পাদক পদত প্ৰাৰ্থীত্ব আগবঢ়াইছিলো। সমূহ পূৱ কামৰূপীয়ানে গভীৰ আস্থা আৰু বিশ্বাস আগত ৰাখি মোক জয়যুক্ত কৰে আৰু ২০২২ চনৰ ১৬ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ সংবিধান পাঠ কৰি এই গুৰু দায়িত্ব গ্ৰহণ কৰো। এই চেগতে সমূহ পূৱ কামৰূপীয়ানলৈ শত কৌটি প্ৰণাম।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ত ২৩-১১-২২ তাৰিখৰ পৰা ২৫-১১-২০২২ তাৰিখলৈ চৰকাৰৰ নিৰ্দেশ অনুযায়ী লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী পালন কৰাৰ লগতে এখনি ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কাৰ্যকালৰ মধ্যভাগতে ২৪-০১-২০২৩ আৰু ২৫-০১-২০২৩ ইং তাৰিখে NAAC (National Assessment and Accrediation Council) য়ে মহাবিদ্যালয় পৰ্যবেক্ষণ কৰিবলৈ আহে। আমাৰ মহাবিদ্যালয়ে NAAC ৰ গ্ৰেডিং $B^{++}$ গ্ৰেড পাবলৈ সক্ষম হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ৰ লগতে সমূহ শ্ৰদ্ধাৰ অধ্যাপক, অধ্যাপিকা সকলক আমি ছাত্ৰ-সন্থাৰ বিষয়ববীয়া সকলে উল্লেখনীয় দায়িত্ব গ্ৰহণ কৰো।

পূৱ কামৰূপ মহাবিদ্যালয় ২০২২-২৩ বৰ্ষৰ ৪৮ তম্ যুৱ মহোৎসৱত অইন বাৰৰ দৰে সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত কৰাৰ লগতে প্ৰতিটো কাৰ্যসূচী জাক-জমকতাৰে অনুষ্ঠিত কৰা হয়। ছাত্ৰ সন্থা সমন্বিতে যুৱ মহোৎসৱটি চলাই নিয়াত আমাক দিহা-পৰামৰ্শ প্ৰদান কৰা প্ৰতিজন শিক্ষাগুৰুলৈ মই শ্ৰদ্ধা ও ধন্যবাদ জ্ঞাপন কৰিছো।

যিহেতু সহঃ সাধাৰণ সম্পাদকৰ নিৰ্দিষ্ট দায়িত্ব নাথাকে গতিকে প্ৰতিটো কাৰ্যসূচীতে সাধাৰণ সম্পাদকৰ লগতে সম্পাদক-সম্পাদিকা সকলক সহায় সহযোগিতা আগবঢ়াইছিলো। জানুৱাৰী মাহৰ ২৬ তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সৰস্বতী পূজাত যুটীয়া সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি পূজাখন সফলতাৰে সম্পন্ন কৰিবলৈ চেষ্টা কৰো। ইয়াৰ পিছতে জুন মাহৰ ১৯ তাৰিখে মিলাদ-ই-মেহফিলৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সফলতাৰে উদ্‌যাপন কৰিবলৈ সক্ষম হওঁ।

অইন বৰ্ষবোৰৰ দৰে ছেপ্তেম্বৰ মাহৰ ১৫ তাৰিখে মহাবিদ্যালয়ৰ চ'ৰাঘৰ শুৱনি কৰা নৱাগত সকলক আনুষ্ঠানিকভাৱে আদৰণি জনাওঁ। অনাগত দিনত তেওঁলোকে মহাবিদ্যালয়খন আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মই আশাবাদী। নৱেম্বৰ মাহৰ ১ তাৰিখৰ পৰা ৫ তাৰিখলৈ অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত ২ নৱেম্বৰ তাৰিখে সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা ভাগ লোৱা হয় আৰু প্ৰতিযোগিতাত তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। অন্য প্ৰতিযোগীতাবোৰতো বিভাগীয় সম্পাদ-সম্পাদিকা সকলক সহায় সহযোগিতা আগবঢ়াওঁ।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিছাৰিছো। পূপ কামৰূপ মহাবিদ্যালয়ৰ গৰিমা সদায় অটুট থাকক তাৰেই কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

ধন্যবাদ—

।। জয়তু পূব কামৰূপ মহাবিদ্যালয়।।

।। জয়তু পূৱ কামৰূ মহাবিদ্যালয় ছাত্ৰ সন্থা।।



## ইমৰাজ খান

আলোচনী সম্পাদক
২০২২-২৩ বৰ্ষ

'জীৱনৰ ৰূপ কেতিয়াবা সুন্দৰ
কেতিয়াবা ভয়ংকৰ।
জীৱনৰ এই ৰূপ সত্য ৰূপত দেখিবলৈ
আমাৰ দৃষ্টি হ'ব লাগিব
প্ৰখৰ আৰু নিৰ্মল।'

— হোমেন বৰগোহাঞি।

প্ৰতিবেদনৰ আৰম্ভণিতে সুঁৱৰিছো সেইসকল মহান তথা প্ৰতাপী ব্যক্তিত্বক, যিসকলৰ অক্লান্ত পৰিশ্ৰম, আশাসুধীয়া প্ৰচেষ্টা আৰু ত্যাগৰ ফলস্বৰূপে আমাৰ পূব কামৰূপ মহাবিদ্যালয়খন এখন সোণোৱালী বৰ্ষ গৰকা মহাবিদ্যালয়ত পৰিণত হ'বলৈ সক্ষম হৈছে।

কঠোৰ প্ৰচেষ্টাৰ ফলত গঢ় লৈ উঠা মহাবিদ্যালয়খনৰ হকে মোৰো কিবা এটা কৰাৰ উদ্দেশ্যেৰে ২০২২-২৪ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত মই আলোচনী সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত প্ৰতিদ্বন্দিতা আগবঢ়াই সমূহ পূবকামৰূপীয়ন সকলৰ মৰম আৰু আশীৰ্বাদেৰে ২২ অক্টোবৰৰ দিনাখন বিপুল ভোটেৰে বিজয়ী হ'বলৈ সক্ষম হওঁ। সহজ নাছিলে মোৰ বাবে নিজকে আলোচনী বিভাগৰ সম্পাদক হিচাপে প্ৰতিষ্ঠা কৰা। যাৰ ওপৰত নিৰ্ভৰ হৈ আছিলে সমূহ পূব কামৰূপীয়ানসকলৰ আশা। ইয়ৰ উপৰিও মোক এইকণ সুযোগ দিয়াৰ কাৰণে মই সদায়ে প্ৰিয় পূব কামৰূপীয়ানৰ ওচৰত চিৰকৃতজ্ঞ।

নিৰ্বাচনত জয়ী হোৱাৰ প্ৰায় দুসপ্তাহমান পিছত ১৬ নৱেম্বৰ, ২০২২ তাৰিখে সন্মানীয় অধ্যক্ষ মহোদয় ড° ভূপেন কুমাৰ শৰ্মা ছাৰৰ সভাপতিত্বত আৰু উপাধ্যক্ষ শ্ৰীনাৰায়ণ গোস্বামী ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাবৃন্দৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাখনত আমি মহাবিদ্যালয়ৰ সংবিধানক সাক্ষী কৰি ২০২২-২৩ শিক্ষা বৰ্ষৰ ছাত্ৰ-সন্থাৰ আলোচনী বিভাগৰ সম্পাদক পদৰ দায়িত্বভাৰ গ্ৰহণ কৰো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত ২০২৩ বৰ্ষৰ আৰম্ভণিতে NAAC (National Assessment Accreditation Council) ৰ পৰিদৰ্শন হয়। য'ত যথেষ্টখিনি কষ্ট আৰু ত্যাগৰ ফলত আমাৰ মহাবিদ্যালয়খনে B++ (CGPA2.87) পাবলৈ সক্ষম হওঁ।

ইয়াৰ পিছত আৰম্ভ হয় ৪৮ সংখ্যক 'মহাবিদ্যালয় যুৱ মহোৎসৱ' য'ত আলোচনী বিভাগৰ তৰফৰ 'সাহিত্য আৰু সুকুমাৰ' কলাৰ বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়খনৰ হকে আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হৈছে মহাবিদ্যালয়খনৰ আলোচনীৰ নামকৰণ। য'ত আলোচনী বিভাগৰ তত্বাৱধায়ক ড° নয়নমণি বৰুৱা বাইদেউ আৰু সম্পাদনা সমিতিৰ সহযোগত সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে আমি মহাবিদ্যালয়খনৰ আলোচনীৰ নাম 'পূবেৰুণ' ৰাখিবলৈ একমতত উপনীত হওঁ।

এক নতুন পদ্ধতি অৰ্থাৎ মহাবিদ্যালয়ৰ আলোচনীৰ বাবে এক গুৰুত্বপূৰ্ণ কাম য'ত আমি আলোচনী সম্পাদনা সমিতিৰ সহায়ত ই-মেইল পদ্ধতিৰ অৱলম্বন কৰা হয়। যাতে সকলো ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাই সহজতেই লেখাসমূহ জমা দিবলৈ সক্ষম হয়।

'পূবেৰুণ' আলোচনীখনিৰ সকলো দিশতে মোক গঠনমূলক পৰামৰ্শ আগবঢ়োৱাৰ লগতে মোক সাহিত্যৰ প্ৰতি উৎসাহিত কৰা বিভাগীয় তত্বাৱধায়ক ড° নয়নমণি বৰুৱা বাইদেউক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। তেখেতৰ সান্নিধ্যই মোক দিলে বিশেষ এটি অক্লান্ত মন আৰু কৰ্মৰ প্ৰতি নিষ্ঠা।

মহাবিদ্যালয়ৰ আলোচনীখনিৰ প্ৰকাশৰ বাবে মোক প্ৰতিটো কামতে পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা পূব কামৰূপ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মা মহোদয়,

মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ পৰা বৰ্তমান সময়লৈকে প্ৰতিটো দিশত মোক উৎসাহ আৰু সহযোগিতাৰে অনুপ্ৰাণিত কৰা শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাসকলক ড° দীপক কোঁৱৰ, ড° নিৰ্মল ৰঞ্জন মজুমদাৰ, সন্মানীয় কল্পনা ভাগৱতী, সন্মানীয় মণ্টু শইকীয়া, ড° ধীৰেণ বড়ো, ড° বিপুল ডেকা, ড° বৰ্ণালী ডেকা বাইদেউ লগতে সম্পাদনা সমিতিৰ সন্মানীয় সদস্যবৃন্দ আৰু ছাত্ৰ আছিক আলী, প্ৰাক্তন আলোচনী সম্পাদিকা ক্ৰমে ৰক্তিমা দত্ত, ভাষ্যতি শৰ্মা, নিপ দাদা (মহাবিদ্যালয় প্ৰেছ), জীতেন দাদা, আব্দুল মজিদ আলী (তৰ্ক আৰু আলোচনা সম্পাদক) আদি সকলোৰে ওচৰত মই বিশেষভাৱে কৃতজ্ঞ। ইয়াৰ উপৰিও বিভিন্ন সময়ৰ প্ৰতিযোগিতাসমূহ পৰিচালনা কৰা বিচাৰকসকল আৰু বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান পৰিচালনাত মোক হাত আগবঢ়োৱা বন্ধুবৰ্গলৈ ধন্যবাদ জনালোঁ।

মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ বাবে লেখা আগবঢ়ায় এই আলোচনীখনৰ গুণগত মান উন্নীত কৰাৰ বাবে সমূহ লেখক-লেখিকালৈ ধন্যবাদ জনালোঁ। এইখিনিতে ক্ষমা বিচাৰিছোঁ তেখেত সকলৰ ওচৰত যিসকলৰ লেখা আমি প্ৰকাশ কৰিব নোৱাৰিলোঁ। প্ৰেছৰ কৰ্মকৰ্তাসকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও মোৰ অজানিতে কিবা ভুল-ভ্ৰান্তি হয় তেন্তে মই সকলোৰে ওচৰতে ক্ষমা বিচাৰিছোঁ।

শেষত আমি যুঁজিম আপোন মহাবিদ্যালয়খনৰ হকে, আমি মৰিব পাৰিম আপোন মহাবিদ্যালয়খনৰ কাৰণে।

জয়তু পূব কামৰূপ মহাবিদ্যালয়।

জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সমাজ।

জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা।

তলত আলোচনী বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত হোৱা ভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহৰ ফলাফলসমূহ উল্লেখ কৰা হ'ল—

**অণুগল্প লিখা (থিতাতে)**

প্ৰথম স্থান — নিদুস্মিতা ডেকা, ষষ্ঠ যাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় স্থান — কৌশিক ডেকা, চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ
ৰক্তিমা দত্ত, ষষ্ঠ যাণ্মাসিক, ইংৰাজী বিভাগ
তৃতীয় স্থান — আছিক আলী, চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ
তৃষ্ণামণি দাস, চতুৰ্থ যাণ্মাসিক, শিক্ষা বিভাগ

**ৰস ৰচনা**

প্ৰথম স্থান — আছিক আলী, চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ
দ্বিতীয় স্থান — কৌশিক ডেকা, চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ
তৃতীয় স্থান — অনন্যা বৰদলৈ, ষষ্ঠ যাণ্মাসিক, ইংৰাজী বিভাগ

**কবিতা লিখা**

প্ৰথম স্থান — আছিক আলী, চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ
দ্বিতীয় স্থান — অনিমা বেগম, দ্বিতীয় যাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ
তৃতীয় স্থান — কৌশিক ডেকা, চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ

**গ্ৰন্থ সমালোচনা**

দ্বিতীয় স্থান — আছিক আলী, চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ

**লিখিত কুইজ**

প্ৰথম স্থান — জগদীশ দাস, দ্বিতীয় যাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ
দ্বিতীয় স্থান — পূজা ডেকা, ষষ্ঠ যাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ
কপিল দেৱ গোস্বামী, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)
তৃতীয় স্থান — মৌচুমী বেগম, চতুৰ্থ যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ
হিমানী কলিতা, চতুৰ্থ যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

**একাংকিকা নাট**

প্ৰথম স্থান — দিশান্ত নাথ, দ্বিতীয় যাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় স্থান — নিদুস্মিতা ডেকা, ষষ্ঠ যাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ
তৃতীয় স্থান — আছিক আলী, চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ

**বাতৰি লিখন প্ৰতিযোগিতা**

প্ৰথম স্থান — মৌচুমী কলিতা, দ্বিতীয় ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — তৃষ্ণামণি দাস, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ

তৃতীয় স্থান — পূজা ডেকা, ষষ্ঠ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

**একক প্ৰবন্ধ**

প্ৰথম স্থান — আছিক আলী, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

**ভ্ৰমণ সাহিত্য**

প্ৰথম স্থান — আকাংক্ষা কলিতা, ষষ্ঠ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — নিদুস্মিতা ডেকা, ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

তৃতীয় স্থান — পূজা ডেকা, ষষ্ঠ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

**সম্পাদকলৈ চিঠি**

প্ৰথম স্থান — আছিক আলী, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

দ্বিতীয় স্থান — ৰক্তিমা দত্ত, ষষ্ঠ ষাণ্মাসিক, ইংৰাজী বিভাগ

তৃতীয় স্থান — পূজা ডেকা, ষষ্ঠ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

উদগণিমূলক — তন্ময়ী ডেকা, দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

**ক'লাজ প্ৰতিযোগিতা**

প্ৰথম স্থান — জগদীশ দাস, দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

নিচুকণি — চিৰঞ্জীৱ কলিতা, দ্বিতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ

**চিত্ৰাংকণ প্ৰতিযোগিতা**

প্ৰথম স্থান — হৃদয় শৰ্মা, চতুৰ্থ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — দিক্ষীতা শৰ্মা, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ

তৃতীয় স্থান — চিৰঞ্জীৱ কলিতা, দ্বিতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ
ধৃতিমা কাকতি, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
প্ৰীতিৰাণী ডেকা, ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

**পোষ্টাৰ প্ৰতিযোগিতা**

প্ৰথম স্থান — ধৃতিমান কাকতি, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — চিৰঞ্জীৱ কলিতা, দ্বিতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ

তৃতীয় স্থান — চন্দ্ৰিমা কুমাৰ, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

**ক্লে ম'ডেলিং প্ৰতিযোগিতা**

প্ৰথম স্থান — হৃদয় শৰ্মা, চতুৰ্থ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — হিয়ামিলি ডেকা, দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

তৃতীয় স্থান — জগদীশ দাস, দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ
টিনামণি ডেকা, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ

**কাৰ্টুন প্ৰতিযোগিতা**

প্ৰথম স্থান — জগদীশ দাস, দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — নিদুস্মিতা ডেকা, ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

নিচুকণি — ভাষ্যতি শৰ্মা, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

**ফটোগ্ৰাফী প্ৰতিযোগিতা**

প্ৰথম স্থান — কৰিশ্মা ৰাজবংশী, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ

দ্বিতীয় স্থান — নিহাৰিকা কৌশিক, চতুৰ্থ ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

তৃতীয় স্থান — তৃষ্ণামণি দাস, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ

উদগণি — কনক দাস, চতুৰ্থ ষাণ্মাসিক, পৰিসংখ্যা বিজ্ঞান বিভাগ
হৃদয় প্ৰকাশ শিৰম, চতুৰ্থ ষাণ্মাসিক, ইতিহাস বিভাগ

**উপন্যাসিকা প্ৰতিযোগিতা (পাণ্ডুলিপি)**

দ্বিতীয় স্থান — আছিক আলী, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

তৃতীয় স্থান — ভাষ্যতি শৰ্মা, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
ৰক্তিমা দত্ত, ষষ্ঠ ষাণ্মাসিক, ইংৰাজী বিভাগ

**চুটিগল্প প্ৰতিযোগিতা**

প্ৰথম স্থান — আকাংক্ষা কলিতা, ষষ্ঠ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — নিদুস্মিতা ডেকা, ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

তৃতীয় স্থান — নিহাৰিকা কাশ্যপ, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
মধুস্মিতা, দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

**এক মিনিটৰ গল্প প্ৰতিযোগিতা**

দ্বিতীয় স্থান — তৃষ্ণামণি দাস, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ
ভাষ্যতি শৰ্মা, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

তৃতীয় স্থান — আছিক আলী, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ
অনন্যা বৰদলৈ, ষষ্ঠ ষাণ্মাসিক, ইংৰাজী বিভাগ
কৌশিক ডেকা, চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ

**নীলা খামৰ চিঠি প্ৰতিযোগিতা**

প্ৰথম স্থান — দীক্ষিতা গোস্বামী, ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — বিদিশা দেৱী, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
আকাংক্ষা কলিতা, ষষ্ঠ ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

তৃতীয় স্থান — তৃষ্ণামণি দাস, চতুৰ্থ ষাণ্মাসিক, শিক্ষা বিভাগ
ৰক্তিমা দত্ত, ষষ্ঠ ষাণ্মাসিক, ইংৰাজী বিভাগ

**অনূদিত গল্প প্ৰতিযোগিতা**

প্ৰথম স্থান — নিদুস্মিতা ডেকা, ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

দ্বিতীয় স্থান — ভাষ্যতি শৰ্মা, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
আছিক আলী, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

তৃতীয় স্থান — নিহাৰিকা কাশ্যপ, দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ
অনন্যা বৰদলৈ, ষষ্ঠ ষাণ্মাসিক, ইংৰাজী বিভাগ

**পত্ৰলিখা প্ৰতিযোগিতা**

দ্বিতীয় স্থান — আছিক আলী, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ
ভাগ্যশ্ৰী দেৱী, চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

তৃতীয় স্থান — জগদীশ দাস, দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ

**প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা**

প্ৰথম — প্ৰাণী বিজ্ঞান বিভাগ (বিহঙ্গম)

দ্বিতীয় — ইতিহাস বিভাগ (ঐতিহ্য)
শিক্ষা বিভাগ (কৰ্ষণ)

তৃতীয় — অসমীয়া বিভাগ (ৱীক্ষণ)
কম্পিউটাৰ বিজ্ঞান বিভাগ (Episteme)

উদগণিমূলক — পদাৰ্থ বিজ্ঞান বিভাগ (কোৱাণ্টাম)
ইংৰাজী বিভাগ (Echo)




## সীমা বড়ো

**সাংস্কৃতিক সম্পাদিকা**

২০২২-২৩ বৰ্ষ


পোনপ্ৰথমে পূব কামৰূপ মহাবিদ্যালয়ৰ সৃষ্টিৰ আঁৰত থকা সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা নিবেদিছোঁ, যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ ফলত পূব কামৰূপ মহাবিদ্যালয়ৰ জন্ম হৈছিল।

যোৱা ২০২২-২৩ বৰ্ষৰ ২২ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ত হৈ যোৱা ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত মই সীমা বড়োই সাংস্কৃতিক সম্পাদকৰ পদটিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই উক্ত পদটিত নিৰ্বাচিত হৈছিলোঁ।

পূব কামৰূপ মহাবিদ্যালয় কামৰূপ জিলাৰ অন্তৰ্গত এখন গৌৰৱময় মহাবিদ্যালয়। পূব কামৰূপ মহাবিদ্যালয় শিক্ষাৰ উপৰি সাংস্কৃতিক দিশটোতো যথেষ্ট আগবঢ়া। এইখিনিতে মই পূব কামৰূপ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোৰ ভেটি স্থাপন কৰা মহান ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পাছৰে পৰা মহাবিদ্যালয়খনিৰ পৰিৱেশে মোক সঁচাই আকৰ্ষণ কৰি তুলিছিল। আৰু ইয়াৰ সাংস্কৃতিক পৰিৱেশ দেখি মোৰ মনত এটি হাবিয়াস জন্মি গৈছিল যে মই এই মহাবিদ্যালয়খনিত সাংস্কৃতিক দিশটোত প্ৰতিনিধিত্ব আগবঢ়াই সাংস্কৃতিক দিশটো আৰু আগুৱাই নিম। আৰু সেয়া মোৰ বাবে বাস্তৱত পৰিণত হৈছিল। মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ মৰম, উৎসাহ আৰু আশীৰ্বাদ, মহাবিদ্যালয়ৰ প্ৰত্যেকজন কৰ্মকৰ্তাৰ স্নেহ, উৎসাহদায়ক মন্তব্য আৰু মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ প্ৰেৰণা আৰু সমৰ্থনৰ ফলত মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনৰ সাংস্কৃতিক সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত নিৰ্বাচিত হৈছিলোঁ।

ইয়াৰ লগতে মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক ড° হৰেকৃষ্ণ হালৈ ছাৰে মোক বহুতো দিহা-পৰামৰ্শ দিয়াৰ লগতে হাতে-কামেও মোক সম্পূৰ্ণ সহযোগ কৰিছিল। এই ছেগতে মই ছাৰলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয়ত যুৱ মহোৎসৱ অনুষ্ঠিত হয়। এই মহোৎসৱৰ সকলোতকৈ মনোমোহা অনুষ্ঠান হৈছে সাংস্কৃতিক শোভাযাত্ৰা। ২০২২-২৩ বৰ্ষৰ যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়, সেয়া হৈছে সাংস্কৃতিক শোভাযাত্ৰা। ইয়াৰ পাছতেই মহাবিদ্যালয়ৰ সকলোৰে সুবিধাৰ বাবে ১৩ ফেব্ৰুৱাৰী, ২০২৩ৰ পৰা মহাবিদ্যালয় যুৱ মহোৎসৱৰ প্ৰথমদিনা অনুষ্ঠিত হৈছিল সাংস্কৃতিক শোভাযাত্ৰা। মহাবিদ্যালয়ৰ সকলোৰে সহায়-সহযোগিতাৰ ফলত সেইদিনা অতি সুকলমে পাৰ হৈছিল। তাৰ পৰৱৰ্তী দিনৰ পৰাই ক্ৰমে সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছিল। প্ৰতিযোগিতাসমূহ আছিল— আধুনিক নৃত্য, বিহু নৃত্য, শাস্ত্ৰীয় নৃত্য, একক অভিনয়, কৌতুক, মুখাভিনয়, ভেশচন প্ৰতিযোগিতা।

মহাবিদ্যালয় যুৱ মহোৎসৱৰ সফল সামৰণিত সহায়-সহযোগিতা আগবঢ়োৱা পূব কামৰূপ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ তথা সমূহ পূব কামৰূপীয়ানক এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ প্ৰতিটো কাৰ্যত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ সন্থাৰ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ত যদি অজানিতে কিবা ভুল-ভ্ৰান্তি হৈছিল তেন্তে মই শিক্ষাগুৰুসকলৰ লগতে সমূহ পূব কামৰূপীয়ানৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। শেষত মই মোৰ আপোন মহাবিদ্যালয়খনৰ প্ৰতিটো দিশতে উন্নতি সাধন কৰাৰ লগতে সাংস্কৃতিক দিশটোও উচ্চ পৰ্যায়লৈ আগুৱাই যাব বুলি আশা ৰাখিলোঁ।

ধন্যবাদ—

জয়তু পূব কামৰূপ মহাবিদ্যালয়

জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা

তলত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত হোৱা ভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহৰ ফলাফলসমূহ উল্লেখ কৰা হ'ল—

**বিহু নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ চাইনি দেৱী
দ্বিতীয় ঃ জ্যোস্না ডেকা
তৃতীয় ঃ বিদিশা হাজৰিকা

**শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ তন্ময়ী ডেকা
দ্বিতীয় ঃ নিকিতা ডেকা

**একক অভিনয় ঃ**

প্ৰথম ঃ নিহাৰিকা চৌধুৰী
দ্বিতীয় ঃ চয়নিকা কলিতা
তৃতীয় ঃ কৰিশ্মা ৰাজবংশী

**কৌতুক ঃ**

প্ৰথম ঃ কিশোৰ কুমাৰ শৰ্মা
দিশান্ত নাথ
দ্বিতীয় ঃ জগদীশ দাস

**মূকাভিনয় ঃ**

প্ৰথম ঃ চয়নিকা কলিতা

**একক নৃত্য ঃ**

প্ৰথম ঃ তন্ময়ী ডেকা
দ্বিতীয় ঃ নিকিতা ডেকা
তৃতীয় ঃ অনন্যা দাস
সুস্মিতা কলিতা

**দলীয় নৃত্য ঃ**

প্ৰথম ঃ ৰূপাস্মিতা ডেকা
সৃষ্টি নাথ
ভায়লীনা নাথ
*প্ৰাণী বিজ্ঞান বিভাগ*

দ্বিতীয় ঃ বৰষা ৰাণী কুমাৰ
হিয়ামণি চুলতানা
ৰিমি বেগম
চকাম চেহনাজ
বন্তিশিখা নাথ
পূজা কলিতা
*উদ্ভিদ বিজ্ঞান বিভাগ*

তৃতীয় ঃ শিৱানী ডেকা
দিক্ষা কলিতা
বিপাশা ডেকা
ৰশ্মি শৰ্মা
হীমাক্ষি ডেকা
ৰিপশিখা ডেকা
*ৰাজনীতি বিজ্ঞান বিভাগ*

**ভেশচন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ নিহাৰিকা কাশ্যপ (বুঢ়ীৰ ভাওত)
দ্বিতীয় ঃ তৃষ্ণামণি দাস (খেতিপথাৰৰ শ্ব')
তৃতীয় ঃ চম্পক নাথ (কুৰবানৰ ভাওত)



## দীপজ্যোতি ডেকা

**সংগীত সম্পাদক**

২০২২-২৩ বৰ্ষ

"গীতং কাব্যং তথা নৃত্যং ত্ৰমং সংগীতমুচ্যতে" — সংগীত ৰত্নাকৰ

প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল মহান ব্যক্তিক যিসকল ব্যক্তিৰ কঠোৰ পৰিশ্ৰম, আত্মবলিদান তথা আশাশুধীয়া প্ৰচেষ্টাৰ বলত মহাবাহু বৰলুইতৰ উত্তৰ পাৰত গঢ়ি উঠে শিক্ষাৰ মন্দিৰ পূৰ কামৰূপ মহাবিদ্যালয়। ইয়াৰ লগে লগে পূৰ কামৰূপ মহাবিদ্যালয়ৰ সাংগীতিক দিশটোৰ ভেটি স্থাপন কৰা মহান ব্যক্তিসকলকো সশ্ৰদ্ধ প্ৰণাম জনাইছো।

মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পাচৰে পৰা মহাবিদ্যালয়খনিৰ সুস্থ পৰিৱেশে মোক সঁচাই আকৰ্ষণ কৰি আহিছিল আৰু ইয়াৰ সাংগীতিক পৰিৱেশ দেখি মোৰ মনটো হাবিয়াস জন্মিছিল যে এই মহাবিদ্যালয়খনিত সংগীত বিভাগত প্ৰতিনিধিত্ব আগবঢ়াই সংগীতৰ যাত্ৰাক আগবঢ়াই নিম। মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ মৰম, উৎসাহ আৰু আশীৰ্বাদৰ লগতে মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে দিয়া প্ৰেৰণা আৰু সমৰ্থনৰ ফলত মোৰ সেই আশা বাস্তৱত পৰিণত হৈ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত আক্টোবৰ তাৰিখে প্ৰতিদ্বন্দিতা আগবঢ়াই সকলোৰে বিপুল সঁহাৰিত এই পদত জয়যুক্ত হ'বলৈ সমৰ্থ হৈছিলো।

আমি সমূহ ছাত্ৰ সন্থাৰ বিষয়ববীয়াই কাৰ্যভাৰ গ্ৰহণ কৰাৰ লগে লগে মই মোৰ বিভাগীয় তত্বাৱধায়ক শ্ৰদ্ধাৰ অবিনাশ নেওগ ছাৰৰ নিৰ্দেশমৰ্মে সংগীত বিভাগৰ ক্ষেত্ৰখনত কাম কৰিবলৈ উঠি-পৰি লাগিলো।

সামৰণিত মোৰ কাৰ্যকালত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা সংগীত তত্ত্বৱধায়ক অবিনাশ নেওগ ছাৰ, মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

তলত সংগীত বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত হোৱা ভিন ভিন শিতানৰ প্ৰতিযোগিতাসমূহৰ ফলাফলসমূহ উল্লেখ কৰা হ'ল—

বৰগীত—
১। বৰষা তালুৰদাৰ
২। কৰিশ্মা ৰাজবংশী
৩। সমৰজ্যোতি নাথ

জয়ন্ত হাজৰিকাৰ গীত—
১। মানসী ডেকা
২। সমুজ্জ্বল কাশ্যপ
৩। সমীৰণ কলিতা

লোকগীত—
১। বৰষা তালুকদাৰ
২। মানসী ডেকা, সুৰশ্ৰী বৰুৱা
৩। পাৰ্থপ্ৰতিম ডেকা

ভূপেন্দ্ৰ সংগীত—
১। মানসী ডেকা
২। জীমণি নাথ
৩। সাধনা দেৱী

আধুনিক গীত—
১। পাৰ্থপ্ৰতিম ডেকা
২। নিবাৰণ জ্যোতি বৰ্মন
৩। জীমণি নাথ, সুৰশ্ৰী বৰুৱা

ৰাভা সংগীত—
১। সাধনা দেৱী
২। মানসী ডেকা, বৰষা তালুকদাৰ
৩। নিবাৰণ জ্যোতি বৰ্মন, জীমণি নাথ

জ্যোতি সংগীত—
১। ৰেচমা বেগম
২। মানসী ডেকা
৩। সাগৰিকা নাথ

সমবেত সংগীত—
১। ইংৰাজী বিভাগ
২। শিক্ষা বিভাগ
৩। অৰ্থনীতি বিভাগ

শ্ৰেষ্ঠ গায়িকা ঃ মানসী ডেকা

"জয়তু পূৰ কামৰূপ মহাবিদ্যালয়
জয়তু পূৰ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ।"



## আব্দুল মজিদ আলী

**সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ**
২০২২-২৩ বৰ্ষ

'তৰ্কৰ সাগৰত আজি উঠিছে যুক্তিৰ ঢৌ,
হেৰুৱাবা যুক্তিত প্ৰাণ।
সাহস আছে যদি দিবা প্ৰাসংগিক তথ্য,
বাস্তৱিকতা নহ'লেও নাই তোমাৰ মান।'

জয় জয়তে মই শ্ৰদ্ধাৰে সুঁৱৰিছো সেই সকল মহান খনিকৰক, যাৰ অক্লান্ত পৰিশ্ৰম, আত্মবলিদান, সীমাহীন ত্যাগৰ ফলত, গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত বিদ্যামন্দিৰ 'পূৰ-কামৰূপ মহাবিদ্যালয়' প্ৰতিষ্ঠা হৈছিল।

পোন প্ৰথমে মই পূৰ কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আপোনালোকৰ সহায়-সহযোগিতা আৰু বিশ্বাসৰ বাবে আমি ২২ অক্টোবৰ, ২০২২ তাৰিখে, ২০২২-২৩ শিক্ষাবৰ্ষৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলো আৰু আমাৰ ওপৰত বিশ্বাস ৰাখি তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদৰ বাবে আপোনালোকে আমাক যোগ্য বুলি বিবেচনা কৰি নিৰ্বাচিত কৰিলে। এই দায়িত্ব গ্ৰহণৰ সুযোগ দিয়াৰ বাবে পূৰ কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সৈতে মই, মই হৈ নহয় আমি হৈ কাম কৰি যাম বুলি প্ৰতিজ্ঞাবদ্ধ হওঁ আৰু আমি পূব কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম।

নিৰ্বাচনত জয়ী হোৱাৰ প্ৰায় দুসপ্তাহমান পিছত ১৬ নৱেম্বৰ, ২০২২ তাৰিখে সন্মানীয় অধ্যক্ষ মহোদয় ড° ভূপেন কুমাৰ শৰ্মা ছাৰৰ সভাপতিত্বত আৰু উপাধ্যক্ষ শ্ৰীযুত নাৰায়ণ গোস্বামী ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাবৃন্দৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাখনত আমি মহাবিদ্যালয়ৰ সংবিধানৰ সাক্ষী কৰি ২০২২-২৩ শিক্ষাবৰ্ষৰ ছাত্ৰ সন্থাৰ 'তৰ্ক আৰু আলোচনা চক্ৰ'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰো।

ইয়াৰ পিছত বিগত বৰ্ষৰ দৰে ১৩ ৰ পৰা ১৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখলৈ পূৰ কামৰূপ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক যুৱ মহোৎসৱৰ আয়োজন কৰা হয়। য'ত আমি পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিভিন্নধৰণৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰো।

**পূৰ কামৰূপ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক যুৱ মহোৎসৱত 'তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ'ৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতাৰ ফলাফলসমূহ—**

**১। তৰ্ক প্ৰতিযোগিতা ঃ তাৰিখ ঃ ১৪/০২/২০২৩**

**শ্ৰেষ্ঠ তাৰ্কিক ঃ** কপিল দেৱ গোস্বামী (উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক)।

**প্ৰথম স্থান ঃ** অনন্যা বৰদলৈ, ষষ্ঠ যান্মাসিক (ইংৰাজী বিভাগ)।

**দ্বিতীয় স্থান ঃ** মৃন্ময় শৰ্মা, দ্বিতীয় যান্মাসিক (ভূগোল বিজ্ঞান বিভাগ)।

**তৃতীয় স্থান ঃ** (যুটীয়া ভাৱে), নম্ৰতা প্ৰীতম গোস্বামী, ষষ্ঠ যান্মাসিক (উদ্ভিদ বিজ্ঞান বিভাগ)। দীক্ষিতা গোস্বামী, ষষ্ঠ যান্মাসিক (ৰাসায়ন বিজ্ঞান বিভাগ)।

**২। কুইজ প্ৰতিযোগিতা ঃ তাৰিখ ঃ ১৫/০২/২০২৩**

**প্ৰথম স্থান ঃ** ৰাসায়ন বিজ্ঞান বিভাগৰ সাৰাংগ চহৰীয়া (দ্বিতীয় ষান্মাসিক)। নিপন ডেকা (চতুৰ্থ ষান্মাসিক)। হৃষিকেশ ডেকা (দ্বিতীয় ষান্মাসিক)।

**দ্বিতীয় স্থান ঃ** কিশোৰ কুমাৰ শৰ্মা (দ্বিতীয় ষান্মাসিক), কংকনা ডেকা (দ্বিতীয় ষান্মাসিক), কপিল দেৱ গোস্বামী (উচ্চতৰ মাধ্যমিক)।

**তৃতীয় স্থান ঃ** উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ প্ৰজ্বালিকা বৰা, সোণতৰা ৰাজবংশী।

**৩। আকস্মিক বক্তৃতা প্ৰতিযোগিতা ঃ তাৰিখ ঃ ১৫/০২/২০২৩**

**প্ৰথম স্থান ঃ** দৃষ্টিৰাজ ক্ষত্ৰিয় (ৰাজনীতি বিজ্ঞান বিভাগ), (বিষয় ঃ কভিড-১৯)

**দ্বিতীয় স্থান ঃ** ঋষিতা কলিতা (দ্বিতীয় ষান্মাসিক) (ইতিহাস বিভাগ)। (বিষয় ঃ সময়)

**তৃতীয় স্থান ঃ** ৰেকিবুৰ ৰহমান (ষষ্ঠ ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ) (বিষয় ঃ NAAC), হিয়ামিলি ডেকা (দ্বিতীয় ষান্মাসিক, ভূগোল বিজ্ঞান বিভাগ) (বিষয় ঃ ৰেডিঅ')

**৪। স্ব-ৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ তাৰিখ ঃ ১৫/০২/২০২৩**

**প্ৰথম স্থান ঃ** তন্ময়ী ডেকা, দ্বিতীয় ষান্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)।

**দ্বিতীয় স্থান ঃ** কপিল দেৱ গোস্বামী (উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক), হিয়ামিলি ডেকা, দ্বিতীয় ষান্মাসিক (ভূগোল বিজ্ঞান বিভাগ)।

**তৃতীয় স্থান ঃ** অন্যান্য বৰদলৈ, ষষ্ঠ ষান্মাসিক (ইংৰাজী বিভাগ)।

**বিচাৰকৰ বিশেষ বঁটা ঃ** নিদুস্মিতা ডেকা, ষষ্ঠ ষান্মাসিক (উদ্ভিদ বিজ্ঞান বিভাগ)।

কিছুদিন পিছত, ১১ মাৰ্চ, ২০২৩ তাৰিখে নেৰিম গ্ৰুপ অফ ইনষ্টিটিউচনত আন্তঃ মহাবিদ্যালয় সদৌ অসম ভিত্তিত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত পূব কামৰূপ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি (আব্দুল মজিদ আলী) বিচাৰকৰ বিশেষ বঁটা পাবলৈ সক্ষম হয়। পোন প্ৰথমবাৰৰ বাবে তৰ্কৰ ক্ষেত্ৰখনত সৰুকৈ হ'লেও কিবা এটা পূব কামৰূপ মহাবিদ্যালয়ৰ হৈ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত নথৈ আনন্দিত হৈছো।

এনেদৰেই পূব কামৰূপ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সকলৰ অংশগ্ৰহণ নিশ্চিত কৰোঁ আৰু তাৰ ভিতৰত লাভ কৰা ফলাফলসমূহ ঃ

১) তাৰিখ ঃ ০৪ জুন, ২০২৩

স্থান ঃ পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ (আইনষ্টাইন একাডেমী, বাইহাটা চাৰিআলিৰ উদ্যোগত)।

প্ৰতিযোগিতা ঃ সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা।

ফলাফল ঃ যুটীয়াভাৱে দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক লাভ— কিশোৰ কুমাৰ শৰ্মা (দ্বিতীয় ষান্মাসিক, বি. এচ. চি. সাধাৰণ পাঠ্যক্ৰম) আৰু কপিল দেৱ গোস্বামী (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, কলা শাখা)।

২) তাৰিখ ঃ ২০ জুন, ২০২৩

স্থান ঃ পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ (নতুন ৰেঙণি চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানত)।

প্ৰতিযোগিতা ঃ নিৰ্বাচিত কবিতা আবৃত্তি প্ৰতিযোগিতা।

ফলাফল ঃ প্ৰথম স্থান লাভ— তন্ময়ী ডেকা, দ্বিতীয় ষান্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)।

দ্বিতীয় স্থান লাভ— কিশোৰ কুমাৰ শৰ্মা, দ্বিতীয় ষান্মাসিক (বি. এচ. চি. সাধাৰণ পাঠ্যক্ৰম)

৩) তাৰিখ ঃ ২৪ জুন, ২০২৩

স্থান ঃ বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় (মহাৰজত জয়ন্তী উপলক্ষে)।

প্ৰতিযোগিতা ঃ সদৌ অসম ভিত্তিত আন্তঃবিদ্যালয় (নৱম-দ্বাদশ) কুইজ প্ৰতিযোগিতা।

ফলাফল ঃ দ্বিতীয় স্থান লাভ— উচ্চতৰ মাধ্যমিক দুই ছাত্ৰ চাহিল মহম্মদ চাবেৰিন (দ্বিতীয় বৰ্ষ বিজ্ঞান শাখা) আৰু কপিল দেৱ গোস্বামী (প্ৰথম বৰ্ষ, কলা শাখা)।

৪) তাৰিখ ঃ ১১ আগষ্ট, ২০২৩।

স্থান ঃ হৰদত্ত-বীৰদত্ত ভৱন, ৰঙিয়া (৭৭ তম্ স্বাধীনতা দিৱস উপলক্ষে ৰঙিয়া মহকুমা প্ৰশাসনৰ দ্বাৰা আয়োজিত)

প্ৰতিযোগিতা ঃ সদৌ অসম ভিত্তিত আন্তঃবিদ্যালয় (নৱম-দ্বাদশ) কুইজ প্ৰতিযোগিতা।

ফলাফল ঃ প্ৰথম স্থান লাভ—

উচ্চতৰ মাধ্যমিকৰ দুই ছাত্ৰ চাহিল মহম্মদ চাবেৰিন (দ্বিতীয় বৰ্ষ বিজ্ঞান শাখা) আৰু কপিল দেৱ গোস্বামী (প্ৰথম বৰ্ষ কলা শাখা)।

৫) তাৰিখ ঃ ১২ আগষ্ট, ২০২৩।

স্থান ঃ দিশপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহ।

প্ৰতিযোগিতা ঃ সদৌ উত্তৰ পূৰ্বাঞ্চল আন্তঃমহাবিদ্যালয়

তৰ্ক প্ৰতিযোগিতা।

ফলাফল ঃ বিচাৰকৰ বিশেষ বঁটা লাভ— আব্দুল মজিদ আলী, দ্বিতীয় ষান্মাসিক (প্ৰাণী বিজ্ঞাম বিভাগ)।

৬) আকৌ একেদিনাই (অৰ্থাৎ, ১২ আগষ্ট, ২০২৩ তাৰিখে)—

স্থান ঃ ছয়গাঁও।

প্ৰতিযোগিতা ঃ সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা।

ফলাফল ঃ দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক পুৰস্কাৰ লাভ— কপিল দেৱ গোস্বামী (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, কলা শাখা)

পূৱ কামৰূপ মহাবিদ্যালয়ৰ তৰ্ক আৰু কুইজৰ দিশটোৰ লগত মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দি এই দিশটো অধিক শক্তিশালী কৰাৰ নিমিত্তে ০৭ আগষ্ট, ২০২৩ তাৰিখে সন্মানীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় তত্বাৱধায়িকা মহোদয়াৰ অনুমতি মৰ্মে এই দিশটোৰ লগত জড়িত তথা আগ্ৰহী মহাবিদ্যালয়ৰ প্ৰবীন ছাত্ৰ-ছাত্ৰীসকল আৰু নবীন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন আলোচনা সভা তথা কৰ্মশলাৰ আয়োজন কৰোঁ। মহাবিদ্যালয়ৰ প্ৰবীন কুইজাৰ আৰু তাৰ্কিকসকলে সুন্দৰভাৱে তৰ্কৰ বিভিন্ন 'নিয়মাৱলী' উপস্থাপন কৰাৰ লগতে নিজৰ নিজৰ কুইজ আৰু তৰ্কৰ অভিজ্ঞতাসমূহো ব্যক্ত কৰে। 'আমিও বৰ বিশেষ নাজানো, শিকিহে আছো' বুলি নিজৰ সীমিত অভিজ্ঞতাৰ দ্বাৰাৰ হ'লেও এই দিশটোৰ প্ৰতি নবীন সকলক আকৃষ্ঠ কৰিবলৈ প্ৰয়াস কৰোঁ। নতুন ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ আৰু তৰ্কৰ প্ৰতি আগ্ৰহ দেখি আৰু তেওঁলোকৰ প্ৰতিভা দেখি আমি অতিভূত হ'লো। লগতে, এই সভাতেই 'তৰ্ক আৰু কুইজ চ'ছাইটি' নামেৰে এটি সমিতি গঠনৰ সিদ্ধান্তও গ্ৰহণ কৰিলোঁ। (অৱশ্যে বহু বছৰ আগতে এনেকুৱা সমিতি আছিল কিন্তু যোৱা কেইবাবছৰ কিছু অসুবিধা তথা কভিডৰ বাবে সক্ৰিয় নাছিল বুলি শুনিবলৈ পাইছোঁ।) পিছলৈ মাননীয় অধ্যক্ষ মহোদয়ক এই বিষয়ে অৱগত কৰিলো আৰু সমিতিখন কাৰ্যকৰী কৰিলোঁ। এই সমিতিখন আগলৈও থাকিব বুলি আশা কৰিলোঁ।

শেষৰটো কাৰ্যসূচী হিচাপে সদৌ শেষত ১৭ আগষ্ট, ২০২৩ তাৰিখে গৌহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা কৰ্মশলাত পূব কামৰূপ মহাবিদ্যালয়ৰ ১০ গৰাকী আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ সৈতে অংশগ্ৰহণ কৰোঁ।

এনেদৰেই বিভিন্ন ঘাট-প্ৰতিঘাট, হাঁহি-ধেমালি, সুখ-দুখ, পোৱা-নোপোৱাৰ মাজেৰে কেনেদৰে এটা বছৰ সম্পূৰ্ণ হৈ গ'ল গমেই নাপালো। অৱশেষত, ১৯ অক্টোবৰ, ২০২৩ তাৰিখে আমাৰ ২০২২-২৩ বৰ্ষৰ কাৰ্যকালৰ অন্ত পৰে আৰু নৱনিৰ্বাচিত ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে দায়িত্বভাৰ গ্ৰহণ কৰে।

সামৰণিত মোৰ এই কাৰ্যকালত মোক সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা পূব কামৰূপ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মা ছাৰ, উপাধ্যক্ষ শ্ৰীযুত নাৰায়ণ গোস্বামী ছাৰ, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সন্মানীয় তত্বাৱধায়িকা ড° বিপাশা ভৰদ্বাজ বাইদেউ লগতে অধ্যাপক খনিন্দ্ৰ দাস ছাৰ, অধ্যাপক মহঃ আয়েজ আলী ছাৰ, অধ্যাপক ড° দীপক কোঁৱৰ ছাৰ, অধ্যাপিকা কল্পনা ভাগৱতী বাইদেউ আৰু অধ্যাপিকা প্ৰজ্ঞা সাধন কাশ্যপ বাইদেউৰ লগতে সঞ্জীৱ কুমাৰ দাস দাদালৈও অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে বিভিন্ন সময়ত মোৰ লগত থাকি সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল, ছাত্ৰ সন্থাৰ প্ৰাক্তন 'তৰ্ক আৰু আলোচনা চক্ৰ'ৰ সম্পাদক মঞ্জিত বৈশ্য দাদা আৰু নিপ দাদা (প্ৰেছ) লৈও যাঁচিলো আন্তৰিক ধন্যবাদ। লগতে মোক সহায়-সহযোগিতা আগবঢ়োৱা অনুজ-অগ্ৰজ সতীৰ্থসকল আৰু মোৰ আপোন প্ৰাণী বিজ্ঞান বিভাগৰ সমূহ সন্মানীয় অধ্যাপক-অধ্যাপিকা আৰু বন্ধু-বান্ধৱী সকলৰ লগতে সমূহ পিকেছিয়ানলৈ যাঁচিলো আন্তৰিক ধন্যবাদ।

সদৌ শেষত, অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা মাগিছো। পূব কামৰূপ মহাবিদ্যালয়ৰ এই বিভাগটিৰ বাবে যিখিনি কাম কৰিব লাগিছিল, (কিন্তু ব্যক্তিগত আৰু অন্যান্য অসুবিধাৰ বাবে) হয়তো তাৰে বহুখিনি কাম কৰিবলৈ মই ব্যৰ্থ হ'লো। তাৰ বাবেও মই ক্ষমাৰ প্ৰাৰ্থী। সেইসমূহ অনাগত দিনত পূৰণ হ'ব বুলি আশা ৰাখিলো আৰু পূৱ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীন বিকাশ আৰু উন্নতি কামনা কৰিলো।

"জয়তু পূব কামৰূপ মহাবিদ্যালয়
জয়তু পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ।"



## মানস প্ৰতীম গোস্বামী

**সম্পাদক, গুৰু খেল বিভাগ**
২০২২-২৩ বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত পূৱ কামৰূপ মহাবিদ্যালয়ৰ জন্ম হৈছিল সেই সকল মহান ব্যক্তিলৈ মই ভক্তিৰ অৰ্ঘ্য যাঁচিলো।

২০২২-২৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে এজনৰ লগত প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে মই সমূহ পূৱ কামৰূপীয়ানলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

মই গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে ১২-০২-২০২৩ সোমবাৰৰ পৰা মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত গুৰু খেল বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে অংশগ্ৰহণ কৰিছিল।

মই মোৰ বিভাগৰ গুৰুত্বপূৰ্ণ তিনিবিধ খেল— ক্ৰিকেট, ফুটবল আৰু ভলীবল আটাইবিধ খেল অনুষ্ঠিত কৰিছিলো। ক্ৰিকেট আৰু ফুটবল অনুষ্ঠিত হৈছিল আগডলা বৰ্বৰী খেলপথাৰত। ক্ৰিকেট আৰু ফুটবল খেল মই দুই দিনত সমাপ্ত কৰিবলৈ সক্ষম হৈছিলো। ঠিক তেনেদৰে মোৰ বিভাগৰ আন এটা গুৰুত্বপূৰ্ণ খেল ভলীবল অনুষ্ঠিত হৈছিল মহাবিদ্যালয়ৰ বাকৰিত। ভলীবল ল'ৰা, ছোৱালী উভয় শাখাতে অনুষ্ঠিত হৈছিল। মোক এই খেলসমূহ অনুষ্ঠিত কৰাত প্ৰতিটো মূহুৰ্ততে পৰামৰ্শ আৰু সহায় কৰা মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক মাননীয় প্ৰতুল কলিতা ছাৰলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। খেলসমূহ পৰিচালনা কৰোতে বিভিন্ন কামত সহায় কৰা উপ সভাপতি আৰ্কিতা কাকতি, সহঃ সাধাৰণ সম্পাদক প্ৰিন্স কলিতা, লঘু খেল সম্পাদক ধিমান নাথৰ লগতে মোৰ বন্ধু অনল, বাস্তৱ, হিৰক, হিমাংশু আটাইলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে হয়তো কিবা ভূল-ভ্ৰান্তি হৈ যাব পাৰে, তাৰ বাবে ক্ষমা বিচাৰিলোঁ আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু পূৱ কামৰূপ মহাবিদ্যালয়
জয়তু পূৱ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ।"



## চিন্তু বৈশ্য

সম্পাদক, ছাত্ৰ-জিৰণি কোঠা

২০২২-২৩ বৰ্ষ

বৰলুইতৰ উত্তৰ পাৰত অৱস্থিত আমাৰ পূৱ কামৰূপ মহাবিদ্যালয়, নামেই যাৰ পৰিচয়। পোন প্ৰথমে মই সেই সকল মহান ব্যক্তিক সুঁৱৰিছো যাৰ অশেষ প্ৰচেষ্টাত কামৰূপ জিলাৰ গৌৰৱ তথা সমগ্ৰ অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান পূৱ কামৰূপ মহাবিদ্যালয় স্থাপন হৈছিল। মই অত্যান্ত সুখী যে এই মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ লগতে ২০২২-২৩ বৰ্ষৰ পূৱ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰূপে পূৱ কামৰূপীয়ানে মোক নিৰ্বাচন কৰিলে। তাৰ বাবে সমূহ পূৱ কামৰূপীয়ানক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ সংবিধানত হাত থৈ শপত গ্ৰহণ কৰি মোৰ দায়িত্বভাৰ ল'লো। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে ছাত্ৰ জিৰণি কোঠাৰ খিৰিকীবোৰত পৰ্দা দিয়াৰ ব্যৱস্থা কৰিলো। তাৰ পাছত ছাত্ৰ জিৰণি কোঠাত ছাত্ৰ সকলক দৈনিক খেলৰ বাবে দুখন কেৰম বৰ্ডৰ ব্যৱস্থা কৰি দিলো। ইয়াৰ পিছতে মহাবিদ্যালয়ত ছাত্ৰ সন্থাৰ উদ্যোগত বাৰ্ষিক যুৱ মহোৎসৱ উদ্‌যাপন কৰা হৈছিল। মই মোৰ বিভাগত থকা খেলবোৰ পাতিছিলো। তাৰ পিছত ছাত্ৰ জিৰণি কোঠাতোত চাৰিখন ফেন আৰু দুটা এল ই ডি লাইটৰ ব্যৱস্থা কৰিছিলো। এই ক্ষেত্ৰত পূৱ কামৰূপীয়ানে দিয়া সঁহাৰিৰ বাবে মই যথেষ্ট আনন্দিত। আৰু কিছুমান কাম মই কৰিব নোৱাৰিলো। সেইবোৰ কাম মোৰ পাছৰ জন সম্পাদকে কৰিব বুলি আশা ৰাখিলো।

মোৰ এই সকলোবোৰ কাম কৰাত সহায় তথা দিহা-পৰামৰ্শ দি মোৰ দায়িত্ব সুকলমে পালন কৰাত সহায় কৰা বুৰঞ্জী বিভাগৰ অধ্যাপক ইমদাদ আলী আহমেদ ছাৰ তথা পূৱ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ভূপেন কুমাৰ শৰ্মা ছাৰ লগতে সমূহ বন্ধু-বান্ধৱী সকল আৰু ২০২২-২৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকাল আৰু প্ৰতিবেদনত কিবা যদি ভূল-ভ্ৰান্তি হৈছে তেতিয়া হ'লে সকলোৰে আগত ক্ষমা মাগিছো।



## জয়শ্ৰী কলিতা

সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা
২০২২-২৩ বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে স্মৰণ কৰিছো সেই মহান ব্যক্তিক, যিসকল ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা আৰু অমূল্য ত্যাগৰ ফলত পূব কামৰূপ মহাবিদ্যালয়ৰ জন্ম হৈছিল।

২০২২-২০২৩ বৰ্ষৰ পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদত সমূহ পূৱ কামৰূপীয়ানে মোক নিৰ্বাচিত কৰি যি দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে সমূহ পূৱ কামৰূপীয়ানকে কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ সংবিধানত হাত থৈ শপত গ্ৰহণ কৰি কাৰ্যভাৰ তথা দায়িত্ব লোৱাৰ ঠিক পাছতে আমাৰ ছাত্ৰ জিৰণী কোঠাতো চাফ-চিকুণ কৰা হয়। ইয়াৰ পিছত যেতিয়া জানুৱাৰীৰ ২৪-২৫ তাৰিখে মহাবিদ্যালয়ত NAAC (National Assessment and Accreditation Council) পৰিদৰ্শনৰ বাবে আহিছিল তাৰ আগতে মই ছাত্ৰী সকলৰ সুবিধাৰ্থে মুখ মণ্ডল চোৱা দাপোন, পৰ্দা আৰু ইয়াৰ লগতে খেলা সামগ্ৰী যেনে কেৰম, লুডু, দবা আদিৰ ব্যৱস্থা কৰিছিলো। ইয়াৰ লগতে যেতিয়া মই নিজৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিলো তেতিয়া চাৰক মই চেনিটেৰী নেপকিনৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰিছিলো। তেতিয়া চাৰ মোৰ অনুৰোধ ক্ৰমে চেনিটেৰী নেপকিনৰ ব্যৱস্থা কৰি দিয়ে। ইয়াৰ বাবে ছাৰক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

NAAC ৰ পৰিদৰ্শন শেষ হোৱাৰ পিছতে আমাৰ যুৱ মহোৎসৱ আৰম্ভ হয় আৰু তেতিয়া মই ছাত্ৰী জিৰণী কোঠাৰ তৰফৰ পৰা দবা, কেৰম, ৰচীটনা, মিছ পিকেচিয়াণ, কইনা প্ৰতিযোগিতা আদি খেলসমূহ অনুষ্ঠিত কৰো। এই যুৱ মহোৎসৱৰ সকলো খেল শৃংখলাবদ্ধ আৰু উলহ-মালহেৰে অনুষ্ঠিত হয়। খেল সমূহৰ পৰিচালনাত মোক সহায় আগবঢ়োৱা সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰতিবেদনৰ সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো আৰু এই মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰিলো।

*"জয়তু পূব কামৰূপ মহাবিদ্যালয়*
*জয়তু পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ সন্থা"*

তলত ছাত্ৰী জিৰণী কোঠাৰ বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত হোৱা ভিন্ন শিতানৰ প্ৰতিযোগীসমূহৰ ফলাফল সমূহ উল্লেখ কৰা হ'ল—

মিছ পিকেচিয়ান ঃ

মিছ পিকেচিয়ান ঃ নিকিতা ডেকা, দ্বিতীয় যান্মাসিক, ভূগোল বিভাগ।

প্ৰথম ৰাণাৰ্চআপ ঃ চাইনি দেৱী, চতুৰ্থ যান্মাসিক, সাধাৰণ।

দ্বিতীয় ৰাণাৰ্চআপ ঃ হিয়ামণি চুলতানা, ষষ্ঠ যান্মাসিক, শিক্ষা বিভাগ।

মিচ কিউট ঃ টিনামণি ডেকা, চতুৰ্থ যান্মাসিক, শিক্ষা বিভাগ।

মিছ বিউটিফুল হেয়াৰ ঃ চুস্মীতা কলিতা, দ্বিতীয় যান্মাসিক, ভূগোল বিভাগ।

কইনা প্ৰতিযোগিতা ঃ

প্ৰথম ঃ ৰশ্মি শৰ্মা, ষষ্ঠ যন্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ।

দ্বিতীয় ঃ আলিছা আলেইবি, দ্বিতীয় যান্মাসিক, বাণিজ্য বিভাগ।

তৃতীয় ঃ সাগৰিকা নাথ, চতুৰ্থ যান্মাসিক, কম্পিউটাৰ বিজ্ঞান বিভাগ।

বিচাৰকৰ বিশেষ বঁটা ঃ হিয়ামণি চুলতানা, ষষ্ঠ যান্মাসিক, বিজ্ঞানৰ স্নাতক।

দবা প্ৰতিযোগিতা ঃ

প্ৰথম ঃ নিচা কলিতা, চতুৰ্থ যান্মাসিক, ৰসায়ন বিজ্ঞান।

কেৰম প্ৰতিযোগিতা (দ্বৈত) ঃ

প্ৰথম ঃ ফাতেমা আচমিন, জেনিফা ইয়াচমিন, ৰাজনীতি বিভাগ।

দ্বিতীয় ঃ ৰিঞ্জুমা বেগম, নিকিতা ডেকা, দৰ্শন বিভাগ।

তৃতীয় ঃ চুস্মীতা ডেকা, চবণাম চুলতানা, ভূগোল বিজ্ঞান বিভাগ।

ৰচী টনা প্ৰতিযোগিতা ঃ

প্ৰথম ঃ ইংৰাজী বিভাগ।

দ্বিতীয় ঃ দৰ্শন বিভাগ।




## মানৱ কুমাৰ

সম্পাদক, সমাজসেৱা বিভাগ
২০২২-২৩ বৰ্ষ


মই মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকল মহান ব্যক্তিৰ অপ্ৰাণ প্ৰচেষ্টা, সীমাহীন ত্যাগ আৰু অক্লান্ত চেষ্টাৰ ফলত ১৯৭২ চনত বৰলুইতৰ উত্তৰ পূৰ পাৰত কামৰূপ জিলৰ গৌৰৱ তথা শিক্ষাৰ প্ৰাণ কেন্দ্ৰস্বৰূপ পূব কামৰূপ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল।

ঐতিহ্যমণ্ডিত পূব কামৰূপ মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত সমাজসেৱা বিভাগৰ সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত প্ৰতিদ্বন্দিতা কৰি পূব কামৰূপীয়ান সকলৰ গভীৰ আস্থাত বিজয়ী হওঁ। মোক এইকণ সুযোগ দিয়াৰ বাবে সমূহ পূব কামৰূপীয়ানৰ ওচৰত মই চিৰকৃতজ্ঞ। এক সুস্থ নিকা পৰিৱেশতহে এক সৃষ্টিশীল মানসিকতা গঢ়ি উঠে তথা সৃষ্টিশীল কৰ্মৰ জন্ম হয়। গতিকে আমি সকলোৱে একেমুখে স্বীকাৰ কৰিব লাগিব যে সমাজসেৱা বিভাগ ছাত্ৰ একতা সভাৰ লগতে মহাবিদ্যালয়ৰ এটি গুৰুত্বপূৰ্ণ বিভাগ আৰু অপৰিহাৰ্য অংগ।

মহাবিদ্যালয়ৰ সংবিধানত হাত থৈ শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোৰ বিভাগীয় তত্বৱধায়ক ড° দীপক কোঁৱৰ ছাৰৰ নিৰ্দেশমৰ্মে পোনপ্ৰথমে আমাৰ দায়িত্ব আছিল— 'মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ' সুকলমে অনুষ্ঠিত কৰা। এই মহোৎসৱত সমাজসেৱা বিভাগৰ তৰফৰ পৰা এখনি চাফাই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত গৰিষ্ঠ সংখ্যক পূৱ কামৰূপীয়ানে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰয়োজনীয় সামগ্ৰীসমূহৰ যোগান সুকলমে কৰা হয়।

২০২২-২৩ বৰ্ষত মোৰ কাৰ্যকালত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়ায় মোক সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক বিশেষভাৱে ধন্যবাদ জনাইছোঁ। সমগ্ৰ কাৰ্যকালতে গঠনমূলক দিহা-পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা ৰাজনীতি বিভাগৰ শিক্ষাগুৰু, বন্ধু-বান্ধৱী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ এই যাত্ৰাত সহযোগী হোৱা 'মহাবিদ্যালয় ছাত্ৰ সন্থা'ৰ (২০২২-২৩) সমূহ বিষয়ববীয়া আৰু হিয়াৰ আমঠু প্ৰতিজন পূৱ কামৰূপীয়ানলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰতিবেদনৰ অন্তত মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে আহ্বান জনাও যে যাতে তেওঁলোকে আমাৰ মহাবিদ্যালয়খন পৰিষ্কাৰ-পৰিছন্নকৈ ৰাখি এক সুন্দৰ শৈক্ষিক বাতাবৰণ গঢ়ি তোলে।

সদৌ শেষত মোৰ কাৰ্যকাল আৰু প্ৰতিবেদনত জ্ঞাত-অজ্ঞাত ভাৱে হৈ যোৱা ভুলৰ বাবে মাৰ্জনা বিচাৰি পূৱ কামৰূপ মহাবিদ্যাল.ৰ গৌৰৱোজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই বাৰ্ষিক প্ৰতিবেদন সামৰণি মাৰিলোঁ।

# নেপথ্যৰ কথা ঃ

কামৰূপ জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান পূব কামৰূপ মহাবিদ্যালয়ে ইতিমধ্যে গৌৰৱোজ্জ্বল পঞ্চাশটা বছৰ অতিক্ৰম কৰিলে। এই সময়ছোৱাত শিক্ষাৰ লগতে সংস্কৃতিৰ ভিন্নমুখী যাত্ৰাৰে এক বৃহৎ অঞ্চলৰ বৌদ্ধিক উৎকৰ্ষ সাধনত মহাবিদ্যালয়খনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাবিদ্যালয়ৰ এই বৌদ্ধিক যাত্ৰাৰ বিশেষ অংশ 'পূব কামৰূপ মহাবিদ্যালয় আলোচনী'-য়ে ১৯৭৩-৭৪ বৰ্ষৰপৰাই শিক্ষাৰ্থীসকলৰ সাহিত্য-চৰ্চাৰ মঞ্চ হিচাপে বিশিষ্ট অৰদান আগবঢ়াই আহিছে। (পূৰ্বতে ১৯৭৫-৭৬ শিক্ষাবৰ্ষৰপৰা আলোচনীখনৰ প্ৰকাশ আৰম্ভ হৈছিল বুলি ভবা হৈছিল যদিও সম্প্ৰতি এই সম্পৰ্কীয় সঠিক তথ্য লাভ হৈছে। এই সংখ্যাত পূৰ্বৰ আলোচনীসমূহৰ বিষয়ে শেহতীয়া তথ্য অন্তৰ্ভুক্ত কৰা হৈছে।)

আমাৰ বাবে অতি সৌভাগ্যৰ বিষয় যে, পূব কামৰূপ মহাবিদ্যালয়ৰ আলোচনীৰ ২০২২-২০২৩ শিক্ষাবৰ্ষৰ অৰ্থাৎ ৪৮ সংখ্যক সংখ্যাটিৰ তত্ত্বাৱধায়ক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ লাভ হ'ল। মহাবিদ্যালয়ৰ আলোচনীখনক কেন্দ্ৰ কৰি পূৰ্বৰেপৰা আমাৰ এক বিশেষ পৰিকল্পনা আছিল। সেয়া হৈছে আলোচনীখন ISSN-ৰ আওতালৈ অনাৰ চেষ্টা কৰা। এই সম্পৰ্কীয় নীতি-নিৰ্দেশনাসমূহৰ বিষয়ে চিন্তা-চৰ্চা কৰা হ'ল। সম্পাদনা সমিতিৰ পৰামৰ্শ অনুসৰি গোটেই প্ৰক্ৰিয়াটোৰ প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয়ৰ আলোচনীখনৰ নামকৰণৰ বাবে প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। সেই অনুসৰি সংশ্লিষ্ট প্ৰতিটো পক্ষৰপৰা আলোচনীখনৰ নামকৰণৰ বাবে প্ৰস্তাৱ আহ্বান কৰা হ'ল। মহাবিদ্যালয় কৰ্তৃপক্ষ, সম্পাদনা সমিতি, অধ্যাপক-অধ্যাপিকা-শিক্ষাৰ্থী, প্ৰাক্তন শিক্ষাৰ্থী, কৰ্মচাৰীবৃন্দ তথা অন্যান্য সংশ্লিষ্ট সহৃদয় ব্যক্তিৰ সহযোগিতাত আলোচনীখনৰ বাবে কেইবাটাও নাম প্ৰস্তাৱিত হ'ল। তাৰে ভিতৰৰ পৰা তিনিটা নাম শেষ সিদ্ধান্ত লাভৰ বাবে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হয়। মহামান্য পৰিচালনা সমিতিয়ে তাৰ মাজৰপৰা আলোচনীখনৰ ২০২২-২৩ বৰ্ষৰপৰা প্ৰযোজ্য হোৱাকৈ 'পূবেৰুণ' নামটোৰ বাবে সৰ্বসন্মতিক্ৰমে অনুমোদন জনায় (PKC GB Meeting held on 11th August, 2023, Resolution No. 14)। উল্লেখনীয় যে, এই সংখ্যাটি 'পূবেৰুণ' নামেৰে প্ৰকাশ হোৱাৰ পাছত পৰৱৰ্তী সংখ্যাসমূহৰ সম্পাদনা সমিতিয়ে ISSN লাভৰ বাবে প্ৰয়োজনীয় অন্যান্য পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। এই আপাহতে সমগ্ৰ বিষয়টোৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত প্ৰতিগৰাকী ব্যক্তি তথা প্ৰতিখন সমিতিক সম্পাদনা সমিতিৰ হৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

উচ্চ শিক্ষানুষ্ঠানসমূহৰ পৰা প্ৰকাশিত হোৱা আলোচনীসমূহত অনুষ্ঠানবোৰৰ বৌদ্ধিক দিশৰ সামগ্ৰিক প্ৰতিফলন ঘটে। বিদ্যায়তনিক, সহ-বিদ্যায়তনিক তথা অন্যান্য বিবিধ দিশৰ দাপোণ হিচাপে আলোচনীসমূহ অনুষ্ঠানসমূহৰ এক গুৰুত্বপূৰ্ণ অঙ্গ। 'পূবেৰুণ'ৰ তত্ত্বাৱধায়ক হিচাপে আলোচনীখনৰ সম্পাদকক সু-পৰামৰ্শ দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। কিন্তু আলোচনীৰ প্ৰকাশৰ কাম কৰি যোৱাৰ পৰত উদ্বেগেৰে লক্ষ্য কৰা হৈছে যে, বৰ্তমান শিক্ষাৰ্থীসকলৰ মাজত লেখক আৰু পাঠক-দুয়োৰে সংখ্যা যেন পূৰ্বতকৈ কমি আহিছে। অৱশ্যে সুখৰ কথা, তাৰ মাজতে একাংশ শিক্ষাৰ্থী আছে, যিসকলে পঠন আৰু অধ্যয়নৰ অভ্যাস বজাই ৰাখিছে। লগতে লিখিবলৈও চেষ্টা কৰিছে। কিন্তু এনে শিক্ষাৰ্থীৰ সংখ্যা যথেষ্ট কম। সম্পাদকৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ভালেকেইজন নতুন লেখকে লিখিবলৈ কলম তুলি লৈছে। আশাকৰোঁ এইসকল নতুন লেখকে পিছলৈও কলম অব্যাহত ৰাখিব।

পূৰ্বৰেপৰা মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ পুৰস্কৃত লেখাসমূহ আলোচনীত ছপা কৰা হয়। এইবাৰো তাৰ ব্যতিক্ৰম হোৱা নাই। লেখকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যৰে পৰম্পৰাগত শিতানসমূহৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে সৃষ্টিশীল সাহিত্য, বিশেষকৈ গল্পৰ ভিন ভিন ধাৰাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। প্ৰতিযোগীসকলৰ সঁহাৰিয়ে বিচাৰকসকলৰ লগতে সম্পাদনা সমিতিকো উৎসাহিত কৰিছে।

'পূবেৰুণ'-ৰ এই সংখ্যাৰ বাবে অসমৰ বিশিষ্ট মুখাশিল্পী পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীৰ সাক্ষাৎকাৰ গ্ৰহণ কৰা হৈছিল। তেওঁৰ সৈতে হোৱা কথোপকথনৰ ছপা ৰূপৰ লগতে তথ্য-প্ৰযুক্তিৰ নতুন সুবিধা গ্ৰহণ কৰি এই সাক্ষাৎকাৰটিৰ শ্ৰব্য ৰূপ QR Code-ৰ জৰিয়তে সন্নিবিষ্ট কৰা হৈছে।

মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহৰ চমু অৱলোকন 'পূবেৰুণ'ৰ আন এক গুৰুত্বপূৰ্ণ অংশ। পূৰ্বৰ দৰেই এইবাৰো এই শিতান সন্নিবিষ্ট হৈছে। আনন্দৰ কথা যে, মহাবিদ্যালয়ৰ শিক্ষা বিভাগে প্ৰথম বাৰৰ বাবে তেওঁলোকৰ প্ৰাচীৰ পত্ৰিকা 'কৰ্ষণ' QR Code-ৰ জৰিয়তে সংৰক্ষণ কৰি ৰখাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই Code 'পূবেৰুণ'-ৰ এই সংখ্যাটিত সানন্দে অন্তৰ্ভুক্ত কৰা হৈছে।

আশাকৰোঁ, 'পূবেৰুণ'-ৰ নতুনত্বই মহাবিদ্যালয়ৰ লগত জড়িত প্ৰতিগৰাকী লোকৰ শুভকামনা লাভ কৰিব। আলোচনীখনে মহাবিদ্যালয়ৰ বৌদ্ধিক দিশ অনাগত দিনত উজ্জ্বলতকৈও উজ্জ্বল ৰূপত দাঙি ধৰিবলৈ সক্ষম হ'ব। নতুন প্ৰজন্মই লেখক-পাঠক হিচাপে 'পূবেৰুণ'ক দিনে দিনে সমৃদ্ধিশালী কৰি তুলিব। আলোচনীখনে প্ৰকাশৰ মুখ দেখাৰ আঁৰত জড়িত হৈ থকা প্ৰতিগৰাকী ব্যক্তিক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সৰ্বে ভৱন্তু সুখিনঃ।

নয়নমণি বৰুৱা

**তত্ত্বাৱধায়িকা**

# Editors and Professors-in-Charge of Pub Kamrup College Magazine

**From 1973-1974 to 2022-2023**

**1973-1974**
Rezina Khatun (Prof.-in-charge)
Gajendra Nath Kalita (Editor)

**1974-1975**
Rezina Khatun (Prof.-in-charge)
Hemanta Kr Kalita (Editor)

**1975-1976**
Dipanjali Bhuyan (Prof.-in-charge)
Bhabesh Deka (Editor)

**1976-1977**
Dipanjali Bhuyan/ Rezina Khatun (Prof.-in-charge)
Chandra Kanta Goswami (Editor)

**1977-1978**
Krishna Kanta Patowary/ Dipanjali Bhuyan (Prof.-in-charge)
Sahidul Islam Khandakar (Editor)

**1978-1979**
Krishna Kanta Patowary/ Dipanjali Bhuyan (Prof.-in-charge)
Kiran Chandra Kakati (Editor)

**1981-1982**
Krishna Kanta Patowary/ Dipanjali Bhuyan (Prof.-in-charge)
Krishna Kanta Kalita (Editor)

**1982-1983** *
Krishnakanta Patowary (Prof.-in-charge)
Dhrubajyoti Deka (Editor)

**1983-1984**
Narendra Ch. Das (Prof.-in-charge)
Bhudhar Deka (Editor)

**1984-1985**
Narendra Ch. Das (Prof.-in-charge)
Amarendra Nath Sarma (Editor)

**1985-1986**
Narendra Ch. Das (Prof.-in-charge)
Jagadish Kalita (Editor)

**1986-1987**
Narendra Ch. Das (Prof.-in-charge)
Kushal Kr. Sarma (Editor)

**1987-1988**
Narendra Ch. Das (Prof.-in-charge)
Pranab Kr. Talukdar (Editor)

**1988-1989**
Narendra Ch. Das (Prof.-in-charge)
Taru Goswami (Editor)

**1989-1990**
Narendra Ch. Das (Prof.-in-charge)
Mukut Bania (Editor)

**1990-1991**
Narendra Ch. Das (Prof.-in-charge)
Pranjit Deka (Editor)

**1991-1992**
Narendra Ch. Das (Prof.-in-charge)
Harkanta Deka (Editor)

**1992-1993**
Dr. Khagesh Sen Deka (Prof.-in-charge)
Mrinal Kr. Sarma (Editor)

**1993-1994**
Dr. Khagesh Sen Deka (Prof.-in-charge)
Amarendra Deka (Editor)

**1994-1995**
Umesh Ch. Deka (Prof.-in-charge)
Upananda Deka (Editor)

**1995-1996**
Balendra Kr. Dev Choudhury (Prof.-in-charge)
Kandarpa Barman (Editor)

**1996-1997**
Khagendra Nath Talukdar (Prof.-in-charge)
Dulal Choudhury (Editor)

**1997-1998**
Krishnakanta Patowary (Prof.-in-charge)
Amarendra Kakoti (Editor)

**1998-1999**
Dr. Umesh Ch. Deka (Prof.-in-charge)
Kishor Sarma (Editor)

**1999-2000**
Dr. Umesh Ch. Deka (Prof.-in-charge)
Pranab Kr. Deka (Editor)

**2000-2001**
Balendra Kr. Dev Choudhury (Prof.-in-charge)
Mridul Kr. Sarma (Editor)

**2001-2002**
Khagendra Nath Talukdar (Prof.-in-charge)
Binoy Sarma (Editor)

**2002-2003**
Krishna Kanta Patowary (Prof.-in-charge)
Faruk Ahmed (Editor)

**2003-2004**
Dr. Khagesh Sen Deka (Prof.-in-charge)
Chandan Kalita (Editor)

**2004-2005**
Nripendra Nath Talukdar (Prof.-in-charge)
Abanipran Kalita (Editor)

**2005-2006**
Puspendra Kr. Sarma (Prof.-in-charge)
Nishad Kalita (Editor)

**2006-2007**
Khagendra Nath Talukdar (Prof.-in-charge)
Sonjyoti Barua (Editor)

**2007-2008**
Puspendra Kr. Sarma (Prof.-in-charge)
Anukul Deka (Editor)

**2008-2009**
Puspendra Kr. Sarma (Prof.-in-charge)
Taizuddin Ahmed (Editor)

**2009-2010**
Montu Saikia (Prof.-in-charge)
Jitumoni Sarma (Editor)

**2010-2011**
Montu Saikia (Prof.-in-charge)
Brajendra Deka (Editor)

**2011-2012**
Suresh Deka (Prof.-in-charge)
Amar Deka (Editor)

**2012-2013**
Dipen Bezbarua (Prof.-in-charge)
Bidyut Jyoti Das (Editor)

**2013-2014**
Dr Harekrishna Haloi (Prof.-in-charge)
Md. Nur Islam (Editor)

**2014-2015**
Dr Harekrishna Haloi (Prof.-in-charge)
Mohiuddin Ali (Editor)

**2015-2016**
Ajit Kalita (Prof.-in-charge)
Aminul Haque (Editor)

**2016-2017**
Dr Nirman Ranjan Mazumdar (Prof.-in-charge)
Chandramita Kalita (Editor)

**2017-2018**
Dr Dipak Konwar (Prof.-in-charge)
Bilas Deka (Editor)

**2018-2019**
Montu Saikia (Prof.-in-charge)
Anisar Rahman (Editor)

**2019-20**
Dr Dulumani Deka (Prof.-in-charge)
Samiran Sarma (Editor)


**2020-21**
Dr Dipak Konwar (Prof.-in-charge)
Raktima Dutta (Editor)


**2021-22**
Puspendra Kumar Sarma (Prof.-in-charge)
Bhaswati Sarma (Editor)

**2022-23**
Dr Nayanmoni Baruah (Prof.-in-charge)
Imraj Khan (Editor)

* The magazine edited by Krishna Kanta Kalita is available in Pub Kamrup College Library. It is mentioned as the 7th issue and it was published in the year 1981-82. The issues of 1979-80, 1980-81are not available. May be those issues were not published due to *Asom Andolan*.


# পূব কামৰূপ মহাবিদ্যালয় আৰু
# পূব কামৰূপ মহাবিদ্যালয় প্ৰেছৰ পৰা প্ৰকাশিত গ্ৰন্থসমূহ















































# পূবেৰুণ

পূব কামৰূপ মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনী

# PUBERUN

ANNUAL MAGAZINE OF PUB KAMRUP COLLEGE

48th issue, Session: 2022-2023

Printed at : Pub Kamrup College Press

Editor : Imraj Khan